কৰ্ম্মযোগী

কামাখ্যাৰাম বৰুৱা

সম্পাদক

শ্ৰীতীৰ্থনাথ শৰ্ম্মা

প্ৰকাশক

কামৰূপ সাহিত্য পৰিষদ

গুৱাহাটী

১৯৭৫

কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতিৰ সদস্যসকল

শ্ৰীবেণুধৰ শৰ্ম্মা—সভাপতি

„ তীৰ্থনাথ শৰ্ম্মা—কাৰ্য্যকাৰী সভাপতি

৺হৰেন্দ্ৰনাথ কলিতা –উপ-সভাপতি

শ্ৰীসতীশ ভট্টাচাৰ্য্য –সম্পাদক

„ অতুল চন্দ্ৰ হাজৰিকা—সদস্য

* „ গিৰিধৰ শৰ্ম্মা—(তেতিয়াৰ সভাপতি, কামৰূপ সাহিত্য পৰিষদ)

„ জিতেন্দ্ৰনাথ বুজৰবৰুৱা–সদস্য

„ হৰিশ চন্দ্ৰ গোস্বামী „

„ অপূৰ্ব্বৰাম বৰুৱা „

„ প্ৰবীৰৰাম বৰুৱা „

„ হেমন্ত কুমাৰ শৰ্ম্মা (কামৰূপ সাহিত্য পৰিষদৰ হৈ)

* „ প্ৰসন্নৰাম দাস (সম্পাদক, কামৰূপ সাহিত্য পৰিষদ)

শ্ৰীযুক্তা ৰাজবালা দাস— সদস্যা

* কামৰূপ সাহিত্য পৰিষদৰ বৰ্ত্তমান সভাপতি শ্ৰীহিতেশ ডেকা আৰু বৰ্ত্তমান সম্পাদক শ্ৰীসতীশচন্দ্ৰ চৌধুৰী বৰ্ত্তমান পদে সদস্য হৈ আছে।

স্মৃতিগ্ৰন্থ সমিতিৰ সম্পাদকৰ নিবেদন

কৰ্মযোগী কামাখ্যাৰাম বৰুৱাৰ বিশুদ্ধ চৰিত্ৰ, উদাত্ত গুণাৱলী, বিভিন্ন ক্ষেত্ৰত সমাজ সেৱাৰ অলেখ অবদানৰ বিষয়ে জানিবলগীয়া আৰু শিকিবলগীয়া বহু কথা আছে। দুখৰ কথা এই সৰ্বতোভদ্ৰ পুৰুষজনাৰ বহুবিসাৰী কৰ্মৰাশিৰ বিস্তৃত বিৱৰণ আৰু আলোচনা আজিকোপতি হোৱা নাই। এই অভাৱ পূৰণৰ অৰ্থে এই গ্ৰন্থখনি এক ক্ষুদ্ৰ প্ৰচেষ্টা মাথোন।

কামাখ্যাৰাম বৰুৱাৰ আদৰ্শ আৰু কৰ্মৰাশিৰ বিস্তৃত আলোচনা সম্বলিত এখনি জীৱনীমূলক গ্ৰন্থ বহুদিন আগতেই প্ৰকাশ পোৱাটো উচিত আছিল। দৰাচলতে তেখেতৰ সম্পূৰ্ণ জীৱনী এখন লিখিবলৈ এজন সুযোগ্য লোকে হাতত লৈছিল, কিন্তু নানা অসুবিধা বশতঃ সি আৰু হৈ নুঠিল। তেনেতে এদিন আমি কেইজনমানে বৰুৱাৰ পুত্ৰ শ্ৰীঅপূৰ্ব্বৰাম বৰুৱাৰ আগত কথাটো উলিয়ালো আৰু এনে এখন গ্ৰন্থৰ প্ৰয়োজনীয়তাৰ কথা কলোঁ। তেখেতে আমাক বৰ উৎসাহ দিলে আৰু কিতাপখন ছপাৰ সকলো খৰচ বহন কৰিবলৈকো গাত ললে। আমিও ততালিকে দহজন সদস্যৰে এটি স্মৃতিগ্ৰন্থ সমিতি পাতি লৈ প্ৰাৰম্ভিক কাম আৰম্ভ কৰিলোঁ। এই বিষয়ত সু-সাহিত্যিক হৰেন্দ্ৰনাথ কলিতাই বিশেষভাৱে আগভাগ লৈছিল। প্ৰকৃতপক্ষে তেখেতেই এই প্ৰকল্পৰ প্ৰথম উদ্যোক্তা আছিল বুলিব পাৰি। দুখৰ বিষয় যোৱা ১ জানুৱাৰী ১৯৭৩ তাৰিখে হঠাতে তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে। তেখেতৰ মৃত্যুত সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে। এই গ্ৰন্থত সন্নিবিষ্ট প্ৰৱন্ধটিয়ে সম্ভৱতঃ স্বৰ্গীয় কলিতাৰ শেষ ৰচনা। এই গ্ৰন্থৰ প্ৰকাশ আৰু তেখেতে দেখা নাপালে।

'কামৰূপ সাহিত্য পৰিষদে' তেওঁলোকৰ প্ৰকাশন হিচাবে এই গ্ৰন্থ গ্ৰহণ কৰিবলৈ ৰাজি হোৱাত সমিতিৰ পৰবৰ্ত্তী বৈঠকত পৰিষদৰ তিনিগৰাকী সদস্যৰে সৈতে এই সমিতি পুনৰ গঠিত কৰা হয়। কামৰূপ সাহিত্য পৰিষদৰ আগ্ৰহ আৰু সহযোগৰ বাবে তেখেত সকলক আমি ধন্যবাদ জনাইছোঁ।

অন্যান্য স্মৃতিগ্ৰন্থৰ দৰে এই গ্ৰন্থৰ পৰিকল্পনা কৰা হোৱা নাই। ইয়াত কামাখ্যাৰাম বৰুৱা সম্বন্ধে বিভিন্ন লোকৰ ব্যক্তিগত সোঁৱৰণিয়েই অকল স্থান পোৱা নাই, তেখেতৰ বিস্তৃত কৰ্মবহুল জীৱনৰ বিভিন্ন দিশ আৰু আদৰ্শৰ যথাসম্ভৱ বহলিয়াই কৰা আলোচনা, তেখেতৰ নিজৰ প্ৰকাশিত আৰু অপ্ৰকাশিত ৰচনাৰ অংশ বিশেষ, চিঠিপত্ৰ আৰু বিভিন্ন সভা-সমিতিত দিয়া ভাষণাৱলী

ইত্যাদিৰে সকলো দিশ সামৰাকৈ এখন বৃহৎ জীৱনী-গ্ৰন্থ হিচাবেহে ইয়াক উলিওৱা হৈছে। স্মৃতিৰক্ষাক কেৱল উদ্দেশ্য বুলি নধৰি তেখেতৰ আদৰ্শই সকলোকে অনুপ্ৰেৰণা দিয়ক মূলতঃ তেনে উদ্দেশ্যৰেই এই গ্ৰন্থ যুগুত কৰা হৈছে। মহৎ আদৰ্শবান লোকৰ সান্নিধ্য লাভৰ সুযোগ সকলোৰে নঘটে, কিন্তু এনে শীৰ্ষস্থানীয় ব্যক্তিৰ জীৱন, গুণ আৰু কৰ্মৰাশিৰ পৰিচয়ে আমাক অনুপ্ৰাণিত কৰিব পাৰে। এই মহান কৰ্মযোগীজনাৰ আদৰ্শ জীৱন আৰু গুণাৱলীয়ে সকলোকে অনুপ্ৰেৰণা যোগাওক এয়ে আমাৰ কামনা। কাৰণ সমাজত এই শ্ৰেণীৰ লোক ক্ৰমাৎ বিৰল হৈ আহিছে।

যিসকল লেখকে এই ঋষিতুল্য পুৰুষজনাৰ স্মৃতি আৰু সান্নিধ্য সুঁৱৰি আমাৰ অনুৰোধক্ৰমে প্ৰবন্ধ-পাতি লিখি এই গ্ৰন্থৰ সৌষ্ঠব বৃদ্ধি কৰিলে, এই সুযোগতে তেখেত সকললৈ আমি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনিৰ প্ৰস্তুতিকালত সমিতিৰ অন্যতম সদস্য অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাৰ পৰা আমি সততে নানান পৰামৰ্শ পাই আহিছোঁ। তেখেতলৈকো আমি আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আদিৰ পৰা শেষলৈকে এই গ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰত সমিতিৰ কাৰ্য্যকৰী সভাপতি অধ্যক্ষ শ্ৰীযুত তীৰ্থনাথ শৰ্মাদেৱে যি শ্ৰম কৰিলে, তাৰ অবিহনে এই গ্ৰন্থ পঢ়ুৱৈৰ হাতত তুলি দিয়া সম্ভৱ নহলহেতেন। তেখেতক কৃতজ্ঞতা জনাবৰ ভাষা নাই।

শেষত, বৰুৱাদেৱৰ দুই সুযোগ্য পুত্ৰ শ্ৰীঅপূৰ্বৰাম বৰুৱা আৰু শ্ৰীপ্ৰবীৰৰাম বৰুৱাৰ ওচৰত আমি চিৰদিন কৃতজ্ঞ হৈ থাকিম। নানান আপুৰুগীয়া তথ্য-পাতি আৰু ব্যক্তিগত চিঠিপত্ৰ যোগানৰ উপৰিও এই গ্ৰন্থ প্ৰকাশৰ সমস্ত খৰচ তেখেতসকলে বহন কৰিছে। তেখেতসকলৰ এই মহানুভৱতাৰ অবিহনে এই গ্ৰন্থৰ পৰিকল্পনাই হয়তো বাস্তৱ ৰূপ নেপালেহেতেন। অকল সেয়ে নহয়, এই গ্ৰন্থৰ বিক্ৰীলব্ধ সকলো ধন পুনৰ কোনো আপুৰুগীয়া তথা প্ৰয়োজনীয় গ্ৰন্থ প্ৰকাশনত নিয়োগ কৰিবলৈ সমিতিয়ে লোৱা সিদ্ধান্তক তেখেতসকলে ওলগ জনাইছে। তাৰ বাবেও তেখেতসকল আমাৰ কৃতজ্ঞতাৰ পাত্ৰ।

পৰিশেষত আমাৰ অনিচ্ছাকৃত ত্ৰুটি-বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে—

ইতি—

জালুকমুখ,
গুৱাহাটী।

শ্ৰীসতীশ ভট্টাচাৰ্য্য
সম্পাদক,
কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতি।

কামৰূপ সাহিত্য পৰিষদৰ সম্পাদকৰ হৈ দুআষাৰ

মহৎ ব্যক্তিসকলৰ আদৰ্শ মোকোলাই ধৰা অতি প্ৰয়োজনীয়। এই প্ৰয়োজনীয়তা লাভ কৰিবলৈ হলে কৰ্মময় পুৰুষসকলৰ জীৱনী প্ৰণয়ন অতি প্ৰয়োজনীয়। এই প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি কৰ্মযোগী ৺কামাখ্যাৰাম বৰুৱাৰ জীৱন দৰ্শনৰ পটভূমিত তেখেতৰ জীৱনী গ্ৰন্থখন কামৰূপ সাহিত্য পৰিষদে প্ৰকাশ কৰিবলৈ আগ্ৰহেৰে আগবাঢ়ে। উল্লেখযোগ্য যে এই একে উদ্দেশ্যৰেই কামৰূপ সাহিত্য পৰিষদে ইতিমধ্যে 'কামৰূপ ৰত্নমালা' নামৰ জীৱনী গ্ৰন্থৰ দুই খণ্ড প্ৰকাশ কৰে। এই গ্ৰন্থত একৈশ জন লোকৰ জীৱন চৰিত সামৰি লোৱা বাবে তেওঁলোকৰ জীৱনৰ সকলো দিশ গ্ৰন্থখনিত স্থান দিয়াতো সম্ভৱ নহ'ল। সেয়ে তাত কেৱল ব্যক্তিসকলৰ সাহিত্য আৰু সাংস্কৃতিক দিশতহে অধিক গুৰুত্ব দিয়া হয়। সুখৰ বিষয় যে স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা দেৱৰ এই গ্ৰন্থখনি তেনে আংশিক জীৱনী নহয়। ই তেখেতৰ এখন পূৰ্ণ জীৱন চৰিত। ইয়াত তেখেতৰ জীৱনৰ বিভিন্ন স্তৰৰ আলোকচিত্ৰ সন্নিবিষ্ট কৰাৰ উপৰিও কৰ্মজীৱনৰ লগত সম্পৰ্কিত বহু কেইখন চিঠিপত্ৰও সন্নিবিষ্ট কৰা আছে। আমি আশা ৰাখিছোঁ এইবোৰে গ্ৰন্থখনিৰ অলঙ্কাৰ স্বৰূপ হৈ শোভাবৰ্দ্ধন কৰাৰ উপৰিও বৰুৱাদেৱৰ মানসিক চিন্তাধাৰাৰ লগত পাঠকৰ পোনপটীয়া সংযোগ ঘটাব।

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱৰ জীৱন বিবিধ কৰ্মৰে গঁথা এধাৰি সুদীৰ্ঘ মালা। গতিকে গ্ৰন্থখনি বৃহৎ আৰু ব্যয়বহুল হোৱাতো স্বাভাৱিক। গ্ৰন্থখনিৰ সকলো খৰচ বৰুৱাদেৱৰ গুণী পুত্ৰদ্বয় শ্ৰীঅপূৰ্বৰাম বৰুৱা আৰু শ্ৰীপ্ৰবীৰৰাম বৰুৱাই নকৰাহেতেন গ্ৰন্থখনি ৰাইজৰ মাজলৈ কেতিয়া আহিলহেতেন কোৱা টান। কাৰণ পুঁজিৰ ফালৰ পৰিষদ এতিয়াও আত্মনিৰ্ভৰশীল হৈ উঠা নাই। বৰুৱা ভ্ৰাতৃদ্বয় এই ত্যাগৰ বাবে নিশ্চয় শলাগৰ পাত্ৰ। তেখেতসকলৰ কাৰ্য্যৰ প্ৰতি এইখিনিতে আমি শলাগ ললোঁ।

উল্লেখযোগ্য যে এই গ্ৰন্থখনি প্ৰণয়ন আৰু প্ৰকাশৰ যাবতীয় কাম প্ৰস্তুত আৰু পৰিচালনা কৰে কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতিয়ে। এই কামত সমিতিৰ কাৰ্য্যকৰী সভাপতি অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মাদেৱৰ একাণপতীয়া প্ৰচেষ্টাৰ প্ৰতি এইখিনিতে আমি শলাগ নলৈ নোৱাৰোঁ। লগতে সমিতিৰ দায়িত্ব বহন কৰি নিয়াৰিকৈ সকলো কাম সমাধা কৰা সমিতিৰ সম্পাদক অধ্যাপক শ্ৰীসতীশ ভট্টাচাৰ্য্যও ধন্যবাদৰ পাত্ৰ। এই দুই গৰাকী সমিতিৰ কৰ্মকৰ্ত্তাৰ লগতে স্মৃতিগ্ৰন্থ সমিতিৰ সভাপতি শ্ৰীবেণুধৰ শৰ্মা প্ৰমুখ্যে আন সদস্যলৈ এই ক্ষেত্ৰত যোগোৱা বৰঙণিৰ বাবে কামৰূপ সাহিত্য পৰিষদৰ হৈ শলাগ ললোঁ।

পৰিষদৰ আগৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযুত গিৰিধৰ শৰ্ম্মা আৰু সম্পাদক শ্ৰীপ্ৰসন্নৰাম দাসৰ কাৰ্য্যকালতে যদিও এই গ্ৰন্থৰ সঙ্কলন আৰম্ভ হৈছিল আৰু তাৰ পাছৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযুত ৰজনীকান্ত দেৱ শৰ্ম্মা আৰু সম্পাদক শ্ৰীৰমেশ কলিতাৰ কাৰ্য্যকালত গ্ৰন্থৰ কাম ভালেখিনি আগবাঢিছিল তথাপি নানা কাৰণত তাক এতিয়াহে ৰাইজৰ আগলৈ উলিয়াই দিব পাৰিলো। আমাৰ কাৰ্য্যকালতে এই সুযোগ উপস্থিত হোৱাত বিশেষ আনন্দ পাইছো। শ্ৰদ্ধেয় শ্ৰীযুত অতুল হাজৰিকা প্ৰমুখ্যে কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতিৰ সদস্যসকলে উপদেশ আৰু নিৰ্দ্দেশ দি নথকা হলে আৰু মাজে মাজে খবৰা-খবৰি কৰি নথকা হলে ইমান নিয়াৰিকৈ গ্ৰন্থখন উলিযাব পৰা নগলহেতেন।

সবশেহত কলিকতাৰ এলম্ প্ৰেছৰ গৰাকীসকলৰ প্ৰতিও আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতসকলে বিশেষ যত্ন লৈ এই গ্ৰন্থ ছপাৰ কাম সুসম্পন্ন কৰিছে আৰু বহুত বিষযত তেখেতসকলৰ দিহা-পৰামৰ্শও আমাৰ উপকাৰত আহিছে। গ্ৰন্থখন যদি ভাল হৈছে তাৰ কৃতিত্বৰ বহুলাংশ তেখেতসকলৰো প্ৰাপ্য।

এইখিনিতে আমি দুখেৰে স্মৰণ কৰিবলগীযা হ'ল যে এই গ্ৰন্থখনি প্ৰকাশত স্বৰ্গীয় হৰেন্দ্ৰনাথ কলিতাৰ ভূমিকা আছিল পাহৰিব নোৱাৰা। তেখেতে উৎ-সাহেৰে গ্ৰন্থখনি প্ৰণযনৰ কাম হাতত লবলৈ আগবাঢি আহিছিল আৰু এই ক্ষেত্ৰত তেখেতে স্মৃতিগ্ৰন্থ সমিতিৰ উপ-সভাপতি দাযিত্বও বহন কৰিছিল। আজি আৰু তেখেত আমাৰ মাজত নাই। নিষ্ঠুৰ কালে এগৰাকী নীৰব গুণী সাহিত্যিকক তেওঁৰ কৰ্মথলীৰ পৰা আতৰাই নিলে। সমগ্ৰ অসমবাসীৰ লগতে সেয়ে আজি আমি অনুতপ্ত।

শেষত এই গ্ৰন্থখনিয়ে ৰাইজক উপকৃত কৰিব বুলি আমি আশা ৰাখিছোঁ। আৰু সৰু বৰ সকলোলোকৰ পৰাই বিশেষকৈ ন চামে ইয়াক মৰমেৰে লব বুলি আমাৰ বিশ্বাস। উদ্যোক্তাসকলৰ শ্ৰম সাৰ্থক কৰিবলৈ আৰু ভবিষ্যতে এনে কাম হাতত লবৰ বাবে অনুপ্ৰেৰণা যোগাবলৈ তেখেতসকলৰ মৰম স্নেহ অত্যাৱশ্যকীয। এইখিনিতে আমি জনাবলৈ পাই সুখী হৈছোঁ যে এই গ্ৰন্থখনিৰ বিক্ৰীলব্ধ সমুদায ধনৰ এটা সুকীয়া পুঁজি হব। এই ধনৰ পুঁজি কামাখ্যাৰাম বৰুৱাদেৱৰ স্মৃতিত অসমীয়া তথা ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিৰ আৱশ্যকীয় গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশত ব্যয় কৰা হব। ৰাইজৰ মৰম স্নেহ পালে আমাৰ আশা নিশ্চয় ফলৱতী হব।

ৰাইজলৈ শ্ৰদ্ধা ভক্তি সহকাৰে—

গুৱাহাটী
২৯।৯।৭৫ ইং

বিনীত—
শ্ৰীসতীশচন্দ্ৰ চৌধুৰী
প্ৰধান সম্পাদক, কামৰূপ সাহিত্য পৰিষদ।

সূচীপত্ৰ

প্ৰবন্ধৰ নাম	লিখক	পৃষ্ঠা
প্ৰথম খণ্ড—জীৱন বৃত্তান্ত		
১। উপৰি বংশৰ কথা	শ্ৰীতীৰ্থনাথ শৰ্ম্মা	১
২। কামাখ্যাৰাম বৰুৱাৰ চমু জীৱন-বৃত্তান্ত ·	৺পদ্মেশ্বৰ গোস্বামী …	১৮
৩। বহুগুণী পুৰুষ কামাখ্যাৰাম বৰুৱা	শ্ৰীৰাম গোস্বামী	৪৩
দ্বিতীয় খণ্ড—জীৱনৰ বিভিন্ন দিশ		
৪। কামাখ্যাৰাম বৰুৱা—এজন সৰ্ব্বতোভদ্ৰ পুৰুষ	শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা ··	৫১
৫। হিন্দু পৰম্পৰাৰ ৰক্ষক—৺কামাখ্যাৰাম বৰুৱা	শ্ৰীৰাধিকামোহন গোস্বামী	৫৯
৬। কামাখ্যাৰাম বৰুৱা আৰু সংস্কৃত	আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী	৬৭
৭। শিক্ষানুৰাগী কামাখ্যাৰাম বৰুৱা	৺হৰেন্দ্ৰনাথ কলিতা ·	৭৩
৮। আইন ব্যৱসায়ত কামাখ্যাৰাম বৰুৱা	শ্ৰীজয়চন্দ্ৰ চৌধুৰী ·	৮১
৯। চাহ উদ্যোগ আৰু কামাখ্যাৰাম বৰুৱা	শ্ৰীখেটেক ধৰ বৰুৱা	৮৬
১০। উদ্যোগ আৰু ক্ষুদ্ৰ ব্যৱসায়ত কামাখ্যাৰাম বৰুৱাৰ উদগনি	শ্ৰীযাদৱ দেৱ শৰ্ম্মা …	৯৮
১১। ৺কামাখ্যাৰাম বৰুৱা—আমাৰ পশুকল্যাণ ক্ষেত্ৰত এক বিশিষ্ট ব্যক্তি	শ্ৰীৰাণাৰাম অযোধ্যা সিং	১০৫
১২। অসম লেজিছ্‌লেটিভ্‌ সদস্য হিচাপে কামাখ্যাৰাম বৰুৱা …	শ্ৰীসতীশ ভট্টাচাৰ্য্য …	১০৭
১৩। মণিপুৰত শ্ৰীকামাখ্যাৰাম বৰুৱা …	শ্ৰীপ্ৰিয়ব্ৰত সিং …	১১১
১৪। আধুনিক মণিপুৰৰ পথনিৰ্ম্মাতাসকলৰ অন্যতম কামাখ্যাৰাম বৰুৱা …	শ্ৰীৰাধা মোহন সিং …	১১৪
তৃতীয় খণ্ড—জীৱন সোঁৱৰণ		
১৫। পুণ্যশ্লোক কামাখ্যাৰাম বৰুৱাৰ স্মৃতিৰ লেছেৰি-বোটলা ··	শ্ৰীবেণুধৰ শৰ্ম্মা ··	১১৯
১৬। কামাখ্যাৰাম বৰুৱাক সুঁৱৰি ·	শ্ৰীদিবাকৰ গোস্বামী ·	১২৩
১৭। বন্ধুবৎসল কামাখ্যাৰাম বৰুৱা …	শ্ৰীমানিক চন্দ্ৰ হাজৰিকা …	১২৮
১৮। কামাখ্যাৰাম বৰুৱাৰ সোঁৱৰণত …	শ্ৰীৰাজবালা দাস …	১৩২

প্ৰবন্ধৰ নাম	লিখক	পৃষ্ঠা
১৯। কামাখ্যাৰাম বৰুৱা সম্পৰ্কীয় কেইটামান স্মৃতিৰ টুকুৰা ..	শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা ...	১৩৬
২০। সৰ্ব্বগুণাকৰ কামাখ্যাৰাম বৰুৱা—মই দেখা পোৱা মানুহজন	শ্ৰীৰাধানাথ হাজৰিকা ...	১৩৯
২১। বহুগুণী কামাখ্যাৰাম বৰুৱাৰ গৌৰৱগাথা	শ্ৰীখণীন্দ্ৰনাথ বৰুৱা	১৪৪
২২। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ বিষয়ে মনত পৰা কেইটামান কথা	শ্ৰীশ্ৰীতাৰকচন্দ্ৰ গোস্বামী	১৪৭
২৩। মামাক যিদৰে জানো	শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা	১৫১
২৪। দেউতাৰ আচাৰ-ব্যৱহাৰ আৰু অভ্যাসৰ কেইটামান দিশ .	শ্ৰীনিৰ্ম্মলা দেৱী	১৬০
২৫। স্বৰ্গীয় ককাদেউতাৰ স্মৃতিত ...	শ্ৰীআৰতি দেৱী	১৬৬

চতুৰ্থ খণ্ড—ভাষণাৱলী

২৬। ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম এছ'ছিয়েছনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ		১৭৩
২৭। অসম উপত্যকা ভাৰতীয় চাহ-খেতিয়ক সন্থাৰ ডিব্ৰুগড়ত বহা প্ৰথম সভাৰ সভাপতিৰ অভিভাষণ	...	১৭৮
২৮। ছাত্ৰ সম্মিলনীৰ সভাপতিৰ অভিভাষণ ..	...	১৮৪
২৯। সদৌ অসম উকিল সন্থাৰ শিলচৰ অধিবেশনৰ (১৯৪৯) সভাপতিৰ অভিভাষণ .. .	. .	১৯৪
৩০। অসম সংস্কৃত সমিতিৰ তিনিচুকীয়াত অনুষ্ঠিত পঞ্চবিংশ সমাবৰ্ত্তনোৎসৱ আৰু বাৰ্ষিক অধিবেশনৰ সভাপতিৰ ভাষণ ...	...	১৯৯

পঞ্চম খণ্ড—কাউন্সিল ভাষণাৱলী

৩১। Removal of disabilities of Political convicts in the matter of their eligibility for election to the local bodies and the Legislative Council (26. 3. 24)	...	২১৭
৩২। General discussion on the budget (28 3 24)	...	২২২
৩৩। Settlement Operation of 1924 (1 4. 24) ...	..	২২৫
৩৪। Demand for grants (2. 4 24) . .	...	২২৮
৩৫। System of general education in schools and colleges (19 9 24) ...	...	২৩০
৩৬। Supplementary demand for grants for dispensary at Sylhet (22 9. 24) ...	...	২৩৪

প্ৰবন্ধৰ নাম		পৃষ্ঠা
৩৭।	Enquiry into excesses in suppression of the Non-Co-Operative Movement (25 9 24) ..	২৩৬
৩৮।	The Assam Court Fees (Amendment) Bill 1925 (7 3 25)	২৪০
৩৯।	Charka spinning (19 3 25)	২৪৪
৪০।	Opium purchased from Govt of India (16 7 25)	২৪৮
৪১।	Settlement of land with the native of the province (9 9 25) ..	২৫১
৪২।	Assam Local Self-Government (Amendment) Bill, 1926 (28 9 26)	২৫৯

ষষ্ঠ খণ্ড—পত্ৰাৱলী

৪৩।	শ্ৰীকামাখ্যাৰাম বৰুৱাৰ পত্ৰাৱলী শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা	২৬৫
৪৪।	শ্ৰীঅপূৰ্ব্বৰাম বৰুৱালৈ দিয়া .	২৭১
৪৫।	শ্ৰীপ্ৰবীৰৰাম বৰুৱালৈ দিয়া .	২৮১
৪৬।	শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱালৈ দিয়া .. .	২৯১
৪৭।	ডাঃ সুৰেন্দ্ৰনাথ শৰ্ম্মালৈ দিয়া	২৯৭
৪৮।	শ্ৰীঅনুপমা দেৱীলৈ দিয়া . ..	৩১৯

সপ্তম খণ্ড—প্ৰকাশিত আৰু অসম্পূৰ্ণ ৰচনাৰ অংশবিশেষ

৪৯।	ভদ্ৰতা	৩৩১
৫০।	বিশ্বজগৎ আৰু তাৰ মূলাধাৰ শক্তি	৩৩৩
৫১।	মানুহৰ শ্ৰেষ্ঠতা	৩৩৭
৫২।	বুদ্ধদেৱৰ ধৰ্ম্ম	৩৪০

অষ্টম খণ্ড—শোকবাণী আৰু শোকপ্ৰস্তাৱ

৫৩।	শোকবাণীসমূহ	৩৪৫
৫৪।	শোকপ্ৰস্তাৱসমূহ	৩৫৫

পৰিশিষ্ট

(ক)	কামাখ্যাৰাম বৰুৱাৰ হস্তাক্ষৰৰ নমুনা	৩৬৩
(খ)	৺নৰেন্দ্ৰনাথ সেন	৩৬৫
(গ)	স্মৃতিগ্ৰন্থৰ লিখকসকলৰ চমু পৰিচয়	৩৬৯



কামাখ্যাৰাম বৰুৱাৰ শেষ জীৱনৰ পূৰ্ণাৱয়ব প্ৰতিকৃতি

প্ৰথম খণ্ড

(উপৰি-বংশ আৰু জীৱন-বৃত্তান্ত)

[প্ৰকৃতপক্ষে এই গোটেই গ্ৰন্থ জীৱন-বৃত্তান্ত কিন্তু জীৱনৰ খুল-মূল ঘটনাবিলাক থাওকতে পঢ়িবলৈ পোৱাকৈ এই প্ৰবন্ধ তিনটা যুগুত কৰা হৈছে। এই খণ্ড যেনিবা বাকী গ্ৰন্থৰ প্ৰবেশদ্বাৰ।]

—সম্পাদক

কামাখ্যাৰাম বৰুৱা

—উপৰি-বংশৰ কথা—

শ্ৰীতীৰ্থনাথ শৰ্ম্মা

আহোম যুগৰ ৰাঙ্গনি বেলিৰ পোহৰ তেতিয়া পশ্চিম দিগন্তত কোনোমতে ওলমি আছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনৰ কথা—এজন দেশত্যাগী কৰ্ণাটী ব্ৰাহ্মণে নামনি অসমত এটি তোলনীয়া পৰিয়ালৰ পাতনি মেলিলে। সেই পৰিয়ালটোৱেই অলপ দিনতে নামে যহে এটা খ্যাতিমন্ত বংশ হল আৰু অসমৰ কেইবাজনো গুণী জ্ঞানী আৰু মহৎ লোকে এই বংশৰ গৌৰৱ সু-প্ৰতিষ্ঠিত কৰিলে। হলিৰাম ঢেঁকিয়াল ফুকন, আনন্দ ৰাম ঢেঁকিয়াল ফুকন, জ্ঞানদাভিৰাম বৰুৱা আৰু কামাখ্যা-ৰাম বৰুৱা এই নৱ-প্ৰতিষ্ঠিত বংশৰে স্বদেশ-ৰঞ্জন সুযোগ্য সন্তান। এই বংশৰ প্ৰতিষ্ঠাতা কৰ্ণাটী ব্ৰাহ্মণজনেই বুৰঞ্জী প্ৰসিদ্ধ দটীয়া ব্ৰহ্মচাৰী বা ব্ৰহ্মচাৰী গোসাঁই, যাৰ নাম আছিল লক্ষ্মীনাৰায়ণ।

এই মানুহজন সুদূৰ দক্ষিণ ভাৰতৰ পৰা কোন সূত্ৰে কেনেকৈ 'আচাম মুলুক' পালেহি, ব্ৰহ্মচাৰী নাম লৈ এটা বংশৰ মূল-পুৰুষেই বা কেনেকৈ হবলৈ পালে, এইবোৰ বৃত্তান্ত সেই বংশৰে উজ্জ্বলনীলমণি গুণাভিৰাম বৰুৱাই তেখেতৰ "আনন্দ ৰাম ঢেঁকিয়াল ফুকনৰ জীৱন চৰিত্ৰ" নামৰ মোহৰ সোণ যেন গ্ৰন্থত সবিস্তাৰে বিৱৰি গৈছে। তথাপি প্ৰস্তুত গ্ৰন্থৰ উপজীব্য কামাখ্যাৰাম বৰুৱাৰ জীৱন-কাহিনী কবলৈ যাওঁতে চমুকৈ হলেও সেইবোৰ কথাৰ আঁত মাৰি লগতে আগবঢ়া হব।

অসমৰ সামাজিক ইতিহাসৰ কথা বহুদিশৰ পৰাই মন দিবৰ যোগ্য। অতীতত অসমীয়া সমাজৰ চপাই সামৰি লব পৰা এটা দুৰ্ব্বাৰ অন্তৰ্নিহিত শক্তি আছিল। কামৰূপলৈ আহি 'ভেড়া বনি' যোৱাৰ প্ৰবাদ তেনেই উকা নাছিল। দিক্-বিদিকৰ পৰা মানুহ আহি অসমত এপুৰুষ কাল বসবাস কৰিলে অসমীয়া হৈ

পৰিছিল। এই মোহনী শক্তিৰ কথাকে মাথোন ওপৰত কোৱা প্ৰবাদে ৰূপকোক্তিৰে প্ৰকাশ কৰিছে। অসমলৈ কাশ্মীৰ, কুল্লুত আদি ঠাইৰ পৰা দলে দলে ৰাজপুত ৰাণক আদি ক্ষত্ৰিয় যোদ্ধাসকল আহিছিল। ৰণাকুছি, ৰাউতকুছি, ৰউতা* আদি গাঁৱৰ নামবোৰতহে সেইবোৰৰ স্মৃতি ওলমি আছে। উত্তৰ প্ৰদেশৰ বিভিন্ন স্থানৰ পৰা মানুহ আহি কনৌজীয়া বুলি পৰিচয় দিছিল। আচলতে কনৌজ নামটো পৰিচয় দিয়াৰ এটা ৰকমহে। কনৌজ নামৰ প্ৰতি মোহৰ গুৰিতে এটা ঐতিহাসিক কাৰণো আছে। যি সময়ত উত্তৰ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অসমলৈ সৰহীয়াকৈ প্ৰব্ৰজন হৈছিল সেই সময়ত কনৌজ এখন ক্ষমতাশালী আৰু বৈদিক সংস্কৃতিৰ পুনৰুজ্জীৱনকাৰী বিস্তৃত ৰাজ্য আছিল। পঞ্জাবৰ একাংশৰ পৰা বিহাৰৰ একাংশ-লৈকে ইয়াৰ বিস্তৃতি আছিল। গতিকে অৱধ, কাশী, প্ৰযাগ য'ৰে পৰাই নাহক অসমত আহি কনৌজ নামেৰেই পৰিচয় দি নৰাগতবিলাকে গৌৰৱ বোধ কৰিছিল। ত্ৰিহুত বঙ্গ উৰিষ্যাৰ পৰাও বহুত লোক আহি এই দেশত পুৰণি 'দেছ'ৰ চিন মোকাম হেৰুৱালে। উত্তৰপূব দুৱাৰেদি অহা টাই মঙ্গোল আদি বিভিন্ন গোষ্ঠীৰ মানুহেও ঢৌৰে ঢৌৰে আহি অসমীযা স্বৰূপত স্থিতি ললে। আজি সেইবোৰৰ গমগতি পাবলৈ হলে পাতাল চলাথকাৰী পুৰাতাত্ত্বিক, জোখমাখত পটু নৃতত্বজ্ঞ আৰু পুৰণি কথাৰ বৰঘৰ লুৰুকা বুৰঞ্জীবিদ্‌সকলে একযোগে সহায় কৰিলেহে কৰা।

বুৰঞ্জীৰ এই লীলা যে প্ৰাচীন যুগতে অস্ত পৰিল এনে নহয়, সৌ হাতে ঢুকি পোৱা কোম্পানীৰ দিনলৈকে অসমীয়াৰ জীৰ্ণকৰী শক্তি অটুট অভগন হৈ আছিল। দাক্ষিণাত্যৰ কৰ্ণাট প্ৰদেশৰ লক্ষ্মীনাৰাযণ নামৰ ব্ৰাহ্মণ এজন অসমলৈ আহোঁ বুলি পাঙি অহা নাছিল। তেওঁৰ পক্ষে অসম-যাত্ৰা এটা দৈব-সংযোগ মাত্ৰ। তেওঁ আছিল সংসাৰ-বিৰক্ত আৰু দেশ বনাই ফুৰা মানুহ, পাকত পৰি অসম ওলালহি। ভ্ৰমি ফুৰা মানুহ, আকৌ দিহিঙে দিপাঙে গুচি যাব লাগিছিল, কিন্তু নগল বা যাব নোৱাৰিলে। অকল ইমানেই হোৱা হলে কথা সৰহ নহলহেঁতেন, ইয়াতে থাকি নিজ গোত্ৰ দিযা তোলনীযা পুত্ৰৰে পিণ্ডোদক ক্ৰিয়াৰ ব্যৱস্থা কৰি এটা পৰিয়াল থাপি থৈ গ'ল। সংসাৰ বিৰাগী ব্ৰহ্মচাৰীকো অসম-মোহৰ কঠাল-আঠাই পালে।

---

* ৰাজপুত্ৰ>ৰাজপুত>ৰাউত্ত ৰাজপুত্ৰক>ৰাঅউত্তৰ, >ৰাউতা>ৰৌতা
ৰাজাণক>ৰাণক>ৰণা
ধৰ্মপালৰ তাম্ৰফলিত ৰাজপুত্ৰক, ৰাণক আদিৰ উল্লেখ আছে।

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী বুলি আমি যাৰ কথা কৈছোঁ প্ৰকৃততে তেওঁ আবাল ব্ৰহ্মচাৰী নাছিল, অথবা বিধি অনুসাৰে সন্ন্যাস গ্ৰহণ কৰা কোনো শ্ৰেণীৰ সন্ন্যাসীও নাছিল*। লক্ষ্মীনাৰায়ণৰ পিতৃৰ নাম আছিল চন্দ্ৰশেখৰ আৰু পিতামহৰ নাম বীৰৰাঘব। চন্দ্ৰশেখৰৰ চাৰি সন্তানৰ ভিতৰত লক্ষ্মীনাৰায়ণ আছিল সব-কনিষ্ঠ। পিতৃ-বিয়োগৰ পাছত চাৰি ভাইৰ মনান্তৰ ঘটিল। লক্ষ্মীনাৰায়ণৰ বিবাহ পিতৃ-বিযোগৰ পাছত হৈছিল। আগৰ তিনিজন ককায়েকৰ তুলনাত লক্ষ্মীনাৰায়ণৰ বিবাহ তুলুঙা বিধৰ হ'ল। সোণৰ অলঙ্কাৰো তেওঁৰ ভাগত কম পৰিল। এইবোৰ কাৰণত বিৰক্ত হৈ বিবাহিত পত্নীকো এৰি থৈ লক্ষ্মীনাৰায়ণ দেশান্তৰী হ'ল। স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ মতে ককায়েকহঁতৰ তুলনাত আৰ্থিক অৱস্থা ভাল নহব বুলি ভাবিযেই লক্ষ্মীনাৰায়ণ বিৰাগী হ'ল। পিছে এইকথা তেখেতৰ নিজা অনুমানহে, ইমানকণ কথাতে বিবাহিতা কুমলীয়া পত্নীক এৰি থৈ গুচি অহাষাৰ বিশ্বাসযোগ্য নহয়। তেতিয়া হলে তেওঁক নিৰ্দ্দয় আৰু আগ-পাছ নুগুণাবিধৰ মানুহ আছিল বুলি ভবা ভুল নহব। প্ৰকৃততে পাছ-বয়সৰ কাৰ্য্যাৱলীৰ পৰা তেওঁ দয়াশীল আৰু দূৰদৰ্শী মানুহ আছিল বুলিহে অনুমান হয়। সম্ভৱতঃ ককাযেক কেইজনৰ লগত মনান্তৰ হোৱাৰ উপৰিও পত্নী আৰু শহুৰেকৰ ঘৰৰ লগতো তেওঁৰ কিবা অলপ খকন্দ লাগিছিল তাৰ ফলতে উচাট মাৰি ঘৰ সংসাৰ এৰি তেওঁ ভাগ্যান্বেষণত বাহিৰ ওলাল। তেওঁৰ প্ৰকৃত সংসাৰ বৈৰাগ্য বা তীব্ৰ আধ্যাত্মিক এষণা আছিল বুলি পাছৰ কাৰ্য্যকলাপৰ পৰা অনুমান কৰিবলৈ টান হয়। ঘৰ এৰি ওলাই অহাৰ পাছত ব্ৰহ্মচাৰীৰ ভেশ লৈ ফুৰিছিলহে, নহলে মুৰ্চিদাবাদত অসমৰ মানুহে তেওঁক লগ পোৱাৰ বিশেষ কাৰণ নাই। মুৰ্চিদাবাদ কোনো তীৰ্থস্থান নাছিল। স্বৰ্গদেউ গোৰীনাথ সিংহৰ দিনত বঙ্গদেশত কোম্পানী চৰকাৰৰ ভেটি সুদৃঢ় হৈ পৰিছিল। ৱাৰেন হেষ্টিংছৰ শাসন কাল খ্ৰীঃ ১৭৭২-১৭৮৫ লৈকে। ইয়াৰ ভিতৰতে যদিও বঙ্গদেশৰ কোম্পানী চৰকাৰৰ কিছুমান কাৰ্য্যালয় মুৰ্চিদাবাদৰ পৰা কলিকতালৈ উঠাই নিয়া হৈছিল আৰু কলিকতাতে ইংৰাজৰ শাসনকেন্দ্ৰ ধীৰে ধীৰে স্থাপিত হৈছিল, মুৰ্চিদাবাদৰ গুৰুত্বও একেবাৰে কমি যোৱা নাছিল। বেহা বেপাৰৰ থলি-স্বৰূপে আৰু আনভাবেও মুৰ্চিদাবাদ বঙ্গদেশত ইংৰাজৰ দ্বিতীয় কেন্দ্ৰ হৈ আছিল। বেহাবেপাৰৰ ফালৰ পৰা ঘাই থলি আছিল বুলিয়েই কব পাৰি। বিখ্যাত জগত

---

* সন্ন্যাস গ্ৰহণ কৰা লোকে দত্তক পুত্ৰ গ্ৰহণ কৰা বিধিবৰ্হিভূত। পত্নীয়ো থাকিব নোৱাৰে।

শেঠ তেতিয়াও মুৰ্চিদাবাদৰ অপ্রতিদ্বন্দ্বী ধনকুবেৰ। এনে সময়তে লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীও মুৰ্চিদাবাদত আহি আছিল। গতিকে মুৰ্চিদাবাদত তেওঁ আখৰা পতাৰ আন উদ্দেশ্যও থাকিব পাৰে। এই মুৰ্চিদাবাদতে স্বৰ্গদেউৰ আদেশত চকু ভাল কৰা বেজ বিচাৰি যোৱা অসমীয়া মানুহৰ দলটোৰ লগত তেওঁৰ দেখাদেখি হয়। বেজ বিচাৰি যোৱা বৃত্তান্তও শুনিবলগীয়া। গুণাভিৰামৰ ভাষাতে সেইখিনি কোৱা হওঁক—

"গৌৰীনাথ সিংহ স্বৰ্গদেৱে সৈতে সৰুকালত একেলগে পঢ়া মজুমদাৰ এজনা ডেকা আছিল। এদিন অতি লঘু অপৰাধতে ৰজাই তেওঁৰ চক্ষুৰুৎপাটন কৰালে। কিছুকালৰ পাচত বিদেশী ৰজাৰ পৰা এখন পত্ৰ অহাত তাক পঢ়িবলৈ কোনো সমৰ্থ নোহোৱাত কণা মজুমদাৰক অনোৱা হ'ল। তেওঁ চক্ষুহীন প্ৰযুক্ত, তাক পাঠ কৰিব নোৱাৰাত আন এজনে তেওঁৰ আঙ্গুলি অক্ষৰবিলাকৰ ওপৰেদি বুলাই নিলে। এই উপায়ৰ দ্বাৰাই সেই পত্ৰৰ মৰ্ম ৰজাৰ অবগত হ'ল আৰু অন্ধজনৰ চক্ষুদান কৰিবলৈ বেজবৰুৱাবিলাকক অনুমতি কৰিলে। এবাৰ চক্ষুৰুৎপাটিত হলে পুনৰায় যে চকু নহয়, এই কথা স্বৰ্গদেৱৰ আগত জনাবলৈ বেজবৰুৱাসকলৰ সাহস নহল। পাচে তেওঁবিলাকে মন্ত্ৰণা কৰি ৰজাক জনালে বোলে ভাটীৰ পৰা বেজ নমালে চকুৰ চিকিৎসা হব নোৱাৰে আৰু এই বুলি বেজ বিচাৰিবলৈ ভাটীলৈ মানুহ পঠালে।

"আমাৰ দেশৰ পৰা যি লোক বেজ বিচাৰি গৈছিল সেই সকলেও গৈ মুৰ্চিদাবাদ পালে আৰু যি আখড়াত লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী আছিল সেই আখড়াৰ ঘাটতে নাও চপাইছিল। আমাৰ লোক সকলৰ মুগা আৰু পাটৰ দীঘল আৰু সুন্দৰ চুৰিয়া, কাঁহপিতলৰ সুন্দৰ বাচন আৰু আঁৰ কাপোৰ ইত্যাদি আৰু সেই সকলৰ আচাৰ ব্যৱহাৰ দেখি সেই ঠাইৰ লোকসকল চমৎকৃত হ'ল। ব্ৰহ্মচাৰী বাবাই তেওঁবিলাকক লগ পাই পৰিচয় ললে আৰু যি উদ্দেশ্যে গৈছিল তাকো সুধিলে। আৰু সেই দেশ ইংৰাজৰ অধীন হয় নে নহয় তাকো জিজ্ঞাসা কৰিলে। আমাৰ লোকসকলে কলে যে তেওঁবিলাক অসম কামৰূপৰ, সেই দেশ ইংৰাজৰ অধিকৃত নহয় আৰু চক্ষুৰুৎপাটিত লোকক চক্ষুদান কৰিব পৰা বৈদ্য অনুসন্ধান কৰি আহিছে। এই কথা শুনি ব্ৰহ্মচাৰী বাবাই ঈষদ্ধাস্য কৰি কলে, "এই নিমিত্তেহে এনে হৈছে।" বাবাই তেওঁলোকৰ লগত অসম দেশলৈ আহিবলৈ প্ৰতিজ্ঞা কৰিলে। তেওঁ কামৰূপৰ কামাখ্যাৰ নাম শুনিছিল। এই সুযোগতে কামাখ্যা দৰ্শন কৰিব পাৰিব ইয়াকো ভাবিলে আৰু ইয়াকো স্থিৰ কৰিলে যে ৰজা বৰ নিৰ্বোধ, তেওঁক চকু কঢ়া লোকক পুনৰায় চকু দিব নোৱাৰি এইটো বুজাই কলে

তেওঁ বুজিব। ব্ৰহ্মচাৰী বাবাই আমাৰ দেশৰ লোকসকলেৰে সৈতে কেইজনমান সন্ন্যাসী লগত লৈ এই দেশলৈ যাত্ৰা কৰিলে।"*

স্বৰ্গদেউ গৌৰীনাথ সিংহৰ প্ৰাৰ্থনা অনুসৰি ইংৰাজ চৰকাৰে কাপ্তান ৱেলচ্ চাহাবক কিছুমান সৈন্যেৰে সৈতে সেই সময়ত অসমত হোৱা মোৱামৰীয়া উপদ্ৰৱ দমাবৰ কাৰণে পঠালে। কাপ্তান ৱেলচ্ চাহাব ১৭৯২ চনৰ ২৯ নবেম্বৰত গুৱাহাটী পালেহি। লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীও সেই একে সময়তে গুৱাহাটীত উপস্থিত হলহি। ইতিমধ্যে কণা মজুমদাৰৰ মৃত্যু হোৱাত ব্ৰহ্মচাৰীৰ বেজালিৰ গুণাগুণ চোৱাৰ সুবিধা নঘটিল, কিন্তু অন্ধজনক চকু দিব পৰা ক্ষমতাৰ কথা ঢৌ ফুটি গ'ল। ৰজাৰো চকুত পৰিল। কাপ্তান ৱেলেচ যেতিয়া গুৱাহাটীত থকা স্বৰ্গদেৱক লৈ উজাই গ'ল ব্ৰহ্মচাৰীও লগতে গ'ল। মোৱামৰীয়াক দমন কৰি ৰজাক পুনৰ সিংহাসনত থিতাপি লগাই কাপ্তান ৱেলচ উভতি ভটীয়াই গ'ল। লক্ষ্মীনাৰায়ণ কিছুদিন ৰংপুৰতে থাকিল। বুদ্ধিমান আৰু ব্যক্তিত্বসম্পন্ন ব্ৰহ্মচাৰী অতি শীঘ্ৰে

---

*এই কাহিনীটো লোকশ্ৰুতিমূলক নে ইয়াত ঐতিহাসিক যথাতথ্য আছে সেই বিষয়ে সন্দেহৰ স্থল আছে। কাহিনীটো লোকমুখত পৰি বহন লাগি কিছু অতিৰঞ্জিত হোৱা যেন লাগে। স্বৰ্গদেউ গৌৰীনাথ সিংহ যিমানেই কি 'উদ্ধত' আৰু 'মতিচ্ছন্ন' (গুণাভিৰাম বৰুৱাৰ মতে) নাথাকক এবাৰ কাঢ়ি উলিওৱা চকু পুনৰায় দান কৰিব যে নোৱাৰি তাকো বুজিবৰ কাৰণে যিকণ বোধ বা কাণ্ডজ্ঞান লাগে সেইকণৰো অভাৱ হোৱা নাছিল। আচলতে কোনোবা বুঢ়া মজুমদাৰে বুঢ়াকালৰ চলিহাই ধৰা (cataract) চকুৰে আখৰ পঢ়িব নোৱাৰাত আখৰৰ ওপৰেদি হাত বুলাই নিয়াত পঢ়ি দিয়া কথাষাৰ সঁচা হব পাৰে। দয়া পৰৱশ হৈ আৰু ৰাজকাৰ্য্যৰ সুচলৰ অৰ্থে চকুৰ চলিহা কাটি দৃষ্টিদান কৰাৰ কাৰণে বেজবৰুৱাসকলক আদেশ কৰাষাৰো মিছা নহব লাগে। অসমৰ বেজবৰুৱাসকলে সেই বিদ্যা নাজানিছিল কিন্তু ভাৰতৰ আন ঠাইত তেনে বৈদ্য আছিল আৰু সিদিনালৈকে আছিল। স্বৰ্গদেৱে বেজবৰুৱাসকলৰ পৰামৰ্শমতে তেনে বৈদ্য বিচাৰিবৈ সম্ভৱতঃ লোক পঠাইছিল। ব্ৰহ্মচাৰীয়ে চকুৰ বেজালি জানিছিল নে নাই তাক জনাৰ উপায় নাই। কিন্তু তেওঁ দুঃসাহসী আৰু সুযোগান্বেষী আছিল গতিকে তেওঁ অসমীয়া দলটোক ভুকুৱাই তেওঁলোকৰ লগত অসমলৈ অহাৰ সুযোগ লৈছিল।

আমাৰ স্বৰ্গদেউসকলক নিৰ্বোধ বা মূৰ্খ প্ৰতিপন্ন কৰা বুৰঞ্জীভেশধাৰী কিছুমান কথা চলিত আছে। সেইবোৰ ঐতিহাসিক সত্য বুলি মানি লোৱাৰ আগতে চালি-জাৰি চোৱা উচিত।

ৰজা আৰু বুঢ়াগোঁহাইৰ প্ৰিয়পাত্ৰ হৈ পৰিল। তেওঁৰ পৰামৰ্শ মতে প্ৰশিক্ষিত শিখ আৰু হিন্দুস্থানী সেনাৰ ফৌজ গঠিত হৈছিল। এই সৈন্য ব্ৰহ্মচাৰীয়েই পুৰুষাৰ্থ কৰি অনাই দিছিল। সম্ভৱতঃ কাপ্তান ওৱেলচ্‌ৰো এই কামত অদৃশ্য সহযোগ আছিল নহলে পৰ্যটক সন্ন্যাসী এজনে কি ক্ষমতাৰে ভাটীৰ সৈন্য অনাব? এই ফৌজৰে কিছুমান হাদিৰাচকিত ৰখা হৈছিল। হাদিৰাচকি অসমৰ পশ্চিম সীমা আৰু কোম্পানীৰ দখলত থকা ৰাজ্যৰ একপ্ৰকাৰ অনিৰ্দ্ধাৰিত পূবসীমা। সেই ঠাইত এদল বিশ্বস্ত ফৌজ থকাটো ইংৰাজৰো নিশ্চয় কাম্য হৈছিল। ব্ৰহ্মচাৰী নিজেও গৈ মাজে মাজে হাদিৰাচকিত আছিল। পিছত গৈ বুঢ়াগোঁহাই আৰু ৰজাক খাটি ব্ৰহ্মচাৰীয়ে হাদিৰাচকিৰ দুৱৰীয়া বিষয়খনো লৈছিল। তেওঁ গঠন কৰা ফৌজৰ কেইটামান গুৱাহাটীতো আছিল। এই ফৌজ কেইটাৰ তত্ত্বাৱধানৰ দায়িত্ব সম্ভৱতঃ লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ গাত আছিল। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত ১৭২৪–২৫ শকত কপিলী নৈৰ আগাৰিত হোৱা কছাৰী ৰণলৈ পাঁচ ফৌজ লৈ যাবৰ কাৰণে বৰফুকনে ব্ৰহ্মচাৰীক আদেশ কৰিছিল, ব্ৰহ্মচাৰীও সেইমতে গৈছিল। বুৰঞ্জীত ফৌজ বুলিলে ভাটীৰ মতে প্ৰশিক্ষিত সৈন্যদলক বুজাইছিল। এনে ফৌজ লৈ ব্ৰহ্মচাৰীক বৰফুকনে যাবলৈ কোৱাৰ পৰা অনুমান হয় ব্ৰহ্মচাৰী এই ফৌজৰ এক প্ৰকাৰ নায়ক আছিল। এই বিষয়ে সাতসৰী অসম বুৰঞ্জীৰ ষষ্ঠখন বুৰঞ্জীত (পৃঃ ১৮১–৮২) এইদৰে আছে—

"আত পাছে কছাৰীয়ে কপিলীয়েদি আহি আমাৰ মানুহৰ গালৈ হিলৈৰ গুলি মাৰিলে। দুটা ধনুধৰীয়া কাঁড়ী আৰু চাৰিটা চিপাহীৰ গাত গুলি লাগিল, কিন্তু প্ৰাণে নমৰিল। এটা ধনুধৰীয়া কাঁড়ী মাৰিল। গুলি লগা ধনুধৰীয়াক কাপ্তান গোঁহাইৰ কোঁঠলৈ নিলে, তাতে তিনটা মৰিল। ডেকাফুকন আৰু বচা ৰাজখোৱা কপিলীয়েদি ভটিয়াই গ'ল। নাৱৰ পৰা নাম কপিলীপাৰত কোঁঠ দি ৰল। তাতো আমাৰ দুটা মানুহক মটকে গুলিযাই মাৰিলে। আত-পাচে বৰফুকনে পাঁচ ফৌজ সৈন্য ৰণলৈ পঠিয়াবলৈ ব্ৰহ্মচাৰী গোঁসাইলৈ বাৰ্ত্তা দিলে। ব্ৰহ্মচাৰীয়ে যুদ্ধৰ আহিলা নাৱত ভৰাই তিলাও বা লোহিতেদি উজাই গৈ কপিলীমুখ পালেগৈ। তাৰ পৰা কপিলী নৈয়েদি উজাই যাবলৈ ধৰিলে। নাৱৰ পৰা নামি ব্ৰহ্মচাৰীয়ে নৈৰ পাৰত থানা কৰি বহিল। তাৰ পিচদিনা পুৱা ডেকাফুকন, বচা ৰাজখোৱা, ব্ৰহ্মচাৰী, শইকীয়া, বৰা ইবোৰে নাৰিকলগুৰিৰ পোনে যাত্ৰা কৰি সোণাপুৰত কোঁঠ দি বহিল।" (ছেদ ৩২৩)

"সাত পাচে মটক আৰু কছাৰী একগোট হৈ মেল পাতি আমাৰ সৈন্য মাৰিবলৈ ৰণুৱা গোটালে। দুদিন ব্ৰহ্মচাৰীৰ কোঁঠ ভেটি বাখিছিল। মটক আৰু

কছাৰী সৈন্যই আমাৰ সৈন্যৰ লগত ৰণ কৰি বলে নোৱাৰি পাচ হুঁহকি গল।" (ছেদ ৩২৪)

সময়ৰ মূৰকত সৈন্য আৰু আহিলাবে ব্ৰহ্মচাৰী গোঁসাই উপস্থিত নোহোৱা হলে এই কছাৰীৰণৰ গতি বেলেগ হলহেঁতেন। তেওঁৰ বুদ্ধি পৰামৰ্শ আৰু মটক আৰু কছাৰীৰ মাজত বিৰোধ জন্মাই পৰাস্ত কৰাৰ কৌশলে এই ৰণ জিকাত বিস্তৰ বৰঙনি যোগাইছিল। এই ৰণৰ পিছৰ পৰা ব্ৰহ্মচাৰীৰ প্ৰতিপত্তি আৰু অলপ চৰিল।

উজনীৰ পৰা উভতি আহি ব্ৰহ্মচাৰী পোনতে গুৱাহাটীত কিছুকাল আছিল। গুৱাহাটীৰ বৰ্ত্তমান শান্তিপুৰ বুলি যিটো অঞ্চল জনাজাত তাতে লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ টোল আছিল—ব্ৰহ্মচাৰীযে প্ৰথমতে ইয়াতে ছাউনি পাতিছিল বাবে এই বাসস্থলীক পুৰণি ছাউনি বুলিছিল।

পুৰণি ছাউনিত থকা কালতে ব্ৰহ্মচাৰীয়ে কেইটামান অনাথ ব্ৰাহ্মণ বালক বালিকাক আশ্ৰয় দি পোহপাল দিছিল। ব্ৰহ্মচাৰী অসম আহি পোৱাৰ সময়তে কি তাৰ অলপ আগতে জহনী ৰোগত পৰি অনেক লোকৰ মৃত্যু হয়। বহুত লৰাছোৱালীও অনাথ হৈছিল। গ্ৰহনী ৰোগৰ ঔষধ দি ব্ৰহ্মচাৰীয়ে বহুতৰ উপকাৰ কৰিছিল। এনে সময়তে "মোৱামৰীয়া উপদ্ৰবৰ সময়ত উজনিৰ টীয়ক অঞ্চলৰ কোনোবা অধ্যাপকৰ ঘৰৰ স্বামী স্ত্ৰী আৰু যোগাই নামৰ ল'ৰা এটিৰ পৰিয়াল এটা ভটীয়াই আহিছিল। বাটত খোৱা বোৱা বস্তু ঢুকাই যোৱাত কেইবাদিনো লঘোনে থাকিব লগাও হৈছিল। এনে অৱস্থাত কোনোবা ঘাটত যোগাইৰ মাকে হেনো পানীত উটি অহা পাণ-তামোল অলপ পাই তাকে কাটি খালে। কিহৰ তামোল-পাণ কোনে উটাই দিছে তাৰ বিচাৰ নকৰি তামোল খোৱা অপৰাধতে বোলে যোগাইৰ মাকক তেওঁৰ স্বামীয়ে তাতে এৰি থৈ আহিল। লৰাটিৰে সৈতে অধ্যাপক ভটীয়াই আহি অশ্বক্ৰান্তত থাকিলহি। তাতে অধ্যাপকজনো ঢুকাল আৰু ল'ৰাটি ঘাট মাউৰা হ'ল। ওচৰত মানুহে লৰাটিক নি ব্ৰহ্মচাৰীক গতাই দিলে। অলপ দিন পিছত যোগাইৰ পিতৃমাতৃৰ সম্বাদ তেওঁৰ বংশৰ আন লোকসকলেও অহুকাণে পহুকাণে শুনিবলৈ পালে আৰু যোগাইৰ সম্বন্ধীয়া মানুহ দুজনমান অশ্বক্ৰান্ত পালেহি। সেই সকলৰ লগতে যোগাইৰ পিতৃৰ দদায়েকৰ ল'ৰা এটিও আহিছিল। তেঁৱো পিতৃমাতৃহীন বুলি জানিবলৈ পাই ব্ৰহ্মচাৰীয়ে তেওঁকো চপাই ললে। কামৰূপৰ চাৰিটি অনাথ ব্ৰাহ্মণৰ ল'ৰা আৰু লগতে দুটিৰ বিধবা মাককো ব্ৰহ্মচাৰীয়ে আশ্ৰয় দিলে। এটি অনাথা ব্ৰাহ্মণ কন্যাও সেই আশ্ৰিত সকলৰ লগত আছিল। তেওঁলোকক স্বকীয়া টোল কৰি দি বিধবা ব্ৰাহ্মণী গৰাকীক এই ল'ৰা কেইটাৰ পালন আৰু পৰিচৰ্য্যাৰ

ভাৰ দিলে*। এইদৰে ব্ৰহ্মচাৰীৰ টোল এখন অনাথ আশ্ৰমত পৰিণত হ'ল।

ব্ৰহ্মচাৰীয়ে সেই লৰা কেইটিৰ আগৰ নাম সলাই নতুন নামকৰণ কৰিলে। তাৰ ভিতৰত এটাইতকৈ ডাঙৰজনৰ নাম সীতাৰাম, পাছত অহা টীয়কীয়া অধ্যাপকৰ ঘৰৰ লৰাজনৰ নাম পৰশুৰাম, তৃতীয় জনৰ নাম শম্ভুৰাম আৰু যোগাইৰ নাম থলে ৰণৰাম। বিধবা দুগৰাকীৰ পুতেক দুটিৰ বৰটিৰ নাম অভিৰাম আৰু সৰুটিৰ নাম হ'ল পটাভিৰাম। কন্যাটিৰ নাম আছিল পাতলী।

সীতাৰাম, পৰশুৰাম আৰু শম্ভুৰামক ব্ৰহ্মচাৰীয়ে নিজ গোত্ৰত তুলি উপনয়ন দিলে। ব্ৰহ্মচাৰীৰ গোত্ৰ আছিল শ্ৰীবাৎস্য। শ্ৰীবাৎস্য এটা বেলেগ গোত্ৰ নহয় বাৎস্য গোত্ৰকে শ্ৰীবাৎস্য বুলি উল্লেখ কৰা আছে। দক্ষিণৰ পিনে গোত্ৰৰ নামৰ আগত শ্ৰী শব্দ ব্যৱহাৰ কৰাৰ প্ৰথা আছে সেই প্ৰথাৰেই এওঁলোকৰ বাৎস্য গোত্ৰক শ্ৰীবাৎস্য বুলি আজিও এই বংশৰ লোকে গোত্ৰোচ্চাৰণ কৰে। বাকী কেইজনৰ সীতাৰামে অভিৰামক, পৰশুৰামে ৰণৰামক আৰু শম্ভুৰামে পটাভিৰামক উপনয়ন দিলে। এই কেইজনকো ব্ৰহ্মচাৰীৰ গোত্ৰকে দিয়া হ'ল। ব্ৰহ্মচাৰী কোন বেদী ব্ৰাহ্মণ আছিল জনা নাযায়, কিন্তু গুণাভিৰাম বৰুৱাৰ অনুমান মতে তেওঁ সামবেদী আছিল। এই লৰাকিজন কিন্তু কাম্বশাখী যজুৰ্ব্বেদী হৈয়ে থাকিল। আমাৰ বোধেৰে লক্ষ্মীনাৰায়ণৰ পূৰ্ব্বৰ পৰিয়ালো কাম্ব যজুৰ্ব্বেদীয়েই আছিল, কাৰণ মহীশূৰ কৰ্ণাটত কাম্ব যজুৰ্ব্বেদীয় ব্ৰাহ্মণৰ সংখ্যা বহুত। তাতে ব্ৰহ্মচাৰীয়ে নিজ গোত্ৰ দি তুলি ললে যেতিয়া নিজৰ বেদৰ অধীন নকৰি আন বেদৰ অধীন কৰাৰ বিধিও নাই।

বয়সপ্ৰাপ্ত হোৱাত সীতাৰাম পৰশুৰাম আৰু শম্ভুৰামক ব্ৰহ্মচাৰীয়েই ছোৱালী বিয়া কৰাই দিয়ে। ৰণৰামে ব্ৰহ্মচাৰীৰ মৃত্যুৰ পিছতহে বিয়া কৰায়। প্ৰথম তিনিজনৰ পুত্ৰ সন্তান ব্ৰহ্মচাৰী থাকোতেই জন্ম হৈছিল। পটাভিৰাম কম বয়সতে ঢুকাল। অভিৰাম আৰু সীতাৰামৰ বংশ নাথাকিল. ব্ৰহ্মচাৰীয়ে পূৰ্ণানন্দ বুঢ়া-গোঁহাইক কৈ হাদিৰাচকিৰ ডুৱৰীয়া বৰুৱাৰ বাবটো পৰশুৰামৰ নামত কৰাই দিলে। পৰশুৰাম বেচি কাৰ্য্যদক্ষ আৰু বুদ্ধিমান আছিল বাবেই এনে কৰিছিল কিন্তু তেতিয়াও এটাইকেইজন যুক্তপৰিবাৰবদ্ধ হৈয়ে আছিল। পৰশুৰাম বৰুৱা

---

* বিধবা ব্ৰাহ্মণীক ব্ৰহ্মচাৰীয়ে হেনো 'দুঃখুৰ মা' বুলি মাতিছিল। দুঃখুৰ মা সন্তোষজটো ৰঙালী বঙালী গোৱাৰ। ব্ৰহ্মচাৰী মুৰ্চিদাবাদত বোধকৰো সহহমিনীয়াকৈ আছিল আৰু বঙলা মাতকথা জানিছিল।

যদিও মূল লোক হৈ পৰিছিল বাকী ভাযেক কেইজনকো নির্দ্দিষ্ট কার্য্যৰ ভাৰ গতাই দিছিল। কমলেশ্বৰ সিংহ স্বৰ্গদেৱে ব্ৰহ্মচাৰীক বেলতলা আৰু কৰুণাবাৰীত কিছু মাটি ব্ৰহ্মোত্তৰ কৰি দিছিল। তাৰ উপৰিও আমাৰ ৰজাৰ বিশ্বাসভাজন হৈ থাকিও ব্ৰহ্মচাৰীয়ে মুর্চিদাবাদৰ সৈতে যোগাযোগ ৰাখিছিল আৰু ইংৰাজৰ সহযোগত অসমত বেহাবেপাৰ বিস্তাৰ কৰিছিল। মুর্চিদাবাদৰ লগত যোগাযোগ পাছলৈকে আছিল। বঙাল হাট (হাদিৰা), গুৱালপাৰা, নগৰবেৰা, গুৱাহাটী, দৰং আৰু যোৰহাটত গোলাঘৰ পাতি বেহাবেপাৰ কৰি ডুৱৰীযা বৰুৱাৰ ঘৰে বিস্তৰ ধন অর্জ্জন কৰিছিল। পৰশুৰাম বৰুৱা কেতিযাবা হাদিৰাত কেতিযাবা গুৱাহাটীত আছিল আৰু বৰফুকনৰ তলত বিষয় লৈ কাম কৰিছিল। অভিৰামো গুৱাহাটীত আছিল। ৰণৰাম আগতে ব্যক্তিগত সচিবৰ দৰে ব্ৰহ্মচাৰীৰ লগে লগে ফুৰিছিল। ব্ৰহ্মচাৰীৰ মৃত্যুৰ পিছত তেওঁ যোৰহাটৰ কাম চোৱা-চিতা কৰিছিল।

আনুমানিক ১৭৩২ শকত লক্ষ্মীনাৰাযণ ব্ৰহ্মচাৰীৰ পৰলোক ঘটে। তেওঁৰ মৃত্যু তিথি আছিল কাতিমাহৰ শুক্লা চতুৰ্থী। ‘জ্যোতিষিযা দৈবজ্ঞৰ ৰজাঘৰীযা বাব’ নামৰ দেওধাই বুৰঞ্জীত সঙ্কলিত খণ্ড-বুৰঞ্জীত লক্ষ্মীনাৰাযণৰ মৃত্যুতিথিৰ এইদৰে উল্লেখ আছে—“লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাং কাৰ্ত্তিক শুক্লা চতুৰ্থী।” (দেওধাই অসম বুৰঞ্জী—পৃঃ ১৭২) এই উল্লেখ বৰফুকন আদি ডাঙৰ ডাঙৰ বিষযা সকলৰ তিথিৰ লগত একেলগে আছে। ইযাৰ পৰাই লক্ষ্মীনাৰাযণ ব্ৰহ্মচাৰী সেইকালত কিমান বিখ্যাত আৰু প্ৰতাপী আছিল সেই কথা অনুমান কৰিব পাৰি। ব্ৰহ্মচাৰীৰ অস্থি লৈ ৰণৰামে বিভিন্ন তীৰ্থত লগালেগৈ। সেই ভ্ৰমণতে লক্ষ্মীনাৰাযণৰ পূৰ্ব্বৰ নিজ ঠাইলৈকো গৈ গৃহবৰ্ত্তী সকলোকে তেওঁৰ মৃত্যুৰ সংবাদ দিছিল। ব্ৰহ্মচাৰীৰ পত্নীযে বোলে তেতিযাহে বৈধব্য অৱলম্বন কৰিলে।

ব্ৰহ্মচাৰীৰ মৃত্যুৰ পাছত এটাই কেইজন ভাইককাই মিলাপ্ৰীতিৰে আছিল কিন্তু সৰহদিন সেইদৰে থাকিব নোৱাৰিলে। শম্ভুৰাম, সীতাৰাম, অভিৰাম পৃথক হ’ল কেৱল ৰণৰামহে লগত থাকিল। ১৭৩৮ শকত পৰশুৰাম বৰুৱাৰ পৰলোক হয। পৰশুৰাম বৰুৱাৰ দুই পুতেকৰ ডাঙৰজন হলিৰামে কমবযসীযা হলেও ডুৱৰীয়া বৰুৱাৰ পদ পালে। মেজৰ ইস্কট চাহাবে মানক খেদাই অসম দেশ কোম্পানীৰ তললৈ অনাৰ পিছত হলিৰাম ফুকন আদিক গুৱাহাটীলৈ গুচি আহিবলৈকে পৰামৰ্শ দিলে। সেই অনুসৰি তেওঁলোক সকলোটি গুৱাহাটীৰ ছাউনিলৈ উভতি আহি ভৰলুমুখত নতুনকৈ টোল কৰি থাকিল।

ব্ৰহ্মচাৰীৰ দিনৰ সা-সম্পত্তি আৰু পাচত পৰশুৰাম বৰুৱাৰ দিনত বঢ়োৱা মাটি-বাৰী, ধন-সম্পত্তি পৰশুৰাম বৰুৱাৰ দুই পুতেক হলিৰাম ফুকন আৰু যজ্ঞৰাম

ফুকনৰ অধিকাৰতে ৰ'ল। ৰণৰাম বৰুৱাই কিছুদিনলৈ ভৰণ-পোষণ পাইছিল, পিছত সিও বন্ধ হল। এই লৈ বাকী কেইজনে মামলা মকৰ্দ্দমা কৰিও একো সুবিধা কৰিব নোৱাৰিলে। দুয়োজন ফুকনৰ ইংৰাজৰ লগত ভাল সম্বন্ধ আছিল আৰু প্ৰভাৱ-প্ৰতিপত্তিও বেছি আছিল। তাতে তামৰ ফলি আদি সাক্ষ্য-লেখ ফুকনৰ ঘৰত থকাত প্ৰমাণ দাখিল কৰাত অসুবিধা হৈছিল। মামলা মকৰ্দ্দমা কৰি বাকী কেইজনে ভাগ নোপোৱাৰ কাৰণ এইবোৰেই। পূৰ্ব্বতে দুৱৰীয়া বৰুৱাৰ ঘৰৰ ভৰলুমুখত যি নতুন টোল আছিল তাৰ পূবমূৰে ৰণৰাম বৰুৱা আছিল। এতিয়া ৺কামাখ্যাৰাম বৰুৱাৰ চৌহদৰ সমুখ ভাগত যি দুমহলীয়া ঘৰ আছে সেইখিনিতে ৰণৰাম বৰুৱাৰ ঘৰ আছিল। পদূলিৰ কাষত থকা আমগছ জোপা ৰহেনো গৰাম বৰুৱাৰ দিনতে ৰোৱা। তাৰ পিচফালে দক্ষিণপূবৰ ফালে চুক এটাত শম্ভুৰাম বৰুৱাৰ পুত্ৰ পৃথুৰামৰ ঘৰ আছিল। দুই ঘৰ ফুকনো বেলেগ হোৱাত হলিৰাম মাজৰ খণ্ডত আৰু পশ্চিম খণ্ডত যজ্ঞৰামে ঘৰ কৰি থাকিল। পিছত দুইঘৰ ফুকনৰ মাজতো মকৰ্দ্দমা হৈছিল। সেইকথা পৃথক, কিন্তু ৰণৰাম সেই ঠাইৰ পৰা উঠি যাবলগা হ'ল কাৰণ সেইখণ্ড মাটি প্ৰকৃততে হলিৰাম ফুকনৰ ঘৰৰ ভাগত পৰিছিল। ৰণৰাম আৰু শম্ভুৰাম একপ্ৰকাৰ সম্পত্তিহীন হৈ পৰিল।

এই সকলৰ নিজ নিজ পৰিয়াল ক্ৰমাৎ বৃদ্ধি পালে। তলত দিয়া বংশবৃক্ষৰ পৰাই ব্ৰহ্মচাৰীয়ে স্থাপন কৰা বংশৰ পৰিসৰ আৰু পৰিচয় বুজা যাব।

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী অসমলৈ যি উদ্দেশ্যেই নাহক অথবা তেওঁ যিমানেই ধন-সম্পত্তিৰ গৰাকী হৈ সামাজিক বা ৰাজনৈতিক প্ৰতিপত্তি স্বকালত স্থাপন নকৰক আৰু সেইবোৰৰ কাৰণে বুৰঞ্জীত যি অলপ উল্লেখ আছে সিও থাকক। ব্ৰহ্মচাৰীয়ে যে সংস্কৃতিসম্পন্ন বিশিষ্ট গুণশালী পুৰুষ উদ্ভৱ কৰিব পৰা এটা বংশ প্ৰতিষ্ঠা কৰিলে তাৰ বাবেই তেওঁৰ কথা আমি কৃতজ্ঞতাৰে সুঁৱৰিব লাগে।

কামাখ্যাৰাম বৰুৱাৰ আজুককাক শম্ভুৰাম বৰুৱা কামৰূপৰ বৰভাগ মৌজাৰ দিংদিঙি নামৰ গাঁৱৰ কপিল গোত্ৰীয় কোনোবা ব্ৰাহ্মণৰ সন্তান আছিল। সৰুকালতে কেও কিছু নোহোৱা হলত ব্ৰহ্মচাৰীয়ে আশ্ৰয় দিলে আৰু যথাবয়সত নিজ গোত্ৰত তুলি উপনয়ন দিলে। সেই অবধি তেওঁৰ পৰিয়ালৰ গোত্ৰ শ্ৰীবাৎস্য (বাৎস্য) আৰু ভাৰ্গৱ, চ্যৱন, আপ্নুবায়ন, ঔৰ্ব্ব্য আৰু জামদগ্ন্য এই পাঁচ প্ৰবৰ হ'ল।

শম্ভুৰাম বৰুৱাই বঙালহাটত (হাদিৰাচকি) পৰশুৰাম বৰুৱাৰ লগত থাকি দুৱাৰৰ কাম-কাজ চোৱা-চিতা কৰিছিল। সেই দেখি তেওঁক বঙালহটীয়া বৰুৱাও বোলা হৈছিল। পিছলৈ কিবা কাৰণত ভাল নাপাই তেওঁ পৃথক হৈ আছিল।

- লক্ষ্মীনাৰায়ণ
  - সীতাৰাম
  - পৰশুৰাম
  - শম্ভুৰাম
  - ৰণৰাম
  - অভিৰাম
  - পটাভিৰাম
  - পাত্তলী (কন্যা

পটাভিৰাম কমবয়সতে ঢুকাল। সীতাৰাম আৰু অভিৰামৰ বংশ নবল।

- পৰশুৰাম
  - হলিৰাম ঢেঁকিয়াল ফুকন
    - আনন্দৰাম ঢেঁকিয়াল ফুকন
      - অন্নদাৰাম
        - দেবেন্দ্ৰৰাম (বিবাহ নকৰালে)
      - পদ্মাৱতী দেৱী ফুকননী
    - ৰাধিকাৰাম
  - বজ্ৰৰাম খাৰঘৰীয়া ফুকন
    - দুৰ্গাৰাম (অকাল মৃত্যু)
    - বলৰাম
      - জীৱনৰাম
        - শ্ৰীপুলিনৰাম
      - নবীনৰাম
        - ৺নলিনৰাম
        - শ্ৰীকিৰণৰাম
        - শ্ৰীহিৰণৰাম
        - শ্ৰীবীৰেনৰাম
      - বিপিনৰাম
      - দেশভক্ত তৰুণৰাম
        - শ্ৰীবলেনৰাম
        - শ্ৰীনৃপেনৰাম

- ৰণৰাম
  - বিজয়ৰাম (সৰুতে ঢুকায়)
  - গঙ্গাৰাম (সন্তান নাথাকিল)
  - গুণাভিৰাম বৰুৱা (ৰায়বাহাদুৰ)
    - কৰুণাভিৰাম
    - জ্ঞানদাভিৰাম (জে. বৰুৱা)
      - মনোভিৰাম
      - শ্ৰীনয়নাভিৰাম
      - শ্ৰীচিন্তাভিৰাম



কিছুদিন গোৱালপাৰাৰ চন্দৰীযাত থাকি তাৰ গোলাঘৰৰ কাম-কাজো চলাইছিল। ইংৰাজে দেশ লোৱাৰ পিছতো গুৱাহাটীলৈ উভতি নাহি গোৱালপাৰাতে থাকিল। বোধহয় গুৱাহাটীলৈ অহাৰ অলপ দিন পিচতে তেওঁৰ পৰলোক হয়। তেওঁৰ দুই পুত্ৰ আছিল পৃথুৰাম আৰু গোবিন্দৰাম। শম্ভুৰামৰ মৃত্যুৰ পিছত এওঁলোক গুৱাহাটীলৈ আহে। গোবিন্দৰামৰ বিষয়ে একো বিশেষ জনা নাযায়। গুণাভিৰাম বৰুৱাই তেওঁৰ নামটো মাত্ৰ উল্লেখ কৰিছে এই বুলি "শম্ভুৰামৰ পুত্ৰ পৃথুৰাম আৰু গোবিন্দৰাম বৰুৱা আৰু গঙ্গাৰাম বৰুৱাউৰুৱে ফুকনউৰুৰ ভাগ অংশৰ বাবে গোচৰ কৰিছিল। পূৰ্ব্বৰ তামৰ ফলি আদি সাক্ষ্য-লেখ ফুকন ঘৰৰ হাতত থকাত কোনো অধিকাৰ সব্যস্ত কৰিব নোৱাৰাত সেই গোচৰ ডিচ্‌মিচ্‌ হল।" (আঃ ঢেঃ ফুঃ জীৱন চৰিত্ৰ, পৃঃ ৬৩—অসম প্ৰকাশন পৰিষদ)। সম্ভৱতঃ গোবিন্দৰামৰ অবিবাহিত অৱস্থাতে মৃত্যু হয়, অথবা বিবাহ কৰিলেও কোনো সন্তান সন্ততি হোৱা নাছিল।

পৃথুৰাম বৰুৱা বৈষয়িক প্ৰবৃত্তিৰ লোক নাছিল। মকৰ্দ্দমা কৰিও ভাগ অংশ একো লব নোৱাৰি আৰু মকৰ্দ্দমাৰ খৰচৰ কাৰণে ধাৰ ধুপৰ কৰি সৰ্ব্বস্বান্ত হৈ তেওঁ আৰ্থিক দুৰৱস্থাৰ মাজত কাল কটাব লগা হৈছিল। এনে হৈছিল যে কেতিয়াবা পিন্ধা-চোলাৰ অভাৱত সাঁচতীয়া কিংখাপৰ চোলা পিন্ধি কামাখ্যা-দৰ্শন কৰিবলৈ

গৈছিল বুলি বৃদ্ধ পাণ্ডাসকলৰ মুখে শুনা গৈছিল। সাধু সন্ন্যাসীৰ লগত ফুৰি হেনো তেওঁ বৰ ভাল পাইছিল। কেতিযাবা বোলে বহুত দিনলৈকে ঘৰত নাথাকিছিল, আৰু মাজে মাজে আহি ওলাইছিল। পৰিয়ালৰ ভৰণ-পোষণ সম্বন্ধীয়া সকলৰ সহাযত তেওঁৰ পৰিবাৰে কোনোমতে চলাই আছিল। ফুকনৰ টোলৰ ভিতৰৰ দক্ষিণ পূব কোণত পৃথুৰাম বৰুৱাৰ থকা ঘৰ আছিল, কিন্তু সেই মাটিৰ মালিক তেওঁ নাছিল। মালিক আছিল হলিৰাম ঢেকিযাল ফুকনহে। এইবোৰ আহুকালৰ মাজতো পৃথুৰাম বৰুৱা বিদ্যোৎসাহী আৰু বিদ্যানুৰাগী লোক আছিল। তেখেতে বহুত পুথি সংগ্ৰহ কৰিছিল।

পৃথুৰাম বৰুৱাৰ চাৰি পুত্ৰ আছিল। প্ৰথম পুত্ৰৰ নাম আছিল ৰুদ্ৰৰাম। আনন্দৰাম ঢেঁকিযাল ফুকনে গধূলি বা কেতিয়াবা পুৱা ৰুদ্ৰৰাম, বলৰাম, গঙ্গাভিৰাম, গুণাভিৰাম আদিক অলপ অলপ ইংৰাজী পঢোৱাৰ কথা গুণাভিৰাম বৰুৱাই উল্লেখ কৰিছে (আঃ ঢেঃ ফুঃ চঃ পৃঃ ৫০)। এওঁৰ বিষযে আৰু বিশেষ একো জনা নাযায। যুবাৱস্থা পোৱাৰ আগতেই সম্ভৱতঃ এওঁৰ মৃত্যু ঘটিছিল। অসবৰ্ণ বিবাহ কৰি তৃতীয পুত্ৰ ৰঘুৰাম গৃহত্যাগী হয। কাশীৰামৰ অবিবাহিত অৱস্থাত অকাল মৃত্যু ঘটে। আধুনিক অসমীযা সাহিত্যৰ আদিগুৰুসকলৰ অন্যতম, প্ৰবন্ধ লিখক, প্ৰকাশক আৰু সাংবাদিক কালীৰাম বৰুৱা আছিল পৃথুৰামৰ দ্বিতীয পুত্ৰ।

১৭৬৮ শকৰ চ'তৰ ২৬ দিন যোৱাত (ইং ১৮৪৭, এপ্ৰিল) কালীৰাম বৰুৱাৰ জন্ম হয। পিতৃ পৃথুৰাম বৰুৱাৰ অৱস্থা ভাল নাছিল যদিও ৰুদ্ৰৰাম আৰু কালীৰাম দুযোজন লৰাকে ইংৰাজী স্কুললৈ পঠাইছিল। ৰুদ্ৰৰাম ঢুকুৱাৰ পিছতো কালীৰামে গুৱাহাটীৰ স্কুলত কেইশ্ৰেণীমান পঢাৰ পিছত কলিকতালৈ পঢিবলৈ গ'ল। কলিকতাৰ পঢাৰ খৰচ তৰুণৰাম ফুকনৰ দেউতাক বলৰাম ফুকনে বহন কৰিছিল। সেই খৰচ এতিয়াৰ লেখত অলপীয়া আছিল। বলৰাম ফুকনে মাহে ৫ টকাকৈ দিছিল। তেতিযাৰ দিনত সেযে বহুত আছিল। কালীৰাম বৰুৱা এনট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হ'ল কিন্তু ঘৰুৱা জঞ্জালৰ কাৰণে কলেজত পঢিব নোৱাৰিলে।

ঘৰলৈ উভতি আহি বৰুৱা ডাঙৰীয়া প্ৰথমতে পুলিচ বিভাগত সামান্য চাকৰি এটাত সোমাল। সোমাল যদিও সোনকালেই সেই চাকৰি এৰি দি তেখেতে গুৱাহাটীৰ হাইস্কুলত শিক্ষকৰ কাম ললে। শিক্ষা বিভাগেই তেখেতৰ স্বভাবৰ অনুকূল আছিল। কিছুদিন পাছত স্কুলসমূহৰ চাব-ইন্সপেক্টৰৰ কাম পালে। সেই কাম দক্ষতাৰে কৰিছিল কিন্তু কিবা কিবি অসুবিধা পাই আগতীয়াকৈ কামৰ পৰা অৱসৰ ললে। চাকৰিৰ পৰা অৱসৰ লওঁতে তেখেতৰ বয়স মাত্ৰ ৪৩ বছৰহে আছিল। চাকৰি এৰি দিলেও তাতকৈ মহৎ কামত হাত দিলে।

গুৱাহাটীৰ সবিতা সভাই প্ৰকাশ কৰা 'কালীৰাম বৰুৱাৰ জীৱন চৰিত'ৰ লিখক শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱাই কালীৰাম বৰুৱা সম্বন্ধে এইদৰে লিখিছে— "অসমীয়া ভাষাক পুনৰ সজীৱ কৰাত ৺আনন্দৰাম ঢেকিয়াল ফুকন, ৺হেমচন্দ্ৰ বৰুৱা আৰু ৺গুণাভিৰাম বৰুৱাৰ লগতে ৺কালীৰাম বৰুৱাদেৱকো আমি শ্ৰদ্ধাৰে মনত ৰাখিব লাগিব।" বুজৰবৰুৱাদেৱে এই আষাৰ মন্তব্য কৰোঁতে অকণো অতিৰঞ্জনা কৰা নাই। আমিহে কালীৰাম বৰুৱাদেৱক অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত যিমানখিনি সুঁৱৰিব লাগিছিল সিমানখিনি সোঁৱৰা নাই।

কালীৰাম বৰুৱা ১৮৭০ চনত অসমলৈ উভতি আহে। ১৮৭১ চনৰ পৰা অসমৰ পঢ়াশালিত অসমীয়া ভাষা চলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। লগে লগে পঢ়াশালীৰ উপযোগী কিতাপৰ প্ৰয়োজন হৈ পৰিছিল আৰু সেই প্ৰয়োজন পূৰ্ণ কৰিবৰ কাৰণে বাট চাবৰ সময়ো নাছিল। কিতাপৰ অভাৱ বঙলা ভাষা চলি থকাৰ এটা অজুহাত ৰূপে দেখুৱাবলৈ কোনো পক্ষকে সুযোগ নিদিয়াৰ ব্যৱস্থা কৰাটোৱেই সেই দশকটোৰ এটা অজৰামৰ ভাষাসেৱা। পাঠশালাৰ উপযোগী পাঠ্যপুথি লিখাত কালীৰাম বৰুৱা আছিল বাটকটীয়া কেইজনৰ এজন ১৮৭৬ চনৰ ভিতৰতে তেখেতে কেইবাখনো পাঠ্য-পুথি উলিয়াইছিল আৰু সেইবোৰ চৰকাৰে পাঠ্য হিচাপে অনুমোদন কৰিছিল। তেখেতৰ প্ৰথম শিক্ষা, দ্বিতীয় শিক্ষা আৰু তৃতীয় শিক্ষা আৰু কাৰ্য্যপ্ৰবেশৰ কথা আজিও পুৰণি লোকসকলে সশ্ৰদ্ধচিত্তে, সপ্ৰশংস বাক্যেৰে সোঁৱৰে। ভূমিপৰিমাণ, উজুপাঠ, শিক্ষাসাৰ আৰু পদ্যমালা এইবিলাক তেখেতে লিখা আন পাঠ্যপুথি। ইয়াৰ উপৰি শিক্ষকৰ সুবিধাৰ কাৰণে তৃতীয় শিক্ষা আৰু উজুপাঠৰ অৰ্থপুস্তক দুখনো লিখি ছপাইছিল। ধাৰাপাত আৰু আলেখ্যৰ আহি (copy-book) এখানিও আছিল। তেখেতে মুঠতে ১১।১২ খন পাঠ্যপুথি যুগুত কৰিছিল। এইদৰে তেখেতে অসমীয়া মাধ্যমৰ আৰম্ভ যুগত অসমীয়া ভাষাৰ পাহৰিবনলগা সেৱা আৰু অসমীয়া ছাত্ৰৰ সুঁৱৰিবলগীয়া উপকাৰ সাধন কৰি গৈছিল।

ইয়াৰ উপৰিও তেখেতৰ প্ৰকাশিত অপ্ৰকাশিত ৰচনা-ৰাজিও ভাষা ভঙ্গিমা আৰু ভাবৰ ফালৰ পৰা আপুৰুগীয়া বস্তু আছিল। তেখেতৰ ৰচনাৰ চুটি অথচ গৰ্ভিত বাক্যবিলাক এটা বিশেষ গদ্যভঙ্গিমাৰ নিদৰ্শন ৰূপে গণ্য কৰিব পাৰি। এইবোৰৰ দুই চাৰিখন তেখেতৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত সাদিনীয়া বাতৰি কাকতত প্ৰকাশিত হৈছিল। কেইখনমান পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ যত্নত তেখেতৰ সম্পাদিত আৰু কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰকাশন অসমীয়া সাহিত্য চানেকিত আধুনিক যুগৰ গদ্য সাহিত্যৰ নিদৰ্শন ৰূপে ঠাই পাইছিল। তৃতীয় শিক্ষা

আৰু উচ্চপাঠত থকা শিশুৰ উপযোগী ৰচনা কেইখনো সৰল অথচ অসমীয়া সাহিত্যৰ আধুনিক যুগৰ মনোৰম গদ্যৰ উদাহৰণেৰে ভঁৰা। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আগছোৱা কালৰ গদ্যলেখক হিচাপে কালীৰাম বৰুৱাৰ নাম সদায় উল্লেখযোগ্য হৈ থাকিব। ৰূপকোজ্জ্বল ভাবগৰ্ভিত টুকুৰাচানেকীয়া বাক্যৰ ভঙ্গীটো তেখেতৰ সম্পূৰ্ণ নিজা। তলত চানেকিৰ নামত 'আসাম' কাকতত ওলোৱা প্ৰবন্ধ এটিৰ অলপমান উদ্ধৃত কৰা হ'ল—

"সত্য সৰুতকৈও সৰু, নাইবা ডাঙৰতকৈও ডাঙৰ। সত্যৰ আৱৰণ সৰ্প, সত্যক উদ্ঘাটন কৰিবলৈ যোৱা সাপে খাব। সত্য বীৰৰ মন্ত্ৰ। বীৰ নহলে সত্যক পালা টান। সত্য ষোড়শী ৰাজবালা। বীৰবৰেই হে এওঁৰ পতি। সত্যৰ বহুত শত্ৰু। সত্য স্বৰ্ণ স্বৰূপ। বীৰেইহে মানুহক দেখুৱাই সত্যস্বৰূপ স্বৰ্ণকঙ্কন ধাৰণ কৰিবলৈ সমৰ্থ হয়। অইনৰ সাধ্য কি? সত্য সুন্দৰী কন্যা, সৰ্পৰ আৱৰণ নহলে অসুৰৰ আক্ৰমণৰপৰা ৰক্ষা কৰা টান। সত্য দুৰ্গাৰূপা এনেহেন মূৰ্ত্তিৰ নিমিত্তে সকলোকে লাগে যদি এৰিব, বীৰ হলে একোকে এৰিব নালাগে, ৰীৰৰ গাত একোৱে বিন্ধিব নোৱাৰে। সত্যক পালিব খোজা, বীৰ হোৱা। নাইবা মহাদেবৰ দৰে বাবাজী হোৱা। সতী সীতাৰ স্বামী ৰামচন্দ্ৰইহে। ৰামচন্দ্ৰ কেনে বীৰ তাৰ পৰীক্ষাকৰ্ত্তা ৰাৱণ। দুৰ্গাৰ ভৰ্ত্তা কালকূট ভক্ষণকাৰী মহাদেৱ। লক্ষ্মীৰ পতি গৰুড-আৰোহী বিষ্ণু। ৰাধাৰ পতি কংসমৰ্দ্দনকাৰী কৃষ্ণ।"

—'আসাম' ১৪ ফাগুন ১২৯২ সাল।

পাঠ্য-পুথি লিখা আৰু ছপাই উলিওৱাতকৈও আৰু এক দুঃসাহসিক কাম কৰিছিল। সেইকালতে কালীৰাম বৰুৱাই অসমীযা পুৰণি পদপুথি সংগ্ৰহ কৰি ছপাই প্ৰকাশ কৰাৰ গুৰুত্ব উপলব্ধি কৰিছিল। শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন আৰু শ্ৰীমাধৱদেৱৰ নামঘোষাৰ প্ৰথম মুদ্ৰিত সংস্কৰণ তেখেতেই প্ৰকাশ কৰি উলিযাইছিল। ৺হৰিবিলাস আগৰৱালাৰ দ্বাৰা প্ৰকাশিত মুদ্ৰিত সংস্কৰণটো ইয়াৰ পাচতহে ওলাইছিল। এই পুথি দুখনৰ মুদ্ৰিত সংস্কৰণ উলিয়াই নতুনকৈ গা দাঙিব খোজা অসমীয়া সাহিত্যত কালীৰাম বৰুৱাই সত্ত বলাধানৰ ব্যৱস্থা কৰিলে। ইয়াৰ উপৰিও ৰাম সৰস্বতীয়ে কৰা গীত-গোবিন্দৰ পদ-ভাঙনি আৰু লক্ষ্মীচৰিত তেখেতে সেইকালতে সম্পাদন কৰি মুদ্ৰিত কৰিছিল। ৰাম সৰস্বতীৰ গীত-গোবিন্দ ১৮৮৪ চনত প্ৰকাশিত হৈছিল। ভূমিকাত তেখেতে যি দুআষাৰ লিখিছিল তাৰ পৰাই তেখেতৰ অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ আৰু পুৰণি প্ৰকাশৰ আৱশ্যকতা সম্বন্ধে দূৰদৰ্শী উপলব্ধিৰ চিন পোৱা যায়। বৰুৱা ডাঙৰীয়াই ভূমিকাত লিখিছিল—

"এতিয়া তিনিশ বছৰতকৈও বেচি হল গীত-গোবিন্দ কোচবিহাৰৰ পূৰ্ব্ব নৰপতি নৰনাৰায়ণ মহাৰাজৰ উৎসাহত পণ্ডিতবৰ অনন্ত কন্দলীদেৱে অসমীয়া ভাষাত পদবন্ধে নিবন্ধন কৰে, আৰু শুক্লধ্বজ মহাৰাজাই ইয়াৰ টীকা কৰে।" 'কোচবিহাৰৰ ৰাজ্যসভাত কবি অনন্ত কন্দলী নাম হয়। ৰাম সৰস্বতী শ্ৰীশঙ্কৰদেৱৰ সময়ৰ লোক।"

"বঙ্গদেশত যেনেকৈ শ্ৰীচৈতন্যদেৱৰ জ্বলন্ত উদ্যমত হিন্দু ধৰ্মৰ বহুপুথি বঙ্গভাষাত বিৰচিত হয়। অসম দেশতো সেইদৰে শ্ৰীশঙ্কৰদেৱৰ অদম্য উগ্ৰ ধৰ্ম্মভাৱৰ প্ৰভাৱত বহু পুথি অসমীয়া ভাষাত বিৰচিত হৈ অতি পবিত্ৰ বৈষ্ণব ধৰ্মৰ সোঁত অসমীয়া মানুহৰ মাজত পাৰ ভাঙ্গি বয়।"

"শ্ৰীচৈতন্যদেৱৰ সময়েই বঙ্গভাষাৰ আদিকাল। শ্ৰীশঙ্কৰদেৱৰ সময়েই অসমীয়া ভাষাৰ আদিকাল। বঙ্গভাষাৰ এতিয়া পূৰ্ণাৱস্থা, অসমীয়া ভাষা এতিয়াও কেঁচুৱা। অইন কি পূৰ্ব্বৰ মহাপুৰুষবিলাকে যিবিলাক পুথি ৰচি থৈ গৈছে এতিয়া সেইবিলাকেই লোপ পাবলগীয়া হৈছে। আমি সেইদেখি এই পুথি বহু যত্নেৰে সংগ্ৰহ আৰু সংশোধন কৰি ইয়াৰ অভাৱ আঁতৰাবৰ অভিপ্ৰায়ে ছপাবলৈ আগবাঢ়িলোঁ।"

"কবি ৰামসৰস্বতীএ গীত-গোবিন্দৰ মাধুৰ্য্য অসমৰ লোক সমাজত প্ৰচাৰ কৰিবৰ মানসে নিত্যস্মৰণীয় নৰনাৰায়ণ মহাৰাজাৰ আশ্ৰয় আৰু উৎসাহত ভাষান্তৰ কৰে। সেই উদ্দেশ্য সাধন হলেই আমি সাৰ্থক মানিম।" ইতি—

গুৱাহাটী
১৬ পৌষ সন ১২৯৫ সাল
শ্ৰীকালীৰাম শৰ্মা

ভূমিকাখন উধৰ পৰা মূধলৈকে তুলি দিয়া হল। পুৰণি পুথি প্ৰকাশ কৰাৰ আৱশ্যকতা উপলব্ধি কৰাত আৰু তাৰ কাৰণে শ্ৰম আৰু ধন ব্যয় কৰাত স্বৰ্গীয় কালীৰাম বৰুৱাই যে অসমৰ প্ৰথম স্মৰণীয় ব্যক্তি তাকে আঙুলিয়াই দিয়াই ইয়াৰ উদ্দেশ্য।

কালীৰাম বৰুৱাৰ অন্যতম কালাগ্ৰভাবিনী কৃতি হৈছে সাদিনীয়া ইংৰাজী অসমীয়া বাতৰি কাকত 'আসাম'। বাতৰি কাকত হিচাপে' 'আসাম' অসমৰ দ্বিতীয় সাপ্তাহিক পত্ৰ, হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউচ' প্ৰথম। এই কাকতৰ সম্পাদকীয় লেখাত স্বৰচিত প্ৰবন্ধ পাতিত বৰুৱা ডাঙৰীয়াৰ নিৰ্ভীক সমালোচনা, জাতীয় স্বাৰ্থৰ প্ৰতি উজাগৰ দৃষ্টি আৰু অসমীয়া জাতীয়ত্ববোধৰ তীব্ৰতাৰ প্ৰমাণ পোৱা যায়। কাকতখন ১৮৯৪ চনত আৰম্ভ হৈ প্ৰায় সাত বছৰ চলি ১৯০১ চনত বন্ধ হয়।

ইয়াৰ কাৰণে বৰুৱাই বিস্তৰ ক্ষতি গা পাতি লব লগা হৈছিল। সেইকালত সাংবাদিকতা মানেই স্বাৰ্থ-ত্যাগ।

কালীৰাম বৰুৱা মানুহজনো বহুত সদ্‌গুণৰ অধিকাৰী আছিল। তেখেত গম্ভীৰ প্ৰকৃতিৰ চিন্তাশীল আৰু ধাৰ্মিক লোক আছিল। সদালাপী আৰু বন্ধুবৎসল লোক বুলিও তেখেতৰ খ্যাতি আছিল। সবাতোকৈ উদাৰ মন আৰু করুণাদ্ৰচিত্তই কালীৰাম বৰুৱাক সমাজৰ এজন সৰ্ব্বজনশ্ৰদ্ধেয় ব্যক্তিৰূপে প্ৰতিষ্ঠিত কৰিছিল। ১২৯৩ সালৰ পহিলা বহাগৰ 'আসাম' কাকতত তেখেতে জাহাজঘাটৰ কুলিবিলাকে সমযত মজুৰি নাপাই কি দুখ দুৰ্গতি ভোগে তাক বৰ্ণাই তাৰ প্ৰতীকাৰৰ ততাতয়া দিহা কৰিবলৈ সকিয়াই দিয়া কথাখিনি পঢ়িলেই তেখেতৰ বিশাল হৃদয় আৰু দৰিদ্ৰ অৱহেলিতজনৰ প্ৰতি করুণা আৰু সহানুভূতিৰ উমান পোৱা যায়।

কালীৰাম বৰুৱাই কামৰূপৰ উত্তৰ পাৰৰ বামুন্দি সত্ৰৰ কৃষ্ণকিঙ্কৰ গোস্বামীৰ কন্যা হৰিপ্ৰিয়া দেবীক বিয়া কৰাইছিল। বৰুৱা দম্পতী বহুত দিন নিঃসন্তান হৈ আছিল, সন্তান হৈযো নবৈছিল। কামাখ্যাত বহুত সকাম নিকাম কৰি কুলগুৰু পৰ্ব্বতীয়া গোসাঁয়ে দিয়া এটি তাবিজ ধাৰণ কৰাৰ পাছত ১৮৮৩ চনৰ (১৮০৫ শক ৩১ শাওণ) আগষ্ট মাহৰ ১৭ তাৰিখে এটি পুত্ৰ সন্তানৰ জন্ম হল। বিবাহৰ প্ৰায ১০।১১ বছৰ পিছত বৰুৱা দম্পতীয়ে এই সন্তান লাভ কৰে। ভগৱতী কামাখ্যাৰ কৃপাত হোৱা পুত্ৰৰ নাম ৰখা হ'ল কামাখ্যাৰাম। ইয়াৰ পাছত আৰু এটি পুত্ৰ আৰু দুটি কন্যাই কালীৰাম বৰুৱাক পুত্ৰকন্যাৱন্ত কৰে। দ্বিতীয় পুত্ৰৰ নাম ভৈৰৱৰাম (তামুলী), বৰটি কন্যাৰ নাম অম্বিকা (বৰমাই), সৰুটিৰ নাম ভুবনেশ্বৰী (সৰুমাই)। দ্বিতীয পুত্ৰ ভৈৰৱৰাম পিতৃবিয়োগৰ প্ৰায দেৰ বছৰ পাছতে কলাজ্বৰত ভুগি মৃত্যুৰ মুখত পৰে।

বৃদ্ধ হবলৈ নৌ পাওঁতেই আদহীযা কালতে ১৯০৩ চনৰ জুন মাহত ৫৬ বছৰ বযসত কালীৰাম বৰুৱা স্বৰ্গী হয়। তেখেতৰ বহুত কাম পৰি থাকিল, কিছুমান লিখিবলৈ লোৱা ৰচনা অৰ্দ্ধপ্ৰায় হৈ ৰ'ল। কিবাকিবি লাগতিযাল কাম কৰিম বুলি পাঙিছিল সেইবোৰো কৰিবলৈ নাপালে। মৃত্যুৱে তেখেতক অসৰ্তক মুহূৰ্ত্তত আজুৰি লৈ গল। অসমীয়া ভাষা আৰু সাহিত্যৰেই ভুকৰ্পাল।

পিছে সাহিত্যৰ দান সৰহীযা নহলেও কালীৰাম বৰুৱাই যিজন সন্তান এৰি থৈ গল সেইজনেই পিতৃনাম উজ্জ্বল কৰিলে। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ জন্মকৰ্ম্মত—

"কুলং পবিত্ৰং জননী কৃতাৰ্থা বসুন্ধৰা পুণ্যৱতী চ তেন"

কামাখ্যাৰাম বৰুৱাৰ চমু জীৱন বৃত্তান্ত

৺পদ্মেশ্বৰ গোস্বামী
পলাশবাৰী, কামৰূপ

১৮০৫ শকৰ (ইং ১৮৮৩) শাওণৰ ৩১ দিন যোৱাত স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ গুৱাহাটীৰ ভৰলুমুখত জন্ম হয়। তেখেতৰ দেউতাক কালীৰাম বৰুৱা এজন সুসাহিত্যিক, সাংবাদিক আৰু শিক্ষাবিদ আৰু বহুত সদ্‌গুণৰ অধিকাৰী আছিল। তেখেতৰ মাতৃ হৰিপ্ৰিয়া দেৱী কামৰূপৰ বামুন্দি সত্ৰৰ জীয়ৰী আছিল। তেখেতে লিখাপঢ়া নাজানিছিল, কিন্তু সুন্দৰকৈ নামগুণ গাব জানিছিল। ধৃতি-নীতিৰ অকণমানো হেৰফেৰ হলে তেখেতৰ বৰ খং উঠিছিল। লিখকে নিজে দেখা কথা— এদিন পুতেক কামাখ্যাৰামে তৰুণৰাম ফুকনৰ ঘৰত ফুকনৰ লগত একেলগে আহাৰ কৰিলে। এই কথাত মাক খঙত তিড়িঙিৰি তুলা যেন হল। তৰুণ ফুকন বিলাতত থাকি অহা আৰু খোৱা বোৱাত পুৰণি বিচাৰ মানি নচলা মানুহ, তেওঁলোকৰ লগত ভাত খাই বৰুৱাই নিয়ম ভঙ্গ কৰিব কিয় ? গতিকে কামাখ্যাৰামে প্ৰায়শ্চিত্ত আচৰিব লাগিব আৰু তাকে নকৰে মানে ঘৰৰ ভিতৰলৈ সোমাব নোৱাৰিব, এইমত শুনাই দিলে। কামাখ্যাৰাম বিমোৰত পৰিল। এপিনে মাকৰ আদেশ আৰু তেওঁলৈ ভয়, আনপিনে এটা অনুচিত নিয়মৰ সমৰ্থনত প্ৰায়শ্চিত্ত আচৰণ কৰা। ভাবিচিন্তি বৰুৱাই ভিতৰ নোসোমোৱাকে স্থিৰ কৰিলে আৰু বাহিৰৰ বৈঠকখানাতে তিনদিন কটালে। পিচে হেজাৰ হলেও মাকৰ চিত, সৰহদিন সহি থাকিব নোৱাৰিলে। নিজৰ খঙৰ জুইত নিজে পানী ঢালি পুতেকক ভিতৰলৈ মতাই আনি বহুত বুজালে। পুতেকেও তলমূৰকৈ সেই সকলো কথা শুনি থাকিল। ইয়াৰ পাছত অৱশ্যে নিজে ৰন্ধা আঞ্জা তৰকাৰীৰে পুতেকক সেই সাজ খুৱালে। তেখেতে তেতিয়া বিধবাৰ নিৰামিষীয়া আহাৰ নিজে বেলেগে ৰান্ধি খাইছিল।

কালীৰাম বৰুৱা আৰু হৰিপ্ৰিয়া দেৱীৰ বহুত দিনলৈ সন্তান নাছিল, হৈছিল যদিও সেই সন্তান নবৈছিল। সেইগুণে তেখেতসকলৰ গুৰু কামাখ্যাধামত থকা পৰ্ব্বতীয়া গোঁসায়ে হৰিপ্ৰিয়া দেৱীক এটি তাবিজ ধাৰণ কৰিবলৈ দিছিল। তাৰ পাছত তেওঁলোকৰ এটি পুত্ৰ সন্তানৰ জন্ম হল। কামাখ্যাৰ কৃপাত এই সন্তান হোৱা বুলি গুৰুজনাই লৰাৰ নাম কামাখ্যাৰাম ৰাখিবলৈ কলে। এই পুত্ৰই ধীৰ, ধাৰ্ম্মিক, চৰিত্ৰবান, সত্যবাদী, পৰোপকাৰী, বিনয়ী আৰু সৰ্ব্বজনপ্ৰিয় কামাখ্যাৰাম বৰুৱা। কামাখ্যাৰাম বৰুৱাই পিতৃ কালীৰাম বৰুৱাৰ পৰা ধীৰ গম্ভীৰ স্বভাৱ,

চিন্তাশীলতা, ন্যায়পৰায়ণতা আৰু মাক হৰিপ্ৰিয়া দেবীৰ পৰা মনৰ দৃঢ়তা আৰু গভীৰ ধৰ্ম্মনিষ্ঠা এই গুণবোৰ উত্তৰাধিকাৰসূত্ৰে পাইছিল আৰু আয়ত্ত কৰিছিল।

হৰিপ্ৰিয়া দেবীৰ আৰু এটি লৰা আৰু দুজনী কন্যা হয়। সেই লৰাটিক তামুলী বুলি মাতিছিল কিন্তু আচল নাম আছিল ভৈৰৱৰাম। ভৈৰৱৰাম ১৪ বছৰ পাৰহৈ ৮ মাহমান যাওতেই কলাজ্বৰত ভুগি ঢুকায়। ককায়েক কামাখ্যাৰামে অশেষ যত্ন আৰু চিকিৎসা কৰিও বচাব নোৱাৰিলে। কালীৰাম বৰুৱাৰ বৰজীয়েক, ৺অম্বিকা দেবীক এই লিখকৰ দাদাক উত্তৰ গুৱাহাটীৰ ন-গোঁসাইৰ ঘৰৰ ৺দুৰ্গেশ্বৰ গোস্বামীলৈ আৰু সৰুজনী জীয়েক ৺ভুবনেশ্বৰী দেবীক দতৰাৰ ৺জগন্নাথ বুজৰবৰুৱালৈ বিয়া দিয়ে। বৰজীয়েকৰ দুটি পুতেক বৰ্ত্তমান উত্তৰ গুৱাহাটীতে আছে। বৰজনৰ নাম শ্ৰীধৰ্মেশ্বৰ গোস্বামী আৰু সৰুজনৰ নাম শ্ৰীসোমেশ্বৰ গোস্বামী। সৰুজীয়েকৰ এটি মাত্ৰ সন্তান। তেওঁ হৈছে সাহিত্যিক আৰু জীৱনী লিখক শ্ৰীজিতেন্দ্ৰ নাথ বুজৰবৰুৱা। বৰ্ত্তমান গুৱাহাটীৰ উজান বজাৰত থাকে।

কামাখ্যাৰাম বৰুৱা সৰুকালিত বৰ স্বাস্থ্যবান নাছিল। সদায়েই ইটো সিটো কিবা এটা অসুখ লাগি আছিল। সেই কালত গুৱাহাটীত ডাক্তৰৰ সংখ্যা বেছি নাছিল। স্বনামধন্য কংগেছনেতা শ্ৰীযুত অমিয়কুমাৰ দাসৰ পিতৃদেৱেক ৺উদয়ৰাম দাসে তেখেতক চিকিৎসা কৰাৰ কথা বৰুৱাদেৱে কৈছিল। বৰুৱাদেৱ সৰুতে নিশকতীয়া আছিল যদিও স্বাস্থ্যৰ নিয়ম পালন কৰি নিজৰ চেষ্টাত তেখেতে শৰীৰৰ উন্নতি সাধন কৰিলে। দেখাত হৃষ্ট-পুষ্ট-ডাঙৰ দীঘল নাছিল যদিও পাছৰ কালত তেখেতৰ স্বাস্থ্য ভালেই আছিল। মাজে মাজে কেতিয়াবা ভৰিত বাতবিষে ধৰি কষ্ট দিছিল, কিন্তু আন সময়ত তেখেতে কঠোৰ শাৰীৰিক আৰু মানসিক পৰিশ্ৰম কৰিব পাৰিছিল। তেখেতে সদায় কৈছিল যে মানুহৰ স্বাস্থ্য নিজৰ যত্নৰ ফলত ভালে থাকে। তেখেতে আৰু কৈছিল যে মনৰ আৰু শৰীৰৰ স্বাস্থ্যৰক্ষা ডাঙৰ কৰ্ত্তব্য আৰু আমাৰ শাস্ত্ৰমতেও পালনীয় ধৰ্ম্ম।

প্ৰথমতে বৰুৱাদেৱে সংস্কৃত পঢ়িছিল। দেউতাক কালীৰাম বৰুৱাই মহামহোপাধ্যায ধীৰেশ্বৰাচাৰ্য্যক ঘৰতে টোল পাতি পুতেক কামাখ্যাৰামক সংস্কৃত পঢ়ুৱাইছিল। ধীৰেশ্বৰাচাৰ্য্য অৱশ্যে তেতিয়াও মহামহোপাধ্যায় হোৱা নাছিল। এই টোলত তেখেতৰ সহপাঠীৰ ভিতৰত তেখেতৰ বৰমোমায়েকৰ পুতেক ৺হৰিকিঙ্কৰ গোস্বামী আৰু সম্বন্ধীয়া দাদাক বেলশৰৰ ৺কালিদত্ত কটকীও আছিল। এই টোলখন সৰহদিন চলি থকা নাছিল। বৰুৱাদেৱে টোলৰ প্ৰথম পৰীক্ষা দিয়েই চতুষ্পাঠীৰ শিক্ষা সমাপ্ত কৰিব লগা হ'ল। পাছত

১৮৯৬ চনত কটন কলেজিয়েট স্কুলত (তেতিয়া গুৱাহাটি হাইস্কুল) নাম লগায়। সংস্কৃত টোলত পঢ়ি থকা বাবে ইংৰাজী স্কুলত ভৰ্ত্তি হওঁতে তেখেতৰ বয়স সাধাৰণতকৈ অলপ বেছি হৈছিল। উচ্চ ইংৰাজী স্কুলৰ অন্যান্য সহপাঠীৰ ভিতৰত বিহগী কবি স্বৰ্গীয় ৰঘুনাথ চৌধুৰীও আছিল। শ্ৰেণীত তেখেত ভাল ছাত্ৰ আছিল। কবি চৌধুৰী দৰে কৈছিল বোলে তেখেতসকল দুযোজনৰ মাজত এটি মধুৰ প্ৰতিদ্বন্দ্বিতাৰ ভাব আছিল। আৰু এজন খ্যাতনামা পুৰুষৰ লগত বৰুৱাৰ নিবিড় বন্ধুত্ব ইংৰাজী স্কুলত পঢ়াকালতে স্থাপিত হৈছিল। সেই বন্ধুত্ব গোটেই জীৱনতে অক্ষুণ্ণ হৈ আছিল। সেইজন হৈছে গল্প-সাহিত্যিক, শিক্ষাবিদ আৰু সংস্কৃতি-পণ্ডিত স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামী। স্কুলীয়া জীৱনতে আৰু এজন বঙালী ছাত্ৰৰ লগত তেখেতৰ বন্ধুত্ব বৰ ঘনিষ্ঠ হৈ উঠিছিল আৰু বৃদ্ধবয়সলৈকে অটুট আৰু অন্তৰঙ্গ হৈ সেই বন্ধুত্ব আদৰ্শস্থানীয় হৈ পৰিছিল। এই সহপাঠীজন আছিল স্বৰ্গীয় ৰায় বাহাদুৰ কালীচৰণ সেনৰ ভাগিন ৺নৰেন্দ্ৰনাথ সেন। তেখেত অলপতে স্বৰ্গী হৈছে। এক কথাত কামাখ্যাৰাম বৰুৱা আৰু নৰেন্দ্ৰনাথ সেন হৰিহৰ আত্মা আছিল। এনে অক্ষয় আৰু সৰস বন্ধুত্ব আজিকালি প্ৰায় বিৰল। এই বন্ধুত্বৰ গুৰিতে আছিল দুযোজনৰ একে আদৰ্শ আৰু হৃদয়ৰ গুণ।

বৰুৱাৰ দেউতাক কালীৰাম বৰুৱাৰ এটি প্ৰেছ আছিল। তেখেতে এখন সাপ্তাহিক বাতৰি কাকত উলিয়াইছিল আৰু কিছুমান কিতাপো ছপা কৰিছিল। প্ৰথম দ্বিতীয় তৃতীয় শিক্ষা কাৰ্য্যপ্ৰবেশ ভূমি পৰিমাণ আদি কিতাপ পঢ়াশলীয়া পাঠ্য আছিল। সেইবোৰ ছপোৱাত পুতেক কামাখ্যাৰামে কেচা ছপা শুধৰোৱা আদি কাম কৰি দেউতাকক সহায় কৰিছিল। এই কামবোৰ কৰাৰ কাৰণে তেখেতৰ অসমীয়া ভাষাৰ জ্ঞান পুষ্ট হৈছিল। তেখেতৰ অসমীযাৰ ঠাঁচ শুধ আছিল আৰু বানানৰ ভুল নহৈছিল। ছাত্ৰ অৱস্থাত ঘৰুৱা প্ৰেছত সহায কৰাবাবেই অসমীয়া ভাষা ভালকৈ লিখাৰ অভ্যাস হৈছিল বুলি তেখেতে নিজেও মাজে মাজে আমাক কৈছিল।

উচ্চ ইংৰাজী স্কুলত পঢ়ি থকা অৱস্থাতে ১৯০৩ চনৰ জুন মাহত বৰুৱা-দেৱৰ দেউতাকৰ হঠাতে পৰলোক ঘটে। ইতিপূৰ্ব্বে ১৮৯৭ চনৰ ভূমিকম্পত ছপাখানাৰ ইটাৰ ঘৰটো ভাগি পৰাত বিস্তৰ আৰ্থিক ক্ষতি হৈছিল। কিতাপ-পত্ৰ ছপোৱা কামতো কালীৰাম বৰুৱা ঋণগ্ৰস্ত হৈ আছিল। সেই ঋণৰ বোজা আৰু লগতে অৰ্থাগমৰ পথ ৰোধ হোৱাত কামাখ্যাৰাম বৰুৱাই ছাত্ৰ অৱস্থাতে সংসাৰ চলোৱাৰ কঠিন ভাৰ গা পাতি লব লগাত পৰিছিল। দেউতাকৰ কিতাপ-পত্ৰৰ পৰা সামান্য আয় হৈছিল, স্থাবৰ সম্পত্তিও কিছু আছিল। সেইবোৰৰ পৰা যি

পাইছিল আৰু লগতে সময়মতে ধাৰ ধুপৰ কৰি তেখেতে সংসাৰ চলাই নিজৰ পঢ়াৰ খৰচ উলিয়াইছিল আৰু পাছত দুজনী ভনীয়েককো বিয়া দিছিল।

১৯০৪ চনত কটন কলেজিয়েট স্কুলৰ পৰা বৰুৱাদেৱ এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয় আৰু কটন কলেজৰ এফ এ শ্ৰেণীত ভৰ্ত্তি হয়। কটন কলেজৰ পৰাই এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ যায় আৰু তাৰ মেট্ৰপলিটান কলেজত পঢ়েগৈ। কলিকতাত পঢ়াকালত তেখেত অক্সফোৰ্ড মিছন হোষ্টেলত আছিল। সেই হোষ্টেলতে তেখেতৰ বাল্যবন্ধু ✓নৰেন্দ্ৰনাথ সেনো আছিল। কলিকতাত পঢ়া কালত ✓ডাঃ জ্যোতিষ দাস আৰু ✓শৰৎচন্দ্ৰ গোস্বামী আদি অসমীয়া বন্ধুৰ উপৰিও কেইবাজনো বঙালী ছাত্ৰৰ লগতো তেখেতৰ বন্ধুত্ব গঢ়ি উঠিছিল। সেই কালছোৱা কেবল পঢ়াশুনাতে আবদ্ধ নাৰাখি কলিকতা মহানগৰীৰ সুযোগ লৈ বিবিধ জ্ঞান আহৰণ কৰাৰ চেষ্টা কৰিছিল। কলিকতাৰ সেইকালৰ বিখ্যাত লোকসকলৰ লগত পৰিচয় হৈ সান্নিধ্যলৈ আহিছিল। ১৯০৭ চনত বৰুৱা বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। বি এ পৰীক্ষাৰ খবৰ ওলাওতে তেখেত গুৱাহাটীত আছিল। বি এ মহলাত উঠি তেখেতে আইন পঢ়িবলৈ লয়।

আইনৰ শেষ পৰীক্ষা নৌ দিওতেই অলপ দিনৰ কাৰণে কটন কলেজিয়েট স্কুল আৰু পিছত শিৱসাগৰ চৰকাৰী হাইস্কুলত কেইমাহমান বৰুৱাই শিক্ষকতা কৰে। সম্ভৱতঃ সাময়িক ভাবে খালি হোৱা ঠাই পূৰণ কৰাকৈহে বৰুৱাই শিক্ষকতাৰ কাম কৰিছিল। বৰুৱা ডাঙৰীযাই শিক্ষকতা কৰা কাল ডোখৰত যিসকল ছাত্ৰই তেখেতৰ গুৰিত পঢ়িবলৈ সুযোগ পাইছিল তাৰ ভিতৰত স্বৰ্গীয় যাদৱ প্ৰসাদ চলিহা, বুৰঞ্জীবিদ বেণুধৰ শৰ্মা, গোলাঘাটৰ চাহখেতিয়ক ✓মহেন্দ্ৰ বৰুৱা, যোৰহাটৰ স্বনামধন্য স্বৰ্গীয হেৰম্ব প্ৰসাদ বৰুৱা, গোমোথা মাহৰা সত্ৰৰ বৰ্ত্তমান সত্ৰাধিকাৰ শ্ৰীশ্ৰীতাৰক গোস্বামী, গুৱাহাটীৰ শ্ৰীপ্ৰফুল্ল বৰুৱা (কমাৰ-কুছি) আদিৰ নাম উল্লেখ কৰিব পাৰি। এইসকলে বৰুৱাদেৱৰ শিক্ষাদান কৰ্মত ঐকান্তিকতাৰ কথা আজিও শ্ৰদ্ধাৰে সোঁৱৰে। শিক্ষা দিওঁতে তেখেতে শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেখেতে হেনো বৰ যত্ন কৰি বুজাবলৈ চেষ্টা কৰিছিল। ছাত্ৰবিলাকেও তেখেতক বৰ ভাল পাইছিল। মাষ্টৰি কৰা কালতে দেশভক্ত তৰুণৰাম ফুকনে কামাখ্যাৰাম বৰুৱাক ধেমালিতে মাষ্টৰ বুলি মাতিছিল, মাষ্টৰ বুলিয়েই শেহলৈকে মাতিলে।

বি এ পাছ কৰাৰ পাছতে ১৯০৭ চনত স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা মুক্তাবালা দেৱীৰ লগত কামাখ্যাৰাম বৰুৱাৰ বিবাহ হয়। বিবাহৰ প্ৰায় দু'বছৰৰ পাছত ১৯০৯ চনত শান্তি বিয়া কৰাই পত্নীক ঘৰলৈ আনে। এই বিবাহ

একাধিক কাৰণত গুৰুত্বপূৰ্ণ। এই বিবাহৰ গুণতে বৰুৱাদেৱে সেই কালৰ এজন বিখ্যাত বহুগুণী লোকৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিবলৈ সুযোগ পাইছিল। স্বৰ্গীয় হেম গোঁসাইৰ ব্যক্তিগত আৰু সামাজিক গুণাৱলীয়ে বৰুৱাদেৱক প্ৰভাবান্বিত নকৰাকৈ থকা নাই। জোঁৱায়েকৰ ব্যক্তিত্বয়ো শহুৰেকক মুগ্ধ কৰিছিল আৰু তেখেতে সকলো বিষয়তে বৰজোঁৱায়েকৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। কামাখ্যাৰাম বৰুৱাৰ দৰে তেখেতৰ পত্নীও আছিল ধৰ্ম্মপৰায়ণা, দৃঢ়মনা আৰু কৰ্ত্তব্যপৰায়ণা। ৰাতিপুৱাই গা ধুই উঠি তেখেতে সদায় শাহুৱেকক সেৱা এটা কৰিহে আন কামত লাগিছিল। শাহুৱেক বোৱাৰীয়েকৰ মাজত সিমান প্ৰীতিভাৱ নাছিল অন্ততঃ শাহুৱেকৰ পৰা যেনে মৰম পাব লাগিছিল বৰুৱা পত্নীয়ে পোৱা নাছিল, তথাপিও শাহুৱেকক সেৱা নকৰাকৈ চাহ-জলপান গ্ৰহণ নকৰিছিল। বৰুৱা দম্পতীৰ প্ৰথম সন্তান শ্ৰীৰত্নাৱলী দেবী (বুলি)। যোৰহাটৰ চাহ খেতিয়ক শ্ৰীপ্ৰসন্নকুমাৰ বৰুৱাৰ লগত এওঁৰ বিয়া হয়। বৰুৱাৰ দ্বিতীয় সন্তান আৰু প্ৰথম পুত্ৰ অজিতৰামৰ ত্ৰুবছৰ বয়সতে ডিপথেৰিয়া ৰোগত মৃত্যু হয়। বৰ্ত্তমানে দুজন পুত্ৰ আৰু পাঁচ গৰাকী কন্যা আছে। জ্যেষ্ঠ পুত্ৰ শ্ৰীঅপূৰ্ব্বৰাম বৰুৱা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা। দ্বিতীয় পুত্ৰ শ্ৰীপ্ৰবীৰৰাম বৰুৱা। এওঁ এজন সমাজসেৱী আৰু দানীলোক। দ্বিতীয় কন্যা শ্ৰীপ্ৰমীলা দেবীক বিয়া কৰাইছে শ্ৰীহৰিশ্চন্দ্ৰ গোস্বামীয়ে। শ্ৰীগোস্বামী কামৰূপৰ পল্লাসত্ৰৰ, কটন কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ। তৃতীয়া কন্যা শ্ৰীউৰ্ম্মিলা দেৱীক টীয়কৰ ইঞ্জিনীয়াৰ ৺নগেন্দ্ৰনাথ বৰুৱাই বিয়া কৰাইছিল। চতুৰ্থা কন্যা শ্ৰীনিৰ্ম্মলা দেৱীক বিয়া কৰাইছে গুৱাহাটী প্ৰাগ্‌জ্যোতিষ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই। পঞ্চম কন্যা শ্ৰীঅমলা দেবীৰ স্বামী গুৱাহাটী মেডিকেল কলেজৰ অৱসৰ-প্ৰাপ্ত অধ্যক্ষ ডাঃ সুৰেন্দ্ৰনাথ শৰ্ম্মা সকলোফালৰ পৰা তেখেতৰ বিবাহ সফল আৰু সংসাৰ ভৰপূৰ, সুখী আৰু প্ৰেমময় আছিল বুলি কব লাগিব। তেখেতৰ দীৰ্ঘ জীৱনৰ ভিতৰত ইষ্টবিয়োগজনিত শোকৰ আঘাত দুবাৰ পাইছিল। এটি আগত কৈ অহা আটৈ বছৰীয়া প্ৰথম পুত্ৰৰ কষ্টদায়ক মৃত্যু। দ্বিতীয়তো হৈছে পত্নী বিয়োগ।

১৯১১ চনত বি-এল পাছ কৰি ১৯১২ চনৰ ১৮ জানুৱাৰীৰ পৰা গুৱাহাটী আদালতত বৰুৱাদেৱে ওকালতি আৰম্ভ কৰে। অতি কম দিনৰ ভিতৰতে তেখেতৰ নাম চাৰিওফালে বিয়পি পৰে। দেৱানী বিষয়ৰ আইনজ্ঞ হিচাপে তেখেতৰ নাম সকলোৱে জানিছিল। ব্যৱসায়ৰ কামত তেখেতে মক্কেলৰ দায়িত্ব ললে তাক নিষ্ঠাৰে পালন কৰিছিল আৰু সেইবিষয়ৰ আইন সম্পৰ্কে পুঙ্খানুপুঙ্খৰূপে অধ্যয়ন কৰিছিল। ওকালতি কৰোঁতে অসৎ উপায় লোৱা দূৰৰ কথা কোনো মকৰ্দ্দমা মিছা

বুলি জানিলে তেখেতে তাক চলাবলৈকে গাত নলৈছিল।* আইন ব্যৱসায়ৰ প্ৰতি বৰুৱাদেৱৰ বিশেষ শ্ৰদ্ধা আছিল। সেই কাৰণে দুজন পুতেকৰ যেই সেই এজনে ওকালতি ব্যৱসায় গ্ৰহণ কৰাটো তেখেতে বাঞ্ছা কৰিছিল। তেখেতৰ বৰ পুতেকেই সেই বাঞ্ছা পূৰণ কৰিলে। ১৯৪০ চনৰ মে'ৰ ২৪ তাৰিখে বৰ পুতেকলৈ দিয়া এখন চিঠিত ওকালতি সম্পৰ্কে তেখেতে এনেদৰে লিখিছিল—

"তুমি আৰু প্ৰবীৰে ভবিষ্যতলৈ কি কৰিবা, সেই বিষয়ে নিজে নিজে ভাবি চাই আৰু আনৰ লগতো পৰামৰ্শ কৰি ঠিক কৰিবা। তোমালোকৰ এজন উকীল আনজনে কিবা ব্যৱসায় কৰিলে ভাল পাওঁ। উকীল হলে আজিকালি উপাৰ্জ্জন বেছি হোৱাৰ আশা নাই, কিন্তু কিছু চেষ্টা কৰিলেই ২০০/৩০০ টকা পাবলৈ আশা কৰিব পাৰি। মোৰ আইনৰ কিতাপ আৰু পুৰণি মক্কেলৰ সুবিধা পোৱা যাব। গতিকে প্ৰথমৰ পৰাই কিছু কিছু টকা উপাৰ্জ্জন হব। উকীল হলে ৰাজনীতি ক্ষেত্ৰতো কাম কৰিব পাৰি। ভবিষ্যৎ আমাৰ দেশত Politicsৰ importance বাঢ়িব। আইন ব্যৱসাযত ভাল নহলে উকীল এজনে ব্যৱসায় কৰিবলৈকো অসুবিধা নহয। আমাৰ ডেকা উকীলবিলাকে বেছি নাখাটে বাবে ভাল কৰিব নোৱাৰে। আজিকালি সকলো কামতে বৰ প্ৰতিযোগিতা হৈছে। বেছি খাটিব পৰা মানুহেহে টিকিব পাৰিব। 'Pleasure loving' মানুহে শেহত কষ্টত পৰিব লাগিব।"

তেখেতে আৰু এখন চিঠিত (২।৯।৪০) বৰ পুতেকলৈ লিখিছিল—

"পৰিশ্ৰম কৰা লৰাই আইন পৰীক্ষাত ভাল কৰিব পাৰে আৰু ব্যৱসায়তো উন্নতি কৰিব পাৰে। তোমাৰ পৰিশ্ৰম আৰু 'good habits'ৰ ওপৰতে তোমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে এইটো সততে মনত ৰাখিবা।"

বৰুৱা ডাঙৰীয়াৰ আইনৰ জ্ঞান সম্পৰ্কে এদিন দেশভক্ত ফুকন ডাঙৰীয়াই কৈছিল। "দেৱানী মকৰ্দ্দমাত বহুত খাটিব লাগে। মোৰ সিমান ধৈৰ্য্যও নাই আৰু সময়ো নাই। পিছে বেছি ধন পালে এবাৰ দুবাৰ নোৱাৰা স্থলত দুই এটা মোকৰ্দ্দমা যে নলৈছিলোঁ তেনেও নহয়। ললেই মাষ্টৰৰ (কামাখ্যাৰাম বৰুৱা) ওচৰ পাওঁগৈ। মাষ্টৰে চাই চিতি মকৰ্দ্দমাৰ ঠেক লগাই দিয়ে আৰু কয় তুমি ঘৰত গৈ ভালকৈ পঢ়িবাগৈ। মই কওঁ 'পঢ়িমহে নে, মই আজি কিজানি নুশুমেই।' মকৰ্দ্দমাৰ দিনা মাষ্টৰে দিয়া সমলখিনিকে লৈ কাম চলাই দিওঁ, মকৰ্দ্দমা

* অধিবক্তা শ্ৰীজয়চন্দ্ৰ চৌধুৰীয়ে লিখা 'আইন ব্যৱসায়ত কামাখ্যাৰাম বৰুৱা'—এই শিতানত এটা সুকীয়া আলোচনা এই গ্ৰন্থৰ আন এঠাইত আছে। অৱসৰপ্ৰাপ্ত জজ্ শ্ৰীৰাধানাথ ছাজৰিকাৰ 'মই দেখা পোৱা মানুহজন' প্ৰবন্ধতো এই বিষয়ে অলপ কথা আছে।

ভালো হয়। মকৰ্দ্দমাৰ শেহত মাষ্টৰে শলাগ লয়—দাদা, তুমি অলপ পঢ়াশুনা কৰিলা দেখিছোঁ। পিছে মইহে জানো কাৰ ধনেৰে পোদ্দাৰি কৰিলোঁ।” এই কথাষাৰ কৈ পেলাই অলপ পৰ টলকা মাৰি থাকি কি ভাবি জানো ইংৰাজীতে এষাৰ মন্তব্য কৰিলে—“Kamakhyaram Boruah is a great man”।

১৯৩৭ চনতে কলিকতা উচ্চ ন্যায়ালয়ৰ ওকালতি কৰিব পৰাকৈ বৰুৱা দয়ে যোগ্যতা-পত্ৰ পাইছিল যদিও কিবা কাৰণত সেই অনুসাৰে নাম ভৰ্ত্তি কৰাৰ দিহা কৰা নাছিল। কলিকতা হাইকোৰ্টৰ অধিবক্তা ৰূপে তেখেতে নাম অন্তৰ্ভুক্ত কৰি ললে ১৯৪৪ চনতহে। অসম উচ্চ ন্যাযালয়ৰ (এতিয়া গুৱাহাটী উচ্চ ন্যায়ালয়) অধিবক্তা ৰূপে তেখেতৰ নাম অন্তৰ্ভুক্ত হয় ১৯৪৮ চনৰ আগষ্ট মাহত। শেহলৈ মকৰ্দ্দমা চলোৱাৰ ভাৰ বৰকৈ নলৈছিল। বয়সৰ কাৰণে তেখেতৰ শ্ৰৱণ শক্তি কিছু হ্ৰাস পাইছিল। মকৰ্দ্দমাত কোনো কথা ভালকৈ শুনাত অসুবিধা হলে মক্কেলৰ হানি হব পাৰে বুলি তেখেতে পৰাপক্ষত মকৰ্দ্দমাত উপস্থিত থাকি সমস্ত দায়িত্ব লবলৈ ইতস্ততঃ কৰিছিল। কেতিযাবা কোনোবাই নেৰানেপেৰাকৈ ধৰিলেহে কোনো মকৰ্দ্দমাত উপস্থিত হৈছিল। সৰহভাগ পুৰণি মকৰ্দ্দমা বৰপুতেক শ্ৰীঅপূৰ্ব্ব বৰুৱাই লৈছিল, তেনেস্থলত বৰুৱা ডাঙৰীযাই পৰামৰ্শ দি পুতেকক সহাযতা কৰিছিল।

ৰাজনীতিত বৰুৱাদেৱৰ ছাত্ৰ অৱস্থাৰে পৰা ৰাপ আছিল। দেউতাক কালীৰাম বৰুৱাৰ সম্পাদিত ‘আসাম’ নামৰ সাপ্তাহিক কাগজেই লৰা কামাখ্যাৰামৰ ৰাজহুৱা কামলৈ ধাউতি জন্মায। কলিকতাত পঢ়া অৱস্থাত তাৰ ৰাজনৈতিক সভাবোৰত উপস্থিত থাকি বক্তৃতাবিলাক শুনিছিল আৰু দুই চাৰিজন নেতাৰ লগত দেখাশুনাও কৰিছিল। ওকালতি আৰম্ভ কৰাৰ লগেলগেই অলপ অলপকৈ ৰাজহুৱা কামত স্বাভাবিকতে জড়িত হৈ পৰিল। ৰাজহুৱা কামকৰা মানুহৰ সৰহীয়া চিনা-পৰিচয় থাকিলে সুবিধা হয়। বৰুৱা ডাঙৰীয়াৰ অসমৰ প্ৰাযবিলাক সম্ভ্ৰান্ত লোকৰ লগত পৰিচয আছিল। কামৰূপত তেখেতসকলৰ পৰিয়াল সকলোৰে মাজত জনাজাত থকাত ৰাজহুৱাক্ষেত্ৰত তেখেতৰ এটা ডাঙৰ সুবিধা হৈছিল। তৰুণৰাম ফুকন বৰুৱা সম্বন্ধত ককায়েক। তৰুণ ফুকনৰ মাতৃ ভাগিৰথী দেবী হৰিপ্ৰিয়া দেবীৰ আপোন বায়েক আছিল। ‘তৰুণদাদা’ তেখেতৰ ৰাজহুৱা কাম কাজতো লগ আছিল। বিখ্যাত অসম এছছিয়েছনৰ তেখেত এজন সক্ৰিয় সভ্য আছিল। ১৯১৬ চনত গুৱাহাটীত এছছিয়েছনৰ যি অধিবেশন হৈছিল তাৰ সভাপতি আছিল গঙ্গা গোবিন্দ ফুকন আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল সত্যনাথ বৰা। গঙ্গা গোবিন্দ ফুকন গুৱাহাটীলৈ আহি তৰুণৰাম ফুকনৰ ঘৰত আলহি আছিল।

সেই সুবিধাতে কামাখ্যাৰাম বৰুৱায়ো তেখেতৰ লগত আলোচনা আদি কৰাৰ সুযোগ পাইছিল। শুনামতে গঙ্গাফুকনৰ দুই এটা ইংৰাজতোষণ নীতিৰ বৰুৱাদেৱে মৃদু প্ৰতিবাদ কৰিছিল। এই প্ৰতিবাদ মূল সভালৈকে বাগৰিছিল। অসম এছ'ছিয়েছনৰ সেই অধিবেশনত পাগুৰি মৰাৰ উজান উঠিছিল। বৰুৱাদেৱেও পাগুৰি মাৰি সভাৰ গুৰি ধৰোতা সকলৰ এজন হৈ কাম কৰিছিল। অধিবেশন হৈ যোৱাৰ পিছতো বৰুৱাদেৱে বহুতদিনলৈ পাগুৰি মৰাৰ কথা মনত পৰে। বুৰঞ্জীতত্ত্বজ্ঞ শ্ৰদ্ধেয় বেণুধৰ শৰ্মা ডাঙৰীয়াৰ ভাষাত কবলৈ গলে "অসম এছছিয়েছনৰ সেই অধিবেশনত অসমীযাৰ জাতীয় ভাবৰ উন্মত্ততা দেখি গুৱাহাটী প্ৰৱাসী বঙালীসকল তাপ মাৰিছিল।"

১৯২১ চনত যেতিযা ভাৰতজোৰা অসহযোগ আন্দোলন হয় অসমেও তাত সগৌৰৱে ভাগ লৈছিল। সেই আন্দোলনত আন বহুত উকীলৰ লগতে কামাখ্যাৰাম বৰুৱায়ো ওকালতি ব্যৱসায স্থগিত ৰাখিছিল আৰু গাঁৱে ভূঞে ঘূৰি ফুৰি আন্দোলনত সক্ৰিয অংশ গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীযে তৰুণ ফুকনৰ ঘৰৰ সমুখত বিলাতী বস্ত্ৰ দাহ কৰিছিল। সেই জুইতে বৰুৱাদেৱেও ঘৰৰ সমস্ত বিলাতী কাপোৰ পুৰি পেলাইছিল। তেখেতৰ অৱশ্যে কাৰাদণ্ড হোৱা নাছিল। নোহোৱাৰ অলপ কাৰণো আছে। এবাৰ নে দুবাৰ তেখেতক গ্ৰেপ্তাৰ কৰাৰ হুকুম হেনো হৈছিল পিছে সেই সমযত তেখেতৰ শহুৰ স্বৰ্গীয় হেম গোস্বামী গুৱাহাটীতে আছিল। ডেপুটি কমিছনাৰ, আৰু কমিছনাৰ চাহাবৰ লগত গোস্বামী-দেৱৰ বৰ সদ্ভাৱ আছিল। হেম গোস্বামীয়ে চাহাবক কৈ মেলি হেনো জোঁৱায়েকে নজনাকৈয়ে গ্ৰেপ্তাৰ কৰাটো হোহঁকাই আছিল। ৺হেম গোস্বামীয়ে এনে কৰাৰ কেবাটাও কাৰণ আছিল। প্ৰথম কথা বৰুৱাদেৱৰ পৰিয়ালত দ্বিতীয় বুজন মানুহ কোনো নাছিল। লৰা-ছোৱালী আটাই কেউটি সৰু সৰু, তাৰে এটি ডেৰ বছৰীয়া কেচুৱা। তদুপৰি তেখেতৰ পত্নী আছিল সন্তানসম্ভৱা। ওকালতিৰ প্ৰসাৰ বৃদ্ধি হৈছিল যদিও খৰচৰ বাহুল্যত আৰু পূৰ্ব্বৰ ঋণ পৰিশোধ কৰিব লগা হোৱাত ধন সমূলি নাছিল।

আন্দোলন চেচেৰা পৰি অহাৰ পিছত বহুতো উকীলে ততালিকে আকৌ ব্যৱসায় আৰম্ভ কৰিলে কিন্তু বৰুৱাদেৱে ধন ঘটাৰ আন উপায় চিন্তিবলৈ ধৰিলে। এনেতে স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য্যৰ লগত তেখেতৰ সংযোগ ঘটিল। স্বৰ্গীয় ভট্টাচাৰ্য্য বৰুৱাতকৈ বয়সত বহুত ডাঙৰ আছিল যদিও দুয়ো দুইকো বৰ শ্ৰদ্ধা কৰিছিল। কিছুমান বিষয়ত চিন্তাধাৰাৰো মিল আছিল। ভট্টাচাৰ্য্য ডাঙৰীয়া তেতিয়াও মহৰ্ষি বুলি সমাজত সম্মানিত হোৱা নাছিল। তেখেতে নানা কেতাত

অসীম উদ্যম লৈ বিভিন্ন কামত হাত দিছিল। অসহযোগ আন্দোলনৰ শেহৰ ফালে বৰুৱাদেৱে আৰু ভট্টাচাৰ্য্য ডাঙৰীয়াই লগ লাগি মাহ সৰিয়হৰ বেপাৰ কৰাৰ কথা পাতিলে। সেইমতে মাজুলী আৰু উত্তৰ লক্ষীমপুৰৰ কিছুমান ঠাইলৈ গৈ সৰিয়হ সংগ্ৰহ কৰি বেপাৰত ধৰিলে। এই বেপাৰত লাভ যে বৰ হৈছিল এনে নহয় কিন্তু লোকচান হেনো হোৱা নাছিল। এইদৰে ভালেদিন ঘূৰি ফুৰিছিল। ইতিমধ্যে চৌৰিচৌৰাৰ ঘটনাৰ পাছত মহাত্মা গান্ধীয়ে আন্দোলন স্থগিত কৰিলে। বৰুৱাদেৱেও পুনৰ ওকালতিত যোগ দিলে।

ইয়াৰ পিছত বৰুৱাই পুৰণি ভেটিৰ পৰা এতিয়াৰ নৈৰ পাৰৰ ফালৰ মাটিত খেৰী ঘৰ সজাই তালৈ উঠি আহে। পুৰণি ভেটি আছিল ভৰলুমুখৰ বৰ্ত্তমান টেলিফোন এক্সচেঞ্জৰ ঘৰ থকা মাটিত। তাৰ দাঁতিযেদি ৰেল লাইন যোৱাত আৰু ঠাইডোখৰ সিমান স্বাস্থ্যকৰ যেন নলগাত স্বনামধন্য আনন্দৰাম ঢেঁকিয়াল ফুকনৰ নাতি স্বৰ্গীয় দেবেন্দ্ৰৰাম ফুকনৰ পৰা বৰ্ত্তমানৰ চৌহদটো কিনি লয়। ভৰলুমুখৰ বৰ্ত্তমান য'ত তেখেতৰ পৰিয়ালৰ ঘৰ আছে, আদিতে বোলে সেইখিনিত এটা খেৰৰ ঘৰত ৺গুণাভিৰাম বৰুৱাৰ পিতৃদেৱেক ৺ৰণৰাম বৰুৱাৰ ঘৰ আছিল। ব্ৰহ্মচাৰী পৰিয়াল কেইটাত সম্পত্তি লৈ মামলা মকৰ্দ্দমা হৈ ৰণৰাম বৰুৱাৰ তাত ভাগ নোহোৱাত সেই মাটি শেহত ফুকন পৰিয়ালক এৰি দিবলগা হৈছিল। সেই মাটি হলিৰাম ঢেঁকিয়াল ফুকনৰ ভাগত পৰিছিল। তাৰ পৰাই উত্তৰাধিকাৰী সূত্ৰে দেবেন্দ্ৰৰাম ফুকনৰ হৈছিল। বৰুৱাদেৱ থকা মেলাত লাহ-বিলাহৰ ভক্ত নাছিল কিন্তু প্ৰাকৃতিক সৌন্দৰ্য্য আৰু স্বাস্থ্যকাৰিতাৰ প্ৰতি তেখেতৰ অধিক লক্ষ্য আছিল। ছিলঙতো ঘৰ কৰিবলৈ তেখেতে অলপ মাটি কিনি থৈছিল। তেখেতে নদীৰ পাৰ আৰু পৰ্ব্বতৰ ওপৰভাগ বৰ পছন্দ কৰিছিল। উত্তৰ গুৱাহাটীত মণিকৰ্ণেশ্বৰৰ কাষতো ব্ৰহ্মপুত্ৰৰ দাঁতিত টিলা এটা কিনি থৈছিল। তাত মাজে মাজে গৈ থাকিবৰ কাৰণে ঘৰ এটা সজাৰ ইচ্ছা, প্ৰায়ে প্ৰকাশ কৰিছিল, কিন্তু সেইকাম হৈ নুঠিল। নিজৰ আহলবহল বাৰী মাটি থাকোতেও নৈৰ ফাললৈ উঠি অহাৰ এটা কাৰণ প্ৰাকৃতিক সৌন্দৰ্য্যপ্ৰিয়তা।

বৰুৱাদেৱে নতুন বাৰীত ঘৰ সজাইছিল ১৯২২ চনত। কিন্তু পুৰণি ধৰণতে ঘৰবোৰ সজাইছিল, বৰঘৰ, ৰান্ধনীঘৰ, বাহিৰা মানুহ থকা ঘৰ, ভঁৰালঘৰ, গোহালি, গোসাঁইঘৰ, এই সকলো পুৰণি সম্ভ্ৰান্ত মানুহৰ ঘৰৰ আৰ্হিতে সজোৱা হৈছিল। বাৰীখনো আম, কঠাল, লেতেকু, লেচু, পনিয়ল, কল, নাৰিকলেৰে সদন বদন কৰি তুলিছিল। তেখেতৰ উকীলখানাৰ সৰু আগচ'ৰা লগা খেৰী

ঘৰটো (এতিয়া ভঙাই পেলালে) ১৯২৭ চনৰ জানুৱাৰী মাহতহে সজাইছিল। পাণ্ডু কংগ্ৰেছৰ বাহৰৰ ঘৰবোৰ নিলাম কৰা হৈছিল। তাৰে কিছু সজুঁলি নিলামত কিনি এই ঘৰটো সজাইছিল। সেই ঘৰটোৰ প্ৰতিও তেখেতৰ অহৈতুক মৰম আছিল। কোনোবাই ভঙোৱাৰ পৰামৰ্শ দিলে বা পুতেকহঁতে ভঙাই পেলোৱাৰ কথা কলে তেখেতে পেটে পেটে মুঠেই ভাল নাপাইছিল। সৰল আৰু অনাৰম্বৰ জীৱনহে তেখেতৰ মনোমত আছিল। যদিও তেখেতে শেহ কালছোৱা সৰু পুতেকে সজোৱা সমুখৰ ফালৰ পকী ঘৰটোত আছিল, পকীঘৰ আচলতে তেখেতে বৰ ভাল নাপাইছিল। তেখেতে চাহ বাগিছা বা আন ঠাইৰ কাৰণে বহুত ঘৰৰ আঁচনি কৰাইছিল কিন্তু নিজৰ বাস কৰা খেৰী ঘৰ কেইটাৰ ঠাইত পকী বা অসম আৰ্হাৰ (Assam Pattern) ঘৰ কৰোৱা যি নাছিলেই কৰিম বুলি আঁচনি এখন কৰা বা কৰোৱাৰ কথাও শুনা নাই। এবাৰ ইঞ্জিনিয়াৰ মাজু জোৱাঁয়েক নগেন্দ্ৰনাথ বৰুৱাই উপযাচি আঁচনি এখন কৰি দিছিল, তাৰো কি গতি হল কোনেও কব নোৱাৰে।

১৯২৩ চনত কংগ্ৰেছৰ স্বৰাজ্য পাৰ্টিত তৰুণ ফুকনৰ লগত বৰুৱাদেৱেও যোগ দিযে। উত্তৰ কামৰূপ সমষ্টিৰ পৰা কংগ্ৰেছৰ মনোনয়ন লৈ আসাম লেজিছলেটিভ্ কাউন্সিলৰ সদস্যপদৰ কাৰণে প্ৰতিদ্বন্দ্বীতা কৰি জয়ী হয। তেখেতৰ প্ৰধান প্ৰতিদ্বন্দ্বী আছিল ৺ৰাধিকানন্দ চৌধুৰী। ১৯২৪ চনৰ পৰা ১৯২৬ চনলৈকে তেখেত কাউন্সিলৰ সদস্য আছিল আৰু দলীয সম্পাদক ৰূপেও কাম কৰিছিল। কাউন্সিলত দিযা তেখেতৰ বক্তৃতাবোৰ সাৰুৱা আছিল আৰু দিহা পৰামৰ্শবোৰত দূৰদৰ্শিতা আৰু কাৰ্য্যকাৰিতাৰ চিন পোৱা গৈছিল। ৰাজ্য সম্পৰ্কীয় তেখেতৰ দিহাবিলাক বৰ কাজুৱা আছিল। পিছতো ৰাজহ বন্দবস্তিৰ ভাৰ পোৱা শ্ৰীদেশাই ডাঙৰীয়াই এই বিষয়ত বৰুৱা ডাঙৰীয়াৰ পৰা সততে দিহা পৰামৰ্শ লৈছিল। তেখেতে কাউন্সিলৰ বক্তৃতাবোৰত ক্ষুৰধাৰ বাক্য প্ৰয়োগ নকৰিছিল, কিন্তু দৃঢতাব্যঞ্জক উক্তিৰে বিৰোধ কৰিবলৈকো কোনো সময়তে পিছ হুঁহকা নামাৰিছিল। উগ্ৰতাৰ আশ্ৰয় নোলোৱাকৈও দৃঢ় বিৰোধ কৰিব পৰাৰ নমুনা বৰুৱাদেৱৰ কাউন্সিলৰ বক্তৃতাবোৰত পোৱা যায়।

কাউন্সিলত তেখেতে প্ৰশ্নাৱলীৰ উপৰিও খাজনা বঢ়োৱাৰ অভিপ্ৰায়েৰে নতুনকৈ মাটি বন্দবস্তিৰ প্ৰতিবাদ কৰিছিল। শিক্ষাপদ্ধতিৰ সংস্কাৰৰ কাৰণে যুক্তি দৰ্শাইছিল। প্ৰাথমিক পঢাশালিত সূতা কটাৰ শিক্ষাদানৰ প্ৰচলন কৰাৰ প্ৰস্তাৱ সমৰ্থন কৰি বক্তৃতা দিছিল, বাইজৰ অহিত নোহোৱাকৈ ৰাজহ ব্যৱস্থা শুধৰোৱাৰ পৰামৰ্শ দিছিল, ৰাজনৈতিক কাৰণত বন্দী হোৱা লোকৰ পক্ষে স্থানীয়

শাসন নিকায়ত আৰু কালন্সিলৰ সদস্যতাৰ প্ৰাৰ্থিত্ব নিষেধ তুলি দিয়াৰ প্ৰস্তাৱ দি যুক্তিপূৰ্ণ ভাষণেৰে তাক সমৰ্থন কৰিছিল।*

কাউন্সিলত থকা সময়ত আৰু তাৰ পিছতো বৰুৱাদেৱ বহুত ৰাজহুৱা কামত জড়িত হব লগা হৈছিল। অসমীয়া মানুহৰ বেহা বেপাৰৰ ঐতিহ্য নাই আৰু সেইবাবে ৰাপ নাই। কাৰবাৰ ৰাপ থাকিলেও সুবিধা নাই। এইবোৰ কথা প্ৰায়ে তেখেতে কোৱা শুনিছিলোঁ। এইবোৰ কাৰণতে গুৱাহাটী বেঙ্ক, ভাস্কৰ ইন্সিওৰেন্স আদি ধন প্ৰতিষ্ঠান স্থাপনত তেখেতে আগভাগ লৈছিল। ১৯২৬ চনত গুৱাহাটী বেঙ্ক প্ৰতিষ্ঠা কৰিবৰ সময়ত তেখেতৰ দিহা পৰামৰ্শ বৰ কামত আহিছিল। গুৱাহাটী বেঙ্কৰ বোৰ্ডসভাৰ কিছুদিন তেখেত এজন সদস্য আছিল। ১৯২৬ চনত পাণ্ডুত হোৱা জাতীয় কংগ্ৰেছৰ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ তেখেত এজন বিশিষ্ট সদস্য আছিল। মহাসভা আয়োজনৰ পানীযোগান বিভাগৰ ভাৰ তেখেতৰ ওপৰত আছিল। লগত আছিল স্বৰ্গীয় লক্ষ্মী দাস। ১৯২৮ চনত কোঝাৰত বহা কছাৰী সম্মিলনৰ তেখেত সভাপতি আছিল। সেই সম্মিলনৰ সম্পাদক আছিল কীৰ্তিচন্দ্ৰ খাখলাৰী। এই সম্মিলনত তেখেতে দিয়া অধ্যক্ষীয় ভাষণত কছাৰী সম্প্ৰদায়ৰ উন্নতি অৰ্থে অসমীয়া সমাজৰ দায়িত্ব আৰু কছাৰী সম্প্ৰদায়ৰ নিজৰো কৰ্তব্য সম্বন্ধে বৰ সাৰুৱা কথা কিছুমান কৈছিল।†

১৮২৮ আৰু ১৯২৯ চন এই দুবছৰ বৰুৱাদেৱৰ কাৰণে দুৰ্যোগৰ বছৰ বুলি কব লাগিব। ১৯২৮ চনত তেখেতৰ শহুৰেক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ স্বৰ্গবাস হয়। ১৯২৯ চনৰ লক্ষ্মী-পূৰ্ণিমাৰ দিনা তেখেতৰ গৃহলক্ষ্মী মুক্তাবালা দেবীয়ে ইহসংসাৰ এৰি যায়। বৰ্তমান কনিষ্ঠ সন্তান আৰু কনিষ্ঠা কন্যা শ্ৰীমতী অমলাৰ পাছত বৰুৱাৰ সহধৰ্ম্মিণী আকৌ সন্তানসম্ভৱা হৈছিল। কিছুদিন পূৰ্ব্বৰে পৰা মুক্তাবালা দেবীৰ শৰীৰ মেদবহুল হৈ পৰিছিল আৰু ফলত হৃৎক্ৰিয়া সুস্থ নাছিল। বৰুৱাৰ বন্ধু ডাক্তৰ জ্যোতিষ দাসে পৰীক্ষা কৰি অৱস্থা বুজি মাজে মাজে সতৰ্কতাৰে চাই আছিল। তথাপি এটি মৃত কন্যা প্ৰসৱ কৰাৰ অলপ পাছতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বৰুৱাপত্নীৰ হঠাতে পৰলোক ঘটে। বন্ধু-বান্ধৱ, ইষ্ট-কুটুম্ব আৰু লৰা ছোৱালীৰ কান্দোনৰ মাজতো বৰুৱাদেৱে ধীৰভাৱে অকণো বিচলিত

---

* স্থানান্তৰত বৰুৱাদেৱৰ কাউন্সিলত দিয়া বক্তৃতাবোৰৰ সংকলন দিয়া হৈছে।

† দুখৰ বিষয়, সেই অভিভাষণখন এই গ্ৰন্থত সন্নিবিষ্ট কৰিবৰ কাৰণে পোৱা নগল

নোহোৱাকৈ এই চিৰকলীয়া বিয়োগৰ দুঃখক ঈশ্বৰেচ্ছা বুলি গ্ৰহণ কৰি তৎকালিক কৰ্ত্তব্যৰ প্ৰতি মনোযোগ দিছিল আৰু আনকো প্ৰবোধ দিছিল।*

সৰু সৰু লৰাছোৱালী কেইটাৰে বৰুৱাৰ সংসাৰ নিঠৰুৱা হোৱাদি হৈছিল। তেখেতৰ শাহুৱেক স্বৰ্গীয়া বামাসুন্দৰী দেবী আৰু খুলশালী স্বৰ্ণকুমাৰী দেবীয়ে (স্বৰ্গীয় গোলোকেশ্বৰ গোস্বামীৰ পত্নী) এওঁলোক দুযো গা পাতি নধৰাহেঁতেন অসুবিধাৰ সীমা নাথাকিলহেঁতেন, কাৰণ বৰুৱাৰ পৰিয়ালত দ্বিতীয় এগৰাকী আত্মীয়া নাছিল। বৰুৱাপত্নীৰ মৃত্যুৰ কিছুদিন আগতে বৈনায়েক স্বৰ্গীয় জগন্নাথ বুজৰবৰুৱাই তেখেতৰ লগত থকা ভুৰুকী নামৰ বয়সীয়া তিৰোতা এজনীক বৰুৱাৰ ঘৰলৈ এই লৰাছোৱালী কেইটাৰ আলপৈচান ধৰিবৰ নিমিত্তে পঠাই দিছিল। মৃত্যুৰ সময়ত বৰুৱাণীয়ে "লৰাছোৱালী কেইটা তোক্ গতালো" এই বুলি কৈ গৈছিল। এই মানুহজনীয়েই লৰাছোৱালী কেইটাক মাকৰ নিচিনাকৈ চেনেহ কৰি ডাঙৰ দীঘল কৰিলে। তেওঁৰ ভুৰুকী নাম তল পৰিল, সকলোৱে 'বুঢ়ীবাই' হৈ ঘৰখনৰ এগৰাকী পৰমাত্মীয়া ৰূপে ৰৈ গল। বুঢ়ীবাইৰ পাছত তেওঁৰ জীয়েকেও বৰুৱাৰ ঘৰৰ এজনী হৈ সকলো আউল মাৰিছিল। বৰুৱাদেৱে এই লিখকক মাজে মাজে কৈছিল—"ঈশ্বৰে যে কাক কেতিয়া কেনেকৈ অনুগ্ৰহ কৰে। অপূৰ্ব্ব-হঁতৰ মাকৰ মৃত্যুৰ আগতে বুঢ়ীবাইক জগন্নাথে দিলে হয়, কিন্তু সেইটো মই ঈশ্বৰৰ কৃপাদৃষ্টি বুলিহে ভাবিছোঁ।"

মাতৃহীনা হলেও লৰাছোৱালী কেইটাই পিতৃৰ পৰাই মাতৃ পিতৃ দুয়োৰে স্নেহ যত্ন লাভ কৰিছিল। বৰুৱাই সকলো কামৰ মাজতো পুতেক জীয়েকহঁতৰ সুখ-সুবিধা, খোৱা বোৱা আৰু সৎ শিক্ষা যাতে পায়, সদ্ব্যৱহাৰ যাতে শিকে তালৈ সততে চকু দিছিল। গোটেই পৰিয়াল লৈ মাজে মাজে বালিভোজ, বন-ভোজলৈ গৈছিল। যাওঁতে যি দেখা পাইছিল সেইবোৰৰ বিষয়ে জানিবলগীয়া কথা কৈ গৈছিল। লৰা দুজনক ঘোৰা চেৰাৰি শিকিবলৈ ঘোঁৰা কিনি দিছিল, বন্দুক মাৰিবলৈ শিকাইছিল। বৰুৱা ডাঙৰীয়া সকলোফালে চকু দিয়া এজন কৃতকৃত্য সংসাৰী পুৰুষ আছিল।

বৰুৱা ডাঙৰীয়াই তেখেতৰ সহধৰ্ম্মিণীৰ কথা প্ৰেমময় শ্ৰদ্ধাৰে সুঁৱৰিছিল। দেশভক্ত তৰুণ ফুকনে হেনো মুক্তাবালা দেবীক দুৰ্গা দেবী স্বৰূপা বুলি প্ৰশংসা

* বৰুৱাৰ সহধৰ্ম্মিণীৰ মৃত্যুৰ দিনাৰ হৃদয়বিদাৰক দৃশ্যৰ কথা শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা আৰু শ্ৰীযুতা ৰাজবালা দাস ডাঙৰীয়ানীয়ে তেখেতসকলৰ সোঁৱৰণ প্ৰবন্ধত সবিস্তাৰে লিখিছে।

কৰিছিল। মুক্তাবালা দেবীৰ জন্ম মহাষ্টমীৰ দিনা, মৃত্যু লক্ষ্মী-পূৰ্ণিমাৰ দিনা। বৰুৱাই নিজে কোৱা কথা—মুক্তাবালা দেবীৰ নিশ্বাসত হেনো সদায় পদুম ফুলৰ সুগন্ধ আছিল। পত্নীৰ বিষয়ে কথা ওলালে বৰুৱাদেৱে এষাৰ কথা কৈ সদায় দুখ কৰিছিল। তেখেতে কৈছিল "মানুহক জীয়াই থাকোঁতে মৰম স্নেহ, শ্ৰদ্ধা সন্মান কৰিব লাগে, মৰাৰ পাছত সেইবোৰ দেখুৱাৰ কোনো সাৰ্থকতা নাই। অপূৰ্ব্বহঁতৰ মাকে প্ৰায়ে কৈছিল 'মই বুলিৰ ঘৰখন (ৰায় বাহাদুৰ কে কে বৰুৱাৰ ঘৰ) নেদেখিলোঁ, মইযো নিও নিও বুলি কিবা নহয় কিবা অসুবিধাত নিব নোৱাৰিলোঁ। কাউন্সিলৰ মেম্বৰ থাকোঁতেও ছিলঙখন চাবলৈ হেঁপাহ কৰি তেওঁ মোক মাজে মাজে লগত নিয়াৰ কথা কৈছিল, তালৈকো নিয়া নহল। এতিয়া সেইবোৰ সুঁৱৰিলে দুখ লাগে। জীযাই থাকোতেই মানুহক কৰিবলগীযা মৰম চেনেহ কৰিলে পাছত অনুতাপ কৰাৰ থল নাথাকে।"

১৯৩০ চনৰ পৰা ১৯৪০ চন এই দহ বছৰৰ ভিতৰত বৰুৱা ডাঙৰীয়াই তেখেতৰ পুতেক জীযেকহঁতৰ বিয়া বাৰু পাতি আজৰি হ'ল। এই বিষয়ত বৰুৱা ডাঙৰীযাই তৎপৰতা আৰু বাছনি বৰ প্ৰশংসনীয। এটাই কেইজনী ছোৱালী সুযোগ্য আৰু সৎপাত্ৰত দান কৰিলে। লৰালৈকো গুণৱতী সৎ চৰিত্ৰা ছোৱালী বিয়া কৰাই দিলে। শ্ৰীঅপূৰ্ব্বৰামে যোৰহাটৰ সৰ্ব্বাইবন্ধাৰ ৺নীলবৰুৱাৰ প্ৰথমা কন্যা শ্ৰীমতী অৰুণাক বিয়া কৰায। শ্ৰীপ্ৰবীৰৰামৰ পত্নী তেজপুৰৰ স্বৰ্গগত উকীল, সমাজসেৱী আৰু স্বধৰ্ম্মনিষ্ঠ চন্দ্ৰনাথ শৰ্ম্মাৰ কনিষ্ঠা কন্যা শ্ৰীমতী অনুপমা। ৺চন্দ্ৰনাথ শৰ্ম্মা বৰুৱাদেৱৰ পুৰণিকলীয়া বন্ধু আছিল আৰু দুযোৰো স্বভাবগত সাদৃশ্যও বহুত আছিল। বৰুৱাৰ দুযো গৰাকী বোৱাৰীযেকে তেখেতৰ শেষ-জীৱনৰ ৰুগ্নাৱস্থাত কৰ্ত্তব্যপৰায়ণতা আৰু নিষ্ঠাৰে শহুৰেকৰ সেৱাশুশ্ৰূষা কৰা দেখি সকলোৱে গুণ গাইছিল।

কামাখ্যাৰাম বৰুৱাই অসমৰ বিশেষকৈ কামৰূপ জিলাৰ বিবিধ বিষয়ৰ অসংখ্য সভা সমিতিত যোগ দিব লগা হৈছিল। স্থানীয অনুষ্ঠান লৈ গাঁৱলীয়া ৰাইজৰ মাজত লগা বিবাদ মীমাংসা কৰি দিব লগা হৈছিল। বৰভাগ মৌজাৰ গঙ্গাপুখুৰী হাইস্কুল লৈ যি বহুদিনীয়া বিবাদ চলি আছিল তাৰো সু-মীমাংসা কৰি দিছিল বৰুৱা ডাঙৰীয়াই। দেৱালয়বিলাকৰ দলৈসকলেও তেখেতক দ'ল দেৱালয়ৰ এজন অকপট হিতাকাঙ্ক্ষী বুলি ভাবিছিল আৰু প্ৰায়ে তেখেতৰ বুদ্ধি ভাৰসাৰ আশ্ৰয় লৈছিল। এইবোৰৰ পৰাই কামৰূপীয়া ৰাইজৰ তেখেতৰ ওপৰত কিমান আস্থা আছিল বুজিব পাৰি।

১৯৩৫ চনত গুৱাহাটীত আসাম এছ'ছিয়েছনৰ যি অধিবেশন হৈছিল তাৰ

অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল কামাখ্যাৰাম বৰুৱা। তেখেতৰ অভিভাষণত তেখেতে অসমীয়া জাতিৰ কেইটামান বৰ লাগতিয়াল আৰু আসন্ন সমস্যালৈ আঙুলিয়াই দিছিল। কংগ্ৰেছৰ স্বৰাজ লাভৰ প্ৰচেষ্টা আৰু অসমীয়া জাতীয় স্বাৰ্থৰক্ষাৰ প্ৰচেষ্টা এই দুয়োটাৰ মাজত কেনেকৈ সমন্বয় ৰক্ষা কৰি অসম এছ'ছিয়েছনে কাৰ্য্যপন্থা লব পাৰে তেখেতে তাৰ বিষয়ে সুচিন্তিত পৰামৰ্শ আগবঢাইছিল। চৰকাৰী চাকৰিত আৰু বেহাবেপাৰত কেনেকৈ অসমীয়াৰ হক আৰু স্বাৰ্থ ৰক্ষা হব পাৰে সেই সম্পৰ্কেও এই অভিভাষণত মূল্যবান দিহা আছিল। সেই সময়ত অসমীয়াৰ বিশেষ দাবি শ্ৰীহট্ট বিচ্ছেদ সম্পৰ্কেও তেখেতে খোলোচা অভিমত ডাঙি ধৰিছিল।*

আসাম এছ'ছিয়েছনৰ এই অধিবেশনতে গুৱাহাটীত এখন বিশ্ববিদ্যালয় স্থাপনৰ দাবি জনাই প্ৰস্তাৱ গৃহীত হৈছিল। আমি জনাত গুৱাহাটীতেই বিশ্ববিদ্যালয়ৰ স্থান হব লাগে বুলি প্ৰথম ৰাজহুৱা মতৰ অভিব্যক্তি হোৱা এইটোৱেই সামূহিক প্ৰস্তাৱ। ইয়াৰ অলপ পিছত এচচিয়েচন আৰু সংৰক্ষণী সভাই সুকীয়াকৈ আহ্বান কৰা এখন ৰাজহুৱা সভাত কামাখ্যাৰাম বৰুৱাই গুৱাহাটীতে বিশ্ববিদ্যালয় দাবি কৰি প্ৰস্তাৱ উপস্থাপিত কৰিছিল। সেই সভাৰ সভাপতিত্ব কৰিছিল স্বৰ্গীয় গোপীনাথ বৰদলৈয়ে। ইয়াৰ পাছত অসমত যি বিশ্ববিদ্যালয়ৰ আন্দোলন হৈছিল তাত বৰুৱাদেৱে সক্ৰিয় সহযোগ আগবঢাইছিল। এই সংক্ৰান্তত তেখেত কেইবাখনো সভাৰ সভাপতি, মুখ্যবক্তা বা প্ৰস্তাৱৰ উত্থাপক আছিল।

১৯৩৭ চনত তেখেতক কংগ্ৰেছৰ পৰা বিধান সভাৰ সদস্য প্ৰাৰ্থী ৰূপে নিৰ্ব্বাচনত নামিবলৈ কংগ্ৰেছৰ নেতাসকলে বৰকৈ অনুৰোধ কৰিছিল, কিন্তু সেই সময়ত দেশভক্ত ফুকন, ৰোহিনীকুমাৰ চৌধুৰী আদি পুৰণি নেতাসকলৰ কেইজনমানে অসম কংগ্ৰেছৰ মন্ত্ৰিত্ব গ্ৰহণ নকৰাৰ নীতি অসমৰ পৰিস্থিতি আৰু সমস্যালৈ চাই গ্ৰহণযোগ্য নহব বুলি ভাবিছিল। কামাখ্যাৰাম বৰুৱাদেৱৰ মতো তেনেকুৱাই আছিল গতিকে কংগ্ৰেছৰ মনোনয়ন স্বীকাৰ কৰিবলৈ টান পালে। সেই বুলি দেশভক্ত ফুকন আৰু ৰোহিনীকুমাৰ চৌধুৰীৰ নেতৃত্বত গঠিত হোৱা নতুন দল মিলিত জনসংঘতো (United People's Party) যোগ দিয়া নাছিল। তেখেতে চাহ খেতিয়ক নিৰ্ব্বাচন ক্ষেত্ৰত (Tea Planters' Constituency) সদস্যপদৰ কাৰণে স্বতন্ত্ৰপ্ৰাৰ্থী ৰূপে নিৰ্ব্বাচনৰ চেষ্টা কৰিছিল। বহুত কাৰণত সফল হব নোৱাৰিলে। ইয়াৰ পাছৰ পৰা কংগ্ৰেছৰ লগত তেখেতৰ এৰাএৰি হোৱাৰ

---

* এই গ্ৰন্থৰ যথাস্থানত অভিভাষণখন সন্নিবিষ্ট কৰা হৈছে।

নিচিনাই হ'ল তথাপি স্বৰ্গীয় গোপীনাথ বৰদলৈ, মাননীয় বিষ্ণুৰাম মেধি প্ৰভৃতি নেতৃবৰ্গৰ লগত শেষলৈকে তেখেতৰ বন্ধুত্বৰ ঘনিষ্ঠা মানো হ্ৰাস হোৱা নাছিল।

১৯৩৭ চনত অসম উপত্যকাৰ অতিৰিক্ত উপন্যায়াধীশ ৰূপে চৰকাৰে তেখেতক নিযুক্তি দিয়ে। উকীল সমাজৰ পৰা পোনপটীয়াকৈ জজ্ পদবীৰ শাৰীত নিযুক্তি দিয়া অসমত এয়ে প্ৰথম। এই কাম তেখেতে পৰম দক্ষতা, নিঃসন্দেহ সাধুতা আৰু সুখ্যাতিৰে ১৯৪৪ চনলৈকে কৰি পাছত অৱসৰ লয়। ১৯৪৫ চনত মণিপুৰ ৰাজ চৰকাৰৰ অনুৰোধ অনুসৰি মণিপুৰ মুখ্য ন্যায়ালয়ৰ (Chief Court) অধ্যক্ষ ৰূপে তেখেতে মণিপুৰলৈ যায়। তাৰ ন্যায় সোধা প্ৰণালী পুৰণি কলীয়া আছিল তাক আধুনিক সাঁচত গঢ় দিয়াত তেখেতৰ অৱদান মণিপুৰবাসীয়ে কৃতজ্ঞচিত্তে স্মৰণ কৰে।*

মণিপুৰ ৰাজ্যৰ "Manipur Judicial Act" খনৰ খচৰা বিধেয়কখন মুখ্য ন্যায়ালয়ৰ অধ্যক্ষ হিচাপে বৰুৱাদেৱেই প্ৰস্তুত কৰিছিল। সেই বিধেযক প্ৰায় যথাৰূপতে পাৰিত হৈছিল। এই পাৰিত হোৱা বিধি অনুসাৰে কামাখ্যাৰাম বৰুৱাই মণিপুৰৰ প্ৰথম মুখ্য ন্যায়াধীশ ৰূপে শপথ গ্ৰহণ কৰে। পাছত ১৯৪৭ চনৰ ৩০ চেপ্তেম্বৰত তেখেতে এই পদ ইস্তফা দি ৩১ অক্টোবৰৰ দিনা গুৱাহাটীলৈ উভতি আহে। এই পদ ইস্তফা দিয়াৰ কাৰণ দুটা। এটা হ'ল তেখেতৰ লগৰীয়া জজ্ দুজনৰ মুখ্য ন্যায়াধীশ হোৱাৰ উগ্ৰ হেঁপাহ দেখা পাই তেখেতসকলৰ উন্নতিত বাধা স্বৰূপ হৈ থাকিবলৈ বৰুৱাদেৱে ভাল নাপালে, দ্বিতীয়টো কাৰণ হ'ল বাগিছা দুখনৰ পৰিস্থিতিয়েও তেখেতৰ গুৱাহাটীলৈ অহাটো প্ৰয়োজনীয় কৰি তুলিছিল।†

১৯৫০ চনত গুৱালপাৰা জিলাত আৰু অসমৰ আন কেই ঠাইমানতো সাম্প্ৰদায়িক সংঘৰ্ষ হয়। তাৰ ফলত বহুত মুছলমান মানুহে ঘৰবাৰী এৰিব লগাত পৰিছিল। পাছত চৰকাৰে এই বিষয়টোৰ ন্যায়িক তদন্ত কৰিবলৈ এটা তিনিজনীয়া আয়োগ পাতি দিছিল। সেই আয়োগৰ অধ্যক্ষ আছিল এতিয়া কলিকতা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পি, বি, মুখাৰ্জ্জী। আয়োগৰ অন্য দুজন সদস্য আছিল ডিব্ৰুগড়ৰ ফৈজনুৰ আলি চাহাব আৰু কামাখ্যাৰাম বৰুৱা। আয়োগৰ কামত বৰুৱাদেৱৰ পৰামৰ্শ, উচিত মতামত আৰু নানা প্ৰকাৰ সহায়তাৰ

* ৰাজদৰবাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰিয়ব্ৰত সিং আৰু এজন ন্যায়াধীশ ৰাধামোহন সিংৰ প্ৰবন্ধ চাওক।

† এই বিষয়ে শ্ৰীযুত মাণিক চন্দ্ৰ হাজৰিকাদেৱৰ প্ৰবন্ধটো চাওক।

কথা আয়োগৰ কাম সম্পন্ন হৈ যোৱাৰ পাছত ন্যায়াধীশ পি, বি, মুখাৰ্জ্জীয়ে বৰুৱাদেৱলৈ দিয়া এখন চিঠিত কৃতজ্ঞচিত্তে সুঁৱৰিছিল ।

বৰুৱাদেৱৰ আকৰ্ষণীয় ব্যক্তিত্বৰ নিদৰ্শন স্বৰূপে আৰু এষাৰ কথা উল্লেখ কৰিলে ভাল হব । মণিপুৰত ন্যায়াধিপতি হৈ থকা দ্বিতীয় মহাযুদ্ধ সমাপ্ত হোৱাৰ ঠিক পাছৰ কালডোখৰতে তেখেতে মণিপুৰত মুখ্যবিচাৰালয়ৰ ন্যায়াধিপতি হৈ আছিল। যুদ্ধৰ চিন চাববোৰ তেতিয়াও মচ খোৱা নাছিল । সৈন্য সামন্ত বহুত আছিল । সৈন্যবিভাগৰ দুই এজন ইংৰাজ বিষয়াৰ লগত তেখেতৰ পৰিচয় হৈছিল । ইংৰাজ বিষয়া কেইজন মাজে মাজে আহিছিল, তাৰে এজন ধৰ্ম্মযাজক আছিল । তেওঁলোকৰ লগত ধৰ্ম্মবিষয়ক আৰু আন বিবিধ বিষয়ৰ আলোচনা কৰিছিল । সেই ইংৰাজ কেইজনৰ বৰুৱাদেৱৰ প্ৰতি অগাধ শ্ৰদ্ধা হৈছিল। বিলাতলৈ উভতি গৈযো কিছুদিনলৈ চিঠিপত্ৰ লিখিছিল । কামাখ্যাৰাম বৰুৱাদেৱৰ সাজ পোছাকত, আহাৰ বিহাৰত মুঠেই ইংৰাজৰ অনুকৰণ নাছিল, তথাপি সৈন্যবিভাগীয় ইংৰাজ বিষয়া এজনকো তেখেতে ব্যক্তিত্বৰ গুণেৰে কেনেকৈ মুগ্ধ কৰিছিল তাৰ ধাৰণা এই চিঠিবোৰৰ পৰাই পোৱা যায ।

১৯৫২ চনৰ সাধাৰণ নিৰ্ব্বাচনতো তেখেতে কংগ্ৰেছৰ মনোনয়ন বিচৰা নাছিল । আচাৰ্য্য কৃপলানি প্ৰভৃতিয়ে নতুনকৈ গঠন কৰা কৃষক মজদুৰ প্ৰজাদলৰহে (K M P) পৃষ্ঠপোষকতা কৰিছিল । অসমত এই দলৰ সংগঠন কৰিবলৈ আহি আচাৰ্য্য কৃপলানি বৰুৱাদেৱৰ ঘৰতে আছিল । ভালকৈ শ্ৰীবৃদ্ধি কৰি নোলোৱাকৈযে এই দল নিৰ্ব্বাচনত নামিল, সেইগুণে নিৰ্ব্বাচনৰ ফল ভাল নহল । বৰুৱা ডাঙৰীয়া উত্তৰ কামৰূপৰ লোকসভাৰ সদস্যপদৰ প্ৰাৰ্থী হৈছিল কিন্তু কংগ্ৰেছৰ বিপুল শক্তিৰ লগত চামুকীয়া দল এটাৰ ফেৰ মৰা কঠিন হৈ পৰিল ।

ইয়াৰ পাচত বৰুৱাদেৱে ৰাজনীতিৰ লগত প্ৰত্যক্ষ সম্পৰ্ক এক প্ৰকাৰ ত্যাগ কৰিছিল । পোনপটীয়া ৰাজনৈতিক কাৰ্য্যকলাপৰ লগত সম্পৰ্ক নাথাকিলেও বিভিন্ন ৰাজহুৱা আৰু সমাজসেৱাৰ কামত সদায আগভাগ লৈছিল । এইখিনি সময়ৰ ভিতৰতে অসমৰ গো জাতিৰ উন্নতিৰ আঁচনি লৈ সোণাপুৰত এখন দুগ্ধ-প্ৰতিষ্ঠান স্থাপন কৰি ভাল অসমীয়া গাই আৰু উন্নত জাতীয় ষাড়ৰ সংযোগেৰে অসমীয়া গোবংশৰ উন্নতিবিধানৰ এটা কাৰ্য্যকৰী আঁচনি লৈছিল । বশিষ্ঠৰ ওচৰত লাহিড়ী পৰিয়ালে ভূদান আন্দোলনৰ আহ্বানত দান কৰা মাটিত বশিষ্ঠগোকুল নামেৰে এখন গো-প্ৰতিষ্ঠান আৰম্ভ কৰাৰ গুৰি ধৰিছিল । এইবোৰ কামত তেখেতে গাঁঠিৰ ধনো বহুত ভাঙিলে । উপযুক্ত কৰ্ম্মীৰ অভাৱতে প্ৰতিষ্ঠান দুটাই

ক্ষা কৰিব নোৱাৰিলে। বশিষ্ঠগোকুল এখন সমিতিৰ পৰিচালনাত এতিয়াও আছে যদিও বিশেষ ফলপ্ৰসূ হোৱা নাই।

বৰুৱাদেৱৰ সংস্কৃত চৰ্চ্চাৰ প্ৰসাৰৰ কাৰণে বৰ ধাউতি আছিল। সংস্কৃত এছ'ছিয়েছনৰ তেখেত এজন মনোনীত সদস্যও আছিল আৰু প্ৰায়বোৰ অধিবেশনতে যোগ দিবলৈ চেষ্টা কৰিছিল আৰু বহুমূলীয়া পৰামৰ্শেৰে পণ্ডিতসকলক উৎসাহিত কৰিছিল। অসমৰ সৰহভাগ সংস্কৃত পণ্ডিতৰ লগত তেখেতৰ অনুপম সৌহাৰ্দ্দ্য আছিল। ইয়াৰ ভিতৰত ভাগৱত ৰত্ন ৺পণ্ডিত নাৰায়ণ দেৱমিশ্ৰ, দতৰাৰ ৺পণ্ডিত শিৱনাথ স্মৃতিতীৰ্থ, বালিৰ ৺হংস নাথ ভাগৱতী স্মৃতিতীৰ্থ, টিহুৰ পণ্ডিত জীৱেশ্বৰ গোস্বামী, গৌৰিপুৰৰ পণ্ডিত ৺ষডানন তৰ্কতীৰ্থ আদিৰ নাম তৎক্ষণাত মনলৈ আহে। বৰ্ত্তমান পণ্ডিত বহুতেই তেখেতৰ স্নেহসান্নিধ্য পাই নিজকে ধন্য হোৱা বুলি ভাবে।* এই সংস্কৃত প্ৰীতি আৰু সংস্কৃত চৰ্চ্চাৰ সম্বৰ্দ্ধনলৈ আগবঢোৱা অৱদানৰ কাৰণেই ১৯৬০ চনৰ এপ্ৰিল মাহত তিনিচুকীযাত অনুষ্ঠিত হোৱা অসম সংস্কৃত বোৰ্ডৰ সমাৱৰ্ত্তন উৎসৱৰ সভাপতিৰ পদত তেখেতক বৰণ কৰা হয। এই সমাৱৰ্ত্তনৰ সভাপতিৰ ভাষণখন নানা ফালৰ পৰা গুৰুত্বপূৰ্ণ আৰু আনবোৰ অভিভাষণৰ তুলনাত কাৰ্য্যকৰী সূচনাৰে পূৰ্ণ আছিল।† অসমত চৰকাৰী সংস্কৃত কলেজ এখন স্থাপন কৰাৰ বিষযেও তেখেতে সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ সৈতে দুই এবাৰ সাক্ষাৎ কৰিছিল। তেখেতৰ জীৱদ্দশাত সেই কলেজ স্থাপিত নহল, এতিযাহে হৈছে।

১৯৬০ চনৰ জুলাই মাহৰ ভাষা আন্দোলনতো তেখেত বহি থকা নাছিল। তেতিয়া তেখেত বৃদ্ধ, কিন্তু তাতৈ আওকাণ কৰিও স্মাৰক পত্ৰ আদি দাখিল কৰাত নেতৃত্ব লৈছিল। তেখেতৰ ঘৰতে বহুত গণ্যমান্যলোক গোটখাই এইবোৰ বিষয়ে সিদ্ধান্ত লৈছিল। ন্যাযিক তদন্তত অসমীযাৰ পক্ষ যাতে সবল হয় তাৰ বাবে ৰাতি ৯।১০ বজালৈকে উকীল সকলৰ ঘৰলৈ গৈ নানা কথা আলোচনা কৰাৰ কথা মনত পৰে। বৰুৱা ডাঙৰীয়াৰ কোনো সম্প্ৰদায়ৰ প্ৰতি বিদ্বেষ নাছিল, আছিল বুলি তেখেতৰ শত্ৰুৱেও কব নোৱাৰে। তেখেতৰ দৃষ্টিও আছিল উদাৰ আৰু সৰ্ব্বভাৰতীয়। তথাপি যেতিয়াই অসমৰ স্বত্ব ৰক্ষাৰ প্ৰয়োজন হৈছিল, অসমীয়া স্বাৰ্থ বিপদাপন্ন হোৱা যেন পাইছিল, তেখেতে সৰ্ব্বভাৰতীয়ত্বৰ দোহাই দি নিমাত হৈ বহি থকা নাছিল, বৰং সক্ৰিয় হৈ তাৰ প্ৰতিকাৰৰ চেষ্টা কৰিছিল। প্ৰাসঙ্গিক নহলেও এইখিনিতে উল্লেখ কৰিব পাৰি যে

---

* আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ যুগল্পৰ পুৰুষ কামাখ্যাৰাম বৰুৱা চাওঁক।

† এই ভাষণ বৰ্ত্তমান গ্ৰন্থৰ স্থানান্তৰত সন্নিবিষ্ট হৈছে।

অসমীয়া বঙালীৰ প্ৰশ্ন লৈ কেতিয়াবা ৺নবেন্দ্ৰনাথ সেনৰ লগত তেখেতৰ তুমুল তৰ্ক হৈছিল। দুই বন্ধুৰ ঘোৰ তৰ্কযুদ্ধ বাকীবোৰে উপভোগ কৰিছিল। পিছে তৰ্ক কৰি উঠাৰ পাছত দুয়ো গাত গা লগাই ফুৰিবলৈ ওলাই গৈছিল।

শেষৰ ফালে তেখেতে সংসাৰৰ কথাৰ পৰা একপ্ৰকাৰ অৱসৰ লৈছিল যদিও অকলশৰীয়াকৈ একান্ত জীৱন যাপন কৰাও নাছিল। পুৱা গধূলি নানা কাৰণ লৈ দেখা কৰিবলৈ অহা মানুহৰ হেঁচাত সময়মতে খোৱা বোৱা আৰু বিশ্ৰাম কৰিব নোৱাৰিছিল। তেখেতে মাজে মাজে ছিলঙত গৈ থাকিবলৈ ভাল পাইছিল— তাত কিছু বিশ্ৰাম পাইছিল। ছিলঙত থকা সময়তো নিজৰ আত্মীয় আৰু বন্ধু বান্ধবক নিমন্ত্ৰণ কৰি নি লগত দুই চাৰিদিন ৰাখিহে আনন্দ পাইছিল।

ছিলঙত বিশ্ৰাম বা স্বাস্থ্য উন্নতিৰ অৰ্থে থকা সময়ত তেখেতৰ মনত এটা পৰিকল্পনাৰ উদয় হল। মিছনেৰী স্কুলবিলাকৰ নিচিনাকৈ সকলবাৰ কাৰণে এটা আবাসিক বিদ্যালয় খোলাৰ প্ৰযোজন তেখেতে অনুভব কৰিলে। গোটেই অসমৰ নানা ঠাইত ফুৰোঁতে তেখেতে এটা কথা লক্ষ্য কৰিছিল, চাহ-বাগিচা আৰু আও-হতীয়া ঠাইত চাকৰি কৰি থকা বহুত কৰ্ম্মচাৰীযে নিজৰ লৰা ছোৱালীক শিক্ষা দিযাৰ সুবিধা নাপায। বহুতে উচিত অনুশাসন নথকা ছাত্ৰাবাস বা মিছনেৰী ছাত্ৰাবাসত নিজৰ লৰা থৈ পঠায় কিন্তু তাৰপৰা বিপৰীত ফল হোৱা দেখা যায়। আমাৰ ভাৰতীয আদৰ্শত উচিত অনুশাসনৰ মাজত সুপৰিচালিত আবাসিক বিদ্যালয় এখন যদি ছিলঙত পতা হয তেনেহলে এটা ডাঙৰ উপকাৰ কৰা হয। ইয়াকে ভাবি তেনে এখন আবাসিক শিশুবিদ্যালয খোলাৰ কাৰণে তেখেতে ছিলঙত ঘৰ এটা লবৰ কাৰণে কিছু অগ্ৰিম ধনো দিছিল। এই কামত কেতিয়াবা তেখেতে খোজ কাটিও ফুৰিছিল। এনেকৈ পৰিশ্ৰম কৰাৰ কাৰণেই কিজানি এদিন হঠাতে তেখেত অচৈতন্য হৈ পৰিল। তাত চিকিৎসা কৰি অলপ ভাল যেন দেখাত তেখেতক গুৱাহাটীলৈ লৈ অহা হল। ছিলঙত হোৱা চৈতন্যলুপ্তি আগ জাননীহে আছিল, তেখেত পক্ষাঘাত ৰোগত আক্ৰান্ত হল আৰু তাৰ ফলতে বাক্‌ৰোধ হল। প্ৰায় দুবছৰ কাল শয্যাশায়ী আছিল। পাছলৈ যোগীজনোচিত নিৰ্ব্বিকাৰ ধৈৰ্য্যৰে জীৱনৰ অন্তিম দিনটো অপেক্ষা কৰিছিল। ১৯৬৫ চনৰ নবেম্বৰ মাহৰ ২৮ তাৰিখে দুপৰীয়া খাই বৈ উঠাৰ পাছত আন দিনাৰ দৰে বাৰান্দাতে অলপ বহিছিল। তাৰ পাছত শয্যাত নি থোৱাৰ অলপ পাছত সামান্য ভাবে বাগৰ এটা সলাই শেষ নিশ্বাস ত্যাগ কৰিলে। সেইদিনাই কিবা হব বুলি কাৰো মনত অকণমানো শঙ্কা উপস্থিত হোৱা নাছিল।

বহুতে এটা প্ৰশ্ন কৰে তেখেতৰ নিচিনা দেৱতুল্য ধৰ্ম্মপ্ৰাণ সৎলোক এজন

শেষ জীৱনত এনে দুখদায়ক দীঘলীয়া পীড়া ভোগ কৰিব লগা হ'ল কেলেই? ইয়াৰ উত্তৰ তেখেতৰ পৰমবন্ধু স্বৰ্গীয় নৰেন্দ্ৰনাথ সেনে দিছিল। সেন মহাশয়ে কৈছিল—"কামাখ্যাকে আৰ ফিরে আসতে হবে না, প্রাক্তন কর্ম্মের দুর্ভোগ যা ছিল ইহজন্মেই নিঃশেষ করে চলে গিয়েছে।" সেন মহাশয়ৰ কথাই কিজানি যথাৰ্থ ব্যাখ্যা।

বৰুৱাদেৱ দেখিবলৈ বগা, ওখ আৰু শৰীৰ লাহী যদিও আটিল আছিল। মুখ অলপ দীঘলীয়া নাক দীঘল আৰু মাজ ঘোৰ খোৱা (ভাটৌ-নকা)। চকুৰ মনিদুটা অলপ দঁহা, মূৰৰ চুলি ক'লা ঘন আৰু অলপ কোকোৰা আছিল। পাছলৈ চুলি পাতল হৈছিল। মুঠতে দেখিবলৈ বেচ সভা শুৱনি আছিল। তেখেতে বেগাই খোজ কাটিছিল, সহজে ভাগৰ নালাগিছিল। ডেকা বয়সত পৰিষ্কাৰকৈ দাঢ়ি গোফ খুৰাইছিল। তেখেতৰ পৰিবাৰৰ পৰলোক প্ৰাপ্তিৰ পিচত চুটিকৈ আৰু ধুনীযাকৈ দাঢ়ি গোফ ৰাখিছিল। ন্যায়াধীশ পদৰ পৰা অৱসৰ লোৱাৰ পাচত দীঘলকৈ দাঢ়ি গোফ ৰাখিছিল আৰু এজন ঋষি যেন দেখা হৈছিল। যেনেকৈ দেখাই শুনাই তেনেকৈ কাম আৰু গুণেৰেও এজন ঋষি তুল্য লোক আছিল। তেখেতৰ সংশ্ৰৱলৈ যেযে এবাৰ আহিছিল সেযে তেখেতৰ নম্ৰ ব্যৱহাৰ, নিষ্ঠা, সততা আৰু অন্যান্য মানবীয় গুণাৱলীৰ বাবে সকলোৰে স্নেহ আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিছিল।

সজ আৰু ভদ্ৰ ব্যৱহাৰত তেখেত অসমীয়াৰ মাজত এজন আদৰ্শ পুৰুষ আছিল। নিজৰ লৰা ছোৱালী আৰু আত্মীয় স্বজনকো সজ ব্যৱহাৰ শিকাইছিল আৰু তাৰ ব্যতিক্ৰম দেখিলে খং কৰিছিল। এই লিখকৰ দাদাক তেখেতৰ ভনী জোঁৱাই। সেই সম্পৰ্কে লিখককো সৰু ভাইৰ দৰে মৰম কৰিছিল আৰু নিজৰ ঘৰত ৰাখি পঢ়াৰ সুবিধা কৰি দিছিল। এদিন এজন বয়োবৃদ্ধ সম্মানী মানুহৰ লগত বহি কথা পাতোতে ভৰি এটা ওপৰত তুলি থোৱা দেখি লিখকক কৰ্থনা কৰিছিল। তেখেতৰ লগত সুদীৰ্ঘ দিনৰ সান্নিধ্যৰ ভিতৰত সেই এদিনৰ মৃদু কৰ্থনা আজিও এই লেখকে পাহৰা নাই।

অকণ অকণ লৰাছোৱালীবো সজ ব্যৱহাৰ সঁচা কথা কোৱা আৰু কথা বতৰা কোৱাত ভদ্ৰতাৰ নিয়মবোৰ তেখেতে লক্ষ্য কৰি শুধৰাই দিছিল আৰু কেতিয়াবা খঙো কৰিছিল। তেখেতৰ বৰপুতেকৰ সৰু লৰাটি ৩ বছৰীয়া কি আঠৈ বছৰীয়া, দেখাত বগা আৰু থোলোকা আছিল। ঘৰত কোনো কোনোৱে ধেমালীতে 'মলুৱা চাহাব' নাম দি তাক জোকাইছিল। সি ভাবিলে অৰ্জ্জুনৰ দহ নাম থকাৰ দৰে তাৰো সেইটো আন এটা নাম। এদিন এজন ভদ্ৰলোকৰ লগত বৰুৱাদেৱে

কথাপাতি আছিল, এনেতে সিও ওলালগৈ। ভদ্ৰলোক জনে তাৰ নাম কি সোধাত সি টপৰাই কলে 'মলুৱা চাহাব'। ওচৰত বহি থকা ককাদেউতাক খঙত ৰঙা চিঙা পৰি গল। ভদ্ৰলোকজন যোৱাৰ পাছত তাক কাণত ধৰি "কি শিকিছা এইবোৰ, আজিৰ পৰা নাম সুধিলে তেনেকৈ নকও বুলি কোৱা" এই বুলি জোকাৰিবলৈ ধৰিলে। তাৰ পাছত তাৰ নাম সুধিলে সি আচল নামটো কৈ পাছত কৈছিল "আৰু এটা নাম আছে, নকওঁ, ককাদেউতাই মাৰিব, চুলিত টানিব'।"

বৰুৱাদেৱৰ খোৱা আৰু পিন্ধা অতি পৰিষ্কাৰ আৰু পৰিপাটি আছিল। কোনো ধুনপেচ্ নাছিল। তেখেতৰ খোৱা প্ৰিয় বস্তু আছিল নিৰ্ভাঁজ ঘিউ, গাখীৰ আৰু বিশেষকৈ মাখনযুক্ত মহৰ দৈ। জুলীয়া গুড় আৰু ঔটেঙা আছিল তেখেতৰ বৰ প্ৰিয় খাদ্য। ঘৰত কোনো দিনেই গাখীৰৰ অভাব নাছিল। ভাল গাখীৰতী গাই পোহাটো আছিল এটা ডাঙৰ চখ্। ঘৰতে যত্নেৰে সিন্ধি আৰু ভাল জাতৰ অসমীয়া গাই পুহিছিল। এইবিলাক প্ৰতিপাল কৰিবৰ কাৰণে নেপালী গৰখীয়া যি ৰাখিছিলেই তাৰ উপৰিও ঘাঁহৰ খেতি কৰাইছিল। ঘৰতে প্ৰচুৰ গাখীৰৰ যোগান পাইছিল।

তেখেতে কেতিয়াও ৰাগিয়াল বস্তু নাখাইছিল। আন কি চাহ আৰু তামোলো নাখাইছিল। কিন্তু ডেকা বয়সত কেইবছৰমান ভাত খাই উঠি এখনৰ পিচত এখনকৈ দুখন তামোল খাইহে কাছাৰিলৈ যোৱা সাজ পাৰ পিন্ধা দেখিছিলো। তামোলৰ লগত চুণ নাখাইছিল। কেতিযাবা এচকল আদা বা পানমছলা খাইছিল। বয়সৰ লগে লগে তাকো বাদ দিলে।

বৰুৱাই সামান্য আহাৰ কৰিছিল। এই লিখকে সদায়ে তেখেতৰ সৈতে একে লগে ভাত খাইছিলে। খোৱাৰ সময়ত তেখেতে মাজে সময়ে কৈছিল যে কমকৈ সুপুষ্টিজনক আহাৰ খালে মানুহ দীৰ্ঘায়ু হয় আৰু ভালবস্তু হলেও অতি মাত্ৰাই খালে অল্পায়ু হয়। তেখেতে খাওঁতে বৰ সাৱধানে চাফ চিকুণকৈ খাইছিল। আঙুলি কেইটাৰ বাহিৰে হাতৰ তলুৱা লেটপেট নহৈছিল। খোৱা পাতখন লেতেৰা নকৰিছিল। চুচি মাজি পৰিষ্কাৰকৈ খাইছিল। এই সম্পৰ্কে এটি ৰহইচ লগা কথা মনত পৰে। এদিন বৰুৱাদেৱৰ ঘৰত তৰুণৰাম ফুকনক খাবলৈ নিমন্ত্ৰণ কৰা হৈছিল। বৰুৱা, ফুকন আৰু লগতে এই লিখকো খাবলৈ বহিছিল। খাই উঠাৰ পাছত বৰুৱাৰ পাতখনলৈ চাই ফুকনে ৰহইচ্ কৰি কলে—'মাষ্টৰ তুমি দেখোন কুকুৰে চেলেকাদি চেলেকি পাত চুচি পেলালা।' বৰুৱাই টপৰাই উত্তৰ দিলে 'তুমিও দেখোন শগুনে মৰাশ খোৱাদি গোটেইখন সিঁচি-বিচি খালা।"

ফুকনৰ মাটিত বহি খোৱা অভ্যাস কমি যোৱাৰ কাৰণে মাটিত বহি সিমান পৰিষ্কাৰকৈ খাব নোৱাৰিছিল।

কামাখ্যাৰাম আছিল পৰোপকাৰী আৰু দয়ালু লোক। অনেক দুখীয়া লৰাক টকা পইচাৰে তেখেতে সহায় কৰিছিল। বহুতে আকৌ চাকৰি নাপাই তেখেতৰ ওচৰলৈ আহি নিবেদন কৰিলে তেখেতৰ চাহ বাগিচাতে হওঁক বা আন ঠাইতে হওঁক চাকৰি যোগাৰ কৰি দিছিল। স্কুল কলেজত পঢ়া বহু লৰাই টকাৰ অভাৱতে হওক বা গুৱাহাটীত থকা-মেলাৰ অসুবিধাতে হওক পঢ়িব নোৱাৰি বৰুৱাদেৱৰ ওচৰ চাপিলে তেখেতে তেখেতৰ ঘৰতে ৰাখি পঢ়াৰ সুবিধা কৰি দিছিল। তেনেকুৱা ছাত্ৰৰ ভিতৰত আছিল এসময়ৰ কটন কলেজৰ সংস্কৃত অধ্যাপক বৰপেটাৰ ৺জয়কৃষ্ণ মিশ্ৰ, গোলঘাটৰ উকিল ৺মহেশ্বৰ বৰুৱা, উত্তৰ লক্ষীমপুৰৰ আধাৰসত্ৰৰ ৺নন্দনাথ গোস্বামী আৰু ৰঙিয়াৰ ওচৰত বালিসত্ৰৰ ৺ৰজনীকান্ত গোস্বামী।

বৰুৱাদেৱৰ চৰিত্ৰৰ সবাতোকৈ ডাঙৰ আৰু উল্লেখযোগ্য গুণ হল সত্যবাদিতা আৰু সাধুতা, এই গুণ তেখেতৰ অনন্যসাধাৰণ আছিল। তেখেত নিজেই যে সত্যবাদী আছিল এনে নহয়। তেখেতে সকলো দোষ ক্ষমা কৰিব পাৰিছিল কিন্তু মিছা কথা কলে তেখেতৰ খঙে গৈ মূৰৰ চুলি পাইছিল। কেতিয়াবা লৰা ছোৱালী বা চাকৰ-বাকৰৰ এনে কৰ্ম্মত তেখেতে যমকাল মূৰ্তি ধাৰণ কৰিছিল। সেই কাৰণে তেখেতৰ আগত মিছা কথা কবলৈ ঘৰৰ বা বাহিৰৰ কোনেও সাহকে নকৰিছিল। এবাৰ ওচৰৰে মুছলমান ভদ্ৰলোক এজনৰ হাঁহ কেইটামান তেখেতৰ বাৰীত সোমাইছিল। ৰান্ধনিজনে ফৰমুটি মাৰি খেদাওঁতে তাৰে হাঁহ এটা থৰমৰ খাই পাছত মৰি থাকিল। ৰান্ধনিজনে আৰু লগুৱাকেইটাই মনে মনে সেই হাঁহৰ মঙহ ৰান্ধি খালে। এই কথা বৰুৱাদেৱৰ পত্নীয়ে গম পালে আৰু তেখেতক কৈ দিলে। বৰুৱাদেৱে মাতি আনি সুধিলত এটাই কেউটা মানুহে হয় বুলি সৈ কাটিলে। মানুহ কেউটাক ধমকিত সুৰাসুৰ কৰিলে আৰু লগে লগে এখন কাগজত তেখেতৰ ৰান্ধনিজনে কালি এটা হাঁহ মাৰিলে সেইটো কাৰ হাঁহ কব নোৱাৰোঁ, যাৰে হাঁহ ভেওঁলৈ হাঁহৰ দামটো দি পঠালো—এই বুলি লিখি সেই কাগজখন ওচৰৰ হাঁহ থকা এটাই কেউঘৰতে দেখুৱাবলৈ ৰান্ধনিজনক পঠাই দিলে। ৰান্ধনিজনে সেইমতে দেখুৱাই ফুৰাৰ পাছত হাঁহৰ গিৰীহঁত ওলাল কিন্তু বৰুৱাদেৱে পঠোৱা দাম লবলৈ অস্বীকাৰ কৰিলে।

বৰুৱাদেৱ মণিপুৰত মুখ্য ন্যায়াধিপতি হৈ থাকোঁতে কোনোবাই কিবা বস্তু উপঢৌকন হিচাপে দিবলৈ আহিলে কেতিয়াও নলৈছিল। বাৰীৰ শাক-পাছলি

ফলমূল আনিলেও ওভোতাই দিছিল নতুবা দাম দিছিল। দাম নললে নাৰাখিছিল। এবাৰ তেখেতৰ অনুপস্থিতিত পেস্কাৰজনে ডাঙৰ শ'ল মাছ এটা দি গ'ল। লগত থকা মানুহ কেইজনে ৰাখিব নুখুজিছিল কিন্তু পেস্কাৰজনে বৰকৈ কাওবাও কৰাত ৰাখি থলে। ৰাতি ভাত খাবৰ সময়ত লগৰ লাচনি-পাচনি কৰা লৰাজনে কথাটো লুকাই নাৰাখি কৈ দিলে। বৰুৱাদেৱে সেই মাছ নাখালে আৰু কঠোৰ সুৰত আদেশ কৰিলে যে পাছদিনা সিমান ডাঙৰ মাছ এটা কিনি পেস্কাৰৰ ঘৰত দি আহিব লাগিব। পাছদিনা লগত থকা মানুহ দুটাৰ তাকে নকৰি গত্যন্তৰ নাছিল।

বৰুৱাদেৱ এজন দানী পুৰুষো আছিল। তেখেতৰ গুৱাহাটীৰ মাটি দান কৰি আৰু আৰ্থিক সাহাৰ্য্য দি দুখন স্কুল পাতিছিল। এখন ভৰলুমুখত তেখেতৰ দেউতাকৰ নামত কালীৰাম বৰুৱা ছোৱালী হাইস্কুল। আনখন গুৱাহাটীৰ কুমাৰ পাৰাত মাকৰ নামত পতা হৰিপ্ৰিয়া বালিকা বিদ্যাপীঠ। জালুকবাৰীত ৰাজ্যিক মহিলা সদন (State Women's Home) আৰু শিশুসদনৰ কাৰণে তেখেতে ২০ বিঘা মাটি দান কৰি গৈছে। ইযাৰ উপৰিও কেইবাটাও শিক্ষা অনুস্থান আৰু ধৰ্ম্মানুস্থানত তেখেতৰ দান বৰঙনি আছে। ব্যক্তিগত ভাবে কিমানক কিমান টকা দিছে তাৰ লেখ তেখেতে নিজেই ৰখা নাছিল। লৰা ছোৱালীৰ বিয়া পাতিবলৈ বা লৰাক লগুণ দিবলৈ বহুতকে তেখেতে ধন দি সহায় কৰাৰ কথা পৰিয়ালৰ মানুহে অলপ অচৰপ জানে কিন্তু আনে নাজানে। এদিন এজন মানুহ আহি মাকৰ আদ্য শ্ৰাদ্ধ কৰিবলৈ টকা খুজিছিল। বৰুৱাদেৱেও দহটকা তৎক্ষণাত উলিয়াই দিছিল, তেনেতে লগত থকা মহৰীজনে কলে "দেউতা মানুহজনে মিছা কথা কোৱা যেন লাগিছে, মাক মৰাৰ কোনো চিন নাই। মই এওঁৰ লগত গৈ কথা সঁচা যেন পালেহে টকা কেইটা দিম।" বৰুৱাদেৱ মান্তি হল। মহৰীজনে পাছত গৈ দেখিলে কথা তেনেই মিছা। মানুহজনেও কাওবাও কৰি সৈ কাটিলে।

কামাখ্যাৰাম বৰুৱা এজন ভাল চিকাৰীও আছিল। ডেকা বয়সত পছু আৰু বাঘ চিকাৰলৈ প্ৰায়েই গৈছিল। কেতিয়াবা ৺ফুকন ডাঙৰীয়াৰ লগত হাতী চিকাৰলৈকো গৈছিল। এই প্ৰসঙ্গতে এটা চিকাৰৰ কথা কোৱাৰ লোভ সামৰিব নোৱাৰিলো। লিখকৰ সৰু কালৰ কথা, তেতিয়াও শ্ৰীমান অপূৰ্ব্বৰ বোধকৰো জন্ম হোৱাই নাছিল। এদিন বৰুৱাদেৱ চিকাৰলৈ বুলি ওলাল আৰু লিখকৰ উত্তৰ গুৱাহাটীৰ ঘৰতে ৰাতি থাকি পুৱা চিকাৰ যাত্ৰা কৰিলে। আগদিনাই খুৱা ৺গোবিন্দেশ্বৰ গোস্বামীয়ে এটা হাতী জোগাৰ কৰি ৰাখিছিল। সেই হাতীতে বৰুৱাদেৱ আৰু খুৱা উঠিল। চিকাৰ দেখুৱাবৰ কাৰণে লিখককো মাজতে বহুৱাই

লগে। উত্তৰ গুৱাহাটীৰ কানাই বৰশি বোৱা শিলৰ ওচৰত এটা ভাঙৰ চাপৰি আছে। হাতী তালৈকে গল। বৰুৱাদেৱৰ লগত বন্দুক দুটা– এটা ৰাইফল আনটো দুনলীয়া। খুৰাৰ লগত আছিল এটা দুনলীযা বন্দুক। খুৰাও আছিল বৰ ভাল চিকাৰী। চাপৰিত চিকাৰ আৰম্ভ হল। বৰুৱাদেৱৰ লক্ষ্য আছিল স্থিৰ আৰু দৃষ্টি আছিল তীক্ষ্ণ, আগত চিকাৰ ক'ত আৰু কেনে অৱস্থাত থাকে এই জ্ঞান তেওঁৰ প্ৰচুৰ। কাযদাও জ্ঞানে ভাল। এবেলাৰ ভিতৰতে সেইদিনা তিনিটাকৈ পছুৱে বৰুৱাদেৱৰ বন্দুকৰ আগত প্ৰাণ এৰিলে। দেখিলেই বন্দুক টোঁৱাই আৰু গুলি কৰে। গতিকে একেটা হাতীৰ ওপৰত বহি আৰু কোনে বন্দুক টোঁৱাব পাৰে। সেইদেখি খুৰাৰ দুনলীয়া বন্দুকটোও সিদিনা নীৰব আৰু অচল হৈ পৰিছিল। খুৰাও কম চিকাৰী নাছিল। কিন্তু বৰুৱাই সিদিনা লোকক সুবিধা দিবপৰাকৈ চিকাৰৰ লোভ দমন কৰিব নোৱাৰিলে। চিকাৰৰ পিছত তেওঁৰ আনন্দ চাই কোনে ?

কামাখ্যাৰাম বৰুৱা এজন ভাল খেতিয়কো আছিল। চাহ খেতিযক হিচাপে তেখেতৰ নাম আছে। ফুলৰ বাগিছা আৰু শাক পাছলিৰ খেতিতো বৰ ৰাপ আছিল। ক'ৰবাত ভাল ফুলৰ গছ দেখিলেই কলম আনি ঘৰৰ ফুলৰ বাগিছাত পুতিছিল। বনৌষধৰ গছো ঘৰত আনি ৰুই লৈছিল। দুখন চাহ বাগিছা আৰম্ভণিৰে পৰা নিজৰ বুদ্ধি পৰামৰ্শেৰে লাভজনক কৰি তুলিছিল। তেখেত দুযোখনৰে মেনেজিং ডাইৰেক্তৰো বহুত দিনলৈ আছিল।

জীৱজন্তুৰ প্ৰতিও তেখেতৰ অগাধ মৰম আছিল। এবাৰ বৰুৱাদেৱে হাতী এটা ভাড়ালৈ লৈ চিকাৰলৈ পঠালে। সেই চিকাৰী হাতীটোৱে এজনী মাইকী হাতী ধৰিলে। হাতী জনীৰ পেটত পোৱালী আছিল। তেখেতে হাতীজনী আনি পুহিলে। বান্ধিছিল ফটাশিলত। তিনি মাহ মানৰ পিচত এটা পোৱালি হ'ল। খবৰ পাই বৰুৱাদেৱৰ লগত আমি চাবলৈ গলো। বৰুৱাদেৱে ৺বীৰসেন পণ্ডিতৰ কান্ধত দিলে দুনলীয়া বন্দুকটো আৰু গুলি ৰখা চামৰাৰ ফিটাডাল। সেই সময়ত ফটাশিল অঞ্চল হাবি বননিৰে ভৰা। দিনতে বাঘ ওলায়। কেইদিনমান পিচত হাতীৰ পোৱালিটো মৰি থাকিল। তাৰ কিছুদিনৰ পাছত বৰুৱাদেৱে মনৰ দুঃখতে হাতীজনীক পলাশবাৰীৰ ওচৰৰ মাজিৰ গাওঁ নিবাসী ৺নৱনাথ শৰ্ম্মাৰ ওচৰত সামান্য মূল্যত বিক্ৰি কৰে। ৺শৰ্ম্মা বৰুৱাদেৱৰ বৰ্ত্তমান কনিষ্ঠ জোঁৱাই ডাঃ সুৰেন্দ্ৰ নাথ শৰ্ম্মাৰ দেউতাক।

কামাখ্যাৰাম বৰুৱা এজন সমাজ সেৱকেই নাছিল সামাজিকতাৰ ফালৰ পৰাও তেখেতৰ দৃষ্টান্ত অনুকৰণীয় বিধৰ। চিঠিৰ উত্তৰ নিদিয়াকৈ কোনো কালে নাছিল। বেমাৰত পৰি থাকি উত্তৰ দিয়া পলম হলেও বেমাৰ ভাল হলেই পুৰণি চিঠিৰ উত্তৰ দিছিল। বিয়া সবাহলৈ নিমন্ত্ৰণ পালে পৰা পক্ষত নিজে গৈ সেই নিমন্ত্ৰণ

ৰক্ষা কৰিছিল, নোৱাৰিলে ঘৰৰ আন কোনোবা এজনক হলেও পঠাইছিল। দূৰণি ঠাইত থাকিলে চিঠিৰে আশীৰ্ব্বাদ বা শুভেচ্ছা জনাইছিল। এনে এখন চিঠি বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্ম্মা ডাঙৰীযাই আজি বিশ বছৰকাল আতোমতোকাৰিকৈ ৰাখিছিল—এতিয়া কিবা কামত আহে যদি আহিব বুলি স্মৃতি গ্ৰন্থ সমিতিক দিলে—নমুনা স্বৰূপে সেইখনকে তুলি দিলোঁ।

গুৱাহাটী

পৰমকল্যাণীয় ১০।১০।৫২

মৰমৰ বেণুবোপা, তোমাৰ জ্যেষ্ঠপুত্ৰ শ্ৰীমান অজিত বাপাৰ বিয়ালৈ তুমি আৰু তোমাৰ গৃহিণীযে আমাক নিমন্ত্ৰণ কৰাত আমি বৰ আনন্দিত হৈছোঁ। পৰমেশ্বৰৰ চৰণত এই প্ৰাৰ্থনা কৰিছোঁ যেন তেওঁ বৰ কইনাক সুদীৰ্ঘজীবী কৰি তেওঁলোকৰ বিবাহিত জীৱন মঙ্গলময় কৰে আৰু তেওঁলোকক সুখে ৰাখে। বিয়ালৈ আমি নানা অসুবিধাৰ বাবে যাব নোৱাৰিম। সেইবাবে যেন দোষ নধৰা এই অনুৰোধ কৰিলোঁ। আশাকৰোঁ শুভ কৰ্ম্ম নিৰ্ব্বিঘ্নে হব ইতি—

শুভাকাঙ্ক্ষী

শ্ৰীকামাখ্যাৰাম বৰুৱা।

বৰুৱাদেৱ আন ঠাইলৈ গলে সেই ঠাইৰ বন্ধু বান্ধব ইষ্ট কুটুম্ব সকলোকে অলপ সময়ৰ কাৰণে হলেও দেখা কৰি আহিবই আহিব। বিপদ আপদত খবৰ লোৱাৰ কাৰণে ঘৰৰ আনবিলাকেকো সকিযাই থাকে। পুতেকহঁত কৰবালৈ গলে সেই ঠাইত কাক কাক দেখা কৰিব সকলো সোঁৱৰাই দিছিল।* তেখেতৰ লগত মটৰ গাড়ীৰে দূৰ ঠাইলৈ যাবলগীয়া হলে কেতিযাবা আমনি লাগি যায়, কাৰণ বাটত আপোন মানুহৰ ঘৰ থাকিলেই মাত লগাইহে যাব। এইবোৰ বিষয়ত আনে অৱহেলা কৰাও তেখেতে ভাল নাপাইছিল।

অভ্যাসত আৰু থকামেলাত বৰুৱাদেৱ বৰ পৰিপাটি আছিল। নিজৰ বস্তু বাহানিবোৰ নিজে ঠিক কৰি ৰাখিছিল, এইবোৰ কথাত বৰকৈ চাকৰ বা ঘৰৰ বোৱাৰীয়েকহঁতৰ ওপৰতো নিৰ্ভৰ নকৰিছিল। তেখেতৰ এটা সুকীয়া বাকচ আছিল। তাত বেজী সূতা, হাতুৰি, বটালি পৰ্য্যন্ত হাত দিলে পোৱাকৈ ৰাখিছিল। নিজৰ প্ৰয়োজনীয় আৰু দৰবত লগা বস্তুবোৰো সুকীয়াকৈ ৰাখিছিল। ডাক্তৰী ঔষধৰ তেখেত বৰ ভক্ত নাছিল। কবিৰাজী আৰু হোমিওপেথি চিকিৎসা পৰাপক্ষত

* পূ শ্ৰীঅপূৰ্ব্ব বৰুৱালৈ দিয়া চিঠি চাওক।

কৰিছিল বা কৰাইছিল। এই দুইবিধৰ লাগতিয়াল দৰববোৰ সদায় লগত ৰাখিছিল। বনৌষধ দৰবৰোৰ য'ত যি পায় বহী এটাত টুকি ৰাখিছিল। হোমিওপেথিৰ চিকিৎসা তেখেতে জানিছিল আৰু সেইবিষয়ে বহুত পঢ়াশুনাও কৰিছিল। এইবোৰ বস্তু আনে লৰচৰ কৰিলে তেখেতে বেয়া পাইছিল। তেখেতৰ বাকচত মিছিৰি অলপ, কিচ্‌মিচ্‌ কিছু, মৌ এবটল সদায় থাকিবই। অলৈ তলৈ যাওঁতেও সেইবোৰ লগত থাকে। সকলো বস্তুকে আতোমতোকাৰিকৈ ৰাখিছিল। তেখেত এই বস্তুবোৰ থোৱা বাকচটো খোলা-মেলা দেখিলে কেতিয়াবা সকলোৱাই নিজৰ লুকাই থোৱা সম্পত্তিখিনি লাৰি চাৰি চোৱাৰ দৃশ্যলৈ মনত পৰে। শিশুৰ সাৰল্যও তেখেতৰ স্বভাবৰ এটা উজ্জ্বল দিশ।

এনে এজন মহান ব্যক্তিৰ সুদীৰ্ঘকাল সান্নিধ্য লাভ কৰাটো এই লিখকৰ বাবে আছিল মহান সৌভাগ্য। এটা প্ৰবন্ধৰ চমু পৰিসৰৰ ভিতৰত তেখেতৰ নিচিনা এজন বহুমুখী প্ৰতিভাৰ লোকৰ জীৱনৰ কথা বিস্তৃত ভাবে কোৱা সম্ভৱপৰ কথা নহয়। তথাপি থুল-মূল ঘটনা আৰু সদায় দেখা গুণবিলাকৰ আভাসহে দিয়া হল।

বহুগুণী পুৰুষ কামাখ্যাৰাম বৰুৱা

শ্ৰীৰাম গোস্বামী
বাস্তিক কেন্দ্ৰিয় গ্ৰন্থালয়ৰ মুখ্য-গ্ৰন্থপাল, ছিলং

সাত্বিক পুৰুষ কামাখ্যাৰাম বৰুৱাক যি দেখিছিল তেওঁৰ মনত আছে মানুহ-জনৰ সৌম্যদৰ্শন, বুদ্ধিদীপ্ত চেহাৰা, হাঁহি ভৰা মুখ, পৰিধানত সাধাৰণ মোটা কাপোৰৰ পোচাক। উজ্জ্বল দাঁত দুপাৰিত তামোল খোৱাৰ চিন মোকাম নাই। ওঠ দেখিযেই কব পাৰি—চিগাৰেট অপৰিচিত। এই নাতিদীৰ্ঘ, ক্ষীণকায় চেহেৰাৰ মানুহজন দাড়ীৰে সাইলাখ এজন বিচক্ষণ পণ্ডিত। চিৰকাল প্ৰশান্ত ধীৰ, স্থিৰ এক বিশিষ্ট ধাতুৰে গঢ়া। এই বৰ্ষীযান সাত্বিক পুৰুষজনৰ জীৱন কথা সুঁৱৰি আমি নিজেই কৃতাৰ্থবোধ কৰোহঁক। ব্যক্তিগত জীৱনত কামাখ্যাৰাম বৰুৱা আছিল সুবিখ্যাত আইন-জীৱী। বিচাৰপতিৰ আসনত বহিও তেওঁ সাধাৰণ জীৱন যাপন কৰিছিল, দুখী দৰিদ্ৰক সেৱা কৰিছিল। নিৰ্ম্মল চৰিত্ৰ, সদালাপী ব্যৱহাৰ আৰু পৰোপকাৰ কামাখ্যাৰাম বৰুৱাৰ জীৱনৰ ব্ৰত আছিল। এই জ্ঞানবান মানুহজন নিষ্ঠাত অদ্বিতীয়, আদৰ্শত অলৰ অচৰ, আৰু আছিল ব্যক্তিত্ব ভৰা। মানুহে কয সাত্বিক পুৰুষ কামাখ্যাৰাম বৰুৱাই সত্যৰ বাহিৰে একোটে চকু নেপেলায। সত্য নিৰ্ণয়ত বিঘ্ন ঘটিলে তেওঁ বিৰক্ত হৈছিল আৰু তুৰন্তে আঁতৰি গৈছিল।

জন্ম ১৮৮৩ চনত। জন্মস্থান গুৱাহাটীৰ ভৰলুমুখত। পিতৃ কালিৰাম বৰুৱা, মাতৃ হৰিপ্ৰিয়া দেৱী। পুত্ৰৰ জীৱনত এই দুযো গৰাকীযে প্ৰভাৱ বিস্তাৰ কৰিছিল। সাংবাদিক কালিৰাম বৰুৱাৰ পঢ়া মৌলিক চিন্তাশক্তি আৰু মাতৃ হৰিপ্ৰিয়াৰ পৰা অপৰিসীম মমত্ববোধ, চৰিত্ৰৰ দৃঢ়তা কামাখ্যাৰাম বৰুৱাই লাভ কৰিছিল। এই প্ৰভাব আছিল আলোকস্তম্ভৰ দৰে দীপ্যমান। মৃত্যুৰ আগ মুহূৰ্ত্তলৈকে কামাখ্যাৰাম বৰুৱাৰ গাত এই গুণৰাজি অম্লান হৈ জিলিকি আছিল। সকলোৱে কৈছে, দৰিদ্ৰৰ প্ৰতি কৰুণা, অসহায়ৰ প্ৰতি মমতা, নিৰ্য্যাতিতৰ প্ৰতি বেদনাবোধ কামাখ্যাৰাম বৰুৱাৰ চৰিত্ৰৰ এটা মধুৰ ফাল।

শিক্ষাৰ প্ৰতি অশেষ ধাউতি থকা কামাখ্যাৰাম বৰুৱাই গুৱাহাটী হাইস্কুলৰ পৰা এনট্ৰান্স আৰু কটন কলেজৰ পৰা এফ, এ পাছ কৰে। তাৰ পাচত কলিকতাৰ মেট্ৰোপলিটান কলেজৰ পৰা বি, এ আৰু ল' পাছ কৰে দক্ষতাৰে। চৰকাৰী চাকৰি কৰা আকাঙ্ক্ষা তেওঁৰ নাছিল। ওকালতি কৰাত মনপুতি লাগিল আৰু ৰাজনীতিৰ লগতো জড়িত হৈ পৰিল। ১৯২১ চনৰ জাতীয় কংগ্ৰেছৰ আন্দোলনত

প্ৰত্যক্ষ যোগদানে তেওঁৰ মনত স্বদেশানুহৈতিক ভাৱধাৰা ৰোপণ কৰিলে। মদন মোহন মালবীয় আহিছিল অসমলৈ। তেখেতৰ লগত ঘূৰি ফুৰি অসমৰ নগৰে চহৰে কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল। কামাখ্যাৰাম বৰুৱাই ভাৰতীয় নেতাজনৰ মুখৰ ফালে চাই শ্ৰদ্ধা আৰু বিস্ময়েৰে হতবাক্ হৈ গৈছিল। 'নিগৃহীত আৰু নিপীড়িত ভাৰতবাসীৰ মুক্তি সংগ্ৰাম উন্নততৰ মানবীয় অধিকাৰ। এই সংগ্ৰামৰ লগত জড়িত হৈ নিজকে পৰম সৌভাগ্যবান বুলি জ্ঞান কৰা।' কামাখ্যাৰাম বৰুৱাই এই মহাবাণী অক্ষৰে অক্ষৰে উপলব্ধি কৰিছিল। নিষ্ঠা সহকাৰে এই আদৰ্শত উপনীত হবলৈ তেওঁ সৰ্ব্বশক্তি প্ৰয়োগ কৰিছিল। স্বাধীনতা আন্দোলনক কামাখ্যাৰাম বৰুৱাই সৰ্ব্বান্তঃকৰণেৰে স্বাগত জনাইছিল। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ অভিনব আৰু মানবীয় পদ্ধতিয়ে তেওঁক আকৃষ্ট কৰিছিল। বিদেশী বস্তুৰ বৰ্জনৰ তেওঁ আছিল উৎসাহী সমৰ্থক। এই সমৰ্থনৰ গুৰিতে আছিল স্বাধীন মনৰ দৃষ্টিভঙ্গী, যি দৃষ্টিভঙ্গী স্বেচ্ছাচাৰ আৰু শোষণ মাত্ৰৰে বিৰোধী। ভাৰতীয় বস্তুৰ ওপৰত নিৰ্ভৰশীল হোৱা মানেই স্বাজাত্যবোধক অন্তৰেৰে গ্ৰহণ কৰা। স্বদেশ চিন্তাৰ দ্বাৰা ভাৰতীয় জনসাধাৰণৰ অধিকাৰ প্ৰতিষ্ঠিত হব বুলি কামাখ্যাৰাম বৰুৱাই দৃঢ়ভাবে বিশ্বাস কৰিছিল।

কৰ্মজীৱন আৰম্ভ হৈছিল অধ্যাপনাৰ যোগেদি। প্ৰথমতে শিৱসাগৰত তাৰ পাচত গুৱাহাটীত। ৺যাদৱ প্ৰসাদ চলিহা প্ৰভৃতি অনেক কৃত্যবিদ্য লোক আছিল তেওঁৰ ছাত্ৰ। শিক্ষক হিচাপে তেওঁ আছিল অনুকৰণীয়। তেওঁৰ মেধাশক্তি, কৰ্মশক্তি আছিল প্ৰচুৰ। মানৱ কল্যাণৰ সেৱাৰ বাবে প্ৰকৃত শিক্ষাৰ ওপৰত তেওঁ গুৰুত্ব দিছিল। শিক্ষা বিষয়ত থকা সংকীৰ্ণ মনোভাৱক তেওঁ গৰিহনা দিছিল আৰু ইয়াৰ বিৰুদ্ধে দীৰ্ঘকাল ধৰি সংগ্ৰাম চলাইছিল। প্ৰচলিত শিক্ষা পদ্ধতি, অসম্পূৰ্ণ আৰু ইউৰোপীয় মনোভাবেৰে পৰিপুষ্ট। ভাৰতীয় আদৰ্শ আৰু সংস্কৃতিৰ লগত ইংৰাজী শিক্ষাৰ প্ৰত্যক্ষ যোগাযোগ নাই। স্বাধীনতা স্পৃহা আৰু জাতীয়তাবোধ প্ৰতিপন্ন কৰিবলৈ হলে শিক্ষা পদ্ধতিক ভাৰতীয় আদৰ্শত গঢ়ি তুলিব লাগে। শিক্ষাক উদাৰ আৰু মানৱমুখী কৰি তুলিবৰ বাবে নতুন দৃষ্টিভঙ্গীৰ প্ৰয়োজন। কামাখ্যাৰাম বৰুৱাই সংস্কৃত শিক্ষা আৰু স্ত্ৰী-শিক্ষাৰ ওপৰতো গুৰুত্ব দিছিল। তেওঁ বিশ্বাস কৰিছিল ইয়াৰ প্ৰসাৰ হলে ভাৰতীয় সমাজৰ মঙ্গল হব। আধুনিকতাক তেওঁ গ্ৰহণ কৰিছিল কিন্তু সাময়িকতাৰ সোঁতত নিজকে উটাই নিদিছিল। তেওঁ অতি সচেতন ভাবে পাশ্চাত্য ৰীতিনীতি শিক্ষা-দীক্ষা বিশ্লেষণ কৰিছিল। আধুনিকতা গ্ৰহণ কৰিলেও তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল ভাৰতীয় আদৰ্শ কেতিয়াও পাশ্চাত্য ধাৰাত প্ৰবাহিত হব নোৱাৰে। ভাৰতীয় আদৰ্শৰ যি মৌলিকতা আৰু লক্ষ্যস্থান

আছে তাৰ দ্বাৰা আমাৰ পঢ়াশালী সমূহ পৰিচালিত হলে ভাৰতীয় ছাত্ৰৰ স্বাধীন চিন্তা আৰু কৰ্মশক্তিৰ উৎকৰ্ষ সাধন হব। শিক্ষাৰ সফল কাৰ্য্যকলাপৰ ওপৰত সমাজৰ উন্নতি বহুত পৰিমাণে নিৰ্ভৰশীল। এই কাম সুচাৰুকৈ সমাধা কৰিবলৈ হলে শিক্ষাদানৰ ব্যৱস্থা ভয়, বলপ্ৰয়োগ আৰু কৃত্ৰিম তত্বাৱধানৰ পৰা মুক্ত হব লাগে।

শিক্ষকতা এৰি কামাখ্যাৰাম বৰুৱাই যেতিয়া গুৱাহাটীত ওকালতি আৰম্ভ কৰিলে তেওঁৰ কাৰ্য্যদক্ষতা দুগুণে বৃদ্ধি পালে। অলপ দিনৰ ভিতৰতে তেওঁৰ সুনাম সৰ্বত্ৰ বিয়পি পৰিল। অসমৰ বিভিন্ন আদালতলৈ তেওঁৰ ওকালতি সম্প্ৰসাৰণ হৈছিল, অনেকবাৰ কলিকতাৰ হাইকোৰ্টলৈ তেওঁ আইন সংক্ৰান্ত বিষয়ত অহা যোৱা কৰিছিল। আইনৰ মৰ্য্যাদা ৰক্ষা কৰি সত্য পথত থাকিও সহজ উপাৰ্জ্জন কেনেকৈ কৰিব পাৰি বৰুৱাই তাক নিজ দৃষ্টান্তৰ দ্বাৰা প্ৰমাণ কৰিছিল। এই আদৰ্শেৰে দহক অনুপ্ৰাণিত কৰি তেওঁ আনন্দ পাইছিল। এটা জটিল দেৱানী মোকৰ্দমাত ফৰিযাদী পক্ষৰ উকীল হৈ তেওঁ কথা প্ৰসঙ্গত কৈছিল, "অন্যলোকৰ পৰিশ্ৰমৰ ফল অন্যায ভাবে দখল কৰাটো জানো আত্মসাৎ নহয ? এনে কাৰ্য্য আমি সৰ্বদা বৰ্জ্জন কৰা উচিত। অন্যান্য ব্যক্তিৰ লগত সহৃদযতা স্থাপন কৰি চলিব পাৰিলে আমি বহুতো অশান্তিৰ হাত সাৰিব পাৰোহঁক।"

আইন বিষযত প্ৰগাঢ বিদ্যা, আৰু কৰ্ম-অভিজ্ঞতাৰ স্বীকৃতি স্বৰূপে কামাখ্যাৰাম বৰুৱা 'চবজজ্' আৰু পাছত মণিপুৰ ৰাজ্যৰ প্ৰধান বিচাৰপতি নিযুক্ত হৈছিল। ইযাৰ বাহিৰেও অসম ব্যয সঙ্কোচ সমিতি, প্ৰশাসনীয় সমিতি আদি বিভিন্ন ন্যায়িক আয়োগৰ তেওঁ আছিল এজন বিশিষ্ট সভ্য। আইনৰ অভিজ্ঞ ব্যক্তি বুলি নহয, সত্য, ন্যায় আৰু মৌলিক মানবীয অধিকাৰ কামাখ্যাৰাম বৰুৱাৰ বিচাৰত জীৱন্ত দৃষ্টান্ত ৰূপে প্ৰতিফলিত হব বুলি চৰকাৰৰ দৃঢবিশ্বাস আছিল আৰু সেইবাবে এই সুকঠিন দায়িত্বভাৰ তেওঁৰ ওপৰত সমৰ্পণ কৰিছিল।

কামাখ্যাৰাম বৰুৱাৰ স্ত্ৰী আছিল মুক্তাবালা দেবী। প্ৰসিদ্ধ সাহিত্যিক, জোনাকী যুগৰ অন্যতম মহাৰথী পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা। এই সম্বন্ধৰ ফালৰপৰা বিচাৰ কৰিলে কামাখ্যাৰাম বৰুৱাই শহুৰ হেম গোঁসাইৰ সান্নিধ্যত প্ৰখৰ জাতীয় চিন্তাধাৰাৰ লগতে সৃষ্টিমূলক প্ৰেৰণাও লাভ কৰিছিল। অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হকে হেম গোস্বামীয়ে যি সংগ্ৰাম চলাইছিল সেই সংগ্ৰামৰ আদৰ্শটোৱে কামাখ্যাৰাম বৰুৱাক মনেপ্ৰাণে স্পৰ্শ কৰিছিল। অসমীয়া ভাষাৰ প্ৰতি তেওঁৰ আন্তৰিক শ্ৰদ্ধা আৰু অৱদান আমি দেখিবলৈ পাওঁ অসমৰ ভাষা আন্দোলনত। অসম চৰকাৰৰ ওচৰলৈ যোৱা সৰ্বজাতি দলৰ অন্যতম সদস্য ৰূপে

কামাখ্যাৰাম বৰুৱাই যুক্তি প্ৰদৰ্শন কৰিছিল। "অসমত অসমীয়া ভাষাৰ বহুল প্ৰচলনৰ বাবে ইয়াৰ স্বীকৃতি অতি প্ৰয়োজনীয়। এনে স্বীকৃতিৰ অবিহনে অসমীয়া ভাষা সাহিত্যই ভাৰতীয় অন্যান্য প্ৰাদেশিক ভাষাৰ লগত যোৰ মাৰিব নোৱাৰে। অসমীয়া জাতিৰ পৰিচয়- অসমীয়া ভাষা সাহিত্যৰ পৰিচয। এইয়া হৈছে গঠনমূলক দৃষ্টীভঙ্গী।" এজন সুদক্ষ আইনজীৱিৰ দৰে অসমীযা ভাষাৰ মৰ্য্যাদা দানৰ হকে তেওঁ ওকালতি কৰিছিল। তেওঁ দৃঢতাৰে কৈছিল, "অসমীয়া ভাষাক চৰকাৰী ভাষা ৰূপে গ্ৰহণ কৰাটো সঙ্কীৰ্ণ মনোভাৱ নহয়। ই এক মৌলিক সত্য।"

স্ত্ৰীৰ মৃত্যু হৈছিল বহুদিনৰ আগেযে। দুই পুত্ৰ আৰু পাঁচ গৰাকী কন্যাৰ পিতৃ কামাখ্যাৰাম বৰুৱা সুখী মানুহ আছিল বুলি কব লাগিব। কিযনো বৰপুত্ৰ, শ্ৰীঅপূৰ্ব্বৰাম বৰুৱা অসম হাইকৰ্টৰ ব্যস্ত এডভোকেট। দ্বিতীয পুত্ৰ শ্ৰীপ্ৰবীৰৰাম বৰুৱা সৰ্বৱহী সমাজসেৱী। দুযোজন কামৰ মানুহ, ধীৰমতি, স্বল্পবাক্ আৰু পৰিশ্ৰমী। জোঁৱাই কেইজন যথাক্ৰমে যোৰহাটৰ চাহখেতিযক শ্ৰীপ্ৰসন্ন কুমাৰ বৰুৱা, অৱসৰপ্ৰাপ্ত ইঞ্জিনীযাৰ শ্ৰীনগেন্দ্ৰনাথ বৰুৱা, কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীহৰিশচন্দ্ৰ গোস্বামী, প্ৰখ্যাত সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মা আৰু গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষ ডঃ সুৰেন্দ্ৰনাথ শৰ্মা। আটাই কেইজন নিজ নিজ জীৱনত সুপ্ৰতিষ্ঠিত। এনে এখন সুখী গৃহস্থৰ অধিকাৰী হৈযো মৃত্যুৰ আগ মুহূৰ্ত্তলৈকে কামাখ্যাৰাম বৰুৱাই সন্ন্যাসীৰ দৰে জীৱন যাপন কৰিছিল। কোনো বস্তুতে তেওঁৰ আসক্তি নাছিল। খাইছিল অতি কম তাকো বছা বছা। নাখালে নহয বাবেই হযতো তেওঁ আহাৰ গ্ৰহণ কৰিছিল। গাখীৰ আছিল তেওঁৰ প্ৰিয আহাৰ। আমিষ আহাৰ খাইছিল কিন্তু নিৰামিষ আহাৰ আছিল তেওঁৰ প্ৰিয। শুইছিল কম, কিন্তু কাম কৰিছিল বহুত। তেওঁ কথা কবলৈ ভাল পাইছিল কিন্তু সদালাপী আছিল। ধৰ্মীয আলোচনা, ৰাজনীতি আলোচনা, সামাজিক আলোচনা সকলোৰে তেওঁ সমান দক্ষতাৰে অংশ গ্ৰহণ কৰিছিল। অসম আয়ুৰ্ব্বেদ কলেজ, নাৰাযণী সন্দিকৈ কলেজ, অসম চাহ খেতিয়ক সংস্থা, গো-হত্যা নিবাৰণী সমিতি, অসম সংস্কৃত এছ'ছিযেছন, সদৌ অসম উকীল সঙ্ঘ আদি এশ এবুৰি ৰাজহুৱা অনুষ্ঠানৰ মাজেদি কামাখ্যা বৰুৱাৰ কাৰ্য্যক্ষেত্ৰই প্ৰসাৰতা লাভ কৰিছিল। অসমত অসমীযা মানুহৰ চাহ শিল্প উন্নয়নত কামাখ্যাৰাম বৰুৱাৰ অৱদান যথেষ্ট। এই আগ্ৰহ তেওঁ লাভ কৰিছিল প্ৰখ্যাত চাহ খেতিয়ক দানবীৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰা। বৰুৱাৰ আন্তৰিকতাত মুগ্ধ হৈ সন্দিকৈ ডাঙৰীযাই উজনী অসমত থকা চাহখেতিৰ উপযোগী মাটি কম মূল্যতে বৰুৱাক দি দিয়ে। বৰুৱাই দেহে কেহে খাটি বাহাদুৰ টি কোম্পানী গঠন কৰি

এই বাগিছা খোলে আৰু অসমৰ এখন লেখত লবলগীয়া চাহ বাগিছাত পৰিণত কৰে। দায়িত্ব পালন কৰা মহান প্ৰেৰণা নাথাকিলে এজন মানুহে জীৱনত সকলো কাম নিয়াৰিকৈ সমাধা কৰা সম্ভৱ নহয়। দানো কৰিছিল অনেক। গুৱাহাটীৰ কালিৰাম বৰুৱা বালিকা উচ্চ বিদ্যালয়, হৰিপ্ৰিয়া বিদ্যাপীঠ, জালুকবাৰীৰ অনাথ আশ্ৰমৰ মাটি কামাখ্যাৰাম বৰুৱাৰ অমূল্য দান। সৰু সুৰা দানৰ হিচাপ তেখেতে নিজেও নাৰাখিছিল।

তেওঁ আছিল যথাৰ্থতে এজন বুদ্ধিজীৱী, যাক আজিৰ ভাষাত কব পাৰি "ইনটেলেকচুৱেল"। সকলো বিষয়তে তেওঁৰ মন আছিল বিস্তীৰ্ণ। বিভিন্ন সমস্যাৰ বিষয়ে তেওঁৰ দৃষ্টিভঙ্গী আছিল সুগভীৰ। নিৰ্ভীক মনোভাবেৰে তেওঁ গুৰুত্বপূৰ্ণ বিষয়ত মূল্যাঙ্কন কৰিছিল আৰু অভিমত দিছিল। এই নিৰ্ভীক মনোভাবৰ অন্তৰালত আছিল তেওঁৰ সত্যনিষ্ঠা। কামাখ্যাৰাম বৰুৱা যি পৰিয়ালত জন্মগ্ৰহণ কৰিছিল সেই পৰিয়ালৰ বংশ মৰ্য্যাদা, গৌৰৱ আৰু জীৱনাদৰ্শ তেওঁ সযত্নেৰে ৰক্ষা কৰিছিল। তেওঁ আছিল যথাৰ্থ ব্ৰাহ্মণ। মানৱ কল্যাণৰ হকে তেওঁৰ সমগ্ৰ জ্ঞান, পাণ্ডিত্য আৰু কৰ্মশক্তি প্ৰয়োগ কৰিছিল। মানুহৰ সেৱাৰ ভিতৰেদি তেওঁ ভগবানৰ সেৱা কৰিছিল। তেওঁ কৈছিল, "ঈশ্বৰক জানিবলৈ হলে, বিবেকশুদ্ধতা আৰু স্নেহ প্ৰৱণতাৰ প্ৰয়োজন। মানৱ সেৱাই ভগবানৰ প্ৰতি থকা আমাৰ বিশ্বাস গাঢ় কৰে।"

মানুহৰ বাহিৰেও গো-সেৱা তেওঁৰ জীৱনৰ অন্যতম ব্ৰত আছিল। এবাৰ তেওঁ সন্ধ্যাভ্ৰমণত ওলাই যাওঁতে বাটত দেখিলে এটি গৰু পোৱালিক কোনোৱা মটৰ গাড়ীয়ে খুন্দা মাৰি পেলাই গৈছে। আধামৰা অৱস্থাত ৰাস্তাৰ ওপৰত পৰি থকা গৰু পোৱালিটো তেওঁ নিজে কোলাত তুলি ঘৰলৈ আনিলে আৰু সেৱা কৰি প্ৰাণ ৰক্ষা কৰিলে। কামাখ্যাৰাম বৰুৱা আছিল দয়াৰ সাগৰ। এই দয়াবান মানুহজনৰ আশ্ৰয়ত থাকি অনেক দুখীয়া ছাত্ৰছাত্ৰীয়ে শিক্ষা লাভ কৰিছিল, অনেকে আৰ্থিক সাহাৰ্য্য লাভ কৰিছিল। কামাখ্যাৰাম বৰুৱাৰ হাতৰ আখৰ বৰ ধুনীয়া। তেওঁৰ চিঠি সমূহ আছিল আকৰ্ষণৰ বস্তু। সাহিত্যিক ৰং নিদিয়াকৈও নিজৰ অভিজ্ঞতাৰ উজ্জ্বলতাৰে এই চিঠিবোৰ সমুজ্জ্বল আছিল। সমগ্ৰ দেশতে সিঁচৰিত হৈ থকা তেওঁৰ শত সহস্ৰ বন্ধুবান্ধৱ, আত্মীয় স্বজনলৈ দিয়া চিঠিবোৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে অসমীয়া পত্ৰ সাহিত্যৰ আপুৰুগীয়া বস্তু হব। অকল ঘৰুৱা বিষয় বস্তুৰ চাৰিসীমাৰ মাজতে সীমাবদ্ধ নাথাকি এই চিঠিবোৰে নানা তৰহৰ সমস্যা আলোচনা কৰিছে। এই স্মৰণীয় জ্ঞানগৰ্ভ চিঠি সমূহৰ অন্তৰালত কামাখ্যাৰাম বৰুৱাৰ ব্যক্তিত্বও ফটফটীয়াকৈ জিলিকি পৰিছে।

১৯৬৫ চনৰ ২৮ নবেম্বৰত যেতিয়া এই মহান ব্যক্তিজনৰ মৃত্যু হ'ল—সমগ্ৰ অসমতে গভীৰ শোকৰ ছাঁ পৰিছিল। কামাখ্যাৰাম বৰুৱাৰ অতি অন্তৰঙ্গ বন্ধু (সম্বন্ধত বিয়ৈ) তেজপুৰৰ স্বনামধন্য পুৰুষ স্বৰ্গীয় চন্দ্ৰনাথ শৰ্মাৰ ভাষাত কবলৈ গলে—"কামাখ্যাৰাম বৰুৱাৰ মৃত্যুত অসমে এজন আদৰ্শবান ব্যক্তি হেৰুৱালে। বিনয়, গাম্ভীৰ্য্য, ত্যাগ, সেৱা আৰু শাস্ত্ৰজ্ঞান প্ৰভৃতি ভুৰি ভুৰি সদ্‌গুণৰ অধিকাৰী কামাখ্যাৰাম বৰুৱাৰ পুণ্য স্মৃতিৰ পৰা অসম বাসীয়ে প্ৰেৰণা লাভ কৰক।"

—:০:—

দ্বিতীয় খণ্ড

(জীৱনৰ বিভিন্ন দিশ)

[স্বৰ্গীয় বকৱাৰ জীৱনৰ সকলো দিশ এই খণ্ডত সামৰিব পৰা হলে ভাল আছিল। সেইবোৰৰ কথা জনা মানুহ এটাই কেউজনে এই গ্ৰন্থ প্ৰণয়নৰ আগতে ইহলোক ত্যাগ কৰিলে। ছাত্ৰ-জীৱনৰ কথা কব পৰা লোক আছিল বিহগী কবি ৰঘুনাথ চৌধুৰী। তেখেতক এই গ্ৰন্থ সংকলনৰ সময়ত পোৱা হলে বহুত ৰাপ-লগা কথা জানিব পৰা গলহেতেন। সেইদৰে স্বৰ্গীয় নকুল ভূঞাই চাহ-উদ্যোগত বকৱাৰ অৱদান সম্পৰ্কে বহুত নতুন কথা কব পাৰিলেহেতেন। তেখেত এজন ভাল চিকাৰী আছিল, পাছে তেখেতৰ লগত চিকাৰ কথা মানুহ আজি এজনো নাই। এনেকৈ বহুত কথা আধৰুৱা হৈ থাকিল। থাকিলেও এই প্ৰবন্ধাৱলী আৰু তৃতীয় খণ্ডৰ সোঁৱৰণ-প্ৰবন্ধাৱলীতো তেখেতৰ জীৱনৰ বহুত দিশৰ কথা ভালকৈ আলোচিত হৈছে। কোনো কোনো দিশৰ উল্লেখ ঠায়ে ঠায়ে অন্য কথাৰ মাজতো লিখকসকলে কৰিছে।]

সম্পাদক

৺কামাখ্যাৰাম বৰুৱা—এজন সৰ্ব্বতোভদ্ৰ পুৰুষ

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা
চাঁৰক

৺কামাখ্যাৰাম বৰুৱা ডাঙৰীয়াক মই ১৯২১ চনত গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ যাওঁতে প্ৰথম দেখা পাওঁ। আগতেই মই এই সুদৰ্শন পহীনু ধৰণৰ পুৰুষজনৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিৰ ভাব পোষণ কৰি আছিলোঁ আৰু তেখেতৰ সান্নিধ্য লাভ কৰিবলৈ বৰ আগ্ৰহ কৰিছিলো। আমি জনচেৰেক ছাত্ৰই, আগৰে পৰা নাম শুনি থকা, গুৱাহাটীৰ নেতৃস্থানীয় লোকসকলৰ লগত চিনাকি হৈ, তেখেতসকলৰ পৰা দুই চাৰি কথা শুনিবলৈ বৰ আশা কৰিছিলো। আমাৰ আশাও ক্ৰমে ফলৱতী হৈছিল। আমাৰ লগৰ জনচেৰেক ছাত্ৰক, এই স্বনামধন্য লোক-সকলে বৰ মৰম কৰি তেখেতসকলৰ ঘৰলৈ মাতি নি আদৰ আশ্বাস কৰিছিল। আমিও মাজে মাজে, দলে বলে তেখেত সকলৰ ঘৰলৈ যাবলৈ বৰ ভাল পাইছিলো। কামাখ্যাৰাম বৰুৱা ডাঙৰীয়াৰ লগত মোৰ বিশেষ ভাবে জনাশুনা হবলৈ সুবিধা হৈছিল। মই কলিকতাত থাকি, অসম ছাত্ৰ সম্মিলনৰ মুখপাত্ৰ 'মিলন'ৰ সম্পাদক হৈ থকাৰ কাৰণে তেখেতৰ পিতৃ ৺কালীৰাম বৰুৱা ডাঙৰীয়াৰ বিষয়ে এটি প্ৰবন্ধ আৰু লগতে ছবি এটি প্ৰকাশ কৰা লৈ লিখালিখি কৰাত, মানুহজনক বুজিবলৈ বেছি সুবিধা পালোঁ। তেখেতৰ শহুৰেক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ নামত 'মিলন'ৰ সোঁৱৰণী সংখ্যা প্ৰকাশ কৰোঁতে ভালেখিনি সহায় তেখেতৰ পৰা পাইছিলো, এনে-বিলাক কাৰণতে কলিকতাৰ পৰা ঘৰলৈ অহা যোৱা কৰোঁতে তেখেতৰ ঘৰলৈ যাবলগীয়া হৈছিল। এই বিলাকৰ উপৰিও তেখেতৰ লগত অতি আপোন হৈ পৰাৰ এটি বিশেষ কাৰণ ওলাই পৰিল। তেখেতলৈ থকা আমাৰ শ্ৰদ্ধা আৰু ভক্তিৰ আকৰ্ষণটো বিশেষ ভাবে যেন এই কাৰণেই আগবঢ়া হৈছিল। আমাৰ পূজনীয় দদাইদেউ 'বৰদৈচিলা'ৰ প্ৰতিষ্ঠাতা আৰু সম্পাদক ৺কমল চন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠপুত্ৰ ৺নগেন্দ্ৰনাথ বৰুৱাৰ লগত, তেখেতৰ কন্যা শ্ৰীমতী উৰ্ম্মিলাৰ শুভ-পৰিণয় ঘটে। এইখিনিতে এযাৰ কথা নকৈ নোৱাৰি। দেখাই-শুনাই কথাই-বাৰ্ত্তাই নীতি-নিয়মে বিয়ৈ দুজন একেধৰণৰ হৈ পৰিছিল। গুৱাহাটীলৈ আমি যিমান বাৰেই যাওঁ, সিমানবাৰেই বৰুৱা ডাঙৰীয়াক দেখা নকৰাকৈ, তেখেতৰ ঘৰত এসাঁজ নোখোৱাকৈ অহা টান। গুৱাহাটীলৈ গলে মই আমাৰ ভাই শ্ৰীমান শিৱপ্ৰসাদ বৰুৱাৰ ঘৰত থাকো। শিৱৰ ঘৰত বিশেষ ক্ৰিয়া এটা হলে বৰুৱা ডাঙৰীয়াই

জানিবই লাগিব। সেইদেখি মই তালৈ গলেও তেখেতে খবৰ পায়, লগে লগে আমালৈ নিমন্ত্ৰণো আহে।

আমি জনাত বৰুৱা ডাঙৰীয়া এজন সাধুপুৰুষ। তেখেত অমায়িক, স্বধৰ্ম্মনিষ্ঠ, দেশপ্ৰেমিক আৰু আমাৰ প্ৰাচীন ৰীতিনীতিৰ ওপৰত গভীৰ বিশ্বাস ৰাখিও তেখেত আধুনিক। তেখেতৰ দেশী-বিদেশী বন্ধু অনেক। তেখেতৰ ব্যক্তিত্ব, ভদ্ৰতা, আৰু সভাগুৱনি চেহেৰাটোৰ বিষয়ে এজন লোকে কোৱা কথা এযাৰ ইয়াতে তুলি দিবলগীয়া হ'ল।

জাঁজী উচ্চ ইংৰাজী বিদ্যালয়ৰ আমাৰ সহকৰ্ম্মী শিক্ষক মাননীয় শ্ৰীকালীৰাম দত্তই কিবা এটা কাৰণত মোলৈ লিখিছিল; অৱশ্যে সহকৰ্ম্মী হলেও দত্তদেৱৰ বয়স এতিয়া চাৰিকুৰিৰ ওপৰ। বোধকৰো বৰুৱা ডাঙৰীয়া যোৰহাটলৈ ন্যায়াধীশ হৈ আহোঁতে দত্ত জুৰিৰ সভ্য আছিল। সেই সন্দৰ্ভতে এই চিঠি লিখিছিল। কথাটো বৰকৈ মনত নপৰে। চিঠিখন আছে। আন কথাৰ লগতে তেখেতৰ বিষয়েও লিখিছিল।

"কামাখ্যাৰাম বৰুৱাই আমাক শিৱসাগৰৰ উচ্চ ইংৰাজী স্কুলৰ দ্বিতীয় শ্ৰেণীত (এতিয়াৰ নৱমমান শ্ৰেণী) পঢ়াবলৈ পাইছিল। তেতিয়া ১৯০৯ কি ১০ চনেই হ'ব। আমি পঢ়ি থাকোঁতে তেখেতৰ দৰে ধুনীয়া, গুণী, শিক্ষিত আৰু ভদ্ৰ ডেকা মানুহ বৰকৈ দেখা নাপাইছিলোঁ। তেখেতৰ চুলি আৰু মুখৰ সৌন্দৰ্য্যলৈ চাই থাকোতে কেতিয়াবা পঢ়াতেই মন নবহে। তেখেতৰ ভদ্ৰ ব্যৱহাৰৰ কথা মই কৈ ওৰ পেলাব নোৱাৰোঁ। ছাত্ৰৰ লগতো তেখেতৰ এই ভদ্ৰ ব্যৱহাৰ অটুট আছিল। সেই সময়ত তেখেতে আমাক দেশসেৱা, ত্যাগ, জ্ঞান উপাৰ্জ্জন আদিৰ কথা কয়। তেতিয়া আমি এইবোৰ কথা বৰকৈ নুবুজিছিলো। কামাখ্যাৰাম বৰুৱাৰ কথা এতিয়াও ভাবি সন্তোষ পাওঁ।"

আগতে কোৱা হৈছে মই জনাত ৺বৰুৱা এজন স্বধৰ্ম্মনিষ্ঠ, অথচ উদাৰ আৰু বহল মনৰ লোক আছিল। তেখেতে সন্তৱ সকলো ধৰ্ম্মৰ মূল পুথিবোৰ পঢ়ি তাৰ সাৰ-মৰ্ম্ম গ্ৰহণ কৰিছিল। বিভিন্ন ধৰ্ম্মমতবিলাকৰ স্থান, কাল, পাত্ৰ অনুসৰি ওপৰে ওপৰে কিছুমান বৈষম্য দেখিলেও আচল ধাৰ্ম্মিক লোকক সেইবিলাকে টলাব নোৱাৰে। পিছৰ কালছোৱাত বৰুৱাদেৱে তেখেতৰ বাৰীৰ আগফালে এটাভিত সৰু এটি ছমহলীয়া ঘৰ সজাই তাত লিখাপঢ়া কাম আৰু অতিথি অভ্যাগত সকলক সোধপোছ কৰা কাম কৰিছিল আৰু তাতে তেখেতে সৰহভাগ সময় কটাইছিল। তেখেতে ধৰ্ম্মকাৰ্য্যত ব্ৰতী সাধুসন্ন্যাসীসকলৰ সান্নিধ্য ভাল পাইছিল। মই তেখেতৰ ঘৰলৈ যাওঁতে কেবা বেলিও এদল সাধুসন্ন্যাসীক তেখেতৰ ওচৰত বহি

বহি নানা ধৰণৰ সমালোচনা কৰি থকা দেখিবলৈ পাইছিলোঁ। তেখেতে এনে দুই চাৰি সাধুৰ লগত মোক চিনাকি কৰিও দিছিল। এবাৰ পৃথিবীৰ ভালেমান ঠাইত ভ্ৰমণ কৰি অহা এজন 'ৰামকৃষ্ণ মিছনৰ' সন্ন্যাসীক লগ পাইছিলোঁ। সন্ন্যাসী আৰু তেখেতৰ লগত হোৱা কথাবাৰ্ত্তাবোৰ শুনি বৰ ভাল লাগিছিল। বৰুৱা ডাঙৰীয়াই নিজেও পুৱা উঠি গা-পা ধুই গোঁসাই ঘৰত সোমাই পূজাপাতল সন্ধ্যা-আহ্নিক কৰিছে খোৱা বোৱা কৰে। ঘৰত নথকা সময়তো আন ঠাইত থাকোঁতে তেখেতে সোনকালে গা-পা ধুই, সুবিধা মতে কোনো এঠাইত বহি উপাসনা কৰে আৰু ঘৰৰ কাঠীত অহা যোৱা কৰি স্তৱ স্তোত্ৰ আদি আবৃত্তি কৰে। তেখেতে ঘৰৰ ল'ৰাছোৱালীবিলাককো উপাসনা কৰিবলৈ উৎসাহ দিয়ে। গধূলি পুৱাৰ ঈশ্বৰ চিন্তা আৰু উপাসনা, অতিথি সৎকাৰ আৰু জ্ঞানচৰ্চ্চাই বৰুৱাদেৱৰ ঘৰখন গঠন কৰি ৰাখে। তেখেতৰ ঘৰত সোমালে, এজন ডাঙৰ খ্যাতনামা আইন ব্যবসায়ীৰ ঘৰত সোমোৱাতকৈ এখন আদৰ্শ আশ্ৰমতুল্য গৃহস্থালীত সোমোৱা যেন লাগে। বাৰীখনৰ নিয়মীয়াকৈ ৰোৱা গছগছনিবোৰৰ মাজত দেখিলেও তেখেতক এজন আশ্ৰমৰ ঋষিমুনি যেন লাগে। এনে ধৰণৰ আশ্ৰম আৰু ঋষিমুনিৰ বিবৰণ আমি মহাভাৰত, পুৰাণ আদিত পঢ়িবলৈ পাইছোঁ। সেই কাৰণেই তুলনামূলক ভাবে আশ্ৰমৰ কথাটো মনলৈ আহে। মই শুনিবলৈ পাইছোঁ, তেখেতে তৰ্কসভা, সঙ্গীত চৰ্চ্চা আদিৰ ব্যৱস্থাও ঘৰত ল'ৰাছোৱালীবিলাকৰ ভিতৰত কৰিছিল আৰু তেখেতে নিজেও সেইবিলাকত যোগ দিছিল। ল'ৰাছোৱালীবিলাকক ধৰ্ম্মানুষ্ঠানবিলাকত যোগ দিবলৈ তেখেতে অবাধে এৰি দিছিল।

দেশৰ, জাতিৰ, ধৰ্ম্মৰ, সমাজৰ সকলোবিলাকৰ ভৱিষ্যত নিৰ্ভৰ কৰে ল'ৰা-ছোৱালীবিলাকৰ ওপৰত। ল'ৰাছোৱালীবিলাকৰ উচিত শিক্ষাৰ নিমিত্তে ঘৰখনৰ পৰিবেশেই সকলোতকৈ ডাঙৰ বস্তু। ঘৰৰ উচিত পৰিবেশ, ল'ৰাছোৱালীৰ উচিত খাদ্য, উচিত শিক্ষা আদিত বিশেষ চকু দিয়াতো পিতৃ মাতৃৰ অপৰিহাৰ্য্য কৰ্ত্তব্য বুলি তেখেতে ভাবে আৰু তাৰ কাৰণে যত্ন কৰে। এই বিষয়ে তেখেতে উপদেশ দিব পৰাসকলক উপদেশ দিয়ে আৰু আনসকলৰ লগত আলোচনা কৰে। এইদৰে নিজৰ দেশ আৰু জাতিৰ কেনেকৈ উন্নতি হয় তাৰ কাৰণে কৰা তেখেতৰ চেষ্টা মনকৰিবলগীয়া।

তেখেত একেবাৰে সাত্ত্বিক ভাবৰ মানুহ। খোৱা বোৱাতো সাত্ত্বিক আছিল। তেখেতে কম আহাৰ কৰিছিল। কিন্তু পুষ্টিকৰ আহাৰৰ ব্যৱস্থা সদায় কৰিছিল। নতুন আৰু পুৰণি ধৰণৰ খাদ্য তেখেতে নিজেও খাইছিল আৰু ল'ৰাছোৱালীকো খুৱাইছিল। কোৱা শুনো তেখেতে তাক

খাই থাকোঁতে ল'ৰাছোৱালীকিটাক ওচৰত বহুৱাই লৈ বেলেগ বেলেগ খোৱাবস্তুৰ গুণাগুণৰ বিষয় কৈ থাকে। সাধাৰণতে আৰু আমাক নিমন্ত্ৰণ কৰোঁতেও দেখিছোঁ তেখেতৰ ঘৰত আলহী সদায় থাকেই। মজিয়াত প্ৰায়েই ভাগলেখিনি মানুহৰ সৈতে ভাত খাবলৈ তেখেতে ভাল পায়। দিনৰ বেলা কাম-কাজলৈ যাবলগীয়া কাৰণে সেইটো সুবিধা নাপায়। খোৱাবস্তুৰ ভিতৰত উৎকৃষ্ট গাখীৰ আৰু ফলমূল অপৰিহাৰ্য্য আছিল। দৈনিক যথেষ্ট পৰিমাণে গাখীৰ খাবলৈ লোককো উপদেশ দিয়ে, নিজেও বিশেষ যত্ন কৰি গৰু ৰাখি গাখীৰৰ ব্যৱস্থা কৰিছিল। ফলমূলৰ কাৰণেও তেখেতৰ চেষ্টা কম নহয়; য'তে ভাল ফলমূলৰ গছ পাই তাৰ পৰাই আনি ঘৰত কৰই লোৱাটো তেখেতৰ অভ্যাস। আমাৰ ভনী জোঁৱাই তামুলি ফুকনৰ ঘৰৰ ৺সোমনাথ ফুকনৰ লাহিঙৰ ঘৰত এখন ফলমূলৰ বাৰী (নাৰ্চাৰী) আছিল; নাম কমলা নাৰ্চাৰী। বৰুৱা ডাঙৰীয়াই ফুকনৰ লগত খেতিবাতিৰ বিষয়ত আলোচনা কৰিবলৈকে যোৰহাটলৈ গলেই নাৰ্চাৰীত ফুকনৰ লগ ধৰে। তেখেত কমলা নাৰ্চাৰীৰ পৰা ভালেমান ফলৰ ডালপুলি আনিছিল। আমাৰ ঘৰত 'আচন্দা' নামৰ এজোপা প্ৰখ্যাত আমগছ আছিল। আম একোটা আধাসেৰৰপৰা এসেৰলৈকে হয়। পকিলে দেখিবলৈ ধুনীয়া ফাকুৰ নিচিনা বৰণৰ হয়। বৰুৱা ডাঙৰীয়াই যোৰহাটলৈ আহোঁতে আমাৰ ঘৰলৈ গাড়ীতে গছত উঠিব পৰা মানুহ লৈ গৈ নিজে আগত থাকি সেই আমজোপাৰ কেবাটাও ডাল ধৰাই থৈ আহি এমাহ মানৰ মূৰত লৈ যায়। তেখেতে ধৰা ডালৰে এটা আমাৰ দেউতা ৺গোলাপ চন্দ্ৰ বৰুৱাকো দি আহিছিল। তেখেতে অনা ডালটো গুৱাহাটীৰ তেখেতৰ বাৰীত কলেহি। সেই গছজোপা আছে বুলি শুনিছিলোঁ। দুখৰ বিষয় বছৰচেৰেকৰ আগতে আমাৰ ঘৰৰ সেই বৃহৎ আচন্দা আমজোপা উঘলি পৰি মৰি থাকিল। বৰুৱাদেৱে যিটো ডাল দেউতাক দিছিল, সেইটোও কোনোবাই চাপৰ হাবি কাটোঁতে কাটি পেলালে। আমাৰ ঘৰত সেই প্ৰাচীন আমজোপাৰ নঁচ একেবাৰে মৰিল। বৰুৱা ডাঙৰীয়াৰ ঘৰত আমাৰ ঘৰৰপৰা নিয়া ডালটোৰ গছজোপা যদি এতিয়াও আছে, তাৰ পৰাই এটা ডাল ধৰি আনি কৰৰ ইচ্ছাটো সদায় মনতেইহে আছে।

বৰুৱাদেৱৰ এটা বিশেষত্ব আছিল। গৰু পুহি, গাখীৰ খাই, ফলমূলৰ গছ কৰই ফলমূল খায়েই তেখেত সন্তুষ্ট নহয়। বৈজ্ঞানিক উপায়ে বা আমাৰ চলিত ৰীতিৰে এইবিলাক পৰিচৰ্য্যা কৰি, কেনেকৈ ইয়াৰ উন্নতি সাধন কৰিব পাৰি তাক তেখেতে গভীৰ ভাবে অধ্যয়ন কৰিবলৈ ভাল পাইছিল। চাহশিল্পৰ বিষয়েও তেখেতে তন্ন তন্ন কৈ শিকিবলৈ চেষ্টা কৰাৰ কথা আমি জানো। তেখেতে বিমানযোগ

কথা শিকিবলৈ বিচাৰে আৰু জানিবলৈ বিচাৰে, আমি ওচৰত থকাবিলাকক গুণি আমনি লাগে।

ধনেই ধৰ্ম্মৰ মূল; এই কথাটো তেখেতে গভীৰভাৱে উপলব্ধি কৰিছিল। এই বিষয়ৰ গুৰুত্বটো কথা আৰু আদৰ্শৰে বুজাবলগীয়া সকলক বুজাবলৈ পালে ভাল পাইছিল। ইংৰাজে দেশ দখল কৰিবৰ পৰাই অসমত চাহৰ শিল্পই প্ৰাধান্য লাভ কৰিলে। হেজাৰ হেজাৰ পুৰা মাটিত হাবি কাটি ইংৰাজসকলে চাহ খেতি কৰিবলৈ ধৰিলে। এই খেতিয়কসকলে অজস্ৰ টকা বিদেশলৈ নিয়ে, কিন্তু যাৰ দেশৰ বস্তু, তেওঁবিলাকে অকল কেৰেণী মহৰী হৈয়েই সন্তোষ লাভ কৰে। বিশেষকৈ উজনি অসমৰ বৰ্ত্তমানৰ চকুত লগা পৰিয়ালবিলাকৰ সৰহভাগৰে কৰ্ম্মানুষ্ঠানৰ ক্ষেত্ৰ এই বাগিছাবিলাকেই। অসমৰ নিজৰ ৰজা ভগাৰ পাছত, ছেদেলি ভেদেলি হৈ যোৱা বহুত পৰিয়ালে জিপ লবলৈ সুবিধা পালে। বৰুৱা ডাঙৰীয়াই এনেহেন চাহশিল্পত অসমীয়া মানুহে প্ৰাধান্য বিস্তাৰ কৰাত গুৰুত্ব দিবলগীয়া কথাটো বৰকৈ উপলব্ধি কৰিছিল। গুৱাহাটীৰ কেবাজন দূৰদৰ্শী লোকৰ সৈতে গোটখাই চাহবাগিছা খোলাত তেখেতে আগভাগ লৈ ইয়াৰ গুৰি ধৰে। তেখেতৰ ত্যাগ আৰু বিশেষ যত্নত উজনিৰ বাহাদুৰ চাহবাগিছাখন চকুত লগা হৈ উঠে। বাহাদুৰ চাহ শিল্পৰ অনুষ্ঠানটো অসমৰ এটা ডাঙৰ চাহ শিল্পানুষ্ঠানত পৰিণত হৈছে।

আগত কৈ অহা দৰেই বৰুৱাদেৱ সম্পূৰ্ণ নৈতিক পুৰুষ আছিল। তেখেতে ঠগ-প্ৰবঞ্চনাৰ কথা নেজানিছিল। লোকৰ পৰা এটা পইচা অন্যায়কৈ বেছিকৈ লোৱাতকৈ এপইচা বেছিকৈ দিহে ভাল পাইছিল। তেখেতৰ ঘৰত কাম বন কৰা বন্দুৱাসকলৰ প্ৰতি তেখেত মৰমিয়াল আছিল। বন্দুৱাবিলাকে তেখেতৰ মৰম, সজব্যৱহাৰ আৰু সহানুভূতিৰ কথা লোকৰ আগত কৈ ভাল পায়। বন্দুৱা-বিলাকৰ বিয়া বাৰু, সকাম নিকাম, পূজাপাৰ্ব্বণ আদিত উপকাৰকৈ সহায় কৰাটো তেখেতে কৰ্ত্তব্য বুলি ভাবিছিল। বন্দুৱাৰ বাহিৰেও আন দুখীয়া মানুহক তেখেতে মুকলি হাতেৰে সহায় কৰিছিল। আপোন মানুহৰ বিপদ আপদত, যেনেধৰে পাৰে সহায় সহানুভূতিৰে ওচৰ চপাত তেখেত সদায় সজাগ আছিল। নিজৰ চিনিৰ কুটুম আপোন মানুহৰ ঘৰত চলিত পূজাপাৰ্ব্বণ আদি নিয়মমতে পালন কৰাত উৎসাহ দি চিঠিপত্ৰ লিখিছিল। ল'ৰাছোৱালীৰ শাস্ত্ৰসম্মত সংস্কাৰবিলাক ঠিক সময়মতে হোৱাটো তেখেতে বিচাৰিছিল। ইয়াৰ পৰা স্বাস্থ্য আৰু সামাজিক শৃঙ্খলা ৰক্ষাত যথেষ্ট সহায় হয় বুলি বৰুৱাদেৱে ভাবিছিল।

সকলোবিলাক গুণৰ ওপৰত বৰুৱাদেৱ এজন বিদ্বান জ্ঞানপিপাসু লোক

আছিল। আইন ব্যৱসায়ৰ কাৰণে যথেষ্ট চৰ্চ্চা কৰাৰ উপৰিও তেখেতে বেদ-বেদান্ত, পুৰাণ-ভাগৱত, গীতা-উপনিষদ, কৃষিবিজ্ঞান, বুৰঞ্জী, আভিযান্ত্রিক বিজ্ঞান, ভাষাসাহিত্য, ডাক্তৰী, কবিৰাজী আদি চিকিৎসাবিজ্ঞান জ্যোতিষ, খাদ্যবিজ্ঞান, দৰ্শন আদি অনেক বিষয়ৰ বহুমুখী জ্ঞান তেখেতে আয়ত্ব কৰিছিল। ইমানবিলাক কৰিও তেখেতে ঠিক সময়তে চিঠিপত্ৰৰ উত্তৰ দিবলৈয়ো সময় উলিয়াব পাৰিছিল। ইংৰাজী, অসমীয়া, বঙ্গলা, সংস্কৃত ভাষা তেখেতে ভালকৈ জানিছিল। তেখেতৰ-লগত অনেকদিন থাকিবলৈ অহা সাধুসন্ন্যাসীৰ লগত ভালকৈ হিন্দীৰে কথাবাৰ্ত্তা হব পাৰিছিল। গধুলি-পুৱা স্তৱ-স্তোত্ৰ আবৃত্তি কৰাৰ উপৰিও, গুণ গুণ কৈ ৰবীন্দ্ৰসঙ্গীত গাই ভাল পাইছিল। ৰেলে জাহাজে বা গাড়ীৰে যাওঁতেও মাজে মাজে সময় উলিয়াই, সময়মতে দিবলগীয়া আৱশ্যকীয় চিঠি পত্ৰৰ উত্তৰ দিছিল।

তেখেতে মফচললৈ যাওঁতে বা বাগিছা আদিলৈ যাওঁতে লগত সম্পূৰ্ণ সাজ সৰঞ্জাম লৈ যায়। সেই বিলাকৰ লগত ঔষধ পাতি, বেজী, সূতা, ছুৰী, কেচা, আঠা, কাগজ, বুটাম, চাবোন আদি সকলো থাকে। ডাকঘৰ য'তে ত'তে পায় যদিও তেখেতে ডাকপখিলীৰ আৱশ্যকীয় বস্তু অলপ নহয় অলপ লগতে ৰাখে। বিষয়ববীয়া হিচাবে ৰাজকাৰ্য্যত মফচললৈ যাওঁতে সকলো আৱশ্যকীয় বস্তু লৈ যায়েই। অতি আপোন মানুহ জীয়েক জোৱায়েকৰ ঘৰলৈ যাওঁতেও নিজৰ সকলো সাজ সৰঞ্জাম লৈ যায়, এনে ভাবে যায় আলহীক সুধিব নালাগে, আলহীয়েহে সুধিব পাৰে।

সকলো উৎকৃষ্টতা তেখেতে ভাল পাইছিল। মফচলত ফুৰোঁতে বা আপোন মানুহৰ ঘৰলৈ যাওঁতে নতুন ধৰণৰে ধুনীয়াকৈ সজা ঘৰ দেখিলে, তেখেতে সুবিধা কৰি নিজে সেই ঘৰৰ নক্সা আঁকি লৈ অহা দেখা গৈছিল। এনে ধৰণে ঘৰৰ আঁচনি কৰা 'নক্সা' অঁকা বিদ্যাতো তেখেত পাকৈত আছিল।

আপোন মানুহৰ ঘৰলৈ গলে, ঘৰৰ ল'ৰাছোৱালী, জীয়ৰীবোৱাৰী সকলোকে মাতি বুলি কোনে ক'ত কি কৰে, কেনেকৈ থাকে আদি সকলো আতিগুৰি লয়। যতদূৰ সম্ভৱ সকলোৰে ঠিকনা পৰ্য্যন্ত টুকি লয়। আমাৰ নিজৰ ঘৰৰ বাৎসৰিক সকাম নিকাম, বিয়াবাৰু আদিলৈ নিমন্ত্ৰণ কৰি চিঠি দিলে, তেখেতে তাৰ উত্তৰত কিহলৈ নিমন্ত্ৰণ কৰা যায়, তাৰ বিষয়ে কবলগীয়া কথা আৰু আৱশ্যকীয় উপদেশ দি চিঠি নিদিয়াকৈ নাথাকে। এনে আপোন মানুহৰ ভিতৰত পাত্ৰ বুজি উচ্চ পৰ্য্যায়ৰ আলোচনা কৰি সময় কটাবলৈ ভাল পায়। হিন্দুদৰ্শনৰ কথা ওলালে, তেখেতৰ পৰা বহুত কথা শিকিব পৰা যায়।

তেখেত মহাত্মাগান্ধীৰ অসহযোগ আন্দোলনত যোগ দিছিল। কংগ্ৰেছৰ কাম কৰিছিল। দেশভক্ত ফুকন ডাঙৰীয়াৰ লগত স্বৰাজ দলত যোগ দিছিল নে নাই, মই নাজানোঁ। আগতে কৈ অহা হৈছে তেখেতে সকলো ধৰণৰ সাধু-সন্ন্যাসীৰ লগতে ধৰ্ম্মালোচনা কৰিছিল, সকলোকে শ্ৰদ্ধাৰে নিজৰ ঘৰত অতিথি ৰূপে ৰাখিছিল, কিন্তু তেখেতে কোনো বিশেষ সম্প্ৰদায়ৰ আনুগত্য নাৰাখিছিল। সকলোৰে নিজৰ মতক শ্ৰদ্ধাহে কৰিছিল।

তেখেত ন্যায়াধীশৰূপে অনেকবাৰ বেলেগ বেলেগ বিচাৰৰ বাবে যোৰহাটলৈ আহে। যোৰহাটত তেখেত 'চাৰ্কিট হাউচত' থাকে। গধুলি সদায় আপোন মানুহৰ ঘৰলৈ ফুৰিবলৈ আহে। এইদৰে আহোতে তেখেতে ধুতি চাদৰ পিন্ধি ওলায়। দুখীয়া চহকী নিৰ্ব্বিশেষে সকলোৰে ঘৰত দেখা দিয়ে। যোৰহাটত থকা আমাৰ দদাইদেউ ৺বিষ্ণু চন্দ্ৰ বৰুৱা এম-এ, বি-এল, দেৱৰ ঘৰতে বেচি সময় বহি নানা ধৰণৰ আলোচনা কৰি দুয়ো ওলাই যায়। বৰুৱা ডাঙৰীয়াৰ তেখেতৰ লগত বিশেষ বন্ধুত্ব আছিল। এই বন্ধুত্ব শ্ৰীমান নগেনৰ লগত ঘটা সম্বন্ধৰ বাবেই নহয়, আগৰে পৰাই আছিল। তেখেত ন্যায়াধীশ হিচাবে মণিপুৰতো আছিল। তাত থাকোঁতে তেখেতে মোক কেবা বেলিও তালৈ মাতিছিল ; দুৰ্ভাগ্যবশতঃ যাব নোৱাৰিলোঁ। মোক তেখেতে বিশেষ ভাবে মৰম কৰাৰ কাৰণেই এইদৰে মাতে। ময়ো তেখেতৰ লগত অলপ কথা পাতিবলৈ পালেই বহুত কথা শিকা যেন লাগে।

তেখেত কেবা বছৰো বাত বেমাৰত ভুগিছিল। অসীম ধৈৰ্য্যৰে নিয়মীয়া আহাৰ বিহাৰ কৰি চলিছিল। নিয়মমতে ঔষধ পাতিৰো ব্যৱস্থা কৰিছিল। তেখেতৰ অসুখ বেছি হোৱা অৱস্থাত, তেখেত প্ৰায় বিচনাতে থাকিবলগীয়া হৈছিল। এই অৱস্থাত তেখেতক মই দুবাৰ দেখা কৰিছিলোঁ। তেখেতে মৃত্যুৰ আগত সংসাৰত কৰিবলগীয়া প্ৰায় সকলো কামকে কৰি শেষ কৰিলে। তেখেতে এখন সুন্দৰ সংসাৰ এৰি থৈ গৈছে।

বৰুৱা ডাঙৰীয়াৰ বিষয়ে, এই প্ৰৱন্ধত যিখিনি লিখা হ'ল সেইখিনি মই নিজে তেখেতৰ সান্নিধ্য লাভ কৰি জনা আৰু তেখেতৰ অতি আপোনজনৰ পৰা জানি লিখা। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ তেখেতৰ বন্ধুবান্ধৱ অলেখ। সেই সকলৰ বহুতক মই চিনি পাওঁ। তেখেত সকলৰ পৰাও মই ভালেখিনি কথা জানিবলৈ পাওঁ। এই প্ৰৱন্ধ লিখাৰ উদ্দেশ্যেই নহয় আগতেই তেখেতৰ বিষয়ে মোৰ জনাৰ একান্ত আগ্ৰহ আছিল। অসমৰ বাহিৰতো তেখেতৰ বহুত বন্ধুবান্ধৱ আছিল। মই জনাত বিজ্ঞানাচাৰ্য্য ৺জগদীশ বসুৰ সহকৰ্ম্মী নৰেন সেনৰ ঘৰখন

তেখেতৰ নিজৰ ঘৰ যেন আছিল। বৰুৱা ডাঙৰীয়াৰ পিতৃ ৺কালীৰাম বৰুৱাৰ দিনৰ পৰাই এই ঘৰ লোকৰ সৈতে তেখেত সকলৰ বন্ধুত্ব ঘটে। বৰুৱা ডাঙৰীয়াৰ জীয়েক জোঁৱায়েক নাতিনিয়েক আদিয়ে এতিয়াও কলিকতাৰ ঘৰত আপোন মানুহৰ ঘৰত থকা দৰে থাকিবলৈ পায় আৰু আদৰ আশ্বাস পায়। নৰেন সেনগুপ্ত অলপতে ৮১ বছৰ বয়সত পৰলোক হ'ল বুলি শুনিছোঁ। তেখেতৰ পুত্ৰ শ্ৰীঅনিল সেনগুপ্তৰ লগত বংশানুক্ৰমিক আত্মীয়তা এতিয়াও চলি আছে।

বৰুৱাদেৱে আনকো নিজৰ দৰেই ভাবি অনেক সময়ত ঠগ খাই বিপদত পৰাৰ কথাও শুনো। তেখেতৰ স্বভাব চৰিত্ৰৰ লগত নিমিলা কোনোলোকে তেখেতক যে বেয়া নেপায়, সিও নহয়, কিন্তু সকলো সময়তে বৰুৱাদেৱৰ ধৈৰ্য্য অসীম।

হিন্দু পৰম্পৰাৰ ৰক্ষক—৺কামাখ্যাৰাম বৰুৱা

শ্ৰীৰাধিকা মোহন গোস্বামী
অধিবক্তা, নগাওঁ (অসম)

বস্তুবাদী, ভোগমুখী আদর্শ বাস্তৱ কৰিবলৈ যাওঁতেই সাধাৰণতে মনুষ্য জাতিয়ে মনুষ্য জীৱনৰ চকুৰে নেদেখা আধ্যাত্মিক দিশটোৰ কথা পাহৰি যায়। মানুহ দেহ নহয়, আত্মা মাত্র। এই সত্য উপলব্ধি কৰাইহে হ'ল মনুষ্য জীৱনৰ চৰম লক্ষ্য। কিন্তু সৰ্ব্বসাধাৰণ মানুহে এই সত্য নেদেখে কাৰণেই শান্তি বিচাৰি বিষয় বৈভৱৰ পিছে পিছে নিজকে ধাবিত কৰি গোটেই জীৱনেই অশান্তিময় কৰি তোলে। এইটো অকল ব্যক্তিগত জীৱনতেই যে হয়, এনে নহয়, সমূহীয়া জীৱনটো এনে এটা অৱস্থা আমি দেখিবলৈ পাওঁ।

ভাৰতৰ তথা হিন্দু সভ্যতা সংস্কৃতিৰ মূল লক্ষ্য আছিল প্ৰত্যেক মনুষ্যকে আত্মোপলব্ধি কৰিবলৈ শিক্ষা দিয়া। ব্যৱহাৰিক বা জাগতিক জীৱনযাত্ৰা এই পথত সহায়ক মাত্র। কিন্তু বাস্তৱত আধ্যাত্মিক উন্নতিৰ কাৰণে গ্ৰহণ কৰা ব্যৱহাৰিক উপায়েই জীৱনৰ লক্ষ্য হৈ পৰাত সকলো জাগতিক ক্ৰমোন্নতি সত্ত্বেও মনুষ্য জাতিৰ মাজত আজিও এখন সুসভ্য, সংস্কৃত সমাজ গঢ়ি নুঠিল। ভাৰতীয় সভ্যতা সংস্কৃতিৰ লক্ষ্য আছিল বহিৰ্মুখী মনটোক অন্তৰ্মুখী কৰা—অৰ্থাৎ বাহ্য জগতৰ সকলো লোভ, মোহ, কামনা, বাসনা আধ্যাত্মিক শক্তিৰে নিয়ন্ত্রিত কৰা।

গুণী পুৰুষৰ সান্নিধ্য লাভ কৰাও সৌভাগ্যৰ কথা। অতীত ভাৰতত প্ৰত্যেকজন ঋষি, মুনি, সাধু-সন্ন্যাসীয়ে আধুনিক সমাজৰ শিক্ষালয়বোৰৰ কাম তেওঁলোকৰ ব্যক্তিগত জীৱনৰ মাজেদিয়েই কৰি আহিছিল আৰু তেওঁলোকৰ জীৱনাদর্শই যি প্ৰভাৱ বিস্তাৰ কৰিছিল তাৰ ফলতেই হাজাৰ হাজাৰ বছৰৰ আগতেই সু-সভ্য, সু-সংস্কৃত ভাৰতবৰ্ষ গঢ়ি উঠা সম্ভৱ হৈছিল। এই মনীষীসকলে অকল কথাৰেই নহয় নিজৰ আচৰণেৰে প্ৰত্যেকৰ হৃদয় স্পৰ্শ কৰিবলৈ চেষ্টা কৰিছিল আৰু কৃতকাৰ্য্যও হৈছিল। আজিৰ সমাজত আচৰণ আৰু কথাৰ মাজত সামঞ্জস্য ৰাখিব পৰা লোক বিৰল। এনে এটা অৱস্থাত আমাৰ সমাজত এনে সামঞ্জস্য ৰাখিবলৈ চেষ্টা কৰা যি দুই এগৰাকী ব্যক্তি আছে তেখেত সকলক স্মৰণ কৰাৰ প্ৰয়োজন যে আছে সেই কথা বোধহয় সকলোৱে স্বীকাৰ কৰিব।

কামাখ্যাৰাম বৰুৱা আমাৰ সমাজৰ এনে এগৰাকী পুৰুষ বুলিয়েই মোৰ বিশ্বাস। মোৰ জীৱনত আমাৰ সমাজৰ যি কেই গৰাকী লোকৰ সান্নিধ্য লাভ

কৰাৰ সৌভাগ্য হৈছিল তেওঁলোকৰ ভিতৰত ৺বৰুৱা ডাঙৰীয়াও এজন। আজি তেখেত নাই। কিন্তু তেখেতৰ স্মৃতি অন্তৰত আজিও সজীৱ হৈ আছে।

বৰুৱা ডাঙৰীয়াৰ নাম সৰুৰে পৰা শুনিছিলোঁ। গুৱাহাটীৰ উকীল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰি ওকালতি ব্যৱসায় পৰিত্যাগ কৰিছিল। তাৰ পাছত অসম ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচিত সভ্য হৈছিল। ইয়াৰ বাহিৰে তেওঁৰ বিষয়ে তেতিয়া বিশেষ একো জনা নাছিলোঁ। ১৯২৫ চনত কটন কলেজত ভৰ্ত্তি হবলৈ আহি গুৱাহাটী পালোহি। তেখেতক লগ পোৱাৰ সুবিধা কেতিয়াবা কেতিয়াবা হৈছিল। গুৱাহাটীৰ ডাঙৰ উকীল। ধীৰ, স্থিৰ, গহীন, গম্ভীৰ। গৌৰ বৰ্ণৰ দীৰ্ঘাকৃতিৰ দেহ, মুখত চুটিকৈ ৰখোৱা দাড়িগোঁফ। তীব্ৰ এজোৰ চকু, মিঠা এটা মাত, আকৰ্ষণীয় আচাৰ ব্যৱহাৰ। কথা-বতৰাত উত্তেজনা নাছিল। প্ৰত্যেকটো কথাৰ উত্তৰ ধৈৰ্য্য আৰু সংযমেৰেই দিছিল। আইনৰ কিতাপ পঢ়িয়েই ক্ষান্ত নাছিল, পঢ়িবলগীয়া আৱশ্যকীয় আন আন কিতাপ-পত্ৰও নিয়মিত ভাবেই পঢ়াৰ অভ্যাস আছিল।

১৯৩৪ চনৰ পিচৰে পৰা বৰুৱাদেৱৰ লগত ঘনিষ্ঠতা বাঢ়ি উঠিল আৰু তেখেতক ঘনাই লগ পোৱাৰ সুবিধাও হ'ল। আত্মবিশ্বাসী, স্বাভিমানী বৰুৱা ডাঙৰীয়াই ওকালতিৰ বাহিৰেও চাহবাগানৰ এজন স্বত্বাধিকাৰী হিচাবে যথেষ্ট অৰ্থোপাৰ্জ্জন কৰিছিল। কিন্তু যথেষ্ট অৰ্থ হাতলৈ অহা সত্ত্বেও তেখেতে ঘৰখনত পশ্চিমৰ ব্যয়বহুল বিলাস প্ৰৱেশ কৰিবলৈ দিয়া নাছিল। যিখিনিৰ প্ৰয়োজন সেইখিনিহে কৰিছিল। এখন হিন্দু গৃহস্থীত যিবোৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ থকা উচিত সকলোবোৰেই তেখেতে ৰক্ষা কৰি আহিছিল। ইয়াৰ দ্বাৰা আমি এইটো কোৱা নাই যে বৰুৱা ডাঙৰীয়া সকলো পৰিবৰ্ত্তনৰে বিৰোধী আছিল। নিজে বিষয়-বৈভৱৰ মাজত থাকিও সাধাৰণ এটা জীৱন যাপন কৰিছিল। হিন্দু গৃহস্থৰ ঘৰৰ সকলো পূজা-পাৰ্ব্বণ নিজে পালন কৰিছিল। আলহীৰ প্ৰতি তেখেতৰ অন্তৰৰ সেৱাৰ ভাব কোনোদিনেই হ্ৰাস হোৱা নাছিল। মই জনাত বহুত দুখীয়া ছাত্ৰক কাৰোবাক খাবলৈ দি, কাৰোবাক পইছা দি সহায় কৰিছিল। আত্মীয় আৰু পৰিচিত জনৰ সুখেদুখে খবৰ বাতৰি কৰিবলৈ কোনোদিনেই তেখেতৰ সময়ৰ অভাব হোৱা নাছিল।

ৰাজনীতিত সক্ৰিয় ভাবে তেখেতে যোগ দিবলৈ এৰি দিলে। কিন্তু ভাৰতীয় ৰাজনীতি সম্পৰ্কে আৱশ্যকীয় সকলো সংবাদ তেখেতৰ আঙুলীৰ মূৰত আছিল। নিজৰ সুকীয়া ৰাজনৈতিক মত এটা আছিল। গান্ধীজীৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আছিল। কিন্তু কংগ্ৰেছ অনুষ্ঠানৰ লগত মতানৈক্য ঘটাত ১৯৩৬ চনত তৰুণৰাম

ফুকনৰ নেতৃত্বত স্থাপন হোৱা "ইউনাইটেড পিপল্‌চ পাৰ্টিৰ" লগত তেখেতৰ সম্পৰ্ক ঘটে আৰু এই দলৰ মুখপত্ৰত মাজে সময়ে সম্পাদকীয় আৰু আন আন প্ৰবন্ধ-পাতি লিখিছিল।

ইংৰাজী ৩৯।৪০ৰ ভিতৰত তেখেতক অসম চৰকাৰে চাব-জজৰ পদ দিয়ে। বন্ধুবান্ধৱৰ পৰামৰ্শ ক্ৰমেই সেই পদ তেখেতে গ্ৰহণ কৰে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰত্যেকখন সদৰ ঠাইলৈকে যাব লগা হৈছিল। নগাওঁলৈকো প্ৰায়ে আহিছিল। প্ৰত্যেকবাৰেই প্ৰায় প্ৰতিদিন লগ পাইছিলোঁ হয় আমাৰ ঘৰত, নহয় চাৰ্কিট হাউছত। সকলো কথা বতৰাৰ আৰু আলোচনাৰ মাজেদি বৰুৱা ডাঙৰীয়াৰ অন্তৰখন দেখি শ্ৰদ্ধাত শিৰ নত হৈ পৰিছিল। দেখা হলেই নানা কথা প্ৰশ্ন কৰে। ন-ন কিতাপ-পত্ৰৰ কথা কয়। এদিন মোক জোৰাদৰ এখন কিতাপ দিলে। নগাওঁ এৰাৰ আগতে কিতাপখন ফিৰাই দিবলৈ যাওতে মোক কিতাপখনৰ সম্পৰ্কে কিবা কিবি প্ৰশ্ন কৰিলে—মই উত্তৰ দিব নোৱাৰি লাজ পালো। এদিন মই এগৰাকী আমেৰিকাৰ মহিলাই লিখা "Road to Success" নামৰ কিতাপ-খনৰ বৰ প্ৰশংসা কৰি তেখেতক পঢ়িবলৈ দিলোঁ। কেইদিনমানৰ পিছত মোক কলে যে সেই কিতাপখনত 'যোগৰ' সম্পৰ্কে যিখিনি কথা কবলৈ গৈছে—ভাৰতীয় "যোগশাস্ত্ৰ' তাৰ বহুত ওপৰত। আৰু সেইদিনা তেখেতে পাতঞ্জলকে আৰম্ভ কৰি যোগশাস্ত্ৰ সম্পৰ্কে যিবোৰ কথা আলোচনা কৰিলে তাৰ পৰা হিন্দু সভ্যতা সংস্কৃতিৰ লগত তেখেতৰ কিমান গভীৰ পৰিচয় সেই কথা বুজিলোঁ।

হিন্দু পৰম্পৰাৰ প্ৰতি তেখেতৰ বিশ্বাস আৰু শ্ৰদ্ধাৰ এটা উদাহৰণ দিবলৈ ইয়াত মই আগবাঢ়িলোঁ। চাৰ্কিট হাউছত সাধাৰণতে ওপৰ খাপৰ বিষয়া সকলেই থাকেহি। আৰু তেওঁলোকৰ সৰহখিনিৰে চালচলন আধুনিক বুলিলে ভুল নহব। এদিন নগাৱঁৰ চাৰ্কিট হাউছত তেখেতৰ কোঠালিত বহি তেখেতৰ সৈতে কথা পাতি থাকোঁতে চাপ্ৰাচীটো পানী এঘটি লৈ ভিতৰলৈ সোমাই আহিল আৰু এডোখৰ ঠাই শুন্দৰকৈ মচি এখন আসন পাৰি দিলে। তাৰ পিছতেই ৰান্ধনী বামুনজনে কাঁহী আৰু বাটিত ভাত আঞ্জা থলেহি। মোক বহিবলৈ দি কাপোৰকানি সলাই গাত এখন গামোছা লৈ তেখেত আহাৰত বহিল। চাৰ্কিট হাউছৰ 'দাইনিং টেবিলত' চকীত বহি ধকধকীয়া চীনামাটিৰ থালত আহাৰ নকৰি এইদৰে আহাৰ গ্ৰহণ কৰা দৃশ্য বহুতৰ কাৰণে আজিৰ যুগত নিশ্চয় অশোভনীয় যেন লাগিব পাৰে, কিন্তু বৰুৱা ডাঙৰীয়াৰ অন্তৰত আত্মবিশ্বাসৰ যিটো সৎসাহস মই দেখিলোঁ তাৰ পৰা মই নিজে আমাৰ অতীতৰ সদাচাৰবোৰৰ প্ৰতি শ্ৰদ্ধাবান হবলৈ প্ৰেৰণা পালোঁ। এইখিনিতে আৰু এটা কথা মনত পৰিছে। নকৈ নোৱাৰিলোঁ। এদিন গধূলি

মোক লগত লৈ তেখেত ফুৰিবলৈ গৈছিল। বতৰ ভাৱৰ। বৰষুণ আহিব বুলি ভবা নাছিলোঁ। ৰাতি ৮ মান বাজিছিল। আমি চাৰ্কিট হাউছৰ পৰা আধা কাৰ্লং মান দূৰৈত আছিলোঁ। হঠাতে হুৰহুৰ কৈ বৰষুণ আহিল। বাহিৰত কোনো মানুহ দুনুহ নাছিল। মোক কলে "দৌৰোঁ বলা! নহলে তিতিম।" মই একো ঠিক কৰিব নৌ-পাৰোতেই বৰুৱা ডাঙৰীয়া লৰি চাৰ্কিট হাউছলৈ গ'ল। অগত্যা ময়ো লৰিব লগা হ'ল। তেওঁ মোতকৈ আগতেই চাৰ্কিট হাউছ পালেগৈ। ফোপাই-জোপাই মই বাৰাণ্ডাত থিয় দিলোগৈ। মোক দেখিয়েই কলে—"তিতিলা নেকি?" লক্ষ্য কৰিলো মোৰ নিচিনাকৈ তেখেত ফোপাব লগা নহৈছিল। ঘটনা ক্ষুদ্ৰ। কিন্তু ইয়াৰ পৰা তেখেতৰ দৃঢ় বিশ্বাস, আত্মনিৰ্ভৰশীলতা কিমান আছিল তাকেই বুজিলোঁ।

১৯৫৪ চন। সদৌ অসম তৰুণীসংঘৰ নগাৱঁত অনুষ্ঠিত বাৰ্ষিক অধিবেশনত সভাপতি হবলৈ আহি বৰুৱা ডাঙৰীয়া আমাৰ ঘৰত আছিল। ডিছেম্বৰ মাহ। সভাৰ পিচদিনা পুৱা সাত বজাৰ বাছত যোৰহাটলৈ যাব। ৰাতি শোওঁতে ভালেখিনি নিশা হৈছিল। কিন্তু পিচদিনা পুৱা তেখেত পাঁচোটা বজাতে বিচনা এৰি গৃহস্থলৈ অপেক্ষা নকৰি কলৰপৰা পানী তুলি ঠাণ্ডা পানীৰেই স্নানাদি কাৰ্য্য শেষ কৰি তিতা গামোছাখন কান্ধত লৈ উদং গাৰে গোঁসাই ঘৰত সন্ধ্যা বন্দনা শেষ কৰি বাছ ধৰিবলৈ ৬-৩০ বজাত আমাৰ ঘৰৰ পৰা গ'ল। ঘটনাটো ক্ষুদ্ৰ। কিন্তু ৭০ বছৰীয়া বয়সৰ এগৰাকী মানুহৰ এনে আচৰণ অকল অনুকৰণীয়েই নহয় ই প্ৰশংসনীয়ও।

সেই সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত এজন ডিষ্ট্ৰিকট্ জজ্, এজন এডিশ্যনেল ডিষ্ট্ৰিকট্ জজ্ আৰু দুজন চাবজজ্ আছিল। আজিৰ দৰে জিলাই জিলাই জজ্ চাবজজ্ নাছিল। চাবজজৰ কাম খুব বেচি। সকলো কামৰ মাজেদি বৰুৱা ডাঙৰীয়াই সমাজৰ কথা চিন্তা কৰিবলৈ পাহৰা নাছিল। তেখেতৰ দৃষ্টি সদায় ক্ষয়িষ্ণু অসংগঠিত আৰু আত্মকলহত জৰ্জ্জৰিত হিন্দু সমাজৰ ওপৰত আছিল। সকলো কথাবতৰাৰ মাজেদি তেখেতৰ মনৰ মাজত লুকাই থকা এই চিন্তাটো প্ৰকাশ পাইছিল। আৰু যথাসাধ্যে ব্যক্তিগত ভাবে সমাজৰ কাৰণে যিখিনি পাৰে তেখেতে কৰি গৈছিল, কিন্তু ইয়াৰ দ্বাৰা তৃপ্তি পোৱা নাছিল।

অসমত হিন্দু মহাসভা স্থাপিত হ'ল। ইয়াৰ মাধ্যমত সমাজসেৱাৰ সুবিধা বৰুৱাদেৱে দেখিবলৈ পালে। এই সময়ত হিন্দু মহাসভা সামাজিক আৰু সাংস্কৃতিক এটা অনুষ্ঠান আছিল। আৰু সেই কাৰণেই কংগ্ৰেছৰ মানুহেও ইয়াত যোগ দিব পাৰিছিল। পণ্ডিত মদনমোহন মালবীয় হিন্দু মহাসভাৰ এজন প্ৰধান পৃষ্ঠপোষক

আছিল। ইং ১৯২৭ চনৰ জুন কি জুলাই মাহত নগাওঁ চহৰত নাগপুৰৰ ডাঃ বি, এচ, মুঞ্জেৰ সভাপতিত্বত প্ৰাদেশিক হিন্দু মহাসভাৰ প্ৰথম অধিবেশন বহে। অসমৰ গণ্যমান্য সকলৰ ভিতৰত—৺তৰুণৰাম ফুকন, গড়মূৰীয়া সত্ৰাধিকাৰ ৺পীতাম্বৰ দেৱ গোস্বামী, হিন্দু মিছনৰ স্বামী সত্যানন্দ প্ৰভৃতি উপস্থিত আছিল। এই সভালৈ ৺বৰুৱা ডাঙৰীয়াও মোৰ যিমান দূৰ মনত পৰে আহিছিল। তেতিয়া আমি কলেজৰ ছাত্ৰ। ইয়াৰ পিছত ১৯৩৫ চনৰ ডিচেম্বৰ মাহত নগাৱঁৰ কলঙৰ বালিত প্ৰাদেশিক হিন্দু মহাসভাৰ তৃতীয় অধিবেশন বহে। ইয়াৰো সভাপতি আছিল ডাঃ মুঞ্জে। এই সভাত স্বৰ্গীয় বৰুৱা উপস্থিত আছিল আৰু সভাৰ কাৰ্য্যত ভাগ লৈছিল। এই সময়ত নগাৱঁৰ বৃন্দাবন চন্দ্ৰ গোস্বামী, বিদ্যাধৰ বৰুৱা; চন্দ্ৰ বৰঠাকুৰ, সত্যহাস গোস্বামী, বাবু সতীশ সিংহ, কামপুৰৰ গোলোক গোস্বামী প্ৰভৃতি হিন্দু সভাৰ লগত বিশেষ ভাবে জড়িত আছিল। অৱশ্যে এই সময়ৰ হিন্দুসভা ৰাজনৈতিক অনুষ্ঠান নাছিল যদিও ৰাজনৈতিক লাভালাভৰ দৃষ্টিৰ পৰা বহুতেই ইয়াত যোগ দিয়া নাছিল। ১৯৩৭ চনত আহমেদাবাদত বহা নিখিল-ভাৰতীয় হিন্দু মহাসভাই নিজকে ৰাজনৈতিক অনুষ্ঠান হিচাবে ঘোষণা কৰে আৰু তাৰ পিছৰে পৰাই কংগ্ৰেছত থকাসকল হিন্দুসভাৰ পৰা বাহিৰ হৈ আহে।

হিন্দু মহাসভাৰ শুদ্ধি আৰু সংগঠনেই মুল আঁচনি আছিল। এই দিশত বহুদূৰ অগ্ৰসৰো হৈছিল। কিন্তু ৰাজনীতিত ভাগ লোৱাৰে পৰা এই আঁচনি কাৰ্য্যকৰী কৰাত নানা বাধা পাব লগা হ'ল। বৰুৱা ডাঙৰীয়া হিন্দু সমাজক আধুনিক যুগৰ লগত খাপ খোৱাকৈ নতুনকৈ গঢ দিয়াৰ পক্ষপাতী আছিল। কিন্তু তেখেতক হিন্দু মহাসভাই আশানুৰূপ ফল দেখুৱাব নোৱাৰাত নিৰুৎসাহিত হোৱা যেন দেখা গৈছিল। চৰিত্ৰবান, শক্তি-সম্পন্ন, সুসংগঠিত নতুন এখন হিন্দু সমাজ ৰচনা কৰাৰ যি আকাঙ্ক্ষা অন্তৰত আছিল, সেই আকাঙ্ক্ষাৰ জুই উমি উমি অন্তৰতে জ্বলি ৰ'ল। বৰুৱা ডাঙৰীয়াৰ হিন্দু ধৰ্ম্ম আৰু সমাজৰ প্ৰতি থকা এই ভাব ক্ষুদ্ৰ বুদ্ধিৰ বহুতৰ দৃষ্টিত সাম্প্ৰদায়িক বুলিয়েই প্ৰতীয়মান হব। নিজৰ বেয়া হৈ যোৱা, ভাগি উৰ্ৱলি যোৱা ঘৰখন ভাল কৰা প্ৰত্যেক গৃহস্থৰেই যেনেকৈ কৰ্ত্তব্য সেই দৰেই দুৰ্ব্বল, অসংগঠিত, আত্মবিস্মৃত হিন্দু সমাজক নতুনকৈ প্ৰাণ দি প্ৰতিষ্ঠা কৰাও প্ৰত্যেক হিন্দুৰেই কৰ্ত্তব্য বুলি বৰুৱাদেৱে বিশ্বাস কৰিছিল। ইয়াৰ দ্বাৰা অ-হিন্দু-সকলৰ প্ৰতি অবিচাৰ কৰা হব বুলি যদি কোনোবাই ভাবে তেন্তে সেইটো ভুল কৰা হব। ইয়াৰ বাহিৰেও হিন্দুৰ দেশ ভাৰতবৰ্ষত সংখ্যাগৰিষ্ঠ হিন্দু যদি শক্তিহীন হয় তেন্তে গোটেই সমাজেই তথা দেশেই শক্তিহীন হৈ পৰিব। বৰুৱা ডাঙৰীয়া আমি জনাত উদাৰ প্ৰকৃতিৰ আছিল আৰু অ-হিন্দু ধৰ্ম্মৰ আৰু সমাজৰ নানা মহৎ

গুণাৱলী হিন্দুসকলে গ্ৰহণ কৰাৰ তেখেত সদায় পক্ষপাতী আছিল। ভাৰতীয় সভ্যতা সংস্কৃতিক তেওঁ সদায় উচ্চ স্থান দি হিন্দু সমাজৰ ওপৰত চলি থকা আক্ৰমণ প্ৰতিহত কৰাৰ পক্ষপাতী আছিল। আৰু এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ এটা উপযুক্ত মাধ্যম সদায় বিচাৰিছিল।

অসম চৰকাৰৰ চাকৰীৰ পৰা অৱসৰ লৈ মণিপুৰ ৰাজ্যৰ প্ৰধান বিচাৰপতিৰ দায়িত্ব তেখেতে বহন কৰে। তাত কিছুদিন থকাৰ পাছত আকৌ গুৱাহাটীলৈ ঘূৰি আহি ওকালতি আৰম্ভ কৰে।

ইয়াৰ পিছতেই তেখেতে আকৌ ৰাজনীতিত যোগ দিয়ে। এইবাৰ তেখেত কৃষক মজদুৰ প্ৰজা পাৰ্টিৰ সভ্য হয় আৰু ১৯৫২ চনত লোকসভাৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰে। কিন্তু কৃতকাৰ্য্য হব নোৱাৰিলে। ইয়াৰ পিছত এই দল আৰু ছছিয়েলিষ্ট দল গোট খাই প্ৰজা ছছিয়েলিষ্ট দলৰ সৃষ্টি হয়। কিছুদিনলৈ তেখেত ইয়াৰো সভ্য হৈ আছিল।

এই সময়তেই তেখেত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সংস্পৰ্শলৈ আহে। ১৯৪৭ চনৰ পৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই অসমত প্ৰথম কাম আৰম্ভ কৰে। অলপ দিন কাম চলাৰ পাছতে ই বন্ধ হৈ যায়। ১৯৪৯ চনত পাঞ্জাবৰ কাংগ্ৰা জিলাৰ মাননীয় ঠাকুৰ শ্ৰীৰামসিং এম, এ, নামৰ এজন সুশ্ৰী আৰু সুদক্ষ যুৱক প্ৰচাৰক হিচাবে অসমলৈ আহি গুৱাহাটীত থাকেহি। তেওঁ ৺বৰুৱা ডাঙৰীয়াক দেখা কৰে। তেখেতৰ লগত কথাবতৰা পাতি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ আদৰ্শ, কাৰ্য্যক্ৰম আৰু কাৰ্য্যপদ্ধতি সম্পৰ্কে সকলো কথা বুজি ৺বৰুৱা ডাঙৰীয়াই অন্ধকাৰত যেন পোহৰ দেখিলে। ৰাঃ স্বঃ সেঃ সংঘ নামৰ এই যন্ত্ৰটো ১৯২৫ চনৰ বিজয়া দশমীৰ দিনা ডাক্তৰ কেশৱ বলিৰাম হেডগেৱাৰে নাগপুৰত প্ৰথম প্ৰতিষ্ঠা কৰে। ইয়াৰ লক্ষ্য আসেতু হিমাচল গোটেই ভাৰতবৰ্ষ জুৰি থকা আত্মবিস্মৃত অসংগঠিত দুৰ্ব্বল আত্ম-কলহত জৰ্জৰিত হিন্দু সমাজখনক সংঘবদ্ধ কৰি মৰণমুখী হিন্দু সভ্যতা আৰু সংস্কৃতিক সঞ্জীৱিত কৰা। বৰুৱা ডাঙৰীয়াই নিজৰ অন্তৰৰ আশা আকাঙ্ক্ষা পূৰ্ণ কৰাৰ এটা উপায় দেখিলে। প্ৰচাৰক এই যুৱকক সকলো প্ৰকাৰৰ সহায় সহযোগ আগবঢ়ালে। আনকি তেখেতে এই যুৱকক তেখেতৰ লগত অসমৰ বিভিন্ন ঠাইলৈ লৈ গৈ মানুহৰ লগত চা-চিনাকী কৰি দিছিল। এই দৃষ্টিৰ পৰা অসমত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ স্থাপন কৰাত বৰুৱাদেৱে আগভাগ লৈছিল বুলি কলে ভুল কোৱা নহব। সংঘৰ কাম লাহে লাহে অসমত বাঢ়িবলৈ ধৰিলে।

বৰুৱা ডাঙৰীয়া তেতিয়াও প্ৰজা ছছিয়েলিষ্ট দলৰ সভ্য। সংঘৰ প্ৰধান, সৰ সংঘচালক পৰম পূজনীয় গুৰুজী শ্ৰীমাধৱ ৰাও, সদাশিৱ ৰাও গোলৱলকাৰ

মহোদয় গুৱাহাটীলৈ অহাৰ সিদ্ধান্ত হ'ল। তেখেত ক'ত থাকিব এইটো সংঘৰ কৰ্ম্মকৰ্ত্তাসকলৰ এটা চিন্তাৰ বিষয় হৈ পৰিল। প্ৰচাৰক শ্ৰীৰামসিংজী ৺বৰুৱা ডাঙৰীয়াৰ ওচৰ পালেগৈ। সানন্দে তেখেতে শ্ৰীগুৰুজীক তেখেতৰ ঘৰত ৰাখিবলৈ সন্মতি দিলে। এই খবৰ প্ৰচাৰ হোৱাৰ লগেলগেই তেখেতৰ দলৰ দুই এজন কৰ্ম্মকৰ্ত্তা তেখেতৰ ওচৰলৈ আহি শ্ৰীগুৰুজীক তেখেতৰ ঘৰত নাৰাখিবলৈ পৰামৰ্শ দিলেহি। যুক্তি হ'ল—ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ এটা সাম্প্ৰদায়িক দল। এনে অৱস্থাত তেখেতক আলহি ৰখাৰ অৰ্থ হব -সাম্প্ৰদায়িকতাৰ প্ৰশ্ৰয় দিয়া আৰু দলৰ ওপৰত চেকা পেলোৱা। কিন্তু তৰল এই যুক্তিয়ে বৰুৱা ডাঙৰীয়াক বিচলিত কৰিব নোৱাৰিলে। বৰুৱা ডাঙৰীয়াৰ যুক্তি হ'ল আলহি ৰখা নৰখা প্ৰশ্নটো এটা ব্যক্তিগত কথা। দ্বিতীয় যুক্তি হ'ল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ ৰাজনৈতিক দল নহয়। ইয়াৰ দৃষ্টিত কাৰো প্ৰতি বিদ্বেষ নাই। অসংগঠিত দুৰ্ব্বল হিন্দু সমাজক সংগঠিত কৰি চৰিত্ৰবান এটা জাতি গঢ়াই ইয়াৰ কাম। এনে অৱস্থাত তেখেত ৰাজনৈতিক সহকৰ্ম্মীসকলৰ অনুৰোধ ৰক্ষা কৰিবলৈ অপাৰগ হয়। ইয়াৰ পাছতেই তেখেতৰ ৰাজনৈতিক জীৱনো শেষ হয়। শ্ৰীগুৰুজী বৰুৱা ডাঙৰীয়া জীয়াই থকালৈকে প্ৰতি বছৰেই গুৱাহাটীলৈ আহি তেখেতৰ ঘৰতে আলহী থাকে। বৰুৱা ডাঙৰীয়াই মৃত্যুৰ আগতেও শ্ৰীগুৰুজী সদায় তেখেতৰ ঘৰতে আলহি থাকিব বুলি পুত্ৰদ্বয়ক আৰু সংঘৰ মানুহক জানিবলৈ দিয়ে। তেখেতৰ ইচ্ছানুযায়ী শ্ৰীগুৰুজীৰ বৰুৱা ডাঙৰীয়াৰ ঘৰত আলহি থকা আজিও বন্ধ হোৱা নাই।

আনুষ্ঠানিকভাবে বৰুৱা ডাঙৰীয়াই সংঘৰ সভ্যপদ গ্ৰহণ নকৰিলেও তেখেতক সকলো প্ৰকাৰে সংঘৰ এজন বিশিষ্ট লোক বুলি সংঘই গণ্য কৰিছিল। ১৯৫৩।৫৪ চনত নগাওঁ জিলাৰ জাগীৰোডত সংঘৰ প্ৰথম শীতকালীন তিনদিনীয়া এটা শিবিৰ হৈছিল। সেই শিবিৰত বৰুৱা ডাঙৰীয়া সৰ্ব্বাধিকাৰী আছিল আৰু সংঘৰ কাৰ্য্যক্ৰমত যথাসাধ্যে ভাগ লৈছিল। সকলো স্বয়ংসেৱকৰ দৰেই জীৱন কটাইছিল। কোনো অশান্তি প্ৰকাশ কৰা নাছিল। নিজকে সংঘৰ আদৰ্শৰ লগত বহু পৰিমাণে খাপ খুৱাই লৈ স্বয়ংসেৱকবোৰৰ মাজত উৎসাহ বিলাইছিল।

১৯৫৬ চনত নগাওঁ জিলাৰ কামপুৰত অন্য এটা শীতকালীন শিবিৰ হৈছিল। তাত পৰম পূজনীয় শ্ৰীগুৰুজীও উপস্থিত আছিল। গোটেই অসমৰ প্ৰায় ৩০০ স্বয়ং-সেৱক তাত গোট খাইছিল আৰু সকলোবোৰ তম্বুৰ তলত আছিল। ইয়াত ৺বৰুৱা-দেৱ শিবিৰৰ সৰ্ব্বাধিকাৰী আছিল।

পৰম পূজনীয় শ্ৰীগুৰুজী তেওঁতকৈ বয়সত বহু সৰু। শ্ৰীগুৰুজীক সদায় নিজৰ আপোন মানুহৰ নিচিনা ব্যৱহাৰ কৰিছিল আৰু শ্ৰীগুৰুজীয়েও তেখেতৰ ঘৰত

কোনোদিনেই নিজকে আলহী বুলি ভবা নাছিল। এইদৰেই বৰুৱা ডাঙৰীয়াই হিন্দু সমাজ সংস্কাৰ কৰি পুনৰ নিৰ্ম্মাণ কৰাৰ যি পৰিকল্পনা অন্তৰত সদায় পোষণ কৰি আহিছিল সেই পৰিকল্পনা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই পূৰ্ণ কৰিব পাৰিব বুলি বিশ্বাস কৰিয়েই তেখেতে সংঘৰ লগত সকলো প্ৰকাৰে সহযোগ কৰি সংঘৰ কাৰ্য্যাৱলী গোটেই অসমতে বিয়পি পৰাত সহায় কৰিছিল।

ভাৰতৰ সভ্যতা-সংস্কৃতি আৰু ইতিহাসৰ লগত সু-পৰিচিত নোহোৱা বহুতৰ দৃষ্টিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ এটা সাম্প্ৰদায়িক অনুষ্ঠান। এই লোকসকলে ৰাজনৈতিক আৰু ব্যক্তিগত লাভালাভৰ কাৰণেই জানি শুনিও সংঘক সাম্প্ৰদায়িক বুলি আখ্যা দি নিজৰ অজ্ঞতাকেই মাত্ৰ প্ৰমাণ কৰিছে। এওঁলোকৰ অন্তৰত ইমানেই ভীতি যে অসাম্প্ৰদায়িক বুলি বাঃ বাঃ পাবৰ লোভত বহু সময়ত নিজকে হিন্দু বুলি কবলৈকো ভয় কৰে। কিন্তু এনেবোৰ যুক্তিয়ে বৰুৱা ডাঙৰীয়াক কোনো দিনেই টলাব পৰা নাছিল। তেওঁৰ চৰিত্ৰৰ এইটো বিশিষ্টতা আৰু তাৰ বাবে তেওঁ আমাৰ শ্ৰদ্ধাৰ পাত্ৰ আৰু গুৰুস্থানীয়।

কামাখ্যাৰাম বৰুৱা ডাঙৰীয়া আজি আমাৰ মাজত নাই। কিন্তু তেখেতে থৈ যোৱা জীৱনাদৰ্শৰ স্মৃতি আজিও জীৱন্ত হৈ আছে। নিৰ্ভীক, কৰ্ম্মৰত, আত্ম-বিশ্বাসী, স্বাভিমানী হিন্দু-জীৱনৰ আদৰ্শ আজি আমাৰ সমাজত অভাৱ ঘটিছে। এই মহৎ গুণাৱলী আয়ত্ব কৰিবলৈ তেওঁৰ জীৱন চৰিত্ৰৰ পৰা যেন আমি প্ৰেৰণা পাওঁ।

—: ০ :—

কামাখ্যাৰাম বৰুৱা আৰু সংস্কৃত

আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী
গুৱাহাটী

মানৱ সমাজৰ ধৰ্ম্মসংস্কৃতি আচৰণ আদিৰ পৰিবৰ্ত্তন স্বাভাবিক যদিও সেই পৰিবৰ্ত্তনৰ এটা ছন্দ লয়, ক্ৰম বা নিয়ম আছে, যি তৎক্ষণাৎ উচ্ছৃঙ্খলভাৱে পুৰণি ৰূপ মলাই নতুন ৰূপত পৰিণত নহয়। তেনে হবলৈ হলে তাৰ অপমৃত্যু ঘটে। পুৰণিৰ স্বভাৱ ৰক্ষণশীলতা, যি যি অৱস্থাত আছে সেই অৱস্থাতে থাকিবলৈ তৎপৰ। যিমানে যি আগবাঢ়ি যায় সিমানে মৃত্যুৰ ওচৰ চাপিব। নতুনৰ স্বভাৱ অভ্যুদয় বা প্ৰগতি। সি তাক আগুৱাই যাবলৈ আহ্বান কৰিয়ে নেৰে, বৰ বলেৰে আকৰ্ষণ কৰে। পুৰণিৰ বল যদি বেচি হয়, তেন্তে সমাজ আগুৱাব নোৱাৰে, তাৰ প্ৰগতি ব্যাহত হয়। আকৌ নতুন যুগৰ টান বা আকৰ্ষণ যদি অধিক প্ৰৱল হয় তেতিয়া হলে সি (সমাজখন) পুৰণিক একেবাৰে পৰিত্যাগ কৰি উচ্ছৃঙ্খলভাৱে গুচি যায়, পুৰণি স্বৰূপৰ পৰা বিচ্ছিন্ন হৈ পৰে। তাৰ ফলত তাৰ অৱস্থা পৰিবৰ্ত্তনৰ পৰিবৰ্ত্তে স্বৰূপ পৰিবৰ্ত্তন ঘটে অৰ্থাৎ পুৰণিৰ মৃত্যু ঘটে তাৰ ঠাইত নতুনৰ জন্ম হয়, পুৰণি নতুনৰ ভিতৰত কোনো যোগসূত্ৰ বা সম্পৰ্ক নোহোৱা হৈ পৰে।

যি কোনো প্ৰাণীৰ পক্ষে যিদৰে স্বৰূপ পৰিবৰ্ত্তন বা নিজৰ বিনাশ কাম্য নহয়, অৱস্থাৰ পৰিবৰ্ত্তনহে কাম্য সেইদৰে প্ৰাণীৰ সমষ্টিস্বৰূপ সমাজৰ পক্ষেও তাৰ নিজৰ স্বৰূপৰ বিনাশ বা মৃত্যু কাম্য নহয়, স্বগত অৱস্থাৰ পৰিবৰ্ত্তনহে কাম্য। যাতে পুৰণিয়ে বলবত্তৰ হৈ সমাজখনক স্থবিৰ কৰি ধৰি ৰাখিব নোৱাৰে, তাৰ ক্ৰমিক শৃঙ্খলাবদ্ধ প্ৰগতিত বাধা দিব নোৱাৰে, আৰু যাতে নতুনে বলবত্তৰ হৈ তাক পুৰণিৰ পৰা বিচ্ছিন্ন কৰি উচ্ছৃঙ্খলভাৱে টানি আগুৱাই নিব নোৱাৰে, অথচ পুৰণি নতুনে পৰস্পৰ সাপেক্ষভাৱে সমাজক সুশৃঙ্খল, সুনিয়ন্ত্ৰিত আৰু সংযতভাৱে ক্ৰমশঃ আগবঢ়াই লৈ যাব পাৰে, তাৰে ব্যৱস্থা কৰে সেই সমাজৰ ভিতৰৰ যুগন্ধৰ পুৰুষবিলাকে।

হাল বা গাড়ীৰ যুঁৱলিত যুৰি দিয়া গৰু বা ঘোঁৰাহালৰ যদি এটাই যুঁৱলিখন পিছুৰ পিনে টানে আৰু আনটোৱে আগৰপিনে টানে তেতিয়া হলে সেই হাল বা গাড়ী নচলে অথবা সিহঁতৰ গতি বৈষম্যৰ ফলত তাৰ পয়মাল ঘটিব পাৰে। তেনেক্ষেত্ৰত সুজান হালোৱা আৰু গাৰোৱানে যুঁৱলি ঠিক ভাবে ৰাখি বাহনদ্বয়ক সুসংযত কৰি হাল আৰু গাড়ী চলাই কাৰ্য্য সাধন কৰে। সেইদৰে সমাজৰো যোগ্যতা-

সম্পন্ন আৰু ক্ষমতাসম্পন্ন যিবিলাক লোকে সমাজ সঙ্কটৰ যুগ অৰ্থাৎ যুঁৱলি ধাৰণ কৰে— ঠিক সমান ভাবে ৰক্ষা কৰি চলায় আৰু সমাজৰ যোগক্ষেম বহন কৰে সেই সকল লোকক যুগন্ধৰ লোক বোলা হয়। নতুন সম্পদ আহৰণৰ নাম যোগ আৰু পুৰণি সম্পদ সংৰক্ষণৰ নাম ক্ষেম।

যুগ প্ৰৱৰ্ত্তক মহাপুৰুষবিলাকে সমাজৰ গতিপথ পৰিবৰ্ত্তিত কৰি নতুন পথ লগাই দিয়ে। তেওঁবিলাকে সমাজসঙ্কটত নতুন যুঁৱলিৰ প্ৰৱৰ্ত্তন কৰে হেতুকে তেওঁবিলাক যুগপ্ৰৱৰ্ত্তক। তেওঁবিলাকৰ প্ৰৱৰ্ত্তিত যুঁৱলি ঠিক ৰাখি গাড়ী বা হালৰ গতি সেই পথত নিয়ন্ত্ৰিত কৰি চলায় নিযে যুগন্ধৰ পুৰুষবিলাকে। এই যুগন্ধৰ লোকবিলাকে যুগপ্ৰৱৰ্ত্তকৰ প্ৰৱৰ্ত্তিত যুঁৱলি ঠিকমতে ধাৰণ নকৰিলে যুগ প্ৰৱৰ্ত্তকৰ সেই কাৰ্য্য ব্যৰ্থ বা অনৰ্থত পৰ্য্যবসিত হয়। মহাত্মা গান্ধীয়ে ভাৰতীয় সমাজৰ মনৰ গতি পৰিবৰ্ত্তিত কৰি নতুন পথ লগাই দিছিল গতিকে তেখেত এজনা যুগপ্ৰৱৰ্ত্তক পুৰুষ আছিল। তেওঁৰ প্ৰবৰ্ত্তিত যুঁৱলি ধাৰণ কৰি যিসকল যোগ্য লোকে ভাৰতীয় সমাজক সেই পথত আগবঢ়াই নিব পাৰিছে সেই সকলেই যুগন্ধৰ লোক।

তেনে এজন যুগন্ধৰ পুৰুষ আছিল ৺বৰুৱাদেৱ। তেখেতে যুগন্ধৰ পুৰুষ-ৰূপে তেখেতৰ যোগ্যতা আৰু ক্ষমতা প্ৰয়োগ কৰি আমাৰ দেশ, জাতি আৰু সমাজৰ বহুক্ষেত্ৰতে যোগক্ষেম বহন কৰিছিল। এইজনা পুৰুষে আমাৰ দেশৰ সংস্কৃত শিক্ষাৰ যোগক্ষেমত যি মূল্যবান বৰঙণি যোগাইছিল তাৰে বিষয়েহে দুই এটা কথা ইয়াত লিপিবদ্ধ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

৺কামাখ্যাৰাম বৰুৱাৰ দেউতাক ৺কালীৰাম বৰুৱাদেৱ নামত সংস্কৃত পণ্ডিত নাছিল যদিও আমাৰ দেশৰ শিক্ষাসংস্কৃতিসম্পন্ন ঘৰৰ সন্তান হিচাবে তেখেতে সংস্কৃত ভাষা জানিছিল আৰু প্ৰাচীন ভাৰতীয় শিক্ষাসংস্কৃতিৰ প্ৰতি অতি শ্ৰদ্ধাশীল আৰু অনুৰাগী লোক আছিল। সেই কাৰণেই তেখেতৰ সুযোগ্য পুত্ৰ কামাখ্যা বৰুৱাক ইংৰাজী শিক্ষা দিয়াৰ উপৰিও সংস্কৃত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। কামাখ্যা বৰুৱাদেৱে বাল্যকালত ১৩ বছৰ বয়সলৈকে ৺পণ্ডিত হৰকান্ত উপাধ্যায় আৰু ৺মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ ওচৰত নিয়মিত ভাবে সংস্কৃত পঢ়িছিল আৰু সেই ভাষাত যথেষ্ট ব্যুৎপত্তি লাভ কৰিছিল। তাৰ ফলত বহুতখিনি প্ৰয়োজনীয় জ্ঞান লাভ কৰি উপকৃত হোৱা বুলি কৈ তেখেতে পাছত আনক সংস্কৃত শিকিবলৈ বৰ উৎসাহ উদগনি দিছিল।

অকল অসমৰে নহয়, অসমৰ বাহিৰৰো বহুত সংস্কৃত পণ্ডিতৰ লগত তেখেতৰ ঘনিষ্ঠ পৰিচয় আছিল। সংস্কৃত পণ্ডিতসকলক তেখেতে বৰ শ্ৰদ্ধা আৰু সন্মান

কৰিছিল। সেই কালৰ অসমৰ প্ৰায়বিলাক সংস্কৃত পণ্ডিতেই গুৱাহাটীলৈ আহিলে তেখেতৰ ঘৰত আতিথ্য গ্ৰহণ কৰি আছিল। আমাৰ গুৰুদেৱ পূজ্যপাদ ৺শিৱনাথ বুজৰবৰুৱা, ৺ৰঘুনাথ শিৰোমণি, ৺চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ, ৺নাৰায়ণদেৱ মিশ্ৰ, ৺তাৰানাথ গোস্বামী স্মৃতিৰত্ন, ৺ৰূপেশ্বৰ স্মৃতিৰত্ন, ৺ষডানন ন্যায়তৰ্কতীৰ্থ, ৺দুৰ্গাকিঙ্কৰ শাস্ত্ৰী, ৺তাৰানাথ কাব্যবিনোদ, ৺হংসনাথ স্মৃতিতীৰ্থ, ৺জীবেশ্বৰ গোস্বামী আদি নামজ্বলা পণ্ডিতসকল—কামাখ্যাৰাম বৰুৱাৰ বিষয়ে কথা উঠিলেই প্ৰশংসামুখৰ হৈ উঠিছিল আৰু সভাই সমিতিয়ে বা শাস্ত্ৰীয় কথাৰ আলোচনাতো কামাখ্যা বৰুৱাৰ কথাত সশ্ৰদ্ধ ভাবে গুৰুত্ব প্ৰদান কৰিছিল।

অসমত সংস্কৃত শাস্ত্ৰৰ চৰ্চ্চা ক্ৰমশঃ কমি যাব ধৰিছে। পুৰণি পণ্ডিত-সকলো এজনৰ পাচত এজনকৈ ইহসংসাৰৰ পৰা বিদায় গ্ৰহণ কৰিব লাগিছে অথচ তেওঁবিলাকৰ স্থান পূৰণ কৰিব পৰা নতুন পণ্ডিত লোক এজনো ওলোৱা নাই। সেই সেই বিষয়ৰ পাণ্ডিত্য উপাৰ্জ্জনৰ আগ্ৰহো নতুন সমাজত নাইকিয়া হৈ পৰিছে। সংস্কৃত শিক্ষাৰ ক্ষেত্ৰত ঘটা এই অৱনতি তেখেতে দুঃখেৰে সৈতে লক্ষ্য কৰিছিল আৰু তাৰ প্ৰতিকাৰৰ চিন্তাও কৰিছিল। কিন্তু যদি সংস্কৃত শিক্ষাৰ এনে অৱনতিৰ কাৰণে আন কোনো লোকে পুৰণি সংস্কৃত পণ্ডিতসকলক দোষী বুলি কয় তেন্তে সেই কথাৰ তেখেতে দৃঢভাবে প্ৰতিবাদ কৰি কৈছিল যে "সংস্কৃত শিক্ষাৰ অৱনতিৰ কাৰণে সংস্কৃত পণ্ডিতসকল অলপো দায়ী নহয়। সমাজৰ প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে যুঁজি যিমানখিনি পাৰে সিমানখিনি সংস্কৃতৰ শিক্ষা-সম্পদ তেওঁবিলাকে ৰক্ষা কৰিছে। বৰঞ্চ ইমানদিনে যি ঐকান্তিক নিষ্ঠা, প্ৰচেষ্টা, স্বাৰ্থত্যাগ আৰু প্ৰয়োজনৰে, সতী বেউলাই লক্ষ্মীন্দাৰৰ অস্থিপঞ্জৰ ৰক্ষা কৰাৰ দৰে তেওঁবিলাকে এই শিক্ষাৰ সিমান-খিনি অৱশেষ ৰক্ষা কৰিছে তাৰ কাৰণেই তেওঁবিলাক প্ৰশংসাৰ পাত্ৰ। আজিৰ সমাজৰ শুভবুদ্ধি হলে সেইখিনি অৱশেষক লৈয়ে লক্ষ্মিন্দাৰক জীয়াই তোলাৰ দৰে সংস্কৃত শিক্ষাক পুনৰ্জীবিত কৰি তুলিব পাৰে।

পুৰণিৰ পক্ষে নতুনৰ আক্ৰমণ প্ৰতিহত কৰি নিজে জীয়াই থাকিবলৈ প্ৰয়াস কৰাটো দোষৰ কথা নহয়; সেই জীৱনপ্ৰয়াস তাৰ স্বাভাৱিক ধৰ্ম্ম বা সহজাত ক্ৰিয়া। নতুনে যদি পুৰণিক পৰাজিত কৰি নিজৰ কাৰণে স্থান উলিয়াই লব নোৱাৰে তেন্তে সেইটো নতুনৰহে দুৰ্ব্বলতা আৰু দোষ। এই সত্য কথাটো তেখেতে বুজিছিল। সেই কাৰণে সমাজৰ অনগ্ৰসৰতা বা ৰক্ষণশীলতাৰ কাৰণে পুৰণি সমাজৰ ওপৰত দোষাৰোপ নকৰিছিল, নতুন উদীয়মান সমাজৰ দুৰ্ব্বলতা আৰু নিৰ্জীৱতাৰ ফলতহে তেনে অনগ্ৰসৰতা বা ৰক্ষণশীলতা সম্ভৱপৰ হৈছে বুলি মানিছিল।

এনেকৈ তেখেতে প্ৰাচীনপন্থীসকলৰ সন্মান ৰক্ষা কৰি তেওঁবিলাকৰ প্ৰিয়পাত্ৰ হৈছিল। আনহাতে নব্য-পন্থীসকলৰো প্ৰৱেশৰ পথ মুকলি কৰি দি পুৰণিৰ ভিতৰত নতুনৰ অভ্যুদয় সহজসাধ্য কৰি দিছিল।

অসম সংস্কৃত এছোছিয়েছন আৰু অসম সংস্কৃত বোৰ্ডৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতো এজন উদ্যোক্তা আছিল বুলি শুনিছো। মই জনাত সৰ্ব্বদাই অসম সংস্কৃত সমিতিৰ (এছোছিয়েছনৰ) সদস্য হৈ থাকি তেখেতে অসমত সংস্কৃত শিক্ষাৰ সংৰক্ষণ আৰু উন্নয়নৰ অৰ্থে যত্ন কৰিছিল। সংস্কৃত শিক্ষাৰ ক্ষেত্ৰত তেখেতে যোগোৱা মূল্যবান বৰঙণিৰ স্বীকৃতি স্বৰূপে তেখেতক 'অসম সংস্কৃত সমিতি'ৰ তিনচুকীয়াত অনুষ্ঠিত পঞ্চবিংশ সমাৱৰ্ত্তন উৎসৱ আৰু বাৰ্ষিক অধিবেশনৰ সভাপতি ৰূপে সন্মানিত কৰা হৈছিল।

প্ৰাচীন কামৰূপ ব্ৰাহ্মণ সমাজ আৰু কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ লগতো তেখেতৰ ঘনিষ্ঠ সংযোগ আছিল। বহুবাৰ নলবাৰীলৈ গৈ তেখেতে নলবাৰী সত্ৰাধিকাৰ পণ্ডিত ৺প্ৰতাপ চন্দ্ৰ গোস্বামীদেৱৰ ঘৰত থাকি কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ কাৰ্য্য পৰিদৰ্শন কৰিছিল আৰু সঞ্জীৱনী সভাৰ গ্ৰন্থাগাৰত সংগৃহীত পুৰণি হাতে লিখা পুথিবিলাকৰ সংৰক্ষণৰ অৰ্থে প্ৰয়োজনীয় পৰামৰ্শ দিছিল। সেই পুথিবিলাক মোৰ দ্বাৰা সংগৃহীত হোৱা বুলি পূজনীয় গোস্বামীদেৱৰ পৰা শুনি মোকো ভূয়সী প্ৰশংসা কৰিছিল। গুৱাহাটীৰ মুনিকুল আশ্ৰম বৈদিক টোল আৰু সৰুপেটাৰ আনন্দবজাৰ গিৰীশ বিদ্যাপীঠৰ পৰিচালনাৰ ক্ষেত্ৰত তেখেতে প্ৰয়োজনীয় পৰামৰ্শ আৰু সাহায্য দি আছিল। গিৰীশ বিদ্যাপীঠৰ প্ৰতিষ্ঠা, পৰিচালনা আৰু শিক্ষা পদ্ধতিৰ নতুনত্বত তেখেতে বৰ সন্তোষ প্ৰকাশ কৰিছিল আৰু তাৰ প্ৰতিষ্ঠাতা অধ্যক্ষ পণ্ডিত শ্ৰীদেবেন্দ্ৰ চন্দ্ৰ স্মৃতিতীৰ্থক বৰ প্ৰশংসা কৰিছিল। মুনিকুল আশ্ৰম বৈদিক টোলৰ পণ্ডিত শ্ৰীবিপিন চন্দ্ৰ গোস্বামীদেৱৰ সভাসমিতি বিলাকত সৰল সংস্কৃত ভাষাত দিয়া ভাষণ শুনি তেখেতে ভাল পাইছিল আৰু আন সংস্কৃতপণ্ডিতসকলকো তেনেকৈ সৰল সংস্কৃত ভাষাত কথা কবলৈ কৈছিল।

নলবাৰী সংস্কৃত কলেজৰ প্ৰতিষ্ঠা আৰু পৰিচালনাতো তেখেতৰ উল্লেখযোগ্য অৱদান আছে। বহুদিনলৈকে তেখেতে এই অনুষ্ঠানৰ পৰিচালনা সমিতিৰ অন্যতম সদস্য আছিল—পাছত পৰিচালক সমিতিৰ সকলো অধিবেশনত উপস্থিত থাকিব নোৱাৰা হেতুকে তাৰ সদস্য পদ এৰি দিছিল যদিও সেই অনুষ্ঠানৰ উন্নয়নৰ অৰ্থে সময়োপযোগী পৰামৰ্শ আৰু সাহায্য দি আছিল।

তেতিয়াৰ দেশনেতা ডাঃ কৈলাশনাথ কাটজু, ডাঃ পট্টাভিসীতাৰামিয়া, চৰ্দ্দাৰ কে, এম্, পানিকৰ আদি আৰু আমাৰ অসমৰ ৺জ্ঞাননাথ বৰা, কবি ৺ৰঘুনাথ

চৌধাৰীৰ দৰে তেখেতেও স্বাধীন ভাৰতৰ ৰাষ্ট্ৰভাষা হিন্দীৰ পৰিবৰ্ত্তে সংস্কৃত হব লাগে বুলি দৃঢ় মত পোষণ কৰিছিল আৰু সভাই সমিতিয়ে সেই কথা সযুক্তিক প্ৰতিপন্ন কৰিছিল। তেখেতৰ আদেশ আৰু উদগনিতে সংস্কৃত ভাষাৰ ভাৰতীয় ৰাষ্ট্ৰভাষা হোৱাৰ যোগ্যতা বিষয়ে মই "সংস্কৃত ভাষাৰ সাৰ্ব্বভৌমত্ব" এই শিতানত এটা দীঘলীয়া প্ৰবন্ধ লিখিছিলোঁ। সেই প্ৰবন্ধ কবি ৺ৰঘুনাথ চৌধাৰীদেৱে তেখেতৰ সম্পাদিত 'সুৰভি' নামৰ আলোচনীত অতি আগ্ৰহেৰে প্ৰকাশ কৰিছিল।

অসমৰ সংস্কৃত শিক্ষানুষ্ঠান টোলবিলাক আৰু তাত প্ৰচলিত শিক্ষা পদ্ধতিক সময়োপযোগীভাৱে পুনঃ সংগঠিত কৰি তাত প্ৰাচীন পদ্ধতিৰে সংস্কৃত শিক্ষাদানৰ লগতে আধুনিক সমাজৰ লগত খাপ খাব পৰাকৈ দৈনন্দিন জীৱন নিৰ্ব্বাহৰ উপযোগী ইংৰাজী, অঙ্ক, ভূগোল, বুৰঞ্জী আদি বিষয়বো শিক্ষাদানৰ ব্যৱস্থা প্ৰৱৰ্ত্তনৰ দ্বাৰা জনপ্ৰিয় কৰি তুলিব লাগে বুলি তেখেতে দৃঢ়ভাবে মত দিছিল। এই খিনিতে তিনচুকীয়াত বহা সংস্কৃত সমাৱৰ্ত্তনত দিয়া তেখেতৰ ভাষণৰ একাংশ তুলি দিয়া হ'ল।

"সংস্কৃত শিক্ষা বিস্তাৰৰ কাৰণে কি কি উপায় অবলম্বন কৰা উচিত এতিয়া সংক্ষেপে সেই বিষয়ে আলোচনা কৰা যাওক।

১। বৰ্ত্তমানত আমাৰ দেশত থকা সংস্কৃত পঢ়াশালিবিলাকক ৰক্ষা কৰা উচিত। কোনো পণ্ডিতে যদি এজন দুজন ছাত্ৰকো বিদ্যাদান কৰিব খোজে সেই-খিনিও সমাজৰ পক্ষে যথালাভ বুলি বিবেচনা কৰা উচিত। পণ্ডিত সকলৰ বৃত্তি দিওঁতে যি খৰচ হয় সি অতি সামান্য মাত্ৰ।

২। সংস্কৃত পাঠশালা বিলাকত বৰ্ত্তমানত যি যি বিষয়ত শিক্ষা দিয়া হয় তাৰ লগত প্ৰয়োজনীয় আধুনিক বিষয়ৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগে।

৩। সংস্কৃত পাঠশালাত পঢ়ি উত্তীৰ্ণ হোৱা ছাত্ৰক বি, এ, এম, এ, পৰীক্ষা দিবৰ সুযোগ বিশ্ববিদ্যালয়ে দিব লাগে আৰু তেওঁলোকক যথাযোগ্য চৰকাৰী চাকৰিত ভৰ্ত্তি হোৱাৰ সুযোগ দিব লাগে।

৪। আমাৰ দেশত অন্ততঃ এখন হলেও উচ্চ পৰ্য্যায়ৰ সংস্কৃত শিক্ষাৰ কলেজ স্থাপিত হব লাগে। তাত উচ্চ চৰ্চ্চা আৰু গবেষণাৰ সুবন্দোবস্ত থাকিব লাগে। যাতে বি, এ, এম, এ, উপাধিধাৰী ছাত্ৰয়ো অধিক অধ্যয়নৰ আকাঙ্ক্ষা কৰিলে এই ধৰণৰ কলেজত বিদগ্ধ পণ্ডিতৰ সান্নিধ্য লাভ কৰিব পাৰে। এই কলেজত প্ৰত্নতত্ব আদি বিষয়ো শিক্ষাৰ অন্তৰ্ভুক্ত হব লাগে। আচাৰ্য্যৰূপে বিশেষজ্ঞ আৰু কৃতবিদ্য লোকসকলক বিচাৰি আনি হলেও নিযুক্ত কৰিব লাগে।

৫। ইয়াৰ উপৰিও প্ৰাথমিক পঢ়াশালিবিলাকত সৰু সৰু ল'ৰাছোৱালীৰ

কাৰণে মুখে মুখে সহজ সংস্কৃত শিকোৱাৰ ব্যৱস্থা থকা উচিত। এইবিলাক বিদ্যালয়ত মুখস্থ কৰাৰ নিয়ম চলালে সৰল সংস্কৃত শ্লোক মুখস্থ কৰাৰ ফলত ল'ৰাছোৱালীবিলাকে সহজতে আৰু আগ্ৰহেৰে সংস্কৃত শিকিব বুলি মোৰ বিশ্বাস। এই বিলাক ল'ৰাছোৱালীক ৰামায়ণ আদি পঢ়িবলৈ দি তাৰ লগে লগে ব্যাকৰণৰ নিয়ম শিকাব পৰা যাব। লক্ষ্য হব লাগে সংস্কৃত যেন সৰু ল'ৰাছোৱালীৰ ভাৰস্বৰূপ নহয়।

৬। বয়স্ক লোকৰ কাৰণেও সহজতে সংস্কৃত ভাষাৰ মোটামুটি জ্ঞান পাব পৰা দেওবৰীয়া বিদ্যালয় খোলাৰ চেষ্টা কৰিব লাগে।"

তেখেতৰ সেই মত আমাৰ প্ৰদেশৰ নিভাজ সংস্কৃত পণ্ডিতসকলেও গ্ৰহণ কৰাৰ ফলতহে ৰাজ্যিক চৰকাৰে সংস্কৃত শিক্ষাৰ তেনেভাবে সংস্কাৰ সাধন কৰি পুনঃ সংগঠনৰ ব্যৱস্থা হাতত লৈ অগ্ৰসৰ হৈছে। আৰু অলপকাল সক্ষম হৈ কৰ্ম্মৰত থাকিব পৰা হলে অসমৰ চৰকাৰ আৰু ৰাইজে সংস্কৃত শিক্ষাৰ পুনঃ সংগঠনৰ ক্ষেত্ৰত বহুতখিনি কাৰ্য্যকৰী দিহা পৰামৰ্শ পালেহেঁতেন।

সংস্কৃত শিক্ষাৰ অতি সামান্য সেৱক হিচাবে আমি আমাৰ প্ৰদেশৰ সংস্কৃত শিক্ষাৰ ক্ষেত্ৰত সেই যুগন্ধৰ পুৰুষজনাৰ অৱদান নতমস্তকে স্বীকাৰ কৰিছোঁ আৰু স্বৰ্গত আত্মাৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ প্ৰণতি জ্ঞাপন কৰিছোঁ।

———

শিক্ষানুৰাগী কামাখ্যাৰাম বৰুৱা

স্বৰ্গীয় হৰেন্দ্ৰনাথ কলিতা
কুমাৰ পাৰা—গুৱাহাটী

কামাখ্যাৰাম বৰুৱা এজন সভাগুৱনি, জ্ঞানী আৰু বহুগুণীলোক আছিল। তেখেত অতি উদাৰভাৱাপন্ন আছিল। তেখেতৰ আলাপ বৰ মধুৰ আছিল। সেই সময়ৰ ৰাজনৈতিক নেতা, সাহিত্যিক, চৰকাৰী চাকৰিয়াল আদি সকলো স্তৰৰ লোকৰে তেখেত প্ৰিয়ভাজন আছিল। তেখেত আছিল সমন্বয়মুখী প্ৰগতিশীল দৃষ্টিভঙ্গীৰ লোক। জীৱন কালতে সমগ্ৰ অসমতে শিক্ষিত সমাজত তেখেত জনাজাত আৰু সন্মানিত ব্যক্তি হৈ উঠিছিল।

কামাখ্যাৰাম বৰুৱাৰ কৰ্ম্ম বহুমুখী আছিল। জীৱনৰ বহুদিশতে তেখেতে সাফল্য লাভ কৰিছিল। তেখেত আছিল উকীল, বিচাৰক আৰু ৰাজনীতিজ্ঞ। এইবোৰৰ বিষয়ে আন প্ৰৱন্ধত বহলাই আলোচনা কৰা হৈছে।

বৰুৱাদেৱৰ বহুমুখী প্ৰতিভাৰ আন এটা উল্লেখযোগ্য দিশ হ'ল—শিক্ষা সম্পৰ্কীয় উন্নতি সাধন। শিক্ষাৰ প্ৰতি বৰুৱাদেৱৰ অনুৰাগ মনকৰিবলগীয়া। তেখেতৰ কথা-বতৰাবোৰো আছিল শিক্ষকৰ লেখিয়া। তেখেতে সদায় উপদেশ-মূলক কথা কৈছিল। মহাত্মা গান্ধী, মদনমোহন মালব্য, বিনোৱা ভাৱে আদিক তেখেতে বৰ শ্ৰদ্ধা কৰিছিল। তেখেতসকলৰ প্ৰভাৱো বৰুৱাদেৱৰ ওপৰত আংশিক ভাৱে পৰিছিল যেন লাগে। বৰুৱাদেৱে কথাপ্ৰসঙ্গত প্ৰায়েই কৈছিল—'আটাইতকৈ ডাঙৰ অস্ত্ৰ হৈছে অহিংসা।' তেখেতে আৰু কৈছিল যে কোনো বস্তুৱেই সদায় নাথাকে। কিন্তু যদি কিবা থাকে সেয়ে হৈছে সত্য। সংসাৰত নজনা কথা জানিবৰ উপায় হ'ল চেষ্টা। চেষ্টাৰ অসাধ্য একো নাই। ইয়াৰ কাৰণে লাগে শিক্ষা।

স্বৰ্গীয় বৰুৱাদেৱে ঘৰুৱা পৰিৱেশ আৰু ঘৰৰ মাক-দেউতাক বা আন কোনো বয়োজ্যেষ্ঠ সকলৰ পৰা পোৱা শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেখেতে কৈছিল—'ঘৰুৱা শিক্ষাৰ দ্বাৰা পুষ্ট নহলে কেৱল স্কুল কলেজৰ শিক্ষাই মানৱ জীৱনৰ লাগতিয়াল এটাইবোৰ সদ্গুণ আৰু কৰ্মদক্ষতা দান কৰিব নোৱাৰি।' নিজৰ লৰা-ছোৱালীৰ সদ্গুণ বিকাশৰ কাৰণে তেখেতে বিশেষ যত্ন কৰিছিল। বিভিন্ন অভিজ্ঞতা আহৰণৰ সুযোগ দিছিল। তেখেতৰ লৰা দুজনক ঘোৰাত উঠাৰ কাৰণে ঘোৰা কিনি দিছিল। নিজৰ বন্দুকেৰে বন্দুক মাৰিবলৈ শিকাইছিল।

দেওবাৰৰ দিনা চুপবীয়া বৰুৱা মেলত এটাইকে চুত্যাৰাৰ বক্তৃতা দিবলৈ উদগনি দিছিল। নিজেও নানা বিষয়ৰ কথা সময়ে সময়ে বুজাই দিছিল। চিঠি এবোৰতো নানা কথা আলোচনা কৰিছিল আৰু বিবিধ উপদেশ দিছিল।

এই গ্ৰন্থৰ আন ঠাইত প্ৰকাশিত হোৱা চিঠিপত্ৰবোৰত চকুফুৰাই চালেই বুজিবলৈ সবহ পৰ নালাগিব যে উকীল, বিচাৰক বা চাহখেতিয়ক আদি হলেও তেখেত এজন জন্মশিক্ষক আছিল।

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱে স্কুল আৰু কলেজৰ শিক্ষা পদ্ধতিৰ সংস্কাৰৰ বিষয়েও চিন্তা কৰিছিল। ১৯২৫ চনত অসম লেজিছ্লেটিভ কাউন্সিলৰ মেম্বৰ আছিল। সেই সময়ত ছিলেটৰ পৰা ৺ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰীও কাউন্সিলৰ মেম্বৰ আছিল। তেখেতে স্কুল আৰু কলেজৰ শিক্ষা পদ্ধতিৰ সংস্কাৰ সাধনৰ বিষয়ে বিচাৰ কৰি চাই তাৰ উন্নতি আৰু সংস্কাৰৰ সুচনা দিবৰ কাৰণে এটা প্ৰস্তাৱ দাখিল ধৰিছিল। চৰকাৰে সেই প্ৰস্তাৱটোৰ ঘোৰ বিৰোধিতা কৰিছিল। তেতিয়াৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ ডঃ টমছন চাহাবো ইয়াৰ ঘুৰ্ঘোৰ বিপক্ষে আছিল। ৺ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ প্ৰস্তাৱৰ সপক্ষে যুক্তি দৰ্শাই ৺কামাখ্যাৰাম বৰুৱাদেৱে সংস্কাৰৰ প্ৰয়োজনীয়তা স্থাপন কৰিছিল আৰু চৰকাৰৰ আপত্তি যুক্তিৰে খণ্ডন কৰি এটি সাৰুৱা বক্তৃতা দিছিল। স্বৰ্গীয় ৰোহিনীকান্ত হাতীবৰুৱাই প্ৰাথমিক বিদ্যালয়ত সুতাকটাৰ শিক্ষা দিয়াৰ প্ৰৱৰ্ত্তন কৰাৰ কাৰণে এটা প্ৰস্তাৱ দিছিল। চৰকাৰে সেই প্ৰস্তাৱৰো ঘোৰ বিৰোধিতা কৰিছিল। বৰুৱাদেৱে সেই প্ৰস্তাৱৰ সমৰ্থনত কৈছিল যে আমাৰ প্ৰাথমিক বিদ্যালয়বোৰত শিক্ষা কেৱল কিতাপ পঢ়া, লিখা আৰু অঙ্ক কৰাতে সীমাবদ্ধ কৰি ৰাখিব নালাগে। অসমৰ প্ৰাথমিক বিদ্যালয়বোৰত সুতাকটা আৰু কপাহখেতি কৰাৰ শিক্ষা প্ৰচলন আদিৰ ব্যৱস্থা থাকিব লাগে। ইয়াৰ উত্তৰত ডঃ টমছন চাহাবে কৈছিল যে শিক্ষা সীমাবদ্ধ কৰি ৰখা নাই। প্ৰাথমিক বিদ্যালয়বোৰত ড্ৰয়িং, হাতৰ কাম, বাগিছাৰ কাম আদি বহুতো বিষয়ত শিক্ষা দিয়া হয়। ইয়াৰ প্ৰতিবাদ কৰি বৰুৱাদেৱে কৈছিল মাটিৰ কাম বাদ দি আৰু বাগিছাৰ কাম কমাই কিছুসময় সুতাকটা বিষয় লৰাছোৱালীক শিক্ষা দিয়াত কি ক্ষতি হয় তেওঁ বুজি নাপায়। যঁতৰত সুতাকটা এনে এটা অতিৰিক্ত বিষয় প্ৰাথমিক স্কুলবোৰত চলোৱাত আপত্তি থকাৰ কাৰণ একো থাকিব নোৱাৰে। এইটো বৰ দুৰ্ভাগ্যৰ কথা যে আমাৰ দেশৰ বহুলোকে শাৰীৰিক পৰিশ্ৰম কৰাটো অপছন্দ কৰে। এই কথা অস্বীকাৰ কৰা নাযায় যে যেতিয়াৰ পৰাই শাৰীৰিক পৰিশ্ৰম কৰিবলৈ হেলা কৰা হৈছে সেইদিন ধৰি আমাৰ অধঃপতন ঘটিছে।

বৰুৱাদেৱে ইয়াকো কৈছিল যে শাৰীৰিক পৰিশ্ৰম কৰিবলৈ ভাল নোপোৱাটো বৰ্ত্তমান যুগৰ শিক্ষা-পদ্ধতিৰ এটা ডাঙৰ দোষ। ইয়াকো এই শিক্ষা পদ্ধতিয়ে বাধা দিব পৰা নাই, অথচ বিপৰীতে বৰ্ত্তমান শিক্ষা-পদ্ধতিয়ে শাৰীৰিক পৰিশ্ৰম কৰিবলৈ অপছন্দ কৰা কথাটো দৃঢ়হে কৰিছে। এই কথাত কোনো সন্দেহ নাই যে বৰ্ত্তমান শিক্ষা-পদ্ধতিৰ দ্বাৰা আমাৰ লৰাছোৱালীবোৰ বেছি আৰামপ্ৰিয়, বিলাসী আৰু অপব্যয়ী হৈছে। তেওঁলোকে শাৰীৰিক পৰিশ্ৰম কৰিবলৈ একেবাৰে ভাল নোপোৱা হৈছে। সেই কাৰণে সকলো ফালৰ পৰা বৰ্ত্তমান শিক্ষা-পদ্ধতিৰ প্ৰয়োজন হৈ উঠিছে। এই পৰিবৰ্ত্তনৰ আৱশ্যকতা চৰকাৰেও বুজিছে আৰু ৰাইজেও উপলব্ধি কৰিছে।

"আমাৰ চৰকাৰ আৰু আমাৰ সকলোৰে এইটো কৰ্ত্তব্য যে এই বেমাৰ গুচাব লাগে আৰু ইয়াক গুচুৱাৰ এটা পথ হৈছে স্কুলবোৰত ধঁতৰৰ কাম চলাবলৈ আৰম্ভ কৰা। মই কোৱা নাই যে এইটোৱে একমাত্ৰ পথ, কেৱল কব খুজিছো যে ইও এটা পথ। এই উদ্দেশ্যলৈ আমাৰ প্ৰাইমাৰী স্কুলবোৰত সূতাকটা কাম চলাব লাগে। ইয়াৰ পৰা লৰা ছোৱালীবোৰৰ হাতে কামে কৰা অভ্যাস হব আৰু উৎসাহো পাব।"*

বৰুৱাদেৱে সূতাকটা বা কপাহৰ খেতি কৰিবলৈ শিকোৱাত জোৰ দিয়াৰ কাৰণ আছিল। আগেয়ে আমাৰ দেশত মানুহে কপাহৰ খেতি কৰিছিল। তিৰোতা-বিলাকে সূতা কাটিছিল। তাৰে ঘৰতে কাপোৰ বৈ লৈছিল। বামুণৰ বিধৱা-সকলে ঘৰতে মিহি সূতা কাটি লগুণ তৈয়াৰ কৰিছিল। এতিয়া মিহি সূতা কাটিব পৰা তিৰোতা নোহোৱাই হ'ল। বজাৰত মিলৰ সূতা সস্তা দামত কিনিব পৰা হোৱাত কপাহৰ খেতি লুপ্ত হ'ল। সূতা কটা অভ্যাস নাইকিয়া হ'ল। মহাত্মাজীয়েও খোৱা-কটা কৰা কামলৈ মন ঘূৰাই আনিবলৈ চেষ্টা কৰিছিল।

স্বৰ্গীয় বৰুৱাদেৱে এই প্ৰস্তাৱ যেতিয়া কাউন্সিলত দাঙি ধৰিছিল আৰু এই বক্তৃতা দিছিল, তেতিয়া মহাত্মাজীৰ বুনিয়াদী শিক্ষাৰ ৰূপৰেখাই স্পষ্ট হোৱা নাছিল। গুণৰত তুলি দিয়া বক্তৃতাই তেখেতৰ শিক্ষাবিষয়ক দূৰদৰ্শিতাৰ আৰু সুবিবেচনাৰ চিনাকী দিয়ে। এই বক্তৃতা অসমত বুনিয়াদী শিক্ষাৰ আদৰ্শ প্ৰচলন কৰাৰ প্ৰথম প্ৰচেষ্টা বুলিও কব পাৰি।

অসমত সুকীয়া বিশ্ববিদ্যালয় স্থাপন আন্দোলনতো ৺কামাখ্যাৰাম বৰুৱা-

---

* বৰুৱাদেৱৰ এই বক্তৃতাৰ পূৰ্ণপাঠ এই গ্ৰন্থৰ আন ঠাইত সন্নিবিষ্ট কৰা বৰুৱাদেৱৰ বাছনিৰ বক্তৃতাবোৰত পাব।

দেৱে বিশেষ ভূমিকা লৈছিল। তেখেতে কৈছিল যে অসমীয়াৰ স্বাৰ্থ তথা অসমৰ স্বাৰ্থ কলিকতা বিশ্ববিদ্যালয়ে ৰক্ষা কৰিব নোৱাৰে। ইয়াৰ কাৰণে অসমত স্বকীয়া বিশ্ববিদ্যালয় একান্ত প্ৰয়োজন।

১৯৩৫ চনৰ ৩০ এপ্ৰিল তাৰিখে গুৱাহাটী কৰ্জ্জন হল (বৰ্ত্তমান নবীনচন্দ্ৰ বৰদলৈ হল) প্ৰাঙ্গনত অসমত বিশ্ববিদ্যালয় পতাৰ দাবী কৰিবলৈ অসম এছোছিয়েছন আৰু অসমীয়া সংৰক্ষিণী সভাৰ জৰিয়তে গুৱাহাটীৰ সকলো দল আৰু সকলো সম্প্ৰদায়ৰ এখন ৰাজহুৱা সভা বহে। ৺গোপীনাথ বৰদলৈ ডাঙৰীয়া সেই সভাৰ সভাপতি আছিল। সংৰক্ষিণী সভাৰ আজীৱন কৰ্ণধাৰ ৺অম্বিকাগিৰী ৰায় চৌধুৰীয়ে সভাৰ উদ্দেশ্য বুজাই দিয়াৰ পাছত ৺কামাখ্যাৰাম বৰুৱাদেৱে এই প্ৰস্তাৱটো দাঙি ধৰে আৰু সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

'অসম এছছিয়েছন আৰু সংৰক্ষিণী সভাৰ জৰিয়তে বহা গুৱাহাটীৰ এই ৰাজহুৱা সভাৰ দৃঢ়মত এই যে অসমত অবিলম্বে এটা বিশ্ববিদ্যালয প্ৰতিষ্ঠা হব লাগে।'

এই প্ৰসঙ্গতে আকৌ ১৯৩৬ চনৰ ২৫ মাৰ্চ্চ তাৰিখে গুৱাহাটীৰ স্থানীয় কৰ্জন হলৰ অৰ্থাৎ বৰ্ত্তমানৰ নবীনচন্দ্ৰ বৰদলৈ হলৰ মুকলি পথাৰত অসম বিশ্ব-বিদ্যালয় সংঘৰ আৰু অসম এছছিয়েছনৰ জৰিয়তে কানিংহাম ৰিপৰ্টৰ প্ৰতিবাদ কৰিবলৈ এখন ৰাজহুৱা সভা বহে। তাৰ সভাপতি আছিল স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা। বৰুৱাদেৱে সভাপতিৰ আসনৰ পৰা বৰ্কৃতা প্ৰসঙ্গত কৈছিল "তুৰ্কপলীয়া অসমীয়া ৰাইজে খুজিলে পিঠা, কিন্তু পালে শিলহে। নানাভাবে বিশেষ বিবয়া মিঃ কানিংহামক জনোৱা হ'ল যে অসমৰ বাবে এটি স্বকীয়া বিশ্ববিদ্যালয় স্থাপিত নহলে অসমীয়া ৰাইজ কেতিয়াও সন্তুষ্ট নহয়। কিন্তু দয়ালু কানিংহাম চাহাবে অসমৰ এমোনা টকাৰ শ্ৰাদ্ধ কৰি সিদ্ধান্ত কৰিলে যে অসমৰ বিশ্ববিদ্যালয় ছিলং পৰ্ব্বতৰ ওপৰতহে স্থাপিত হব লাগে। কিন্তু এইটো ঠিক যে বিশ্ববিদ্যালয় গুৱাহাটীত স্থাপিত নহৈ ছিলং পৰ্ব্বতত হ'লে তাক অসমীয়াই গ্ৰহণ নকৰে।"

বৰুৱাদেৱ শিক্ষা বিস্তাৰ আৰু ভাষা আৰু সাহিত্য সম্পৰ্কীয় কামত বিশেষ ভাবে সক্ৰিয় আছিল। এই কামবোৰৰ ভিতৰত উল্লেখযোগ্য কামবোৰ হ'ল হাইস্কুল স্থাপন, প্ৰাইমাৰী স্কুল স্থাপন, সংস্কৃত কলেজ স্থাপনত সহায়তা ইত্যাদি। স্বৰ্গীয় বৰুৱাৰ প্ৰচেষ্টাতে গুৱাহাটীত কেইবাখনো স্কুল গঢ়ি উঠিছিল। তদুপৰি আন শিক্ষানুষ্ঠানৰ লগতো বৰুৱাদেৱ ওতপ্ৰোতভাবে জড়িত আছিল।

৺কামাখ্যাৰাম বৰুৱাৰ চৰিত্ৰত প্ৰাচীন আৰু নতুনৰ সমন্বয় ঘটিছিল। পুৰণি ভালবোৰ তেখেতে ৰক্ষা কৰিবলৈ বিচাৰিছিল আৰু নতুন ভালবোৰক

আদৰণি জনাইছিল। উদাৰ দৃষ্টি ভঙ্গীয়েই আছিল তেখেতৰ বিশেষত্ব। কৰুণশীল মনোবৃত্তিৰে ছোৱালীক সদায় ঘৰৰ ভিতৰতে আৱদ্ধ কৰি ৰাখিবলৈ তেখেতে নিবিচাৰিছিল। লৰাছোৱালী উভয়ে শিক্ষাৰ ক্ষেত্ৰত সমানে আগবাঢ়িব লাগে। এটাক বাদদি আনটো আগবাঢ়িবলৈ যোৱাটো সমাজৰ প্ৰকৃত অগ্ৰগতি বুলি কব নোৱাৰি। এয়ে আছিল বৰুৱাদেৱৰ মতামত। এনে মতামতে ইয়াকো প্ৰতিষ্ঠা কৰে যে তেখেত প্ৰগতিশীল আছিল আৰু শিক্ষাক তেখেতে প্ৰগতিৰ প্ৰথম সোপান বুলি গণ্য কৰিছিল। সেইবাবেই তেখেতে ছোৱালীৰ শিক্ষা প্ৰসাৰৰ পোষকতা কৰিছিল। ইয়াৰ কাৰণে তেখেতে নিজেও যিমান পাৰে ধনগুণি যোগাইছিল।

নাৰী জাতিৰ প্ৰগতিৰ বাবে নাৰী শিক্ষাৰ প্ৰসাৰৰ অতি প্ৰয়োজন এই কথা বৰুৱাদেৱে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। দ্বিতীয় মহাযুদ্ধৰ আগলৈকে পশ্চিম গুৱাহাটী শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত অতিকৈ পাছ পৰা আছিল। কবলৈ গলে আছিল মাথোন লৰাৰ কাৰণে সোণাৰাম হাইস্কুলখন। নাছিল ইয়াত এখন ছোৱালী হাইস্কুল, নাছিল এখন কলেজ, নাছিল এটি সঙ্গীতানুষ্ঠান। যি এখন এম্ ই স্কুল আছিল, তাৰো অৱস্থা আছিল অতি শোচনীয়। তেতিয়া পশ্চিম গুৱাহাটীৰ ছোৱালীৰ বাবে কলেজীয়া শিক্ষা আছিল এটা সমস্যাৰ কথা।

১৯৪৯ চনৰ আগতে গুৱাহাটীত ছোৱালীৰ স্কুল বুলিবলৈ একমাত্ৰ পানবজাৰ ছোৱালী হাইস্কুলখনেই আছিল। বহু দূৰ দূৰণিৰ ঠাইৰ পৰা ছোৱালী সেইখন স্কুললৈ পঢ়িবলৈ আহিছিল। এই দূৰৰ ঠাইৰ পৰা অহা বিশেষকৈ পশ্চিম গুৱাহাটীৰ ভৰলুমুখ তেতিয়া এমূৰীয়া আওহতীয়া অঞ্চল আছিল। তাৰপৰা পানবজাৰলৈ অহা ছোৱালীবিলাকৰ বৰ অসুবিধা হৈছিল সেই কাৰণে ভৰলুমুখত এখন ছোৱালী স্কুল স্থাপনৰ সভা আহ্বান কৰা হৈছিল। স্থানীয় উদ্যোক্তাসকলৰ উদ্যোগত সোণাৰাম হাইস্কুল প্ৰাঙ্গনত ১৯৪৯ চনৰ ৩ চেপ্তেম্বৰ তাৰিখে শ্ৰীযুতা ৰাজবালা দাসৰ সভাপতিত্বত এই সভা বহে। প্ৰস্তাৱ দাঙি ধৰা হ'ল পশ্চিম গুৱাহাটীত এখন হাইস্কুল লাগে, ছোৱালী হাইস্কুল। সভাত বহুতে ছোৱালী স্কুল আৰু এখন পতাৰ বাবে সমৰ্থন দিলেও আন বহুতে বিৰোধিতাও কৰিছিল। কাৰণ ভৰলুমুখত এখন ছোৱালীৰ এম্ ই স্কুল আছিল। কিন্তু সেই সভাতে উপস্থিত থকা স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱে ছোৱালী হাইস্কুল এখন পাতিলে ১৫,০০০ টকা দিবলৈ সিদ্ধান্ত লোৱাত বিৰোধিতা কৰাসকলেও ছোৱালী হাইস্কুল এখন পতাৰ সপক্ষে মত দিলে। এই সভাত উপস্থিত আছিল শ্ৰীযুতা ৰাজবালা দাস, ৺হলিৰাম ডেকা, ৺কামাখ্যাৰাম বৰুৱা, শ্ৰীযুত কৰুণাকান্ত বৰুৱা, শ্ৰীযুত বলেন্দ্ৰ ৰাম ফুকন, শ্ৰীযুত নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য, ডাঃ কালি চৰণ দাস (তেতিয়াৰ সোণাৰাম হাইস্কুলৰ

হেড্‌মাষ্টৰ), মৌলবি মহিবুদ্দিন আহমেদ, মৌঃ জহিৰুল হ'ক, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা (তেতিয়াৰ হেড্‌মাষ্টৰ এম ই স্কুলৰ)।

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱৰ ১৫,০০০ টকাৰ অনুদানেৰে স্কুলৰ মেনেজিং কমিটিয়ে তেখেতৰ পিতৃ ৺কালিৰাম বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে তেখেতৰ নাম অনুসৰি এই স্কুলৰ নামকৰণ কৰিলে 'কালিৰাম বৰুৱা ছোৱালী হাইস্কুল।' জন্ম হ'ল এখন নতুন স্কুলৰ। স্কুলৰ প্ৰথম সম্পাদক আছিল ন্যায়াধীশ স্বৰ্গীয় হৰিৰাম ডেকা।

গুৱাহাটীৰ বিশিষ্ট ছোৱালী কলেজ 'সন্দিকৈ ছোৱালী কলেজ' স্থাপনতো ৺কামাখ্যাৰাম বৰুৱাদেৱে আগভাগ লৈছিল। পুৰুষৰ সমানে নাৰীকো উপযুক্ত শিক্ষা দিয়াৰ পক্ষপাতী আছিল স্বৰ্গীয় বৰুৱাদেৱ। সন্দিকৈ কলেজৰ ব্যৱস্থাপক সমিতিৰ চাৰি-পাচ বছৰমান সভাপতি আছিল স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱ। তদুপৰি পিচতো যেতিয়াই আৱশ্যক হৈছিল, তেতিয়াই তেখেতে কলেজখনৰ সমস্যা সমাধানত আগবাঢ়ি গৈছিল আৰু অধ্যক্ষা গৰাকীক পৰামৰ্শ আদিৰে সহায় কৰিছিল।

প্ৰাগ্‌জ্যোতিষ কলেজ স্থাপনতো তেখেত এজন উপদেষ্টা আছিল। ১৯৫৪ চনৰ ১৬ আগষ্টত ভৰলুমুখ শান্তিপুৰত বহা ইয়াৰ প্ৰতিষ্ঠাৰ প্ৰথম আলোচনি সভাত তেখেত উপস্থিত আছিল। ইয়াৰ পিছৰ বৈঠক সেই মাহৰে ২৪ তাৰিখে সোণাৰাম হাইস্কুলত বহিছিল। সেই সভাতো ৺কামাখ্যাৰাম বৰুৱাদেৱে উপস্থিত থাকি তেখেতৰ মূল্যবান উপদেশ আদি আগবঢাইছিল।

গুৱাহাটীৰ কুমাৰপাৰা অঞ্চলত এখন সাধাৰণ প্ৰাইমাৰী স্কুল আছিল। সেই ঠাইত ভাল ঘৰ দুৱাৰ নথকাত কণ কণ লৰাছোৱালীবিলাকৰ পঢ়া-শুনাত বৰ অসুবিধা হৈছিল। সেই স্কুলৰ সভাপতি আছিল ৺কামাখ্যাৰাম বৰুৱাদেৱৰ ডাঙৰ ল'ৰা শ্ৰীযুত অপূৰ্ব্বৰাম বৰুৱা। স্থানীয় লোকসকলে এখন সেই অঞ্চলত উন্নত ধৰণৰ পাঠশালা পাতি দিব লাগে বুলি তেতিয়াৰ স্কুল বোৰ্ডক টানি ধৰে। পাছে মুখপাতা থকাকৈ ঘৰ সাজিব পৰা মাজালি ঠাই এডোখৰ উলিয়াই দিব নোৱাৰাত স্কুল স্থাপনৰ কাম আগবঢ়া নাছিল। কুমাৰপাৰা কালিৰাম চৌধুৰী আলিৰ কাষতে ৺কামাখ্যাৰাম বৰুৱাদেৱৰ অলপ মাটি আছিল। স্থানীয় ৰাইজ আৰু সেই সময়ৰ স্কুলবোৰ্ডৰ অধ্যক্ষ শ্ৰীযুত লক্ষ্মীধৰ বৰা আদিয়ে ৺কামাখ্যাৰাম বৰুৱা-দেৱৰ ওচৰ চাপিল। বৰুৱাদেৱে ততালিকে সমুখ ফালৰ টুকুৰা মাটি স্কুলৰ অৰ্থে দান কৰিবলৈ মান্তি হ'লে। তেতিয়াৰ (১৯৫৭ চনৰ) দাম অনুসৰি সেই মাটিৰ মূল্য পোন্ধৰ হাজাৰ টকাৰ ওপৰ হ'ব।

কুমাৰপাৰা প্ৰাইমাৰী স্কুলৰ মেনেজিং কমিটিয়ে ২৫।১।৫৭ তাৰিখে বহা

তেওঁলোকৰ সভাত ৺কামাখ্যাৰাম বৰুৱাদেৱে কুমাৰপাৰা প্ৰাইমাৰী স্কুলৰ বাবে দান কৰা মাটি গ্ৰহণ কৰে। সেই সভাতে স্বৰ্গীয় বৰুৱাদেৱৰ ৺মাতৃদেৱীৰ নাম অনুসৰি স্কুলৰ নাম 'হৰিপ্ৰিয়া বিদ্যাপীঠ' ৰখা হয়। স্কুলবোৰ্ডেও সেই নাম অনুমোদন কৰিলে। ১৯৫৮ চনত সেই মাটিত ঘৰ সাজি কুমাৰপাৰাৰ পৰা প্ৰাইমাৰী স্কুলখন তুলি আনি নতুন ঠাইত স্থাপন কৰিছে। এই স্কুল এতিয়া 'হৰিপ্ৰিয়া বিদ্যাপীঠ' নামে সুপৰিচিত। বৰ্ত্তমান নগৰৰ লেখত লবলগীয়া পাঠশালা স্কুলৰ ভিতৰত ইও এখন। হৰিপ্ৰিয়া বিদ্যাপীঠৰ পৰিচালনাৰ সমিতিৰ প্ৰথম সম্পাদক আছিল বৰ্ত্তমান মুখ্য ন্যায়াধীশ শ্ৰীমহেন্দ্ৰ চন্দ্ৰ পাঠক।

সংস্কৃত শিক্ষাৰ প্ৰতিও বৰুৱাদেৱৰ অশেষ ধাউতি আছিল। সংস্কৃত পণ্ডিত সকলক বৰ শ্ৰদ্ধা আৰু সন্মান কৰিছিল। সেই সকলক গুৱাহাটীলৈ আহিলে নিজৰ ঘৰত আলহী ৰাখিবলৈ বৰ আনন্দ পাইছিল। নলবাৰী সংস্কৃত কলেজৰ তেখেত এজন প্ৰতিস্থাপক সদস্য আছিল। ৺পণ্ডিত প্ৰভাত চন্দ্ৰ গোস্বামী, ৺ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আদিৰ লগ হৈ নলবাৰী সংস্কৃত কলেজখনক এখন গৱেষণামূলক অনুষ্ঠানৰূপে গঢ় দিয়াৰ চেষ্টা কৰিছিল। এই কাৰ্য্যত নলবাৰী সংস্কৃত কলেজৰ অধ্যক্ষ শ্ৰীমনোৰঞ্জন শাস্ত্ৰীদেৱক বিশেষভাবে তেখেতসকলে নিয়োগ কৰিছিল।

গুৱাহাটীৰ মুনিকুলাশ্ৰম বৈদিক টোলৰো বৰুৱাদেৱ এজন প্ৰধান পৃষ্ঠপোষক আছিল আৰু কিছুকাল ইয়াৰ উপদেষ্টা সমিতিৰ সভাপতি ৰূপেও দিহা পৰামৰ্শ আৰু নানা প্ৰকাৰে টোলখনৰ উন্নতিৰ অৰ্থে চিন্তা কৰিছিল। সৰু পেটাৰ গিৰীশ বিদ্যাপীঠৰ অধ্যক্ষ পণ্ডিত দেবেন্দ্ৰনাথ স্মৃতিতীৰ্থই টোলৰ লগতে খেতিপথাৰ আৰু অন্য উৎপাদক শ্ৰমৰ ব্যৱস্থা কৰা দেখি বৰুৱাদেৱে বৰ সন্তোষ পাইছিল। এই টোল আৰু তাৰ কাম চাই নানাভাবে উৎসাহ প্ৰদান কৰিছিল। অসম সংস্কৃত এছছিয়েছনৰ এজন মনোনীত সদস্যৰূপে তেখেতে ইয়াৰ বাৰ্ষিক অধিবেশনবোৰত উপস্থিত থাকি আলোচনাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেতৰ উপস্থিতিয়ে পণ্ডিতসকলক যথেষ্ট প্ৰেৰণা যোগাইছিল। টোলবিলাকৰ প্ৰাচীন পদ্ধতি আৰু পৰাম্পৰা ৰক্ষা হোৱাটো তেখেতে কামনা কৰিছিল। কিন্তু আধুনিক সমাজৰ প্ৰয়োজনীয় শিক্ষাৰ পৰা টোলৰ লৰাক বঞ্চিত কৰা উচিত নহয় বুলি তেখেতে দৃঢ়মত প্ৰদান কৰিছিল। ১৯৬০ চনৰ তিনিচুকীয়াত হোৱা সংস্কৃত বোৰ্ডৰ সমাৱৰ্ত্তন উৎসবৰ তেখেত সভাপতি আছিল। সভাপতিৰ ভাষণ কাৰ্য্যকৰী দিশৰ পৰা বৰ মূল্যবান আছিল।

৺কামাখ্যাৰাম বৰুৱাদেৱৰ পৰিচালিত চাহ-বাগিছা কেইখনটো বনুৱা আৰু কৰ্ম্মচাৰীৰ লৰাবিলাকৰ পঢ়া-শুনাৰ সুবন্দবস্তৰ অৰ্থে তেখেতে বিশেষ চকু দিছিল।

কৰ্ম্মচাৰী সকলৰ কাৰণে সৰু গ্ৰন্থাগাৰ স্থাপনত সহায় কৰিছিল। তেখেতে নিজে কিতাপ-পত্ৰ তাত কিনি দিছিল।

ছোৱালীৰ স্কুল কলেজীয়া শিক্ষাতে তেখেতৰ অৰ্থদান আদি সীমাবদ্ধ নাছিল। আমাৰ সমাজহীন, আশ্ৰয়হীন ছোৱালী, বাল বিধৱা আৰু নিৰ্য্যাতিত তিৰোতা সকলৰ ৰক্ষণাবেক্ষণ আৰু সেইবিলাকৰ জীৱিকামূলক শিক্ষাদান কৰাৰ আৱশ্যকতা সম্বন্ধেও তেখেতে চিন্তা কৰিছিল। এনে দুই এখন অনাথ আশ্ৰমৰ পৃষ্ঠপোষকতাও কৰিছিল। পিছত সেইবোৰ নানা কাৰণত তিষ্ঠিব নোৱাৰিলে। বৰ্ত্তমানে বৃহত্তৰ গুৱাহাটীৰ অন্তৰ্গত জালুকবাৰীত যি ৰাজ্যিক নাৰীকল্যাণ ভৱন (State Home for Woman) আছে, তাৰ বাবে লগা গোটেই মাটিখিনি তেখেতৰে দান। এই মাটিৰ মুঠ পৰিমাণ আছিল কুৰি বিঘা। বৰ্ত্তমানে এই নাৰীকল্যাণ ভৱন সুচাৰুৰূপে চলি আছে। ইয়াত সূতাকটা, চিলাই কৰা, চুয়েটাৰ গোঁথা কামবোৰ শিকোৱা হয়। এই মাটিতে এটা শিশুমঙ্গলো স্থাপিত হৈছে। শিশুমঙ্গলৰ কামো ভালদৰে চলি আছে।

শেষ বয়সত ৺বৰুৱাদেৱে সৰু সৰু লৰাৰ কাৰণে খৃষ্টীয় মিছনাৰীৰ আদৰ্শত এটি আধ্যাত্মিক বিদ্যালয় স্থাপন কৰিবলৈ বৰ ইচ্ছা কৰিছিল। এই উদ্দেশ্যে ছিলঙত এটি ঘৰ বন্দবস্ত কৰি কিছু অগ্ৰিম ধনো দিছিল। এই কামটো সোনকালে কৰাৰ সুবিধাৰ কাৰণেই শেষ বয়সতো ছিলঙত ঘূৰি ঘূৰি ফুৰিছিল। এই পৰিশ্ৰম বৃদ্ধ বয়সত সহ্য নহ'ল। তেখেত অসুস্থ হৈ পৰিল। সেই অসুস্থতাই দীঘলীয়া হৈ পৰিল। শেষত এক পূৰ্ণজীৱনৰ প্ৰচুৰ খ্যাতিৰে তেখেত আমাৰ পৰা আঁতৰি গ'ল। শিক্ষানুৰাগী কামাখ্যাৰাম বৰুৱা আমাৰ পৰা গ'ল কিন্তু শিক্ষাৰ প্ৰতি তেখেতৰ যি অৱদান ইয়েই তেখেতক চিৰঞ্জীৱ কৰি ৰাখিব।

আইন ব্যৱসায়ত কামাখ্যাৰাম বৰুৱা

শ্ৰীজয়চন্দ্ৰ চৌধুৰী
গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা

আমি হাইস্কুলত পঢ়ি থকা কালতেই স্বৰ্গীয় বৰুৱাদেৱৰ নাম শুনিছিলো আৰু তেখেতক গুৱাহাটী আদালতত ওকালতি কৰাও দেখিছিলো। সংশ্লিষ্ট মহলত বহুতকে কোৱাও শুনিছিলো যে তেখেত এজন ডাঙৰ আইনজীৱী। কিন্তু আমি নিজে তেখেতৰ আইন ব্যৱসায় সম্পৰ্কে একো জনা নাছিলো। ইংৰাজী ১৯২৯ চনত যেতিয়া তেখেতৰ লগত পৰিচয় হ'ল আৰু তেখেতৰ সংস্পৰ্শলৈ আহিলো তেখেতৰ বহু গুণ উপলব্ধি কৰাৰ সৌভাগ্য ঘটিল। তেখেত এজন উদাৰ, মহানুভৱ, কৰ্ত্তব্যনিষ্ঠ আৰু দয়ালু পুৰুষ আছিল।

আমি যেতিয়া ওকালতি আৰম্ভ কৰোঁ তেতিয়া দেখিছিলোঁ যে সৰহ সংখ্যক উকীলেই নিজৰ আইনৰ কিতাপ নোহোৱাকৈ ব্যৱসায় চলাইছিল। গুৱাহাটী আদালতত ওকালতি কৰা আইনজীৱী সকলৰ স্বৰ্গীয় বৰুৱাদেৱো আছিল এজন। তেখেতৰ নিজৰ এটা 'লাইব্ৰেৰী' আছিল আৰু তেখেতে 'জুনিয়ৰ' উকীলসকলক পাৰিলে নিজৰ কিতাপ যোগাৰ কৰি লবলৈ সদায় উপদেশ দিছিল। তেখেতে কৈছিল যে—ভালকৈ কিতাপ পঢ়ি ব্যৱসায় নচলালে কোনেও ব্যৱসায়ত খ্যাতি লাভ কৰিব নোৱাৰে।

তেখেতক আমি সদায়েই দেৱানী আদালতত ওকালতি কৰা দেখিছিলো আৰু দুই চাৰি মোকৰ্দ্দমাত তেখেতৰ জুনিয়ৰ হৈ কাম কৰাৰ সৌভাগ্যও আমাৰ ঘটিছিল। তেখেত সদায়েই জুনিয়ৰ সকলৰ প্ৰতি সহানুভূতিশীল আছিল। উকীলৰ কৰ্ত্তব্য সম্পৰ্কে সজ উপদেশ দিবলৈ, আৱশ্যক অনুসৰি আইন বুজাই দিবলৈ তেখেতে ভাল পাইছিল। তেখেতৰ সংস্পৰ্শলৈ অহা কেইবাজনো জুনিয়ৰ উকীল যথেষ্ট উপকৃত হৈছিল।

ওকালতি ব্যৱসায়ত খ্যাতি লাভ কৰিবলৈ উকীলজন বহু গুণসম্পন্ন হব লাগে। আমি জনাত বহু চোকা বুদ্ধিৰ মানুহেও আইন ব্যৱসায়ত নাম কৰিব পৰা নাই। ভাল উকীল হবলৈ হলে মানুহজন চৰিত্ৰবান, ন্যায়পৰায়ণ, মিষ্টভাষী, স্পষ্টবাদী, ধাৰ্ম্মিক আৰু তেনেকুৱা বহুত সদ্‌গুণৰ অধিকাৰী হব লাগে। বৰুৱাদেৱ তেনে বহুত সদ্‌গুণৰ অধিকাৰী আছিল। তেখেতে কেতিয়াও কোনো মক্কেলৰ লগত বেয়া ব্যৱহাৰ নকৰিছিল। মক্কেলৰ হিতৰ বাবে সদায় সজ উপদেশ দিছিল

আৰু তাৰ পৰা নিজৰ কিবা ক্ষতি হলেও তালৈ ভ্ৰূক্ষেপ নকৰিছিল। কোনো মোকৰ্দ্দমাতে জানি শুনি মিছা কথাৰ অৱতাৰণা কৰা নাছিল। তেখেতে মোক্কেল-বোৰকো মিছা কথাৰ পৰা বিৰত থাকিবলৈ উপদেশ দিছিল।

কিছুমান মানুহে ওকালতি ব্যবসায়ৰ দুৰ্গুণ কোৱা শুনা যায় যে—"Lawyers are liers" অৰ্থাৎ তেওঁলোকে নিজৰ ব্যৱসায়ৰ প্ৰচাৰৰ বাবে নানা কূটবুদ্ধি খটাই সঁচাক মিছা কৰে আৰু মিছাক সঁচা কৰে। তেখেতে নিজ আচৰণৰ দ্বাৰা দেখুৱাই গৈছে যে কোনো উকীলেই কোনো কাৰণতে মিছা কথা কোৱাৰ আৱশ্যক নাই। মক্কেলে যি কয় তাকে তৰ্ক, যুক্তি আৰু প্ৰমাণেৰে সৈতে আদালতত দাঙি ধৰা আৰু তাৰ পোষকতাত আইন উল্লেখ কৰাই উকীলৰ কাম। সঁচাক মিছা, নাইবা মিছাক সঁচা কৰা উকীলৰ কাম নহয়। বৰং নিজৰ বুদ্ধি খটাই, মিছা কথা ধৰা পেলাই, ন্যায় বিচাৰত সহায় কৰাহে তেওঁৰ কাম।

আইন আদালতৰ কামৰ বাহিৰেও বৰুৱাদেৱৰ আন বহুতো ৰাজহুৱা কাম আছিল। তেখেতে বহু কামৰ মাজতো মক্কেলৰ কাম সদায় নিষ্ঠাৰে কৰিছিল। আমি তেখেতক সদায়েই আদালতত সময়মতে হাজিৰ হোৱা দেখিছিলো আৰু কেতিয়াও তেখেতৰ কোনো মোকৰ্দ্দমা তেখেতৰ অনুপস্থিতিৰ কাৰণে বেয়া হোৱা দেখা নাছিলো।

দেৱানী মোকৰ্দ্দমাত আৰ্জি, বৰ্ণনা আদি মচাবিদা কৰাত তেখেত বিশেষ পাৰদৰ্শী উকীল আছিল। সৰল ভাষাত আৰু চমুকৈ আৰ্জি বৰ্ণনা তৈয়াৰ কৰা এটা টান কাম। তেখেতে তৈয়াৰ কৰা আৰ্জি বৰ্ণনা সদায় চুটি আৰু স্পষ্ট আছিল অথচ আইন মতে থাকিবলগীয়া কোনো কথাই তাত বাদ নপৰিছিল। তাত কেতিয়াও অলাগতিয়াল কোনো কথাই ঠাই নেপাইছিল। অপৰ পক্ষৰ উকীলে তেখেতে তৈয়াৰ কৰা আৰ্জি বৰ্ণনা বিশেষ সাৱধানেৰে সৈতে পঢ়ি চাবলগীয়া হৈছিল।

আমি তেখেতক বহুত মোকৰ্দ্দমা চলোৱা দেখিছো। আদালতত তেখেতক কোনো দিনে কাৰো মনোৰঞ্জনৰ বাবে কোনো কথা কোৱা শুনা নাছিলো। তেখেতে কাকো তোষামোদ কৰিবলৈ কোনো কথা কোৱা নাছিল। আদালতৰ প্ৰতি সদায় সশ্ৰদ্ধ আছিল আৰু অপৰ পক্ষৰ উকীলৰ প্ৰতিও সদায় শ্ৰদ্ধা দেখুৱাই চলিছিল। কেতিয়াবা কেতিয়াবা দুয়ো পক্ষৰ উকীলৰ ভিতৰত অযথা বাক্-বিতণ্ডা হোৱা আৰু দুই এক ক্ষেত্ৰত অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাও আমাৰ চকুত পৰিছে। বৰুৱাদেৱক কোনো দিনে অপৰ পক্ষৰ উকীলৰ লগত বাক্-বিতণ্ডা কৰা আমি দেখা নাছিলো। তেখেতৰ ধীৰ স্বভাৱৰ কাৰণে অপৰ পক্ষৰ উকীলে তেখেতৰ লগত অযথা কথা প্ৰয়োগ কৰিবলৈ সাহস নকৰিছিল। মুনচেফৰ আদালতৰ পৰা উচ্চ ন্যায়ালয়লৈ সকলো আদালতে তেখেতৰ লগত সশ্ৰদ্ধ ব্যৱহাৰ কৰিছিল।

নিজৰ সাক্ষী সোধোঁতে নাইবা অপৰ পক্ষৰ সাক্ষীক জেৰা কৰোঁতে তেখেত সদায়েই নম্ৰ আছিল আৰু কেতিয়াও কোনো সাক্ষীকে হেয় প্ৰতিপন্ন কৰিবলৈ নাইবা খং তুলি বিমোৰত পেলাবলৈ কেতিয়াও চেষ্টা নকৰিছিল। কোনো সত্য কথা আদালতত গোপন কৰিবলৈ চেষ্টা কৰা আমি দেখা নাছিলোঁ। তেখেতৰ জেৰা সদায়েই চুটি আছিল। মক্কেলক ভাল লগাবলৈ নাইবা দৰ্শকৰ প্ৰশংসা লাভ কৰিবলৈ তেখেতে কোনো দিনে আদালতত চেষ্টা কৰা আমি দেখা নাই। বুদ্ধি খটাই মিছা কথা কোৱা সাক্ষীক ঠেকত পেলাই, সত্য কথা উদ্ঘাটন কৰিব পৰা তেখেতৰ এটা বিশেষ শক্তি আছিল। তেখেতৰ জেৰাৰ গতি সূক্ষ্ম আছিল। একোটা প্ৰশ্ন কি উদ্দেশ্যে কৰা হৈছে সতকাই ধৰিব নোৱাৰি। প্ৰথমতে অবান্তৰ যেন লগা এ'কাটা প্ৰশ্নৰ উত্তৰ তেখেতে শেহত গৈ সম্পুৰ্ণভাবে নিজৰ পক্ষ সমৰ্থনত প্ৰযোগ কৰিছিল। এইটো তেখেতৰ জেৰাৰ এটা বিশেষত্ব আছিল।

আদালতত তেখেতৰ সত্যানুৰাগ আৰু ন্যাযপৰাযণতাৰ এটি ক্ষুদ্ৰ পটন্তৰ আমাৰ নিজৰ ক্ষেত্ৰতে পাইছিলো। তেখেত এটি অনুষ্ঠানৰ কৰ্ম্মকৰ্ত্তা আছিল আৰু তেখেতৰ কাৰ্য্যকালত সেই অনুষ্ঠানৰ এজন কৰ্ম্মচাৰীৰ বিৰুদ্ধে থানাত এখন এজাহাৰ তেখেতে নিজেই দিবলগীযা হৈছিল। পুলিচে সেই এজাহাৰ মতে এটি ফৌজদাৰী মোকৰ্দ্দমা ৰুজু কৰি তদন্ত কৰে আৰু কৰ্ম্মচাৰী জনৰ বিৰুদ্ধে অভিযোগ পত্ৰ দাখিল কৰে। সেই মোকৰ্দ্দমাত তেখেতৰ পক্ষে মোক উকীল নিযুক্ত কৰিছিল— চৰকাৰী উকীলক সহায কৰিবলৈ। আমাৰ লগত আন এজন চিনিয়ৰ উকীলো আছিল। মোকৰ্দ্দমাৰ সাক্ষী লোৱাৰ সময়ত চিনিযৰ উকীলজনৰ পৰামৰ্শ মতে চৰকাৰী উকীলে স্বৰ্গীয বৰুৱাক সাক্ষীৰূপে নলবলৈ স্থিৰ কৰিলে -কিযনো তেখেতৰ সত্যবাদিতাই হযতো মোকৰ্দ্দমাৰ অহিত কৰিব পাৰে। তেখেতে এই সিদ্ধান্তৰ প্ৰতিবাদ কৰি আমাক কৈছিল যে তেখেতে সাক্ষ্য দিবই আৰু মোকৰ্দ্দমাৰ ফল যিহকে নহওক সঁচা কথা যি জানে কবই আৰু কোনো কথা গোপনো নকৰে। যদি তেখেতৰ সাক্ষ্যৰ পৰা আচামীৰ কোনো উপকাৰ হয- তাৰ পৰা তেওঁক বঞ্চিত কৰা ন্যাযবিগৰ্হিত হব।

৺বৰুৱাদেৱক আমি ওকালতি কৰা বেছি দিন পোৱা নাই। বৃটিছৰ আমোলত উকীলসকলৰ পৰা কাকো পোণপটীযাকৈ জজ্ নাইবা চব্ জজ নিযুক্ত কৰা নহৈছিল —বিশেষকৈ অসমত। ১৯৩৭ চনৰ চেপ্তেম্বৰ মাহত তেখেতক অসম গবৰ্ণমেণ্টে এডিশ্যনেল চবজজ নিযুক্ত কৰে, ইয়াৰ আগতে তেখেত কলিকতা হাইকৰ্টৰ এড্‌ভোকেটৰূপে স্বীকৃত হৈছিল। তেখেতৰ আদালতত আমি মূল দেৱানী মোকৰ্দ্দমা আৰু আপীল মোকৰ্দ্দমাৰ চলোৱাৰ সুযোগ পাইছিলো। তেখেত

আদালতত সদায়ে সৰল আৰু আৰম্বৰবিহীন আছিল। কোনো উকীলকে কেতিয়াও অশোভন ব্যৱহাৰ নকৰিছিল। তেখেতৰ আদালতত সকলোৱে ন্যায় বিচাৰ পাব বুলি বিশ্বাস কৰিছিল।

তাৰ পিছত তেখেতে মণিপুৰ ৰাজ্যৰ মুখ্য ন্যায়াধীশৰূপে কিছুদিন কাম কৰে। মণিপুৰতো তেখেত ন্যায়পৰায়ণতা আৰু আইনৰ জ্ঞানৰ কাৰণে বিশেষ সন্মানৰ পাত্ৰ হৈছিল।

১৯৪৬ চনত তেখেতে মণিপুৰৰ চাকৰি ইস্তফা দি গুৱাহাটীলৈ উভতি আহে আৰু তাৰ পিছত অসম হাইকৰ্টত ওকালতি আৰম্ভ কৰে ১৯৫০।৫১ চনৰ পৰা তেখেতে ওকালতি কৰিবলৈ এৰি দিয়ে। সেই সময়ত তেখেতে আমাক জনাইছিল যে তেখেতৰ বাৰ্দ্ধক্যৰ কাৰণে স্মৰণশক্তি হ্ৰাস হৈছে—এনে অৱস্থাত ওকালতি কৰি থাকিলে মক্কেলৰ অহিত হব পাৰে, গতিকে ওকালতি বন্ধ কৰাই উচিত হব।

তেখেতৰ নিচিনা উকীলৰ জীৱনৰ পৰা উঠি অহা উকীলসকলে আইন ব্যৱসায়ৰ সজ আদৰ্শৰ প্ৰেৰণা পাব।

———

চাহ উদ্যোগ আৰু কামাখ্যাৰাম বৰুৱা

শ্ৰীখেটেক ধৰ বৰুৱা

প্ৰাক্তন মেনেজাৰ, বাহাদুৰ বাগিছা, যোৰহাট

এহেজাৰমান বছৰৰ আগতেই চীন দেশৰ পৰ্ব্বতত চাহ আবিষ্কাৰ হয়। অন্য দেশৰ মানুহে প্ৰথমতে চীন দেশৰ মানুহৰ পৰাহে চাহ খাবলৈ শিকে।

বৰ্মা যুদ্ধৰ সময়ত অসমলৈ ইংৰাজ অহাৰ লগে লগেই আসামৰ হাবিতো যে চাহগছ আছে এইটো জানিবলৈ পোৱা যায়। লৰ্ড উইলিয়ম বেণ্টিঙ্ক্ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হৈ থাকোতে ১৮৩৪ চনত ভাৰতত চাহ খেতি কৰিবৰ বাবে আৱশ্যকীয় ব্যৱস্থা লবলৈ এখন সমিতি গঠন কৰি দিয়া হয়। জেমছ্ পেট্‌ল (James Pattle) এই কমিটিৰ সভাপতি আৰু জি, আই, গৰ্ডন (G I Gordon) সম্পাদক মনোনীত হয়।

১৮৩৯ চনত পোন প্ৰথমতে আসাম কোম্পানী অনুষ্ঠিত হয়। এই কোম্পানীয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা সৰহভাগ বাগিছা কিনি লয়। তাৰ বাহিৰেও কেবাখনো নতুন বাগিছা খোলে। আসাম কোম্পানীয়ে চি, আৰ, ব্ৰুচক (C R Bruce) ভালেমান বাগিছাৰ ওপৰত চুপাৰিন্‌টেনডেণ্ট পাতি দিয়ে। ইংৰাজ অসমলৈ অহাৰ পিছৰে পৰা এওঁ আসামৰ হাবিত চাহগছ আবিষ্কাৰ কৰা কামত ব্যস্ত আছিল। ১৮৩৮ চনত এওঁ এখন মেপ তৈয়াৰ কৰি আসামৰ কোন কোন ঠাইৰ হাবিত আগৰে পৰা চাহ গছ আছে সেই সকলোবিলাক দেখুৱাই দিয়ে। আসাম কোম্পানীৰ পিচত ১৮৫৯ চনত যোৰহাট টি কোম্পানী গঠিত হয়।

১৮৫২ চনত অসম কোম্পানীয়ে চাহ বিক্ৰয়ৰ পৰা কিছু টকা লাভ কৰে আৰু প্ৰথমবাৰৰ বাবে অংশীদাৰক লব্ধাংশ দিয়ে।

ওঠৰশ শতিকাৰ শেষ ভাগৰে পৰা কেবাখনো চাহ কোম্পানী আৰম্ভ হয়। উজনি আসামৰ অসমীয়া মানুহেও চাহখেতি আৰম্ভ কৰে। প্ৰথমতে মণিৰাম দেৱানে চীনামৰা বাগিছা খোলে। এখেতেই হেনো চি, এ, ব্ৰুচক পোন প্ৰথমেই অসমত চাহগছ থকাৰ কথা কৈছিল। তাৰ পিচত স্বৰ্গীয় ৰোষেশ্বৰ বৰুৱা, মালভোগ বৰুৱা, হেমধৰ বৰুৱা, বিষ্ণুৰাম তহচিলদাৰ, নাৰায়ণ চন্দ্ৰ বেজবৰুৱা আৰু কেবাজনো অসমীয়া মানুহে নিজাকৈ বাগিছা খুলি বাগিছাত উৎপন্ন হোৱা চাহ বিক্ৰয় কৰি তাৰ লাভৰ পৰা নিজৰ অৱস্থা টনকিয়াল কৰি তুলিছিল। তেতিয়ালৈকে নামনি অসমৰ মানুহে চাহ খেতিৰ বাবে বিশেষ মন দিয়া দেখা নগৈছিল। পিচত যেতিয়া

বৰুৱা টি কোম্পানী প্ৰতিষ্ঠা কৰা হয় তাত ডাঃ হৰেকৃষ্ণ দাস আৰু বিষ্ণুপ্ৰসাদ দুবৰাই অংশ লৈছিল আৰু চাহ বিক্ৰিৰ পৰা হোৱা লাভৰ পৰা লব্ধাংশ পাই আছিল। তাৰ পিচত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে হাতীজান বাগিছা খোলে আৰু কেইজনমান সম্ভ্ৰান্ত আৰু বিশিষ্ট ব্যক্তিয়ে গোবিন্দপুৰ বাগিছাৰ অংশ লয়। এই সকলোৰে ভিতৰত আটাইতকৈ আগশাৰীত আছিল স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা। তেখেতেই প্ৰথমৰে পৰা অসমীয়া মানুহ একগোট হৈ চাহখেতি কৰাৰ প্ৰয়োজন উপলব্ধি কৰে আৰু তাৰ বাবে দেহেকেহে লাগিছিল আৰু কম সময়ৰ ভিতৰতে সকলো বাধা বিঘিনি অতিক্ৰম কৰি কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছিল।

১৯২১ চনত যেতিয়া মই কটন কলেজত পঢ়িছিলো ভৰলুমুখত থকা মোৰ বন্ধু কেইজনৰ পৰা তেখেতৰ বিষয়ে অলপমান জানিবলৈ পাইছিলো। তেওঁলোকে তেখেতৰ কথা এজন সাধু আৰু দয়ালু প্ৰকৃতিৰ মানুহ বুলি কৈছিল। তেতিয়া মই তেখেতক নিজে দেখা নাছিলো।

১৯২১ চনত কৰ্মবীৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনে মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত লাগি যায। ঠিক সেই সময়তেই স্বৰ্গীয় কামাখ্যাৰাম বৰুৱায়ো নিজৰ ওকালতি এৰি আন্দোলনত যোগদান কৰে।

মহাত্মা গান্ধীয়ে কেইবছৰমানৰ বাবে অসহযোগ আন্দোলন স্থগিত ৰখাৰ পিছত তেখেতে পুনৰ ওকালতি আৰম্ভ কৰে। প্ৰায় এনে সময়তে তেখেতে জানিব পাৰিলে যে ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ লক্ষীমপুৰ জিলাৰ টিপলিং মৌজাত চাহখেতিৰ বাবে উপযোগী গ্ৰাণ্ট এটা আছে আৰু সেই গ্ৰাণ্টটো ৰায়বাহাদুৰ সন্দিকৈয়ে বিক্ৰি কৰিব। এই খবৰ পোৱা মাত্ৰকেই তেখেত যোৰহাটলৈ আহি ৰায়বাহাদুৰ সন্দিকৈক লগ ধৰে আৰু দহ হেজাৰ টকাত গ্ৰাণ্টটো কিনিবলৈ ঠিক কৰে। লগে লগেই ১৬ জন অংশীদাৰ গোটাই এখন কোম্পানী গঠন কৰে। প্ৰত্যেক অংশৰ মূল্য ৮০০০ (আঠ হেজাৰ) টকাত ধাৰ্য্য কৰে আৰু ১৬টা অংশৰ মূল্য এক লাখ আঠাইশ হেজাৰ হয়। অংশীদাৰসকলৰ ভিতৰত কেইবাজনো কম উপাৰ্জ্জনৰ মানুহো আছিল।

মই জনাত ৰায়বাহাদুৰ সন্দিকৈৰ পৰা গ্ৰাণ্টটো কিনাৰ সময়ত তেখেতৰ হাতত টকা নিচেই কম গোট খাইছিল। সেইবাবে আটাইখিনি টকা একেলগে দিব নোৱাৰি বাকী টকাৰ বাবে এখন হেণ্ডনোট লেখি দিয়ে। ৰায়বাহাদুৰ সন্দিকৈ ওখ মনৰ মানুহ আছিল। তেখেতে স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাক বৰ বিশ্বাস কৰিছিল। সেইবাবে আনন্দ মনেৰে হেণ্ডনোটখন গ্ৰহণ কৰিছিল। ৰায়বাহাদুৰ সন্দিকৈৰ এনে দয়ালু ব্যৱহাৰত সন্তুষ্ট হৈ তাৰ চিন স্বৰূপে বাগিছাখনৰ নাম

বাহাদুৰ আৰু কোম্পানীটোৰ নাম বাহাদুৰ টি কোম্পানী লিমিটেড্ ৰখা হ'ল। এই কথাটো স্বৰ্গীয় বৰুৱাই মোক এদিন কৈছিল। তেখেত এই কোম্পানীৰ প্ৰথম মেনেজিং ডাইৰেক্টৰ নিৰ্বাচিত হৈছিল।

১৯২৫ চনৰ পৰা বাহাদুৰ বাগিছা খোলা কাম আৰম্ভ হয়। সেই সময়ত কলিকতাৰ বজাৰত চাহৰ দাম ভাল আছিল। বাগিছা খোলাৰ আগতে তেখেতে কেবাখনো নামজ্বলা বাগিছা চাই লৈছিল। ইংৰাজ চাহ খেতিযকে লেখা ভাল কিতাপো পঢ়ি পৰিপাটীকৈ চাহ খেতিৰ বিষযে সকলো লাগতিযাল কথা বুজি লৈছিল। বাগিছাৰ কাম জনা আৰু ভাল স্বভাবৰ শ্ৰীসদানন্দ ভুৰৰাক প্ৰথম মেনেজাৰ নিযুক্ত কৰি এখন ভাল বাগিছাৰ আৰ্হিৰে বাগিছা খোলা কাম আৰম্ভ কৰে।

ইযাৰ কেইবছৰ মানৰ পিছৰে পৰা কলিকতাৰ বজাৰত চাহৰ দাম ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিলে। বাগিছা চলাবলৈ টকাৰ অভাৱ হ'ল। কোনো বেঙ্কে টকা ধাৰলৈ দিবলৈ ইচ্ছা নকৰা হ'ল। কিন্তু এনে অৱস্থাতো তেখেতে অলপো মন পেলাই নিদিলে। যি সকল অংশীদাৰৰ তেওঁলোকৰ অংশৰ টকা কিছু দিবলগা বাকী পৰি আছিল, তেওঁলোককো একো আমনি নকৰিলে। অশেষ যত্ন কৰি অন্য মানুহৰ পৰা টকা ধাৰে আনি, সাৱধানে পইচা খৰচ কৰি বাগিছাখনৰ কাম নিযমিতৰূপে চলাই আছিল। তাৰ বাহিৰেও বাগিছাখনত উৎপন্ন হোৱা পাতৰ পৰা চাহ তৈযাৰ কৰিবৰ বাবে সৰুকৈ কলঘৰ এটা সজাই তাত এটা সৰু অইল ইঞ্জিন, (15 B H P Clyten Baback Oil Enfire) এখন সৰু ৰলাৰ, দুটা সৰু ড্ৰাযাৰ বহুৱালে। ইযাৰ দ্বাৰাই চাহ তৈয়াৰ কৰি কলিকতা বজাৰত চাহ বিক্ৰি কৰিব পৰা হ'ল। এনে এটা অৰ্থ সঙ্কটৰ সময়ত নিচেই কম মূলধনেৰে সৈতে বাগিছাখন এনে অৱস্থালৈ অনাৰ পৰা তেখেতৰ মনোবল, ধৈৰ্য্য, অধ্যৱসায আৰু দূৰদৰ্শিতাৰ পৰিচয পোৱা যায। ১৯২৫ চনৰ পৰা ১৯৩২ চনলৈকে এই সময-ছোৱাৰ ভিতৰত ১৫৮ একৰত চাহ ৰোৱা হয আৰু তাৰ পৰা ৩০০ মোন মান পকা পাত (Made tea) পোৱা হৈছিল। এই সমযত প্ৰায ১,৫০,০০০ এক লাখ পঞ্চাশ হেজাৰ মান বাহিৰা ধাৰ হৈছিল। চাহৰ দাম পৰি যোৱাৰ ভিতৰতে কেইবাখনো অন্য বাগিছা অচল হয আৰু অৱশেষত অন্য মালিকৰ হাতলৈ যায।

চাহৰ দাম কমাৰ অলপ সমযৰ আগতেই তেখেতে গোবিন্দপুৰ কোম্পানীত ২০ হেজাৰ টকাৰ অংশ লৈ তাৰ অংশীদাৰ হয়। এই টকা তেখেতে ধুবুৰী বেঙ্কৰ পৰা ধাৰ কৰি আনিছিল। ইযাৰ পিচত তেখেতে গোবিন্দপুৰ টি কোম্পানীৰ

মেনেজিং ডাইৰেক্টৰ মনোনীত হয়। গোবিন্দপুৰ বাগিছাত এটা সৰু কলঘৰ আছিল কিন্তু তাত কেৱল ১০০ এশ মোন মানহে চাহ হৈছিল। এই বাগিছাখনৰ সীমাতে স্বৰ্গীয় গোলোক চন্দ্ৰ বেজবৰুৱাৰ বিজুলীজান বাগিছাখন আছিল। তাত কলঘৰ নাছিল আৰু বাগিচাখনত ৩০০ মোন মান চাহ তৈযাৰ হৈছিল। চাহ কম হোৱা বাবে গোবিন্দপুৰ বাগিছাই এশ৷ মোন চাহ তৈয়াৰ কৰোঁতে চাহ অনুপাতে বহুত বেচি খৰচ বহন কৰিব লগা হৈছিল। ইফালে বেজবৰুৱাই বহুত বেচি খৰচ কৰি অন্য বাগিচাত চাহ তৈযাৰ কৰিব লগা হৈছিল। ইযাৰ ফলত দুযো-খন বাগিছাৰ অৱস্থা দিনক দিনে বেযালৈ যাবলৈ ধৰিলে। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাই দকৈ বিবেচনা কৰি দেখিলে যে যদি দুযোখন বাগিছাৰ একেলগে লগ লগাই একেটা কলঘৰতে চাহ তৈযাৰ কৰিব পৰা হয, তেনেহলে খৰচ বহুত কমিব আৰু বাগিচা দুখনে লাভ দিব পাৰিব। তেখেতে এই বিষযে বেজবৰুৱাক বুজাই দিযাত তেওঁ উচিত বিবেচনা কৰি বিজুলীজান বাগিছাখন গোবিন্দপুৰ টি কোম্পানীৰ লগত চামিল কৰি দিলে। তাৰ পিছৰ পৰাই উক্ত কোম্পানী উন্নতি পথলৈ আহিব ধৰিলে। ইযাৰ পৰাও তেখেতৰ দূৰদৰ্শিতাৰ যথেষ্ট প্ৰমাণ পোৱা যায।

চাহৰ সঙ্কটৰ শেষ ভাগত ১৯৩৩ চনৰ জুন মাহত মোক বাহাদুৰ বাগিছাৰ মেনেজাৰ নিযুক্ত কৰে। মই জুন মাহৰ ৩ (তিন) তাৰিখৰ দিনা বাহাদুৰলৈ আহোঁ। যদিও সেই সময়ত বাগিছাখনৰ বহুত ধাৰ আছিল আৰু মজদুৰসকলক কেইবা সপ্তাহৰ আৰু কৰ্মচাৰীসকলক কেইবা মাহৰো দৰমহা দিবলৈ বাকী আছিল, বাগিছাখন যে ভাল কৰিব পৰা হব এইটো মই ভালকৈ অনুমান কৰিব পাৰিছিলো। মেনেজিং ডাইৰেক্টৰজন যে বৰ সাধু আৰু দযালু মানুহ এই ভাবটোৱেও মোৰ মনত শক্তি দিছিল। জ্ঞানী মানুহৰ তলত কাম কৰি অলপ কষ্ট পালেও কষ্ট যেন নালাগে। মিছলীযা মানুহৰ তলত কাম কৰি আৰামত থাকিবলৈ পালেও মনত অলপো শান্তি নাথাকে।

বিলাতৰ বজাৰত (লণ্ডনৰ বজাৰত) যিমান চাহ লাগে তাতকৈ বেছি চাহ ৰপ্তানি হোৱাবাবেই চাহৰ দাম কমি যায। এই সঙ্কটৰ অৱসান ঘটাবৰ বাবে ভাৰত, চিলন (Ciylon) আৰু ডাচ্ গৱৰ্ণমেণ্টৰ অধীনত থকা চাহ উৎপন্ন হোৱা দেশসমূহৰ মাজত এখন চুক্তি হয়। এই চুক্তিমতে বিদেশলৈ ৰপ্তানী কৰা চাহৰ পৰিমাণ কমোৱা হয। বাগিছাবিলাকে ১৯৩৩ চনৰ আগৰ দুবছৰত যিমান চাহ উৎপন্ন কৰিছিল তাৰ গড হিচাপৰ ওপৰতে ৰপ্তানি কৰিবলৈ দিয়া চাহৰ পৰিমাণ ধাৰ্য্য কৰিছিল। এইমতে চাহৰ পৰিমাণ ধাৰ্য্য কৰিলে বাহাদুৰ

বাগিচাই নিচেই কম পৰিমাণেহে চাহ ৰপ্তানি কৰিব পাৰিব। সেইবাবে তেখেতে (স্বৰ্গীয় বৰুৱাই) আই, টি, এ (Indian Tea Association) আৰু টি লাইচেনচিং কমিটিলৈ আবেদন পত্ৰ দি জনালে যে অৰ্থ সঙ্কটৰ বাবে বাগিছাখনত নিয়মিতৰূপে পাত তুলিব নোৱাৰা বাবেহে বাগিচাৰ উৎপন্ন কমি গ'ল আৰু সেইবাবে বাহাদুৰ বাগিছাৰ বিষয়ে ভালকৈ বিবেচনা কৰি ৰপ্তানী কৰা চাহৰ পৰিমাণ বৃদ্ধি কৰি দিব লাগে। এই আবেদন সন্তোষজনক বুলি ভাবি তেওঁ-লোকে ৰপ্তানী কৰা চাহৰ পৰিমাণ বৃদ্ধি কৰি দিয়ে আৰু বাগিছাখন ৩০০ একৰ-লৈকে বঢোৱাৰ বাবেও টি লাইচেনচিং কমিটিৰ পৰা অনুমতি পোৱা গল।

ৰপ্তানী কৰা চাহৰ পৰিমাণ কমোৱাটো বাধ্যতামূলক আছিল কিন্তু ভাৰতৰ ভিতৰত ব্যৱহাৰ কৰিবৰ বাবে বিক্ৰি কৰা চাহৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নহৈছিল। সেই বাবে তেখেতে চাহৰ উৎপাদন বৃদ্ধি কৰিবৰ বাবে উপদেশ দিলে, কাৰণ চাহৰ উৎপাদন বঢাব পাৰিলেহে চাহ তৈযাৰ কৰা খৰচো কমাব পৰা হ'ব। এনে দুটা ব্যৱস্থা অৱলম্বন কৰাৰ ফলত বাগিছাৰ উন্নতি পথ মুকলি হ'ল আৰু কম সময়ৰ ভিতৰতে বাগিছাখনৰ অৱস্থা ক্ৰমান্বয়ে ভাললৈ আহিবলৈ ধৰিলে।

বাগিছাৰ চাহৰ উৎপাদন বৃদ্ধি কৰা আৰু চাহত থকা আগৰ দোষবোৰ দূৰ কৰি চাহৰ দাম বৃদ্ধি কৰিবলৈ যি ব্যৱস্থা লব লাগে তাৰ সম্পূৰ্ণ দাযিত্ব মোৰ হাতত পৰিল। তেখেতে মোক বিশ্বাস কৰিছিল। মোক মেনেজাৰ কাম দিযাৰ আগতে ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱা, কুলধৰ চলিহা, বি, এল আৰু যাদব চলিহাৰ লগত মোৰ বিষয়ে কথা হৈছিল। আটাই কেইজনে মোৰ বিষয়ে বৰ ভালকৈ কৈছিল। এই কথা মই বাহাদুৰলৈ অহাৰ পিছত তেখেতে মোক এদিন কৈছিল।

বাহাদুৰলৈ অহাৰ পিছদিনাই (জুনৰ ৪ তাৰিখে) ৰাতিপুৱা আগৰ নিয়ম বদলাই নতুন নিযমেৰে চাহ তৈয়াৰ কৰি কেবাটাও নমুনা কলিকতাৰ জে, টমাছ এণ্ড কোম্পানীলৈ পঠালো। চাহ বৰ ভাল হৈছে বুলি তেওঁলোকৰ পৰা খবৰ আহিল। এই খবৰ পাই তেখেতে বৰ সন্তোষেৰে সৈতে মোক জনালে।

চাহৰ উৎপাদন বেছি হ'ল আৰু চাহৰ দামো আগতকৈ বহুত গুণে বেছি হ'ল। আগতে ভাল চাহৰ দাম পাউণ্ডত ।৶০ (৩৭ পঃ) ছয় অনা মানহে আছিল। কিন্তু এই বছৰত পাউণ্ডত ১।।০ (১৫০ পঃ) দেড টকাতকৈয়ো বেছিকৈ বাঢিলে। বিদেশী মালিকৰ চাহ বাগিছাবিলাকৰ সৈতে একে সমানে দাম পোৱা হ'ল। চাহৰ দাম বঢাৰ লগে লগে টকা পইচাৰ অভাৱ দূৰ হবলৈ ধৰিলে, অংশীদাৰসকলৰ মনত বাগিছাখনৰ প্ৰতি বৰ উৎসাহ জন্মিল আৰু

১৯৩৩ চনৰ দুৰ্গাপূজাৰ বন্ধত কেইবাজনো অংশীদাৰ বাগিছালৈ আহি বাগিছাত কেই দিন মান থাকি গ'ল। এই সময়ত কলিকতাৰ ভৱানীপুৰ বেঙ্কিং কৰপৰেছনে বাহাদুৰক টকা দিছিল কিন্তু তেওঁলোকে মাজে সময়ে দিগদাৰ দিযাত তেওঁলোকক এৰি দিয়া হ'ল। তাৰ পিছত এবছৰমান কলিকতাৰ অৰিয়েন্ট ৰৰ্কছৰ পৰা টকা লৈ বাগিছা চলোৱা হয়। শ্ৰীহৰেন সেন (শ্ৰীনৰেন্দ্ৰনাথ সেনৰ ভাযেক) এই কোম্পানীটোৰ মেনেজিং ডাইৰেক্টৰ আছিল।

মই বাগিছালৈ মেনেজাৰ হৈ অহাৰ প্ৰথম এমাহৰ ভিতৰতে মেনেজিং ডাইৰেক্টৰ (স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা) বাগিছালৈ আহে আৰু মই থকা বঙলাতে থাকেহি। তেতিযা তেখেত আহিলে থাকিবৰ বাবে বেলেগ বঙলা নাছিল। প্ৰথমবাৰ তেখেতক লগ পাওঁতেই তেখেতৰ ওপৰত মোৰ যি ভাব উদয় হ'ল আজিলৈকে তাৰ অলপো পৰিবৰ্ত্তন হোৱা নাই। বৰঞ্চ তেখেতৰ অভাৱটো মই অনুভৱ কৰি আছো।

প্ৰতি বছৰে তেখেতে অন্ততঃ চাৰিবাৰ মান বাগিছা পৰিদৰ্শন কৰিবলৈ আহে। তাৰ বাহিৰেও মেনেজাৰৰ আৱশ্যক হলে তেখেতক খবৰ দিলে ঠিক সময়ত মেনেজাৰৰ লগত পৰামৰ্শ কৰি উপদেশ দি যায়হি। মুখত মিচিকীয়া সৰল হাঁহিৰে সৈতে তেখেত আহি ওলাযহি। আহি পাযেই প্ৰথমতে সকলোৰে ভাল বেয়া খবৰ লয। আগতে মেনেজাৰক খবৰ নিদিযাকৈ কেতিযাও বাগিছালৈ নাহে। অন্য বাগিছাৰ কোনো কোনো মালিকে খবৰ খাতি একো নিদিযাকৈ অনেক সময়ত ঘপ্ কৰে আহি তেওঁলোকৰ বাগিছাত ওলাযহি। কিন্তু তেখেত সেইদৰে কেতিযাও অহা নাছিল। তেখেতৰ সকলো কাম ওখ ধৰণৰ আছিল। বাগিছাত ২।৩ দিন থাকি যাবতীয কামবোৰ ভালকৈ চাইছিল। ক'ৰবাত যদি চাহ পুলি এটা মৰা দেখে বা কোনো এজোপা গছৰ পাতত কোনো বেমাৰ লগা দেখে তেতিয়া মেনেজাৰক এনে হোৱাৰ কাৰণ সুধি লয়। কি ব্যৱস্থা লোৱা হয় তাকো সোধে। যেতিয়ালৈকে সন্তোষজনক উত্তৰ নাপায তেতিযালৈকে প্ৰশ্ন কৰি সুধি থাকিব। বাগিছাৰ চাহৰ যাতে উৎপাদন বৃদ্ধি হয আৰু চাহ ভাল হয তাৰ বাবে বেছি দাম দি ভাল জাতৰ চাহৰ গুটি আনি নাৰ্ছাৰি কৰি তাৰ পুলিৰে বাগিছাখন বঢাবৰ বাবে মেনেজাৰক সম্পূৰ্ণ ক্ষমতা দিযে। আৱশ্যকীয কোনো কামতে তেখেতে বাধা নজন্মাইছিল। চাহ পাতৰ পৰা পুলি কেনেকৈ কৰে এইটো তেখেতে অনেক দিনৰ আগতেই জানিছিল।

কাম কৰা বনুৱা আৰু কৰ্মচাৰী সকলোকে সুখে ৰাখিবৰ বাবে তেখেতে ইচ্ছা কৰিছিল। তেখেতে ভাবিছিল যে বাগিছাৰ উন্নতি সাধন কৰিবৰ হ'লে

মেনেজাৰজন ভাল আৰু বিশ্বাসযোগ্য হ'ব লাগিব আৰু কর্মচাৰী বনুৱাসকলো শান্তিৰে থাকি কাম কৰিব পৰাকৈ সুবিধা দিব লাগিব। তাৰ বাহিৰেও সকলো মানুহকে উন্নতি পথলৈ যাব পৰাকৈ সুবিধা দিয়াটো উচিত বিবেচনা কৰিছিল।

ৰাতিপুৱা সদায় তেখেতে ঈশ্বৰ উপাসনা কৰিছিল। সেই সময়ত তেখেত থকা কোঠালৈ কোনো মানুহ নগৈছিল। ঈশ্বৰ উপাসনাৰ পৰা মানুহে কৰ্ত্তব্য কাম কৰিবলৈ শক্তি পায় বুলি মোক তেখেতে কৈছিল।

গোজাতিৰ কেনেকৈ উন্নতি কৰিব পাৰি এই বিষয়ে তেখেতে বৰ ভালকৈ জানিছিল। বাগিছাত এটা ষাঁড় গৰু ৰখাটো বাধ্যতামূলক কৰি দিছিল। তেখেতে যেতিয়াই বাগিছালৈ আহিছিল ষাঁড় গৰুটো চাই গৈছিল। তাক কেনেকৈ ৰাখিব লাগে তাৰ উপদেশ দি গৈছিল।

তেখেতৰ অনুমতিমতেই বনুৱাৰ লৰাছোৱালীয়ে পঢ়িবৰ বাবে ১৯৩৪ চনতে এখন স্কুল পতা হয়।

বাগিছাত কাম কৰা কর্ম্মচাৰীসকলে পঢ়িবৰ বাবে ভাল কিতাপ কিছুমান কোম্পানীৰ খৰচত আনি বেলেগ আলমাৰি এটাত ৰাখিবৰ বাবে তেখেতে উপদেশ দিছিল। তেখেতে নিজে অসংখ্য ভাল কিতাপ পঢ়িছিল। বাগিছালৈ আহোঁতে এটা বা দুটা ভাল কিতাপ আনিবই। টকাৰ অভাৱত পৰি মানুহে ভাল কিতাপত থকা কথাবোৰ জানিবলৈ সুবিধা নোপোৱাটো তেখেতে অন্তৰৰ পৰা ভাল নেপাইছিল। সকলো মানুহৰে উন্নতি হোৱাটো তেখেতে অন্তৰৰ পৰা কামনা কৰিছিল।

কর্মচাৰী আৰু বনুৱাসকলে খেল ধেমালি কৰিবৰ বাবে এখন খেলমাটি তেখেতৰ পৰামর্শমতেই কৰা হৈছিল। বাগিছাত থকা কেইদিনত গধূলি বেলিকা খেলমাটিৰ ওচৰলৈ গৈ তেখেতে ফুটবল খেলা চাইছিল।

বাগিছাৰ কর্মচাৰীৰ ঘৰে ঘৰে আম, কঠাল, নেমু, সুমথিৰা আদি ৰুই লবৰ বাবে উপদেশ দিছিল। ভাল জাতৰ পুলি আৰু গুটি সংগ্ৰহ কৰি আনিও দিছিল।

কোনো কোনো বাগিছাৰ মালিক বাগিচালৈ আহোঁতে কেৱল বাগিছাৰ কাম চাবলৈহে আহে। তেওঁলোকক কাম লাগে আৰু বাগিছাৰ উন্নতি লাগে। অন্য মানুহো যে সুখত থাকিব লাগে বা তেওঁলোকক উন্নতি পথলৈ আনিব লাগে এনেবিলাক কথালৈ ভ্ৰূক্ষেপ কৰা দেখা নেযায়। কিন্তু তেখেত অন্য ধৰণৰ মানুহ আছিল। বাগিছাৰ মালিক অহাদি তেখেতে কেতিয়াও নাহিছিল। তেখেতক বাগিছাৰো উন্নতি লাগে আৰু বাগিছাত কাম কৰা মানুহৰো শাৰীৰিক মানসিক

আৰু আধ্যাত্মিক উন্নতি হ'ব লাগে। সেইবাবে বাগিছাৰ সকলো মানুহে তেখেতক ভক্তি কৰিছিল। যেনে দুষ্ট মানুহটোৱেই হওক তেখেতক দেখা মাত্রেই তাৰ শিৰ দোঁ খাই গৈছিল।

১৯৩৬ চনৰ ২৮ অক্টোবৰ দিনা আসাম টি প্লেণ্টাছ এছছিয়েছনৰ (Assam Tea Planters Association) প্ৰথম বছৰৰ সাধাৰণ সভা বহে। এই সভা ডিব্ৰুগড়ত হৈছিল। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা এই সভাৰ সভাপতি আছিল। সেই সময়ত এটা ধাৰণা আছিল যে এই এছছিয়েছনখন কেৱল ধনী মালিকসকলৰ স্বাৰ্থৰ বাবেহে গঠন কৰা হৈছিল। কিন্তু তেখেতে সকলোৰে মনৰ পৰা এনে ভুল ধাৰণাটো দূৰ কৰি দিলে। তাৰ পাছৰপৰা সদস্যৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু এছছিয়েছনখন বৰ শক্তিশালী হৈ উঠিল।

১৯৩৮ চনত তেখেত অসম উপত্যকাৰ চাব্‌জজ নিযুক্ত হয়। তেখেত যোৱাৰ পিচত শ্ৰীবিষ্ণুৰাম মেধি মেনেজিং ডাইৰেক্টৰ হয়। ১৯৩৪ চনৰ পৰাই বাগিছাত ভালদৰে লাভ হবলৈ ধৰে আৰু অংশীদাৰ সকলকো দিয়া হয়। যি কেইজন অংশীদাৰে অংশৰ টকা কিছু দিবলৈ বাকী আছিল, তেওঁলোকৰ পৰা পাবলগা টকা, লাভৰ অংশৰ পৰা কাটি লৈ বাকী টকা তেওঁলোকক দিছিল, কোম্পানীৰ নিয়মমতে কোনো অংশীদাৰে সময়মতে অংশৰ টকা আদায় কৰিব নোৱাৰিলে, তেওঁলোকৰ অংশ বাজেযাপ্ত কৰিব পৰা যায়। কিন্তু স্বৰ্গীয় বৰুৱাৰ সকলোৰে প্ৰতি দয়া আছিল। তেখেত চাবজজ্ হোৱাৰ আগতেই কোম্পানীযে সমুদাই ঋণ পৰিশোধ কৰি বাগিছাৰ অৱস্থা টনকিযাল কৰি তোলে। এই সময়ত বাগিছাখন প্ৰায দুশ একৰমান হৈছিলগৈ আৰু ১৮০০ মোন মান চাহ তৈযাৰ কৰিছিল।

শ্ৰীমেধি ডাঙৰীযাই স্বৰ্গীয় বৰুৱাক বৰ ভাল পাইছিল আৰু বিশ্বাস কৰিছিল। তেখেতৰ অনুমতিক্ৰমে মাজে সময়ে স্বৰ্গীয় বৰুৱাৰ লগত বাগিছাৰ বিষয়ে পৰামৰ্শ কৰি আছিলো।

চাবজজ্ হৈ থকা সময়ৰ ভিতৰতো তেখেত প্ৰতি বছৰে ২।৩ বাৰ বাগিছালৈ আহি উপদেশ দি গৈছিল। স্বাধীনতা সংগ্ৰামত মেধী ডাঙৰীয়াই বিশেষ অংশ গ্ৰহণ কৰাৰ বাবে বৃটিশ গভৰ্ণমেণ্টে তেখেতক ফাটেকত বন্ধ কৰি ৰাখে। তাৰ পিচত স্বৰ্গীয় শৰৎ চন্দ্ৰ বৰুৱা বাগিছাৰ মেনেজিং ডাইৰেক্টৰ হয। এখেতেও স্বৰ্গীয কামাখ্যাৰাম বৰুৱাক বৰ ভাল পাইছিল আৰু বিশ্বাস কৰিছিল। ২য় মহাযুদ্ধ চলি থাকোঁতে ১৯৪২ চনত যেতিয়া বৰ্মাদেশৰ পৰা ইংৰাজবিলাক পলাই আহিবলৈ ধৰিলে সেই সময়ত বাহাদুৰ বাগিছাৰ ডাইৰেক্টৰসকল বাগিছালৈ

আহিবলৈ বৰ অসুবিধাৰ সন্মুখীন হব লগা হৈছিল। কিন্তু স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাই আগৰদৰেই বাগিছালৈ আহিছিল। তেখেতৰ উপদেশৰ পৰা যুদ্ধৰ সময়ৰ ভালেমান জটিল সমস্যা সমাধান কৰাত বিশেষ সহায় পোৱা হৈছিল। এই সময়ত ডাঃ জ্যোতিষ দাসেও বাগিছালৈ আহি পৰামৰ্শ দি সহায় কৰিছিল।

তেখেত চাবজজ্ হোৱাৰ প্ৰায় ৯ মাহ মানৰ পিছতেই মোৰ পৰিযালৰ আটাইবোৰৰে জ্বৰ হোৱাত বৰ বিপদত পৰো। প্ৰথমতে মোৰ পৰিবাৰৰ জ্বৰ হয়। মোৰ ছোৱালী দুজনীৰ আৰু চাকৰ ল'ৰাটোৰো জ্বৰ হয। মই বেমাৰীও পৰিচৰ্য্যা কৰিব লগা হয। এদিন কফ ওলাওতে তাৰ লগত অলপমান তেজ দেখিবলৈ পাওঁ। গাত সদায় অলপ জ্বৰ থাকে আৰু ৰাতি গাটো ঘামে। মই ভাবিলো মোৰ টি, বি, বেমাৰ হ'ব পায। এমাহৰ ছুটি মঞ্জুৰ কৰিবৰ বাবে অনুৰোধ কৰি মেনেজিং ডাইৰেক্টৰলৈ এখন চিঠি দিলো। এই চিঠিৰ নকল এটা স্বৰ্গীয বৰুৱালৈকো জানিবলৈ দিলো। তেখেত সেইসময়ত ডিব্ৰুগড়ৰ ডাক বঙলাতে আছিল। মই ভাবিছিলো যে ককিলামুখলৈ গৈ ব্ৰহ্মপুত্ৰৰ পাৰত সৰু ঘৰ এটা সাজি তাতে মোৰ জীৱনৰ বাকী সময়ছোৱা কটাম।

পিছদিনা ৰাতিপুৱা পুলি গছৰ কলম দিয়া কাম আৰম্ভ কৰিলো। তেতিয়া নবেম্বৰ মাহ আছিল। পুলিগছৰ কলম কেনেকৈ কৰিব লগে বাগিছাৰ মহৰি জনক ভালকৈ বুজাই দিলো যাতে মই নথকাতো তেওঁ ভালকৈ কাম কৰিব পাৰিব। সেইদিনা আবেলি ৪—৩০ মান বজাত মই বিচনাত শুই আছো। টোপনি অহা নাই। নানা চিন্তাৰ মাজত এনেযে পৰি আছো। এনেতে বাহিৰত মটৰ এখনৰ শব্দ শুনি ওলাই আহিলো। বাহিৰলৈ ওলাযে দেখিলো যে বৰুৱাদেৱে ভগবানৰ প্ৰতিনিধি স্বৰূপে মোক ডিব্ৰুগডলৈ নি চিকিৎসা কৰিবলৈ লৈ যাবলৈ আহিছে। সেই সমযত মই কি অনুভৱ কৰিছিলো প্ৰকাশ কৰা টান। মোৰ পৰিবাৰে তেতিযাহে বুজিব পাৰিলে যে মোৰ কিবা এটা বেছি ৰকমৰ অসুখ হৈছে। আগতে তেওঁৰ আগত মোৰ গা ভাল পাইছো বুলিহে কৈছিলো।

ডিব্ৰুগডত শ্ৰীনীলধৰ বৰুৱাৰ ঘৰতে মোক কেইদিনমান ৰখাৰ বন্দবস্ত কৰিহে তেখেতে মোক আনিবলৈ বাহাদুৰ বাগিছালৈ গৈছিল। সেইমতে মোক নি শ্ৰীনীলধৰ বৰুৱাৰ ঘৰতে ৰাখিলে। তেওঁ ডিব্ৰুগড কাছাৰিত ৰেভিনিউ চিৰস্তাদাৰ আছিল।

পিচদিনা ৰাতিপুৱা ৭ বজাত নিজৰ মটৰেৰে মোক ডঃ ফণী ঘোষৰ ওচৰলৈ আনে। ডাঃ ঘোষ বৰ নামজ্বলা ডাক্তৰ আছিল। প্ৰথমতে ডাক্তৰৰ লগত মোক চিনাকী কৰি দিওঁতে মোৰ কথা এইদৰে কৈছিল "He is the manager of

our garden He says he is suffering from T B He is a very honest man and belongs to a respectable family” ডাক্তৰে মোক ভালদৰে চাই মোৰ ওজন ললে। সেই সময়ত মোৰ ওজন ৮৬ পাউণ্ড হৈছিলগৈ। আগতে মোৰ ওজন ১১৪ পাউণ্ড আছিল। মোৰ টি, বি, হৈছে বুলি সন্দেহ কৰিব পৰা কোনো কাৰণ মোৰ গাত নাপালে। সেইবাবে তেওঁ ডাঃ নিশা ঘোষেৰে সৈতে মোক পৰীক্ষা কৰি চোৱাৰ মনেৰে তেখেতক জনালে। আমি তিনিও ডাঃ নিশা ঘোষৰ ওচৰ পালোঁগৈ।

দুযোজন ডাক্তৰে মোক ভালকৈ পৰীক্ষা কৰি চালে। তাৰ পিছত এক্স্‌ৰে লোৱা হ'ল। তেওঁলোকৰ মতে এইটো প্ৰমাণিত হ'ল যে ব্ৰঙ্কাইটিছ, পায়েৰিয়া আৰু ছুকৰ্‌ম এই তিনটাৰ আক্ৰমণত মোৰ অসুখ হৈছে। মই গ্ৰেহেম বজাৰত ঘৰ এটা ভাড়া কৰি ডাঃ ফণী ঘোষৰ চিকিৎসাধীন হৈ থাকিলো। এই সকলো-বিলাক কাম স্বৰ্গীয় বৰুৱাযে কৰাইছিল। সেই সময়ত তেখেত ১৫ দিন মানৰ বাবে ডিব্ৰুগড়ত থাকিব লগা হৈছিল। তেখেতে প্ৰতিদিনে ৩ বাৰকৈ মোৰ খবৰ লৈছিল। ৰাতিপুৱা ৮ বজাত এবাৰ মই ভাড়া কৰি থকা ঘৰলৈ আহে আৰু গধুলি ৬-৩০ বজাত আহে। দুপৰীয়া ১২ বজাৰ পিছত তেখেতে আদালতৰ পৰা ডাক বঙলালৈ আহে আৰু সেই সময়ত মই সদায় তালৈ যাব লাগে। মই থকা ঘৰলৈ আহোঁতে প্ৰত্যেকবাৰেই তেখেত আধাঘণ্টাতকৈও বেছি সময় থাকে। মই ঠিকমতে দৰব খাইছোনে নাই, কেনে ধৰণৰ আহাৰ খাব লাগে আৰু কেনেকৈ চলিব লাগে এনে ধৰণৰ উপদেশ দিছিল। বাপেকে যেনেকৈ পুতেকৰ খবৰ লয় ঠিক সেইদৰেই তেখেতে মোৰ খবৰ লৈছিল। মোৰ যাতে শীঘ্ৰে আৰোগ্য হয় তাৰ বাবে তেখেতে নেৰানেপেৰাকৈ যত্ন লৈছিল। তেখেত যে বিপদৰ বন্ধু এই কথাটো মই অন্তৰেৰে সৈতে উপলব্ধি কৰিছিলো।

কামৰূপৰ নামজ্বলা কবিৰাজ এজনৰ পৰা কেইটামান মহানীলকণ্ঠৰ বড়ি আনি তেখেতে মোক দিছিল। কি অনুপানেৰে সেই দৰব খাব লাগে তাকো মোক বুজাই দিছিল। দৰব খাবৰ বাবে বাৰ অনা দামত কিস্তি এখন অনা হ'ল। গধুলি তেখেতে কিস্তিখন চালেহি আৰু কিমান দামত অনা হ'ল এই বিষয়ে সুধিলে। বাৰ অনা দামত কিনা হ'ল বুলি তেখেতক জনোৱা হ'ল। তেখেতে কলে যে কিস্তিখনৰ দাম ছয় অনাতকৈ বেছি হব নোৱাৰে। দোকানীযে বেছিকৈ লোৱা ছয় অনা দাম ঘূৰাই আনিবলৈ ক'লে। মোৰ ভাত ৰান্ধনি ল'ৰাটোৱেই কিস্তিখন কিনিছিল। পিচদিনা সি দোকানলৈ গৈ বেছিকৈ লোৱা পইচা ছয় অনা ঘূৰাই দিবলৈ ক'লে। দোকানীটোৱে বেছিকৈ লোৱা পইচাও ঘূৰাই নিদিলে আৰু কিস্তি-

খনো ঘূৰাই ন'ললে। গধূলি তেখেত যেতিয়া মোৰ ওচৰলৈ আহে তেতিয়া সকলো কথা জানিব পাৰিলে। পিচদিনা ৰাতিপুৱা কিস্তিখনেৰে সৈতে তেখেতৰ চাপ্‌ৰাচি-টোক দোকানীটোৰ ওচৰলৈ পঠিয়াই দিলে। তেতিয়া দোকানীটোৱে একো আপত্তি নকৰি বেচিকৈ লোৱা ছয় অনা পইচা ফিৰত দি পঠালে।

মানুহে ঠগ কৰি টকা পইচা উপাৰ্জ্জন কৰাটো তেখেতে অলপো ভাল নাপাইছিল। সেই সময়ত মোৰ যে পইচাৰ বৰ অভাৱ হৈছিল তেখেতে সেই বিষয়ে ভালকৈ বুজিছিল।

সেই সময়ত তেখেতৰো পইচাৰ বৰ অভাৱ আছিল। তেখেতে কেতিয়াও অপব্যয় নকৰিছিল। দৰ্মহাৰ টকা কেনেকৈ খৰচ কৰে তেখেতে মোক কৈছিল। দৰ্মহা পোৱা মাত্ৰকেই দুশ টকা গুৱাহাটীৰ ঘৰৰ খৰচৰ বাবে বৰ পুতেকলৈ পঠাইছিল। ১৫০ টকা তেখেতৰ নিজা খৰচৰ বাবে ৰাখে। বাকী টকাৰে ধুবুৰী বেঙ্ক আৰু গুৱাহাটী বেঙ্কৰ ধাৰ মাৰে। টকাৰ অভাৱৰ মাজতো তেখেতে বিপদত পৰা মানুহক আৰ্থিক সাহায্য দিয়া মই নিজেই দেখিছো। দুখীয়া মানুহক ঘৰত ৰাখি তেখেতৰ নিজা খৰচত চিকিৎসা কৰাৰ কথা সকলোৰে অৱগত আছে।

মই ডিব্ৰুগড়তে থকা এমাহৰ ভিতৰতে মোৰ গা ভাল হ'ল আৰু বাহাদুৰ বাগিছালৈ গৈ কামত যোগ দিলো। মোৰ ওজন ১১৮ পাউণ্ডলৈ বৃদ্ধি হ'ল।
মই কেতিয়াও তেখেতৰ খঙ উঠা দেখা নাছিলো। মই এদিন তেখেতক সুধিছিলো "আপোনাৰ দেউতাকৰ বোধহয় অলপো খঙ নাছিল। মিচিকীয়া হাঁহিৰে সৈতে তেখেতে ক'লে মোৰ আয়ে মোক এদিন খঙ কৰিছিল। ওচৰৰ ভাল মানুহ এঘৰত মই তেওঁক নোসোধাকৈ ভাত খালো। সেই সময়ত মোৰ বয়স আঠ বছৰ মান আছিল।" দেউতাকৰ কথা একোকে নকলে আৰু মযো পুনৰ সুধিবলৈ নহল, দেউতাকে যে সাধু, সন্ন্যাসী, ব্ৰহ্মচাৰী এনে ধৰণৰ মানুহক ঘৰত থাকিবলৈ দিছিল আৰু সকলো মানুনৰ প্ৰতি যে দয়া ৰাখিছিল এই কথা মোক তেখেতে অনেক দিনৰ আগতে কৈছিল। দুখীয়া মানুহৰ ল'ৰা তেখেতৰ ঘৰত থাকি স্কুল কলেজত পঢ়া অনেক বছৰৰ আগৰে পৰা পৰা চলি আছিল।

ঈশ্বৰৰ ওপৰত তেখেতৰ অটল বিশ্বাস আছিল। এই সম্পৰ্কত তেখেতে মোলৈ লিখা ৬।১২।৫৪ তাৰিখৰ চিঠিৰ পৰা কেইশাৰীমান ইয়াত দিলো—"Your success in your life is due to your honesty, efficiency and goodness. It is God who has enabled you to be good honest and efficient Have full confidence in him and be humble May God bless you."

যি মানুহে লোকক হিংসা কৰে, তেনে ধৰণৰ মনত যাতে সজ ভাব উদয় হয় আৰু তেওঁলোকৰো যাতে উন্নতি হয়, সেইটোও তেখেতে ইচ্ছা কৰিছিল। এনে ধৰণৰ কথা এটাত তেখেতে মোলৈ লিখিছিল,—"I fully agree with your spirit that we must always be polite and helpful even to people with home we may not agree or for whose conduct we may take strong acception, Love your enemies is noble maxim and every one of us should try to practise it" যদিও তেখেতৰ গাত বাতৰ দোষ আছিল, তেখেতে বৰ পৰিশ্ৰম কৰিব পাৰিছিল। ১৯৫৩ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখৰ দিনা শ্ৰীকালীপ্ৰসাদ বৰুৱা, শ্ৰীঅৰবিন্দ বৰুৱা আৰু তেখেতে এই তিনিজন টিমন বাগিছাখন চাবৰ কাৰণে গৈছিল। লগত মোক লৈ গৈছিল। যোৰহাটৰ পৰা আমি ৮ বজাত জীপেৰে যাত্ৰা কৰিলো। মই ঘৰতে ভাত খাই ললো। তেখেতসকলে কেৱল চাহ জলপান খাইহে গৈছিল। ৯ মান বজাত শিৱসাগৰ পালোগৈ। তাতে হঠাৎ জীপখন বন্ধ হৈ গ'ল। ভাল কৰোঁতে আধাঘণ্টামান সময় লাগিল। সেই সময়ৰ ভিতৰতে শ্ৰীঅৰবিন্দ বৰুৱাই তেখেতৰ অতি আপোন মানুহ এঘৰত ভাত খাই ললে। ১০ মান বজাত জীপ ভাল হ'ল আৰু ১২ বাজি ৫ মিনিত যোৰাত আমি সোনাৰি পালোগৈ তাত খবৰ পালো যে ভজো ঘাটৰ পৰা টিমনলৈ গোটেই ৰাষ্টাটোৰ ওপৰত মাটি-কটীযাই মাটি দিছে। এনে অৱস্থাত টিমনলৈ গৈ ভাত খোৱাটো সম্ভৱপৰ নহব। আমি আটাইবোৰ স্বৰ্গীয় ভগবতী প্ৰসাদ বৰুৱাৰ ভাযেক শ্ৰীকামাখ্যা প্ৰসাদ বৰুৱাৰ বঙলালৈ গ'লো। সেইদিনা শ্ৰীকামাখ্যা প্ৰসাদ বৰুৱা অকলশৰেহে আছিল। তেখেতে সকলোকে অতি আদৰেৰে চাহ-জলপান খুৱালে। ২ মান বজাত ভজো ঘাট পাৰ হৈ তাতে জীপখন ৰখাই খোজ কাঢ়ি গৈ ৪ মান বজাত টিমন পালোগৈ। বাগিছা চাই শেষ হোৱাৰ পিচত ৫ মান বজাত আমি খোজ কাঢ়ি ঘূৰি আহিলো। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ বাবে গাড়ী এখন বিচৰা হৈছিল। কিন্তু পোৱা নহল। সেইদিনা তেখেতৰ কষ্ট দেখি বৰ বেযা লাগিছিল। তেখেতে আৰু কালীপ্ৰসাদ বৰুৱাই সেইদিনা ভাত খোৱা নাছিল। আমি ৭ মান বজাত জীপৰ ওচৰ পালোহি। ভজো ঘাটৰ পৰা টিমনলৈ ৫ মাইল দূৰ। জীপখন নচলা হল। সেইবাবে বৰ চিন্তাত পৰিছিলো। তেখেত বৰ ক্লান্ত হৈ পৰিছিল যদিও আমাক সেইটো জানিবলৈ নিদিছিল। সেই সময়ত বৰ জাৰ আছিল। আমি কোনেও গৰম কাপোৰ নিযা নাছিলো। কিন্তু স্বৰ্গীয় বৰুৱাৰ লগত ৩ খন মান গৰম কাপোৰ আছিল। সেই দিনা তেখেতেই গৰম কাপোৰ দি আমাক জাৰৰ পৰা ৰক্ষা

কৰিলে। ৭॥ মান বজাত জীপখন ভাল হ'ল আৰু আমি আহি ৰাতি ১০ বাজি ১৫ মিনিট যোৰাত ঘৰ পালোহি। তেখেত বৰজীযেকৰ ঘৰত থাকিল, শ্ৰীকালীপ্ৰসাদ বৰুৱা ভনীযেকৰ ঘৰলৈ গ'ল আৰু মই মোৰ ঘৰলৈ আহিলো।

বিষ্ণুপুৰ বাগিছাখন, টকা ধাৰ কৰি আনি তেখেতে নিজাকৈ খোলাটো ভাল হবনে বেযা হব মোৰ লগত পৰামৰ্শ কৰিছিল। সেই সময়ত তেখেতৰ ৬৯ বছৰমান বয়স হৈছিল। এই বযসত টকা ধাৰে আনি নিজাকৈ বাগিছা খোলাযাৰ মই ভাল কথা নুবুলিলো। তাৰ পিছত তেখেতে কেবাজনো অংশীদাৰ গোটাই বিষ্ণুপুৰ টি কোম্পানী গঠন কৰি বিষ্ণুপুৰ বাগিছাখন খোলালে। যদিও তেখেত এই কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ হোৱা নাছিল, তেখেতৰ পৰামৰ্শমতেই এই বাগিছাখনৰ সকলো কাম কৰা হৈছিল। এই বাগিছাখনে যোৱা কেইবছৰ মানৰে পৰা লাভ দিব পৰা হৈছে।

শেহৰ বাৰ বাহাদুৰ বাগিছালৈ আহোঁতে তেখেতৰ লগত কামাখ্যাৰ পাণ্ডা এজন আহিছিল। কিবা এটা ঘৰুৱা অশান্তিৰ বাবে তেওঁৰ মনত স্থিৰতা নাছিল। তেওঁ হেনো ব্ৰহ্মপুত্ৰত জাপ দি আত্মহত্যা কৰিব খুজিছিল। তেখেতৰ লগত কিছুদিন থাকি পাণ্ডাজনৰ মনলৈ শান্তি আহিল আৰু পিছত নিজৰ ঘৰলৈ গ'লগৈ। সেইবাৰ আহোঁতে তেখেতৰ লগত ভালেমান বিষযে কথা হৈছিল। মই নজনা কথা ভালেখিনি তেখেতৰ পৰা বুজি লৈছিলো। তেখেতে সকলো ধৰ্ম্মৰে ধৰ্ম্মশাস্ত্ৰবোৰ ভালকৈ জানিছিল আৰু সকলো কথা মোক ভালকৈ বুজাই দিছিল। ৰামচন্দ্ৰই তেওঁৰ ভাযেক ভৰতক দিযা উপদেশবিলাকৰ কথা মোক কলে আৰু ভালকৈ বুজাই দিলে। মোৰ ডাযেৰীত তেখেতৰ উপদেশ মতেই সেই শ্লোকখিনি লেখি ৰাখিলো। তেখেতে যি বিলাক সজ কথা জানিছিল, মোক তাৰ ভাগ দিবলৈ সদাই ভাল পাইছিল।

শয্যাগত অৱস্থাত ভৰলুমুখৰ ঘৰলৈ গৈ তেখেতক চাই আহিলো। মোক দেখি তেখেতে আনন্দ পালে। সেই সমযত তেখেতে ভালকৈ কথা কব নোৱাৰিছিল। তেনে অৱস্থাত তেখেতক দেখি যি দুখ পালো তাক প্ৰকাশ কৰা অসম্ভৱ।

তেখেতৰ গাত যিমান গুণ আছিল সেই আটাইবোৰ প্ৰকাশ কৰা অসম্ভৱ কথা। তেখেতৰ নিচিনা বিপদৰ বন্ধু আজিকালি ক'ৰবাত আছে যদিও এতিয়ালৈকে জানিবলৈ পোৱা নাই। যি মানুহে তেখেতক এবাৰ লগ পাইছিল তেখেতক পাহৰিব নোৱাৰে। প্ৰকৃততে তেখেত অতি মহৎ লোক আছিল। তেখেতৰ স্মৃতি কেতিয়াও মচ নাখায়।

—: o :—

১৩

উদ্যোগ আৰু ক্ষুদ্ৰ ব্যৱসায়ত কামাখ্যাৰাম বৰুৱাৰ উদগনি

শ্ৰীযাদৱ দেৱশৰ্মা

টিহু

স্বদেশহিতৈষী মহামনা কামাখ্যাৰাম বৰুৱাদেৱৰ সাধু চৰিত্ৰ আৰু বহু-প্ৰসাৰী কৰ্মৰাজিৰ যথাযথ বৰ্ণনা কৰা মোৰ পক্ষে সহজ কথা নহয়। তেখেতৰ জীৱনৰ এটি মাত্ৰ দিশতহে যৎকিঞ্চিৎ আলোকপাত কৰিবলৈ প্ৰয়াস কৰিলো। বৰুৱাদেৱৰ জীৱনাদৰ্শই আজিৰ উঠি অহা ডেকাসকলৰ মনত এটি নতুন প্ৰেৰণা যোগাব বুলি মোৰ একান্ত ধাৰণা। পৰোপকাৰী আৰু উদাৰ হৃদয়ৰ এই মহান ব্যক্তিজনৰ জীৱনকথাৰ পৰা আমাৰ শিকিবলগীয়া বহুতো কথাই আছে। এই প্ৰবন্ধত সকলো কথাকে বাহুল্যভাবে বৰ্ণাবলৈ অসমৰ্থ যদিও চুটিকৈ হলেও গভীৰ শ্ৰদ্ধাৰে তেখেতৰ উদ্যোগ প্ৰতিষ্ঠা আৰু ক্ষুদ্ৰ ব্যৱসায়ত অসমীয়া ডেকাসকলক কেনেদৰে উৎসাহ দান কৰিছিল ব্যক্তিগত অভিজ্ঞতাৰে তাকে সুঁৱৰিবলৈ চেষ্টা কৰিলো।

বৰুৱাদেৱৰ অমায়িক ব্যৱহাৰত সকলো শ্ৰেণীৰ মানুহেই মুগ্ধ হৈছিল। সকলোৰে প্ৰতি উদাৰ ব্যৱহাৰ আৰু সহানুভূতিশীল অন্তৰ থকা বাবে সকলোৰে তেখেতক শ্ৰদ্ধা কৰিছিল। এই তীক্ষ্ণধীসম্পন্ন ব্যক্তিজন সদায় আড়ম্বৰশূন্য ভাবে চলিছিল। নিজে আইনব্যৱসায়ী হৈয়ো দেশত কেনেকৈ শিল্প উদ্যোগ গঢ়ি তুলিব পাৰি, কেনেকৈ অসমীয়া ডেকাসকলক বেহা বেপাৰৰ বাটত আগুৱাই নিব পাৰি, কেনেকৈ দেশত উন্নত ধৰণৰ কৃষি ব্যৱস্থাৰ প্ৰচলন কৰিব পাৰি, আনকি অসমৰ বনে-জঙ্গলে যিবোৰ আপুৰুগীয়া ফলমূল আৰু বনৌষধি আদি পোৱা যায় তাক কেনেকৈ বৈজ্ঞানিক প্ৰণালীৰে মানুহৰ প্ৰয়োজনত লগাব পাৰি তাৰো চিন্তা কৰিছিল। গাওঁ অঞ্চলৰ পৰা যোৱা তেখেতৰ চিনাকী সকলৰ ঘৰৰ খা-খবৰ লোৱাৰ উপৰিও খেতিবাতিৰ অৱস্থা, বাইজৰ সুখ-দুখৰ বা-বাতৰি লৈছিল আৰু মানুহে কিবা নতুন কাম কাজ হাতত লৈছে নে নাই তাৰো বুজবাজ লৈছিল। বৰুৱাদেৱ আজি আমাৰ মাজত নাই কিন্তু তেখেতৰ সাধু চৰিত্ৰ আৰু সজ আদৰ্শই এই দেশৰ মানুহক সদায় উদগনি দি থাকিব।

ঘটনা প্ৰবাহত বৰ সৰু কালৰে পৰা স্বৰ্গীয় বৰুৱাদেৱৰ লগত মোৰ চিনাকী হোৱাৰ সুযোগ মিলিছিল। ১৯২৩ চনত অসম বিধান সভাৰ গুৱাহাটী সমষ্টিৰ পৰা তেখেত সদস্য পদৰ প্ৰাৰ্থী হৈছিল। টিহু অঞ্চলটোও তেতিয়া গুৱাহাটী সমষ্টিৰ

অন্তৰ্গত আছিল। এই সংক্ৰান্ততে এদিন তেখেত টিহুলৈকো আহি ৺ৰংনাথ তালুকদাৰদেৱৰ ঘৰত আলহী হৈছিল। তালুকদাৰদেৱে সিদিনা মোক মাতি নি তেখেতৰ বাবে ৰন্ধাবঢ়া কৰিব দিছিল। মোৰ বয়স তেতিয়া মাত্ৰ বাৰ বছৰ আছিল আৰু ভালদৰে ৰন্ধাবঢ়া কৰিবও নাজানিছিলো। স্বৰ্গীয় তালুকদাৰে মোক দেখুৱাই দি কোনোমতে ৰন্ধাইছিল। সিদিনাৰ সেই ক্ষুদ্ৰ ঘটনাটোৰ দ্বাৰা যে মই তেখেতৰ সান্নিধ্য লাভ কৰিম সেইকথা মই সপোনতো ভবা নাছিলো। তেখেতে মোৰ বিষয়ে তন্ন তন্নকৈ সুধিছিল। মোৰ ঘৰত কোন আছে, স্কুলত পঢ়োনে নপঢ়ো, মোৰ ঘৰৰ অৱস্থা কেনেকুৱা ইত্যাদিবোৰ। যেতিয়া তেখেতে জানিলে যে নিচেই সৰুতে মোৰ পিতৃবিয়োগ হৈছে, বিধবা মাতৃ আৰু সৰু ভাই এজনৰ বাহিৰে কোনো নাই। উপাৰ্জ্জনৰ পথ একো নাই, সামান্য মাটি-বাৰী আছে যদিও পৰিচালনাৰ বেমেজালিত তাৰ পৰা একো আয় উন্নতি নাই। মোৰ বিষয়ে জানিব পাৰি তেখেতে কিছু বেজাৰ কৰিলে যদিও নিৰাশ নহৈ মোক পঢ়িবলৈ উদগনি দিছিল। তেখেতৰ মৰমিয়াল ব্যৱহাৰ আৰু কথা বতৰাত মই সঁচাকৈয়ে অন্তৰত এটি নতুন প্ৰেৰণা লাভ কৰিছিলো আৰু শ্ৰদ্ধাত মোৰ অন্তৰ ভৰি পৰিছিল।

এই সময়ৰ পৰা প্ৰায় চাৰিবছৰ পাছত বৰুৱাদেৱ কাছাৰীৰ পৰা ঘৰলৈ আহোঁতে বাটত মোক লগ পাই মাত দিলে। বাঢ়নীয়া বয়সত ইমানদিনৰ মূৰতো তেখেতে মোক চিনি পাইছিল সেই কথা ভাবি মই আচৰিত মানিছিলোঁ। মই তেতিয়া স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ পৰিচালিত "অসমীয়া" কাকতৰ "প্ৰুফ ৰীডাৰ" হৈছিলো। ১৯২৬ চনত মই গৌৰীপুৰ পি, চি ইনষ্টিটিউছনত পঢ়িছিলো। তাৰ পিচৰ বছৰত বঙালী সকলৰ প্ৰৰোচনাত তাৰপৰা অসমীয়া ক্লাচ উঠাই দিয়াত ধুবুৰীত পঢ়িছিলোগৈ আৰু ইয়াত থাকোতে আৰ্থিক অনাটনৰ বাবে তাৰ পৰা আহি গুৱাহাটীত সু-সাহিত্যিক স্বৰ্গীয় ডিম্বেশ্বৰ নেওঁগ ডাঙৰীয়াৰ সহায়ত নিউ-প্ৰেছত আহি সেই কামটোতে সোমাইছিলো। বৰুৱাদেৱে মোক তেতিয়াও পঢ়ি থকা বুলি ভাবিছিল আৰু যেতিয়া জানিলে যে মই পঢ়া এৰিবলগীয়া হৈছো তেতিয়া তেখেতে বৰ দুখ প্ৰকাশ কৰিলে। তেখেতে মোৰ ঘৰুৱা পৰিস্থিতিটো ভালদৰে বুজি পাইছিল, যিখিনি পৈতৃক মাটিবাৰী বুলিবৰ সম্পত্তি আছে তাকো বুদ্ধি কৰি দুষ্ট মানুহে সৰকাব খুজিছে। সহায় কৰা ছলেৰে টকা ধাৰে দি কৰ্জাখত লিখি লৈছে, তাৰ সুতৰ হাৰো বহুত বেছি। শতকৰা পঁচিশ টকা। দিবৰ পৰত পূৰা এশ টকাও নিদিয়ে কুৰিত এটকাকৈ মুখচাওনী বুলি কাটি ৰাখে। ইমান কম বয়সতে পঢ়াশুনা এৰি এনেকুৱা জঞ্জালত পৰা বাবে স্বাভাৱিকতে তেখেত মোৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছিল। তেখেতে এটি সজ পৰামৰ্শ

মোক দিলে, সেই সময়ত গুৱাহাটীত কামৰূপ কো'অপৰেটিভ লেণ্ড মৰ্টগেজ বেঙ্ক বুলি এটি বেঙ্ক আছিল। মোৰ মাটিখিনি সেই বেঙ্কত বন্ধকী ৰাখি কম সুতত টকা লৈ বেছি সুতৰ টকাখিনি পৰিশোধ কৰিবলৈ উপদেশ দিছিল, আৰু যদি মই পঢ়িব খোজোঁ। তেখেতে মোৰ পঢ়াৰ খৰচ বহন কৰিম বুলি কৈছিল। তেখেতৰ এই মহানুভৱতাৰ শলাগ লৈ মই তেখেতৰ উপদেশ মতে কাম কৰিলো। তেখেতৰ ঘৰতে থাকি মই পুনঃ পঢ়িবলৈ আৰম্ভ কৰিলো।

বৰুৱাদেৱে গুৱাহাটী সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হোৱাত নিজৰ আইন ব্যৱসায়ৰ উপৰিও সমষ্টিটোৰ ৰাজহুৱা দায়িত্বও বহন কৰিব লগা হল। এই সমষ্টি তথা গোটেই দেশৰ হিতাৰ্থে চিন্তা কৰিব লগাত পৰিল। ৰাজহুৱা অভাৱ অভিযোগবোৰ শুনি তাৰ দিহা পৰামৰ্শ দিবলগা হ'ল। নানা অঞ্চলৰ পৰা নানাধৰণৰ মানুহ বৰুৱাদেৱৰ ওচৰলৈ আহি দিহা পৰামৰ্শ সোধে। ধৈৰ্য্য ধৰি এই গোটেইবোৰ কথাকে শুনিব লাগে। ইতিমধ্যে ১৯২৬ চনত গঠিত হোৱা বাহাদুৰ চাহ বাগিছাৰো তেখেত মেনেজিং ডাইৰেক্টৰ। স্বনামধন্য শ্ৰীবিষ্ণুৰাম মেধি, ৺ৰায়বাহাদুৰ কনকলাল বৰুৱা, ৺শৰৎ চন্দ্ৰ বৰুৱা, ৺গোলোকেশ্বৰ গোস্বামী প্ৰভৃতি কেবাজনো উদ্যোগী আৰু দেশহিতৈষী লোকে যৌথভাবে কেনেকৈ চাহ শিল্পত লাগিব পাৰি তাৰে চেষ্টা কৰি বাহাদুৰ টি কোম্পানী বুলি এটি কোম্পানী প্ৰতিষ্ঠা কৰিছিল। স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈদেৱৰ পৰা কম মূল্যতে মাকুম জংছনৰ ওচৰত এই কোম্পানীয়ে বাগিছাৰ বাবে মাটি লৈছিল।

এনেধৰণেই বাহাদুৰ টি কোম্পানীৰ কেজনমান ডাইৰেক্টৰ আৰু উদ্যোগী-লোকৰ প্ৰচেষ্টাত গোবিন্দপুৰ টি কোম্পানী বুলি আন এটি চাহ উদ্যোগ প্ৰতিষ্ঠিত হৈছিল। পিচত সেই কোম্পানীৰ মেনেজিং ডাইৰেক্টৰৰ বাবটোও আহি বৰুৱা-দেৱৰ ওপৰতে পৰিল। ইপিনে দুটা চাহ কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ হোৱাত দুখন বাগিছা পৰিচালনাৰ দায়িত্ব নিজে লব লগা হ'ল। এই সময়ত তেখেতৰ কিমান খাটনি হৈছিল নিজে স্বচক্ষে নেদেখিলে অনুমান কৰিব নোৱাৰি। তেখেতে দেখিলে যে এনেয়ে অসমীয়া উদ্যোগ আজি পৰিচালনাৰ বেমেজালিত নষ্ট হৈ যাব ধৰিছে তাতে অসমীয়া মানুহৰ ওপৰত বাহিৰৰ পৰাও হেঁচা আছে। নৱ প্ৰতিষ্ঠিত এই দুটা অনুষ্ঠান যদি পৰিচালনাৰ বেমেজালিত নষ্ট হৈ যায় ইমান বিলাক মানুহৰ ধন হানি হোৱাৰ উপৰিও নিজৰ গাতো দোষৰ ভাগ পৰিব আৰু ইয়ে এটি অসমীয়া মানুহৰ বাবে বেয়া দৃষ্টান্ত হৈ ৰব। তেখেতে সকলোবোৰ কথা ভালদৰে গমিপিতি চাই বিধান সভাৰ সভ্যপদৰ কাৰণে পুনঃপ্ৰাৰ্থী নহল। সেই আসনৰ কাৰণে স্বৰ্গীয় ৰোহিণী কুমাৰ চৌধুৰী ডাঙৰীয়াক প্ৰস্তাৱ কৰিলে আৰু সেইমতে,

চৌধুৰীদেৱেই পিচত বিধান সভাৰ সদস্য নিৰ্ব্বাচিত হৈছিল। বৰুৱাদেৱৰ সুদক্ষ কৰ্ম্মকুশলতাৰ গুণতে দুযোটা অনুষ্ঠানে দোপত দোপে আগবাঢ়ি যাবলৈ ধৰিলে। মাকুম জংশ্যনৰ ওচৰত প্ৰতিষ্ঠিত বাহাদুৰ বাগিচাই অটব্য হাবি জঙ্গলৰ মাজত সুন্দৰ এখন উন্নতিশীল বাগিছাৰ শাৰীত গণ্য হৈ উঠিল। এনেদৰে গোবিন্দপুৰ টি কোম্পানীও উন্নতিৰ পথত আগুৱাই গল।

বৰুৱাদেৱৰ নিজা প্ৰচেষ্টাৰ ফলত ইং ১৯৪৭ চনত বিষ্ণুপুৰ টি কোম্পানী বুলি আন এটি কোম্পানী সংগঠিত হৈ উঠে আৰু তেখেতৰ সুবিজ্ঞ দিহা পৰামৰ্শৰ গুণতে এই প্ৰতিষ্ঠানটিও উন্নতিৰ বাটত আগুৱাই যাব পাৰিছে। ইয়াৰ ওপৰিও বিভিন্ন শিল্পানুষ্ঠানত বৰুৱাদেৱৰ বৰঙণি কম নহয়। মই তেখেতৰ ওচৰত থাকি পঢ়ি থকা অৱস্থাতে এনেকুৱা কিছুমান ঘকৰা জঞ্জালত পৰিলো যাৰ ফলত মই কোনো অৰ্থোপাৰ্জ্জনৰ পথ নুলিয়ালেই নচলা হল। ঋণগ্ৰস্ত এটি পৰিয়ালত যত উপাৰ্জ্জনক্ষম কোনো মানুহ নাই বিধবা মা আৰু সৰু ভাই জনেইবা চলে কেনেকৈ? মই বৰুৱাদেৱৰ ঘৰত নিজে খাই লৈ পঢ়াশুনা কৰি ঘৰৰ বাবেনো আৰু সহায় ভিক্ষা কৰিমনে? তেখেতৰ দিহাতে কামৰূপ কো'অপাৰেটিভ বেঙ্কত আবেদন কৰিছিলো যদিও প্ৰথমে মোক নাবালক ভাবি দুবছৰ বাট চাই শেষত কোষ্ঠীখন দাখিল দিয়াত বেঙ্কে ঋণ মঞ্জুৰ কৰিলে আৰু সেই টকা নি বেছি সুতৰ টকাখিনি পৰিশোধ কৰি কিছু সকাহ পালো যদিও বেঙ্কৰ কিস্তি শোধোৱাৰ বাবে কি উপায় কৰো তাৰে চিন্তা আহি মুৰত পৰিল। এনেবোৰ বেমেজালিত পৰি মই পঢ়াৰ আশা ত্যাগ কৰি কোনো উপাৰ্জ্জনৰ পথ বিচৰাটোকে স্থিৰ কৰিলো আৰু এদিন নম্ৰ ভাষাৰে মোৰ সকলোবোৰ অসুবিধাৰ কথা তেখেতৰ আগত ব্যক্ত কৰিলো। বৰুৱাদেৱে মোৰ সকলো পৰিস্থিতিটো জানিছিল। সেইবাবে এবাৰ গহীন ভাবে সুধিছিল যে মোৰ হাতত ধনবিত একো নাই ক'ত কেনেকৈ উপাৰ্জনৰ পথ উলিযাম। মই তেতিয়া কৈছিলো যে মোৰ ভাল লগা এটা ব্যৱসায় মই কৰিব লাগিলে তেনেকুৱা কোনো ব্যৱসায়ী মানুহৰ আশ্ৰয় লব লাগিব আৰু সেইজন মানুহে যদি মোক সজ বুলি বুজি পায় তেওঁৰ সহায়তে মই সফলতাৰ পথত আগুৱাই যাব পাৰিম। তেখেতে মোৰ তেনেকুৱা ধাৰণা শুদ্ধ বুলি মোক আশীৰ্ব্বাদ কৰিছিল আৰু সেই বাটেৰে আহিয়েই মই আশাৰ ৰেঙণি দেখা পাইছিলো। ক্ষুদ্ৰ ব্যৱসায় বাণিজ্যতো বৰুৱাদেৱৰ অভিজ্ঞতা যথেষ্ট আছিল। তেখেতে সিদিনা ধীৰ-ভাৱে পৰামৰ্শ দিছিল যে "আমাৰ দেশখনত এটা নিগাজী ব্যৱসায়ী সমাজে সদায় অসাধুতাৰে দেশখনত জুকলা কৰি আহিছে। এই অৱস্থাটোৰ বাবে অৱশ্যে কাকো জগৰীয়া কৰিব নোৱাৰি। আমাৰ দেশৰ অতীতৰ শাসন ব্যৱস্থাৰ ফলতে বেহা

বেপাৰ কি, ইয়াক কেনেকৈ চলাব লাগে তাৰ শিক্ষা দীক্ষা ৰাইজে একো নাজানে। অতীতত যদিও মুদ্ৰাৰ প্ৰচলন আছিল আচলতে ধনৰ দ্বাৰা ক্ৰয় বিক্ৰয় প্ৰায় নহৈছিল। বৰুৱা, বৰকায়থ, চৌধুৰী, পাটোৱাৰী আদি নানাবিধৰ বিষয়াসকলে ৰায়তৰ দ্বাৰা কাম কৰাই লৈছিল। দেশত বেগাৰী খাটিব লাগিছিল। আলি পদূলি নিৰ্ম্মাণ, আনকি দেশৰ প্ৰতিৰক্ষা আদিৰ কামতো বাধ্যতামূলক ভাবে কাম কৰি দিব লাগিছিল। বস্তুৰ ক্ৰয় বিক্ৰয় খুব কম আছিল। মানুহৰ আৱশ্যকীয় বস্তু নিজে নিজে উৎপাদন কৰি লব লাগিছিল। এনেবোৰ কাৰণে অসমীয়া মানুহে বেহা বেপাৰৰ আওভাও একো বুজি নাপাইছিল। আমাৰ দেশৰ শাসনভাৰ ইংৰাজে লোৱাৰ লগে লগে অভিজ্ঞ লোকসকলে আহি অসমৰ বাণিজ্যৰ সা-সুবিধা-বোৰ আগতে লৈ ললে। এতিয়া যদি এক শ্ৰেণী কৰ্ম্মঠ পৰিশ্ৰমী চৰিত্ৰবান লোকে ধৈৰ্য্য ধৰি ব্যৱসায়ত নামে তেনেহলে অসমীয়াও ইয়াৰ প্ৰাপ্যস্থানত অধিষ্ঠিত হব পাৰিব।"

কথা প্ৰসঙ্গতে তেখেতে ইংৰাজ সকলৰ ব্যৱসায় জ্ঞানৰ কথা কৈছিল। যদিও ইংৰাজ সকলক আমি দেশৰ পৰা উলিয়াই দিবলৈ চেষ্টা কৰিছো, তেওঁলোকৰ সজ আদৰ্শ নিয়মানুবৰ্ত্তিতা আৰু বাণিজ্য নীতি আমাৰ সদায় অনুকৰণীয়। তেওঁলোকে ইংলণ্ডত থাকি আমাৰ দেশৰ ইমানবোৰ ভিতৰুৱা অঞ্চলত আহি একো একোখন উদ্যোগ নগৰ গঢ়ি তুলিছে আৰু তাৰ উৎপাদিত পণ্যবোৰ নি আন ঠাইৰ বজাৰত কি ধৰণে বিক্ৰি কৰিছে। টকাবোৰ আনি কেনেধৰণে বিতৰণ কৰিছে সকলো কথা তেওঁলোকৰ পৰা আমি শিকিবুজি লব লাগিব। সাধুতা সম্পৰ্কেও তেখেতে কৈছিল যেনে—"হৰলিক্স মিল্ক কোম্পানীযে" যি কেইটা উপাদানেৰে এই বস্তুটো প্ৰস্তুত কৰিছে, যিমান ওজন দিছে আৰু যি পৰিমাণে লাভ ধৰিছে তাক যথাযথ ভাবে পালন কৰি আহিছে। এই "হৰলিক্স"ৰ ওপৰেদি দুটা মহাযুদ্ধ পাৰ হৈ গল। জৰুৰী অৱস্থাত নিয়মিত গ্ৰাহকক হয়তো চৰকাৰে খৰিদ কৰাত কিছু কমাই দিব লগা হ'ল কিন্তু তেওঁলোকে আগৰ নীতিকে মানি চলিলে। বস্তু বিকৃত নকৰিলে, ওজনো নকমালে নাইবা নিৰিখৰ বেছিকৈ দামো নললে। এই "হৰলিক্স" লৈযে বহুতো কলা বজাৰৰ বেপাৰীযে বহুতো ধন ঘটিলে কিন্তু কোম্পানীয়ে তেওঁ-লোকৰ নীতিৰ পৰা বিন্দু বিসৰ্গও বিচ্যুত হোৱা নাই। এনেবোৰ কাৰণেই এনেকুৱা কোম্পানীবিলাকে শতাব্দীৰ পিছত শতাব্দী ধৰি আস্থাভাজন হৈ পৰিছে।

ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ আৰু বেহা বেপাৰ প্ৰতিষ্ঠা কৰি কেনেকৈ অসমীয়া ডেকাসকলে সুখী আৰু ভদ্ৰভাবে জীবিকা নিৰ্ব্বাহ কৰিব পাৰে তাৰে চিন্তা তেখেতে আগত ৰাখিছিল। ইং ১৯৩১-৩২ চনত তেখেতৰ জোঁৱাই শ্ৰীহৰিশ চন্দ্ৰ গোস্বামী

এম, এচ, চি দেৱে যেতিয়া আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ তত্বাবধানত কলিকতাত বিজ্ঞান কলেজত গবেষণা কৰি আছিল, সেই সময়ছোৱাত প্ৰধানতঃ বৰুৱাদেৱৰ উদ্যোগতে কলিকতাৰ চাৰ্পেণ্টাইন লেনত বাণী কেমিকেল ৱৰ্কচ্ নাম দি এটা চিয়াঁহীৰ কাৰখানা জোৱাঁযেকৰ হতুৱাই আৰম্ভ কৰাইছিল। পিছত আন কেইজন-মান অংশীদাৰ লৈ সেইটোকে বাৰুইপাৰা লেনত (আলমবজাৰত) কাৰখানা এটাত পৰিণত কৰা হৈছিল। মইও কিছুদিন এই অনুষ্ঠানৰ প্ৰতিনিধিৰ কাম কৰিছিলো।

তেখেতৰ উদ্যমতে কামাখ্যাৰ ওচৰত এটি আৰু পলাশবাৰীত এটি কাঠফলা কল বহুওৱা হয়। কামাখ্যাৰ ওচৰৰ কলটি এতিযাও ভালদৰে চলি আছে। এই-দৰে সৰুবৰ যিবোৰ শিল্পত লিপ্ত হৈ মানুহে সজভাবে জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে তাৰ বিষয়ে উপদেশ বা বক্তৃতা দিযা তেখেতৰ উদ্দেশ্য নাছিল। নিজ হাতে কাম কৰি মানুহক আদৰ্শ দেখুৱাইছিল। ইং ১৯৫৩ চনত তেখেতে শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা বি, এ, বি টি দেৱক হাতত লৈ সোণাপুৰত এটি গো-পালন কেন্দ্ৰ আৰম্ভ কৰিছিল।

অসমীযা গৰুবোৰক কেনেকৈ উন্নত কৰিব পাৰি, কেনেকৈ এই জাতি গৰুৰ পৰা ৰাইজৰ বেছি উপকাৰ সাধন হব পাৰে তাৰে চিন্তা কৰি তিনিজন অসমীযা আৰু দুইজন মাৰোযাৰী ভদ্ৰলোকৰ লগত লগ হৈ ৩০ জনী মান অসমীযা গাই ৰাখি সোনাপুৰত এই গো-পালন কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছিল। এটি সিন্ধি গাই পুহিলে কেনেকুৱা যত্ন লব লাগে খাদ্য খোৰাকী আৰু ৰখা আদিত কেনেকুৱা ধৰণে যত্ন লব লাগে তাকে চাই অসমীযা সৰু গাই এজনীৰ খোৱা খাদ্য (দানা-পানী) ঘাঁহ আদি যদি ভালদৰে যোগোৱা হয় এই জাতিৰ গৰুৰ পৰাও সৰহীয়া গাখীৰ পোৱা যাব পাৰে। তদুপৰি এই জাতি গৰু আমাৰ দেশজাত হোৱা বাবে সহজে হাৱা পানীও সহ্য কৰিব পাৰে। উন্নত ধৰণৰ ষাঁড়ৰ সংস্পৰ্শত বৰ্ত্তমানৰ বৈজ্ঞানিক ব্যৱস্থা ললে অসমীযা মানুহে সহজতে ইযাৰ পৰা লাভবান হব পাৰে। সোনাপুৰৰ গো-পালন কেন্দ্ৰত নিজা তদাৰককাৰী মানুহ থাকিব নোৱাৰাত আৰু গুৱাহাটীলৈ গাখীৰ অনাত অসুবিধা হোৱাত লোকচান দিব লগা হ'ল। শ্ৰীপ্ৰাণেশ্বৰ শৰ্মাক (বৰ্ত্তমান টিহুৰ ফালৰ স্কুল এখনত প্ৰধান শিক্ষক) পিছত এই প্ৰতিষ্ঠানৰ ভাৰ দিছিল। তেখেতৰ ডাঙৰ ভাযেক শ্ৰীধৰণীধৰ শৰ্মাদেৱো তাত আছিল। তথাপি খৰচ নিমিলাত এই কেন্দ্ৰটো বন্ধ কৰিব লগা হ'ল। কেন্দ্ৰটো বন্ধ কৰিব লগা হলেও এই আদৰ্শতে বহুতে এনেকুৱা গো-পালন কেন্দ্ৰ কৰি যথেষ্ট লাভবান হৈছে।

বৰুৱাদেৱৰ আশীৰ্ব্বাদ শিৰত লৈ সৰুকৈ মই এখন দোকান আৰম্ভ কৰিলো

আৰু অশেষ ধৈৰ্য্য ধৰি থকাৰ পাছত লাহে লাহে ক্ৰমোন্নতিৰ পথত আগুৱাব ধৰিলে। ইয়াতে মোৰ সৰু ভাইজনেও আহি যোগ দিলে। মই এটি কাৰিকৰী বিদ্যা শিকিম বুলি ভাইজনক ঘৰত থৈ চৈযদপুৰত "বেঙ্গল ছ'প ট্ৰেইনিং" শিক্ষা লৈ ৰংপুৰত কবিৰাজী শিকিব ধৰিলো। মোৰ বয়স কম যদিও কবিৰাজী কৰিব ওলালো। সেই সময়ত সাধাৰণ দুই এপদ ঔষধৰ বাহিৰে তাৰপৰা মোৰ উপাৰ্জ্জন কম হৈছিল। ইপিনে চাবোন তৈযাৰী কৰিব জানিছিলো যদিও সেই ব্যৱসায আৰম্ভ কৰিবলৈ আৱশ্যকীয মূলধন মোৰ নাছিল। সেই সময়ত যোৰহাটৰ পৰা পৰম শ্ৰদ্ধেয় শ্ৰীনীলমণি ফুকনদেৱৰ সম্পাদনাত "বাতৰি" প্ৰকাশ হৈছিল। মই অসমত চাবোন শিল্প নাম দি তাত প্ৰবন্ধ লিখিছিলো আৰু এই শিল্পত কেনেকৈ অসমীযা উৎসাহী লোকে লাগিলে উন্নতি কৰিব পাৰে সেই সম্পৰ্কে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। যি হওঁক তাৰ কেইবছৰমান পাছতে গভৰ্ণমেণ্টে চাবোন তৈযাৰী কামটোও কুটীৰ শিল্পৰ ভিতৰুৱা কৰি তাৰো শিক্ষাদান কাৰ্য্য আৰম্ভ কৰিলে।

কবিৰাজী শিক্ষাৰ সময়ত বনৌষধিবিলাকৰ সংস্কৃত নাম, বঙলা নাম, অসমীয়া নাম, ইংৰাজী (Scientific and Latin) নামবোৰ দি তাৰ সংক্ষিপ্ত গুণাগুণবোৰ দি এখন নতুন ধৰণৰ পুথি সংগ্ৰহ কৰিছিলো। আৰু ১৯৪৯ চনত প্ৰেছ স্থাপন কৰিযে এই পুথিখন ছপাই উলিযালো। স্বৰ্গীয বৰুৱাদেৱৰ এই কাৰ্য্যত বৰ ৰাপ আছিল। বনৌষধি আৰু দ্ৰব্যগুণৰ বিষযে এজন চিকিৎসক কবিৰাজতকৈও তেখেতে বেছি কথা জানিছিল। তেখেতে নিজৰ বাৰীটো বহুত ঔষধৰ গছ ৰুইছিল। চাহ বাগিছাতো ৰোৱাইছিল। মোক এই কামত যথেষ্ট উৎসাহ দান কৰিছিল। এই প্ৰসঙ্গতে তেখেতে অসমৰ আপুৰুগীযা গছ গছনি বনৌষধি সমূহৰো বৈজ্ঞানীক প্ৰণালীৰে গবেষণা কৰাৰ কথা কৈছিল। এতিযা আমাৰ বিশ্ববিদ্যালয়ত আৰু আযুৰ্ব্বেদ কলেজত নিশ্চয এইবোৰ বিষয গবেষণাৰ ভিতৰুৱা কৰি লব পাৰে। বনৌষধিবোৰৰ গবেষণা আযুৰ্ব্বেদ কলেজতো চলাব পাৰি।

৺কামাখ্যাৰাম বৰুৱা আমাৰ পশুকল্যাণ ক্ষেত্ৰত এক বিশিষ্ট ব্যক্তি

শ্ৰীৰাণাৰাম অযোধ্যা সিং

সম্পাদক, অসম প্ৰান্তীয় গো শালা সঙ্ঘ, গুৱাহাটী

কামাখ্যাৰাম বৰুৱাৰ দৰে এগৰাকী প্ৰখ্যাত আইনজ্ঞ আৰু বিশিষ্ট ব্যক্তিত্ব-সম্পন্ন লোকৰ বিষয়ে দুআষাৰ লিখিবলৈ যোৱাটো মোৰ বাবে ধৃষ্টতা মাথোন।

গতিকে পশুকল্যাণ বিষয়ত তেখেতৰ অৱদান সম্পৰ্কে দুষাৰ লিখিয়েই মই ক্ষান্ত থাকিম।

অসম প্ৰান্তীয় গো-শালা সংঘৰ জৰিয়তে ৺বৰুৱাৰ নিকট সংস্পৰ্শলৈ আহিব পৰাটো মোৰ পৰম সৌভাগ্য আছিল। অসমৰ বিভিন্ন গো-শালাৰ সমূহীয়া সংগঠিত অনুষ্ঠান এই প্ৰান্তীয় গো-শালা সংঘৰ আৰম্ভনিৰে পৰা (১৯৪৯ চন) তেখেত ইয়াৰ লগত জড়িত আছিল। তাৰোপৰি উন্নত বিধৰ স্থানীয় গৰুবিলাকৰ উন্নয়নৰ অৰ্থে তেখেতে নিজেই আগভাগ লৈ বশিষ্ঠত অসম গো-সেৱা সমিতি নামেৰে এটি অনুষ্ঠান পাতিছিল।

ভাৰতৰ ভিতৰতে অসমত গাখীৰৰ উৎপাদন আটাইতকৈ কম। অসমৰ জলবায়ু আৰু পাৰিপাৰ্শ্বিকতাত অধিক উৎপাদনক্ষম আৰু উন্নত গো-প্ৰতিপালন কল্পে গো-শালা সমূহৰ জৰিয়তে হাতত লব পৰা কামৰ এক বিস্তৃত আঁচনি প্ৰস্তুত কৰি বৰুৱাই চৰকাৰৰ ওচৰত দাখিল কৰিছিল। ইয়েই গো-পালনৰ প্ৰতি থকা তেখেতৰ বিশেষ মনযোগৰ প্ৰমাণ।

অসম চৰকাৰে গো-শালা সমূহৰ জৰিয়তে ১৯৫৬-৫৭ চনত উন্নত গো-প্ৰতিপালন আৰু অধিক গাখীৰ উৎপাদনকল্পে প্ৰৱৰ্ত্তন কৰা গো-শালা উন্নয়ন আঁচনি মূলতঃ বৰুৱাৰ অক্লান্ত পৰিশ্ৰমৰ ফল। গো-পালনৰ উন্নতিৰ অন্যান্য দিশতো তেখেতে সমানেই উৎসাহ প্ৰদৰ্শন কৰিছিল, আৰু ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গো-সম্বৰ্দ্ধনা সমিতিৰ অহ্বানক্ৰমে তেখেতে "গো-সম্বৰ্দ্ধনা সপ্তাহ" পালনত সফলতাৰে আগ্ৰহ প্ৰকাশ কৰিছিল। এই সম্পৰ্কীয় বিভিন্ন সভা-সমাৰোহত যোগ দিয়াৰ উপৰিও তেখেতে নানা প্ৰবন্ধপাতিও লিখিছিল। এই সন্দৰ্ভত "গো-সম্বৰ্দ্ধনা সপ্তাহ"ত বিনামূলীয়াকৈ বিতৰণৰ বাবে বিশেষ ভাবে লিখা তেখেতৰ "গাখীৰত খাদ্যপ্ৰাণ" নামৰ ক্ষুদ্ৰ পুস্তিকাখনি বিশেষভাবে উল্লেখযোগ্য।

১৯৫৮ চনত “অসম প্ৰান্তীয় গো-শালা সংঘই” সেই সময়ৰ সংঘৰ সভাপতি স্বৰ্গীয় ৰায়বাহাদুৰ দুৰ্গেশ্বৰ শৰ্ম্মাৰ নেতৃত্বত “অসম ৰাজ্যিক পশু-হিংসা নিৰোধক সমিতি” স্থাপন কৰা সময়তো ৺বৰুৱাই এই সমিতি স্থাপনত বিশেষভাৱে উৎসাহ দিয়ে আৰু অশেষ কষ্ট স্বীকাৰ কৰি সমিতিৰ বাবে এখন সংবিধান প্ৰস্তুত কৰি দিয়ে।

চমুকৈ ইমানকে কব পাৰি যে প্ৰান্তীয় গো-শালা সংঘ আৰু পশু-হিংসা নিৰোধক সমিতিৰ জৰিয়তে বৰুৱাই গো-পালনৰ উন্নতিৰ প্ৰতি থকা তেখেতৰ আন্তৰিক গভীৰ আগ্ৰহ প্ৰকাশ কৰিছিল।

- - - -

অসম লেজিছ্‌লেটিভ্‌ কাউন্সিলৰ সদস্য হিচাপে কামাখ্যাৰাম বৰুৱা

শ্ৰীসতীশ ভট্টাচাৰ্য্য এম এ

অধ্যাপক সন্দিকৈ ছোৱালী কলেজ, গুৱাহাটী

কামাখ্যাৰাম বৰুৱা ১৯২৪ চনৰ পৰা ১৯২৬ চনলৈ এই তিনিবছৰকাল অসম লেজিছলেটিভ কাউন্সিলৰ সদস্য আছিল। সময়ছোৱা অতি তাৎপৰ্য্যপূৰ্ণ। কিযনো এই সময়ছোৱাৰ ঠিক আগে আগেই সমগ্ৰ দেশজুৰি অসহযোগ আন্দোলন আৰম্ভ হৈছিল আৰু সাম্ৰাজ্যবাদী চৰকাৰেও শাসনৰ বাঘজৰী যিমান পাৰে কঠোৰতাৰে ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল। এনেস্থলত কি এক জটিলতাৰ মাজেদি কাউন্সিলৰ সদস্যসকলে কাৰ্য্যনিৰ্বাহ কৰিব লগা হৈছিল সি সহজেই অনুমেয়। দেশ-মাতৃকাৰ আহ্বানত এফালে হেজাৰ হেজাৰ লোকে স্বেচ্ছাই কাৰাবৰণ কৰিছিল আৰু আনফালে চৰকাৰে সেইসকল লোকক সকলো প্ৰতিনিধিত্বমূলক ৰাজহুৱা অনুস্থানত যোগদান কৰাৰ পৰা বিৰত কৰি ৰাখিছিল। এইসকল "ৰাজনৈতিক অপৰাধীযে" যাতে লোকেল বোৰ্ড, মিউনিছিপেলিটি আদিলৈ নিৰ্ব্বাচিত হব পাৰে আৰু লেজিছ্‌লেটিভ কাউন্সিলৰ সদস্য হোৱাতো যাতে কোনো বাধা নাথাকে তাৰ বাবে সদনত দুটি প্ৰস্তাব দাঙি ধৰি বৰুৱাদেৱে কৈছিল—"যোৱা কেইবছৰত অসমৰ বহুসংখ্যক লোকক ৰাজনৈতিক অপৰাধত জেললৈ পঠোৱা হৈছে, ৰাজনৈতিক বিশ্বাসৰ বাবে এওঁলোকক জেললৈ নিয়া হৈছে, বিভিন্ন শিক্ষিত বৃত্তিধাৰীৰ বাহিৰেও এই সকলৰ ভিতৰত বহুতো স্কুলীয়া আৰু কলেজীয়া ছাত্ৰ আছে। (শ্ৰীযুত চলিহাই কোৱামতে এওঁলোকৰ সংখ্যা ১৯২২ চনৰ মাৰ্চৰ ২৭ তাৰিখে হল ৯৯৬ জন) প্ৰকৃততে অপৰাধ-মূলক মনোবৃত্তিৰে এওঁলোকে কিবা কৰিছে বুলি মই নাভাবো। মোৰ নিজৰ ঠাই গুৱাহাটীতে শ্ৰীতৰুণৰাম ফুকন, বাৰ-এট-ল দেৱক এবছৰ কাৰাদণ্ড দিয়া হৈছে, শ্ৰীনবীন চন্দ্ৰ বৰদলৈকো ১৮ মাহৰ কাৰাদণ্ডৰ আদেশ দিয়া হৈছে। অন্যান্যসকলৰ মাজত আছে ১৩ জন আইন ব্যৱসায়ী, ১১ জন কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক—কেবাগৰাকীও এম্‌, এ,—এম, এচ, চি, উত্তীৰ্ণ হোৱা ব্যক্তি, কেইজনমান চিকিৎসক আৰু সমাজৰ অন্যান্য সন্মানীয় ব্যক্তিসকল।

"এই সকল লোকক (ছমাহৰো অধিক কাল তেওঁলোকে কাৰাবৰণ কৰিবলগা হোৱা বাবে) লোকেল বোৰ্ড, মিউনিছিপেল বোৰ্ড আদিলৈ নিৰ্ব্বাচিত হোৱাৰ পৰা

বিৰত কৰা হৈছে। মোৰ বোধেৰে এইসকল দেশপ্ৰেমিক লোকৰ সেৱাৰপৰা দেশ আৰু দেশবাসীক বঞ্চিত কৰিবলৈ বিচৰাটো অনুচিত।" অসম স্থানীয় স্ব-শাসিত প্ৰশাসন (সংশোধনী) বিল, ১৯২৫ ৰ আলোচনাত অংশ গ্ৰহণ কৰি তেখেতে কৈছিল যে লোকেল বোৰ্ড, মিউনিছিপেল বোৰ্ডত মনোনীত সদস্যতকৈ নিৰ্ব্বাচিত সদস্যৰ সংখ্যা অধিক হব লাগে। কাৰণ চৰকাৰৰ মনোনীত ব্যক্তিতকৈ ৰাইজৰ নিৰ্ব্বাচিত প্ৰতিনিধিয়ে জনসাধাৰণৰ কথা বেছি ভালদৰে বুজি পায় আৰু ফলপ্ৰসূ সেৱা আগ বঢাব পাৰে।

স্বদেশী আন্দোলনত গোটেই দেশ দোলদোপ হোন্দলদোপ তেতিয়া। পৰনিৰ্ভৰশীলতাৰ সলনি আত্মনিৰ্ভৰশীলতা, পৰমুখাপেক্ষিতাৰ সলনি আত্মবিশ্বাস— এয়ে আছিল স্বদেশী আন্দোলনৰ পৰিচালিকা-শক্তি। লেজিছলেটিভ কাউন্সিলতো প্ৰস্তাব অনা হৈছিল—ছাত্ৰ-ছাত্ৰীসকলৰ মনতো আত্মনিৰ্ভৰশীলতা আৰু কায়িক শ্ৰমৰ প্ৰতি আগ্ৰহ জন্মাই তুলিব লাগে—প্ৰাথমিক স্তৰত প্ৰচলিত "হাতৰ কাম"ৰ সলনি সূতা-কটাতো বাধ্যতামূলক কৰিব লাগে। এই প্ৰস্তাবৰ সমৰ্থনত শ্ৰীবৰুৱাই কৈছিল—"এইটো বৰ দুৰ্ভাগ্যৰ কথা যে কায়িক শ্ৰমৰ প্ৰতি বিমুখতা এতিয়াও আমাৰ দেশত বহুপৰিমাণে বিৰাজমান। মই ভাবো, এনে শ্ৰমবিমুখতাৰ আৰম্ভনিৰ লগে লগেই আমাৰ দেশৰ পতনো আৰম্ভ হৈছে। এই শ্ৰমবিমুখতা আমাৰ বৰ্ত্তমান শিক্ষাৰ প্ৰধান দোষ। এইটো নিসন্দেহ যে বৰ্ত্তমান শিক্ষাপদ্ধতিয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক আৰামপ্ৰিয়, বিলাসী আৰু অমিতব্যয়ী কৰি গঢ়ি তুলিছে আৰু কায়িক শ্ৰমৰ প্ৰতি তেওঁলোকক সম্পূৰ্ণ বিমুখ কৰি তুলিছে।

"এই দুৰৱস্থা নিৰাময়ৰ বাবে যতৰত সূতা কটাৰ প্ৰবৰ্ত্তন কৰিব লাগে। ইয়েই একমাত্ৰ উপায় নহলেও অন্ততঃ এটা ভাল উপায়। হাতেৰে সূতা কটাৰ প্ৰতি এতিয়া গোটেই অসম জুৰি আৰু অন্যান্য প্ৰদেশতো এক উদ্দীপনাৰ সৃষ্টি হৈছে। ইয়াৰ অৰ্থ নৈতিক দিশটোৰ বিষয়েও যথেষ্ট যুক্তি দৰ্শাব পাৰি।

"আমাৰ মানুহৰ আজৰি সময় যথেষ্ট। ইয়াৰে কিছু সময় সূতাকটাত আত্ম-নিয়োগ কৰি নিজৰ প্ৰয়োজনীয় সূতাখিনিকে উলিয়াই লব পাৰে, কিন্তু বজাৰৰ সহজলভ্য সস্তীয়া সূতাই নিজে সূতা কটাৰ প্ৰতি মানুহৰ আগ্ৰহ কমাই দিয়ে। এনে অৱস্থাৰ ওৰ পেলাবলৈ আৰু যাতে সৰুৰেপৰাই ছাত্ৰ-ছাত্ৰী কায়িক শ্ৰমৰ প্ৰতি আগ্ৰহান্বিত হয় তাৰ বাবে প্ৰাথমিক বিদ্যালয়বোৰত সূতাকটা বাধ্যতামূলক কৰিব লাগে। বৰ্ত্তমান প্ৰাথমিক বিদ্যালয়বোৰত মাটিৰ পুতলা সজা আদি যিবোৰ হাতৰ কাম দিয়া হয় পাছৰ জীৱনত সেই বিদ্যা ছাত্ৰ-ছাত্ৰীৰ একো কামত নাহে, কিন্তু সূতা কাটিবলৈ শিকিলে পাছৰছোৱা জীৱনত তেওঁলোক ইয়াৰ দ্বাৰা নিশ্চয়কৈ

উপকৃত হব। মই কব পাৰো যে অৰ্থনৈতিক দুৰবস্থা দূৰীকৰণৰ ক্ষেত্ৰতো ই এক বলিষ্ঠ পদক্ষেপ হব।"

শ্ৰীহট্টৰ সদস্য বাবু ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সাধাৰণ শিক্ষাৰ সংস্কাৰকল্পে এটি অনুসন্ধান সমিতি নিযোগ কৰি সমিতিৰ অনুমোদনক্ৰমে শিক্ষাব্যৱস্থাৰ পুনৰ্গঠন কৰিব লাগে বুলি সদনত উত্থাপন কৰা এটি প্ৰস্তাৱৰ বিতৰ্কত অংশ গ্ৰহণ কৰি (প্ৰস্তাবটো বৰুৱাই সমৰ্থন কৰিছিল) শ্ৰীবৰুৱাই সাধাৰণ শিক্ষাৰ দোষত্ৰুটি আঙুলিযাই দি কৈছিল যে ছাত্ৰছাত্ৰীৰ মানসিকতাক শুদ্ধভাবে গঢ় দিবলৈ হলে দেশৰ শিক্ষাব্যৱস্থা থলুৱা সংস্কৃতিৰ ওপৰত আধাৰিত হব লাগিব। নিজ দেশৰ সংস্কৃতিক বাদ দি অন্যদেশৰ সংস্কৃতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ জ্ঞান-চকু মুকলি কৰি দিব খোজা শিক্ষাব্যৱস্থাই শিক্ষাৰ প্ৰকৃত উদ্দেশ্যটোকে বিফল কৰি পেলায়। উল্লেখযোগ্য যে মাতৃভাষাৰ জৰিযতে শিক্ষাদানৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰাৰ কথা তেতিযাই সদনত দাঙি ধৰা হৈছিল। আৰু তেতিযাৰ দিনতেই অসমৰ বাবে এখন মাধ্যমিক শিক্ষা বোৰ্ড আৰু এটি স্বকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে বৰুৱাপ্ৰমুখ্যে সদস্যসকলে পৰামৰ্শ আগবঢাইছিল। নকলেও হব, এই অনুমোদন কাৰ্য্যকৰী কৰা হলে আজি অসমৰ শিক্ষাৰ ক্ষেত্ৰ আৰু বহুপৰিমাণে প্ৰসাৰিত হলহেতেন।

অসমীয়া সমাজত কানিৰ প্ৰচলন বন্ধ কৰাৰ প্ৰচেষ্টা বৃটিছ চৰকাৰেই হাতত লৈছিল সঁচা, কিন্তু যিমান খৰতকীয়াকৈ এই কানিবিহৰ প্ৰচলন বন্ধ কৰিবপৰা গ'লহেতেন, সিমান খৰতকীয়া ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰা নাছিল। কাৰণ কানিৰ পৰা চৰকাৰৰ প্ৰচুৰ আয় হৈছিল। এই সম্পৰ্কে চৰকাৰৰ হেমাহিৰ উল্লেখ কৰি শ্ৰীবৰুৱাই কৈছিল—"বিষৰ প্ৰচলন অব্যাহত ৰাখি তাৰপৰা কৰ আদায কৰাটো অন্যায। ঔষধ হিচাপে ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য্য বুলি যুক্তি দৰ্শোৱা হয—কিন্তু কানিক প্ৰকৃততে ঔষধ বুলি কব পৰা নেযায। সি যি কি নহওঁক, আমি এইটোকে বিচাৰো যে কানিৰ প্ৰচলন সম্পূৰ্ণৰূপে বন্ধ কৰি দিব লাগে। ডাক্তৰে ব্যৱস্থা দিলে ঔষধ হিচাপে ইযাক ব্যৱহাৰ কৰিবলৈ দিবলৈ আমি সাজু, কিন্তু নিচাৰ বাবে কানি সেবন সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে। কানি বন্ধ কৰি দিলে কোনো কানীয়াৰ মৃত্যু হব বুলি মই নাভাবো। কানি খোৱা মানুহক যেতিয়া জেললৈ পঠিওৱা হয়, জেলত তেওঁক কানি দিয়া নহয। অসহযোগ আন্দোলনৰ সময়ত এই অভ্যাস এৰি বহুতে নিজৰ স্বাস্থ্যৰ উন্নতি সাধিছে। গতিকে কানি বন্ধ কৰি দিলে কাৰোবাৰ মৃত্যু হব পাৰে বুলি কৰা ভয় নিৰৰ্থক। চৰকাৰে এফালে এই কানিৰ প্ৰচলন ক্ৰমান্বয়ে কমাই অনাৰ নীতি গ্ৰহণ কৰিছে, কিন্তু আনহাতে ইয়াক বন্ধ কৰিবলৈ কোনো প্ৰকাৰৰ কঠোৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। কিন্তু ব্যৱস্থা লোৱাত

কিবা অসুবিধা আছে বুলি মই নাভাবো। চৰকাৰে যেনে ব্যৱস্থা লোৱা উপযুক্ত বুলি ভাবে তেনে ব্যৱস্থাই গ্ৰহণ কৰিব পাৰে।"

বিদেশী চৰকাৰৰ অন্যতম লক্ষ্য আছিল ৰাজহ বৃদ্ধি। এই উদ্দেশ্যে ১৯২৪ চনত চৰকাৰে লব খোজা ব্যযবহুল ভূমি পুনঃসংস্থাপন ব্যৱস্থাৰ জৰিয়তে কৰবৃদ্ধিৰ বিৰোধিতা কৰি শ্ৰীবৰুৱাই কৈছিল যে জনসাধাৰণৰ অৱস্থাৰ উন্নতিৰ প্ৰতি কোনো লক্ষ্য নৰখাকৈ এনে কৰবৃদ্ধি কৰিব খোজা এটা প্ৰস্তাব দেখদেখকৈ জনস্বাৰ্থৰ পৰিপন্থী। লগতে চৰকাৰক এই বুলিও সকিয়াই দিছিল যে ভবিষ্যতে ভূমি পুনঃ সংস্থাপনৰ কাম হাতত ললে থলুৱা লোকে যাতে মাটি পাব পাৰে তাৰ বাবে চৰকাৰে লক্ষ্য ৰাখিব লাগিব।

শ্ৰীবৰুৱা আছিল দৰিদ্ৰ মানুহৰ বন্ধু। সাধাৰণ মানুহৰ বোজা বঢোৱা যি কোনো চৰকাৰী ব্যৱস্থাৰ তেখেতে বিৰোধিতা কৰিছিল। 'গ্ৰেজিং টেক্স' 'কোৰ্ট ফি' ইত্যাদিৰ বৃদ্ধিৰ বিপক্ষে দুখীয়াৰ হকে মাত মাতি তেখেতে জনগণৰ প্ৰতি গভীৰ প্ৰীতিৰ পৰিচয় দিছিল। তেখেতে বৰ কটুবাক্য ব্যৱহাৰ কৰি সমালোচনা নকৰিছিল সঁচা—কটুবাক্য তেখেতে কেতিযাও ব্যঁৱহাৰ নকৰিছিল—কিন্তু তেখেতৰ সমালোচনা আছিল তাৎপৰ্য্যপূৰ্ণ আৰু চিন্তাগধুৰ। তেখেত আছিল সদায় জনসাধাৰণৰ হকে মাত মাতোঁতা। এবাৰ চৰকাৰে বনবিভাগৰ উচ্চপদস্থ বিষযাসকলৰ বানচ (allowance) বৃদ্ধিৰ বাবে এটি প্ৰস্তাব আনিছিল। আলোচনা প্ৰসঙ্গত বৰুৱাই কৈছিল -"বনবিভাগৰ উচ্চপদস্থ বিষযাসকল চহৰত থাকে। বনাঞ্চলৰ আওহতীযা ঠাইবোৰত থাকে সামান্য দৰমহা পোৱা নিম্ন কৰ্মচাৰীসকলহে। বানচ যদি বৃদ্ধি হবই লাগে, তেনেহলে প্ৰথমে সৰু চাকৰিযাল সকলৰহে হোৱা উচিত।"

বৰুৱাদেৱৰ আটাইবোৰ সমালোচনাই এনে গঠনমূলক পৰামৰ্শৰ চানেকি। চৰকাৰক পদে পদে তেখেতে সমালোচনাই কৰিছে, কিন্তু অনাহক বাগাড়ম্বৰ নতুবা ভাষাৰ অতিশয তীব্ৰতা এইবোৰত নাই। বিষযৰ গভীৰতালৈ প্ৰৱেশ কৰি এক বিশেষ স্তৰত আলোচিত এই বিষযসমূহৰ সম্যক বিশ্লেষণৰ বাবে ভাষাৰ তীব্ৰতা নতু আবেগতকৈও সংযম আৰু সুস্থ চিন্তাৰহে যে প্ৰযোজন বেছি তাক নিশ্চয বৰুৱা-দেৱে উপলব্ধি কৰিছিল। দৰ্শকৰ বাহ্‌বা নিবিচাৰি প্ৰকৃততে দহজনৰ উপকাৰ সাধিব খোজা ৰাজনীতিকৰ এযেই অনুকৰণীয আদৰ্শ হোৱা উচিত। নাম নহয়, কামহে—এয়েই আছিল তেখেতৰ আদৰ্শ।

মণিপুৰত শ্ৰীকামাখ্যাৰাম বৰুৱা

শ্ৰীপ্ৰিয়ব্ৰত সিং

মণিপুৰ ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

ভাৰতৰ স্বাধীনতাৰ দিন তেতিয়া ওচৰ চাপি আহিছে, এনে সময়তে তেতিয়া মণিপুৰৰ প্ৰশাসনীয দাযিত্বত থকা মেজৰ এফ্ এফ্ গীয়াৰ্চনে মোৰ ছিলঙৰ বাস-ভৱনলৈ গৈ প্ৰস্তাৱ দাঙি ধৰিলে যে মই সেনাবাহিনীৰ পৰা পুনৰ মণিপুৰ প্ৰশাসনলৈ উভতি যাব লাগে। অৱশ্যে মই মণিপুৰৰ মুখ্যমন্ত্ৰীৰ দাযিত্বভাৰ লোৱাৰ আগলৈকে বৰুৱাৰ ওচৰ-সম্পৰ্কলৈ অহা নাছিলো। মণিপুৰৰ চৰকাৰৰ অনুৰোধ ক্ৰমেই ৺বৰুৱাক অসম চৰকাৰে মণিপুৰলৈ পঠিযাইছিল। তেতিয়া তেখেত 'জুডিচিযেল চাৰ্ভিছৰ' সদস্য আছিল। মণিপুৰলৈ আহি তেখেতে ১৯৪৫ চনৰ ৮ জানুৱাৰীত মণিপুৰ উচ্চ ন্যাযালযৰ প্ৰধান হিচাবে যোগদান কৰে। এই ন্যাযালয়ৰ বিচাৰক মণ্ডলীৰ অন্যতম সদস্যসকল আছিল আৰ্, কে, ভাস্কৰ সিং আৰু এল্, এম, ইবুঙহাল সিং। এখেতসকল দুযো মণিপুৰ দৰবাৰৰো পৰিষদ আছিল। পিছলৈ মোৰ ভাতৃ মহাৰাজা বোধচন্দ্ৰ সিংহই দৰবাৰৰ অন্য এজন পৰিষদ এম্ ৰাধা মোহন সিংহক ন্যাযাধীশ হিচাবে নিযুক্তি দিযাত মণিপুৰ উচ্চ ন্যায়ালয় দুজন সদস্যৰে গঠিত ন্যাযাধিকৰণৰূপে পুনৰ সংগঠিত হ'ল।

মণিপুৰত তিনিটা ন্যাযালয আছিল। সদৰ পঞ্চাযত, চেইৰাক (চেইৰাকৰ নামেৰে) আৰু দৰবাৰ। মই মণিপুৰলৈ উভতি যোৱাৰ পূৰ্ব্বৰে পৰা ন্যাযাধিকৰণ আৰু কাৰ্য্যপালিকা পৃথক কৰাৰ কথা চলিছিল আৰু এখন মুখ্য ন্যাযালয গঠন কৰাৰ কথাও চলিছিল। মণিপুৰ ৰাইজৰ থলুৱা ৰীতি-নীতিৰ প্ৰতি লক্ষ্য ৰাখি আইনসমূহ প্ৰণযন আৰু লিপিবদ্ধকৰণৰ দাযিত্ব পৰিছিল কামাখ্যাৰাম বৰুৱাৰ ওপৰত। ই আছিল ভাৰতৰ অন্যান্য প্ৰদেশবিলাকৰ প্ৰবৰ্ত্তিত ন্যায়াধিকৰণ ব্যৱস্থাৰ ওচৰ চপাকৈ মণিপুৰ ৰাজ্যৰ ন্যাযপালিকাৰ এক পুনৰসংগঠন। এই কাম কামাখ্যাৰাম বৰুৱাই অকলেই কৰিছিল। ১৯৪৭ চনত মণিপুৰ ৰাজ্যিক আদালত আইন গৃহীত হোৱাৰ লগে লগে ৩০ আগষ্টৰ দিনা শ্ৰীবৰুৱাই মণিপুৰৰ মুখ্য ন্যাযাধীশ হিচাপে শপত গ্ৰহণ কৰে।

মণিপুৰত কোনো উকীল নাছিল। মানুহবোৰ আছিল সহজ-সৰল, আৰু সেই বাবে বিচাৰালযত সত্য নিৰূপণ অতি সহজ হৈ পৰিছিল, আৰু খুব সোন-কালেই মোকৰ্দ্দমাসমূহৰ নিষ্পত্তি হৈছিল। কিন্তু সময়ৰ পৰিবৰ্ত্তন হোৱাৰ লগে লগে

ন্যায়াধিকৰণ ব্যৱস্থাৰো সলনি হবলগীয়া হ'ল। এই কাম কামাখ্যাৰাম বৰুৱাই অকলেই কৰিছিল, দিহা পৰামৰ্শ লবলৈ কোনো আইন বিশেষজ্ঞৰ সহায় পোৱা নাছিল। সঁচাকৈয়ে মণিপুৰৰ সাম্প্ৰতিক কালৰ বিচাৰ ব্যৱস্থাৰ স্থপতি (আৰ্কিটেক্ট) আছিল বৰুৱা।

মণিপুৰৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিচত মই কামাখ্যাৰাম বৰুৱাৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাওঁ। তেখেত আছিল এগৰাকী অতিশয় ধৈৰ্য্যশীল ব্যক্তি। তেখেত আছিল অতিশয় নম্ৰ ব্যক্তি, কিন্তু আনক সন্তুষ্ট কৰাৰ বিনয় তেখেতে নকৰিছিল। কোনো বিচাৰৰ ৰায় সম্পৰ্কে মোৰ লগত তেখেতৰ মতৰ অমিল হলে তেখেতে স্পষ্টভাবে কৈ দিছিল যে সম্পূৰ্ণ বিচাৰ বিবেচনাৰেহে সেই ৰায়দানৰ সিদ্ধান্তত উপনীত হৈছে। আনহাতে ৰাজ্যৰ প্ৰশাসনীয় বিষয়ত তেখেতে কোনো মাত নেমাতিছিল। ন্যায়ালয়লৈ যোৱাৰ বাটত মই তেখেতক প্ৰায়ে লগ পাইছিলো। তেখেত খোজকাঢি গৈছিল আৰু পিচে পিচে এজন চাপ্ৰাচীয়ে এবোজা ফাইল কঢ়িয়াই নিছিল। হাতত ছাতি লৈ গুৰুগম্ভীৰ ভাবে ইমান চিন্তামগ্ন হৈ তেখেতে খোজ দিছিল যে অনেক সময়ত মই তেখেতৰ চকুত নপৰিছিলোঁ। আন-হাতে তেনেকৈ গৈ থাকোঁতে কোনোবা অচিনাকী মানুহেও তেখেতক কিবা সুধিলে কেতিয়াও বিৰক্ত নহৈছিল। মুখলৈ চাই হাঁহি এটা মাৰি তেখেতে উত্তৰ দিছিল। মই জানো, এই হাঁহি আহিছিল তেখেতৰ অন্তৰৰো অন্তৰৰ পৰা অহা। তেখেতৰ লগত কথা হবলৈ অহা কোনো মানুহক চাপ্ৰাচীয়ে বাধা দিয়াতো তেখেতে ভাল নাপাইছিল। কিন্তু বিচাৰৰ ৰায় দিয়াৰ বেলিকা কথাতো বেলেগ আছিল। তেখেতৰ ৰায় সদায় শুদ্ধ আৰু নিৰপেক্ষ আছিল বুলি মণিপুৰত এতিয়াও কোৱাকুই কৰা হয়।

মণিপুৰত তেখেতৰ চাকৰিৰ কাল শেষ হৈ অহাত আৰু কিছুদিন থাকিবলৈ মই তেখেতক অনুৰোধ জনাইছিলো। কেইমাহমানৰ বাহিৰে তেখেত আৰু বেছি-দিন থাকিবলৈ সম্মত নহ'ল। মণিপুৰত এটি সম্পূৰ্ণ নতুন ন্যায়াধিকৰণ ব্যৱস্থাৰ প্ৰৱৰ্ত্তনৰ কামটো তেখেতৰ ভগ্নস্বাস্থ্যৰ বাবে সঁচাকৈয়ে অতি গধুৰ আছিল। তেখেতে মোক কৈছিল যে তেখেতে নিজৰ পৰিয়ালবৰ্গৰ মাজত জিৰণি লবলৈ বিচাৰিছিল। দুখ আৰু অনিচ্ছাসত্বেও মই মান্তি হবলৈ বাধ্য হলো, আৰু ১৯৪৭ চনৰ চেপ্তেম্বৰ মাহৰ ৩০ তাৰিখে বৰুৱাই অৱসৰ গ্ৰহণ কৰিলে। সম্ভবতঃ তেখেতে ভাৰতীয় দেশীয় ৰাজ্যসমূহলৈ আহিব ধৰা পৰিবৰ্ত্তনসমূহ লক্ষ্য কৰিছিল, আৰু বাহিৰৰ পৰা সেই পৰিবৰ্ত্তনৰ নীৰৱ দৰ্শক মাত্ৰ হবলৈ বিচাৰিছিল।

মণিপুৰৰ পৰা ছিলঙলৈ অহা বা যোৱাৰ বাটত প্ৰায়ে মই মুখ্যমন্ত্ৰী হৈ

থকা কালত আৰু পিছতো, যেতিয়া আৰু একো নহও, তেতিয়াও তেখেতৰ ভৰলু-মুখৰ ঘৰত মই সমানেই আদৰ অভ্যৰ্থনা পাইছিলো। সম্বন্ধে অন্তা যোৱা কৰাৰ পৰা মোক তেখেতৰ পৰিয়ালৰ সকলোৱে চিনি পোৱা হৈছিল, বিশেষকৈ তেখেতৰ দুই পুত্ৰই, যি দুজনক মই নিজৰ ভাতৃস্বৰূপ জ্ঞান কৰোঁ। তেখেতে মণিপুৰৰ বিষয়ে জানিবলৈ ভাল পাইছিল, আৰু মই গলেই নানা বিষয়ৰ ভু-ভা লৈছিল। অসমীয়া আৰু মণিপুৰীয়ে পৰস্পৰক ভাল পাওক, সন্মান কৰক, তাকেই তেখেতে অন্তৰেৰে কামনা কৰিছিল। অতি ঘনিষ্ঠ বন্ধুৰো কেতিয়াবা দাঁতে-ওঠে লাগে—কোনোবা এজন অসমীয়াই যদি কেতিয়াবা কোনো এজন মণিপুৰীক বেয়া ব্যৱহাৰ কৰে—পাৰস্পৰিক ঘৃণা বা বিদ্বেষৰ বাবে সিযেই যথেষ্ট কাৰণ হব নোৱাৰে।

তেখেতৰ বিয়োগত আমি এগৰাকী প্ৰকৃত বন্ধু আৰু শুভাকাঙ্ক্ষী হেৰুৱালো। কোনো আৰম্বৰ নাইবা বাহ্যিকতাৰ হুলস্থুল নকৰি তেখেতে মণিপুৰৰ ন্যায়-পালিকাৰ দৃঢ়ভেটি স্থাপন কৰি দি গ'ল। মণিপুৰৰ মহাৰাজাই যেতিয়া এজন 'লিগেল ৰিমেম্‌ব্ৰেঞ্চাৰ' বিচাৰিলে, তেখেতে কলিকতাৰ ক্ষিতীশ চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ নাম কৈছিল। চক্ৰৱৰ্ত্তীক মণিপুৰী উকীলসকলৰ গুৰু বুলিব পাৰি।

উচ্চ ব্ৰাহ্মণকুলত জন্ম হ'লেও, অস্পৃশ্যতা তেখেতৰ জীৱনৰ সমস্যা নাছিল। "তোমাতকৈ মই পবিত্ৰ" এই ভাব তেখেতৰ নাছিল। ভগবানে জাতি বৰ্ণ নতুবা অৰ্থৰ তুলাচনীৰে মানুহৰ বিচাৰ নকৰে বুলি তেখেতে কৈছিল। মণিপুৰৰ ন্যায়-পালিকাই পৰিবৰ্ত্তিত সময়ৰ লগত খোজ মিলাই নতুন গঢ় লৈছে—এই কথা ভাবিলেই মোৰ কামাখ্যাৰাম বৰুৱালৈ মনত পৰে। মোৰ মানস চক্ষুত এতিয়াও ভাহি উঠে তেখেতৰ সেই স্বভাবসুলভ, বন্ধুত্বপূৰ্ণ শিশু সৰল হাঁহিটো যি হাঁহিত মই সদায় ভাবো, কোনো হিংসাদ্বেষ আৰু কুটিলতা নাছিল, আছিল মাথো প্ৰেম আৰু ক্ষমা।

———

আধুনিক মণিপুৰৰ পথনির্মাতাসকলৰ অন্যতম
কামাখ্যাৰাম বৰুৱা

শ্ৰীৰাধা মোহন সিং
প্ৰাক্তন ন্যায়াধীশ, মণিপুৰ

১৯৪৫-৪৬ চনত মণিপুৰ চৰকাৰৰ অনুৰোধ ক্ৰমে ৺কামাখ্যাৰাম বৰুৱাই মণিপুৰৰ মুখ্য ন্যায়ালয়ৰ চেয়াৰমেন হিচাবে যোগদান কৰিছিল। তেখেতৰ সহযোগী বিচাৰকসকল আছিল ৺আৰ, কে, ভাস্কৰ সিং, এম্, এম্, ইবুঙহাল সিং আৰু শ্ৰী এম্, ৰাধামোহন সিং। বিচাৰপতি হিচাপে শ্ৰীবৰুৱা চৰকাৰ আৰু জনসাধাৰণ উভয়ৰে প্ৰিয় আৰু প্ৰশংসাৰ পাত্ৰ হৈ পৰিছিল।

মণিপুৰ ৰাজ্যত উকীল আৰু আইন ব্যৱসায় নাছিল। বৰুৱাই সৰ্ব্বপ্ৰথমে আইন ব্যৱসায়ৰ প্ৰবৰ্ত্তন কৰে। মণিপুৰত সেই সময়ত কোনো আইনজীৱি নথকাত আইনৰ অভিজ্ঞতা থকা আন্ লোককে ওকালতি কৰিবলৈ দিছিল। বৰুৱাৰ উপদেশমতেই কলিকতা হাইকৰ্টৰ এডভোকেট শ্ৰীকে, চি, চক্ৰবৰ্ত্তীক মণিপুৰৰ মহাৰজাই বিধি-স্মাৰক (লিগেল ৰিমেম্‌ব্ৰেঞ্চাৰ) হিচাবে নিযুক্ত কৰিছিল।

মহাৰাজ কুমাৰ প্ৰিয়ব্ৰত সিঙৰ লগত আলোচনাক্ৰমে ৺বৰুৱাই মণিপুৰ ৰাজ্যৰ বাবে মণিপুৰ আদালত আইনখনৰ পূৰ্বৰূপ যুগুত কৰিছিল। এই খচৰাখন মণিপুৰৰ মহাৰজা, মণিপুৰৰ মন্ত্ৰীমণ্ডলী আৰু ছিলঙত থকা ইংৰাজ প্ৰতিনিধিৰ অনুমোদন লাভ কৰাত মণিপুৰ আদালত আইন হিচাবে গৃহীত হয় আৰু এই পুনৰ্গঠন অনুযায়ী ১৯৪৭ চনৰ ১০ আগষ্টৰ দিনা বৰুৱাই মণিপুৰৰ ৰাজ্যৰ নৱগঠিত মুখ্য ন্যায়ালয়ৰ মুখ্য বিচাৰপতি হিচাবে শপত গ্ৰহণ কৰে।

বিস্তৃত জনজাগৰণৰ পৰিপ্ৰেক্ষিতত মণিপুৰৰ চৰকাৰে প্ৰশাসনীয় বিষয়ত যি নতুন আৰু গণতান্ত্ৰিক ধাৰা প্ৰৱৰ্ত্তন কৰিবলৈ বিচাৰিছিল তাক বাস্তৱত ৰূপায়িত কৰাত বৰুৱাৰ অৱদান আছিল যথেষ্ট।

বৰুৱা আছিল এগৰাকী নিৰপেক্ষ বিষয়া। আইনৰ বাহিৰৰ কোনো কথাতে তেখেতে কাকো প্ৰশ্ৰয় নিদিছিল। নিৰপেক্ষতাৰে বিচাৰৰ তুলাচনি দুইপক্ষৰ আগত দাঙি ধৰিছিল। আধুনিক মণিপুৰৰ পথনিৰ্মাতাসকলৰ ভিতৰত তেখেত আছিল অন্যতম।

তেখেতৰ দৃষ্টিভঙ্গী আছিল উদাৰ আৰু গঠনমূলক। কাৰো প্ৰতি কেতিয়াও তেখেতৰ ব্যৱহাৰ ৰূঢ় নাছিল। উচ্চ ব্ৰাহ্মণ বংশত জন্মিও তেখেতে অব্ৰাহ্মণৰ

সৈতে আহাৰ কৰিছিল। তেখেতৰ জীৱনযাত্ৰাও আছিল বৰ সৰল। বিচাৰালয়লৈ আহোঁতেও তেখেতে কেতিয়াও চৰকাৰী বাহন ব্যৱহাৰ নকৰিছিল। তেখেতৰ ঋষিতুল্য জীৱন আৰু সমাজ উৎসৰ্গিত কৰ্ম অসম আৰু মণিপুৰৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে।

মণিপুৰৰ ধৰণৰ ৰাস আৰু হোলী উৎসৱ পালনত তেখেতে উৎসাহ যোগাইছিল। মূৰ্ত্তিপূজাত তেখেতৰ সিমান আগ্ৰহ নাছিল কাৰণ ঈশ্বৰ সম্পৰ্কে তেখেতৰ অনুভৱ উচ্চতৰ আছিল। সত্যই আছিল তেখেতৰ ভগবান। মণিপুৰ আৰু অসমৰ মাজত সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ওচৰ সম্পৰ্ক স্থাপনৰ তেখেতে পোষকতা কৰিছিল।

তৃতীয় খণ্ড

(জীৱন সোৱঁৰণ)

[দ্বিতীয় আৰু তৃতীয় খণ্ডৰ মাজত ভেদ-ৰেখা বৰ স্পষ্ট নহয়। দ্বিতীয় খণ্ডৰ প্ৰবন্ধবিলাকতো ব্যক্তিগত-সোঁৱৰণ সোমাই আছে আৰু থকাটোৱেই স্বাভাৱিক। তথাপি আগৰ খণ্ডৰ প্ৰবন্ধত একোটা দিশ লৈ প্ৰধানকৈ আলোচনা কৰা হৈছে আৰু এই তৃতীয় খণ্ডত ব্যক্তিগত সোঁৱৰণৰ আধিক্য চকুত পৰা।]

সম্পাদক

পুণ্যশ্লোক কামাখ্যাৰাম বৰুৱাৰ স্মৃতিৰ লেছেৰি-বোটলা

শ্ৰীবেণুধৰ শৰ্ম্মা
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা

আজিকালিৰ সপ্তম অষ্টম মান শ্ৰেণীত পঢ়ি থাকোঁতেই ১৯১০-১১ চনত স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা শিৱসাগৰ চৰকাৰী হাইস্কুলত অলপ দিনৰ নিমিত্তে আমাৰ শিক্ষক আছিল। তেখেতে পঢ়ুৱা বিষয় আছিল জিয়মেট্ৰি আৰু ভূগোল। পিৰিয়ডটো শেষ হোৱা ঘণ্টালৈ কাণ থিয় কৈ থকাতকৈ ছাত্ৰই সোধা প্ৰশ্নলৈহে তেখেত বেছি থিয়কণীয়া আছিল আৰু বিষয়টো খৰচি মাৰি শিকোৱাতহে মন পুতি লাগি থাকিছিল, সিফালে পঢ়ুৱা সময় চৰিয়েই যায়গৈ। এনেয়ে পূজনীয় বৰুৱাদেৱ আছিল ধীৰ স্থিৰ, কৰুণাসিক্ত নীলনয়নযুক্ত শান্ত-সৌম্য ভাবৰ প্ৰতিমূৰ্ত্তি, তাতে আকৌ সেই মূৰ্ত্তিয়ে যেতিয়া জ্ঞানাঞ্জনৰ শলাডাল অকৃত্ৰিম গুৰু-স্নেহৰ পৰশেৰে বুলাই নিয়ে তেতিয়া দুষ্টৰ শিৰোমণি ছাত্ৰও গুৰুভক্তিত গদগদ হৈ পৰে।

স্বৰ্গীয় দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ উদ্যোগত শিৱসাগৰত বাল্যাশ্ৰম আৰু ছাত্ৰসমাজ নামে এখন সভা প্ৰতিষ্ঠা কৰা হৈছিল। দেওবাৰে দেওবাৰে সেই সভা বহিছিল। তাত ধৰ্ম্মনীতি আৰু সদাচাৰ শিকোৱাই আছিল মূল লক্ষ্য; তাৰ লগে লগে ল'ৰাক শুদ্ধ ভাষাৰে ৰচনা লেখিবলৈ, শুৱলা বক্তৃতা দিবলৈ আৰু সভাত বাদ-প্ৰতিবাদ কৰিবলৈও শিকোৱা হৈছিল। সকলো পৰা ধৰ্ম্মত মতি থকা সুধী কামাখ্যাৰাম বৰুৱাক সভাৰ নিয়মানুসাৰে সেই সভাৰ এগৰাকী বিশিষ্ট উপদেষ্টা বাচি লোৱা হল। যিমান দিন শিৱসাগৰত আছিল, সিমান দিন তেখেতে এটা দেওবাৰো খতি নকৰাকৈ বাল্যাশ্ৰমত উপস্থিত আছিল। ল'ৰাহঁতক উপদেশ দি নৈথ আপ্যায়িত কৰিছিল। এদিনৰ সভাত তেখেতে চাহখোৱাৰ অপকাৰিতা সম্বন্ধে বৰ সেজুলা বক্তৃতা এটা দিছিল। বক্তৃতাটো লাহে লাহে দিয়া বাবে সকলোৱে ল'ৰাই শুনি বৰ ভাল পাইছিল, যদিও চাহ খাবলৈ হাক দিয়া কথাখিনি শুনি বহুতে ভাল পোৱা নাছিল। সেই প্ৰসঙ্গতে তেখেতে দেউতাক কালীৰাম বৰুৱাই দৈনিক আহ্নিক কৰি এটাই খোৱা জলপানটোৰ আমোদ লগা বিৱৰণ এটা দিছিল। দেউতাক বৰুৱাই হাতীপুজীয়া বাটি এটাত এবাটি চিৰা আৰু তেলাচুৰা আৰু এটা বাটিত এবাটি ম'হৰ খামুচীয়া দৈ-গাখীৰ আৰু তাকে চাই গুড়-আৰু কল দি পৰিপূৰ্ণ জলপান এটা খাইহে বোলে কামলৈ গৈছিল। বৰুৱা

লৰাছোৱালীয়ে চাহৰ ওপৰত ক্ষুদ্র শৌচ, বৰ-শৌচ কৰে বুলি গুৰিৰ কথা শুনি সকলোৰে বিতৃষ্ণা জন্মিছিল।

তাৰ কেইবছৰমান পাছত ডঃ সূৰ্য্যকুমাৰ ভূঞাৰে (তেতিয়া অকল অধ্যাপক) সৈতে আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা স্বৰ্গীয়া পদ্মাৱতী দেৱী ফুকননীক চাবলৈ যাওঁতে তেখেতৰ কাষ চাপিছিলোঁ। অসমীয়া মানুহৰ পুৰণি সম্ভ্রমশীল মান-মৰ্য্যাদা আৰু ঐতিহ্যৰ প্রতীক স্বৰূপে ভৰলুমুখৰ ঢেকিয়াল ফুকনৰ টোলটি বৃটিছ আমোলৰ মাজ ভাগলৈকে জিলিকি আছিল। সেই সময়ৰ অৱসৰ-প্রাপ্ত চিভিল চাৰ্ভিচৰ বিষয়াসকলে কাপ আৰু মুখত প্রকাশ কৰিছিল বোলে অসমত এতিয়া এঘৰহে মানুহ আছে যি ৰজাদিনীয়া ধৈৰ্য্য-গাম্ভীৰ্য্য, মান-সম্ভ্রম, আচাৰ-ব্যৱহাৰ আৰু কথা-বতৰাৰ বিশিষ্টতা এতিয়াও জীয়াই ৰাখিছে। সেই টোলটিৰ 'স্বধৰ্ম্মে নিধনং শ্রেয়ঃ' পৰিবেশতে কামাখ্যাৰাম বৰুৱাৰ পিতৃপিতামহ-সকলে পাঞ্চভৌতিক দেহা পৰিত্যাগ কৰিছিল। সেই সকলৰ ৰক্তবীজৰে উত্তৰাধিকাৰী আছিল গুৰুদেৱ কামাখ্যাৰাম বৰুৱা। ভূঞাৰ লগত মোক দেখা মাত্রকতে আচৰিত হৈ শিৱসাগৰীয়া বাতৰি অলপ সুধিলে আৰু শিৱসাগৰ বাল্যাশ্ৰমৰ আৰু ছাত্ৰসভাৰ বহল বুৰঞ্জী এখন লেখিবলৈ কলে। সেই সময়ত আমাৰ ছাত্ৰসমাজ নীতি-ধৰ্ম্ম ৰহিত আৰু সদাচাৰহীন হোৱাৰ লক্ষণ দেখা গৈছিল। বাল্যাশ্ৰমৰ আদৰ্শ ই জানোচা লৰাবিলাকৰ চৰিত্র সংশোধন কৰে এই আশাকে কৰি তেখেতে আশ্ৰমৰ বুৰঞ্জীখন লেখিবলৈ কৈছিল। দেশৰ গতি বেয়াৰ ফালে ঢাল খোৱা যেন দেখিও তেখেত বিমৰ্ষ হোৱা নাছিল। বৰুৱাই হৰ্ষচিত্তে ভূঞাক কৈছিল লৰাৰ চাৰিত্র-গঠন আৰু পৰিশ্ৰমৰ মৰ্য্যাদা বুজোৱাত তৎপৰ হবলৈ।

১৯২৪ চনত স্বৰ্গীয় কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়াৰ সভাপতিত্বত শিৱসাগৰত যিখন ছাত্ৰসম্মিলন বহিছিল তাৰ স্মৃতিগ্ৰন্থত মোৰ এটি সৰু প্ৰবন্ধ ওলাইছিল। প্ৰবন্ধটোৰ বিষয় আছিল 'সাতাৰন ছাল'। সেই সময়তে এদিন তেখেত গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ তেখেতসকলৰ নিজা বাহাতুৰ চাহবাগিছা চাবলৈ যাওক। যিখন ৰেলত তেখেত সেইদিনা গৈছিল সেইখনতে মইও দিগাৰু ষ্টেছনত উঠি উজনিমুৱা যাত্রী হলোঁ। আমাৰ চাৰক মোৰ প্ৰবন্ধ থকা পুস্তিকাখন পঢ়িবলৈ দিলোঁ। ভাবিছিলোঁ তেখেতে নো পঢ়িব নে চাগৈ, অসমীয়া কিতাপৰ পাত ছুটা-মান লুটিয়াই থৈ দিব। পিছে মোৰ অনুমানটো যে তেনেই ফোপোলা চাপৰমুখ ষ্টেছনতে জলজলপটকৈ ওলাই পৰিল। মোৰ প্ৰবন্ধটোৰ আকাৰ ইকাৰ এটাও বাদ নিদি তেখেতে পঢ়িলে, পঢ়ি ভালেমান কথা শুধৰাই শেহত কলে তোমা-লোক ডেকা লৰা সদায় উগ্ৰ, অলপ মৃদু হবলৈ শিকিবা। উগ্ৰতাই কাম নিদিয়ে,

মৃদুভাবেৰেহে শত্ৰুক জয় কৰিব পাৰি—"ভাৱেৰে কলে পকাখানেও বাট দিয়ে"। এই নীতিৰ অনুসৰণ বোধকৰো তেখেতে ৰাজনীতিক্ষেত্ৰতো কৰিছিল। তেখেত ৰাজনীতিক্ষেত্ৰত উগ্ৰ নাছিল। কংগ্ৰেছী সদস্যৰূপে থাকোঁতেও তেখেতে কাউন্সিলৰ বক্তৃতাবোৰ মৃদুভাষাৰে দিছিল কিন্তু তাত দৃঢ়তা আৰু উচিত মতাৰ সাহস দুয়োটাই ওলাই পৰিছিল।

এই গৰাকী সাধু পুৰুষৰ উপৰি পুৰুষসকলো সাধু আৰু বিদ্বান আছিল। লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ দত্তকপুত্ৰ শম্ভুৰাম, পূৰ্ব্বতে কামৰূপ জিলাৰে সদ্‌ব্ৰাহ্মণবংশ-জাত বালক আছিল। শম্ভুৰামৰে পৌত্ৰ কামাখ্যাৰাম বৰুৱাৰ দেউতাক কালীৰাম বৰুৱা আছিল শিক্ষা-বিভাগৰ চব-ইনস্‌পেক্টৰ। তেখেতে সেই কালতে কাৰ্য্যশিক্ষা আদি কেইবাখনো জানিবলগীয়া কিতাপ লেখে আৰু তেখেতেই পোন প্ৰথমে 'নামঘোষা' পুথিখন ছপা কৰি উলিযায়। ইযাৰ উপৰিও ৰাম-সৰস্বতীৰ 'গীত-গোবিন্দ', কামৰূপীয় ভাষাত লিখা ৰাধিকাৰ মানভঞ্জন আদি পুৰণি পুথি আধুনিক গঢ়ত ছপাই প্ৰকাশ কৰা বিষযতো তেখেত পথপ্ৰদৰ্শক আছিল। সেই কালত মাতৃভাষাৰ উন্নতিকল্পে চৰকাৰী বিষযাসকলে যেনেকৈ দেহমন উৎসৰ্গিছিল তেনেকৈ চৰকাৰী বিষয়া দূৰৈৰ কথা বহি থকাসকলেও নকৰে, নকৰে বোলাতকৈ এঙাইহে দেখুৱায়। কালিৰাম বৰুৱাই পাঠ্যপুথি ধৰ্ম্মপুথি প্ৰকাশ কৰাৰ উপৰি 'আসাম' নামে বাতৰি কাকত এখন উলিয়াইছিল।

এই কাকতৰ জন্ম ১৮৯৪ চনত। ইয়াৰ সম্পাদকীয় প্ৰবন্ধবিলাক আৰু চৰকাৰে প্ৰতিকাৰ কৰিবলগীয়া বিষয়ৰ চিঠিপত্ৰ বা প্ৰবন্ধসমূহ ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰা হৈছিল। দেশহিতৈষী মাণিক চন্দ্ৰ বৰুৱাই ইংৰাজী ভাগ সম্পাদন কৰিছিল। কাকতখনৰ বিশেষত্ব এইটোৱেই যে ই প্ৰাচীন নীতিনিয়মৰ সংৰক্ষক আছিল যদিও সামাজিক পৰিবৰ্ত্তনৰ সুস্থ আলোচনালৈও স্তম্ভ একোটা খোৱা হৈছিল। দ'ল দেৱালয়ৰ গাত লিখা শিলৰ ফলি, খোদিত বিবৰণ নাইবা তামৰ ফলিৰ উদ্ধাৰ কৰি তাৰ বাক্যবিলাকো আলোচনা কৰা হৈছিল। চৰকাৰী বিষয়াবিলাকৰ বদলাবদলি খবৰ থকা আসাম গেজেটৰ কথাও উলিয়াইছিল। প্ৰবন্ধ-নিবন্ধকাৰ, গল্প, কবিতা, ৰাইজৰ অভাব অভিযোগ, সাহিত্যালোচনা আৰু চৰকাৰী কাৰ্য্যৰো (কোনো কোনো ঠাইত) কটু সমালোচনা কৰা হৈছিল। 'আসাম'ৰ সম্পাদকীয় প্ৰবন্ধটোৰ নাম দিছিল "সম্পাদকৰ শৰাই" তাকেই পাছত বন্তি আৰু উষাৰ সম্পাদকেও গ্ৰহণ কৰিলে। ১৯০১ চনৰ পাছত কাকতখন নোলোৱা হল।

ৰাজনীতি হৈছে পদ্মপত্ৰসমনীৰ। সেই দেখি পূজনীয় গুৰুদেৱ কামাখ্যা-

ৰাম বৰুৱাই যদিও মাজখনতে ৰাজনীতিত যোগ দিছিল কিন্তু মূল উদ্দেশ্য ঠিক ৰাখি ধীৰ ভাবে সাৱধানেৰে বাট বুলিছিল। জীৱন-সন্ধিয়াত ভাৰতীয় ধৰ্ম্ম-সংস্কৃতি ৰক্ষাৰ্থে তনুমনধন অৰ্পণ কৰিছিল সেই বুলি জাতীয় আপদবিপদৰ সময়ত টলকা মাৰি থকা নাছিল। বৃদ্ধশৰীৰেই ওলাই আগ ভাগ লৈছিলহি।

আধুনিক সভ্যতাই মানুহৰ ৰক্তসম্বন্ধ ছিঙি গাই গোটা পেটে ভঁড়াল কৰিছে। কামাখ্যাৰাম বৰুৱাই হলে ৰক্তসম্বন্ধীয়া দুখিতজনৰ দুখমোচন কৰিবলৈ আৰু জীৱনত সংস্থাপন কৰিবলৈ বহুত প্ৰকাৰে যত্ন কৰিছিল। তেওঁলোকক শিক্ষা-দীক্ষা দিয়াত পাৰ্য্যমানে আৰ্থিক সহায় দান কৰিছিল। কামৰূপ আৰু গুৱালপাৰাৰ ভালেমান লোকে তেখেতৰ এই গুণৰ কথা কৈ এতিয়াও স্মৰণ কৰি আছে। দ'ল-দেৱালয় আৰু ব্ৰহ্মোত্তৰ দেৱোত্তৰ মাটি ভোগ কৰোঁতা ৰায়ত-সকলেও তেখেতৰ ওকালতি বিদ্যাৰ সহায়তাত হেৰোৱা স্বত্ব ঘূৰাই পাইছিল। এনে এজন পুণ্যশ্লোক পুৰুষৰ স্মৰণে মুহূৰ্ত্তলৈ হলেও মনটো পবিত্ৰ কৰে।

কামাখ্যাৰাম বৰুৱাক সুঁৱৰি

শ্ৰীদিবাকৰ গোস্বামী
অসমৰ অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ

বহুত পুৰণি কথা মনত পেলাব খুজিছোঁ। সৰুতে যেতিয়া গাৱঁৰ পাঠশালা স্কুলত পঢ়োঁ তেতিয়া কোন কোন অসমীয়া লিখকৰ নাম জানিছিলোঁ ভাবিলে স্পষ্টকৈ মনত পৰে দুজনৰ নাম। এজন হল লৰাশিক্ষাৰ লিখক পানীন্দ্ৰনাথ গগৈ। ইজন হল কাৰ্য্যশিক্ষাৰ লিখক কালীৰাম বৰুৱা। স্কুলৰ শিক্ষকে কাৰ্য্যশিক্ষাৰ কথাবোৰ হুবহু যেনে আছিল তেনেকৈ মনত ৰাখিবলৈ কৈছিল। ধাৰণা হৈছিল কাৰ্য্যশিক্ষাৰ কথাবোৰ বৰ লাগতিয়াল বিষয়ৰ কথা। কালীৰাম বৰুৱা ক'ৰ মানুহ, কেনে মানুহ, তেতিয়া জানিবৰ কথা নাছিল। বহুত দিনৰ মূৰতহে জানিলোঁ যে গুৱাহাটীৰ উকীল কামাখ্যাৰাম বৰুৱা এই কালীৰাম বৰুৱাৰ পুতেক।

গুৱাহাটী মই সৰুতে দেখা নাছিলোঁ। কিন্তু গুৱাহাটীৰ নাম মাজে মাজে আইতাৰ মুখৰ পৰা শুনিছিলোঁ। মোৰ এজন খুৰাদেৱ, হেমচন্দ্ৰ গোস্বামী, গুৱাহাটীত আছিল আৰু তেখেতৰ কথা ঘৰত কেতিয়াবা কেতিয়াবা ওলাইছিল। আইতাৰ মুখৰ পৰা শুনা মনত আছে খুৰাদেৱৰ প্ৰথম ছোৱালীজনী হেনো মোৰে সৈতে প্ৰায় একে বয়সৰ। কাৰ লৰা-ছোৱালীৰ কিমান বয়স তিৰুতা মানুহবিলাকে কিবা এটা বুদ্ধিৰে মনত ৰাখে। খুৰাদেৱৰ প্ৰথম ছোৱালীজনীৰ বিয়া গুৱাহাটীতে হোৱা বুলি শুনা মোৰ মনত আছে। আমাৰ ঢেকিয়ালৰ পৰা কোনো কোনো সেই বিয়ালৈ আহিছিলো। বিয়া হেনো হৈছিল গুৱাহাটীৰে কামাখ্যাৰাম বৰুৱা বুলি এজন ভাল লৰাৰ লগত।

এই বিয়াৰ পিছতো বহুত দিনলৈ মই কামাখ্যাৰাম বৰুৱাক দেখা নাছিলোঁ। গোলাঘাটৰ পৰা মেট্ৰিকুলেচন পৰীক্ষা পাচ কৰি কটন কলেজত পঢ়িম বুলি গুৱাহাটীলৈ আহি প্ৰথমতে খুৰাদেৱৰ ঘৰতে নামিলোঁ। তাৰে পৰাই কলেজত নাম লগাই হোষ্টেলত থকাৰ দিহা কৰি হোষ্টেললৈ গলোঁ। কিন্তু খুৰাদেৱৰ ঘৰলৈ প্ৰায়ে আহি থাকোঁ। এদিন আবেলি খুৰাদেৱৰ ঘৰৰ বাহিৰ চোতালতে মই ইফাল-সিফাল কৰি আছোঁ। এনেতে দেখিলোঁ আলিয়েদি চাইকলত উঠি এজন মানুহ সেইফালে আহিছে। পেণ্ট আৰু বুকুবন্ধা চোলা পিন্ধা, মুখত দাঢ়ি আৰু মূৰত চাহাবৰ টুপি। দূৰৈৰ পৰা দেখিবলৈ অলপ পাতুৰী চাহাব বেশ। চাইকলৰ

পৰা নামি তেওঁ পোনে পোনে ভিতৰলৈ সোমাই গল। অলপ পিছতে ময়ো সোমাই গলোঁ। দেখিলোঁ মানুহজনে মূঢ়া এটাত বহি বৰ-আই, খুৰী, পেহী, এওঁলোকৰ লগত কথা পাতি আছে। মই ওচৰতে ঠিয় হলোঁ আৰু বৰ-আয়ে মোক চিনাকী কৰি দিলে। তেতিয়াহে মই জানিলোঁ যে তেৱেঁই জোৱাঁই কামাখ্যাৰাম বৰুৱা আৰু মোৰ সম্বন্ধত ভিনিহীদেৱ। মোৰ লগত কথা-বাৰ্ত্তা হল আৰু মোক ভৰলু-মুখৰ তেওঁলোকৰ ঘৰলৈ যাবলৈকো কলে। প্ৰথম কথা-বাৰ্ত্তাতেই মানুহজন গহীন, চিন্তাশীল আৰু সহানুভূতিশীল যেন লাগিল।

এদিন আবেলি কলেজ হোষ্টেলৰ পৰা ভৰলুমুখলৈ বুলি খোজ কাঢ়ি ওলালোঁ। তেতিয়াৰ দিনত উজানবজাৰ বা পানবজাৰৰ পৰা ভৰলুমুখলৈ খোজ কাঢ়ি যোৱাটো মানুহে কিবা বিশেষ কথা বুলি নেভাবিছিল। ভৰলুমুখ পাই কামাখ্যাৰাম বৰুৱাৰ ঘৰখন বিচাৰি উলিয়ালোঁ। তেতিয়া তেখেতৰ ঘৰ-বাৰী এতিয়াৰ ঠাইত নাছিল। বেলৰ আলি আৰু ঘাই আলিৰ মাজত এতিয়া য'ত টেলিফোন এক্স্‌চেঞ্জ্‌ আছে তাত আছিল। ঘৰখন আলিৰ মুখতে নাছিল, বাৰীত কিছুদূৰ সোমাই গলেহে পোৱা গৈছিল। বাৰীখন ডাঙৰ যেনেই লাগিছিল আৰু তাত ফল-ফুলৰ গছো কিছু আছিল। ঘৰখন বাহিৰৰ পৰা সৰু আৰু সাধাৰণ যেন লাগিছিল, কিন্তু ভিতৰ সোমাই দেখিলোঁ ভিতৰখন পৰিপাটি। মোক পাই সকলোৱে আদৰ-সাদৰ কৰিলে। আইকণ বাইদেৱে কিবা-কিবি খাবলৈকো দিলে। ঘৰখনলৈ সোমাই যাওঁতে মোৰ অলপ আচহুৱা আৰু সঙ্কোচৰ ভাব যেন লাগিছিল, কিন্তু কথা-বাৰ্ত্তা পাতি জা-জলপান খোৱাৰ পিচত সেই ভাবটো বহু পৰিমাণে গুচিল। কামাখ্যাৰাম বৰুৱা মানুহজনক কিন্তু মই তেতিয়াও ভালকৈ বুজিব পৰা নাছিলোঁ। মোৰ প্ৰতি কৰা আদৰ-অভ্যৰ্থনাখিনি প্ৰয়োজনতকৈ বেচি যেন লাগিছিল। মই কেনেকৈ বহিছোঁ, কেনেকৈ খাইছোঁ, কেনেকৈ হাত-মুখ ধুইছোঁ তালৈকো তেখেতে চকু দিছিল। মোৰ অলপ কেনেবা লাগিছিল। পিচত কিছু ঘনিষ্ঠতাৰ পৰাহে বুজিব পাৰিলোঁ যে তেখেতৰ তেনে ব্যৱহাৰ স্বাভাবিক আৰু সকলোৰে প্ৰতি আছিল। তেওঁৰ ওচৰলৈ যোৱা মানুহে যাতে কোনো অসুবিধা বা আমনি নেপায় তাৰ কাৰণে তেখেতে বিশেষ চকু দিছিল।

গুৱাহাটীত কটন কলেজৰ ছাত্ৰ হিচাবে থকা কালছোৱাত মই কামাখ্যাৰাম বৰুৱাক তেখেতৰ ঘৰত আৰু বাহিৰতো নানা সময়ত নানা কথাত লগ পাইছিলোঁ আৰু তেখেতৰ লগত মোৰ এটা ঘনিষ্ঠতা হৈছিল। এই ঘনিষ্ঠতা বিশেষকৈ বৃদ্ধি পায় মই যেতিয়া কলিকতাৰ পৰা এম্‌, এ, পাচ কৰি আহি আইন পৰীক্ষাৰ কাৰণে

উজানবজাৰৰ খুৰাদেউৰ ঘৰত আছিলোঁ আৰু পিচত কটন কলেজৰ অধ্যাপকৰ কামত গুৱাহাটীত থাকিবলৈ ললোঁ। এই সময়ত তেখেতে মোৰ লগত নানা বিষয়ৰ আলোচনা কৰিছিল আৰু বহু বিষয়ত যে তেখেতে গভীৰ চিন্তা কৰিছিল তাক মই বুজিব পাৰিছিলোঁ। তেখেতৰ চিন্তাৰ প্ৰকাশৰ এটা ধীৰ বিশিষ্ট ভঙ্গী আছিল আৰু সি কথাবোৰ সুৱলাকৈ মনত লগাই দিছিল। তেখেতৰ কথাত সাধাৰণতে সকলোৰে প্ৰতি এটা হিতাকাঙ্ক্ষাৰ ভাব প্ৰকাশ পাইছিল। মই তেখেতৰ পৰা বহুত সজ পৰামৰ্শ আৰু সজ উপদেশ পাইছিলোঁ আৰু অনেকেই তেনে পৰামৰ্শ আৰু উপদেশৰ কাৰণে তেখেতৰ ওচৰ চাপিছিল।

কটন কলেজৰ অধ্যাপকৰ কাম পাই মই প্ৰথমতে ভৰলুমুখত এটা সৰু ঘৰ ভাৰা লৈ আছিলোঁ আৰু তেতিয়া কামাখ্যাৰাম বৰুৱাক ওচৰ-চুবুৰীয়া হিচাপে পাইছিলোঁ। ওচৰ চাপিলে অনাদৰ হয় এনে এষাৰ কথা আছে। এই কথাষাৰ কিন্তু কামাখ্যাৰাম বৰুৱাৰ বেলিকা মুঠেই নেখাটিছিল। মই সেই সময়ত তেখেতৰ যি আদৰ, সহানুভূতি আৰু সহায় পাইছিলোঁ সি পাহৰিব নোৱাৰো। ভৰলুমুখত থাকোঁতে এসময়ত মোৰ পৰিবাৰৰ টান গ্ৰহণী বেমাৰ হয়। মোৰ ডাঙৰ লৰাটোৰ বয়স তেতিয়া দেৰ বছৰমান। ঘৰত অন্য আপোন মানুহ নথকাৰ কাৰণে মই বৰ অসুবিধাত পৰোঁ। এই সময়ত তেখেতে লৰাটো তেখেতৰ ঘৰলৈ লৈ গৈ তেখেতৰ লৰা-ছোৱালীৰ লগত ৰাখিছিল আৰু লৰাটোৱে তেখেতৰ পত্নী বোলা ছোৱালী-জনীৰ বিশেষকৈ লগ লোৱাৰ কাৰণে আমনি নকৰাকৈ আছিল। লৰাটো মই চাবলগীয়া নোহোৱাত বেমাৰীৰ প্ৰতি মন-কাণ দিবলৈ সময় আৰু সুবিধা পাইছিলোঁ। ইয়াৰ উপৰিও বেমাৰীৰ চিকিৎসা আৰু পথ্যাদি বিষয়ত তেখেতৰ পৰা বহুত পৰামৰ্শ আৰু সহায় পোৱাত মোৰ বৰ উপকাৰ হৈছিল। বিপদত মানুহক আন্তৰিকতাৰে সহায় কৰাটো কামাখ্যাৰাম বৰুৱাৰ এটা বিশেষ গুণ আছিল।

ভৰলুমুখৰ ঘৰটোত থাকি সুবিধা নোপোৱাত কিছু দিনৰ পিচত মই উজানবজাৰৰ এটা ঘৰলৈ উঠি আহিলোঁ। কামাখ্যাৰাম বৰুৱাৰ ওচৰৰ পৰা আঁতৰি আহিলোঁ যদিও তেখেতৰ লগত মোৰ সম্পৰ্ক অটুট আছিল। মাজে-সময়ে তেখেতক লগ পাইছিলোঁ আৰু তেখেতে মোৰ লগত নানা বিষয়ৰ আলোচনা কৰি মোক পৰামৰ্শ দিছিল। তেখেতৰ আলোচনাবোৰ প্ৰায়েই গহীন ধৰণৰ আছিল। কোনো কথাকে তেখেতে কোনো আবেগ বা উত্তেজনাৰ বশত নকৈছিল, যি কৈছিল সুস্থিৰ ভাবে কৈছিল। অনেক সময়ত মোৰ এনে লাগিছিল যে তেখেতে যি কৈছিল বা কৰিছিল সদায়ে উচিত অনুচিত বিবেচনা কৰি হিচাপ

কৰিছে কৈছিল বা কৰিছিল, তেখেতৰ মনত যেন আবেগ, উত্তেজনা, ভাবপ্ৰৱণতা নাছিলেই। আবেগত অভিভূত হোৱা অবস্থা তেখেতৰ মই দেখাই নাছিলোঁ আৰু অন্তৰৰ সেই দিশটো তেখেতৰ নাছিলেই যেন লাগিছিল। এদিন হে মাথোন অলপ সন্দেহ পাইছিলোঁ যে তেখেতৰ অন্তৰত সেই দিশটোও আছিল কিন্তু যথেষ্ট সংযত আছিল। তেখেতৰ পত্নী-বিয়োগৰ কিছুদিনৰ পিছত এদিন মোৰ লগত কথা-বাৰ্ত্তা পাতি থাকোঁতে মোক কলে—"বিৰীভমেণ্ট্ বোলা কথাটো কি জানানে?" মই দকৈ নেভাবি ওপৰে ওপৰে কলোঁ—"কোনোবা আপোন লোকৰ হানি হলে যি অভাব অনুভৱ হয় সিয়েই।" তেখেতে কলে—"কৈছা, কিন্তু তুমি বুজা নাই আৰু নুবুজিবাও।" এই বুলি কৈ তেখেত কিছু সময় উদাস দৃষ্টিৰে স্তব্ধ হৈ ৰল, ময়ো মৌন হলোঁ। বহুত দিনৰ পিছতহে মই জানিলোঁ যে তেতিয়া মই কথাটো বুজা নাছিলোঁ।

সংযত আৰু শান্ত স্বভাবৰ উপৰিও কামাখ্যাৰাম বৰুৱাৰ এনে কিছুমান গুণ আছিল যাৰ কাৰণে মানুহ সহজে তেখেতৰ প্ৰতি আকৃষ্ট হৈছিল। অকল অসমৰেই নহয় অসমৰ বাহিৰৰো বহুত গণ্য-মান্য মানুহক তেখেতৰ ঘৰলৈ অহা আৰু তেখেতক স্নেহ আদৰ কৰা দেখা পাইছিলোঁ। মণিপুৰৰ মণিপুৰী মানুহৰো তেখেতৰ প্ৰতি শ্ৰদ্ধা দেখি মই মুগ্ধ হৈছিলোঁ। মণিপুৰৰ ইম্ফালত তেখেত জজ হৈ থাকোঁতে এবাৰ মই ইম্ফালৰ স্কুল পৰিদৰ্শন কৰিবলৈ গৈ তেখেতৰ ঘৰতে আছিলোঁ। ইম্ফালৰ এজন মণিপুৰী ভদ্ৰলোক মোৰ ছাত্ৰাৱস্থাৰপৰা চিনাকী। তেওঁৰ ঘৰত মোক এসাজ খাবলৈ নিমন্ত্ৰণ কৰিলে। খোৱা সময়ত কামাখ্যাৰাম বৰুৱাৰ কথা উলিয়াই তেখেতক বৰ প্ৰশংসা কৰিলে আৰু কলে যে তেখেত এজন বৰ সাধু মানুহ আৰু সকলো মণিপুৰী মানুহেই তেখেতক বৰ ভাল পায়। মই বৰ গৌৰৱ অনুভৱ কৰিলোঁ। খোৱা-বোৱাৰ পিছত মই মণিপুৰী ভদ্ৰলোক-জনক গুৱাহাটীলৈ আহিলে মোৰ ঘৰত থাকিবলৈ নিমন্ত্ৰণ কৰিলোঁ আৰু তেৰোঁ স্বীকাৰ কৰিলে। বহুকালৰ পিছত তেওঁ এদিন গুৱাহাটীৰ মোৰ ঘৰলৈ আহি মোক সাবট মাৰি ধৰি কলে "মই আপোনাক বৰ ভাল পাওঁ, কিন্তু মই আপোনাৰ ঘৰত নেথাকি কামাখ্যাৰাম বৰুৱাৰ ঘৰতহে আছোঁ কাৰণ মই তেখেতক ইমান ভক্তি কৰোঁ যে গুৱাহাটীলৈ আহি তেখেতৰ ঘৰত নেথাকিলে মোৰ মনটো ভাল নেলাগে। আপুনি বেয়া নেপাব। মই আপোনাৰ ঘৰত এসাজ খাবলৈ আহিম। কামাখ্যাৰাম বৰুৱাৰ প্ৰতি তেওঁৰ মনৰ ভাবটোৱে মোক বৰ মুগ্ধ কৰিলে।

সকলো প্ৰকাৰৰ মানুহেই যে কামাখ্যাৰাম বৰুৱাক ভাল পাইছিল তাৰ

কাৰণ তেখেতৰ প্ৰশস্ত মনোভাব। নানা বিষয়ত তেখেতৰ অনুসন্ধিৎসা আছিল আৰু সেই কাৰণে সকলোৰে লগত তেখেতে মিলিব পাৰিছিল। মোৰ লগত কথাবাৰ্ত্তা পাতোঁতে তেখেতে অনেক সময়ত আমাৰ লৰাছোৱালীৰ শিক্ষাৰ সম্পৰ্কত অসমীয়া বৰ্ণমালাৰ উচ্চাৰণৰ পৰা আৰম্ভ কৰি ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষালৈকে নানা সমস্যাৰ উত্থাপন কৰিছিল। অসমীয়া বৰ্ণমালা শিকোঁতে চ ছ ট ত আদি বৰ্ণবোৰৰ প্ৰকৃত উচ্চাৰণ নিশিকাৰ বাবে অসমীয়া লৰাছোৱালীবোৰে পিছত অন্য ভাষাৰ কিছুমান শব্দ উচ্চাৰণ কৰিব নোৱাৰা হয়। এই দোষটো গুচাবৰ কাৰণে তেখেতে অনেকবাৰ মোৰ লগত আলোচনা কৰিছিল। তেখেতৰ মনেৰে সংস্কৃত বৰ্ণমালাৰ উচ্চাৰণ শিকোৱাৰ কিবা এটা ব্যৱস্থা আদিতেই থাকিব লাগে। সংস্কৃত ভাষা আৰু সাহিত্যৰ প্ৰতি আৰু জীবনত আধ্যাত্মিকতাৰ অনুশীলনৰ প্ৰতি তেখেতৰ বিশেষ অনুৰাগ আছিল আৰু সেই দেখি লৰা-ছোৱালীৰ শিক্ষাত এইখিনি কথালৈ লক্ষ্য ৰাখিব লাগে বুলি তেখেতে ভাবিছিল।

নানা কথাৰ কাৰণে মোৰ অনেক সময়ত কামাখ্যাৰাম বৰুৱালৈ মনত পৰে আৰু মনত পৰিলেই এটা প্ৰশান্তিৰ ভাব মনলৈ আহে।

বন্ধুবৎসল কামাখ্যাৰাম বৰুৱা

শ্ৰীমানিক চন্দ্ৰ হাজৰিকা
ছিলং

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ নাম প্ৰথম শুনিছিলো ইংৰাজী উনৈশ শ সাত নে আঠ চনত মই তেজপুৰত থাকোঁতে, যেতিয়া তেখেতৰ বিয়া হয়। তাঁৰ পাচত মাজে সময়ে কাকতপত্ৰে আৰু অসম চৰকাৰে "চাব জজ্, আৰু কেইবাটাও আয়োগৰ সদস্য নিযুক্ত কৰাত গেজেটত তেখেতৰ নামটো দেখিলেই চিনাকি চিনাকি যেন লাগে, তেনেভাব হোৱাৰ কাৰণ বৰুৱাৰ শহুৰেক স্বৰ্গীয হেমচন্দ্ৰ গোস্বামীদেৱৰ লগত মোৰ পৰিচয় আছিল আৰু তেখেতৰ লৰা শ্ৰীমান শৰতক মই তেজপুৰ হাইস্কুলত পঢ়াইছিলোঁ। নাম জনা আৰু কাকত-পত্ৰত নাম দেখাৰ বাহিৰে বৰুৱাৰ লগত সাক্ষাৎ-লাভৰ সুযোগ নঘটিছিল। ইং ১৯৪৩ কি ৪৪ চনত মই ছিলঙৰ পৰা নামি, গুৱাহাটীৰ পৰা ৰেলেৰে নগাৱলৈ যাওঁতে চাপৰমুখ ষ্টেচনত নামোতে, তাতেই সৌভাগ্যক্ৰমে হঠাৎ ষ্টেচনৰ জিৰণি কুঠৰিৰ ওচৰৰ বাৰান্দাত, গুৱাহাটীলৈ যোৱা ৰেলৰ কাৰণে অপেক্ষা কৰি বহি থকা অৱস্থাত, তেখেতক প্ৰথম দেখা পাওঁ আৰু আমাৰ দুয়োৰো পৰস্পৰে প্ৰথম পৰিচয় ঘটে। চিনাজনা হৈ ক্ষন্তেকপৰ কথা পাতোতেই মোৰ মনত এনেভাৱ উদয় হৈছিল বৰুৱা যেন মোৰ বহুদিন ঘনিষ্ঠতা থকা সৰলচিতীয়া এজন বন্ধুহে। কেৱল পাঁচ মিনিট মানহে কথা পাতিবলৈ সময় পালো, নগাঁৱলৈ যোৱা ৰেলত উঠিবলৈ মই বৰুৱাৰ পৰা বিদায় লৈ গলো।

বৰুৱা মণিপুৰ ৰাজ্যত কেইবছৰমান মুখ্য বিচাৰপতি আছিল, তেতিয়াই ১৯৪৭ চনৰ জুন কি জুলাই মাহত মণিপুৰ ৰাজ্যত সমবায় সমিতি নথকাৰ কাৰণে, সমবায়ৰ কাম জনা অৱসৰপ্ৰাপ্ত বিষয়া এজনৰ আৱশ্যক হোৱাত বৰুৱাই তেতিয়া ছিলঙত আৰু এতিয়া গুৱাহাটীত থকা উকীল শ্ৰীৰজনীকান্ত গোস্বামীলৈ লিখিলে। মই তেতিয়া চাকৰীৰ পৰা অৱসৰ লৈ ছিলঙতেই আছিলো। গোস্বামীযে অনু-সন্ধান কৰি মোৰ নাম উল্লেখ কৰি বৰুৱালৈ লিখিলে, আৰু মোক জনালে। ময়ো বৰুৱালৈ লিখিলো। অলপ দিনৰ পাছতেই নিযুক্তিপত্ৰ পালো; তাৰ লগতে বৰুৱায়ো মোলৈ চিঠি এখন দিছিল। ক্ষন্তেকীয়া পৰিচয় থকা মোৰ নিচিনা মানুহ এজনলৈ এনেভাৱে চিঠিখন লিখিছিল মই যেন অতি পুৰণি বন্ধুহে। লিখিছিল—কো'অপাৰেটিভ চচাইটিৰ' কামৰ উপৰিও ময়েই জইন্ট ষ্টক্

কোম্পানীৰ ৰেজিষ্টাৰৰো কাম কৰিব লাগিব আৰু তেখেতে মণিপুৰ এৰি নহালৈকে মই তেখেতৰ লগতেই থাকিব লাগিব বুলি। চিঠি পাই মই ভাবিলো হয়তো ৰাজ্য চৰকাৰৰ ঘৰৰ অভাৱ, সেই দেখিযেই মই গৈ থাকিবলৈ এনে ব্যৱস্থা কৰিছে। নিযুক্তি পত্র পাই চেপ্তেম্বৰ মাহৰ তেৰ তাৰিখে বৰুৱাৰ পৰামৰ্শমতেই লগত বান্ধনি এটা লৈ ১৪ তাৰিখে ৰাতি ন' বজাত বৰুৱাৰ ঘৰ পালো। গাড়ীৰ শব্দ শুনি বৰুৱা শোৱাপাটিৰ পৰা উঠি আহি মোক সাবট মাৰি ধৰি ভিতৰলৈ লৈ গ'ল। সেইদিনা ৰাতি কথা পাতিবলৈ সময নহল, খাই বৈ শুই থাকিলো। পুৱা সাতমান বজাত দুয়ো আগফালৰ বাৰান্দাত বহি কথা পাতি থাকোতেই তেখেতে মোক কলে মণিপুৰৰ পৰা তেখেত এক অক্টোবৰ তাৰিখে চাকৰি এৰি আহিব। কথাটো শুনি বৰুৱা মণিপুৰৰ পৰা গলেই তেখেতৰ নিচিনা বন্ধু এজনৰ সঙ্গ হেৰুৱাম বুলি ভাব অহাত মোৰ মনত বৰ বেযা লাগিল। তেতিযা ইম্ফলত পৰিযাল লগত লৈ অসমীযা মানুহ আছিল কেৱল পাঁচ জন।

চাৰি দিনমানৰ পাছতে গুৱাহাটীৰ হাইস্কুলত আৰু কলেজতো বৰুৱাৰ লগত পঢ়া বঙালী বন্ধু ৺নৰেন্দ্রনাথ সেনো সপুত্রপৰিবাৰে কলিকতাৰ পৰা আহিল। বৰুৱাৰ ঘৰত এতিযা আলহী পাঁচ জন হ'ল, নামত আলহী কিন্তু কামত একেঘৰৰ একেটি পৰিযালৰ মানুহ যেনহে লাগিছিল। সমনীযা বন্ধু তিনিজন (মই, বৰুৱাতকৈ কেইমাহমানৰহে ডাঙৰ) একে লগ হৈ সৰুকালৰ কাহিনীবিলাক কৈ কথা পাতিলে কিমান আমোদজনক হয তাক সকলোৱেই জানে। বৰুৱাৰ খুহুতীযা কথা শুনি আমাৰ হাঁহিত পেটৰ বিষ উঠিছিল। তেনেবিধ কথাৰ এতিয়াও মনত থকা এটা উল্লেখ কৰিলো। বৰুৱাই মোক ক'লে "শুনক হাজৰীকা, এওঁ (কলিকতীয়া বন্ধুজন) সৰুতে ইমান হোজা আছিল যে এদিন মোক সুধিছিল "বেগুন গাছ কত বড ?" মই কলো "তুমি বোধহয চেগুন গাছ দেখেছ, সেই চেগুন গাছেৰ মতই, বেগুন গাছ এত বড হয যে তাৰ একখানা তক্তা দিয়া একজন শোৱাৰ একখানি তক্তাপোচ তৈৰী হয।" এওঁ তাকেই বিশ্বাস কৰিছিল।

ইম্ফল এৰি বৰুৱা আহিব বুলি জানি তেখেতক সাক্ষাৎ কৰিবলৈ দলে দলে আৰু অকলে অহা ভদ্রলোকসকলৰ লগত সেই কেইদিন তেখেতে কথা পাতি থাকোতেই পুৱা আৰু গধূলিৰ সমযখিনি কেনি যায বৰুৱাৰ লগতে আমিও কব নোৱাৰিছিলো। ঘৰলৈ অহা ভদ্রলোকসকলক চাহ জলপান খুৱাইহে পঠিযাইছিল। এদিন বহুলোকক নিমন্ত্রণ কৰি খুৱাইছিল। সেই কেইদিনত ঘৰত থকা তিনিটা কি চাৰিটা মানুহো অতি ব্যস্ত হৈ থাকিবলগীয়া হৈছিল। মানুহ কেইটাৰ কামত কিবা ত্রুটি হোৱা দেখিলেও বৰুৱাৰ খঙ উঠা নেদেখিলো। মণিপুৰৰ মানুহে তেখেতক

যেনেকৈ ভাল পাইছিল তেনেকৈয়ে ভক্তিও কৰিছিল। কোনো কোনোৱে তেখেতক মহাত্মা গান্ধীৰ লগত তুলনা কৰিহে তেখেতৰ বিষয়ে মোক কৈছিল। মণিপুৰৰ ৰজাৰ ভাযেককে আদি কৰি বহুতৰ ঘৰত খাবলৈকো সেই কেইদিনত নিমন্ত্ৰণৰ উজান উঠিছিল। তুলসীৰ লগত কলপটুৱাৰ মুক্তিৰ নিচিনা মযো লগতে নিমন্ত্ৰণৰ ভাগ পাইছিলো।

বৰুৱাক মণিপুৰৰ পৰা আনিবলৈ গুৱাহাটীৰ পৰা তেখেতৰ সৰু পুতেক শ্ৰীমান প্ৰবীৰ গৈছিল। তেৰৈঁই ঘৰৰ যাবতীয় বস্তু-বাহানি সামৰিলে, বৰুৱাক সেইবিলাকলৈ চকু দিয়া নেদেখিলোৱেই। বস্তু-বাহানিলৈ বৰুৱাৰ মাযা-মোহ নাই যেনেই লাগিছিল। খদ্দৰৰ কাপোৰহে ব্যৱহাৰ কৰা দেখিলো। পিন্ধা উৰাত জাক-জমকতা আৰু খোৱা-বোৱাতো একেবাৰেই আড়ম্বৰবিহীন আছিল—কিন্তু আলহী অতিথিৰ নিমিত্তে অলপ বেলেগ আযোজন কৰা যেন দেখিলো। বৰুৱাই আলহী অতিথিকো বৰ ভাল পায় যেন লাগিল।

অক্টোবৰৰ এক তাৰিখে পহ বজাত বৰুৱাই মণিপুৰ এৰিলে। লগত আছিল সৰু পুতেক। বৰুৱাক বিদায় দিবৰ সময়ত মোৰ মনত এনেকুৱা লাগিছিল যেন মোৰ অতিকৈ মৰমৰ আপোন মানুহ এজনহে হেৰুৱালো আৰু লগ-সঙ্গহীন অকলশৰীয়া হৈ পৰিলো। সেৱা জনাই বিদায় দিবৰ সময়ত মোৰ চকুৰ পানীযেই ওলাই গ'ল। কোমল অন্তঃকৰণৰ বৰুৱাৰ চকু ও ঢুল-ঢুলীয়া হোৱা যেন দেখিলো।

বৰুৱাক বিদায দি লাহে লাহে অফিচলৈ খোজ ললো, বৰুৱা থাকোঁতে তেখেতৰ জীপতে মোকো লৈ গৈছিল। বাটে-বাটে ভাবি গলো বৰুৱাৰ নিচিনা পৰোপকাৰী আৰু পৰক আপোন কৰিব পৰা গুণ কেইজনৰ আছে? মোৰ কাৰণে ৰাজ্য চৰকাৰে ঘৰ ঠিক কৰি থৈছিল। কিন্তু বৰুৱাই সেই ঘৰলৈ যাব নিদি আগেযে মোলৈ লিখামতেই তেখেত মণিপুৰত থকালৈকে মোক লগতেই যোল্ল দিন ৰাখিলে। যোল্ল দিন থাকিলো কিন্তু মোৰ দুৰ্ভাগ্যক্ৰমে এদিনো বৰুৱাক অকল-শৰীয়াকৈ পাই কথা পাতিবলৈ সুযোগ নাপালো।

মণিপুৰৰ পৰা কাম এৰি অহাৰ কাৰণ বৰুৱাই মোক নকলে, কিন্তু মই পাছত জানিব পাৰিলো যে তেখেতৰ সহকৰ্ম্মী বিচাৰক সকলে আন ৰাজ্যৰ মানুহৰ ঠাইত মণিপুৰৰেই তেওঁলোকৰ ভিতৰৰে এজন মুখ্য বিচাৰক নিযুক্ত কৰিবৰ কাৰণে মহাৰাজলৈ গোপনে আবেদন কৰিছিল আৰু বৰুৱাই এইটো জানিবলৈ পাই নিজেই কাম এৰি দিলে। কাৰণ তেখেতে সহকৰ্ম্মীসকলৰ উচ্চাশাত হেঙাৰ-স্বৰূপ হবলৈ ইচ্ছা নকৰিলে।

এদিন মই মণিপুৰৰ পৰা ছিলঙলৈ আহোঁতে ডিমাপুৰত গুৱাহাটীলৈ অহা

ৰেলত বৰুৱাক লগ পালো। লগত আছিল তেতিয়া গুৱাহাটীত থকা উপাযুক্ত মিষ্টাৰ ইংটি। আমি তিনিও টোপনি নহালৈকে হাঁহি ধেমালিৰ কথা পাতিযেই সময় কটালো। তাৰ পাছত ১৯৫০ চনৰ আগষ্ট মাহৰ সাত তাৰিখে মোৰ মাজু' ছোৱালীটিৰ নগাওঁ চহৰত বিয়া পাতিছিলো, তালৈ বৰুৱাকো নিমন্ত্ৰণ কৰিছিলো চিঠি দি। বৰুৱাই নিমন্ত্ৰণৰ চিঠি পাই তেজপুৰৰ পৰা (কিবা কামত তালৈ গৈছিল) শ্ৰীযুত গহনচন্দ্ৰ গোস্বামীদেৱৰ সৈতে বিযালৈ আহিছিল। এই দুগৰাকী বন্ধু বিযাঘৰত পাই মোৰ মনত স্বৰগ চুকি পোৱা যেন লাগিছিল।

বছৰ চেৰেকৰ পাছত ইকাণ সিকাণকৈ মোৰ কাণত পৰিল বৰুৱাৰ শয্যাত পৰিথকা নৰিযা। কথাটো শুনি অতিশয দুঃখিত হলো। ১৯৬৩ চনৰ ডিচেম্বৰ মাহত এদিন গধূলি পৰত তেখেতক চাবলৈ গৈ যি ধৰণেৰে বহি থকা দেখিলো, মোৰ দেখিযেই চকু-লো ওলাই আহিল। মোক দেখি বং মনে বৰুৱাই হাঁহিব খোজোতেই হাঁহি-কান্দোন দুযো মিহলি হল—বেযা লাগিল মোৰ। দুযো চকুৰ পানীৰেই পৰস্পৰৰ ভাৱ-অনুভূতি প্ৰকাশ কৰিলো। বেচি সময ওচৰত বহি থাকিব নোৱাৰি, হাত যোৰ কৰি বিদায লৈ ওলাই আহিলো। আকৌ ১৯৬৪ চনতো এদিন আবেলি পৰত গৈছিলো। সেই দিনাও আগৰ নিচিনাকৈ দুয়োৰো শোকাকুল দৃষ্টিৰেই অন্তৰৰ ভাব বিনিময কৰা হ'ল। তেখেতৰ ওচৰত ঠিয হৈ থকা আলপৈচান ধৰা মানুহটোক কিবা ইঙ্গিত দিছিল। কিন্তু সি বুজিব নোৱাৰাত তেখেতৰ মনত বৰ বেজাৰ পোৱা যেন দেখিলো, কিন্তু কিবা সঙ্কেত পাই তেতিয়াই সৰু নাতিনীযেক এটি আহি "মোক ভিতৰলৈ নিবলৈ কৈছে" বুলি কৈ ভিতৰলৈ লৈ গ'ল। ভিতৰত দেখিলোগৈ লক্ষ্মীস্বৰূপা বোৱাৰী দুগৰাকীৰ এগৰাকী মোৰেই এজন সহপাঠি বন্ধু তেজপুৰৰ চন্দ্ৰনাথ শৰ্ম্মাৰ জীযেক। তেওঁলোকৰ লগত কথা পাতি জা-জলপান খাই, বৰুৱাৰ কথাকেই ভাবি বিষণ্ণ মনেৰে আকৌ তেখেতৰ ওচৰলৈ আহি হাত যোৰ কৰি বিদায লৈ গুচি আহিলো। চিৰকালৰ কাৰণে এয়াই মোৰ শেষ দেখা হব বুলি তেতিযা ভবাই নাছিলো। পাছৰ বছৰৰ নবেম্বৰ মাহত বৰুৱাদেৱৰ জীৱন অৱসানৰ বাতৰি পালো আৰু লগে লগে এজন অমাযিক, পৰোপকাৰী, উদাৰচিতীযা কোমল অন্তঃকৰণৰ পৰম বন্ধু হেৰুৱালো। দেশেও এজন আদৰ্শ পুৰুষ হেৰুৱালে।

কামাখ্যাৰাম বৰুৱাৰ সোঁৱৰণত

শ্ৰীৰাজবালা দাস, এম, এ

প্ৰাক্তন অধ্যক্ষা, সন্দিকৈ ছোৱালী কলেজ

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ সৈতে মোৰ প্ৰথম পৰিচয় ঘটে মোৰ বিয়াৰ সময়ত, ১৯২৩ চনত। মোৰ বিয়াত দৰাৰ (ডাঃ জ্যোতিষ দাস) লগত গুৱাহাটীৰ কেবাগৰাকীও বিশিষ্ট লোক বৰযাত্ৰী হৈ গৈছিল। ৺তৰুণৰাম ফুকন, শ্ৰীবিষ্ণুৰাম মেধি আৰু ৺কামাখ্যাৰাম বৰুৱা আদিযে সেইসকলৰ ভিতৰত প্ৰধান। আমাৰ বিয়া তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। সেই সময়তে মোৰ দেউতাই মোক ৺বৰুৱাৰ লগত পৰিচয় কৰাই দিছিল। ৺বৰুৱাক তেতিয়া মই এগৰাকী বিশিষ্ট স্বদেশকৰ্মী বুলিযেই জানিছিলো। তেখেতৰ লগত পৰিচয় হোৱাৰ পাছত সেই পৰিচয়ৰ ঘনিষ্ঠতা বাঢি যোৱাৰ লগে লগে তেখেতৰ বিশেষ গুণবোৰ চকুত পৰে আৰু তেখেত যে এজন সত্যনিষ্ঠ অকপট স্বদেশ কৰ্মী এই কথা বুজিবলৈকো সৰহ দিন নালাগিল।

মোৰ স্বামী ডাঃ দাস আৰু ৺বৰুৱা দুযো কলেজীয়া দিনৰে পৰাই বৰ বন্ধু আছিল। তেখেত সকলৰ আদৰ্শনীয় বন্ধুত্বৰ বিষযে বহু কথাই কব পাৰি। কলিকতাত পঢি থাকোঁতে এবাৰ ডাঃ দাসৰ বৰ অসুখ হৈছিল। ৺বৰুৱাৰ অশেষ যত্ন আৰু পৰিচৰ্যাৰ গুণতহে তেখেতে আৰোগ্য লাভ কৰে। আমাৰ বিয়াৰ পাছতেই বৰুৱাই এদিন আমাক ভাত খাবলৈ নিমন্ত্ৰণ কৰে। সেইটোৱেই বৰুৱাক মই নিচেই ওচৰৰ পৰা জনাৰ সূত্ৰপাত বুলিব পাৰি। পাছলৈ আমাৰ দুযোঘৰৰে অহা-যোৱা নিমন্ত্ৰণ ইত্যাদি বাঢি আহিছিল আৰু লগে লগে আমাৰ সৌহাৰ্দ্যও বৃদ্ধি পাইছিল। বৰুৱাণীযে বৰ ভাল ৰন্ধা বঢা জানিছিল, আৰু নানা ধৰণৰ মিঠাই ঘৰতে তৈয়াৰ কৰি আমাক খুৱাই তৃপ্তি লাভ কৰিছিল। মই সৰুৰে পৰা হোষ্টেলত থাকি পঢাশুনা কৰা বাবে ৰন্ধা-বঢাৰ বিষযে পাকৈত নাছিলো। বৰুৱাণীযে মাজে মাজে আমাৰ ঘৰলৈ আহি মোক ৰন্ধা-বঢা শিকাইছিল। নানা ধৰণৰ আঞ্জা ৰন্ধাৰ দিহা দিছিল আৰু বিবিধ মিঠাই প্ৰস্তুত কৰিবলৈকো শিকাইছিল।

আমি দুযোঘৰে বৰ সঘনে অহা-যোৱা আছিল। ৺কামাখ্যাৰাম বৰুৱা য'তেই থাকে, ডাঃ দাসকো তালৈকে মাতি পঠায। মণিপুৰত জজ্ হৈ থাঁকোতেও ৺দাসক মাতি পঠিওৱা কথা মোৰ মনত আছে। গুৱাহাটীত থাকোঁতেও গৰম-কালি আমি গলে গছৰ পৰা দাব পাৰি আনি আমাক খাবলৈ দিয়া মোৰ মনত পৰে। তেখেতসকলৰ বন্ধুত্বৰ বিষয়ে ইমানকে কব পাৰি যে এনে বন্ধুত্ব বৰ বিৰল।

৺বৰুৱাৰ ঘৰত কাৰোবাৰ অসুখ বিসুখ হলে ডাঃ দাসেই চাইছিল। তেখেতৰ পত্নীৰ মৃত্যুৰ দৃশ্যটো এতিয়াও মোৰ মনত জল্‌জল্ পটপটকৈ জিলিকি আছে। সেইদিনা লক্ষ্মী পূৰ্ণিমা আছিল। তেখেতৰ পত্নী ভালেমান দিনৰে পৰাই অসুস্থ হৈ আছিল। ডাঃ দাসে সঘনে চোৱা চিতা কৰি আছিল। সেইদিনাও আবেলি এবাৰ চাই আহিছিল। কিন্তু ৰাতি হঠাতে তেখেতৰ অসুখ বৃদ্ধি হয় আৰু ডাঃ দাসৰ পৰা তেখেতৰ অসুখ বৰ টান বুলি গম পাই মযো চাবলৈ যাওঁ। সেই দৃশ্য মই কেতিযাও পাহৰিব নোৱাৰিম। ছোৱালী এজনী প্ৰসৱ কৰাৰ অলপ পাছতে বৰুৱাণীৰ মৃত্যু হৈছিল। বৰুৱাই নিজে তেখেতৰ পত্নীৰ কপালত সেন্দুৰৰ ফোঁট এটা দি লাহেকৈ এখন শুধ বগা কাপোৰেৰে মৃতদেহটো ঢাকি দিছিল। আমি কোনেও কান্দোন সামৰিব নোৱাৰিলো। ডাঃ দাসৰো চকুপানী ববলৈ ধৰিলে। বৰুৱা কিন্তু স্থিতপ্ৰজ্ঞ পুৰুষৰ দৰে বহি থাকিল। তেখেতৰ ব্যৱহাৰ, কথাবাৰ্তাত অকণো বিহ্বলতা নাছিল। এনেকুৱাই আছিল তেখেতৰ মনোবল।

গাৰ্হস্থ্য জীৱনৰ আৰম্ভণিৰে পৰা আমাৰ দেশৰ ছোৱালীবিলাকৰ শিক্ষা-সুবিধা প্ৰসাৰৰ কাৰণে কাম কৰিবলৈ মই আগ বাঢিছিলো। এই বিষযত ডাঃ দাসৰ উৎসাহ পৰামৰ্শই মোক অশেষ বল যোগাইছিল। কামাখ্যাৰাম বৰুৱাদেৱৰ পৰাও সকলো সময়তে সদুপদেশ আৰু পৰামৰ্শ পাই আহিছিলো। সন্দিকৈ ছোৱালী কলেজ স্থাপনৰ বাবে স্বৰ্গীয ৰাধাকান্ত সন্দিকৈযে এক লাখ টকা দান দিছিল। কলেজৰ গৃহ নিৰ্মাণৰ কাম সেই টকাৰেই হৈছিল। মাটিখিনি চৰকাৰেই দিছিল। কিন্তু কলেজ এখন গঢ়ি তোলাৰ বাবে মাটি আৰু ঘৰৰ বাহিৰেও অন্যান্য বহুত প্ৰয়োজন আহি পৰে। এইবোৰ প্ৰযোজন পূৰণৰ ক্ষেত্ৰত ৺বৰুৱাৰ পৰা আমি অশেষ সহায় পাইছিলো। কলেজৰ বাবে আমি দান-বৰঙণিও সংগ্ৰহ কৰিছিলো—ইযাতো বৰুৱাই সদায আগভাগ লৈছিল। আমাৰ ছোৱালীযে উপযুক্ত শিক্ষা পাব লাগে--এনে মত দৃঢভাবে পোষণ কৰা বাবেই তেখেতে এইবোৰ কামত সদায আগবাঢিছিল। যি কোনো প্ৰকাৰৰ সহায় কৰিবলৈ পশ্চাৎপদ নহৈছিল। তেখেত চাৰি পাঁচ বছৰ মান সন্দিকৈ ছোৱালী কলেজৰ ব্যৱস্থাপক সমিতিৰ সভাপতিও হৈ আছিল—সেই কেইবছৰতে নহয, পাছলৈকো কলেজ সম্পৰ্কীয় যি কোনো কামতে সহায উপদেশ বিচাৰি গলে তেখেতে কেতিযাও আমনি নাপাইছিল, বৰং সহায কৰিবলৈ পালে ভাল পাইছিল।

মই যেতিয়া পানবজাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষযিত্ৰী হৈ আছিলো, সেই সময়ত গুৱাহাটীত যানবাহনৰ বৰকৈ সা-সুবিধা নাছিল। ছোৱালীৰ স্কুল বুলিবলৈকো একমাত্ৰ পানবজাৰ স্কুলখনেই আছিল। ছোৱালী অনা নিয়া কৰিবলৈ

স্কুলৰ এখন বাচ আছিল। কিন্তু ছোৱালীবোৰ আছিল দূৰ দূৰ ঠাইৰ আৰু সংখ্যাতো সৰহ। গতিকে বাচখনে ৩।৪ বাৰকৈ অহাযোৱা কৰিব লগা হৈছিল আৰু কেতিয়াবা শেষৰ বাচ ছোৱালী থবলৈ যাওঁতে গধূলি ৭টা মান বাজিছিল। তাৰ উপৰিও বহুতো ছাত্ৰীয়ে যথেষ্ট দূৰৰ পৰা খোজ কাটি অহাযোৱা কৰিছিল। ভৰলুমুখ তেতিয়া আওহতীয়া অঞ্চল হোৱা বাবে সেই অঞ্চলৰ ছাত্ৰীসকলৰে অসুবিধা হৈছিল আটাইতকৈ বেছি। সেই সময়তে এদিন কথাই কথাই মই, ভৰলুমুখৰ মহিলা সমিতিক অনুৰোধ কৰিছিলো যাতে সেই অঞ্চলত এখন ছোৱালী স্কুল খোলাৰ দিহা কৰা হয়। এই সম্পৰ্কে সকলো কথা খৰচি মাৰি আলোচনা কৰিবলৈ তেওঁলোকে এখন সভা আহ্বান কৰিছিল। সেই অঞ্চলৰ বহুতো পুৰুষ মহিলা সেই সভালৈ আহিছিল। বহুতে আকৌ ছোৱালীৰ বাবে এখন নতুনকৈ স্কুল খোলাৰ বিৰোধিতাও কৰিছিল। আলোচনা কালত এ সময়ত গৈ সভাৰ পৰিস্থিতি উত্তপ্তই হৈছিল বুলিব পাৰি। সভাত বহি থকা সকলৰ ভিতৰত ৺কামাখ্যাৰাম বৰুৱাও আছিল। হঠাতে তেখেতে ঘোষণা কৰিলে যে যদি ছোৱালী হাইস্কুল এখন খুলিবলৈ সিদ্ধান্ত লোৱা হয়, তেনেহলে তেখেতে ১৫,০০০ টকা দি সেই স্কুল খোলাত সহায় কৰিব। তেখেতৰ এই আশাৰ উৎসাহ বাণীতেই সকলোৱে অনুপ্ৰেৰণা পালে আৰু সকলোৱে স্কুল এখন খোলাৰ সপক্ষে মত দিলে। লগে লগে "কালীৰাম বৰুৱা ছোৱালী হাইস্কুল" খোলাৰ সিদ্ধান্ত হৈ গ'ল।

সেই সময়ৰ সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষক ৺কালিচৰণ দাস বিশেষভাবে সহায় কৰিবলৈ আগবাঢ়ি আহিল। আৰু ভৰলুমুখ প্ৰাইমাৰী স্কুলতে নতুন হাইস্কুলৰ শ্ৰেণী বহুৱা হল। আইমনা খাটুন আৰু মচফিয়া আহমেদকো মযেই মাতি আনি শিক্ষয়িত্ৰী কৰি দিলো। ৺কামাখ্যাৰাম বৰুৱা স্কুলৰ পৰিচালনা সমিতিৰ সদস্য আছিল আৰু সম্পাদক আছিল শ্ৰীবলেনৰাম ফুকন। ৺হলিৰাম ডেকাযো আমাক স্কুলখন স্থাপন কৰাত বিশেষভাবে সহায় কৰিছিল আৰু পাছত কিছুদিনৰ কাৰণে তেওঁৰ বৰ জীয়ৰী বীণা ডেকাই প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বও লৈছিল।

কালীৰাম বৰুৱা ছোৱালী হাইস্কুল স্থাপন কৰিবলৈ মুক্তহস্তে দান আগবঢ়োৱা আৰু সন্দিকৈ ছোৱালী কলেজ স্থাপনত আগভাগ লোৱা কথাটোৱেই ছোৱালীৰ শিক্ষা সম্পৰ্কে ৺বৰুৱাৰ মতামত কি আছিল তাৰ প্ৰমাণ দাঙি ধৰে। বৰুৱাৰ ব্যক্তিত্ব আৰু চৰিত্ৰত প্ৰাচ্য আৰু প্ৰতীচ্যৰ সমন্বয় ঘটিছিল। পুৰণি ভালবোৰ তেখেতে ৰক্ষা কৰিবলৈ বিচাৰিছিল আৰু নতুন ভালবোৰকো আদৰণি জনাইছিল। উদাৰ দৃষ্টিভঙ্গীযেই আছিল তেখেতৰ বিশেষত্ব। ৰক্ষণশীল মনোবৃত্তিৰে ছোৱালীক সদায় ঘৰৰ ভিতৰতে আবদ্ধ কৰি ৰাখিবলৈ তেখেতে নিবিচাৰিছিল।

লৰাছোৱালী উভয়ে শিক্ষাৰ ক্ষেত্ৰত সমানে আগবাঢ়িব লাগে। এটা বাদ দি আনটো আগবাঢ়ি যোৱাটোক সমাজৰ প্ৰকৃত অগ্ৰগতি বুলিব নোৱাৰি। এয়ে আছিল তেখেতৰ মতামত। এনে মতামতে ইযাকো প্ৰতিপন্ন কৰে যে তেখেত প্ৰগতিশীল আছিল আৰু শিক্ষাক তেখেতে প্ৰগতিৰ প্ৰথম সোপান বুলি গণ্য কৰিছিল। সেইবাবেই তেখেতে ছোৱালীৰ শিক্ষা-প্ৰসাৰৰ পোষকতা কৰিছিল, আৰু নিজেও যিমান পাৰে বৰঙণি যোগাইছিল।

৺বৰুৱাৰ বিশুদ্ধ চৰিত্ৰ আৰু বিস্তৃত গুণাৱলীৰ কথা কৈ থাকিলে ওৰ নপৰিব। তেখেত আছিল উকীল, বিচাৰক আৰু ৰাজনীতিজ্ঞ। জীৱনৰ বহুতো দিশত তেখেতে সাফল্য লাভ কৰিছিল। কিন্তু সেইবোৰ কথা মই বহলাই কব নিবিচাৰো। তেখেতৰ চৰিত্ৰ সম্পৰ্কে আটাইতকৈ মন কৰিবলগীয়া কথা হল যে তেখেত আছিল দুখীযাৰ বন্ধু। কোনোবাই তেখেতৰ ওচৰলৈ সহায় বিচাৰি গলে তেখেতে কেতিযাও বিমুখ নকৰিছিল। নিজে বিপদত পৰি হলেও আনক সহায় কৰিবলৈ তেখেতে ভাল পাইছিল। আনক সহায় কৰাটো তেখেতে ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। দ্বিতীযতে, কাৰো বিষযে তেখেতে বেযা ভাব নলৈছিল। সকলোৰে ভাল দিশটোৰ প্ৰতিহে চকু দিছিল। কেতিযাবা কোনোজন মানুহক বেযা বুলি জানিও সহায বিচাৰি আহিলে বিমুখ নকৰিছিল। তেখেতৰ মন সঙ্কীৰ্ণতাৰ পৰা ইমানেই মুক্ত আছিল যে কোনোবাই এজনৰ দোষ আঙুলিযাই দিলেও তেখেতে বিশ্বাস কৰিবলৈ টান পাইছিল। তেখেত আছিল দৃঢ়মনা—যিটো কাম কৰোঁ বুলি লয়, তাৰপৰা কেতিয়াও বিচলিত নহয। সৰ্ব্বোপৰি যি কোনো অৱস্থাকে স্বাভাবিকভাবে গ্ৰহণ কৰিব পৰা অদ্ভুত ক্ষমতা তেখেতৰ আছিল। কোনো বিপদতে বিচলিত নহৈছিল। তেখেতক যে মই ওচৰৰ পৰা জানিবলৈ পাইছিলো— ইযাকে মই মোৰ পৰম সৌভাগ্য বুলি ভাবো।

কামাখ্যাৰাম বৰুৱা সম্পৰ্কীয় কেইটামান স্মৃতিৰ টুকুৰা

শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

বৰভাগ, বিহাবাৰী, গুৱাহাটী

বহুমুখী প্ৰতিভাসম্পন্ন কামাখ্যা বৰুৱাৰ কথা লিখি অন্ত কৰিব নোৱাৰি। তথাপি তেখেতৰ লগত ব্যক্তিগত সম্পৰ্কত অহা দুই চাৰি আষাৰ কথা সাধ্যানুসাৰে লিখিবলৈ ওলালোঁ।

তেখেতৰ লগত প্ৰথম পৰিচয় হৈছিল পিতৃদেৱৰ (৺উত্তম চন্দ্ৰ বৰুৱা) উজানবজাৰৰ বাহঁাত। শ্ৰীশ্ৰীউগ্ৰতাৰা দেৱালয়ৰ মাটিত লিজ লৈ সাজিছিল এই বাঁহাঘৰ। সেই ঠাইত এতিয়া শ্ৰীমান জিতেন্দ্ৰনাথ বুজৰবৰুৱাৰ বাসস্থান। জিতেনৰ পিতৃ স্বৰ্গীয় জগন্নাথ বুজৰবৰুৱা ই, এ, ছি আছিল পিতৃদেৱৰ সহোদৰ-প্ৰতিম আৰু পিতৃদেৱৰ বাঁহাতে থাকিছিল। সদায় গুৱাহাটীতে থাকিব লাগে বুলি পিতৃলৈ বাঁহাঘৰ ৺জগন্নাথ খুৰাৰ নামে কৰিছিল। কামাখ্যা বৰুৱা নতুন ভনী-জোৱাঁযেক জগন্নাথ বুজৰবৰুৱাৰ তালৈ আহোঁতে তেখেতৰ লগত প্ৰথম চিনাকী। এইটো হৈছে ১৯০৯ খৃষ্টাব্দৰ কথা আৰু মই সেই বছৰতে কটন কলেজিয়েটৰ ৮ম শ্ৰেণীত (আজিকালিৰ মতে) নাম লগাইছিলো।

স্বৰ্গীয় তৰুণৰাম ফুকনৰ মাতৃ আৰু কামাখ্যা বৰুৱাৰ মাতৃ বাইভনী আছিল। ফুকন ডাঙৰীয়াই কামাখ্যা বৰুৱাক মাষ্টৰ বুলি সম্বোধন কৰা কথা বয়সিয়াল লোকৰ বহুতে জানে। তাৰ কাৰণ হৈছে, আইন কলেজৰ শেষ পৰীক্ষা দি তেখেতে কাৰোবাৰ বি, টি, পঢ়া ছুটীত দহ মাহৰ কাৰণে কলেজিয়েট স্কুলত শিক্ষকৰ কাম কৰিছিল।

১৯১০ খৃঃ মই এন্ট্ৰেঞ্চৰ ৭ম আৰু মেট্ৰিকৰ ৪ৰ্থ শ্ৰেণীত থাকোঁতে কামাখ্যা বৰুৱা আছিল আমাৰ ক্লাচ মাষ্টৰ আৰু ইংৰাজী শিক্ষক প্ৰথম দিনাখন ক্লাছলৈ আহি হাজিৰা কৰি (roll call) এন্ট্ৰেঞ্চ ক'ৰ্ছৰ ছেকেণ্ড বুক্ অব্ ৰিডিংখনৰ পাঠ (lesson) এটা পঢ়িব দিছিল। কেইবাজন লৰাকো সেই পাঠটো পঢ়িব দিয়াত আটাইটিয়ে পঢ়িছিল ঃ—(Iron is soft and heavy) আইৰন্ ইজ চফট্ এণ্ড হেভি। তেতিয়া বৰুৱা ডাঙৰীয়াই কৈছিল যি কোনো ভাষাকে শুদ্ধকৈ উচ্চাৰণ কৰা আৱশ্যক। তেখেতে পঢ়িব দিয়া কথাখিনিৰ উচ্চাৰণ এনেদৰে কৰিব লাগে বুলি শিকাই দিছিল ঃ—আইঅৰ্ন্ ইজ চফ্ট্ এণ্ড হে-এ-ভি। সেই সময়ত আইন পঢ়া কালছোৱাত বা পৰীক্ষাৰ খবৰ ওলোৱাৰ সময়লৈকে শিক্ষকতা কৰা এটা

নিয়ম যেনেই আছিল। শেষ আইন পৰীক্ষাৰ খবৰ ওলোৱালৈকে চাৰ মহম্মদ চৈয়দ চাদুল্লা চাহাবেও কটন কলেজত দহ মাহ ডিমনষ্ট্ৰেটাৰৰ (ৰসায়ণৰ) কাম কৰিছিল। সেই আহিৰে পাছলৈ ৺গোপীনাথ বৰদলৈ, ৺কুমুদৰাম বড়া, ৺শিশিৰ কুমাৰ বৰুৱা আদি বহু খ্যাতনামা ব্যৱহাৰজ্ঞাবিয়ে আইন পৰীক্ষাৰ খবৰ নোলোৱা কালত আৰু আইন পঢ়ি থকা কালতো শিক্ষকতা কৰিছিল। তেতিয়াৰ দিনত আইন কলেজ বহিছিল ৰাতিপুৱা।

কামাখ্যা বৰুৱা যেনে অল্পভাষী আছিল, তেনে ধৈৰ্য্যশীলো আছিল আনৰ কথা শুনাত। মই তেখেতক কেতিয়াও খঙ কৰা দেখা নাই, যদিও আন লোকে বিৰক্ত কৰা দেখিছিলো। তেখেত পিন্ধন উৰণত আছিল চাফ-চিকুন আৰু পৰিপাটি কিন্তু জাকৃজমক্ এৰাই চলিছিল।

তেখেতৰ বিনয় আৰু নম্ৰ স্বভাৱৰ বাবে বহুতে কল্পনাও কৰিব নোৱাৰিছিল যে তেখেত চিকাৰী হিচাপে ৺তৰুণ ফুকন আদিৰ সমকক্ষ আছিল। ফুকন ডাঙৰীযাৰ এটি আৰবী ক'লা বৰণৰ তেজী ঘোঁৰা আছিল। এনেকুৱা ঘোঁড়াত মানুহে উঠিও ফুৰিছিল আৰু তাৰে বাগীও টনাইছিল। ফুকনৰ এই ঘোঁৰাটিত গৰাকীৰ বাহিৰে মাত্ৰ কামাখ্যা বৰুৱাকহে উঠা দেখিছিলো। আৰু শুনি আচৰিত হব লাগে যে তেখেতে মাহুত হৈ হাতী চলাবও পাৰিছিল, আনকি হাতী ধৰা চিকাৰলৈকো গৈছিল। পঞ্চাশ বছৰমান বযসলৈকে তেখেতে চাইকেলত উঠি ফুৰিছিল। চাইকেল চলাব এৰি মটৰগাড়ী কিনি ৭০।৭৫ বছৰলৈকে নিজে চলাই লৈ ফুৰিবও পাৰিছিল।

এবাৰৰ ঘটনা এটা নকৈ নোৱাৰিলো। ১৯৩২ খৃঃ মানৰ কথা হব। কিবা এটা কামত শনিবাৰে কাছাৰীৰ পাছত বৰুৱা ডাঙৰীযা আৰু ৺উমাকান্ত গোস্বামী-দেৱ (উকীল) ৰেলৰ পৰা নলবাৰী ষ্টেছনত নামি চাইকেলেৰে গৈ কমাৰকুছিত আমাৰ ঘৰতে ৰাতি খপিছিল। পিছদিনা আমি তিনিওজনে চাইকেলেৰে বিজুলী-ঘাটলৈ গৈছিলোঁ। তাৰে পৰা চাইকেলেৰে ন মাইল আঁতৰৰ নলবাৰীত আবেলি তিনিটা বজাত ৰেল ধৰি গুৱাহাটী পাবই লাগিব। কিযনো পিছদিনা বৰুৱা আৰু গোসাঁইদেৱৰ আছিল ছেছন মোকৰ্দ্দমা আৰু সেই মোকৰ্দ্দমাতে মই আছিলো জুৰীত (জুৰৰ)।

দুৰ্ভাগ্যক্ৰমে গোঁসাই উঠা চাইকেলখনৰ চকা এটা হঠাতে ফুটিল। তেতিয়া প্ৰায এটা বাজিছে। অৱস্থা দেখি মই তেখেতসকলক চাইকেলেৰে যাবলৈ কৈ মই খোজ কাঢি যাম বুলি কৈছিলো। গোঁসাইদেৱে "ঠিক আছে ডেকা লৰা খোজ কাঢিব পাৰিব" বুলি কৈ চাইকেলত উঠিবৰ উপক্ৰম কৰিছিল। তেনেতে বৰুৱা-

দেৱে "ৰবাচোন" বুলি মোক প্ৰশ্ন কৰিছিল "তুমি চাইকেলৰ পিছত মানুহ তুলিব আৰু আনে চলোৱা চাইকেলৰ পিচত উঠিব পাৰানে ?" মই তেনে কৰিব পাৰোঁ বুলি কলোঁ কিন্তু তাৰ পৰা আমাৰ কি "লাভ হব" বুলিও সুধিলোঁ, তেতিয়া বৰুৱা ডাঙৰীযাই "লাভ হব" বুলি জানিব দিছিল যে তেখেতে কিছুদূৰ মোক চাইকেলৰ পিছত তুলি নিব আৰু কিছুদূৰ মই তেখেতক মোৰ চাইকেলৰ পিচত তুলি নিম। তেখেতে অযথা কষ্ট কৰিব নালাগে বুলি কোৱা সত্ত্বেও মোৰ কথা নিটিকিল। আমি পৰস্পৰে চলোৱা চাইকেলৰ পিছত ইজনে সিজনে উঠি গৈ গৰুৰ গাড়ীৰ লিকেৰে ভৰা ন মাইল কেঁচা ৰাস্তা অতিক্ৰম কৰি বিজ্‌লীঘাটৰ পৰা নলবাৰী পাই তিনিটা বজাৰ ৰেল ধৰি গুৱাহাটী পাইছিলোহি। স্বৰ্গীয় বৰুৱা-দেৱলৈ শ্ৰদ্ধাঞ্জলি আগবঢালো।

সৰ্ব্বগুণাকৰ কামাখ্যাৰাম বৰুৱা
মই দেখা পোৱা মানুহজন

শ্ৰীৰাধানাথ হাজৰিকা
প্ৰাক্তন ন্যায়াধীশ, যোৰহাট

সৰ্ব্বগুণাকৰ কামাখ্যাৰাম বৰুৱাৰ নামত "কামাখ্যাৰাম বৰুৱা স্মৃতি গ্ৰন্থ" এখনি প্ৰকাশ কৰিবলৈ কামাখ্যাৰাম বৰুৱা স্মৃতি গ্ৰন্থ সমিতিয়ে মনস্থ কৰা খবৰটি পাই সঁচাকৈয়ে বৰ সন্তোষ পাইছোঁ। আজিৰ যুগৰ এচাম বিদ্বান লোকে অসমৰ গুণীলোকৰ কৰ্ম্মজীৱন আৰু কৰ্ম্মৰাশিৰ আলোচনা কৰিবলৈ কৰা প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰিব লাগিব। ই জীযাই থাকিবলৈ যত্ন কৰা জাতিৰ শুভ লক্ষণ। অতীত আৰু বৰ্ত্তমান যুগৰ মহৎ লোকসকলৰ কৰ্ম্মজীৱনৰ চানেকি চকুৰ আগত ৰাখি উঠি অহা ডেকা গাভৰু বিদ্যাৰ্থীসকলে নিজৰ জীৱন গঢ়িবলৈ সদায় যত্নবান হোৱা উচিত। অতীতৰ শিক্ষাসংস্কৃতিৰ পোহৰতহে আমি আগবাঢ়ি গৈ ভৱিষ্যত ৰচনা কৰিব লাগিব। আমাৰ অতীতৰ শিক্ষা, সভ্যতা আৰু সমাজ ৰীতিনীতিৰ সম্বন্ধসূত্ৰ হেৰোৱাৰ উপক্ৰম হোৱাৰ সময়ত অসমৰ বিদ্বানমণ্ডলীয়ে জাতীয় বৰেণ্য লোকসকলক সুঁৱৰিবলৈ যত্ন কৰাত তেখেতসকল আমাৰ সকলোৰে ধন্যবাদৰ পাত্ৰ।

এই লিখক "কামাখ্যাৰাম বৰুৱা স্মৃতি গ্ৰন্থ সমিতি"ৰ সম্পাদকৰ পৰা চিঠি এখন পাই বিমোৰত পৰিছে। জহৰীয়ে জহৰ চিনি পোৱাৰ দৰে গুণীজনেহে গুণীজনৰ গুণ বুজে, কিন্তু বৰুৱা ডাঙৰীয়াক সৰ্বতোভাবে বুজি পোৱা গুণ এই লিখকৰ নাই। "দেখে দশ প্ৰকাৰে কৃষ্ণক সিবেলাত" বোলাৰ দৰে বহুগুণ বিভূষিত বৰুৱা ডাঙৰীয়াক এই লিখকে যি প্ৰকাৰে চিনি পাইছিল ইয়াৰে যৎসামান্য আলোচনা আগবঢ়োৱা হৈছে। ই ভগা দাপোণত প্ৰতিবিম্ব দেখাৰ দৰেহে। বৰুৱা ডাঙৰীয়াৰ সম্পূৰ্ণ ব্যক্তিত্ব বিকাশ কৰিব পৰা ক্ষমতা লিখকৰ নাই। ই তেখেতৰ বহুবিসাৰী কৰ্ম্মৰাশিৰ বিস্তৃত বিৱৰণ নহয়।

১৯২৯ কি ১৯৩০ চনৰ পৰা বৰুৱা ডাঙৰীয়াৰ সান্নিধ্য লাভ কৰা এই লিখকৰ হৈছিল। তেখেতক এই লিখকে পাচ প্ৰকাৰে দেখিছিল। সেই ভাৱেই তেখেতৰ বিষয় চমু আলোচনা এটি দাঙি ধৰা হৈছে ঃ—

আইনজ্ঞ বৰুৱা

আইন ব্যৱসাযেই বৰুৱা ডাঙৰীয়াৰ প্ৰথম আৰু প্ৰধান ব্যৱসায় আছিল।

এই ব্যৱসায় কৰিবলৈ আইনজ্ঞজন যেনেকুৱা নিষ্ঠাবান হব লাগে বৰুৱা ডাঙৰীযাই সেই ভাবেৰেই অতি নিষ্ঠাৰে নিজৰ আইন ব্যৱসায় কৰিছিল। গুৱাহাটীত সেই সময়ত আমি জনাত তিনিজন অসমীয়া বিখ্যাত দেৱানী উকীল আছিল। হলিৰাম দাস, যোগেন্দ্ৰ নাথ বৰুৱা (বাপী) আৰু কামাখ্যাৰাম বৰুৱা। ডাঙৰ ডাঙৰ দেৱানী মকৰ্দমাত এই তিনিও জনৰ সুখ্যাতি আৰু সুনাম আছিল। তেতিযাৰ দিনত যাতায়াতৰ সুবিধা নথকা বাবে দূৰ দূৰণিৰ পৰা মকৰ্দমা লগা মানুহ এদিনৰ আগতে আহি নিজৰ নিজৰ উকীলৰ ঘৰত পুৱা গধূলি দেখা কৰি নিজৰ গোচৰৰ বিষয় আলোচনা কৰিছিল। বৰুৱা ডাঙৰীযাই নিজৰ পক্ষৰ লোকৰ সকলো কথা খৰচি মাৰি সুধি আইনসঙ্গত ভাবে আদালতত পক্ষৰ হৈ ওকালতি কৰিছিল। তেখেতৰ সৰল গুণত সকলো মোহিত হৈছিল। ওকালতি কৰি যেনে-তেনে ধন ঘটা তেখেতৰ স্বভাৱ নাছিল। নীতি বিগৰ্হিত কামৰ তেখেতে সদায় নিন্দা কৰিছিল। সত্যৰ অপলাপ কৰা তেখেতৰ স্বভাৱ বিৰোধী আছিল। আদালতৰ মৰ্য্যদা ৰক্ষা কৰি সঁচা কথা প্ৰমাণ কৰিবলৈ তেখেতে নিষ্ঠাৰে যত্ন কৰিছিল। উকীল হিচাবে তেখেতে সুনাম আৰ্জিছিল। সেই বাবেই তেতিযাৰ ইংৰাজ বিচাৰকসকলে তেখেতক অতি শ্ৰদ্ধা কৰিছিল।

বিচাৰক বৰুৱা

উকীল হিচাপে বৰুৱা ডাঙৰীযাৰ সুখ্যাতি আৰু সুযশ বঢ়াত কলিকতা উচ্চ ন্যায়ালয়ৰ অনুমোদনমতে তেতিযাৰ অসম চৰকাৰে বৰুৱা ডাঙৰীযাক উকীলসকলৰ ভিতৰত প্ৰথম সহকাৰী ন্যাযাধীশ (চাব জজ) নিযুক্তি দিছিল। ধুবুৰীৰ পৰা ডিবৰুলৈকে জিলাৰ সদৰ ঠাইত বিচাৰক হিচাবে বা ন্যাযাধীশ হিচাবে বহি তেখেতে গোচৰ বিচাৰ কৰিছিল। সেই সময়ত লিখকে যোৰহাটত ওকালতি কৰিছিল। যেতিয়া তেখেত যোৰহাটত আৰু ডিব্ৰুগড়ত বহিছিল তেতিয়া যোৰহাটত আৰু ডিব্ৰুগড়ত তেখেতৰ আদালতত ওকালতি কৰা এই লিখকৰ সৌভাগ্য ঘটিছিল। তেখেত এজন নিৰপেক্ষ, নিষ্ঠাৱান আৰু নিৰহঙ্কাৰী বিচাৰক আছিল। এই-খিনিতে ঋষি কাত্যাযনে ন্যাযাধীশ বা জজসকল কেনেকুৱা গুণেৰে বিভূষিত হব লাগে ইযাকে মনত পৰিছে। কাত্যাযনে কৈছে—

"দক্ষং কুলীনং মধ্যস্থম্ অনুদ্বেগকৰং স্থিৰং
পৰত্ৰাভীৰুং ধৰ্মিষ্ঠং উদ্যতং ক্ৰোধৰজ্জিতম্
অক্ৰূৰং মধুৰং স্নিগ্ধং ক্ষমযা চ ৰিচক্ষণম্।"
—ইত্যাদি।

তেতিয়াৰ কালত এই গুণৰাশিৰে বিভূষিত লোকসকলকহে ন্যায়াধীশ নিযুক্ত কৰা হৈছিল। আমাৰ বিশ্বাস বৰুৱা ডাঙৰীয়াই ঋষি কাত্যায়নৰ কথাৰ আদৰ্শ আগত ৰাখি বিচাৰকৰ আসনত বহিছিল। তেখেত অধ্যয়নৰত আছিল। গৰ্ব অহঙ্কাৰে তেখেতৰ অন্তৰত ঠাই নাপাইছিল। ব্যৱহাৰত তেখেত সদায়ে অমায়িক আৰু মধুৰ আছিল। উকীল সকলৰ প্ৰতি তেখেতৰ বিশেষ শ্ৰদ্ধা আছিল। তেখেতৰ বিচক্ষণ বুদ্ধিৰে তেখেতে সকলো গোচৰ বিবাদৰ বিচাৰ কৰিছিল।

এদিনাখন তেখেতে যোৰহাটৰ আদালতত বহি গোচৰ এটা বিচাৰ কৰিছিল। সেইটো গোচৰত এপক্ষে যোৰহাটৰ বিজ্ঞ উকীল আছিল আৰু ইপক্ষে এই লিখক উকীল আছিল। অইন এজন বয়সস্থ উকীল এক পক্ষৰ সাক্ষী আছিল। উকীল সাক্ষীজনক সিপক্ষৰ বিজ্ঞ উকীলজনে কিবা কথাত বিদ্ৰূপ আৰু নিন্দাসূচক ভাবে কথা এষাৰ কোৱাত বিচাৰক বৰুৱা ডাঙৰীয়াই বিৰক্তি বোধ কৰি উকীলজনক টান কথা একো নকৈ মুঠতে কলে "তেখেতক (সাক্ষী উকীলজনক) যেনেকৈ আপুনি কলে ই ওকালতি ব্যৱসায়ৰ প্ৰতি অসন্মান দেখুৱা হৈছে।" তেতিয়া সেই উকীলজনে নিজৰ ভুল বুজি নিমাত হ'ল। ইয়াৰ পৰাই সহজে বুজিব পাৰি বৰুৱা ডাঙৰীয়াৰ মন কিমান উচ্চ আৰু নিজৰ ব্যৱসায়ৰ প্ৰতি কিমান গভীৰ শ্ৰদ্ধা।

আৰু এদিনৰ কথা এটা মনত পৰিছে। যোৰহাটৰ আদালতত এটা গোচৰ বিচাৰ কৰি থাকোঁতেই এটা ভূঁইকপ আহিল। ঘৰ আৰু ঘৰৰ ভেটি কঁপিবলৈ ধৰিলে। আদালতৰ ভিতৰত থকা সকলো মানুহ লৰালৰিকৈ বাহিৰলৈ ওলাই গ'ল, কিন্তু বৰুৱা ডাঙৰীয়া বিচাৰকৰ আসনত অতি গম্ভীৰ আৰু নিৰ্ভীক ভাবে বহি থাকিল। অন্যলোকে তেখেতক বহি থকা দেখি আচৰিত হৈছিল। তেখেতৰ মন যে স্থিৰ আৰু অচল ইয়াৰ পৰা ইয়াকে প্ৰমাণ কৰে। তেখেত সদায়ে শান্ত আৰু সৌম্য আছিল। এনেকুৱা কথাই তেখেতৰ কুল মৰ্য্যাদাৰ প্ৰমাণ দিয়ে। তেখেত সদায় শান্ত আৰু অবিচলিত আছিল।

ভাৰত স্বাধীন হোৱাৰ পাছত মণিপুৰ ৰাজ্য ভাৰত ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হোৱাত বৰুৱা ডাঙৰীয়াক মণিপুৰৰ প্ৰথম অসমীয়া ন্যায়াধীশ চৰকাৰে নিযুক্ত কৰিছিল। মণিপুৰত থকা কালত তেখেতে অসমীয়াৰ সুনাম আৰু সুখ্যাতি ৰাখিছিল আৰু মণিপুৰৰ সকলো লোকৰ পৰা তেখেতে যথোচিত সন্মান পাইছিল। ইও অসমীয়াৰ কাৰণে অতি গৌৰৱৰ কথা।

ব্যৱসায়-বুধিত বৰুৱা

বৰুৱা ডাঙৰীয়াৰ ব্যৱসায় বুধিও অতি তীক্ষ্ণ আছিল। অসমত চাহ

বাগিছা লোৱা আৰু চাহৰ পৰা হোৱা আয়ে অসমীয়াৰ বহুত অভাৱ পূৰণ হব বুলি তেখেতে উপলব্ধি কৰিছিল। সেই ভাবিয়েই তেখেতে তেখেতৰ অন্তৰঙ্গ বন্ধু কেইজনমানৰ সৈতে আলোচনা কৰি উজনী অসমত এখন চাহবাগিছা খুলিলে। সেই বাগিছা চলাবৰ কাৰণে অংশীদাৰসকলে মিলি 'বাহাদুৰ টি কোম্পানী' নামেৰে এটা চাহ কোম্পানী স্থাপন কৰিলে। সেই বাগিছাৰ যথেষ্ট লাভ হোৱাত যোৰহাটত "গোবিন্দপুৰ টি কোম্পানী" নামেৰে এটা সুকীয়া কোম্পানী কৰি যোৰহাটৰ "গোবিন্দপুৰ" বাগিছা ললে। এই দুইটা কোম্পানী অতি সুখ্যাতিৰে দুখন ডাঙৰ চাহ বাগিছা এতিয়াও চলি আছে। টকা পইচাৰ হিচাপত তেখেত অতি সতৰ্ক আছিল। টকাৰ অপব্যয় যাতে নহয় সেই ভাবে তেখেত সদায় সাৱধান আছিল। এই দুই কোম্পানীত আজি বহুত অসমীয়া কৰ্ম্মচাৰীয়ে কাম কৰি আছে। অসম চৰকাৰেও কৰ হিচাবে বহুত টকা পায়। বৰুৱা ডাঙৰীয়াৰ অশেষ চেষ্টাত এই দুইটা চাহ কোম্পানী গঠিত হৈছিল। শাৰীৰিক কষ্টলৈ আওকাণ কৰি বৰুৱা ডাঙৰীয়াই বাগিছাৰ কামত মনপুতি লাগিছিল। অসমৰ আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি বৰুৱা ডাঙৰীয়াই এই দুটা চাহ কোম্পানী খোলাত সকলো অংশীদাৰকে উদগণি দিছিল। বৰুৱা ডাঙৰীয়াৰ আৰ্থিক ক্ষেত্ৰত দূৰদৃষ্টি থকাৰ কাৰণেই অসমীয়া অংশীদাৰেৰে গঠিত হোৱা এই দুই কোম্পানীয়ে দেশৰ বহুত অভাব পূৰণ কৰিছে। তদুপৰি অসমীয়া মানুহে যে যুটীয়া কাৰবাৰ কৰিব পাৰে ইযাৰো প্ৰমাণ বৰুৱা ডাঙৰীয়াই দেখুৱাই গৈছে। এই বিষয় জনা-সকলে বৰুৱা ডাঙৰীয়াৰ ব্যৱসায় দিশটোৰ বিষয় আমাক বহুত কথা জনাব পাৰিব।

বৰুৱা ডাঙৰীয়াৰ ৰাজনৈতিক মত

ৰাজনীতি বিষয়ত বৰুৱা ডাঙৰীয়া ধীৰপন্থী আছিল। তেখেতৰ ওচৰ সম্পৰ্কীয় তৰুণ ফুকন ডাঙৰীয়া অসহযোগ আন্দোলনত জপিয়াই পৰা কথা সকলোৱে জানে। তেখেতৰ অন্তৰঙ্গ বন্ধু শ্ৰীবিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, ৰোহিণী কুমাৰ চৌধাৰী, কৰ্মবীৰ বৰদলৈ আদিক তেখেতে অশেষ শ্ৰদ্ধা কৰিছিল। অসহযোগ আন্দোলনত সক্ৰিয় অংশ নললেও তেখেতে আন্দোলনৰ কোনো কথাতে বিৰোধ কৰা নাছিল। বৰং পৰোক্ষ ভাবে আন্দোলনত সহায় কৰি সৰ্বতোভাবে তেখেত স্বদেশী আছিল। ভাৰত স্বাধীন হব লাগে আৰু অসমত অসমীয়াৰ সকলো স্বত্ব সংৰক্ষিত হব লাগে সেই কথা তেখেতে অন্তৰে অন্তৰে বিশ্বাস কৰিছিল।

এসময়ত জগদীশ মেধি, সুৰেন্দ্ৰনাথ বুঢ়াগোঁহাই আৰু কেবাজনৰ সৈতে

এই লিখকক লৈ এখন আলোচনা সভাও হৈছিল। অসম অসমীয়াৰ এনেকুৱা জনমতেৰে এখন সভা হোৱাটো তেখেতে বাঞ্ছা কৰিছিল। কোনো কোনো বিষয়ত তেখেতে অম্বিকা ৰায়চৌধুৰীৰ মত সদায়ে সমৰ্থন কৰিছিল। কিন্তু বহুত কাৰণত তেখেতে ভবা মতে সেই সভা পাতিব পৰা নহ'ল।

১৯৪৯ চনৰ ফেব্রুৱাৰী মাহত শিলচৰ চহৰত অসম উকীল সংস্থাৰ এখন বছৰেকীয়া অধিবেশন হৈছিল। বৰুৱা ডাঙৰীয়া সেই অধিবেশনৰ সভাপতি আছিল আৰু এই লিখক প্ৰধান সম্পাদক আছিল। আইন ব্যৱসায় অসমত উচ্চ মৰ্য্যদাৰ হব লাগে, এই কথা বৰুৱা ডাঙৰীয়াৰ অভিভাষণত প্ৰকাশ পাইছিল আৰু সেই বিষয় তেখেতৰ দৃঢ় মতো আছিল। আইন আৰু আদালত যে নিকা পৰিবেশৰ হব লাগে, সেই কথা তেখেতে অতি গভীৰ ভাবে অনুভব কৰিছিল। তেখেতৰ জীৱনত তেখেতৰ সাধ্য আৰু সাধনা মতে আইন আদালতৰ নিকা প্ৰশাসন আৰু সকলোৰে সন্দেহাতীত সৰ্বজন সমাদৃত এখন বিচাৰালয় হোৱাটো বিচাৰিছিল আৰু সেই নীতি মানি তেখেত চলিছিল।

বৰুৱাৰ ব্যক্তিগত জীৱন

ব্যক্তিগত ভাবে বৰুৱা ডাঙৰীয়া অতি নিৰহ-নিপানী আৰু মিতব্যয়ী লোক আছিল। তেখেতে অতি সহজ সৰল জীৱন যাপন কৰিছিল। তেখেত সদাচাৰী, ধৰ্মভীৰু আৰু মৃদুভাষী লোক আছিল। আয়ুৰ্ব্বেদ, হোমিওপেথিক আৰু বায়কেমিক শাস্ত্ৰৰ জ্ঞানো তেখেতৰ যথেষ্ট আছিল। তেখেতৰ সৰু চন্দুক এটাত দ্ৰব্যগুণ থকা বহুত ঔষধ সদায় আছিল। সেই চন্দুকটো তেখেতে সদায়ে লগত লৈ ফুৰিছিল। অলপীয়া অসুখত তেখেতে আনকো সেই চন্দুকৰ পৰা ঔষধ দি ব্যাধিৰ উপশম দিছিল। আহাৰ আদিত তেখেতে অতি সংযত আছিল। যতে ততে, যেতিয়াই তেতিয়াই তেখেতৰ খোৱা অভ্যাস নাছিল। সেইহে সুদীৰ্ঘকাল সুস্থ স্বাস্থ্যৰ জীৱন তেখেতে নিৰ্ব্বাহ কৰিব পাৰিছিল। মুঠতে তেখেত এজন অতি উচ্চ ভাবৰ আদৰ্শ পুৰুষ আছিল। ব্যক্তি ভাবতকৈ তেখেতৰ সামাজিক ভাব অতি প্ৰবল আছিল। এনেহেন গুণীজনৰ গুণৰাশিৰ আলোচনা এতিয়া আমাৰ অতি আৱশ্যক। জয়তু কামাখ্যাৰাম বৰুৱা।

বহুগুণী কামাখ্যাৰাম বৰুৱাৰ সোঁৱৰণত

শ্রীখগেন্দ্রনাথ বৰুৱা
অৱসৰপ্রাপ্ত আই এ এছ, গুৱাহাটী

কামৰূপৰ প্রাচীন পৰিয়ালবোৰৰ পৰস্পৰৰ ভিতৰত ঘনিষ্ঠ সম্পর্ক আছিল। সেই হিচাপে আমাৰ পিতৃদেব স্বৰ্গীয় উত্তম চন্দ্র বৰুৱাৰ লগতো স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ ঘনিষ্ঠভাবে জনাশুনা আছিল। মই ব্যক্তিগত হিচাপে তেখেতক ভালদৰে জানিবৰ প্রথম সুবিধা পাওঁ ১৯২৪ চনত। তেখেত দেখাত যেনে সভাশুৱনি আছিল তেখেতৰ মনটোও তেনেকুৱা স্বচ্ছ আছিল। মাৰ্জ্জিত ব্যৱহাৰ আৰু ধীৰ-গম্ভীৰ কথাবতৰাৰ দ্বাৰা তেখেতে সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। মোৰ ব্যক্তিগত তথা সামাজিক আৰু ৰাজহুৱা জীৱনৰ কেইটিমান ঘটনাত তেখেতে কিদৰে সহায় কৰিছিল তাকে সংক্ষেপে উল্লেখ কৰিব খুজিছোঁ। কাৰণ তাৰ মাজেদিয়েই তেখেতৰ কৰ্ত্তব্যবোধ ন্যায়ৰ প্রতি অনুৰাগ, আদৰ্শৰ ওপৰত নিষ্ঠা, দেশপ্রেম, নীতিবোধ আৰু সৎসাহসৰ প্রতিচ্ছবি ফুটি ওলাইছে।

১৯২৪ চনত মই কটন কলেজৰ পৰা আই, এচ্ চি পৰীক্ষাত উত্তীৰ্ণ হওঁ আৰু বৃত্তি পাওঁ। তাৰ পাছত মই কলিকতাত স্কটিছ চাৰ্চ্চ কলেজত বি এ পঢ়িবলৈ ভৰ্ত্তি হওঁ আৰু অসম চৰকাৰক মোৰ বৃত্তি তাতে দিবৰ কাৰণে অনুৰোধ জনাওঁ। কিন্তু তেতিয়াৰ শিক্ষামন্ত্রী চাৰ মহম্মদ ছাদুল্লা চাহাবে বৃত্তি অসমৰ বাহিৰলৈ বদলি কৰিবলৈ অমান্তি হ'ল। ইফালে মোৰ সহপাঠী শ্রীভবেশ বৰুৱাৰ বৃত্তি প্ৰেচিডেঞ্চি কলেজলৈ বদলি কৰিলে। বহু অনুনয় বিনয় আৰু দৰ্খাস্ত পাতি কৰিও একো ফল নাপাই শেষত বৰুৱাদেৱৰ আশ্রয় লওঁ। তেখেত তেতিয়া অসম বিধানসভাৰ কংগ্রেছী সদস্য আছিল। তেখেতে এজনৰ বৃত্তি বদলি কৰি আন এজনৰ বদলি নকৰাটো নীতি বহিৰ্ভূত আৰু অন্যায় বুলি বিবেচনা কৰি বিধানসভাত এই বিষয় প্রশ্ন উত্থাপন কৰে আৰু তেখেতৰ যত্নত এবছৰমান পাছত মোৰ বৃত্তি কলিকতাত পাব পৰাকৈ বদলি কৰা হয়।

১৯৫০ চনত মই ধুবুৰীত উপায়ুক্ত থকা কালত তাৰ স্থানীয় নেতা উকীল স্বৰ্গীয় ৰমণীকান্ত বসুৱে অসম চৰকাৰ আৰু মোৰ ওপৰত যুটীয়াভাবে মানহানিৰ মোকৰ্দ্দমা কৰে। অসম চৰকাৰে এই মোকৰ্দ্দমাত আমাক সমৰ্থন কৰিবলৈ বৰুৱাদেৱক নিযুক্ত কৰে। বসু ডাঙৰীয়াই মোকৰ্দ্দমাটোক সাম্প্রদায়িক ৰূপ দিবলৈ চেষ্টা কৰিছিল। বৰুৱাদেৱে অসমীয়া আৰু বঙালীৰ মাজত কোনো কাজিয়া

হোৱাটো বাঞ্ছা নকৰিছিল, কাৰণ অসমীয়া আৰু বঙালী উভয়ে তেখেতৰ সমানে প্ৰিয় আছিল। সেই কাৰণে এই মোকৰ্দ্দমাৰ ভাৰ লওঁতে তেখেতে প্ৰথমে ইতস্ততঃ কৰিছিল। পিছত কাগজপত্ৰ ভালদৰে পৰীক্ষা কৰি চাই যেতিয়া দেখিলে যে আমাৰ ফালৰপৰা কোনো সাম্প্ৰদায়িক বিদ্বেষ আচৰণ কৰা হোৱা নাই, তেতিয়া তেখেতে মোকৰ্দ্দমা পৰিচালনাৰ ভাৰ গ্ৰহণ কৰিলে। কিছুদিনৰ পিছত বসু ডাঙৰীযাই চৰকাৰৰ বিৰুদ্ধে মোকৰ্দ্দমা উঠাই ললে আৰু অকল মোৰ ওপৰতে চলালে। শ্ৰীবিষ্ণু মেধি ডাঙৰীয়াৰ চৰকাৰে তেতিযা চৰকাৰী পক্ষৰ উকীল বৰুৱা ডাঙৰীযাকো উঠাই ললে। মই মোৰ ব্যক্তিগত স্বাৰ্থত বা ব্যক্তিগত কামৰ কাৰণে এই মোকৰ্দ্দমাত জড়িত হোৱা নাছিলো। জিলাৰ উপাযুক্ত হিচাপে কৰা কামৰ ওপৰতে বসু ডাঙৰীযাই আমাক অভিযুক্ত কৰিছিল। সেই কাৰণে চৰকাৰক মোৰ বিৰুদ্ধে চলা গোচৰৰ কাৰণেও বৰুৱাদেৱৰ নিযুক্তি ৰাখি থবলৈ অনুৰোধ জনাওঁ। কিন্তু চৰকাৰ অমান্তি হ'ল। বৰুৱাদেৱ চৰকাৰৰ এই অন্যায় আচৰণত অত্যন্ত অসন্তুষ্ট হৈ বিনা পযচাই মোৰ মোকৰ্দ্দমা চলাবলৈ গাত লয়। আৰু তেখেতৰ সুপৰিচালনাতে মোৰ জযলাভ হয।

১৯৬০ চনৰ ভাষা আন্দোলনত অসমত বহুতো দুৰ্ঘটনা ঘটে আৰু কিছুমান বঙালী লোকৰ অপপ্ৰচাৰৰ দ্বাৰা বাহিৰৰ মানুহৰ মনত ভ্ৰান্ত ধাৰণা জন্মাবৰ চেষ্টা চলে। সেই সময়ত ভাষা সম্পৰ্কে মই কেইবাটিও প্ৰবন্ধ বাতৰি কাকতত প্ৰকাশ কৰোঁ আৰু অসমত হোৱা দুৰ্ঘটনা সম্পৰ্কে এখনি পুস্তিকাও লিখোঁ। বৰুৱা ডাঙৰীযাৰ বযস তেতিয়া বোধকৰোঁ ৭৫ বছৰৰো ওপৰত। কিন্তু এই বযসতো তেখেতে এই আন্দোলন সম্পৰ্কে খুব চিন্তা কৰিছিল আৰু সক্ৰিয অংশ গ্ৰহণ কৰিছিল। অসমীযাৰ প্ৰতি তেখেতৰ অগাধ প্ৰেম, তেখেতে মোলৈ লিখা এখন চিঠিতে সুন্দৰভাবে প্ৰকাশ পাইছে। চিঠিখনৰ হুবহু নকল তলত উদ্ধৃত কৰিলোঁ।

শ্ৰীশ্ৰীদুৰ্গা

গুৱাহাটী

২২।৮।৬০

পৰম কল্যাণীয

মৰমৰ খনীন্দ্ৰবাপা, অলপতে দিল্লীত আসামৰ দুৰ্ঘটনা আৰু অশান্তি সম্পৰ্কে লোকসভাত আৰু ৰাজ্যসভাত আলোচনা হব। সেই সময়ত তুমি দিল্লীত উপস্থিত থাকিলে, M P. সকলক বহুত তথ্য তুমি জনাব পাৰিবা। আসামৰ এই বিপদৰ

দিনত প্ৰত্যেক অসমীয়াই দেশৰ বাবে যথাসাধ্য কৰ্ম্ম কৰা উচিত। মোৰ বিবেচনাত তুমি এই সময়ত দিল্লীত উপস্থিত থাকিলে বহুত অসত্য কথাৰ স্ৰোত ৰোধ কৰিবলৈ পাৰিবা। অসমৰ M P সকলৰ অভিজ্ঞতা যিবিলাক বিষয়ত নাই সেই সকলো বিষয়ে তেওঁলোকক বহুত খবৰ দিবলৈ পাৰিবা। অন্য প্ৰদেশৰ M P সকলৰ লগত ভালদৰে পৰিচিত হবৰো সুযোগ ঘটিব।

দৰকাৰ হলে তোমাৰ অহা যোৱাৰ খৰচৰ বাবে আমি ইয়াত বৰঙণি তোলাৰ চেষ্টা কৰিব পাৰোঁ। আমি তোমাৰ পৰা বহুতো দেশৰ উপকাৰ হব বুলি আশা কৰোঁ।

মোৰ স্নেহাশীৰ্ব্বাদ লবা।

ইতি—

শুভাকাঙ্ক্ষী

শ্ৰীকামাখ্যাৰাম বৰুৱা।

ইয়াৰ পাছত অসম সাহিত্য সভাৰ এটা প্ৰতিনিধি দলৰ লগত মোৰ দিল্লীলৈ যোৱাৰ কথা আছিল। কিন্তু সাধাৰণ সম্পাদকে কিছুমান অসুবিধা আঙুলিয়াই দি মোক বাদ দিয়েই প্ৰতিনিধি দল লৈ যোৱাত মই দিল্লীলৈ গৈ কাম কৰাৰ সুবিধা নাপালোঁ আৰু বৰুৱাদেৱৰ আশাও পূৰ্ণ নহ'ল।

ইয়াৰ পাছত তেখেতে ওকালতি আদিৰ পৰা বস্তুতঃ অবসৰ লৈ ধৰ্ম্মালোচনা আদিতে আৱদ্ধ থাকে। তেখেত মাজে সময়ে ছিলঙলৈ গৈ তাত থাকিছিল আৰু সেই সময়ত আমি তেখেতৰ লগত প্ৰায় সদায়েই নানা সৎ কথাৰ আলোচনাৰ জৰিয়তে বহুতো উপদেশ গ্ৰহণ কৰাৰ সুবিধা পাওঁ। তেখেতৰ সুস্থ মনৰ আদৰ্শ আৰু আমাৰ প্ৰতি ৰখা মৰম আমাৰ চিৰস্মৰণীয় হৈ থাকিব।

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাদেৱৰ বিষয়ে মনত পৰা কেইটামান কথা

শ্ৰীতাৰকচন্দ্ৰ গোস্বামী

স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাক জয়-জয়তে দেখা পাওঁ শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ শিক্ষক হিচাপে। মই তেতিয়া হাইস্কুলৰ ৯ম মান শ্ৰেণীৰ ছাত্ৰ। ছিলং হাইস্কুলৰ পৰা বদলি লৈ, ভিনিহিদেউ স্বৰ্গীয় জগৎচন্দ্ৰ গোস্বামীৰ লগত শিৱসাগৰলৈ আহোঁ। শিৱসাগৰ হাইস্কুলত নাম লগোৱা হলত শ্ৰেণীত অসমীয়াৰ পালত আহিল শিক্ষক ৺কামাখ্যাৰাম বৰুৱা, ডেকা, শুৱনী মানুহজন, দেখিলেই ভক্তি শ্ৰদ্ধা কৰিবৰ মন যায়, মুৰ দোঁ খাই পৰে। তেখেতৰ কথা সোধাত তেখেতৰ পৰিচয়টো ভালকৈ দিলে। শ্ৰেণীত যাদৱপ্ৰসাদ চলিহা আৰু আব্দুল ৰেজাকৰ মাজতে মই বহোঁ। আৰু তেওঁলোকৰ সৈতে কামাখ্যাৰাম বৰুৱাৰ পঢ়ুৱাৰ ভাব-ভঙ্গিবোৰ ৰ' লাগি চাই থাকোঁ। উল্লেখ কৰিবলগীয়া যে মই ছিলং হাইস্কুলৰ অসমীয়া বিষয়ৰ ঠাইত বঙলা পঢ়িবলগীয়া হৈছিল। কিয়নো ছিলঙত তেতিয়াৰ দিনত অসমীয়া বিষয়টো বাদ পৰি আছিল। যি হওক কামাখ্যাৰাম বৰুৱাৰ কৃপাত অতি সোনকালেই এই অসুবিধাৰ হাত সৰাত কৃতকাৰ্য্য হলো।

শিৱসাগৰৰ ফুকন নগৰত শ্ৰীযুত গুণহাস গোস্বামী চব্ ডেপুটি কলেক্টৰৰ লগত আমি আছিলো। গুণহাস গোঁসাইৰ দুই তিনিটা তেজী ঘোঁৰা আছিল, আৰু কামাখ্যাৰাম বৰুৱাই গোঁসাইৰ ঘোঁৰা এটাতে চোৱাৰি শিকিবলৈ লয় আৰু আবেলি আবেলি মেলা চকৰত কদমত ঘোঁৰা দৌৰায়।

সেই সময়ত কামাখ্যাৰাম বৰুৱা এটা মেছ কৰি শ্ৰীযুত ভূধৰ চৌধুৰী, ছাত্ৰ ৰাজেন্দ্ৰনাথ বৰুৱা আৰু গুণীন্দ্ৰনাথ বৰুৱা আদিৰ লগত থাকিছিল। সৰস্বতী পূজাৰ দিনা ৰাজেন বৰুৱাৰ অনুৰোধত মই কামাখ্যাৰাম বৰুৱাৰ মেছতে ৰাতি বঞ্চিবলগীয়া হয়। মই শিৱসাগৰত এবছৰ মাত্ৰ পঢ়িছিলো। তাৰ পাছত জগত ভিনিহিদেউ গোলাঘাটলৈ বদলি হলত ময়ো গোলাঘাটলৈ বদলি লবলগীয়া হ'ল।

কামাখ্যাৰাম বৰুৱাক এতিয়া মই কামাখ্যা ভিনদেউ বোলা হলো, কিয়নো তেখেতে তেতিয়া বৰ ভিনিহিদেউ হেমচন্দ্ৰ গোস্বামীৰ বৰজীয়ৰী শ্ৰীমতী মুক্তাবালাক বিয়া কৰালে। মুক্তাবালাক মই বাইদেউ সম্বন্ধ ধৰিছিলো। সেই সূত্ৰে কামাখ্যাৰাম বৰুৱা হ'ল মোৰ ভিনিহিদেউ। ইয়াৰ কিছুদিন পাছতে মই

বাইদেউ মৃণালিনী দেবীৰ লগত (জগত গোস্বামীৰ পৰিবাৰ) গুৱাহাটীলৈ গৈ উজানবজাৰৰ পকা ঘাটৰ ওচৰত, বৰ ভিনিহিদেউ ৺হেমচন্দ্ৰ গোস্বামীৰ ঘৰত থাকোঁতে কামাখ্যা ভিনিহিদেৱে আমাক ভাত-খাবলৈ নিমন্ত্ৰণ কৰিছিল, তেতিয়া তেখেতৰ মাতৃ জীৱিত আছিল আৰু তেখেতৰ ঘৰ পুৰণিবাৰীত ৰেল লাইনৰ ওচৰত আছিল।

মই গোলাঘাট বেজবৰুৱা চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলৰ পৰা মেট্ৰিকুলেছন পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ বুলি, বৰ ভিনিহিদেউ ৺হেমচন্দ্ৰ গোস্বামীৰ ঘৰতে থাকিলোগৈ। কামাখ্যাৰাম বৰুৱাই শহুৰেক হেমচন্দ্ৰ গোস্বামীৰ ঘৰতে মোক লগ পালে আৰু তেখেতে মোক যে শিৱসাগৰত পঢ়াইছিল সেই বিষয়ে উল্লেখ কৰি কোন স্কুলৰ পৰা কোন বিভাগত উত্তীৰ্ণ হলো ইত্যাদি কথা মৰমৰ মাতেদি বুজ লৈছিল। মোৰ আই, এ-ত বিষয় নিৰ্ব্বাচনত তেখেতে বহুখিনি সহায় কৰিলে। এদিন গধূলি পৰত অধ্যাপক পি চি ৰায়ৰ ঘৰলৈ গৈ তেওঁৰ লগত মোক পৰিচয় কৰি দিয়াইছিল। আন এদিন পানবজাৰৰ ফালে মোক লগতলৈ ফুৰিবলৈ যাওঁতে বাটতে ক'লে জ্ঞানদাদাৰ তাত সোমাই যাওঁ আহা। পানবজাৰৰ দে' কোম্পানীৰ ওচৰৰ এটা ভাৰা ঘৰতে শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা আছিল। মোক লগত লৈ কামাখ্যা ভিনিহিদেউ জ্ঞানদাভিৰাম বৰুৱাৰ বৈঠকখানাত বহিলগৈ আৰু তেখেতৰ লগত পৰিচয় কৰি দিলে। ৺জ্ঞানদাভিৰাম বৰুৱা মানুহজন ইমান থুলন্তৰ পুৰুষ আছিল যে মই থতমত খাই গলো। কথাবাৰ্ত্তা পাতোতে যেতিয়া খাছ অসমীযাত অমুকটো ভূ পাইছানে বুলি কলে, মইতো আচৰিত হৈ গলো। পাছত তেখেতৰ ঘৰৰ পৰা ওলাই আহি যেতিয়া কামাখ্যা ভিনদেউক কলো—"ভিনদেউ এখেতক মই প্ৰথমতে কোনোবা চাহাব বুলিহে ভাবিছিলো।" ভিনদেৱে কলে নহয় তেখেত সম্বন্ধত আমাৰ দাদা।

আৰু এদিন ভৰলুমুখত তেখেতৰ ঘৰৰ ওচৰতে থকা শ্ৰীযুত তৰুণৰাম ফুকনৰ ঘৰলৈও লৈ গৈছিল আৰু মোৰ পৰিচয় তেখেতক দিছিল। ফুকনে কামাখ্যা ভিনদেউক মাষ্টৰ মাষ্টৰ বুলি মাতিছিল। ফুকন, জে বৰুৱা আৰু কামাখ্যা বৰুৱা বংশ সম্পৰ্কত ভাই-ককাই তিনিজন ব্যক্তিৰ তিনিটা বিশিষ্ট আৰু উজ্জ্বল ব্যক্তিত্ব দেখা পাইছিলো।

তাৰ পিছত ৺হেমচন্দ্ৰ গোস্বামীৰ দ্বিতীয়া কন্যা শ্ৰীমতী হিৰাপ্ৰভা দেৱীৰ লগত মোৰ বিয়া হৈ গ'ল, তেতিয়া বৰুৱা মোৰ শালপতি হল। কিন্তু মোৰ তেখেতক কৰা ভিনিহিদেউ সম্বন্ধটো হলে এৰেকেদৰেই থাকিল। মোৰ এতিয়াও

মনত আছে—মই বিয়া কৰাবলৈ গৈ উজানবজাৰৰ ভাড়াঘৰত বাহৰ পাতি থাকোঁতে, তেখেতে মোক এপাহ সুগন্ধি গোলাপ ফুল উপহাৰ দি কৈছিল, "এই গোলাপ ফুল পাহৰ দৰেই যেন তোমাৰ ভৱিষ্যৎ জীৱন আমোল মোলাই থাকে।" আকৌ বিয়াৰ দিনা দৰা আগচি ৺তৰুণ ফুকনে সৈতে পিতাৰ পৰা কংগ্রেছলৈ ১০০ টকা দান আদায় কৰাত তেখেতো আছিল।

কামাখ্যাৰাম বৰুৱা মানুহজন যদিও উকিল আছিল, তথাপি খেতি পথাৰত বিশেষকৈ Horticulture-ত তেখেতৰ বৰ ৰাপ আছিল। ফল-মূল, গছ-গছনি, ফুল-লতা সংগ্ৰহ কৰাত অতিশয় সিদ্ধহস্ত আছিল। তেখেতৰ ঘৰলৈ গলেই তেখেতৰ সংগৃহীত আপুৰুগীয়া গছ-গছনিবোৰ দেখুৱাই বৰ আনন্দ পাইছিল। গোলাপ ফুল যে কতবিধৰ তেখেতে গোটাইছিল। সেইবোৰ আনৰ ঘৰত দেখিবলৈ পোৱা নগৈছিল। মোক এবাৰ নিজহাতে খালি Hinenthus Calbaria-ৰ আলু দিয়া মনত আছে। সেই ফুল এতিয়াও বছৰি বছৰি মোৰ ফুলনি বাৰীত মেই মাহত ফুলে। যেনিবা কিছুমান ৰঙা ফুটবলহে।

কামাখ্যাৰাম বৰুৱা মানুহজনৰ চাহ খেতিত কৰা কাম কোনে নাজানে ? তেখেতৰ বুদ্ধি পৰামৰ্শ আৰু পৰিশ্ৰমত গঢ়ি উঠা তিনিচুকীয়াৰ ওচৰৰ বাহাদুৰ টি কোম্পানী আৰু তিতাবৰৰ ওচৰৰ গোবিন্দপুৰ টি, কোং এইবোৰেই তাৰ প্ৰমাণ। বাহাদুৰ আৰু গোবিন্দপুৰ টি, কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ হৈ তেখেতে বহুতখিনি কৰি গৈছে। তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ। চাহ খেতিৰ বিষয়ে তেখেতে বহুত কিতাপ-পত্ৰ সংগ্ৰহ কৰি সেইবিলাক খৰচি মাৰি পঢ়িছিল।

কামাখ্যাৰাম বৰুৱা নগৈ গড়গাঁৱৰ বতৰা কোৱা বিধৰ মানুহ নাছিল। তেখেতে যি কোনো কথাকে পুংখানু-পুংখ ভাবে বিচাৰ কৰিহে তাৰ ওপৰত মতামত প্ৰচাৰ কৰিছিল।

চকু চৰহা মানুহে লোকৰ ভাল হোৱাটো দেখিব নোৱাৰে। কামাখ্যাৰাম বৰুৱাই কিন্তু বাহাদুৰ আৰু গোবিন্দপুৰ বাগিছাত গুৱাহাটীৰ বহুত ভদ্ৰ পৰিয়ালক গঢ় দিয়াত সহায় কৰি গল। তেখেত বৰ মিতব্যয়ী মানুহ আছিল। সেইবুলি খোৱা-পিন্ধাত তেখেতে গোটেই কিৰ্পিণালি নকৰিছিল। Simple living and high thinking এই মতবাদৰ তেখেত সমৰ্থক আছিল আৰু তাক অনুসৰণ কৰিছিল।

কামাখ্যাৰাম বৰুৱাই জীৱনৰ সৰহভাগ সময় ওকালতি ব্যৱসায়ত লিপ্ত থাকি আৰু চাহ বাগিছাৰ কামত আশাসুধীয়াকৈ খাটি, শেষৰ ফালে মণিপুৰত জজৰ

কাম কৰি সাংসাৰিক কামৰ পৰা অৱসৰ লয়। শেষ বয়সত বিশেষকৈ তেখেতে বহুত কিতাপ-পত্ৰ অধ্যয়ন কৰিছিল আৰু তেনে কৰি বৰ আনন্দ পাইছিল।

নাম যশস্যাৰ প্ৰতি তেখেতৰ হাবিয়াস নাছিল। নিজৰ যশস্যাৰ কাৰণে কোনো প্ৰকাৰ চেষ্টাও নকৰিছিল, কৰাহেঁতেন তেখেতৰ যশস্যা আৰু ব্যাপক হলহেঁতেন।

--:০:--

মামাক যিদৰে জানো

শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা
গুৱাহাটী

মোৰ ধাৰণামতে ৺কামাখ্যাৰাম বৰুৱা বহুগুণসম্পন্ন এগৰাকী সদাশয় পুৰুষ আছিল। এইজন মামাৰ বিষয়ে মোৰ মনত ইমানবোৰ স্মৃতি সঞ্চিত হৈ আছে যে সেই সকলোবোৰ এটা প্ৰৱন্ধত সামৰি লোৱাতো সম্ভৱ নহয়। সেই সকলোবোৰ বিতংভাৱে লিখিব লাগিলে এখন ডাঙৰ কিতাপেই হব। সেইকাৰণে ইযাতো মাথোন কেইটামান স্মৃতিহে উল্লেখ কৰিলো।

এইখিনিতে মনত পৰিছে মামাৰ আপোন সৰু মামাক ৺ধৰ্ম্মকিঙ্কৰ গোস্বামীয়ে ভাগিনিযেকৰ বিষযে কোৱা কথাখিনিলৈ—"বাপাছানা মানুহ নহয, বাপাছানা দেৱতা"—কৈছিল ডুকুৰি আঠবছৰৰ আগতে বৰপেটাত মোৰ মা ৺ভুবনেশ্বৰী দেবীক নানা কথাৰ প্ৰসঙ্গত। "বাপাছানা হল মামাক ঘৰত মতা নাম। মোৰ মাতৃ ৺ভুবনেশ্বৰী দেবী মামাৰ সৰু ভনীযেক। ৺অম্বিকা দেবী বৰ ভনীয়েক। জেঠাই আৰু মাক কামাখ্যাৰাম বৰুৱাদেৱে 'বৰমাই' আৰু 'সৰুমাই' বুলি মাতিছিল। দুয়ো মামাৰ বৰ মৰমৰ আছিল। মামাৰ এজন সৰুভাযেক আছিল—ব্যক্তনাম ভৈৰৱৰাম, ঘৰত মাতিছিল 'তামুলী' বুলি। ১৪ বছৰ ৮ মাহতে ক'লাজ্বৰ হৈ ঢুকাল। মামাৰ ওপৰত বাযেক এজনী জন্মি কি মৰে। মামাৰ দেউতাক ৺কালীৰাম বৰুৱা, মাক ৺হৰিপ্ৰিযা দেৱী। দেউতাক ১৯০৩ চনৰ ৬ জুনত আবেলি ৫ বজাত ৫৬ বছৰ ২ মাহ বয়সত আৰু মাক ১৯১৪ চনৰ ৯ চেপ্তেম্বৰৰ ৰাতি ডেৰ বজাত ৫৬ বছৰ ৮ দিন বযসত পৰলোক হয়।

এইখিনিতে দেখোন হঠাতে মনলৈ এটি বিষাদৰ ভাবো আহিল। লিখিব খুজিছো মামাৰ কথা। কিন্তু অন্তৰত দুখে খুন্দিযাইছে। তাকে কওঁ কবিৰ ভাষাৰে—

কত আশা ৰই গ'ল হিযাৰ মাজত,
কত কথা কবলই থাকিল মনত
থাকিল কতনো মোৰ কথা হেপাহৰ
থাকিল সকলো কথা তোমাৰ লগৰ।

কবিৰ কথাখিনি কি যে প্ৰাণত লগা তাক বুজাব নোৱাৰো। মোৰো তেনেকৈ মামাক কত কথাই সুধিবলৈ ৰ'ল। তথাপি বহুতো কথাই তেখেতক সুধিলো।

তেখেতে আমনি নাপায, বিৰক্তও নহয়। উত্তৰ দিয়ে। কয় লাহে লাহে। ভাবিচিন্তি কয়। কোনো কথাই বাদ নপৰে। ফাঁকি ফুকাটো নায়েই। এয়ে মামাৰ চৰিত্ৰৰ বিশেষত্ব। মামাৰ লিখাৰ ধৰণো সুন্দৰ। কিমানবাৰ যে মামাক কলো—মামা, আপুনি কথাবোৰ লিখিব লাগে। লিখাবোৰ আমাৰ কামত আহিব। উত্তৰত কেৱল মিচিকীয়া হাঁহিৰে কয—"ক'ত আৰু লেখিব পাৰিম। নানা কামত থাকোঁ। আজৰিও নেপাওঁ। তুমি ওচৰত থকাহেঁতেন তোমাক কৈ গলোহেঁতেন, তুমি লিখি ললাহেঁতেন। দেউতাৰ দৰে তুমিও টোকা লেখা। দেউতাৰ এই গুণটো তুমিযে কেৱল লোৱাত মই বৰ আনন্দ পাইছোঁ।" মই তেতিয়া মামাক কলোঁ—"এতিয়া আপুনি প্ৰায ঘৰতে থাকিব, আপুনি সময ঠিক কৰি দিলে মই প্ৰত্যেক ৰবিবাৰে আহিব পাৰো। আপুনি কব, মই লিখি লম।" কিন্তু দুখৰ বিষয়, সেইটো আৰু হৈ নুঠিল।

মামাক মই প্ৰথম দেখো ১৯১৫ চনত। মই তেতিয়া ৫ বছৰীয়া। দেউতা, মা আৰু মই নগাওঁ জিলাৰ নগাৱঁত। দেউতা ✓জগন্নাথ বুজৰবৰুৱা তেতিয়া নগাৱঁত ছব-ডেপুটি-কলেক্টৰ।

নগাৱঁত থকাকালত দেউতাৰ এবাৰ বৰ অসুখ হল—তেজগ্ৰহণী। ডাঃ দাসৰ ঔষধে কাম কৰা নাই। দেউতাই মামালৈ অসুখৰ কথা লিখাত মামাই ✓বৰদাচৰণ সেন কবিৰাজক লৈ নগাৱঁলৈ আহে। কবিৰাজ সেন আমাৰ ঘৰতে থাকে। দেউতাক তেখেতে চিকিৎসা কৰে। দেউতা লাহে লাহে ভালহৈ আহে।

মামাক এয়ে প্ৰথম দেখোঁ। অলপ অলপ ৰিণিকি ৰিণিকি মনত পৰে। মামাৰ চেহেৰাতো তেতিয়া এনেকুৱা—সুন্দৰ ৰঙচুৱা বগা, মুখখন ভৰা, চকুজুৰি উজ্জ্বল, ডাঢ়ি গোফ খুৰোৱা, নাকটো বৈ পৰা কিন্তু কুজা, মূৰটো ডাঙৰ, ওখ, শকটো নহয খীণো নহয়, বত্ৰিশ বছৰীয়া, চকুত লগা ডেকা, মুখৰ গঢ ধুনীয়া। তেতিয়াৰ মামাৰ চেহেৰা মোৰ এইদৰেই মনত পৰে।

১৯১৬ চনত দেউতা ছযগাৱঁলৈ বদলি হয়। নগাওঁৰ পৰা আহি গুৱাহাটীত ক'ত আছিলো ঠিক মনত নপৰে, কিন্তু মামাৰ ভৰলুমুখৰ পুৰণি ঘৰতে উঠিছিলো নিশ্চয়। মামাৰ এই পুৰণি ঘৰতে মোৰ বাল্যজীৱনৰ দ্বিতীয় স্তৰ গঠন আৰম্ভ হয়। প্ৰথম স্তৰ মা দেউতাৰ, যিটো সকলোৰে হয। মামাক আৰু ভালকৈ জনা হলো মোৰ আঠ বছৰ বয়সৰ পৰা।

১৯১৮ চনৰ জুলাইৰপৰা ডিছেম্বৰৰ শেষলৈকে মামাৰ ঘৰত মা আৰু মই আছোঁ। এ মাহমানৰ পাছত আমাৰ উজানবজাৰৰ ঘৰ খালি হোৱাত দেউতা অকলে নিজৰ ঘৰলৈ আহিল।

এইচোৱা কালত মামাক যিদৰে দেখিছিলোঁ আৰু জানিছিলোঁ তাকে এতিয়া উল্লেখ কৰিম।

মামা-মামীৰ প্ৰথম সন্তান—বুলি—জন্ম—৯।৩।১৩ চন, দ্বিতীয় অজিত—জন্ম—২১।৯।১৫, মৃত্যু—১০।৪।১৭, তৃতীয়—অপূৰ্ব্ব—জন্ম—১৯১৬ ডিচেম্বৰ, চতুৰ্থ—প্ৰবীৰ—জন্ম—৭।১১।১৮, ৫ম—প্ৰমীলা, জন্ম—২৩।৬।২০ , এই কেইজনৰ জন্ম এই বস্তিতে। বাকি কেইজনৰ বৰ্ত্তমান বস্তিত। তেওঁলোক হ'ল -৬ষ্ঠ উৰ্মিলা—জন্ম,-১৯২১ , ৭ম—নিৰ্ম্মলা—জন্ম—১৬।৭।২৩, ৮ম—অমলা—জন্ম—১৯২৬ , ৯ম—মৃতবৎসা—কন্যা—১৯২৯ লক্ষ্মীপূৰ্ণিমা।

নবীন ফুকনে মামাক “বাপাছানা” আৰু তৰুণ ফুকনে “মাষ্টৰ” বুলি মাতিছিল। দেউতাযো তেনেকৈ মাতিছিল। নবীন ফুকনে মামাক বৰ ভাল পাইছিল। অজিতৰ অকাল বিয়োগত মামা আৰু মামীৰ (৺মুক্তাবালা দেবী-৺হেমচন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা) শোক পাতলাবলৈ নবীন ফুকনে বেলিঙ্ক চাহাবক কৈ বশিষ্ঠাশ্ৰমত সন্ধ্যা-ললিতা কান্তা নিজৰাৰ কাষতে এটি সৰু টিনৰ জিৰণিঘৰ কৰাই দিয়ে। সেইকালত সেইঠাই অটব্য জংগলময়—বাঘ, হাতী, বিষাক্ত সাপ আৰু বান্দৰেৰে পৰিপূৰ্ণ। সেইযুগত তালৈ ঘোৰাগাড়ীৰে যাব পৰা গৈছিল। মটৰগাড়ী চলা নাই। নবীন ফুকনৰ কথামতে মামা আৰু মামী, বুলি আৰু কেচুৱা অপূৰ্ব্বক লগত লৈ ৺ধৰণীবাপু আৰু লগুৱা এটিৰে সৈতে বশিষ্ঠাশ্ৰমত নতুনকৈ সজা ঘৰটোত এমাহমান থাকেগৈ।

১৯১৮ চনতো মোৰ কাৰণে সামান্য সুখৰ আৰু অসামান্য দুখৰ। দুখৰ হ'ল মা'ৰ লাগি থকা ৰোগৰ কাৰণে। ৮ বছৰৰ আগতো মাৰ একে ৰোগকে হৈছিল মাৰ ৰোগৰ দুখৰ বিৱৰণটো মামাই মোক যিদৰে বৰ্ণনা দিছিল। সুখৰ হ'ল মামাৰ মৰম, মামাৰ সুন্দৰ শিক্ষা, মামাৰ পাৰিবাৰিক জীৱনৰ আৰ্হি। ১৯১৯ চনৰ জানুৱাৰীত উজানবজাৰৰ নিজা ঘৰলৈ অহাৰ আগলৈকে মামাৰ পুৰণি বস্তিৰ ঘৰত থকা কালছোৱাৰ বহুত কথাই মোৰ মনত পৰে।

মামাৰ পুৰণি বস্তিটোৰ বিৱৰণটো দিওঁ। উত্তৰে চৰকাৰী আলি, দক্ষিণে ৰেলৰ আলি, পূবে খালি মাটি, কিন্তু জংগলে ভৰা, পশ্চিমে নবীন ফুকনহঁতৰ মাটি—বিহুঢেকীয়া, ক'লা বগা কচু, চোৰাত আৰু বেতনিৰে পৰিপূৰ্ণ , নঙলাত এদাল বহুদিনীয়া বকুলগছ, কিছু পূবে আলিৰ কাষত মামাৰ ককাদেউতাক পৃথুৰাম বৰুৱাই নিজ হাতে ৰোৱা আমলখিজোপা—বয়স এতিয়া ১৫০ মান হব, আজি সাক্ষীৰূপে ইয়াৰ গুৰিছোৱা আছে কেবল, সমুখত আৰু পিচফালে নাৰিকল আৰু তামোল গছ কেইজোপামান। আজি তামোল গছবোৰ নাই, তিনিডাল নে

চাৰিডাল নাৰিকল গছহে থিয় হৈ আছে মাত্ৰ, তাৰে কেইডালমান মামাৰ দেউতাক ককাদেউতা কালিৰাম বৰুৱাই ৰোওৱা, বাৰীত নানাবিধ ফলগছ, এটা সৰু খাল, আলিৰ কাষেদি পশ্চিমফালে পুৰণি শিলিখা এজোপা—আজি আৰু এইবোৰ দেখিবলৈ নাই।

বস্তিত তাহানি এইকেইটি ঘৰ—বাট চ'ৰাৰ কাষতে এটা মজলীয়া চাৰিচলীয়া খেৰৰ ঘৰ—এইটো উকীলখানাও, বৈঠকখানাও। মাজৰ কোথাটো ডাঙৰ—তাতে দুটা আলমাৰিত মামাৰ আইনৰ কিতাপবোৰ, কাষতে মামাই লিখাপঢ়া কৰা ধুনীয়া আৰু মজবুট মেজ এখন—কিতাপ-পত্ৰ, দোৱাত-কলম থব পৰা খলপা থকা। এই মেজখনৰ বুৰঞ্জী আছে। এইখন হেমকোষৰচক হেমবৰুৱাৰ আছিল। এইখন মেজতেই হেমকোষৰো জন্ম। হেমবৰুৱাৰ পৰলোক হোৱাত তেখেতৰ মেজ আলমাৰি আদি নিলামত বেচাত ককাদেউতা কালিৰাম বৰুৱাই পাঁচ টকাত এই মেজখন কিনি ৰাখিছিল। এই কথাটো মামাই নানা পুৰণি কথা কওঁতে মোক এদিন কৈছিল।

আগচোতালত বৈঠক ঘৰতো। ভিতৰলৈ সোমোৱা বাটচ'ৰাৰ কাষতে এটা সৰু ঘৰ। দক্ষিণে ৰেলৰ আলিৰ কাষতে এটা দীঘল ঘৰ। এই ঘৰতে জীৱিত কাললৈকে মামাৰ দেউতাক, মাক আৰু দুই ভনীয়েক বিয়াৰ আগলৈকে আছিল।

বৈবাহিক সম্বন্ধত পিতৃমাতৃয়ে ভাল লৰা, ভাল ছোৱালী পাবলৈ চেষ্টা কৰাটো স্বাভাবিক। সেয়েহে হেমগোঁসাই আৰু তেখেতৰ ভাৰ্য্যা বামাসুন্দৰী দেৱীয়ে মামাক জোঁৱাই কৰি লবলৈ উঠি পৰি লাগিছিল। দেউতা আৰু লিখন মামায়ো যথেষ্ট সহায় কৰিছিল। মামী অতি ৰূপহী নহলেও গাৰ বৰণ সুন্দৰ বগা আছিল। নিয়মীয়া ওখ আৰু গঠন ধুনীয়া আছিল। নাক, চকু, ওঠ, দাঁত বেচ ভাল আছিল। মামী গহীন গম্ভীৰ প্ৰকৃতিৰ আৰু গৃহকৰ্ম্মত নিপুণা আছিল। ঘৰ চলোৱা, অতিথি সেৱা, নিজৰ লৰাছোৱালীক তদাৰক লোৱা আৰু শাসন কৰাত মামী বেচ পাৰ্গত আছিল।

আকৌ ১৮ চনলৈ ঘূৰি যাওঁ। মামা অতি ফুলপ্ৰিয় আছিল। সৰুকালৰে পৰা মামাৰ ঘৰৰ আগচোতালত এখন ফুলৰ বাগিছা থকা দেখিছিলোঁ। বাগিছাখনত নানা ধৰণৰ ফুল, যেনে—নাৰ্জি—বগা, ৰঙা, হালধীয়া, গোলাপ, নানাজাতৰ জবা, বগা আৰু হালধীয়া কৰবী, ডাঙৰ তগৰ, বগা আৰু গোলাপী কাঞ্চন, নীলা আৰু বগা অপৰাজিতা, যুতি, শেৱালী, বকুল, স্থলপদ্ম, হাচনাহানা, নানা বৰণীয়া গধূলিগোপাল, ৰজনীগন্ধা, নবমল্লিকা, সূৰ্য্যমুখী, খৰিকা-জাঁই, কনকচম্পা, মধুমালতী,

মাধবীলতা আৰু সেই সময়ৰ নানা ধুনীয়া বিলাতী ফুল জাতিস্কাৰ হৈ আছিল। ফুলনিখনৰ মামাই নিজে বৰ যত্ন লৈছিল।

মামাই পাৰ, ৰাজহাঁহ, মইনা, ভাটৌ, গলমণিকা, টিয়া, কপৌ, কাইম, ৰজা-ভাটৌ পুহি বৰ ভাল পাইছিল, আৰু নিজে বৰ যত্ন লৈছিল। কুকুৰ মেকুৰীও মামাই পুহিছিল। মোৰ বেচ মনত পৰে পুৰণি বস্তিত মামাৰ এটা বৰ ডাঙৰ, শকট, বগা, ধুনীযা, বিলাতী কুকুৰ আছিল। মামাই হাতীও পুহিছিল। গৰুৰতো কথাই নাই। ফুকনমামা (তৰুণ ফুকন) আৰু মামাৰ ঘৰতে সৰুতে হাতী দেখিছিলো। মামা চিকাৰীও আছিল।

মই সৰুকালৰেপৰা মামাৰপৰা এটা ডাঙৰ কথা শিকিছিলো। মই কেলেই, আমি আটাইকেইজনৰে আৰু মাৰো এই গুণটো আছিল। এই ডাঙৰ কথাটো হ'ল—মিছা কথা নোকোৱা। মিছা কথা কলে মামাৰ যে কি খং উঠিছিল। খং উঠাই নহয়, মামাই বেতেৰে মাৰিছিলো। মিছা কথা কোৱা বাবে আৰু কোনে কোনে মোৰ দৰে মাৰ খাইছিল, তাৰ তালিকা দিবলৈ মন নাই।

১৯৩৮ চনৰ এটা কথা মনত পৰে। মামা বাইচাইকেলেৰে কছাৰীলৈ গৈছে। মামী আৰু মা দুপৰীয়া শুইছে। বুলি আৰু মই মাজৰ বৈঠকখানাটোত খেলি আছোঁ। সেই কোঠাটোই মামাৰ উকিলখানা। লুকাভাকু খেলোতে মাজৰ চকিবিলাক চেদেলিভেদেলি হৈ ৰ'ল। এনেতে আবেলি হ'ল। ফুলনিত আঘোনা নামৰ এজন আদহীয়া ঘৰৰ কামকৰা মানুহে কোৰ মাৰি আছে। কছাৰীৰপৰা মামাও ইতিমধ্যে আহি পালে। চাইকেলষ্টেণ্ডত বাইচাইকেলখন থৈ মামাই আমাক দুয়োকো খং কৰি সুধিলে—"চকিবোৰ এনেকৈ কোনে থলে?" বুলি ভয়তে ভিতৰলৈ পলাল। মই ভোদাই পলাব নোৱাৰিলো। এনেতে আঘোনাই ওচৰলৈ আহি কলে—"দেউতা, চকিগিলা বাপাই এনেকে থৈছে। মাইটোই থওৱা নাই।" লাগিল লেঠা। মামাৰ আৰু খং উঠিল। "কিয় মিছা কথা কৈছা? কিয় মিছা কথা কৈছা?" বুলি কৈ মামাই মোক হাতত ধৰি ভিতৰলৈ লৈ গ'ল।

মামা শক্তি—দুৰ্গাগোসাঁনীৰ ভক্ত। তেখেতে পূজা পাতল মানিছিল, সন্ধ্যা কৰিছিল। গীতা আৰু চণ্ডীত মামাৰ অতি আস্থা আছিল। মামাই ৰামায়ণখনক বৰ উচ্চ স্থান দিছিল। মহাভাৰতৰ যুগৰপৰাই ভাৰতৰ নৈতিক অবনতি আৰম্ভ হোৱা বুলি প্ৰসঙ্গ অনুযায়ী প্ৰায়ে তেখেতে ব্যক্ত কৰিছিল। বাইবেল কোৰাণ আৰু নানা ধৰ্মগ্ৰন্থাদি তেখেতে অতি মনযোগেৰে অধ্যয়ন কৰিছিল আৰু অইনৰ লগত এইবিলাকৰ নানা আলোচনা কৰি বৰ ভাল পাইছিল। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংস, শ্ৰীশ্ৰীচৈতন্যদেৱ, শ্ৰীশ্ৰীশঙ্কৰদেৱ, স্বামী বিবেকানন্দ, স্বামী শিৱানন্দ, স্বামী ৰামদাস,

দয়ানন্দ সৰস্বতী, তুলসীদাস, ত্ৰৈলঙ্গস্বামী আৰু বুদ্ধদেৱ, যিশুখৃষ্ট, হজৰত মহম্মদ—এইসকলৰ আদৰ্শ, বাণী, আৰু জীৱনদৰ্শন মামাই অতি মনোগ্ৰাহীকৈ আলোচনা কৰিব পাৰিছিল। মামাৰ এনে আলোচনাবিলাক শুনি বৰ ভাল লাগিছিল।

সৰুৰেপৰা দেখিছোঁ, মামাই বহুতো দুখীয়া লৰাক, আত্মীয়স্বজন, বন্ধু-বান্ধৱৰ লৰাক নিজৰ ঘৰতে ৰাখি সকলো সা-সুবিধা দি স্কুল-কলেজত পঢ়াইছিল। তেওঁলোকৰ বহুতে আজি জীৱনত প্ৰতিষ্ঠা লাভ কৰিছে।

মামাৰ বনৌষধিৰ জ্ঞান দেখিলে আচৰিত হব লাগে। ১৯১৮ চনৰে কথা। মামাৰ ঘৰতে আছো। এদিন পুৱা চাৰে ন মান বজাত সোণাৰাম স্কুললৈ যাব ওলাইছোঁ। মামাই বৈঠকখানাৰ পৰা দেখি মোক ওচৰলৈ মাতি আনি কলে—"পুৱাৰপৰা তোমাৰ চকুদুটা ৰঙা পৰিছে। তোমাৰ চকু নামিছে। তুমি আজি স্কুললৈ যাব নালাগে। ৰ'বা, তোমাৰ চকুত মই এটা ঔষধ দিওঁ।" এইবুলি কৈ ফুলনিবাৰীত সোমাই ঘূৰিপকি চাই এবিধ বনৰ পাত চিঙি আনি মোহাৰি তাৰ ৰস এটোপাকৈ মোৰ চকুত দিলে। বনৰ পাতৰ ৰসটোৱে ফৰফৰকৈ চকুত অলপ ধৰে। এইদৰে দুইতিনদিন মোৰ চকুত সেই ৰস দি মামাই চকু ৰঙা পৰাতো একেবাৰে ভাল কৰিলে।

বনৌষধি সম্পৰ্কে নানা কিতাপ আনি মামাই পঢ়িছিল। টিহুৰ বিখ্যাত ৺ললিত ওজা, পলাশবাৰী থানৰ ৺পিয়াল ওজা, আঠঘৰীয়াৰ ৺সৃষ্টিযা ওজা, কুলবিলৰ প্ৰখ্যাত কবিৰাজ ৺পদ্মচন্দ্ৰ গোস্বামী, এলেঙিদলৰ কবিৰাজ ৺বৈকুণ্ঠ চৌধুৰী, গুৱাহাটীৰ কবিৰাজ ৺বৰদাচৰণ সেন, ৺কৃষ্ণকান্ত অধিকাৰী, ৺তাৰানাথ চক্ৰবৰ্ত্তী, আৰু কোনো এইবিষয়ে জনা লোকৰপৰা নতুন কিবা বনৌষধিৰ নাম আৰু গুনাগুণ জানিলে মামাই পৰিপাটিকৈ টোকাবহীত লিখি ৰাখিছিল। এনেধৰণৰ টোকাবহীবোৰ মামাৰ লৰা অপূৰ্ব্ব কি প্ৰবীৰৰ লগত এতিয়াও আছে। মঙ্গলদৈৰ কোন এজন ওজাৰপৰা বাঘে কামুৰিলে কি বনৌষধি দিলে কামোৰা ঘাবোৰ নপচি ভাল হয় তাকো মামাই লিখি থৈছিল। ইয়াৰ বাহিৰেও ৰক্তামাশায়, বেছু, পকতীয়া, পগলা শিয়াল কুকুৰে কামোৰা, সাপে কামোৰা, ধবলকুষ্ঠ, জুয়ে পোৰা, নাৰেঙা, নগা ঘা—এইবিলাকৰো টোকা মামাই লিখি থৈছিল।

মামা কানিকাপোৰ পিন্ধাত মুঠেই চৌখিন নাছিল। ডেকাকালত বগা পোচাকহে পিন্ধিছিল। কছাৰীলৈ যোৱাৰ বাহিৰে মামাই কোনোসময়তে কোট পেণ্ট আৰু টুপী নিপিন্ধিছিল। সভাসমিতি উৎসৱাদিলৈ গলে মামাই খনীয়া কাপোৰ লৈ গৈছিল। মামাই সেই কালত ওলোৱা কলাৰঙৰ চতিজোতা ঘৰত

ব্যৱহাৰ কৰিছিল। কছাৰীলৈ যাওঁতে ক'লা চু আৰু অলৈ তলৈ গলে ক'লা আৰু চ'কলেট ৰঙৰ পামচু পিন্ধিছিল। ভাটিবয়সত মামাই মাজে মাজে বাদামী আৰু গেৰুৱা বৰণৰ খদ্দৰৰ পাঞ্জাবী পিন্ধিছিল।

১৯০৭-১৯১০। এইচোৱাৰ মাজতে মামাই শিক্ষকতা কৰে। মামা প্ৰথমতে শিৱসাগৰ, তাৰ পাচত গুৱাহাটীৰ হাইস্কুলত মাষ্টৰ কামত নিযুক্ত হয়। শিৱসাগৰ স্কুলত মাষ্টৰী কৰোঁতে মামাৰ বয়স ২৬। সেইসময়ত মামাৰ লগৰ অইন শিক্ষক-সকল হ'ল—পণ্ডিত গৌৰিদত্ত মিশ্ৰ, ৰাধিকা নাথ শৰ্ম্মা, জগন্নাথ দত্ত, ৰামকুমাৰ বৰুৱা, মোহনচন্দ্ৰ বৰুৱা, ডিলমহম্মদ হাজৰিকা, কালিৰাম দাস, কালিনাথ হাজৰিকা, মৌলবী জামালুদ্দিন আহমদ আৰু গগনচন্দ্ৰ বৰুৱা।

মামাৰ ছাত্ৰসকলৰ ভিতৰত উল্লেখযোগ্য কেইগৰাকীমান আছিল—বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মা, যাদবপ্ৰসাদ চলিহা, হেৰম্ব বৰুৱা ইত্যাদি। সপ্তম আৰু অষ্টমমান শ্ৰেণীত মামাই ইংৰাজী আৰু অঙ্ক পঢ়ুৱাইছিল। মামাই লৰাবিলাকক পঢ়া নোৰাৰিলেও নামাৰিছিল। মৰম কৰি পুনৰ বুজাই দিছিল। মামাই নৈতিক চৰিত্ৰৰ ওপৰত বৰ জোৰ দিছিল।

১৯১২ চনৰ ১৮ জানুৱাৰীৰপৰা মামাই ওকালতি আৰম্ভ কৰে। সেইকালত গুৱাহাটীত পুৰণি চামৰ সত্যনাথ বৰা, উপেন্দ্ৰনাথ সেন আৰু ডেকাচামৰ ভিতৰত মামা দেৱানিৰ প্ৰখ্যাত উকীল আছিল। মামা "চিভিল ল"ত অতি ভাল আছিল, কম কথাৰে লাহে লাহে তৰ্ক কৰিছিল, আৰ্জ্জি লিখাৰ প্ৰণালী অতুলনীয় আৰু অনুকৰণীয় আছিল, অযথা জেৰা নকৰিছিল, ফাকি প্ৰৱঞ্চনা থকা মোকৰ্দ্দমা নলৈছিল, দৰিদ্ৰ লোকৰপৰা ফিজ নলৈছিল। যি কোনো এটা কেচ ললে আন্তৰিকতাৰে তাক সম্পূৰ্ণ কৈ সম্পাদন কৰিছিল।

মামাই আলাপ আদি কৰি ভাল পাইছিল। কথা কব জনাটোও এটা "আৰ্ট"। মামাই কথাবোৰ বৰ সুন্দৰকৈ কৈ যায়। শুনি আমনি নালাগে। কথা কলেও মামাই পৰাপক্ষত নিজৰ কথা নকৈছিল, পৰচৰ্চ্চা নকৰিছিল, অতিৰঞ্জন সমূলি নাছিল, আৰু অযুক্তিকৰ কথা নকৈছিল।

মামা সৰ্ব্বজনপ্ৰিয় আছিল। মামাৰ তালৈ প্ৰায়ে মানুহ আহে। সাধু-সন্ন্যাসীযেও মামাক বৰ ভাল পাইছিল। পুৱাগধুলি মামাক দেখা কৰিবলৈ অহা লোকৰ লানি নিছিগিছিল। মামাৰ বাসভৱন তীৰ্থক্ষেত্ৰ হৈ পৰিছিল। আনকি পণ্ডিত মদনমোহন মালবীয়, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়, কবি ৰবীন্দ্ৰনাথ ঠাকুৰ, মাধৱ সদাশিৱ গোলৱল্‌কাৰ (গুৰুজী) পণ্ডিত সুন্দৰলাল প্ৰভৃতিয়ে মামাক বৰ শ্ৰদ্ধা কৰিছিল আৰু বৰ ভাল পাইছিল।

মামাই ৰাধানাথ ফুকন, শিৱনাথ বুজৰবৰুৱা, দুৰ্গেশ্বৰ শৰ্ম্মা, লক্ষ্মীনাৰায়ণ চেটাৰ্জ্জী প্ৰভৃতি পণ্ডিত লোকসকলক বৰ ভাল পাইছিল।

মামাই লগুৱা-লিগিৰী, ৰান্ধনী-মালী, এইবিলাকক বৰ মৰম কৰিছিল। কিন্তু মিছা কথা কলে বা কামৰ ফাঁকি দিলে বৰ খঙ কৰিছিল। মামাৰ ঘৰত লগুৱা ৰান্ধনীযে বৰ ভাল ব্যৱহাৰ পায় কাৰণেই বহুবছৰ ধৰি নিজৰ ঘৰত থকাৰ দৰে থাকিছিল।

মামাৰ সহিষ্ণুতা, সহনশীলতা, ধৈৰ্য্যশক্তি অসীম আছিল। মামাৰ প্ৰথম পুত্ৰ অজিতৰ অকাল বিয়োগত মামাৰ অসীম ধৈৰ্য্যশক্তিৰ পৰিচয় পোৱা গৈছিল। মামী-দেউৰ মৃত্যুৰ সময়তো দেখিছো—মামাৰ কি অপূৰ্ব্ব ধৈৰ্য্যশক্তি। নাই চকুলো, নাই বিষাদৰ ভাৱ, নাই অস্থিৰতা, নাই উদ্বিগ্নতা। স্থিতপ্ৰজ্ঞ হব লাগে—কবলৈ সহজ, হবলৈ টান। কিন্তু মামাক দেখিছো—সঁচাকৈযে স্থিতপ্ৰজ্ঞ। মৃত কন্যাসন্তান প্ৰসৱ হোৱাৰ পিচতে মামী আৰু নাবাচিল। ডাঃ দাস (জ্যোতিষ দাস) বাহিৰলৈ আহি কান্দি কান্দি মামাক কবলৈ ধৰিলে—"বৰুৱা, বৰুৱাণীক বচাব নোৱাৰিলো।

মামাৰ লিখাবোৰ বৰ সুন্দৰ—কিন্তু বৰ কম লিখিছিল। মামাই "নতুন অসমীয়াত" তৰুণৰাম ফুকনৰ বিষযে বৰ সুন্দৰ লিখিছিল। 'বৰদৈচিলাত' "ভদ্ৰতা" আৰু এনেধৰণৰ প্ৰবন্ধ কেইবাটাও লিখিছিল। "ভদ্ৰতা" প্ৰবন্ধটো হাইস্কুলৰ তলৰ শ্ৰেণীৰ অসমীযা পাঠ্যপুথিত ঠাই পাইছিল। ১৯৩২।৩৩ চনৰ কথা। কটন কলেজত তেতিয়া মই বি, এ পঢ়ো। ৰবিবাৰৰ "ষ্টেটছমেন" কাকত এখনত "গঙ্গাৰ পানীৰ উপকাৰিতা" সম্পৰ্কে প্ৰবন্ধ এটা পঢ়ি বৰ ভাল পাইছিলো। প্ৰবন্ধটোত গঙ্গাৰ পানীৰ উপকাৰিতা সম্পৰ্কে বহুতো জানিবলগীয়া কথা আছিল। প্ৰবন্ধটো অসমীযালৈ অনুবাদ কৰিলোঁ। 'দেউতাই কলে—"মামাৰক দেখুৱাবি।" গলো পুৱা মামাৰ তালৈ। উকীলখানা মক্কেল ভৰা। মামা বৰ ব্যস্ত। "জিতেন, কিয আহিলা?" বুলি মামাই মোক সোধাত "মামা, মোৰ এই লিখাখিনি চাই দিব লাগে" বুলি কলো। "ৰাৰু দিয়া"—এইবুলি ইমান কামৰ ভিতৰতে মামাই মোৰ প্ৰবন্ধটো চাই দুই এঠাইত সুধৰাই দি ভাল হোৱা বুলি কৈ মোক বৰ উৎসাহ দিলে। প্ৰবন্ধটো "আৱাহনত" "পবিত্ৰসলিলা গঙ্গা" নামে ওলাল। আলোচনীত এয়ে মোৰ প্ৰথম প্ৰবন্ধ। মামাৰ উৎসাহ নোপোৱাহেতেন মোৰ মুঠেই প্ৰবন্ধ লিখাৰ অভ্যাস নহলহেতেন।

১৯৪৬ চনত কলিকতাৰ দুটা কোম্পানীত মোৰ দহ হেজাৰ টকা গ'ল। কি সূত্ৰে অংশ লোৱা হল সেই বোৰ আৰু বিৱৰি কি ক'ম। দৈবজ্ঞৰ কথাত মুৰ্খৰ দৰে সহজে পতিযন যোৱা, ততালিকে বিশ্বাস কৰা, অৰ্থলোভী আৰু বিবেচনাহীন

হলে এনেকুৱা দশাই হয়। এই সম্পৰ্কত মামাই কলিকতাৰপৰা লিখিছিল— "তোমাৰ টকা যাবলগীয়া আছিল, গ'ল। ভৱিষ্যতলৈ সাৱধান হ'বলৈ শিক্ষা হ'ব লাগে। কিন্তু যি হৈ গ'ল তাৰ বাবে দুখ কৰি শৰীৰ আৰু মনৰ অনিষ্ট কৰাটো টকা বা সম্পত্তি হেৰুওৱাতকৈও বেচি অনিষ্টকৰ। ধনসম্পত্তিৰ প্ৰয়োজন নিজৰ আৰু আপোন মানুহৰ কষ্ট নিবাৰণৰ আৰু সুখবৃদ্ধিৰ কাৰণে। কিন্তু ধনসম্পত্তিতকৈও মনৰ বল, স্বাস্থ্য, প্ৰফুল্লচিত্ততা বেচি মূল্যবান। কাৰণ ধনসম্পত্তিৰ অতি আসক্তিয়ে মানুহক কষ্টহে দিয়ে। কিন্তু মনৰ আৰু শৰীৰৰ স্বাস্থ্যই কেতিয়াও কষ্ট নিদিয়ে। তুমি মনৰ উন্নতিৰ বাবে যত্নশীল হোৱা। মনৰ উন্নতি আৰু আধ্যাত্মিক উন্নতি লাভৰ বাবে মানুহ সংসাৰ ত্যাগী হৈ অৰণ্যত বাস কৰে। Try to be brave and self-reliant and to have confidence on God's mercy"

যেতিয়াই উক্ত ধনহানি-স্মৃতিয়ে মোক তীব্ৰ কষ্ট দিয়ে তেতিয়াই মই মামাৰ চিঠিখনৰ লিখা কথাবোৰ পুনৰ ভাবি মোৰ ভুলৰ যন্ত্ৰণা পাহৰিবলৈ যত্ন কৰোঁ।

মামাই সঙ্গীত ভাল পাইছিল। ডেকাকালত হাৰমনিয়ম বজাই ৰবিঠাকুৰৰ গীত গাইছিল। মই অৱশ্যে সৰুৰেপৰা মামাই গান গোৱা শুনা নাছিলো। মামাই প্ৰথমা কন্যা বুলিক গান শিকাবৰ নিমিত্তে হাৰমনিয়ম এটা কিনি মাছখোৱাৰ সুন্দৰ গায়ক মিঞাক ৰাখি দিছিল।

অস্তুত কওঁ, মামাক যিমানেই ভাবো, সিমানেই মামাৰ কথাবোৰ মোৰ মনত পৰে। তেনে কথাৰ লানি এৰা নিদিয়ে। অন্তৰে ভালপোৱাজনক স্মৃতিয়েও নেৰে। মামা গ'ল। মামাতো আৰু নাহে। এনে মামা আৰু ক'ত পাম। যদিহে পৰজন্ম আছে মামাকেই যেন জনমে জনমে মামাৰূপে পাই থাকো ইয়াকে কামনা কৰি ইমানতে সামৰণি মাৰিলোঁ।

দেউতাৰ আচাৰ-ব্যৱহাৰ আৰু অভ্যাসৰ কেইটামান দিশ

শ্ৰীনিৰ্ম্মলা দেৱী

দেউতা ৺কামাখ্যাৰাম বৰুৱা যে এজন সদাচাৰসম্পন্ন আৰু মাৰ্জ্জিত ব্যক্তি আছিল এই কথা তেখেত জীয়াই থকা কালত আৰু মৃত্যুৰ পাছতো ইষ্ট কুটুম্ব বন্ধুবান্ধৱ আনকি অলপ দিনৰ কাৰণে লগ পোৱা সকলো মানুহেই কৈছিল। আজিও দেউতাৰ নামেৰে আমাক কোনোবাই যদি তেখেতৰ পুৰণি বন্ধুৰ আগত চিনাই দিয়ে তৎক্ষণাৎ সেইজনে দেউতাৰ ওপৰত কোৱা সজগুণৰ কথা কয়। এদিন মোক অসম হাইকোৰ্টৰ তেতিয়াৰ মুখ্য ন্যায়াধীশ চি, এচ, নাইডুৰ আগত কামাখ্যাৰাম বৰুৱাৰ জীয়ৰী বুলি চিনাকি কৰি দিওঁতে নাইডু ডাঙৰীয়াই প্ৰথম কথা কৈছিল 'he was a perfect gentleman' "মই তেখেতক বৰ ককাইৰ নিচিনাকৈ শ্ৰদ্ধা কৰিছিলো।" সকলো মানুহকে মুগ্ধ কৰিব পৰা দেউতাৰ এটা ক্ষমতা আছিল। চৰিত্ৰবলৰ পৰাই এই ক্ষমতা পাইছিল, যদিও তাৰ লগতে তেখেতৰ আচৰণ, আচাৰ, ব্যৱহাৰত থকা সুৰুচি আৰু শোভনতাও ইযাৰ কাৰণ আছিল। দেউতাই সদায় কৈছিল যে মাটি-পানী লোৱা, গা ধোৱা পূজা-সন্ধ্যা আদি কৰা এইবোৰ সদাচাৰ হয়, পাছে এইবোৰ কৰিলেই সদাচাৰী মানুহ বুলি কব নোৱাৰি। খোৱা বোৱা, কথাবতৰা কোৱা, চলন ফুৰণ, পিন্ধন উৰণ, ব্যৱহাৰ পাতি এনে হব লাগে যেন সেইবোৰে কাৰো মনত অসন্তোষ নজন্মায় আৰু নিজৰো শোভা নষ্ট নকৰে। ভাত খাওঁতে যদি কোনোবাই লেতেৰাকৈ কেউপিনে সিঁচি, মোকোৰা মোকোৰে খায় তেনেহলে ওচৰত বহাজনৰো ঘিণ লাগিব পাৰে আৰু খোৱা মানুহজনকো বেযা দেখা যাব। সেইদৰে মুখ মেলি হামিওৱা, হাত বা ৰুমাল নিদিযাকৈ হাঁচিওৱা এনে ধৰণৰ কাজে আনৰ অপকাৰ কৰিব পাৰে আৰু তেনে কৰা মানুহজনকো দেখিবলৈ ভাল নেদেখি। সেইকাৰণে দেউতাই এই সৰুসুৰা কথা বিলাকলৈ চকু দিবলৈ আমাক শিকাইছিল আৰু নিজেও সকলো কামতে এইদৰে চলিছিল। লৰাছোৱালীবিলাককো এই বিষয়ে শিক্ষা দিবলৈ সকলোকে উপদেশ দিছিল।

দেউতাই সাধাৰণতে কথা বতৰা কওঁতে ডাঙৰকৈ চিঞৰি চিঞৰি নকৈছিল। কথা কওঁতে হাতেৰে অঙ্গি ভঙ্গি বা ঠাৰ চিঞৰ নিদিছিল। আনৰ ঘৰতো কথা-বতৰা পাতোতে দেখিছিলো, ছাতিটোৰ মুৰত হাত থৈ ধীৰে ধীৰে কথা কৈছিল। সভা-সমিতিত বক্তৃতা দিওঁতে হাত নোজোকাৰিছিল। কথা কওঁতে

উচ্চাৰণবিলাক যাতে স্পষ্ট হয় সেইটো লক্ষ্য কৰিছিল আৰু ভুল উচ্চাৰণ কৰিলে আমাকো ততালিকে শুধৰাই দিছিল। তেখেতে ইংৰাজী আৰু বঙালী ভাষাৰ উচ্চাৰণ সদায় শুদ্ধকৈ কৰিছিল আৰু দাদাহঁতকো সদায় ইংৰাজী অভিধান এখন কাষত ৰাখিবলৈ কৈছিল। কেতিয়াবা দূৰৈৰ পৰা চিঠি লিখোঁতেও এই কথাটোলৈ মনত পেলাই দিছিল। দেউতাই কেতিয়াবা একেবয়সীয়া বন্ধুৰ লগত তৰ্ক কৰা শুনিছিলো। কিন্তু তেখেতক কেতিয়াও উত্তেজিত হোৱা দেখা নাছিলো। ইপিনে আকৌ নিজৰ কথাখিনিও ডাঠি কৈছিল।

তেখেতে খোজ কাঢ়োঁতেও খোজটো খুব লাহেকৈ পেলাইছিল। কেতিয়াও শব্দ হোৱাকৈ খোজ নাকাঢিছিল। ৰাতি কেতিয়াবা উঠিলে ওচৰত শোৱা মানুহৰ কোনেও যেন সাৰ নাপায় সেইদৰে শব্দ নোহোৱাকৈ উঠিছিল আৰু দুৱাৰ মেলিছিল। খোজ কাঢ়োঁতে ভৰিখন চোচোৰাই গলে বৰ বেয়া পাইছিল। এই বিষযে আমাৰ আগৰ দিনৰ নিয়মবিলাক ভাল বুলি কৈছিল। খোজ কাঢ়োঁতে দুম দুম শব্দ হোৱাটো আগৰ কালৰ মানুহে বেয়া বুলিছিল সেইটো বোলে অলক্ষীৰ চিন। দেউতাযো আমাৰ খোজত তেনে শব্দ উঠা শুনিলে খং কৰিছিল। এদিনাখনৰ কথা মনত এতিয়াও পৰে, দেউতাই ৰাতিপুৱা জলপানি খাই আছিল, তেখেতে জলপান খাবৰ সময়ত আমাৰ বাইভনী যেই সেই এজনী খোৱাৰ ওচৰত থাকিব লাগিছিল, দেউতাযো খাবলৈ দি অকলে এৰি থৈ যোৱাটো ভাল নাপাইছিল। সেইদিনা মই আছিলো, দেউতাৰ আগেৰে খোজকাঢি যাওঁতে মোৰ ভৰিখন দুৱাৰ দলিত পৰিল। তেখেতে মোক খোজ কাঢ়োঁতে দুৱাৰ দলিত ভৰি দি পাৰ হব নাপায় বুলি শিকালে, পিছৰ বাৰ হঠাতে মোৰ ভৰিখন আকৌ দুৱাৰ দলিৰ ওপৰত পৰিল। সেইবাৰ দেউতাই মোক খুব খং কৰিলে। সেই-দিনাৰ পৰা মযো খোজকঢাত সতৰ্ক হবলৈ যত্ন কৰিলো আৰু আজিলৈকে দুৱাৰ দলিত ভৰি নিদিয়াকৈ চলিছো।

তেখেতে হাতত লাখুটি নলৈছিল। কিন্তু দিনত ফুৰিবলৈ ওলাই গলে হাতত ছাতি লৈ গৈছিল। ৰ'দতো নিজে ছাতি ব্যৱহাৰ কৰিছিল আৰু আনকো ছাতি ব্যৱহাৰ কৰিবলৈ কৈছিল। এদিন উত্তৰ গুৱাহাটীৰ ঘোৱাজানৰ ওচৰত থকা আমাৰ ফলৰ বাগিছালৈ দেউতাই সৰু বৌ আৰু মোক লৈ নাৱেৰে গৈছিল। সেইদিনা ৰ'দ আছিল দেখি দেউতাই আমাক ছাতি লবলৈ ক'লে, পিছে ছাতি আন কোনোবাই নিয়াত তেতিয়া নিবলৈ বিচাৰি নেপালো। দেউতাই ততালিকে তাৰ সলনি দুটা জাপি অনাই আমাক লবলৈ দিলে। জাপি লোৱাৰ অভ্যাস নথকাত আমাৰ দুয়োৰো অৱস্থা শোচনীয় হৈছিল আৰু নাৱত জাপি দুটা লৈ

যাওঁতে পাৰৰ মানুহবোৰে দেখাত ছুয়ো অস্বস্তি বোধ কৰি ইঞ্জনীয়ে সিজনীৰ মুখলৈ চাই হাঁহি সামৰিব পৰা নাছিলো।

পিন্ধন উৰণতো তেখেতৰ পৰিপাটিতা আছিল। সদায় খদ্দৰৰ ধুতি আৰু খদ্দৰৰ পাঞ্জাবী পিন্ধিছিল। জাৰকালি গৰম পাঞ্জাবী, এড়ি চাদৰ বা গৰম আলোৱান লৈছিল, এনেযে আগৰদিনীয়া মানুহৰ দৰে সদায় চাদৰ নলৈছিল। ফুৰি চাকি আহি কাপোৰকানি পেলাই নথৈ জাপি-কুচি ডাঁৰত সজাই থৈছিল। এইবোৰ কামত চাকৰলৈ বৈ নাথাকিছিল। তেখেতৰ গামোচা অইনে ব্যৱহাৰ কৰিলে আৰু শোৱা বিছনাত অইন মানুহ বহিলে বৰ বেযা পাইছিল। নিজেও কেতিয়াও অইন মানুহৰ বিছনাত নবহিছিল। দেউতাই মূৰ আচোৰা ফণিখন মূৰ আচুৰি ফটা কাপোৰ এখনেৰে মচি থৈছিল। বটলৰপৰা তেল মূৰত ঘহোঁতে বটলৰ গাৰে বাগৰি যোৱা তেলখিনিৰে টেবুলখন নষ্ট হয বুলি বটলটো হাতেৰে বাৰে বাৰে মচি টেবুলত থৈছিল।

পৰাপক্ষত নিজৰ কামখিনি দেউতাই নিজে কৰি লবলৈ যত্ন কৰিছিল। পিচলৈ অৱশ্যে এই নিযম ৰক্ষা কৰিব নোৱাৰিছিল। তেখেতে নিজৰ দৈনিক লাগতিয়াল বস্তুখিনি নিজে পোৱাকৈ থৈছিল। এটা বাকচত বেজি, সূতা, বোতাম, জুইশলা, মম, টৰ্চ্, কবিৰাজী দৰব, কিস্তি আদি বস্তু ৰাখিছিল। হোমিওপ্যাথিক দৰবৰ বাকচো সদায লগত ৰাখিছিল। ডাক্তৰী দৰব পৰাপক্ষত নেখাইছিল, বেছি অসুখ হলেহে ব্যৱহাৰ কৰিছিল। কাঠৰ সৰু বাকচ এটাত হাতুৰি, গজাল, ৰচি আৰু নানা তৰহৰ লাগতিযাল বস্তু ৰাখিছিল। বটল একোটাত বেলেগে খেজুৰ, কিচমিচ, কাজু, মিছিৰি আৰু বাতচা ৰাখিছিল। কোনোবা লৰাছোৱালী ওচৰলৈ গলে তাৰ পৰা উলিযাই লৰাছোৱালীৰ হাতত দিছিল।

দেউতাই পৰাখিনিপক্ষত পুৰণি নিযম মানি চলিবলৈ যত্ন কৰিছিল। যদি কোনোবাই এই নিযমৰ ব্যতিক্ৰম কৰে কাকো সমালোচনা নকৰিছিল আৰু ভাল প্ৰথা আধুনিক হলেও লবলৈ বেয়া নেপাইছিল। তেখেতে পীৰাত বহি ভাত খাই ভাল পাইছিল আৰু ঘটিত পানী লৈ মুখ ধোৱা চৰিযা ব্যৱহাৰ কৰিছিল। আমাৰ ঘৰত টেবুলত খোৱা নিযম বহুত পাছতহে সোমাইছে। দেউতাই সেই টেবুলত খোৱা কেতিযাও দেখা নাই। দেউতাৰ মত আছিল যে বাহিৰত কিবা অনিযম হলেও ঘৰখনত অনিয়ম সোমাব নালাগে। তেখেতে ভাত খাওঁতে খুব চাফাচিকুণকৈ খাইছিল। ভাত সানোতে আঙুলিৰ আগেৰে সানিছিল, হাতৰ পতাৰে লেট খোৱাকৈ সানিলে বৰ বেয়া পাইছিল। খাওঁতে শব্দ নোহোৱাকৈ খাইছিল। কোনোবাই যদি চাহৰ কাপ হাতেৰে তুলি ধৰি নাখাই মুখখন নমাই

কাপত লগাই জন্তুৱে খোৱাদি খায় তেনেহলে সেই নিয়ম বেয়া বুলি কৰ্কথনা কৰিছিল। খাওঁতে কাহীখনত খুব পৰিস্কাৰকৈ খাইছিল। কাঁহীখন লেতেৰাকৈ এৰি থৈ আহিলে আৰু খাওঁতে মাটিত ভাত পেলাই খালে খণ্ড কৰিছিল। দেউতাই ভাত খাই এৰি থৈ যোৱা কাঁহীখন দেখিলে সেই কাঁহীখনত যে কোনোবাই ভাত খাই গৈছে তাক দূৰৰপৰা বুজিব পৰা নগৈছিল। অৱশেষত ভাত দুটামান পাতত তেখেতে এৰি থৈ গৈছিল। তেখেতে খুব কম পৰিমাণে খাইছিল যদিও যিখিনি খাইছিল পুষ্টিকৰ আৰু নিভাজ আহাৰ হোৱাটোকে বাঞ্ছা কৰিছিল। সন্তাত কেনেকৈ পুষ্টিকৰ আহাৰ খাব পাৰি সেই বিষযে চিন্তা কৰিছিল। ছযাবিনৰ গুটি আনি তাৰ আটা কৰি ঘিউত ভজাই সুজি কৰি আৰু বৰ ভজাই খাইছিল। বিস্কুট, কৰ্ণফ্লেকচ্ আদি বস্তু কিনি পইচা খৰচ কৰিলে ভাল নেপাইছিল। ভাল খাদ্যৰ পাক-প্ৰণালীও টোকাবহীত লিখি থোৱা পাইছোঁ।

বিয়া আৰু শ্ৰাদ্ধত নিমন্ত্ৰণ ৰক্ষা কৰা, মানুহ মৰিলে শ্মশানলৈ যোৱা আদি সামাজিক কামত সহায় কৰাটো এটা ডাঙৰ কৰ্ত্তব্য বুলি ভাবিছিল আৰু দাদাহঁতকো তেনেকুৱা কামত সহায় কৰিবলৈ উদগনি দিছিল। বিয়াত সহায় কৰি দিলে, ওচৰ চুবুৰীযা আত্মীযস্বজনৰ বেমাৰ আজাৰ হলে কোনোবাই শুশ্ৰূষা কৰিলে তেওঁৰ সদায় গুণ গাইছিল। আগৰ দিনত মানুহৰ সংখ্যা তেনেই তাকৰ আছিল। ওচৰ চুবুৰীয়াৰ সৈতে এঘৰ মানুহৰ নিচিনাকৈ সম্বন্ধ ৰাখি চলিছিল। এঘৰত বেমাৰ হলে ওচৰ-চুবুৰীয়াই ৰাতি পাল পাতি পৰ দিয়া শুশ্ৰূষা আদি কৰি পাৰ্য্যমানে সহায় কৰিছিল। ঘৰৰ মানুহে বেচি ভবিবলগীয়া নহৈছিল।

ঘৰখনৰ ভাইককাই, বাইভনীৰ মাজত তই সম্বোধনটো দেউতাই পছন্দ নকৰিছিল, নিজেও আমাক তই নুবুলি তুমি বুলি কথা কৈছিল। ভাইককাই, বাইভনীৰ মাজতো আমাক তুমি সম্বন্ধটো ব্যৱহাৰ কৰিবলৈ শিকাইছিল। তেখেতে শিশুৰ লগতো কথা পাতোঁতে তুমি বুলি কথা কৈছিল। আত্মীয়স্বজনৰ প্ৰতিও ভাল ব্যৱহাৰ কৰিছিল। দেউতা দিনটো নানাৰকমৰ কামত ব্যস্ত থাকে। ঘৰত গাই-গৰু, কুকুৰ, মেকুৰী, শাক-পাচলি, ফুলৰ বাগান আদি কৰাত আৰু তাক প্ৰতিপালন কৰাত বৰ হেঁপাহ আছিল। কছাৰীৰ পৰা আহিয়েই আগতে গৰু কেইজনীৰ ওচৰলৈ গৈ এটাই কেউজনীক চাই-চিতি আহিহে কাপোৰ কানি সলাই জলপান খাইছিল। ৰাতিপুৱা কেতিয়াবা গছ-গছনিৰ পুলিবিলাকৰ ওচৰত বহি তাৰ যত্ন কৰা দেখিছিলো। গছত কেতিয়াবা নিজেও কলম বান্ধিছিল।

জানিবৰ আৰু শিকিবৰ কাৰণে দেউতাৰ অতিশয় আগ্ৰহ আছিল। যত যি ঔষধৰ কথা শুনে ততালিকে লিখি লৈছিল। বিশেষ ভাল পোৱা বস্তুৰ পাক-প্ৰণালী গছ-গছনিৰ চিনাকী আৰু বিবৰণ, আয়ুৰ্ব্বেদী আৰু হোমিওপ্যাথি ঔষধৰ দৰব আৰু লক্ষণ, চৰাইৰ নাম আৰু বিবৰণ বুৰঞ্জীৰ চন তাৰিখ, বিজ্ঞাপনৰ জানিবলগীয়া নতুন কথা, দৰ্শনৰ মনত ৰাখিবলগীয়া কথাবিলাক, বহুত বংশাৱলী আৰু আপোন পৰিয়ালৰ সকলোৰে সোঁৱৰণী নকল, পূৰ্ব্বপুৰুষৰ নাম, ওপজা চন, তাৰিখ এই বহীত আছে। টোকাবোৰ সৰু সৰু এক্সাৰছাইজ বহীত লিখি থৈছিল। কেতিযাবা কৰবাত কিবা লিখি লৈ পাছত বহীত তুলি থৈছিল। এই টোকাবহী এটাই কেউটা পাছত একেলগে চামৰা বান্ধোনেৰে বন্ধাই থৈছিল। সেই পকাবন্ধা বহীটো খাকী ৰঙৰ খদ্দৰৰ মোনা এটাত ভৰাই আতোম-তোকাৰিকৈ থৈছিল। সেই বহী এতিযাও ডাঙৰ দাদা শ্ৰীযুত অপূৰ্ব্বৰাম বৰুৱাৰ হাতত আছে। টোকা বহীটোৰ পাত লুটিয়ালেই দেউতাৰ যে, কিমান বিষয়ত গভীৰ ৰাপ আছিল ভালকৈ বুজিব পাৰি।

তেখেতে প্ৰায়ে ঘৰৰ মানুহখিনি লগত লৈ সৰুসুৰা পিক্‌নিক্ পাতিছিল। ফুৰা চকাত বৰ চখ আছিল। কেতিযাবা নাৰেৰে ফুৰিবলৈকো গৈছিল। নাওখন কেতিয়াবা পাহাৰৰ কাষে কাষে আহি থাকোঁতে আমাক গছগছনি-বিলাকৰ নামবিলাক চিনাকি কৰি দিছিল। সদায় দেখি থকা গছৰ নাম নাজানিলে বিৰক্তি বোধ কৰিছিল। এদিনৰ কথা মনত পৰে। শ্ৰীযুত পুলিনৰাম ফুকনে (পুলিনদাদা) মানিমুনিৰ পাত এটা আনি দেউতাক ক'লে, দাদা, এইডাল ব্ৰাহ্মী নহযনে ? দেউতাই অলপ খং ভাৱেৰে ক'লে, "তুমি দেখিছো একোকে নিচিনা, ব্ৰাহ্মী যে নিচিনাই মানিমুনিকো নিচিনা।" ওচৰতে কিৰণদাদাও (কিৰণ-ৰাম ফুকন) আছিল। তেওঁ গতি ভাল যেন নেদেখি ভযতে "পুলিনদা মই চাবি-কোছা এৰি আহিলো" বুলি সেইখিনিতে নোহোৰা হল। পুলিনদাদা সেমেনা-সেমেনি কৰি থিয় হৈ থাকিল।

দিনটোত নানাধৰণৰ মানুহে দেখা কৰিবলৈ তেখেতৰ ওচৰলৈ আহিছিল আৰু দৰকাৰ হলে বুদ্ধি পৰামৰ্শও লৈছিল। বহু মানুহে আৰ্থিক সহায় বিচাৰি আহিছিল পৰাপক্ষত কাকো বিমুখ নকৰিছিল। দুখীয়া কি সুখীয়া মানুহ ঘৰলৈ আহিলে সমান মৰমেৰে সম্ভাষণ কৰিছিল। তাৰ মাজতে সময় উলিযাই আত্মীয়-স্বজন, বন্ধুবান্ধৱ, ওচৰ চুবুৰীযা আদিৰ খবৰ বাতৰি লৈছিল। আমাকো সৰুতে সময় উলিযাই ডাঙৰ মানুহৰ ঘৰলৈ নি তেওঁলোকৰ ভাল আদৰ্শবিলাক জানিবলৈ সুবিধা দিছিল।

দেউতাই লৰাছোৱালীক প্ৰকাশ কৰি মৰম নকৰিছিল। আমাৰ কেতিয়াবা অসুখ-বিসুখ হলে খুব উদ্বিগ্ন হৈ পৰিছিল যদিও বাহিৰত প্ৰকাশ নকৰিছিল। সকলো প্ৰকাৰ শুশ্ৰূষাৰ ব্যৱস্থা কৰি দিছিল। ওচৰত বহি লৈ মৰমেৰে নানা প্ৰকাৰৰ কথা কৈছিল। সৰু লৰাছোৱালীৰ লগত তেখেতে বেছি সময় কটাবলৈ সময় নেপাইছিল আৰু অভ্যাসো নাছিল। অলপ সময়ৰ কাৰণে ধেমালি কৰিছিল। সময়ত সৰু লৰাই ভয় দেখুৱালে ভয় খোৱাৰ ভাও ধৰাও দেখিছিলো। কেতিযাবা লৰাছোৱালীৰ লগত ধেমালিও কৰিছিল কিন্তু নিচেই অলপ সময়ৰ কাৰণে। লৰাছোৱালীক কোলাত লৈ ফুৰা অভ্যাস তেখেতৰ নাছিল।

ঘৰলৈ আলহী আহিলে যত্ন-শুশ্ৰূষাৰ কাৰণে সকলো ব্যৱস্থা যাতে ঠিক থাকে সকলো কামৰ মাজতো সেই কথালৈ চকু দিছিল। আলহী আহিলে দেউতাই বৰ ভাল পাইছিল আৰু অতিথি আহি থকাটো গৃহস্থৰ ভাগ্যৰ কথা বুলি মাজে মাজে কোৱা শুনিছিলো। দিনটো ব্যস্ত থাকে গতিকে আলহীৰ লগত সৰহ কথা হবলৈ সময় নাপাইছিল। গধূলি বিশেষকৈ ৰাতিৰ সাঁজ ভাত খাই উঠাৰ পাছত আলহীৰ লগত বহুত সময় ধৰি কথা পাতিছিল। ৰাতি থকা আলহীৰ উপৰিও আমাৰ ঘৰলৈ প্ৰতিদিনে বহুত মানুহ ফুৰিবলৈ আহিছিল। সেই সকলক চাহ জলপান নিদিলে দেউতাই পেটে পেটে বৰ বেয়া পাইছিল। দেউতাতকৈ বয়সে বৃদ্ধ মহৰ্ষি কমলাকান্ত ভাট্টাচাৰ্য্য আদি প্ৰাযে আমাৰ ঘৰলৈ আহিছিল। প্ৰায় সমনীয়া ৺কণকচন্দ্ৰ শৰ্ম্মা, জি, বি, ভি, চি ডাঙৰীযাও মাজে মাজে উপস্থিত হৈছিলহি। এই সকলক আহি বহাৰ লগে লগে দেউতাই সুধিছিল আপোনাক কি দিব? তেখেত সকলেও আপোন মানুহৰ ঘৰৰ দৰে কি খাবৰ মন তাক কৈ দিছিল। বহুতদিন আমি আৰু পাছত বৌহঁতে ভাত পানী খাই উঠি বিশ্ৰাম কৰাৰ পাছত আলহী আহিলে উঠি আহি ভাত, পানী বা চাহ জলপানৰ যোগাৰ কৰিবলগীযা হৈছিল।

আছি সুৰুঁৰি চাইছো এজন সজ গৃহস্থ আৰু সজ্জনলোকৰ গাত যিখিনি গুণ আৰু সদাচাৰ থাকিব লাগে দেউতাৰ গাত সেই সকলোবোৰ আছিল। দেউতাক দেখিলেই সকলো মানুহৰ সম্ভ্ৰম উপজিছিল। চৰিত্ৰ গুণ, সজ আচৰণ, দৈনিক জীৱনৰ পৰিপাটিতা আৰু শোভন ব্যৱহাৰ এই সকলোবোৰ মিলি দেউতাৰ ব্যক্তিত্বত এটা বিশেষতা দিছিল।

স্বৰ্গীয় ককাদেউতাৰ স্মৃতিত

শ্ৰীআৰতি দেৱী
হাফলং

আমাৰ ককাদেউতা ৺কামাখ্যাৰাম বৰুৱা আছিল—এজন গুণী-জ্ঞানী, ধৰ্ম্ম-পৰায়ণ, প্ৰতিভাশালী ব্যক্তি। তেখেত সত্যবাদী, পৰোপকাৰী, নিৰহঙ্কাৰী আৰু ধৈৰ্য্যশীল পুৰুষ আছিল। দৈনন্দিন জীৱনৰ সৰুসুৰা ঘটনাবোৰৰ মাজেদিও তেখেতৰ ব্যক্তিগত চৰিত্ৰ প্ৰতিফলিত হৈছিল। সুদক্ষ আইনবিদ্, ন্যায়াধীশ আৰু সমাজসেৱী ব্যক্তি হিচাপে তেখেতৰ প্ৰতিভাৰ পৰিচয় অসমবাসী ৰাইজে তেখেতৰ কৰ্মব্যস্ত জীৱনৰ বিভিন্ন কাৰ্য্যাৱলীৰ যোগেদি পাইছিল। সেইবিলাক আৰু বেছিকৈ দোহাৰিব নোখোজোঁ। ইয়াত মাত্ৰ তেখেতৰ ব্যক্তিগত জীৱনৰ সৰুসুৰা দুই এটি কথাহে লিখিবলৈ মন কৰিলোঁ।

ককাদেউতাৰ জীৱিত কালত আমি তেখেতৰ পৰা বহুতো কথা শিকিবলৈ পাইছিলোঁ। নজনা কথা কিছুমান নাজানিলে তেখেতক আমি প্ৰশ্নও কৰিছিলোঁ। তেখেতে অকণো আমনি নাপায়, বিৰক্ত নহয়। বৰং দুগুণ উৎসাহেৰে উত্তৰবোৰ দি বুজাই যায়। সৰু কালতে গধুলি সময়ত আমি সকলোৰে আগ ফালৰ চোতালত ককাদেউতাৰ ওচৰত বহোঁগৈ। তেতিয়া আমাৰ সকলোকে আকাশৰ গ্ৰহ নক্ষত্ৰ আদি দেখুৱাই দি সৌৰজগতৰ বিষয়ে প্ৰাৰম্ভিক জ্ঞান দিছিল। তেখেতৰ পৰা আমি গছ-গছনি, চৰাই চিৰিকতি আদিৰ বিষয়েও বহু কথা শিকিব পাৰিছিলোঁ। সৰু লৰাছোৱালীয়ে সহজে বুজি পোৱাকৈ তেখেতে এইবিলাক কথা ফঁহিয়াই বুজাই দিছিল।

৺ককাদেউতাৰ ফুল অতি প্ৰিয় আছিল। নানান ঠাইৰ পৰা ভাল ফল ফুলৰ গছপুলি পালে তেখেতে লৈ আনিছিল। সেইবোৰ অতি যত্ন সহকাৰে নিজৰ বাৰীত ৰুইছিল। সেযেহে ফুলনিবাৰীত বিভিন্ন ধৰণৰ ফুল দেখিবলৈ পাইছিলোঁ। বিশেষকৈ বহুতো ৰঙৰ গোলাপ ফুল আছিল। প্ৰতিদিনে ৰাতিপুৱা সোনকালে শুই উঠি প্ৰত্যেক জোপা গছ-গছনিকে যত্ন লৈছিল। ঘৰৰ কোনোবাই অলপ ইফাল সিফাল কৰিলেই তেখেতৰ খুব খং উঠিছিল। ফুলৰ দৰেই শাক পাচলি কৰাতো খুব চখ্ আছিল। ফুল ৰোৱা, ফুল সংগ্ৰহ কৰা, গছৰ কলম কৰা নিয়ম আদি সকলোবোৰ খুব সুন্দৰকৈ জানিছিল। ফুলৰ গছ আৰু শাক পাচলি আদিত কেনেকৈ তদাৰক লব লাগে—এই সকলোবোৰ আমাক সৰুকালৰে পৰা শিকাইছিল।

তেখেতে কেতিয়াওঁ মিছা কথা নকৈছিল। কোনোবাই মিছা কথা কলে বৰ খঙ উঠিছিল। তাৰবাবে কেতিয়াবা তেখেতে সকুসুৰা শাস্তিও দিছিল।

তেখেত অতি ঈশ্বৰ বিশ্বাসী আছিল। সদায় গোঁসাই ঘৰত আধাঘণ্টামান সময় সন্ধ্যা কৰিছিল। নিয়মিত ভাবে গা ধোৱাৰ আগতে অকণমান সময় শাৰীৰিক ব্যাযামো কৰা অভ্যাস আছিল। তেখেতে শৰীৰৰ প্ৰতি যথেষ্ট যত্ন লৈছিল। আন কোনোবাই এই নিযমসমূহ মানি চলিলে খুব ভাল পাইছিল। প্ৰায়ে তেখেতে মানুহৰ লগত ধৰ্মৰ বিষযে আলোচনা কৰিছিল। সেযেহে বহুতো পণ্ডিত আৰু সাধু সন্ন্যাসী তেখেতৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। জ্ঞান অৰ্জন কৰিবৰ বাবে তেখেতে বহুতো কিতাপ অধ্যযন কৰিছিল। কিন্তু তেখেত অন্ধ-বিশ্বাসী নাছিল। আমি কেতিযাবা ভূত-প্ৰেত আদিৰ কাৰণে ভয় কৰিলে তেখেতে হাঁহিছিল। তেতিয়া তেখেতে নিৰ্ভয় দি কৈছিল—"ভূত মানেই হৈছে ভয়, ভয়েই হৈছে ভূত। ভয কৰিলেহে মানুহে ভূত দেখা পায।" সেইবাবে মানুহ সদায় সাহসী হব লাগে আৰু ঈশ্বৰৰ প্ৰতি বিশ্বাস থাকিব লাগে—এইবুলি আনক উপদেশ দিছিল। ধৰ্মমূলক কিতাপ পঢ়িলে খুব ভাল পাইছিল। কিন্তু পঢ়োঁতে স্পষ্ট উচ্চাৰণ কৰি পঢ়িলেহে ভাল পাইছিল। ভুলকৈ উচ্চাৰণ কৰি পঢ়িলে খুব বেয়া পাইছিল। তেখেতে গোঁসাই, পণ্ডিত, ব্ৰাহ্মণ সজ্জনক বৰ সম্মান কৰিছিল। সেই বাবে আলহী-অতিথিক সেৱা সৎকাৰ কৰি ভাল পাইছিল। তেখেত জীযাই থকা কাললৈকে আমাৰ ঘৰখন প্ৰায় অতিথিশালাৰ নিচিনা আছিল। লগেলগে আমাৰো ডাঙৰ ডাঙৰ ব্যক্তিৰ লগত চা-চিনাকী হোৱাৰ সৌভাগ্য ঘটিছিল। নানা ঠাইৰ নানা ভাষাৰ লোক আহি আমাৰ ঘৰত আলহী হিচাপে থাকি পাছত একেবাৰে ঘৰুৱা মানুহৰ নিচিনা হৈ পৰিছিল।

তেখেতে নিজৰ লৰাছোৱালী, নাতি-নাতিনীক যিদৰে মৰম কৰিছিল ঠিক সেইদৰে আনৰ ল'ৰাছোৱালীকো একে চকুৰে চাইছিল। বহুতো দুখীয়া, আত্মীয়-স্বজন, বন্ধু-বান্ধবৰ লৰাছোৱালীক নিজৰ ঘৰতে ৰাখি সকলো সা-সুবিধা দি পঢ়ুৱাইছিল। এইদৰে বহুতে তেখেতৰ সহাযতে উন্নতিৰ পথলৈ আগুৱাবলৈ সমৰ্থ হৈছিল।

তেখেত খোৱা বিষয়ত সুৰুচিসম্পন্ন আছিল। কেতিয়াবা অন্য ঠাইলৈ গলেই—ভাল নিভাঁজ বস্তু পালে দাম দি হলেও কিনি আনিছিল। তেখেতে ভাল গাখীৰৰ বাবে ঘৰতে গৰু পুহিছিল। গৰুবোৰৰ ভাল স্বাস্থ্যৰ প্ৰতি নিজে বিশেষ চকু ৰাখিছিল। তেখেতৰ খোৱা বোৱাত 'চখ্' আছিল যদিও বৰ বেছিকৈ নাখাইছিল। সকলোবোৰ বস্তুৱেই কম কমকৈ খাইছিল। তেখেতৰ খোৱাৰ

ধৰণটো বেচ মন কৰিবলগীয়া, কম কমকৈ লাহে লাহে চোবাই খাব লাগে, খাওঁতে মুখৰ শব্দ কৰিব নালাগে - মুঠৰ ওপৰত বেচ পৰিপাটিকৈ খাব লাগে। তেখেতে ভাত খোৱা সময়ত আঙুলি কেইটাৰ বাহিৰে হাতৰ তলুৱাখন লেটপেট নহৈছিল। ককাদেউতাই খাই এৰা কাঁহীখন যে এৰা পাত ঘপ কৰে ধৰিবই নোৱাৰি। গৰুৰ ঘিউ, দৈ, ক্ষীৰ, এৱঁা গাখীৰ আৰু মিঠাই আদি খাই খুব ভাল পাইছিল। তেখেতে বৰ বেছি দামী বস্তু খাবলৈ ভাল নাপাইছিল। যি বস্তু সস্তা অথচ খালেও শৰীৰৰ উপকাৰ হয—তেনে বস্তুহে খাইছিল। চীনা বাদামৰ ভজ গুৰি, ভীম কল, খেজুৰ, গজালি মেলা মগু-মাহ আদিহে খাই বেছি ভাল পাইছিল। তেখেতে কেতিয়াও চিগাৰেট, চাহ, তামোল পান নাখাইছিল। কিছুমান বিষয়ত তেখেত মিতব্যযী হৈ চলিছিল। আনকি তেখেতে লাহ বিলাকত থকাও ভাল নাপাইছিল। মাত্র ভালকৈ চাফ্‌ চিকুন আৰু পৰিপাটি হৈ থকাটোহে বেচি ভাল পাইছিল।

ইয়াৰ বাহিৰেও তেখেতৰ সঙ্গীত চৰ্চ্চা কৰা, ঘোঁড়াত উঠা, চিকাৰ কৰা, নাৱত উঠা আদিতো খুব ৰাপ- আছিল। ঘৰতে লৰাছোৱালীক শিক্ষা দিবলৈ মাষ্টৰ ধৰি দিছিল। ঘোঁড়াত উঠা শিকাবলৈ ঘোঁড়া আৰু বন্দুক মাৰিবলৈ অভ্যাস কৰিব বাবে বন্দুক কিনি দিছিল। কেতিযাবা ভৰ বাৰিষা ব্ৰহ্মপুত্ৰ নৈত তুলুঙা নাৱঁত উঠি লৰাছোৱালীবোৰক লগত লৈ উত্তৰ পাৰত "পিকনিক" খাবলৈ গৈছিল। তেখেতৰ শেষ বযসলৈকে মনোবল অটুত আছিল। গুৱাহাটী চহৰত প্ৰায় ৭৫ বছৰ বযসলৈকে নিজে গাড়ী চলাইছিল। বুঢ়া বযসলৈকে কোনো কামতে সহজে হেলা নকৰিছিল। কোনোবাই এই বিষযত হকা বাধা কৰিলে মনত বৰ বেজাৰ পাইছিল ঘৰতে শুই বহি থাকিবলৈ তেখেতে সমূলি ভাল নাপাইছিল। ভ্ৰমণ কৰিবলৈ তেখেতে বৰ ভাল পাইছিল আৰু কৈছিল বোলে তেখেতৰ হেনো ফুৰি ফুৰিলে গা ভালেহে থাকে।

বয়স হোৱাৰ বাবে ককাদেউতাই গৰমকালি বেছি গৰম সহ্য কৰিব নোৱাৰিছিল। সেইবাবে প্ৰত্যেক জহকালিতে কেইমাহমানৰ কাৰণে ছিলঙত ঘৰ ভাড়া কৰি আছিলগৈ। এইখিনি সময়ত তেখেতৰ সকলো নাতি-নাতিনীয়েক স্কুল কলেজ বন্ধ হলে লগত থাকিছিলগৈ। এইকেইদিন সকলোৱে গোট খাই খুব ফুৰ্ত্তিৰে কটাইছিল। ককাদেউতাৰ আটাইতকৈ বেছি অন্তৰঙ্গ বন্ধু আছিল নৰেন সেনগুপ্ত, আমি দাদু বুলি মাতিছিলো। তেখেতো কেইদিনমান ছিলঙত থাকেহি। এইদৰে দুই বন্ধুৰ মাজত বছৰত এবাৰকৈ দেখাদেখি হয়। সাধাৰণতে শেষ বয়সলৈকে বন্ধুত্বৰ ইমান আন্তৰিকতা দেখাতো আজিকালিৰ দিনত বিৰল। দুয়ো স্কুল কলেজত একেলগে পঢ়িছিল। তেখেতসকলৰ পৰাই সৰুকালিতে হোৱা

কিছুমান মনোৰম ঘটনা শুনিবলৈ পাইছিলো। দুয়ো বন্ধু গোট খালে কথাৰ ওৰ নপৰে—আনকি চাহ ভাত খোৱাৰ সময়ো কেতিয়াবা পাৰ হৈ যায়। তেখেত সকলৰ মাজত ইমান কথা বতৰা হয় যে ৰাতি শোৱাৰ পিছতো মাজে মাজে উঠি দুয়ো পুনৰ কথা পাতে। তেখেতসকলৰ মাজত ইজনে সিজনে কৰা সম্বোধনটো শুনিও বৰ ভাল লাগে। ককাদেউতাই ৰাতি সাৰ পাই কয—"এই ভাই নৰেন—কি তুমি শুযেছ ?" তেতিয়া দাদুৱে (৺নৰেন্দ্ৰ সেনগুপ্তই) উত্তৰ দিযে—"না না, কিছু বলবে ?" এইবুলি মাজৰাতি আকৌ দুযোজনৰে মাজত কথা-বতৰা চলে। এদিন ছিলঙত থাকোঁতেই দুযো বন্ধুৰ মাজত হাঁহি উঠা ঘটনা এটা ঘটিল। গধূলি সময়ত দুযো বন্ধু ছিলঙৰ বাটত ফুৰিবলৈ ওলাইছে। মাজ বাটতে দুয়ো বন্ধু বেলেগ বেলেগ হৈ ফুৰিবলৈ মন মেলিলে। ককাদেউতা অন্য এঘৰ মানুহৰ ঘৰত ফুৰিবলৈ গ'ল। দাদুও ঘৰৰ ওচৰতে থকা মানুহ এঘৰত বহি কথা বতৰা পাতি আছিল। ৰাতি হোৱাত ককাদেউতা ঘৰলৈ উভতি আহিল। ইপিনে দাদু তেতিয়া-লৈকে ঘৰলৈ উভতি অহা নাই। তেতিয়া ককাদেউতাই বন্ধু হেৰাল বুলি চিন্তাত পৰিল। তেতিয়াই নেপালী লৰাটো লগত লৈ ৰাতিৰ বাটত দাদুক বিচাৰি ওলালে। ককাদেউতা ওলাই যোৱাৰ অলপ পিছতেই দাদু আহি ঘৰ সোমাইছেহি। দাদুক দেখি আমি সকলো আচৰিত। ইপিনে ৰাতি দহবজালৈকে ককাদেউতা ঘৰলৈ অহা নাই। দাদুক আমি সকলোবোৰ কথা বিবৰি ক'লো। তেতিয়া দাদুও আকৌ ককাদেউতাক বিচাৰি গ'ল। মাজবাটতে দুযো লগ পাই ঘৰলৈ উভতি আহিল। তাৰ পিছত ঘৰলৈ আহি মিছাকৈয়ে ধেমালিতে এবাৰ ইজন বন্ধুৱে সিজন বন্ধুক দোষাৰোপ কৰে। অলপ পিছতেই সকলোবোৰ ঘটনা পাহৰি পুনৰ দুযোৰে মাজত বন্ধুত্বপূৰ্ণ আলোচনা চলে। কেতিয়াবা আকৌ দুযোজনৰ মাজত খুব তৰ্কাতৰ্কি লাগে। আমাৰ সকলোৰে শুনি বৰ ভাল লাগে। দাদু কেইদিন-মান থাকি পুনৰ কলিকতালৈ গুছি যায়। তেখেতসকল দুযোৰে মাজত হোৱা বিদাযৰ আলিঙ্গন দেখিলে সঁচাকৈয়ে ভাল লাগে।

ছিলঙত থকা কালতেই ককাদেউতাই "সৌৰজগতৰ বিষযে এখনি সৰু কিতাপ লিখিবলৈ আৰম্ভ কৰিছিল। বিজ্ঞান, দৰ্শন আদি বিষযে তেখেতৰ জ্ঞানৰ পৰিসৰ বৰ বহল আছিল। সেই কিতাপখন নিজে লিখিবলৈ টান পাই আমাক কৈ যায় আমি লিখি যাব লাগে। বানান আদিও কৈ যায। আমি বৰ ভযে ভযে লিখিছিলো। বৰ্ণাশুদ্ধি হলে ককাদেউতাই বৰ বেয়া পাইছিল। কিন্তু দুঃখৰ বিষয এই কিতাপখন লিখা সম্পূৰ্ণ কৰিব নোৱাৰিলে। ককাদেউতাৰ মনৰ আশা মনতে থাকিল। তাৰ কেইদিনমানৰ পাছতে বাৰ্দ্ধক্যজনিত অসুখত ভুগিবলগীয়া

হ'ল। কিতাপখনিও লিখা আধৰুৱা হৈ ৰ'ল। মাজতে এবাৰ অলপ ভাল হৈছিল। কিন্তু হঠাতে আকৌ পৰি তেখেতে ভৰিত বেছিকৈ দুখ পালে। তেতিয়াৰ পৰাই মৃত্যুৰ আগলৈকে শয্যাশায়ী হৈ থাকিবলগীয়া হয়। মাজে মাজে চকিৰে দণ্ডা-মেলা কৰি গাড়ীত উঠাই ৰাস্তাত ফুৰাবলৈ নিয়া হৈছিল। মুখেৰে ভালকৈ কথা কব নোৱাৰিছিল যদিও সকলোবোৰ খবৰ ঠিকমতে ৰাখিছিল। দৈনন্দিন খবৰ কাগজসমূহ পঢ়া তেখেতৰ অভ্যাস আছিল। শয্যাগত অৱস্থাত থাকোঁতেই তেখেতে এবাৰ হস্পিতেলত থাকি চকুৰ অপাৰেছন কৰাইছিল। তেতিয়াৰ পৰাই নিজে খবৰ কাগজ পঢ়িব পৰা হৈছিল। কিবা কাৰণত নিজে পঢ়িব নোৱাৰিলে আনৰ হতুৱাই কাগজ পঢ়ুৱাইছিল। এইদৰে তেখেত তিনিবছৰ-মান শয্যাগত হৈ ১৯৬৫ চনৰ, নৱেম্বৰ মাহৰ ২৮ তাৰিখ, দেওবাৰে (দুপৰীয়া ১২—৫ মিঃত) হঠাতে সকলোকে এৰি থৈ ইহসংসাৰ ত্যাগ কৰে। মৃত্যুৰ দিনাখনো তেখেতৰ দৈনন্দিন সকলোবোৰ কাম সুকলমে কৰিছিল। তেখেতৰ শেষ সময়লৈকে সুন্দৰ জ্ঞান আছিল। সেইদিনা ঘৰৰ কোনোৱে ভাবিব পৰা নাছিল যে—ককা-দেউতাই এনেকৈ আমাক চিৰকাললৈ এৰি থৈ যাব।

———

চতুৰ্থ খণ্ড

(ভাষণাৱলী)

[স্বৰ্গীয় বৰুৱাদেৱে অসংখ্য সভা-সমিতিৰ সভাপতিৰূপে ভাষণ দিব লগাত পৰিছিল। সেই এটাইবোৰ লিখিত ভাষণ নাছিল। লিখিত ভাষণবো গোটেইখিনি পোৱা নগল। যিখিনি পোৱা গল তাকেহে ইয়াত দিয়া হৈছে। ইয়াৰে দুটা মানৰ মূল ইংৰাজীত লিখা। সেই কেইটা ভাষণৰ অসমীয়া অনুবাদ কৰিছে শ্ৰীসতীশ ভট্টাচাৰ্য্যই।]

—সম্পাদক

১৯৩৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম এছ'ছিয়েছনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ

কংগ্ৰেছৰ অসহযোগ আন্দোলনৰ ঢৌ আহি আমাৰ দেশত তোলপাৰ লগোৱালৈকে আসাম এছছিয়েছনেই আমাৰ দেশৰ ৰাজনৈতিক ক্ষেত্ৰত প্ৰধান সংস্থান আছিল। এই সংস্থানটোৱে সদায় আমাৰ দেশৰ জনমত প্ৰকাশ কৰি আহিছে আৰু দেশৰ সকলো প্ৰকাৰ উন্নতিৰ প্ৰচেষ্টাৰ সহায়কৰূপে কাম কৰি আছে। কংগ্ৰেছৰ আন্দোলনৰ বাবেও উপযুক্ত নেতা আৰু অনুগামী লোক এই এছোছিয়েছনে প্ৰস্তুত কৰি ৰাখিছিল। ইতিপূৰ্ব্বে যিবিলাক বিষয়ত আসাম এছোছিয়েছনে আন্দোলন চলাইছে সেইবিলাক বিষয় যে প্ৰকৃততে দেশৰ হিতকৰ, বোধ হয় তাত মতদ্বৈধতা নাই।

আমাৰ দেশৰ বৰ্ত্তমান সময়ৰ ৰাজনৈতিক প্ৰচেষ্টাবিলাকক ছুটা ভাগত বিভক্ত কৰিব পাৰি। কংগ্ৰেছে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন গ্ৰহণ কৰাৰ পৰা যি আদৰ্শ আৰু যিসকল ৰাজনৈতিক কাৰ্য্য চলিছে সেইবিলাক হৈছে এক শ্ৰেণীৰ। এই শ্ৰেণীৰ ৰাজনৈতিক প্ৰচেষ্টাৰ উদ্দেশ্য হৈছে যথাসম্ভৱ শীঘ্ৰে স্বৰাজ লাভ কৰা, ভাৰতৰ সকলো দেশৰ আৰু সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত একতা ভাব স্থাপন কৰি আৰু তেওঁলোকক উচ্চ আদৰ্শেৰে প্ৰণোদিত কৰি স্বৰাজ লাভৰ উদ্দেশ্যে অশেষ ক্লেশ সহিবলৈ আৰু আত্মবলিদান দিবলৈ প্ৰস্তুত কৰা। মহাত্মা গান্ধীৰ প্ৰচাৰিত সত্যাগ্ৰহ যি সকল লোকে প্ৰকৃততে গ্ৰহণ কৰিবলৈ পাৰিছে তেওঁলোকে এক প্ৰকাৰৰ মানসিক স্বৰাজ লাভ কৰিছেই বুলিব পাৰি, তেওঁলোকৰ ইচ্ছাশক্তিক বাধা দিওঁতা ঈশ্বৰ আৰু আত্মবিবেকক বাদে আন কোনো নাই। দ্বিতীয় প্ৰকাৰৰ ৰাজনৈতিক প্ৰচেষ্টাৰ আদৰ্শ ইমান উচ্চ নহয়। আমাৰ পৰাধীনতাৰ অৱস্থাতো আমাৰ দেশৰ আৰু জাতিৰ যথাসম্ভৱ কল্যাণ সাধিবলৈ বা কষ্ট বা অভাববোৰ পাৰ্য্যমানে দূৰ কৰিবলৈ যিসকল কাৰ্য্য কৰা হয় সেইবোৰে দ্বিতীয় শ্ৰেণীৰ ৰাজনৈতিক প্ৰচেষ্টা।

এই দুয়ো প্ৰকাৰৰ প্ৰচেষ্টা যাতে পৰস্পৰৰ বিৰোধীভাবে নচলে তাৰ বাবে ভাৰতৰ সকলো হিতাকাঙ্ক্ষী লোকেই যত্ন কৰা উচিত বুলি মই ভাবোঁ। আসক্তি-বিহীন হৈ গৃহস্থাশ্ৰমত থকাৰ 'নিচিনাকৈ আমি ওপৰত কোৱা দুযোটা ৰাজ-নৈতিক আদৰ্শৰ সামঞ্জস্য ৰাখি চলিবলগীয়া হৈছে। স্বৰাজ লাভ নোহোৱা-

লৈকে দেশৰ সমস্ত লোকে কেৱল অসহযোগত আৰু আইন ভঙ্গৰ আন্দোলনত সম্পূৰ্ণৰূপে লিপ্ত থকাটোৰ আপত্তি এৰি দিব নোৱাৰোঁ। স্বৰাজলাভৰ চেষ্টা আৰু আশা জাগ্ৰত ৰাখি তাৰ লগে লগে আমাৰ বৰ্ত্তমান পৰাধীনতাৰ কালতো আমাৰ আৰ্থিক উন্নতি, শিক্ষাৰ উন্নতি আৰু নৈতিক উন্নতিৰ বাবে চেষ্টা কৰিব লাগিব ।

ওপৰত বৰ্ণনা কৰা দুয়ো প্ৰকাৰ আদৰ্শৰ আৰু প্ৰচেষ্টাৰ সমন্বয় কৰিবলৈ আসাম এছোছিয়েছনে চেষ্টা কৰি আহিছে বুলি মোৰ বিশ্বাস আৰু সেইবাবেই কংগ্ৰেছপন্থী বহুতো লোক যেনেকৈ ইয়াৰ সভ্য শ্ৰেণীত ভুক্ত হৈ আছে তেনেকৈ মডাৰেট বা গভৰ্ণমেণ্টৰ সহযোগকামী লোকসকলো ইযাৰ সভ্য শ্ৰেণীত আছে ।

এদলৰ আদৰ্শৰ আৰু কাৰ্য্যপদ্ধতিৰ লগত আনদলৰ আদৰ্শৰ আৰু কাৰ্য্য-পদ্ধতিৰ প্ৰভেদ থাকিলেই যে কোনো বিষযতে দুযোদলে সহযোগ কৰিব নোৱাৰে বা দুযোদলে পৰস্পৰ সহাযকভাবে কাৰ্য্য কৰিব নোৱাৰে এইটো মই ভাবিবলৈ নোৱাৰোঁ। ইংলণ্ডৰ কনজাৰভেটিভ, লেবাৰ আৰু লিবাৰেল দলৰ লোকসকলে ভাৰতবৰ্ষক শাসন কৰা বিষযত প্ৰাযেই একমত হৈ চলে, ইংলণ্ডৰ গৌৰব ৰক্ষা বিষযত ইংলণ্ডৰ বাণিজ্যবৃদ্ধি, শিক্ষাৰ বিস্তাৰ আদি বহুত কথাতে এই সকল দলৰ বিৰোধভাব নোহোৱা হয। অথচ আমাৰ নিচিনা পৰাধীন দেশৰ আথিক উন্নতি, শিক্ষাৰ বিস্তাৰ, কৃষিশিল্প আৰু বাণিজ্যৰ উদ্গতি, দেশৰ মানুহৰ স্বাস্থ্যৰ আৰু চৰিত্ৰৰ উৎকৰ্ষ সাধন প্ৰভৃতি কামত যে আমাৰ বিভিন্ন ৰাজনৈতিকপন্থীসকলে পৰস্পৰৰ সহযোগ কেলেই কৰিব নোৱাৰিব তাক মই বুজিব নোৱাৰোঁ।

আজি অসমীযাৰ নায্য স্বত্ব নাই কিয়া কৰি অসমীয়াৰ মুখৰ ভাত আনে কাঢ়ি খাইছে, নিজৰ দেশত অসমীযাৰ প্ৰভুত্ব নাই। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ নানাৰূপে বৰ্ণনা কৰিব পাৰি। মূল কাৰণ হৈছে, আমাৰ পৰাধীনতা আৰু আমাৰ চৰিত্ৰৰ দুৰ্ব্বলতা। পৰাধীনতা গুচাবলৈ হ'লে আমাক স্বৰাজ লাগে। এইবাবে কংগ্ৰেছে একানপতীযা ভাবে চেষ্টা কৰি আছে। আমাৰ জাতিৰ দুৰবস্থাৰ অপৰ আৰু উপকৰা কাৰণ হৈছে আমাৰ দেশৰ শাসন যন্ত্ৰত আৰু ৰাজঘৰীয়া ডাঙৰ ডাঙৰ বিষযবোৰত অনা অসমীয়াৰ প্ৰভুত্ব আৰু তাৰ লগতে অসমীয়াৰ সোৰোপালি স্বভাৱ। এতিয়া আসামৰ শাসন যন্ত্ৰৰ গুড়ি ধৰোতা চাৰিজন বৰ ডাঙৰীয়াৰ মাজত এজন মাত্ৰ অসমীয়া। এনে অৱস্থাত অসমীয়াৰ স্বাৰ্থ ৰক্ষা হবৰ আশা কেনেকৈ কৰিব পাৰি? ৰজাঘৰীয়া মুখ্য অফিচবোৰত ৰেল, জাহাজ, ডাকঘৰ, টেলিগ্ৰাফ

আদি বিভাগত অনা-অসমীয়াৰ প্ৰভুত্ব যিমান দিনলৈকে থাকিব, তেতিয়ালৈকে অসমীয়াৰ স্বত্ব আৰু কাৰ্য্যক্ষম আৰু উদ্যমশালী কৰিবলৈ শিক্ষা বিভাগ, কৃষি বিভাগ, ইণ্ডাষ্ট্ৰিজ বিভাগ প্ৰভৃতিত অসমীয়াৰ প্ৰভাব বঢ়োৱাৰ আৱশ্যক আৰু এই বিভাগবোৰৰ বহুতো উন্নতি কৰাৰ আৱশ্যক। অসমীয়াৰ সাহ আৰু উন্নতিৰ বাবে অসমীয়াক সৈনিক বিভাগত শিক্ষা দিয়া উচিত। কেৱলমাত্ৰ স্বৰাজলাভৰ উদ্দেশ্যলৈ ভাবি এইবিলাক প্ৰযোজনৰ বিষয়ে আওকাণ কৰি বহি থাকিলে নচলিব। ইং ১৯২১ চনৰপৰা অধিকাংশ নেতাই একানপতীয়াভাবে অসহযোগ আন্দোলনত যোগ দিয়াৰ ফলতে আসামৰ বৰ্ত্তমানৰ শাসন যন্ত্ৰত আৰু ৰজা-ঘৰীয়াৰ মেলত অসমীয়াৰ প্ৰভাব খৰ্ব্ব হৈছে বুলি বহুতৰ বিশ্বাস। ইং ১৯২১ চনৰ আগেয়ে ৰজাঘৰৰ মেলত অসমীয়াৰ প্ৰভাব যে বেচি আছিল তাৰ সন্দেহ নাই। আজি অসমীয়া জাতিক ইমানবোৰ বিপদে বেঢ়ি ধৰিছে যে অসমীয়াই পৃথক অস্তিত্ব ৰক্ষা কৰাই টান হৈ পৰিছে। এনে সময়তো যদি অসমৰ মানুহে সোৰোপালি কৰি বহি থাকে বা গুটীয়াভাবে ৰাজনৈতিক ক্ষেত্ৰত কাম কৰে তেন্তে তাৰ পৰিণাম শোক লগা নহৈ নোৱাৰে। মই এইটো নকও যে ভাৰতব্যাপী কংগ্ৰেছৰ আন্দোলনৰপৰা অসমীয় বিচ্ছিন্ন হৈ থাকিব লাগে আক বৰ্ত্তমান শাসনপদ্ধতিকে আনন্দেৰে গ্ৰহণ কৰি লৈ আগেয়ে কৈ অহা দ্বিতীয় শ্ৰেণীৰ ৰাজনৈতিক প্ৰচেষ্টাতে অসমীয়া জাতি লিপ্ত থাকিব লাগে। মই কওঁ যে জাতিৰ উন্নতিসাধনৰ বাবে বিভিন্নপন্থী ৰাজনৈতিক লোকসকলৰ সমবেত চেষ্টা লাগে, তাৰ বাবে বেলেগ বেলেগ দলৰ ভিতৰত সহানুভূতি আৰু পৰস্পৰৰ প্ৰতি শ্ৰদ্ধাৰ ভাব লাগে, পৰস্পৰৰ মনৰ ভাবৰ আদানপ্ৰদান হব লাগে।

অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰাৰ আৰু প্ৰভাৱ বঢ়োৱাৰ বিষয়ে মই যি কৈছোঁ তাৰ উদ্দেশ্য এইটো নহয় যে অনা-অসমীয়াৰ উচিত স্বাৰ্থ নষ্ট কৰিব লাগিব অথবা তেওঁলোকৰ শক্তি বা প্ৰভাব অনুচিতভাবে খৰ্ব্ব কৰিব লাগিব। যিবিলাক লোকে অসম আইৰ কোলাত ঠাই লৈছে, অসম আইক মাতৃ বুলি সম্বোধন কৰিবলৈ লাজ নাপায় আৰু অসম আইৰ নিজা সন্তানসকলক ভাতৃভাবে ব্যৱহাৰ কৰিবলৈ প্ৰস্তুত তেওঁলোকৰ কাৰণে অসমী আইৰ বুকুত যথেষ্ট ঠাই আছে, অসম আইয়ে তেওঁলোকক নিজ সন্তানৰ নিচিনাকৈ মৰমচেনেহ আৰু প্ৰতিপাল কৰিবলৈ ৰাজী আছে। কিন্তু যিবিলাক লোকে ৰঘুমলাৰূপে যি গছতে ঠাই লয় তাৰে অনিষ্ট সাধন কৰে তেওঁলোকে ৰঘুমলাৰ দৰেই উৎপাতিত হবৰ উপযুক্ত।

অসমলৈ আহি যিসকল বঙ্গালী, মাৰোৱাৰী, নেপালী, মৈমনসিঙ্গীয়া, শিখ, পঞ্জাবী, চাহবাগিছাৰ বণুৱা প্ৰভৃতি লোকে জীৱিকা উপাৰ্জ্জন কৰিছে, তেওঁলোকৰ

প্ৰতি আমাৰ অলপো হিংসাভাব নাই। বৰঞ্চ আমি বুজোঁ যে আজি যদি মাৰোৱাৰী ব্যৱসায়ীসকল আসামত নাথাকিলহেঁতেন, তেন্তে আসামৰ বেহাবেপাৰ বহুতো পিছ পৰি থাকিলহেঁতেন, আসামলৈ নেপালী, মৈমনসিঙ্গীয়া, শিখ, পঞ্জাবী, চাহবাগিছাৰ বণুৱা প্ৰভৃতি লোক নহা বলে আজি আসামৰ সম্পদ বহু পৰিমাণে কম হলহেঁতেন। বঙ্গালী শিক্ষক, প্ৰফেচাৰ বক্তা আদিৰ ওচৰত অসমীয়া জাতি ঋণী। কিন্তু তেওঁলোকে যদি দাবী কৰে যে তেওঁলোকে অসমীয়াৰ স্বাৰ্থৰ বিৰুদ্ধাচৰণ কৰিলেও অসমীয়াই তেওঁলোকক ভাল পাব লাগিব, অসমৰ ৰজা-ঘৰীয়া চাকৰিত আৰু ৰজাঘৰীয়া ভড়ালৰ ধনত অকল তেওঁলোক বা তেওঁলোকৰ সন্তানসন্ততি অথবা দেশৰপৰা নকৈ অহা কুটুম্ব আৰু বন্ধুবান্ধৱ সকলৰো অসমীয়াৰ সমানে অধিকাৰ থাকিব লাগিব তেনেহলে সেই ৰকমৰ দাবীত কেনেকৈ মান্তি হব পাৰি ?

অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয়, সুকীয়া হাইকৰ্ট আদি সভ্য জাতিৰ লাগতিয়াল সকলো ৰকমৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিবই লাগিব। কেৱল বিবেচনাৰ বিষয় হৈছে কিভাবে আৰু কিমান সোনকালে এই অনুষ্ঠানবোৰ আমি স্থাপিত কৰিব পাৰোঁ। অসমীয়াৰ উদ্যোগেৰে বা আনৰ সহযোগ লৈ ইন্সিওৰেঞ্চ্ কোম্পানী, ব্যাঙ্ক, কাপোৰৰ কল আৰু আন আন ৰকমৰ ব্যৱসায় যথাসম্ভৱ শীঘ্ৰে স্থাপন কৰিবলৈ চেষ্টা কৰাৰ বৰ প্ৰয়োজন হৈছে। ইউৰোপ, আমেৰিকা, জাপান আদি দেশলৈ উপযুক্ত ছাত্ৰ পঠাই, বিজ্ঞান, শিল্প আৰু ব্যবসায় শিকাই আনোৱাৰ উপায় কৰিবলগীয়া হৈছে। এইসকল বিষয়ে আপোনালোকে আলোচনা কৰি কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিব বুলি আশা কৰিলোঁ।

শ্ৰীহট্ট জিলাখন অসমৰ পৰা বিচ্ছেদ কৰাৰ বিষয়ে অসম উপত্যকাৰ কি মত তাক সকলোৱে জানিছেই। অসম উপত্যকাৰ মুছলমান ভাতৃসকলৰ ভিতৰত কিছুমানৰ মনত এই বিষয়ে যদিও আসোৱাহ আছে, তথাপি শীঘ্ৰেই তেখেত সকলৰো এই কথাত মত হব বুলি আশা কৰিব পৰা হৈছে। শ্ৰীহট্টবাসীসকলৰ ভিতৰত এই বিষয়ত যদিও মতদ্বৈধতা আছে তথাপি মোৰ বিশ্বাস যে বেছি সংখ্যাক শ্ৰীহট্টবাসীয়েই বঙ্গালী ভাষাভাষী। তেওঁলোকে মিতিৰ কুটুমসকলৰ লগলৈ যাবলৈহে প্ৰকৃততে ইচ্ছা কৰে, কেৱল অসমত থকাত ৰজা-ঘৰীয়া চাকৰি আদিত তেওঁলোকে কিছুমান বিশেষ সুবিধা পোৱা বাবেহে অসম দেশখন এৰি যাবলৈ তেওঁলোকৰ কিছুমানৰ ইচ্ছা নোহোৱা হৈছে। শ্ৰীহট্টবাসীয়ে অসমত থাকি অসম উপত্যকাৰ মানুহতকৈ বেচি সুবিধা আৰু প্ৰতিপত্তি ভোগ কৰাৰ প্ৰকৃত কাৰণ কি এই বিষয়ে অসমীয়াসকলে দকৈ ভাবি চোৱা উচিত।

সমজুৱাসকল, আপোনালোকৰ আৰু বেছি সময় নিয়াব নোখোজোঁ। সবশেষত আপোনালোকক মই অভ্যৰ্থনা সভাৰ পক্ষৰ পৰা ইয়াকে সবিনয়ে প্ৰাৰ্থনা কৰিছোঁ যে আমাৰ সকলো ত্ৰুটি আপোনালোকে মৰ্ষণ কৰি এই সভাৰ উদ্দেশ্য যাতে সফল হয় তাৰ বাবে যত্ন কৰে।

ইতি—

গুৱাহাটী
২৮।১০।৩৫ ইং

শ্ৰীকামাখ্যাৰাম বৰুৱা
অভ্যৰ্থনা সমিতিৰ সভাপতি

অসম উপত্যকা ভাৰতীয় চাহ খেতিয়ক সন্থাৰ

ডিব্ৰুগড়ত বহা প্ৰথম সাধাৰণ সভাৰ সভাপতিৰ আসনৰ পৰা স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাই দিয়া ভাষণ—

২৮ অক্টোবৰ, ১৯৩৬

সুধীবৃন্দ—

অসম উপত্যকা ভাৰতীয চাহ খেতিযক সন্থাৰ এই উদ্বোধনী সভাত সভাপতিত্ব কৰিবলৈ নিমন্ত্ৰণ জনাই আপোনালোকে মোক যি সন্মান যাচিলে, তাৰ বাবে মই আপোনালোকক ধন্যবাদ জনাইছো। এই আসনৰ বাবে মোতকৈও বেচি যোগ্য আৰু অভিজ্ঞ ব্যক্তি আপোনাসবৰ মাজতে আছে, তৎসত্বেও মোলৈ এই সন্মানৰ আসন যাচি আপোনালোকে ইযাকেই প্ৰমাণ কৰিছে যে চাহশিল্পৰ প্ৰতি আকৃষ্ট সকলো শ্ৰেণীৰ মানুহৰ সহযোগ আৰু সম্মিলিত প্ৰচেষ্টা এই শিল্পৰ অধিকতৰ উন্নতিৰ বাবে নিযোগ কৰিব পাৰি।

মোৰ বোধেৰে সন্থাৰ এই প্ৰথম অধিবেশনত আমাৰ মুখ্য আলোচনাৰ বিষয হোৱা উচিত এনে এটা অনুষ্ঠানৰ প্ৰযোজনীযতা, ইযাৰ উদ্দেশ্য আৰু ই সাধন কৰিব পৰা গঠনমূলক কাৰ্য্যসমূহ।

এইটো মোৰ দৃঢ় বিশ্বাস আৰু মই ভাবোঁ আপোনালোকো মোৰ লগত একমত হব যে চাহ-খেতিযক হিচাপে আমাৰ উদ্দেশ্য ইউৰোপীয চাহ-খেতিযক-সকলৰ সৈতে একে। তেওঁলোকৰ দৰে আমিও চাহশিল্পৰ উন্নতি হোৱাটো কামনা কৰোঁ, উন্নত কৃষিপদ্ধতি আৰু বিক্ৰয়ব্যৱস্থা বিচাৰো আৰু চাহশিল্পৰ মালিক আৰু কৰ্ম্মীসকলৰ প্ৰতি চৰকাৰ সহানুভূতিশীল হোৱাটো ইচ্ছা কৰোঁ। এইটো সকলোৱে জানে যে প্ৰথমে ইউৰোপীয সকলেই অসমত তথা ভাৰতত চাহ খেতি আৰম্ভ কৰে। আৰু এই শিল্পৰ উন্নতিৰ হকে তেওঁলোকে যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। তেওঁলোকৰ ধৈৰ্য্য আৰু দৃঢ় মনোবল সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁলোকৰ এই প্ৰচেষ্টাৰ সুফল এতিযা আমি সকলোৱে ভোগ কৰিছোঁহক। চাহশিল্পৰ উন্নতিৰ দ্বাৰা অসমেই কেৱল নহয, সমস্ত ভাৰতবৰ্ষই উপকৃত হৈছে। তেওঁলোকৰ এই কৃতিত্ব সম্পৰ্কে মই মাথো এই কথা উল্লেখ কৰিব খোজোঁ—সেযে হৈছে বাগিছাৰ সম্প্ৰসাৰণ, চাহৰ উৎপাদন আৰু ৰপ্তানি নিয়ন্ত্ৰণৰ আঁচনি। মই ভাবো এই আঁচনিৰ অবিহনে চাহশিল্পৰ অৱস্থা অতি শোচনীয় হ'লহেতেন।

সেয়েহে মই কব খোজোঁ যে চাহশিল্পসংক্রান্ত বিষযবোৰত আমাৰ আৰু ইউৰোপীয় খেতিয়কসকলৰ স্বার্থ মূলতে একেই আৰু এই শিল্পৰ উন্নতিৰ হ'কে আমি উভয়ে উভয়ৰ লগত সহযোগ কৰিব লাগিব।

ইযাৰ পিছতেই স্বাভাবিকতে যিটো প্রশ্ন মনত উদয় হব খোজে সেইটো হ'ল এই যে "ভাৰতীয় চাহ সন্থা"ৰ দৰে সুপৰিচালিত আৰু কার্য্যদক্ষ অনুষ্ঠান এটি থাকোতেও একে ধৰণৰে অন্য এটা অনুষ্ঠানৰ প্রযোজন কি? আমি যে সন্মিলিত হৈছোঁ, তাতেই ইযাৰ উত্তৰ নিহিত আছে। কিবা এটাৰ অভাব যেতিয়া অনুভব কৰা যায়, তেতিযাই সি প্রযোজনীয় হৈ পৰে। আমি দেশীয চাহ-খেতিযক-সকল "ভাৰতীয চাহ সন্থাৰ" দ্বাৰা বিশেষ ভাবে উপকৃত হব পৰা নাই—এনে এটা ধাৰণাৰ বশৱর্ত্তী হৈযেই আমি ইয়াত সমবেত হৈছোঁহঁক। ইয়াৰ অর্থ এইটো নহয় যে দেশীয খেতিযকসকল "ভাৰতীয চাহ সন্থা"ত অৱহেলিত হৈছে। আন-হাতে এইযাৰ কথাও সঁচা যে বাস্তৱ ক্ষেত্রত দেশীয আৰু ইউৰোপীয খেতিয়ক-সকলৰ মাজত যথেষ্ট পৰিমাণে অর্থনৈতিক আৰু ৰাজনৈতিক বৈষম্য আছে।

ভাৰতীয চাহ-খেতিযকৰ সংখ্যা ইউৰোপীয চাহ-খেতিযকৰ তুলনাত যথেষ্ট কম, আৰু তাতোকৈ ডাঙৰ কথা, ভাৰতীয খেতিযকৰ এই বাগিছাবোৰ বৰ সৰু সৰু। স্বাভাবিকতে "ভাৰতীয চাহ সন্থা"ই এই ইউৰোপীযবোৰৰ বৃহৎ বাগিছা-বোৰৰ স্বার্থৰ হে প্রতিনিধিত্ব কৰে। এনে বাগিছাৰ কর্ম্মকর্ত্তাসকলে সৰু সৰু ভাৰতীয বাগিছাসমূহে সন্মুখীন হবলগীযা অসুবিধা আৰু সমস্যাসমূহৰ কথা বুজি নাপায। বহু বিষযত মিল থাকিলেও, বৃহৎ আকাৰ দৈত্য এটাই বাওনা এটাৰ অসুবিধা বুজি পাব নোৱাৰে। দৰিদ্রৰ প্রতি সহানুভূতি যিমানে নাথাকক কিয়, এজন পুঁজিপতিযে দৰিদ্রজনৰ প্রকৃত দুখ কেতিযাও অনুভৱ কৰিব নোৱাৰে। উদাহৰণ স্বৰূপ, "ভাৰতীয চাহ সন্থা"ই ইউৰোপীয গৰাকী স্বত্বৰ বৃহৎ বাগিছাবোৰৰ সৈতে আমাৰ ক্ষুদ্র বাগিছাবোৰক একে পর্যাযতে বিবেচনা কৰা কথাটোলৈকে মই আঙুলিযাব খোজোঁ। আপোনালোকে আৰু জানে যে চাহ উৎপাদন নিয়ন্ত্রণৰ আঁচনিক্রমে এখন বাগিছাৰ উচ্চতম উৎপাদন ক্ষমতা নির্দ্ধাৰণৰ বাবে এই সন্থাই ১৯২৯ৰ পৰা ১৯৩২ লৈ এই চাৰিবছৰৰ উৎপাদনৰ হিচাব ধৰিছে। সৰু সৰু বাগিছাবোৰক এই ব্যৱস্থাই বৰকৈ সহায নকৰে। ১৯২৯ চনৰ আগৰে পৰা যি চাহ-সংকটে দেখা দিযে সি স্ব-প্রণোদিত নিযন্ত্রণ প্রৱর্ত্তন নকৰালৈকে ১৯৩৩ চনলৈ চলে। উক্ত চাৰিবছৰৰ ভিতৰত সবাতোকৈ ক্ষতিগ্রস্ত হ'ল ভাৰতীয় মালিকৰ সৰু সৰু বাগিছাসমূহ, অর্থসংকটৰ সন্মুখীন হৈ বহুতে বাগিছা এৰিবলগীয়া অৱস্থাত

পৰিছিল। কিন্তু ইউৰোপীয় মালিকৰ ডাঙৰ ডাঙৰ বাগিছাবোৰ তেওঁলোকৰ ভবিষ্যনিধি (ৰিজাৰ্ভ ফণ্ড) থকা বাবে এই অৰ্থ সংকটৰ সন্মুখীন হবলগীয়া নহ'ল। ফল স্বৰূপে উচ্চতম উৎপাদন ক্ষমতাৰ ভিত্তিত ভাৰতীয় চাহ সন্থাই আগবঢোৱা সাহায্য সৰু সৰু বাগিছাবোৰে নাম মাত্ৰহে পালে। সৰহাংশ লাভ কৰিলে ইতিমধ্যেই উন্নত ডাঙৰ ডাঙৰ বাগিছাবোৰে। এনে এক পক্ষীয় আইনৰ প্ৰৱৰ্ত্তকসকলক মই দোষাৰোপ কৰিব নোখোজোঁ, কিন্তু এইষাৰ কথা সঁচা যে ভাৰতীয় মালিক-সকলৰ সৰু সৰু বাগিছাবোৰৰ প্ৰকৃত অৱস্থা তেওঁলোকে নাজানে। এই বাগিছা-সমূহৰ বিশেষ প্ৰযোজনীযতাৰ আৰু বহুতো উদাহৰণ দিব পাৰি—যিবোৰৰ প্ৰতি ভাৰতীয় চাহ সন্থা আৰু চৰকাৰ উভযে মনযোগ দিয়া উচিত। এই বিষয়ে আমিও কৰিবলগীযা বহুত আছে। আমি সজাগ হব লাগিব আৰু আমাৰ দাবি-সমূহ উপযুক্ত মহলত উত্থাপন কৰিব লাগিব। তাৰ বাবেই আমি এনে এক অনুষ্ঠানৰ জৰিযতে ঐক্যবদ্ধ হব লাগিব।

আমি গঠন কৰা এই সন্থাই আমাৰ আথিক স্বাৰ্থহে যে পূৰণ কৰিব তেনে নহয়, আমাক সংঘবদ্ধ হোৱাৰ সুযোগ দি আমাৰ মাজত সম্প্ৰীতিৰ ভাব গঢি তোলাৰ উপৰিও এই সন্থাই আমাৰ মঙ্গলৰ কাৰণে আৰু দেশৰ মঙ্গলৰ কাৰণে কাম কৰিবলৈ আমাক নৈতিক বল যোগাব।

মোৰ বোধেৰে আমাৰ এই সন্থাৰ উদ্দেশ্য হোৱা উচিত—(১) সামগ্ৰিক ভাবে চাহ খেতিযক শ্ৰেণীৰ স্বাৰ্থৰ হকে কাম কৰা আৰু (২) বিশেষ ভাবে অসম উপত্যকাৰ দেশীয চাহখেতিযকসকলৰ স্বকীয স্বাৰ্থ পূৰণৰ হকে কাম কৰা। অন্যান্য সন্থাৰ লগত পাৰস্পৰিক সহযোগিতাৰ যোগেদি চাহশিল্পৰ উন্নতিৰ হকে কাম কৰাটো আমাৰ মুখ্য উদ্দেশ্য হব লাগিব।

আমাৰ এই উদ্দেশ্য সাধনৰ বাবে তলত উল্লেখ কৰা কথা কেইটালৈ বিশেষ মনযোগ দিযা উচিত বুলি মই বিবেচনা কৰোঁ—

(১) সন্থাৰ সভ্যসকলৰ মাজত আৰু চাহখেতিয়কসকলৰ মাজত সংঘ-বদ্ধতা আৰু সহযোগিতাৰ ভাবৰ উদগণি দিয়া।

মোৰ বোধেৰে আমি প্ৰথমেই মনযোগ দিবলগীয়া ই এটি গুৰুত্বপূৰ্ণ বিষয়। আমাৰ জাতীয় আৰু ৰাষ্ট্ৰীয় জীৱনতো পাৰস্পৰিক বুজাবুজি আৰু সহানুভূতিৰ অভাৱতেই আমি পৰাজয আৰু দুৰ্ভাগ্যৰ সন্মুখীন হবলগীয়া হওঁ। অইনৰ দোষ খুচৰি উলিওৱাত আমি সদায়ে সিদ্ধহস্ত, কিন্তু ই যে আমাৰ উদ্দেশ্য সাধনত একো সহায় নকৰে সেই কথা আমি ভাবি নেচাওঁ। দায়িত্বহীন সমালোচনাই কেৱল আমাৰ মাজত ভুল বুজাবুজি, অনৈক্য আৰু তিক্ততাৰ সৃষ্টি কৰে। আমি

সকলোৰে একেলগ হৈ খোলাখুলিকৈ আলোচনাত বহিব পৰা সুবিধাৰ সীমাৰদ্ধতাৰ কাৰণেও এনে অৱস্থাৰ সৃষ্টি হয়।

আমাৰ এই সন্থাই সময়ে সময়ে লগ হৈ আলোচনা কৰাৰ আমাক সুযোগ দিব।

(২) আলোচনাৰ যোগেদি চাহখেতিয়কসকলৰ মাজত দেখা দিয়া বিবাদ আৰু মতানৈক্যৰ সমাধানৰ সুযোগ দিয়া।

(৩) চাহ উৎপাদনৰ উন্নতি আৰু বিক্ৰীৰ সা-সুবিধা বৰ্দ্ধনৰ বাবে অন্যান্য সমগোত্ৰীয় অনুষ্ঠানৰ লগত সততে সংযোগ ৰক্ষা কৰা।

(৪) চৰকাৰৰ লগত বিশেষতঃ চাহশিল্পসংক্ৰান্ত বিষয়ত সততে সংযোগ ৰক্ষা কৰা।

(৫) ইয়াৰ সভ্যসকলৰ চাহশিল্পসম্পৰ্কীয় তথ্যপাতি আৰু খা-খবৰৰ যোগান ধৰা।

এই সন্থাই কৃষি আৰু বাণিজ্য সম্পৰ্কীয়, বিশেষকৈ চাহশিল্পসম্পৰ্কীয় আলোচনাৰে সমৃদ্ধ এখন ত্ৰৈমাসিক আলোচনী অসমীয়াতে উলিয়াবৰ দিহা কৰাতো উচিত হব। আমাৰ মতামত প্ৰকাশৰ বাহন হিচাবেও এনে এখনি আলোচনীৰ প্ৰয়োজন। সাধাৰণ পাঠক আৰু চাহবাগিছাৰ কৰ্ম্মচাৰীসকলৰ বাবে চাহ-উৎপাদনৰ আধুনিক পদ্ধতি আৰু সাৰ প্ৰয়োগ ইত্যাদি বিষয়ৰ আলোচনা পুস্তিকাও প্ৰকাশ কৰিব লাগে। এনে আলোচনী আৰু পুস্তিকাই আমাৰ নিজৰ ভাষা সাহিত্য চহকী কৰাৰ উপৰিও সৰ্ব্বসাধাৰণক বৈজ্ঞানিক সংবাদ তথা চিন্তা চৰ্চ্চাৰ খোৰাক যোগাব। আজিকালি কেৱল মুষ্টিমেয় ইংৰাজী জনা মানুহৰ বাবে এই জ্ঞান সীমাবদ্ধ হৈ আছে।

(৬) আমাৰ দেশৰ উঠি অহা যুবকসকলক চাহবাগিছাত কাম কৰিব পৰাকৈ অৰ্হতা দিব পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

নিবনুৱা সমস্যা—বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ মাজত অতি প্ৰকট হৈ আহিছে। আনহাতে বাগিছাত কাম কৰিবলৈ উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত মানুহৰো অভাব। মই ভাবো আমাৰ যুবকসকলক চাহবাগিছা পৰিচালনাৰ বিভিন্ন দিশত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হাতত লোৱা হলে এফালে আমিও উপকৃত হম আৰু আনহাতে আমাৰ সমাজৰ প্ৰতিও এক গুৰু দায়িত্ব পালন কৰা হব।

(৭) চাহবাগিছাৰ বনুৱাৰ উন্নতি সাধন।

বনুৱা সমস্যা বহুল দৃষ্টিত এক আন্তৰ্জ্জাতিক সমস্যা, কিন্তু সকলো দেশতেই এই সমস্যা আছে। প্ৰচলিত আইন কানুন আৰু সামাজিক গাঁথনিৰ লগত মূলতঃ

এই সমস্যা জড়িত। আৰু বুদ্ধিজীৱি আৰু পুঁজিপতিৰ পৰা সৰ্ব্বসাধাৰণলৈ সকলোকে ই স্পৰ্শ কৰে। এটা জাতিৰ এক বৃজন সংখ্যক এই বনুৱাসকলক শিক্ষা-দীক্ষা আৰু জীৱনধাৰণৰ এক নিম্নতম মানদণ্ডৰ সা-সুবিধা দিয়াতো আমাৰ অৱশ্য কৰ্ত্তব্য। ইউৰোপীয় দেশসমূহত পুঁজিপতি আৰু শাসকগোষ্ঠী আৰু অৰ্দ্ধ-নগ্ন অৰ্দ্ধাহাৰী শ্ৰমিক জনতাৰ মাজৰ সংঘৰ্ষই ৰাষ্ট্ৰৰ লাইখুটাকে কঁপাই তোলাৰ উপক্ৰম হৈছে। ভাৰতবৰ্ষতো বনুৱা সমস্যাই লাহে লাহে এক জটিলৰূপ ধাৰণ কৰি আহিছে। এই সম্পৰ্কীয় বৃহৎ সমস্যাবোৰৰ কথা বাদ দিও, চাহবাগিছাৰ বনুৱাসকলক শিক্ষা-দীক্ষাৰ ব্যৱস্থা কৰি দিয়া আৰু কায়িক শ্ৰমৰ প্ৰতি বিমুখ নকৰাকৈ জীৱনধাৰণৰ মানদণ্ডৰ উন্নতি সাধনৰ প্ৰচেষ্টা কৰাটো আমাৰ কৰ্ত্তব্য। আমাৰ বনুৱাসকলে যথেষ্ট পৰিমাণেই মজুৰি পায়, কিন্তু প্ৰায় সকলোখিনিয়েই তেওঁলোকে মদত উৰাই দিযে, শিক্ষা-দীক্ষাৰ তেওঁলোকৰ অভাৱ। তেওঁলোকৰ অৱস্থাৰ উন্নতি আৰু কাৰ্য্যদক্ষতা বৃদ্ধি কৰাটো আমি আমাৰ পবিত্ৰ কৰ্ত্তব্য হিচাপে গ্ৰহণ কৰিব লাগিব।

(৮) চাহবাগিছাসমূহক বিত্তীয় সা-সুবিধা যোগান আৰু চাহখেতিযক-সকলক বেঙ্কৰ সুবিধা দান।

যোৱা চাহসংকটৰ সময় চোৱাত সৰু-ডাঙৰ সকলো বাগিছাই সমস্যাৰ সন্মুখীন হৈছে, কিন্তু সৰু বাগিছাবোৰৰ দুৰ্য্যোগ সঁচাই পুতৌলগা। কলিকতা আৰু অন্যান্য বৃহৎ বিত্তীয় অনুষ্ঠানবোৰে আমাৰ বাগিছাসমূহক দূৰত অৱস্থিত বুলি আৰু সততে চকু ৰাখিব নোৱাৰিব বুলিযেই কোনো সহায় আগবঢাব নোখোজে। ফলস্বৰূপে বহুতো বাগিছাই এনে সাহায্য লাভৰ পৰা বঞ্চিত হ'ল। বহুতে আকৌ একেবাৰেই বাদ দিবলগীয়া অৱস্থাত পৰে। আমি যদি ইয়াতে স্থানীয়ভাবে বেঙ্ক আৰু অন্যান্য বিত্তীয় অনুষ্ঠান পাওঁ, তেনেহলে বহু পৰিমাণে এই দুৰ্য্যোগৰ হাত সাৰিব পৰা হয়। স্থানীয়ভাবে চাহখেতিযকসকলৰ এটা বেঙ্ক খোলাৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল, ৰাজ্যৰ বাহিৰৰ পৰাও বিত্তীয় সাহায্য পোৱাৰ এটা আশা দেখা দিছিল। অসম চৰকাৰৰ ওচৰ চপাত সুনিৰ্দিষ্ট ৰূপত দাখিল কৰা কোনো প্ৰস্তাব পালে সহাযতা আগবঢাবৰ কাৰণে অনুকূল বিবেচনা কৰা হব বুলি আশ্বাস দিছিল। কিন্তু শেষ পৰ্য্যন্ত এই আঁচনি কাৰ্য্যত ৰূপায়িত নহ'ল। চাহ নিযন্ত্ৰণ আঁচনিৰ ফলস্বৰূপে চাহশিল্পৰ আংশিকভাৱে পুনৰুদ্ধাৰ হোৱাত, কথাটো একেবাৰেই তল পৰিল। এইটো বৰ দুখৰ কথা, এই অঞ্চলৰ চাহখেতিযকসকলৰ এটা বেঙ্ক নাই—ভৱিষ্যতে এনে আঁচনি নিষ্ঠাৰে হাতত ললে কৃতকাৰ্য্য হব বুলি মোৰ দৃঢ় বিশ্বাস।

সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিভিন্ন মতাবলম্বী লোক আমাৰ এই সন্থাত আছে। কিন্তু এই সন্থাই কোনো বিশেষ ৰাজনৈতিক দলৰ দলীয় নীতি গ্ৰহণ কৰিব নোৱাৰে, নতুবা সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰত কোনো পূৰ্ব্বনিৰ্দিষ্ট মতকে ধৰি থাকিব নোৱাৰে। বিভিন্ন মত, আনকি উপমত আৰু ব্যক্তিগত মতামতৰ প্ৰতি সহনশীলতাই আমাৰ নীতি হব লাগিব, সংখ্যালঘু ক্ষুদ্ৰ সম্প্ৰদায়ৰ মতামতকো সহানুভূতিৰে বিবেচনা কৰিব লাগিব। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এই মতবোৰৰ প্ৰতি সহানুভূতিপূৰ্ণ বিবেচনা কৰাই আমাৰ উচিত।

আমাৰ এই লক্ষ্যসমূহত আংশিক ভাবেও উপনীত হব লাগিলে বিশেষ দুটা বস্তুৰ বৰ প্ৰযোজন মানুহ আৰু অৰ্থ। আত্মবিশ্বাস আৰু নিষ্ঠাৰে আগবাঢ়ি অহা এনে এদল কৰ্ম্মী আমাৰ প্ৰয়োজন যিসকলে সাহসেৰে সকলো প্ৰকাৰৰ সমালোচনা আৰু নিৰুৎসাহৰ সন্মুখীন হব পাৰিব আৰু সাহসেৰে সমুখৰ বাধা-বিঘিনি অতিক্ৰম কৰিব পাৰিব। দৰমহা খোৱা কৰ্ম্মীৰে সন্থাৰ নিযমীয়া কাৰ্য্যালয় এটাও আমাক লাগিব। অফিচ আৰু ইযাৰ নিযমীয়া কাম-কাজৰ বাবে এটি পুঁজিৰো দৰ্কাৰ। অৰ্থ আৰু কৰ্ম্মী দুয়োটাই পৰস্পৰ নিৰ্ভৰশীল, বিশ্বাস জন্মাব পৰা কৰ্ম্মী আগবাঢ়ি আহিলে পুঁজি সহজেই সংগ্ৰহ হব আৰু অৰ্থৰ অভাব নেথাকিলে সমৰ্থবান আৰু যোগ্য ব্যক্তি সন্থাৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহিব। সকলো কথাৰে আৰম্ভণিটোহে টান আৰু সেই বাবেই আমি আশা, উৎসাহ আৰু আত্মবিশ্বাসেৰে অগ্ৰসৰ হব লাগিব।

অসম উপত্যকাৰ চাহখেতিযকসকলৰ মাজতে প্ৰতিভাবান ব্যক্তি আছে, উচ্চ পৰিযালৰ পৰা অহা শিক্ষিত আৰু সংস্কৃত ব্যক্তি আছে, উৎসাহী আৰু কাৰ্য্যক্ষম ব্যৱসায়ী আছে, আপোন চৰিত্ৰ বলত নিজকে প্ৰতিষ্ঠা কৰা ব্যক্তি আছে, ধন আৰু প্ৰভাৱ থকা ব্যক্তি আছে, সমাজহিতৈষী ব্যক্তিও আছে। নিজৰ আৰু দহৰ উপকাৰৰ অৰ্থে তেওঁলোকে কৰোঁ বুলিলে—বহুখিনি কৰিব পাৰে। ভৱিষ্যত সম্পৰ্কে সন্দিহান হোৱাৰ অথবা ইতঃস্ততঃ কৰাৰ সকাম নাই। আশা আৰু উৎসাহেৰে সৰ্ব্বান্তঃকৰণে আমি কামত লাগি যাওঁহক। আত্মবলেই পৰম বল—আৰু ভগৱন্তই তেওঁলোককে সহায় কৰে।

———

ছাত্র সন্মিলনীৰ সভাপতিৰ অভিভাষণ

যি পৰমেশ্বৰৰ লীলাত এই জগতৰ সৃষ্টি, স্থিতি, লয় হয়, যিজন সকলো উন্নতিৰ বিধাতা আৰু যিজন মঙ্গলময় তেওঁৰ নাম স্মৰণ কৰি আজিৰ কৰ্ত্তব্য আৰম্ভ কৰা যাওক।

ছাত্ৰ সন্মিলনীৰ সভ্যসকল, আপোনালোকে আজিৰ সভাত মোক সভাপতিৰ আসন দি মোক সবিশেষ ৰূপে সন্মানিত কৰিছে, সেই বাবে মই আপোনালোকৰ শলাগ লওঁ। কিন্তু এই পদৰ বাবে বহুত মোতকৈ বেছি উপযুক্ত ও কৃতবিদ্য লোক থকাপ সত্তেও মোৰ নিচিনা এজনক আপোনালোকে আজিৰ সভাপতিৰ পদ দিয়াত মই আপোনালোকৰ বিচাৰ বুদ্ধিৰ প্ৰশংসা কৰিব নোৱাৰিলোঁ। মোৰ ওপৰত আপোনালোকে আজি এই ভাৰ দিয়াৰ ফলত সভাৰ কাৰ্য্যত যিবিলাক ত্ৰুটি হব তাৰ বাবে দায়ী বিশেষ ভাবে আপোনালোকেই হব। মোৰ অযোগ্যতা স্মৰণ কৰি মই ভাৰ গ্ৰহণ কৰিবলৈ নিতান্ত কুণ্ঠিত আছিলো, কিন্তু আপোনালোকৰ অনুৰোধ এৰোৱা টান, গতিকে মই আজি এই ভাৰ ববলৈ যথাসাধ্য চেষ্টা কৰিবলৈ বাধ্য হৈছো। মোৰ অযোগ্যতা আৰু ত্ৰুটি আপোনালোকে ক্ষমা কৰিব।

মই যে আজি আপোনালোকক কিবা নতুন উপদেশ দিম বা কোনো নতুন বিষয়ৰ আলোচনা কৰি আপোনালোকৰ প্ৰীতি জন্মাম এনে আশা মোৰ নাই। ছাত্ৰ-জীৱনৰ লক্ষ্য আৰু কৰ্ত্তব্য বিষয়ে কোনো কোনো কথা আলচ কৰি আপোনালোকৰ লাগতিয়াল কিছুমান কথা আপোনালোকক সোঁৱৰাই দি আপোনালোকৰ যদি অলপো সহায় কৰিব পাৰোঁ তেনেহলেই মোৰ চেষ্টা সফল হল বুলি মই জানিম।

প্ৰথমে ছাত্ৰজীৱনৰ লক্ষ্য কি হোৱা উচিত এই বিষয়ে মই দু'আষাৰ-মান কথা কব খোজোঁ। কেবল লক্ষ্যটো ঠিক কৰি লব পাৰিলে আমি কি কাম কৰিব লাগিব কেনেকৈ চলিব লাগিব এই বিলাক সহজে স্থিৰ কৰিব পৰা হয় আৰু সফলতা লাভ কৰিবলৈ আমাৰ কৰ্ম সুফল হয়।

ছাত্ৰজীৱনৰ লক্ষ্য কি? এই প্ৰশ্নটোৰ সাধাৰণতঃ বেলেগ বেলেগ মানুহে বেলেগ বেলেগ উত্তৰ দিব। কোনোৱে কব, লেখাপঢা শিকাই ছাত্ৰজীৱনৰ লক্ষ্য, কোনোৱে কব চাকৰি কৰা বা ভবিষ্যতে টকা আৰ্জ্জন কৰিবলৈ সামৰ্থ্য লাভ কৰাই ছাত্ৰজীৱনৰ উদ্দেশ্য, কোনোৱে কব জ্ঞান অৰ্জ্জাই ইয়াৰ লক্ষ্য, কোনোৱে কব সৎ অসৎ, ভাল বেয়া বুজিব পৰা হৈ নৈতিক উন্নতি লাভ কৰাটোৱেই

মুখ্য উদ্দেশ্য। আচল কথা হৈছে এই—মানুহে যি বস্তুটোকে জীৱনত বেছি দৰকাৰী বুলি ভাবে ছাত্ৰজীৱনত তাকেই প্ৰধান লক্ষ্য কৰিব লাগে বুলি ভাবে। এইৰূপে বেলেগ বেলেগ কালত বেলেগ বেলেগ জাতিত আৰু সমাজত ছাত্ৰজীৱনৰ উদ্দেশ্য বেলেগ বেলেগ হৈ আহিছে। অসভ্য জাতি বিলাকৰ মাজত সিহঁতৰ লৰাবোৰে ভালকৈ চিকাপ কৰিব পৰা হলে আৰু যুদ্ধবিদ্যাত পাৰ্গতালি লাভ কৰিলেই সিহঁতৰ ভাল শিক্ষা হোৱা বুলি ভাবে। তেনেকৈ বাণিজ্য-ব্যৱসাযত মাৰোৱাৰী সমাজৰ লৰাই হিচাপ কিতাপ লেখিব পৰা হৈ ব্যৱসায় চলাবলৈ নিপুণতা লাভ কৰিলেই ভাল শিক্ষা হোৱা বুলি ভাবে। তেনেকৈ অসমীয়া আৰু বঙ্গালী সমাজত লৰাই ভবিষ্যতে চাকৰী কৰিবৰ আশাৰে প্ৰায মানুহে লৰাক স্কুললৈ পঠায়। এতিযা আমি ভাবি ঠিক কৰিবলগীয়া হৈছে ছাত্ৰই কোনটো উদ্দেশ্য আগত ৰাখি তেওঁলোকৰ জীৱন গঢিবলৈ চেষ্টা কৰিব।

মোৰ মনেৰে ওপৰত কোৱা কোনো উদ্দেশ্যই অকলে ছাত্ৰজীৱনৰ লক্ষ্য হোৱা অনুচিত। আপোনালোকৰ বহুতে বোধহয এটা গল্প শুনিছে যে কেজন-মান কণা মানুহে হাতী বোলা বস্তুটোনো কেনেকুৱা তাকে জানিবলৈ ইচ্ছা কৰি এটা হাতীৰ ওচৰলৈ গ'ল। আৰু খেপিযাই গৈ গৈ এজনে হাতীৰ শুঁডডাল লগ পালে, আন এজনে ভৰি এখনত হাত বুলাই চালে, আৰু আন এটাই হাতীৰ নেজডাল লাৰি চাই গুচি আহিল। সিহঁতে উভতি অগাৰ পিছত হাতীনো কেনেকুৱা এই কথা সোধাত যিজনে হাতীৰ নেজ লাৰিছিল সি কলে বোলে হাতী প্ৰায জৰী এডালৰ নিচিনা, যি হাতীৰ ভৰি পিহিছিল সি কলে বোলে হাতীটো এটা মোটা খুটাৰ দৰে, যিটোৱে হাতীটোৰ শুঁডত হাত বুলাইছিল সি কলে কোঁচ খুৱাব পৰা এডাল ডাঙ্গৰ নলীৰ নিচিনা। এই অন্ধ মানুহ কিজনে হাতীৰ যি বৰ্ণনা দিলে সেই বৰ্ণনা একেবাৰে মিছাত নহয, অথচ হাতীৰ প্ৰকৃত বৰ্ণনাও নহয। তেনেকৈ ছাত্ৰজীৱনৰ ওপৰত লিখা বেলেগ বেলেগ উদ্দেশ্যবোৰ ছাত্ৰজীৱনৰ উদ্দেশ্য নহয বুলি কবও নোৱাৰি আৰু তাৰে অকল এটাই ছাত্ৰ-জীৱনৰ উদ্দেশ্য হবও নোৱাৰে। আমাৰ প্ৰত্যেকৰে জীৱনত বহুতো বস্তু লাগে। ধন লাগে, জ্ঞান লাগে, শান্তি লাগে, ধৰ্ম্ম লাগে, বিদ্যা লাগে, শাৰীৰিক বল লাগে, ৰূপ লাগে, স্বাস্থ্য লাগে ইত্যাদি বহুত বহুত বস্তু লাগে। তাক এৰি, আমি সমাজত বাস কৰোঁ, সেই কাৰণে সামাজিক উন্নতি লাগে, জাতীয উন্নতি লাগে, দেশৰ উন্নতি লাগে, যি শিক্ষাই এই সকলোবোৰ দিব পাৰে সেই শিক্ষাই প্ৰকৃত শিক্ষা; আমাক তেনেকুৱা শিক্ষাহে লাগে। কিন্তু যি শিক্ষাই ধন আৰ্জিব শিকাওঁতে ধৰ্মৰ পিনে হেলা কৰিবলৈ শিকায বা ধৰ্ম্ম আচৰণ কৰিবলৈ শিকাওঁতে শাৰীৰিক

২৪

স্বাস্থ্য নষ্ট কৰিবলৈ উৎসাহ দিয়ে, বা যুদ্ধবিদ্যা শিকাওঁতে ক্রূৰতা বা জাতি-হিংসাৰ প্রশ্রয় দিয়ে সি কেতিয়াও মঙ্গলজনক হব নোৱাৰে। এতেকে যি ছাত্রই দিনেৰাতিয়ে নেৰানেপেৰাকৈ কিতাপ পঢ়ি নিজৰ স্বাস্থ্য নষ্ট কৰে তেওঁৰ জ্ঞানস্পৃহা বা পাঠানুৰক্তি প্রশংসনীয় হলেও তেওঁৰ আচৰণ আদর্শস্থানীয় নহয়।

ইয়াৰ পৰা ইযাকে বুজা যায় যে আমাৰ আদর্শ হোৱা উচিত সম্পূর্ণ মনুষ্যত্বৰ বিকাশ বা মানব চৰিত্রৰ সম্পূর্ণতা।

এই আদর্শৰ অনুসৰণ কৰিব লাগিলে আমি কি কি কথা মনত ৰাখিব লাগে তাক চোৱা যাওক। শৰীৰ, মন আৰু আত্মা এই তিনিটা লৈ মানুহ হৈছে। গতিকে এজন মানুহৰ সম্পূর্ণ উন্নতি বুলিলে আমি তেওঁৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতি বুজোঁ। এই তিনিবিধ উন্নতিৰ ভিতৰত শাৰীৰিক, মানসিক এই দুই বিষয়ে আৰু আধ্যাত্মিক উন্নতিৰ ভিতৰত নৈতিক উন্নতিৰ বিষয়ে আমি সকলোৱে আলোচনা কৰিব পাৰোঁ। আধ্যাত্মিক উন্নতিৰ যি ভাগৰ ঈশ্বৰৰ ভক্তি, ঈশ্বৰৰ পূজা প্রভৃতিৰ লগত সম্পর্ক সেই বিষয়ে নানাৰূপে মতভেদ হব পাৰে গতিকে সাধাৰণ ভাবে তাৰ আলোচনা হব নোৱাৰে।

তেনেহলে আমি এতিযা ইযাকে পালোঁ যে প্রত্যেক মানুহৰ শাৰীৰিক, মানসিক আৰু নৈতিক উন্নতি কৰাই জীৱনৰ কর্ত্তব্য আৰু ছাত্রাৱস্থাতো এই লক্ষ্য আগত ৰাখি কার্য্য কৰিব লাগে।

শাৰীৰিক উন্নতিৰ নিমিত্তে নিয়মিত আহাৰ, উপযুক্ত ব্যায়াম, সৎ আচাৰ, সৎ চিন্তা, মনৰ প্রফুল্লতা আৰু স্বাস্থ্যৰক্ষাৰ কাৰণে অন্যান্য যি বিলাক নিয়ম আছে সেই নিয়মবিলাকৰ পালন আৱশ্যকীয়।

আমাৰ ভাৰতবর্ষৰ পুৰণি কালৰ মুনি আৰু ঋষিসকলে স্নান-আহাৰ, আচাৰ-ব্যৱহাৰৰ যিবিলাক নিয়ম বান্ধি থৈ গৈছিল মানুহৰ শাৰীৰিক, মানসিক আৰু নৈতিক উন্নতিযেই সেইবিলাকৰ উদ্দেশ্য আছিল। কিন্তু আমাৰ জাতীয় অৱনতিৰ লগে লগে সেইবিলাকৰ প্রকৃত মর্ম্ম আমি বুজিব নোৱাৰিছিলোঁ। গতিকে সেই নিয়মবিলাক আমি বহুত সময়ত উদ্দেশ্যৰ বিপৰীতে ব্যৱহাৰ কৰি আহিছোঁ।

আমাৰ দেশৰ মানুহে এতিযালৈকে শাৰীৰিক উন্নতিৰ বিষয়ে সম্পূর্ণ উদাসীন থকা দেখা যায়। কিন্তু শৰীৰৰ স্বাস্থ্যৰ ওপৰত জীৱনৰ সফলতা বহুত পৰিমাণে নির্ভৰ কৰে। কার্য্যক্ষম সবল সুস্থ শৰীৰ থাকিলে মানসিক আৰু আধ্যাত্মিক চর্চ্চাৰো বহুত সুবিধা হয়। এই কাৰণেই আজিকালি ইউৰোপ আমেৰিকা প্রভৃতি দেশৰ অধিবাসীবিলাকৰ ভিতৰত বিদ্যাৰ চর্চ্চা কৰে। তেওঁলোকে দীর্ঘ জীৱন লাভ কৰি আৰু নিৰোগ সতেজ শৰীৰ লৈ জ্ঞান-বিজ্ঞান প্রভৃতিৰ

বিশেষ উন্নতি কৰিবলৈ সমৰ্থ হয়। আমাৰ দেশত আজিকালি অধিকাংশ মানুহে বিশ্ববিদ্যালয়ৰ বি, এ, , এম, এ, পৰীক্ষা পাচ কৰাৰ লগে লগে ভগ্নস্বাস্থ্য, নিৰুৎসাহ আৰু উদ্যমহীন হৈ জ্ঞান চৰ্চ্চা এৰি দিবলৈ বাধ্য হয়। ইঞ্জিনিয়াৰিং, বনবিভাগ প্ৰভৃতিৰ কঠিন শ্ৰমসাধ্য কাৰ্য্য কৰিবলৈ আমাৰ অতি অলপ সংখ্যক মানুহে কেৱল সমৰ্থ হয়। সৈনিক বিভাগত কাম কৰিবলৈ আমাৰ দেশৰ উচ্চ জাতিৰ মানুহ পোৱাই টান হব। জাহাজ চলোৱা কামত আমাৰ দেশৰ মানুহ নায়েই। আমি "স্বৰাজ্য" পোৱাৰ পিচতো অন্য দেশৰ পৰা মানুহ অনাই এইবোৰ কাম কৰাব লাগিব নে? ছাত্ৰসকল, এতিয়াও আপোনালোকে শাৰীৰিক উন্নতিৰ পিনে বিমুখ থকা নিতান্ত গৰ্হিত কাম হব।

দ্বিতীয়তে: হৈছে মানসিক শিক্ষা। আমাৰ এই শিক্ষাই বৰ্ত্তমানত অন্য শিক্ষাতকৈ বেচি প্ৰচলিত আছে। কিন্তু তথাপি যি পৰিমাণে আৰু যি প্ৰকাৰৰ শিক্ষা আমাক লাগে তেনে ৰূপ এতিয়াও নাই। এই বিষয়ে মই বেছি আলোচনা কৰিব নোখোজোঁ। কাৰণ বৰ্ত্তমান শিক্ষা প্ৰণালীৰ সবিশেষ সমালোচনা কৰা মোৰ উদ্দেশ্য নহয়। কিন্তু সংক্ষেপত ইযাকে কব খোজোঁ যে কাৰ্য্যকাৰী শিক্ষাৰ বৰ্ত্তমানত আমাৰ বিশেষ অভাব। আমাৰ স্কুল কলেজত এতিয়া যি শিক্ষা দিয়া হয় তাৰ দ্বাৰাই বুদ্ধিৰ বিকাশ আৰু জ্ঞান অৰ্জ্জনো হয় সচাঁ। কিন্তু বৰ্ত্তমান যুগত বিজ্ঞানৰ সাহায্যেৰে আৰু নতুন নতুন যন্ত্ৰৰ সহায়েৰে নানাবিধ বস্তুৰ প্ৰস্তুত প্ৰণালী যিবিলাক প্ৰচলিত হৈছে অৰ্থাৎ technical education, mechanical education প্ৰভৃতি কাৰ্য্যকাৰী শিক্ষাৰ উপায় এতিয়াও আমাৰ দেশত নাই বুলিলেই হয। তাৰ ফলত আমাৰ দেশত যি সকল লৰা বা ডেকা শিক্ষিত হৈ ওলায়, তেওঁলোকে চাকৰী বা ওকালতি নকৰিলে তেওঁলোকৰ জীবিকা উপাৰ্জ্জনৰ অন্য বাট নোহোৱা নহয়।

বৰ্ত্তমান শিক্ষাৰ অন্য এটা কুফল হৈছে এইটো যে এই শিক্ষা পোৱা লোকসকলে শাৰীৰিক শ্ৰমৰ কাম কাজ কৰিবলৈ বিমুখ হয আৰু তেনে কাম কৰা লাজৰ কথা বুলি ভাবে। গতিকে তেওঁলোকে ২০৷২৫ টকালৈকো পৰৰ তলত চাকৰি কৰিবলৈ ওলায। কিন্তু তাতকৈ বেছি লাভ হলেও শাৰীৰিক পৰিশ্ৰম কৰি ধন নঘটে। এইৰূপে চহকীৰ লৰাই বা কমাৰ বা ছুতাৰৰ লৰাই যদি স্কুললৈ কেবাৰমান যায় তেন্তে তাৰ পিচত তেওঁলোকৰ পৈত্ৰিক ব্যবসায় কৰিবলৈ লাজ পোৱা হয়। আমাৰ বৰ্ত্তমান সামাজিক মত আৰু ৰীতি-নীতিও এই বাবে কিছু পৰিমাণে দায়ী। তাৰ কাৰণ হৈছে এই যে পূৰ্ব্বে শিক্ষিত লোকৰ সংখ্যা দেশত কম আছিল। যি শিক্ষিত লোক আছিল তেওঁলোকে অধ্যাপনা,

যজন যাজন বা ৰাজকাৰ্য্যত ব্যাপৃত থাকিছিল। কৃষি, শিল্পকাৰ্য্য প্ৰভৃতি অন্যান্য ব্যৱসায়ৰ মানুহসকলে পূৰ্ব্বে শিক্ষাৰ পোহৰ পোৱা নাছিল। গতিকে এই সকল কাৰ্য্যত লিপ্ত থকা লোকসকল অশিক্ষিত কাৰণে সমাজত শিক্ষিত লোক-সকলতকৈ সমাজত কম আদৰ আৰু সন্মান পাইছিল। গতিকে এতিয়াও এই ধাৰণা চলি আহিছে যে কৃষি, শিল্পকাৰ্য্য প্ৰভৃতি ব্যৱসায় কৰা মানুহ তিমান সন্মানাৰ্হ নহয়। কিন্তু এইটো নিতান্ত ভুল ধাৰণা আমাৰ সমাজৰ পৰা গুচাব লাগে। সৎ স্বভাব আৰু সুশিক্ষাৰ ওপৰতহে সন্মান নিৰ্ভৰ কৰিব লাগে— ব্যৱসায়ৰ লগত মান সম্ভ্ৰমৰ কথা একো নাই। অতি প্ৰাচীন কালতো সমাজিক নিয়ম এনেকুৱা আছিল বুলি বোধ হয়। জনক ঋষিযে কৃষি কাৰ্য্যত লিপ্ত থাকিও সকলোৰে পূজ্য আছিল। গুহক চণ্ডাল হৈয়ো শ্ৰীৰামচন্দ্ৰৰ মিত্ৰতা লাভ কৰিছিল। আজিকালিৰ নতুন সভ্য আমেৰিকা দেশত বংশমৰ্য্যাদা বুলি একো নাই। আৰু ব্যৱসায়ৰ লগত সামাজিক মৰ্য্যাদাৰ একো সম্পৰ্ক নাই। গতিকে তাত উচ্চ বংশৰ মানুহেও আৰু কলেজৰ পৰা বি, এ, , এম, এ, পাচ কৰা ডেকায়ো আবশ্যক হলে মুটিযা, মুচি বা চাকৰৰ কাম কৰে। তাৰ দ্বাৰাই সমাজত তেওঁলোকৰ মানৰ লাঘব নহয, যদি তেওঁলোক সুশিক্ষিত আৰু সচ্চৰিত্ৰৰ হয তেন্তে তেওঁলোকে সমাজত সমুচিত মান সম্ভ্ৰম পায।

আমাৰ দেশত বৰ্ত্তমান শিক্ষাৰ ফলত আৰু সামাজিক ভ্ৰান্ত ৰীতিৰ ফলত শাৰীৰিক শ্ৰমসাধ্য কামবিলাক সম্ভ্ৰমৰ হানিকাৰক বুলি মানুহে বিবেচনা কৰাৰ পৰা দেশৰ বহুত অনিষ্ট হৈছে। তাৰ পৰা অকৰ্ম্মা শিক্ষিতৰ দল বাঢ়িছে। তেওঁলোকৰ ভিতৰৰ বহুতে নানাৰূপ ছল চাতুৰী দ্বাৰাই জীবিকা উলিযাবলৈ বাধ্য হৈছে, কোনোৱে বা দাৰিদ্ৰ্যত কষ্টেৰে জীবন যাপন কৰি আছে। অন্যপক্ষে ব্যৱসায় আৰু শিল্পকাৰ্য্যবিলাক অশিক্ষিত মানুহৰ হাতত থকাত সেই সকলৰ উপযুক্তৰূপে উন্নতি হোৱা নাই। গতিকে দেশ ক্ৰমশঃ ধনহীন আৰু দাৰিদ্ৰ্য-পীড়িত হৈছে।

এই কাৰণেই সময়ে সময়ে শিক্ষিত মানুহেও এনে মত প্ৰকাশ কৰা শুনিবলৈ পাইছো যে দেশত শিক্ষা বিস্তাৰ কৰি একো লাভ নাই, বৰং তাৰ পৰা দেশৰ অপকাৰহে হব, কাৰণ খেতিয়কৰ লৰাই, আৰু কমাৰ কুমাৰ প্ৰভৃতি শ্ৰমশিল্পীৰ লৰাবিলাকে সামান্য লেখাপঢ়া শিকি পৈতৃক ব্যৱসায় কৰিবলৈ এৰিব আৰু দেশত নিষ্কৰ্ম্মাৰ দল বঢ়াব। কিন্তু এই মত সম্পূৰ্ণ ভ্ৰমাত্মক। দেশত শিক্ষাৰ প্ৰচাৰ কমাই দিলে এই ৰোগৰ প্ৰতীকাৰ নহব, শিক্ষাৰ বেচিকৈ প্ৰচাৰৰ দ্বাৰাই হে এই ৰোগৰ প্ৰতিবিধান হব। দেশত শিক্ষাৰ এনেভাবে প্ৰচাৰ কৰিব লাগিব যে দেশত লেখাপঢ়া নজনা মূৰ্খ মানুহ সমূলি নোপোৱা হয়। মেতৰ,

মুচি, ধোবা, নাপিত সকলোকে বিদ্যা শিক্ষা দিব লাগিব। তেনেহলে এতিয়া যিবিলাকে অল্প শিক্ষা লাভ কৰি অশিক্ষিত শ্ৰমজীবিবিলাকৰ ঘিণ কৰে তেওঁ-লোকৰ তেতিয়া সঙ্কোচৰ কোনো কাৰণ নাথাকিব। ব্যবসায় আৰু শিল্পবিলাকৰো তেতিয়া বহুত উন্নতি হব। গতিকে আমাক গাৱেঁ, গাৱেঁ, চুবুৰীয়ে চুবুৰীযে স্কুল লাগে, সেই স্কুলবিলাকত লিখাপঢ়া, অঙ্ক, ইতিহাস, সাহিত্য, ভূগোল আদি শিকোৱাৰ বাহিৰেও নানাবিধ শিল্প, কৃষিবিদ্যা প্ৰভৃতি কাৰ্য্যকাৰী শিক্ষাৰ বন্দোবস্ত কৰা উচিত।

তৃতীযতে: নৈতিক শিক্ষা। নৈতিক শিক্ষা আমাৰ দেশৰ স্কুল কলেজত অতি সামান্য মাত্ৰ আৰু তাকো পৰোক্ষভাবে দিযা হয।

আমাৰ ভাৰতবৰ্ষৰ তলৰ শ্ৰেণীৰ মানুহৰ ভিতৰতো নানা উপাযে নৈতিক শিক্ষাৰ এনে ভাল প্ৰচাৰ আছিল যে তাৰ ফলত আমি আমাৰ ঘোৰ অবনতিৰ দিনতো আমাৰ সভ্যতাৰ গৰ্ব্বৰক্ষা কিছুমানে কৰিব পাৰিছিলো। কিন্তু বৰ্ত্তমান কালত নানা কাৰণবশতঃ সেই নৈতিক শিক্ষাৰ প্ৰভাব আমাৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ ভিতৰত কমি আহিছে। এইটোৰ প্ৰতিকাৰ চিন্তা কৰা সকলো দেশহিতৈষী মানুহৰ কৰ্ত্তব্য।

নৈতিক উন্নতি সকলো উন্নতিতকৈ ডাঙৰ। এটা জাতিৰ নৈতিক বল নাথাকিলে সেই জাতিৰ শাৰীৰিক বা মানসিক উন্নতি বেছি আগুৱাব নোৱাৰে। আৰু বেছি দিন স্থাযী হব নোৱাৰে।

সততা, সত্যবাদিতা, ঈশ্বৰৰ প্ৰতি প্ৰেম, গুৰুজনলৈ ভক্তি, সদাচাৰ, বিলাসিতা বৰ্জ্জন, এইবিলাক নৈতিক শিক্ষাৰ ফল বুলি মই ধৰিছোঁ। যেতিযাই যি জাতিযে পৃথিবীত উন্নতি কৰিছে যদি সেই জাতিৰ ইতিহাস ভালকৈ বিচাৰি যোৱা যায় তেন্তে দেখা যায যে সেই জাতি নৈতিক বলত বলীযান আছিল। আজি যে ইংৰাজ, ফৰাসী, জাৰ্ম্মান, আমেৰিকান, জাপানী প্ৰভৃতি জাতিবিলাকে উন্নত হৈছে ভালকৈ অনুসন্ধান কৰিলে দেখা যাব যে এই জাতিবোৰ নৈতিক বলৰ গুণতহে সকলো ৰকমে উন্নতি কৰিব পাৰিছে। দুটা এটা উদাহৰণ দিলেই কথাটো ভালকৈ বুজা যাব। আমি ভাবো আমি ভাৰতবৰ্ষৰ অধিবাসী-সকল বৰ ধৰ্ম্মপ্ৰাণ মানুহ। কিন্তু আপোনালোকে বিবেচনা কৰি চাওঁক ধৰ্ম্মৰ কাৰণে আমি কি স্বাৰ্থত্যাগ কৰিছোঁ। নিজৰ লৰাছোৱালীক ধৰ্ম্মশিক্ষা দিয়াবলৈ আমি কেতিযাবা শিক্ষক ৰাখি দিছোঁ নে? ধৰ্ম্মশিক্ষাৰ বাবে দেশত কেইখন স্কুল স্থাপন কৰিছোঁ। কিন্তু ইংৰাজ প্ৰভৃতি দেশ মানুহে নিজৰ দেশৰ লৰাছোৱালীক ধৰ্ম্মশিক্ষা দিয়াৰ অয়োজন কৰিও তেওঁলোকৰ অন্যান্য দেশত,

প্ৰচাৰৰ বাবে কিমান টকা বছৰি খৰচ কৰিব লাগিছে। ভাৰতবৰ্ষতে কতবোৰ স্কুল কলেজ হাসপাতাল অনাথ আতুৰাশ্ৰম স্থাপন কৰি মানুহৰ উপকাৰ কৰিছে। এতিয়া দেখত ধৰ্ম্মৰ কাৰণে স্বাৰ্থত্যাগ কোনে বেছি কৰিছে।

সততাৰ বিচাৰ কৰক। ইংলণ্ড, আমেৰিকা প্ৰভৃতি দেশৰ কত কোম্পানীৰ দোকান, বেঙ্ক, কাৰখানা, বাগিছা আদি আমাৰ ভাৰতবৰ্ষত আছে। কোম্পানীৰ গোমস্তা বা কৰ্ম্মচাৰীসকলে সেইবোৰ ইযাত চলাই আছে। সেইবোৰ দোকান কাৰখানা প্ৰভৃতিৰ লাভ আৰু উন্নতিহে হৈছে! তাৰ কাৰণ কোম্পানীৰ গোমস্তা-সকলে বিশ্বাসঘাতকতা নকৰি সততাৰে সৈতে কাৰ্য্য চলাইছে। কিন্তু আমাৰ দেশত আনৰ ওপৰত বিশ্বাস কৰি কিমান কাৰবাৰ চলে?

যোৱা ইউৰোপৰ মহাদেশত বা তাৰ পূৰ্ব্বৰ ৰুচ-জাপান যুদ্ধত কোনো পক্ষৰ সেনানাযকে আনৰ পক্ষৰ পৰা গোপনে টকা লৈ বিশ্বাসঘাতকতা কৰাৰ কথা কিমান শুনিছে? কিন্তু আমাৰ দেশৰ অবনতিৰ কালত এক পক্ষৰ সেনা-নাযক বা মন্ত্ৰীযে আনৰ পক্ষৰ পৰা ভেটি লৈ নিজৰ পক্ষক বিপদত পেলোৱা আৰু শত্ৰুৰ হাতত দেশ সমৰ্পণ কৰাৰ বুৰঞ্জীৰ বৃত্তান্ত বহুত বহুত আপোনালোকে অবশ্যে জানে।

এইৰূপ দৃষ্টান্ত আৰু বহুত দিব পাৰি।

কিন্তু অতি সুখৰ কথা যে আজিকালি আমাৰ দেশৰ অবস্থাৰ তীব্ৰ বেগত পৰিবৰ্ত্তন হব ধৰিছে। নৈতিক বলশালী স্বাৰ্থত্যাগী মানুহৰ সংখ্যা আমাৰ দেশত ক্ৰমশঃ বাঢিব লাগিছে। ছাত্ৰসকল, আপোনালোকেই আমাৰ দেশৰ ভবিষ্যতৰ আশা। আপোনালোকে মনত উচ্চ আকাঙ্ক্ষা, হৃদযত বল, স্বভাবত দৃঢতা, ব্যৱহাৰত সততা লৈ উৎসাহেৰে দেশৰ কল্যাণৰ নিমিত্তে, জাতীয উন্নতিৰ নিমিত্তে আগবাঢক। আপোনালোকৰ উদ্দম সফল হব আৰু দেশৰ মঙ্গল হব, তাৰ অলপো সন্দেহ নাই।

আপোনালোকে শৰীৰ আৰু মনৰ পবিত্ৰতা ৰক্ষা কৰক, তাৰ উপায় উপযুক্ত ব্যাযাম, সৎগ্ৰন্থ পাঠ, সদালাপ, আৰু সৎ চিন্তা। শৰীৰ আৰু মনৰ পবিত্ৰতা থাকিলে আপোনালোকৰ তেজ আৰু উদ্যম ক্ৰমে বৰ্দ্ধিত হব আৰু উন্নতিৰ বাটত আপোনালোকক আগুৱাই নিব।

ব্যায়াম অভ্যাসৰ কাৰণে আপোনালোকে দল বান্ধি (অৰ্থাৎ ক্লাব কৰি) লাঠি খেল, কুস্তি, কচৰৎ, boxing (মুষ্টি প্ৰহাৰ শিক্ষা), জিমন্যাষ্টিক, জিউজিৎসু প্ৰভৃতি শিক্ষা কৰা উচিত। অকলে অকলে ডাম্ববেল, মুদ্গৰ ঘুৰুৱা প্ৰভৃতি ব্যায়ামৰ অভ্যাস কৰাব পাৰে। কিন্তু অকলে অকলে ব্যায়াম কৰাতকৈ

কেবাজনেও মিলি কৰিলে বেছি উৎসাহ আৰু আনন্দৰ সৃষ্টি হয়। পশ্চিমাঞ্চলত এনেকি বঙ্গদেশতো ছাত্ৰসমাজৰ ভিতৰত ব্যায়াম চৰ্চ্চা বৰ প্ৰচলিত। কিন্তু আসামত হলে অতি অল্প সংখ্যক ছাত্ৰই ব্যায়াম কৰে বুলি মোৰ বিশ্বাস।

দ্বিতীয়তঃ বিলাসিতা, বৃথা আড়ম্বৰ আৰু অপব্যয় ত্যাগ কৰিব লাগে। আমাৰ দেশৰ বহুত ছাত্ৰই সাজ-পাৰৰ ধুন কৰিবলৈ বৰ আগ্ৰহ দেখুৱায়। বিলাসিতা যি কোনো অবস্থাতেই বেযা। ছাত্ৰাৱস্থাত অন্য সময়তকৈ ই বেছি দুষণীয়। যি দেশত ঋষি মুনি সকলে ছাত্ৰজীবনত ব্ৰহ্মচৰ্য্য ব্ৰত পালনৰ ব্যৱস্থা কৰি গৈছে, সেই দেশত ছাত্ৰসমাজত বিলাসিতাই প্ৰবেশ কৰা বৰ পৰিতাপৰ কথা।

তৃতীয়তঃ আপোনালোকৰ মানসিক উন্নতিৰ অৰ্থে তৰ্কসভা বা আলোচনা-সভা (Debating Society) স্থাপন কৰি তাৰ নিযম মতে নানা কথাৰ আলোচনা কৰা আবশ্যক। ইযাত সামাজিক প্ৰশ্ন বা ধৰ্ম্মৰ তত্ত্ব বিষযেও আলোচনা কৰিব পাৰি। ইযাৰ পৰা বুদ্ধি তীক্ষ্ণ হয। বিচাৰশক্তি বাঢে প্ৰত্যুৎপন্নমতি হোৱা যায আৰু বাক্‌শক্তিযে উন্নতি লাভ কৰে। ছাত্ৰসকলে মোৰ মনেৰে বিশেষকৈ চৰ্চ্চা কৰিবলগীযা এটা অভ্যাস হৈছে গুণগ্ৰাহিতা। প্ৰায় সকলো মানুহৰ, সকলো বস্তুৰ, সকলো ৰীতিনীতিৰ আচাৰ-ব্যবহাৰৰ দোষৰ ভাগ বিচাৰি উলিযাব পাৰি আৰু গুণৰ ভাগো উলিযাব পাৰি। নিন্দুক সকলৰ অভ্যাস এই যে সকলোতে বেযাটোহে আগেযে তেওঁলোকৰ চকুত পৰে আৰু তেওঁলোকেও তাকে চাবলৈ আৰু প্ৰকাশ কৰিবলৈ ভাল পায। ইযাৰ পৰা তেওঁলোকৰ নিজৰ মনৰ অবনতি ঘটে, পৰৰো অনিষ্ট হয। আৰু সমাজত ক্ৰোধ বিৰক্তি আৰু দুঃখৰ মাত্ৰা বঢায। ই এটা ৰোগৰ নিচিনা। এবাৰ ধৰিলে ক্ৰমশঃ ৰোগ বাঢিহে যায। ছাত্ৰসকলে এই বেযা অভ্যাসটো আঁতৰত ৰাখিবলৈ সদায যত্ন কৰা উচিত। তাৰ পৰিবৰ্ত্তে যাতে সকলো বিষয়ৰে ভালৰ ভাগটোহে আগেযে চকুত পৰে তেনেকুৱা অভ্যাস কৰা উচিত। গুণৰ পিনে মনটো গলে সেই গুণ অনুকৰণ কৰিবলৈ এটা স্বাভাবিক ইচ্ছা জন্মে আৰু তাৰ দ্বাৰাই ক্ৰমে ভালৰ পিনে আকৃষ্ট হোৱা যায। ইযাৰ পৰা মনৰ সন্তোষৰ সৃষ্টি হয আৰু জীবনত আনন্দৰ পৰিমাণ বাঢে।

অৱশেষত মই আপোনালোকক ইযাকে কব খোজো যে আপোনালোকে কেবল ভাল কি? বেয়া কি? কি উচিত? কি অনুচিত ইত্যাদি বিষয়ে কিতাপ পঢি বা তৰ্ক যুক্তি কৰি জ্ঞান লাভ কৰিলেই নহয। সেই জ্ঞান মতে কাৰ্য্য

কৰিবলৈকো এতিয়াৰ পৰা অভ্যাস কৰিব লাগে। আমাৰ দেশৰ অধঃপতনৰ লগত দেশৰ মানুহৰ উচিত কৰ্ম্ম কৰিবৰ ক্ষমতা বা বল তেনেই কমি গৈছিল। "জানামি ধৰ্ম্মং নচ মে প্ৰবৃত্তিঃ জানাম্যধৰ্ম্মং নচ মে নিবৃত্তি, ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি।" যি জনে ঈশ্বৰত আত্মসমৰ্পণ কৰিব পাৰিছে তেওঁৰ পক্ষে এই বিনয়যুক্ত কথা শোভা পাব পাৰে। কিন্তু ধৰ্ম্ম অধৰ্ম্ম জানিও সেই ৰূপে আচৰণ কৰিবলৈ যদি চেষ্টা কৰা নহয় তেন্তে জ্ঞান লাভৰ কোনো ফল নাথাকে। বৰং নাজানি অধৰ্ম্ম কৰা তিমান দোষযুক্ত নহব পাৰে। কিন্তু জানি শুনি ধৰ্ম্ম পথত নচলি অধৰ্ম্ম পথত চলা নিতান্ত গৰ্হিত। আমাৰ দেশত কিন্তু এই জ্ঞানৰ লগত কাৰ্য্যৰ মিলৰ অভাব বৰ বেছি হৈছিল এতিয়াও বহুত আছে। আমাৰ ইচ্ছা শক্তি দুৰ্ব্বল কিন্তু দুৰ্ব্বল কাৰণে সহজে স্বাৰ্থ ত্যাগ কৰি উচিত কৰ্ত্তব্য কৰিব নোৱাৰোঁ। এই দোষটো ছাত্ৰাৱস্থাৰ পৰা গুচাব চেষ্টা নকৰিলে পাছত ই বদ্ধমূল হৈ পৰে। গতিকে ছাত্ৰসকলে পৰহিতকৰ কাৰ্য্য, আতুৰ দৰিদ্ৰৰ সেৱা, দেশভক্তি প্ৰভৃতি বিষয়ে কেবল আলোচনা কৰিলেই যথেষ্ট নহব এই সকলো কাৰ্য্য যথা সম্ভৱ ৰূপে ছাত্ৰাবস্থাতে কৰিবলৈ আৰম্ভ কৰা উচিত। কিন্তু এটা কথা মনত ৰাখিবলগীয়া যে ছাত্ৰসকলৰ অভিজ্ঞতা সাংসাৰিক জ্ঞান কম থাকে। বিশেষতঃ যদিও তেওঁলোকৰ উদ্দেশ্য সদায় বিশুদ্ধ থাকে তথাপি বিচাৰ-বুদ্ধি তিমান পৈণত নোহোৱাতে তেওঁলোকৰ কৰ্ত্তব্য অকৰ্ত্তব্য বিচাৰ সকলো সময়তে অভ্ৰান্ত নহব পাৰে। গতিকে তেওঁলোকৰ মনত যেতিয়া যি কামটো ভাল বুলি বোধ হয় তাকেই কৰিবলৈ আগ্ৰহময় হোৱা উচিত নহয়। কিন্তু যি-বিলাক কৰ্ত্তব্য সম্বন্ধে ভ্ৰম হোৱাৰ কোনো আশঙ্কা নাথাকে সেই সকল কৰ্ম্ম ছাত্ৰাবস্থাৰে পৰা কৰিবলৈ অভ্যাস কৰা উচিত। কৰ্ত্তব্য নিয়মমতে প্ৰত্যেকেই সম্পাদন কৰিলেই দেশৰ আৰু জাতিৰ উন্নতি নহৈ নোৱাৰে। ইমান দিনে আমাৰ জাতিৰ মানুহে কৰ্ত্তব্য ভালৰূপে কৰিব পৰা নাই গতিকে আমাৰ দেশৰ অবনতি হৈছিল। কিন্তু আমাৰ দেশত এতিয়া পোহৰে দেখা দিছেহি। মানুহে কৰ্ত্তব্যৰ কাৰণে স্বাৰ্থত্যাগ কৰাৰ দৃষ্টান্ত আজিকালি বহুত পৰিমাণে দেখুৱাব ধৰিছে। এই সকলক দেখি সমস্ত দেশবাসীৰ হৃদয় আনন্দত উৎফুল্ল হৈ উঠিছে। যি ভাৰতবৰ্ষ পুণ্যভূমি বুলি প্ৰখ্যাত, যত কত কত মহাপুৰুষৰ অৱতাৰ হৈ গৈছে, পুৰণি কালৰ ঋষি মুনিসকলৰ স্বাৰ্থত্যাগৰ দ্বাৰাই যি দেশ পূত হৈছে, যি দেশৰ বৈৰাগ্য পৃথিবীবিদিত, পৰমেশ্বৰৰ কৃপা হলে সেই দেশৰ মানুহে কৰ্ত্তব্য সম্পাদনৰ বল লাভ কৰিব আৰু উন্নতিৰ বাটত আগ বাঢ়িব ই একো আশ্চৰ্য্য নহয়।

ঈশ্বৰে আপোনালোকক আৰু আমাক সকলোকে কৰ্ত্তব্যপালনৰ বল দিয়ক আৰু আমাৰ দেশৰ ওপৰত আৰু আমাৰ জাতিৰ ওপৰত শুভাশীৰ্ব্বাদ বৰষি কৰ্ম্মৰ উন্নতিৰ পথত লৈ যাওক। একান্ত মনে তেওঁৰ চৰণত এই প্ৰাৰ্থনা কৰি মোৰ কৰ্ত্তব্য সমাপন কৰিলো।

বহুত যত্ন কৰিও এইখন কোন ছাত্ৰ-সন্মিলন আছিল আৰু কোন চনৰ অধিবেশন আছিল উলিয়াব পৰা নগ'ল। তেখেতৰ কাগজ-পত্ৰৰ মাজত পাই জ্যেষ্ঠপুত্ৰ শ্ৰীঅপূৰ্ব্বৰাম বৰুৱাই হাতে লিখা কপিটো আমাৰ হাতত দিছিল। —সম্পাদক

সদৌ অসম উকিল-সন্থাৰ শিলচৰ অধিবেশনৰ (১৯৪৯) সভাপতিৰ অভিভাষণ*

ভাৰতে এতিয়া ৰাজনৈতিক স্বৰাজ পালে, নিজ সমাজৰ ভবিষ্যত নিৰ্ণয় কৰা ক্ষমতা এতিয়া দেশৰ জনসমূহৰ হাতত, এনে স্থলত দেশৰ অবিচ্ছিন্ন উদগতিৰ অৰ্থে নিশ্চয় কৰাৰ উত্তৰদাযিত্ব আমাৰ আইন ব্যৱসাযী লোকসকলৰ ওপৰতো পৰিছেহি। আইন যাতে বিজ্ঞভাৱে প্ৰণযন কৰা হয আৰু প্ৰণযন কৰা আইন যাতে সমুচিত ভাবে প্ৰযোগ কৰা হয তালৈ আমি চকু ৰাখিব লাগিব। আমাৰ দেশৰ স্থানীয পৰিস্থিতি ভালকৈ অধ্যযন কৰিব লাগিব আৰু আন দেশৰ মানুহে কৰা উদগতিৰ আৰু সেইবোৰ দেশৰ ঘটনাসমূহৰ কথাও আমি সততে জানি থাকিব লাগে। এনে জ্ঞানৰ দ্বাৰা সমৃদ্ধ হৈ আমি বৰ্ত্তমানে চলি থকা আইনৰ উন্নতি বিধান কৰাত আৰু সেই আইন উন্নত প্ৰশাসনৰ নিমিত্তে প্ৰযোগৰ কাৰণে গঠনমূলক দিহা আগবঢাব লাগিব। বিশেষকৈ ন্যাযপালনৰ ক্ষেত্ৰত ন্যাযপালিকাৰ মুক্তৰূপতা স্বাধীন ভাৰতত যেন খৰ্ব্ব নহয তাৰ প্ৰতিও আমি সজাগ থাকিব লাগিব। এই বিষযে ভাবোঁতে ন্যাযপালকসকলৰ মৰ্য্যাদা আৰু স্বাধীনতাৰ প্ৰশ্নই আমাৰ মনলৈ আহে। ভাৰতৰ মুখ্য ন্যাযাধীশ মাননীয চাৰ হীৰালাল কেনিযাই অসম উচ্চন্যাযালয উদঘাটন কৰোঁতে তেখেতৰ উদ্বোধনী ভাষণত এই বিষযটো খৰচি মাৰি আলোচনা কৰিছিল। তেখেতে সেই উপলক্ষে কি কি কৈছিল তাক মই পুনৰুক্তি কৰাৰ কোনো সকাম নাই। বঙ্গৰ ৰাজ্যপাল ডাঃ কৈলাসনাথ কাট্‌জু মহোদযেও অলপতে প্ৰকাশিত হোৱা এটি প্ৰবন্ধত কাৰ্য্যপালিকাৰ পৰা ন্যাযপালিকাক বেলেগোৱা সম্পৰ্কে বহলিয়াই আলোচনা কৰিছে। এই সংস্কাৰ কাৰ্য্য বহুত দিন আগতে হৈ যাব লাগিছিল। স্বাধীনতাৰ সংগ্ৰামত ভাগ লোৱা ভাৰতৰ সকলো ৰাজনৈতিক নেতাই এই সংস্কাৰ কাৰ্য্যৰ তৎকালিক প্ৰয়োজনীয়তাৰ কথা দঢাই দঢাই কৈছিল। স্বৰাজ লাভৰ পাছত এই শাসন পৰিচালনাৰ ভাৰ পোৱা ৰাজনৈতিক লোকসকলে এই বিষয়ে আগৰ উৎসাহ

---

* সম্পূৰ্ণ অভিভাষণখন বহুত ঠাইত বিচাৰিও পোৱা নগ'ল। ইয়াত দিয়াখিনি ১৯৪৯ চনৰ ২৭ ফেব্ৰুৱাৰীৰ অসম ট্ৰিবিউনত ওলোৱা সাৰোদ্ধৃত অংশৰ অসমীয়া ভাঙনি। পুৰণি ট্ৰিবিউনৰ পৰা ভাষণটি বিচাৰি উলিয়াই আমাৰ হাতত দিয়া বাবে শ্ৰীতুলসীগোবিন্দ বৰুৱা ডাঙৰীয়াৰ শলাগ লৈছোঁ। সংবাদদাতাজনে পঠোৱা অংশখিনিহে ইয়াত পোৱা যাব। আচল ভাষণখনত আৰু বহুত লাগতিয়াল কথা আছিল।

হেৰুৱাই পেলালে যেন লাগিছে। এই দুই পালিকাৰ বিচ্ছেদ যাতে অনতিপলমে হয় তাৰ কাৰণে মন দিম বুলি কৃতপ্ৰতিজ্ঞ হব লাগে।

মোৰ মনেৰে ন্যায়সোধা বিষয়াসকলৰ আয়ুক্তিৰ বৰ্ত্তমান পদ্ধতি সলনি হব লাগে আৰু এনে আয়ুক্তিৰ কাম সম্পূৰ্ণৰূপে উচ্চন্যায়ালয়ৰ হাতত থাকিব লাগে। মই ভাবো বিদ্বত্তা গুণ আৰু চাৰিত্ৰিক সাধুতাৰ ভেটিত ব্যৱসায়ৰত আইনজীৱীৰ পৰা এনে আয়ুক্তি হব লাগে। এলাহাবাদ উচ্চন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশে ১৯৪৮ চনত এলাহাবাদৰ ন্যায়সোধা বিষয়াসকলৰ সম্মিলন এখনত দিয়া ভাষণত কিছুমান মূল্যবান সূচনা দিছিল। মই সেইবিলাকৰ প্ৰতি আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ।

এটা বিমোৰত পেলোৱা অথচ সমাধান কৰিবলগীয়া প্ৰশ্ন হৈছে যিবিলাক বিষয়াই নিজৰ পদৰ প্ৰতি স্বকামৰ দ্বাৰা নিজকে অনুপযুক্ত প্ৰতিপন্ন কৰিছে তেওঁবিলাকৰ পৰা অব্যাহতি পোৱাৰ উপায় সম্বন্ধে। ইংলণ্ডত অলপতে চৰকাৰে এখন সমিতি গঠন কৰি দিছিল। সেই সমিতিয়ে উচ্চপদস্থ ন্যায়পালকৰ বিপক্ষে অনা অভিযোগ আৰু তেওঁবিলাকৰ কথা-কাম যথাযোগ্য হয় নে নহয় সেই বিষয়ে অনুসন্ধান কৰিছিল। অনুসন্ধান সমিতিৰ বিচাৰৰ ফলাফল অনুসাৰে এনে বিষয়াই তেওঁলোকৰ আসন এৰি দিবলগীয়া হৈছিল। ইয়াৰ পৰাই বুজিব পাৰি বৃটিছ লোকসকল তেওঁলোকৰ দেশৰ প্ৰশাসনৰ শুদ্ধতা আৰু সাধুতাৰ উচ্চ মান সংৰক্ষণ কৰাৰ প্ৰতি কিমান সতৰ্ক।

অসমত ন্যায়িক প্ৰশাসনৰ অতি গুৰুত্বপূৰ্ণ কথা হ'ল গুৱাহাটীত উচ্চ-ন্যায়ালয়ৰ প্ৰতিষ্ঠা। ৰাজ্যখনৰ ক্ৰমবিকাশত এইটো এটা গুৰুত্বপূৰ্ণ আগুৱান পদক্ষেপ। ৰাজ্যখনত উচ্চন্যায়ালয়ৰ কাম-কাজে ন্যায়িক প্ৰশাসন আৰু আইন ব্যৱসায়ত এটা উচ্চ পৰম্পৰাৰ সৃষ্টি কৰাৰ উপৰিও সাধাৰণ প্ৰশাসনীয় কাৰ্য্যতো নিশ্চয় ইয়াৰ প্ৰভাব পৰিব। আগলৈ গৈ উচ্চ স্তৰৰ আইনজীৱীৰ সংখ্যাও বাঢ়িব। সুযোগ আৰু আৱশ্যকতাই মানুহৰ সুপ্ত ক্ষমতাবিলাক মূৰ দাঙি উঠাত সহায় কৰে।

পাৰ্ব্বত্য জিলাকেইখনত আৰু সীমান্ত জিলাত ন্যায়িক প্ৰশাসনৰ পদ্ধতিৰ উন্নতি বিধান কৰা বিষয়টোৱে অতি সোনকালে আমাৰ দৃষ্টি আকৰ্ষণ কৰে। মোৰ মনেৰে এই অঞ্চলবিলাকৰ ন্যায়িক প্ৰশাসনৰ কাম উচ্চন্যায়ালয়ৰ কৰ্তৃত্বাধীনত থাকিব লাগে। ন্যায়ালয়বোৰৰ বিচাৰপদ্ধতি মোকৰ্দ্দমা চলোৱাৰ নিয়ম আৰু পদ্ধতি সম্পৰ্কে সেই সেই স্থলৰ লোকসকলৰ ইচ্ছা কি তাক জানি তাৰ দ্বাৰাই প্ৰধান ভাবে চলিব লাগে। এই অঞ্চলবোৰৰ পিছপৰা অৱস্থা গুচাবলৈ

চৰকাৰে তেওঁলোকৰ আৰ্থিক আৰু শিক্ষাৰ বৃদ্ধিৰ অৰ্থে কাৰ্য্যপন্থা লোৱা অত্যন্ত আৱশ্যক। সুখৰ বিষয় যে কেন্দ্ৰীয় আৰু ৰাজ্যিক দুই চৰকাৰেই এই বিষয়টোৰ প্ৰতি নিজৰ উত্তৰদায়িত্ব সম্পৰ্কে সম্পূৰ্ণ সজাগ থকা দেখিবলৈ পাইছো।

ফৌজদাৰী কাছাৰি আৰু চৰকাৰী কাৰ্য্যালয়বোৰৰ পালনীয় বন্ধৰ তালিক লৈ কিছুমান উঠিবলগীয়া ওজৰ আপত্তি শুনিবলৈ পাইছোঁ। আগতে বছৰেকত দুটা বন্ধ আছিল—এটা দুৰ্গাপূজাৰ সময়ৰ বাৰদিনীয়া বন্ধ আৰু আনটো ৰবদিনৰ সময়ৰ ন-দিনীয়া বন্ধ। মহৰম আৰু ইষ্টাৰৰ চাৰিদিনীয়া বন্ধ আছিল। তেতিয়া শনিবাৰটো পূৰাকৈ কাম কৰিবলগীয়া হৈছিল। অলপতে কৰা সাল-সলনিৰ ফলত এতিয়া বছেৰেকত তেনে কোনো বন্ধ নাই আৰু শনিবাৰে ১ বজাতে কাৰ্য্যালয়-বোৰ আৰু ফৌজদাৰী আদালত ছুটি হয়। আগতে চৰকাৰী চাকৰিয়াল, উকীল আৰু সংক্ৰান্ত আন মানুহেও দীঘলীয়া বন্ধ দুটা তীৰ্থযাত্ৰা, চিকিৎসাৰ কাৰণে কলিকতা আদি ঠাইলৈ যোৱা বা আত্মীয়স্বজনক দেখা কৰাৰ নিচিনা নিজৰ নিজৰ কাম কৰাত ব্যৱহাৰ কৰিছিল। পৰিয়াল গাৱঁত থকা চৰকাৰী চাকৰিয়াল বা উকীলে এই বন্ধ কেইটাত নিজ পৰিয়ালৰ লগত কটাইছিল। দীঘলীয়া বন্ধ কেইটা নাইকিয়া হলত তেওঁলোক এনে সুবিধাৰ পৰা বঞ্চিত হ'ল। এতিয়া তেওঁবিলাকে নিজৰ ঘৰুৱা কাম কৰিবলৈ ছুটি লব লগা হয়—তাৰ ফলত কাৰ্য্যালয়ত বিশৃঙ্খলতাৰ সৃষ্টি হয়। লগে লগে এতিয়া কাছাৰী আৰু কাৰ্য্যালয়ত আগতকৈ কম কাম হয়। শনিবাৰে ১ বজাতে ছুটি হয় ফলত কাম কৰাৰ ঘণ্টা কমি গ'ল আৰু সংক্ৰান্তলোকৰ অসুবিধা অসন্তোষো বাঢ়ি গ'ল। শনিবাৰটো আধাদিনীয়া কৰি কাৰ্য্যস্থলত চৰকাৰে একো উপকাৰ পোৱা নাই।

ভাৰতৰ ন্যায়ালয়বোৰৰ ভাষা সম্পৰ্কে ইংৰাজী ভাষাকে ৰখা হব নে নহয় এই বিষয়ে নানা আলোচনা আৰু চিন্তা কৰা হৈ আছে। আন্তঃ প্ৰাদেশিক যোগাযোগ আৰু উচ্চ শিক্ষাৰ বাহন হিচাপে যে ইংৰাজী ভাষা বহুত দিন নাথাকিব এই বিষয়ে সন্দেহ নাই। সেই দেখি কালত ই ন্যায়ালয়ৰ ভাষা হিচাপেও নাথাকিব। পাছে মোৰ মনেৰে এই পৰিবৰ্ত্তন খৰখেদাকৈ হোৱা উচিত নহব। আইনজীৱী আৰু ন্যায়সোধা বিষয়াসকলে ইংৰাজীৰ স্থান লোৱা ভাষাটোৰ যথাযথ জ্ঞান লাভ কৰাৰ পাছতহে এই পৰিবৰ্ত্তন প্ৰবৰ্ত্তিত হোৱা উচিত। হিন্দী বা হিন্দুস্থানীয়েই যে ৰাষ্ট্ৰভাষাৰূপে অৰ্থাৎ ভাৰতৰ চৰকাৰী ভাষাৰূপে গৃহীত হব সেইটো প্ৰায় নিশ্চিত। মই ভাবো, ইংৰাজীৰ পৰিবৰ্ত্তে হিন্দীক ৰাষ্ট্ৰ-ভাষাৰূপে ব্যৱহাৰ কৰিলেও আঞ্চলিক ভাষাবিলাকক এতিয়াৰ দৰে চলি থাকিবলৈ দিলেহে সুবিধাজনক আৰু বিজ্ঞোচিত কাম হব।

বিভিন্ন জাতি, ধৰ্ম্ম, সভ্যতা আৰু ভাষাৰ লোকে অসমত বসতি কৰে। আমাৰ এই সুন্দৰ দেশখনৰ সকলো বাসিন্দাই এতিয়া সমানে স্বাধীন। এই সকলোৱে সমান সুযোগ পাব লাগে আৰু তেওঁলোকে নিজৰ বাঞ্ছিত মতে নিজকে উন্নত কৰিবলৈ পাব লাগে, কেৱল চাব লাগিব যাতে আনৰ স্বাধীনতাৰ বিষয়ত অযথা হস্তক্ষেপ কৰা নহয়। আমাৰ বৃটিছ শাসকবৃন্দই ৰাজনৈতিক কাৰণত যথা-সম্ভৱ আমাক বিভাজিত কৰি ইটোৰ পৰা সিটোক আঁতৰাই ৰাখিছিল। এনে কৃত্রিম বাধা-বিভেদ আশাকৰো এতিযা নোহোৱা হব। পাছে সেইবুলি সমাজৰ চতুৰ শ্রেণীযে পিছপৰা জনজাতীয গোষ্ঠী আৰু সম্প্রদায়ক শোষণ কৰিব নোৱাৰিব পিছপৰা বৰ্গক যিমান শিক্ষাবিষয়ক সুবিধা দিব পৰা যায় দিবলৈ যত্ন কৰিব লাগিব। তেতিযা হলে কালক্রমত অসম আৰু ভাৰতৰ জাতিগত আৰু ভাষাগত সমিলমিল সন্তোষজনক হৈ উঠিব কাৰণ সমাজ আৰু ভাষা কেতিযাও গতিহীন হৈ থাকিব নোৱাৰে। কিছুমান লোকৰ কৃত্রিম ভাবে উপস্থাপিত কৰা অসমীয়া, বঙলা আৰু হিন্দীৰ বাবে কৰা ঘোৰ প্রষত্ন মোৰ মনেৰে অদূৰদৃষ্টিমূলক। এক বৰ্গই হাতত লোৱা অন্যায় উপায়ে আন বৰ্গৰ মনতো প্রতিক্রিয়াৰ সৃষ্টি কৰিবই। এই বিভিন্ন সম্প্রদায়ৰ মাজত ঈৰ্ষাৰ প্রসাৰ হব। সেইদেখি মহাত্মা গান্ধীযে উপদেশ দিয়া মতে মনে বাক্যে অহিংসাই আমাৰ অসম্পূৰ্ণতা গুচোৱাৰ সৰ্ব্বোত্তম নীতি। সেইবুলি অহিংসাক কাৰ্য্যনীতি হিচাপে মাথোন গ্ৰহণ কৰাৰ পৰা আমাৰ যথেষ্ট সুফল নহয।

আইন-উপজীবীৰ স্থান আৰু কাম সম্বন্ধে আমাৰ বহুতৰ আনকি শিক্ষিত-লোকসকলৰ মাজতো কিছুমান ভুল ধাৰণা আছে। কিছুমানে ভাবে আইন-উপজীবীসকলে ধনৰ কাৰণে দোষীজনক ৰক্ষা দি আৰু অসাধু মকৰ্দ্দমাকাৰীৰ পক্ষ সমৰ্থন কৰি প্রাকৃতিক সজবিধিৰ উলঙ্ঘা কৰে আৰু অন্যায ব্যৱসায কৰে। কিছুদিন আগতে গুৱাহাটীত ভেজাল খাদ্যৰ লেনদেন কৰা হেতুকে অভিযুক্ত হোৱা বেপাৰী এজনৰ পক্ষে ওকালতি কৰিবলৈ মকৰ্দ্দমা লোৱা প্রসিদ্ধ আইনজীবী কেইজনমানৰ বিপক্ষে ক্রুদ্ধ বিস্ফোৰণ হোৱাদি হৈছিল। এইটো দেখদেখকৈ আমাৰ দেশৰ ন্যায়পালনৰ পদ্ধতিত আইন-উপজীবীৰ কৰ্ত্তব্য সম্পৰ্কে মানুহৰ মনত ভুল ধাৰণা থকাৰ কাৰণেহে হবলৈ পাইছে। এই পদ্ধতি বৃটিছ শাসকবিলাকে আমাৰ দেশলৈ আনিছিল। বহুত পণ্ডিত আৰু চিন্তাশীল লোকৰ মতানুসাৰে এই পদ্ধতি ভাৰতৰ লোকৰ কাৰণে বৃটিছৰ এটা মূল্যবান দান। ব্যৱসায় ৰত আইন-জীবী এই পদ্ধতিৰ অপৰিহাৰ্য্য অঙ্গ। এই পদ্ধতিমতে কোনো অভিযুক্ত লোক বা কোনো পক্ষৰ মকৰ্দ্দমা নলও বুলি প্রত্যাখ্যান কৰাটো এজন আইনজীবীৰ পক্ষে

ব্যৱসায়নীতি বিগৰ্হিত, তেহেঁলে সেই মক্কেলজনৰ কাম যিমানেই নিন্দনীয় নহওক।

আইনগত যথোচিত প্ৰমাণ নথকাকৈ কোনো লোকৰ বিপক্ষে ন্যায়ালয়ে যাতে কোনো সিদ্ধান্ত নলয় তালৈ চকু দিয়াটো আইনজীবীৰ কৰ্ত্তব্য। নিজৰ মক্কেলৰ বিপক্ষে উপস্থাপিত কৰা সাক্ষ্যপ্ৰমাণবোৰ কঠোৰ পৰীক্ষাৰে চাইচিতি অবিশ্বাস্য আৰু সন্দেহজনক সাক্ষ্য নিৰাকৃত কৰাই এজন আইনজীবীৰ কৰ্ত্তব্য। আইনজীবীৰ আৰু এটা কৰ্ত্তব্য হৈছে নিজৰ মক্কেলৰ কথাখিনিৰ পৰা সপক্ষে আনিব পৰা যুক্তিখিনি ন্যায়ালয়ৰ আগত স্বপক্ষ-খ্যাপকৰূপে উপস্থাপিত কৰা। আইনজীবীয়ে মক্কেলজনৰ যোগ্য আৰু বিজ্ঞ মাধ্যমপুৰুষৰূপে কাম কৰিব লাগে মক্কেলজন লাগে তেহেঁলে এজন ধূৰ্ত্তলোকেই হওক। তেওঁ মক্কেলৰ প্ৰতি কৰা এই কৰ্ত্তব্য গোপনীয় বুলি গণ্য কৰিব লাগে। আইন-ব্যৱসায়ীয়ে নিজকে কেতিয়াও বিচাৰকৰ স্থানত কল্পনা কৰি লৈ কাম কৰিব নালাগে। আইনৰ চাৰিসীমাত থাকি মক্কেলৰ স্বাৰ্থৰক্ষাই তেওঁৰ কৰণীয়। আইন যাতে সমুচিত ভাবে প্ৰযুক্ত হয় তালৈকো ৰক্ষা কৰা তেওঁৰ কাম। সেই কাৰণেই আইন-ব্যৱসায়ীক আইনৰ পহৰীয়া বুলি কোৱা হয়।

অসম সংস্কৃত সমিতিৰ তিনচুকীয়াত অনুষ্ঠিত পঞ্চবিংশ সমাবৰ্ত্তনোৎসৱ আৰু বাৰ্ষিক অধিবেশনৰ সভাপতিৰ ভাষণ

১৯৬০ চন

শ্ৰীশ্ৰীদুৰ্গা।

নমস্তে সতে সৰ্ব্বলোকাশ্ৰযায।
নমস্তে চিতে বিশ্বৰূপাত্মকায়॥
নমোঽদ্বৈততত্ত্বায মুক্তিপ্ৰদায।
নমো ব্ৰহ্মণে ব্যাপিনে নিৰ্গুণায॥

— — — —

তদেকং স্মৰামঃ তদেকং ভজামঃ।
তদেকং জগৎ-সাক্ষীৰূপং নমামঃ॥
সদেকং নিধানং নিৰালম্বমীশং।
ভৱাম্ভোধিপোতং শৰণ্যং ব্ৰজামঃ॥

মহামান্য বিদ্বন্‌মণ্ডল আৰু সজ্জনবৰ্গ,

বিশিষ্ট পণ্ডিত আৰু কৃতবিদ্যলোকসকল উপস্থিত থকা এই সভাৰ সভাপতি হবৰ যোগ্যতা মোৰ নাই। এনেস্থলতো আপোনালোকে অনুগ্ৰহ কৰি মোক এই সভাৰ সভাপতিৰূপে বৰণ কৰি মোৰ প্ৰতি অতিশয কৃপা আৰু আদৰৰ ভাব দেখুৱাত মই আপোনালোকক মোৰ গভীৰ কৃতজ্ঞতা জনাইছোঁ। মোৰ পৰম-পূজনীয পিতৃদেৱ সংস্কৃত পণ্ডিত নাছিল, কিন্তু তেওঁৰ সংস্কৃত ভাষা আৰু আমাৰ দেশৰ প্ৰাচীন শিক্ষা সভ্যতাৰ প্ৰতি গভীৰ অনুৰাগ আৰু শ্ৰদ্ধা আছিল। সেই কাৰণেই মোৰ বাল্যকালত তেওঁ মোক সংস্কৃত শিক্ষা দিযাবলৈ যত্ন কৰিছিল। মই তেৰ বছৰ বযসলৈ সংস্কৃত পঢাশালিত পৰমপূজ্য স্বৰ্গীয় হৰকান্ত উপাধ্যায়, মহামহোপাধ্যায় ৺ধীৰেশ্বৰ ভট্টাচাৰ্য্য প্ৰভৃতি পণ্ডিতসকলৰ ছাত্ৰৰূপে সংস্কৃত শিক্ষা কৰিবলৈ সুযোগ পাইছিলোঁ। সংস্কৃত ভাষাত মোৰ পাণ্ডিত্যলাভ নহ'ল। যদিও সংস্কৃত ভাষাৰ লগত কিছু পৰিচয ঘটাত আৰু কিছুমান সংস্কৃত গ্ৰন্থৰ আভাষ পোৱাত জীৱনত মই অত্যন্ত উপকৃত হৈছোঁ বুলি মই ভাবিছোঁ। মোৰ পিতৃ পুৰুষৰ আশীৰ্ব্বাদতে মই আপোনালোকৰ আদৰ পাবলৈ সমৰ্থ হৈছোঁ ইয়াত কোনো সন্দেহ নাই।

আপোনালোকৰ এই সভাত পাঠ কৰিবলৈ মই এখন ভাষণ লিখি আনিছোঁ। মোৰ এই ভাষণত পাণ্ডিত্যগুণ নাই আৰু নতুন কথাও এ'কা নাই। আমাৰ দেশৰ শিক্ষা-সমস্যা আৰু পৰিস্থিতিৰ বিষয়ে মোৰ মনত যিবিলাক ভাবৰ উদ্ভৱ হৈছে তাৰে কিছুমান এই ভাষণখনিত লিপিবদ্ধ কৰি আপোনালোকৰ আগত নিবেদন কৰিলোঁ। মোৰ যিবিলাক কথা অযৌক্তিক বা ভ্ৰমপূৰ্ণ বুলি আপোনাসকলে বিবেচনা কৰে সেইবিলাকৰ বাবে মোক ক্ষমা কৰি মোৰ ভুল শুধৰাই দিব এই প্ৰাৰ্থনা কৰিলোঁ।

ভাৰতৰ প্ৰাচীনতম নগৰীসকল

ভাৰতবৰ্ষ এখন বিশাল দেশ। ইযাত অতীজৰে পৰা নানা জাতিৰ মানুহে বাস কৰি আহিছে। সিন্ধু নদীৰ উপত্যকাত মহেনজোদাৰো নামে ঠাইত আৰু পঞ্জাবৰ হৰপ্পা নামে ঠাইত মাটিৰ তলত পোত গৈ থকা অতি প্ৰাচীন নগৰীবিলাকৰ ধ্বংসাৱশেষ আৱিষ্কৃত হৈছে। পুৰাতত্ত্বজ্ঞসকলে অনুমান কৰে যে অতি কমেও খ্ৰীষ্টজন্মৰ ৩০০০ হাজাৰ বছৰ পূৰ্ব্বে এই নগৰীসকল ধ্বংসপ্ৰাপ্ত হৈছিল। এইসকল নগৰীত বাস কৰা লোক-সকল বৰ সুসভ্য আছিল। নগৰীৰ বাটবোৰ পোণ আৰু বহল আছিল। ইটাৰে সজা ঘৰত তেওঁলোকৰ বহুতে বাস কৰিছিল। তেওঁলোকে স্নানাগাৰ আৰু পয়ঃ প্ৰণালী ইটাৰে নিৰ্ম্মাণ কৰি লৈছিল আৰু সোণ-ৰূপৰ অলঙ্কাৰ তেওঁলোকে ব্যৱহাৰ কৰিছিল। শিৱলিঙ্গ পূজা আৰু দেৱী পূজা তেওঁলোকৰ ভিতৰত প্ৰচলিত আছিল। তেওঁলোকে ইৰাকৰ প্ৰাচীন অধিবাসীসকলৰ লগত ব্যৱসায়-বাণিজ্য কৰিছিল এনে অনুমান হয়। পাশ্চাত্য পণ্ডিতসকলে ভাবে যে এইসকল নগৰবাসী লোক বৈদিক আৰ্য্য জাতিৰ লোক নাছিল। গুজৰাট, সৌৰাষ্ট্ৰ, ৰাজপুতনা প্ৰভৃতি ঠাইতো সম্প্ৰতি হৰপ্পাৰ নিচিনা প্ৰাচীন নগৰীৰ ধ্বংসাৱশেষ পোৱা গৈছে।

আৰ্য্য সংস্কৃতিৰ বিস্তাৰ

এইটো নিঃসন্দেহ যে বৈদিক যুগৰ আৰ্য্যসকল ভাৰতৰ পঞ্জাৰ আদি ঠাইত বহুকালৰে পৰা বাস কৰিছিল। মানুহে ৰচনা কৰা গ্ৰন্থৰ ভিতৰত ঋক্‌বেদেই সৰ্ব্বপ্ৰথম। বৈদিক যুগৰ বহুকাল পিছত বৰ্ত্তমান প্ৰচলিত সংস্কৃত ভাষাত আদি কবি বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰে। ৰামায়ণৰ কালত সমস্ত দাক্ষিণাত্য অনাৰ্য্য-জাতিৰ বাসস্থান আছিল। বঙ্গদেশ আৰু কামৰূপ আদি ভাৰতৰ পূৰ্ব্বাঞ্চলতো আৰ্য্যজাতিৰ বসতি নাছিল। ৰামায়ণৰ সময়ত আৰ্য্যবিলাক অতি সৰল স্বভাবৰ আছিল। তেওঁলোকৰ সমাজত পিতৃ-ভক্তি, সত্যনিষ্ঠা, সাহস, উদ্যম, মনৰ দৃঢ়তা, জগতৰ সকলোৰে প্ৰতি দয়াৰ ভাব ইত্যাদি গুণে পৰাকাষ্ঠা লাভ কৰিছিল। বিলাসিতা, স্বাৰ্থপৰতা ইত্যাদি দোষে সমাজক কলুষিত কৰা নাছিল। এইসকল

গুণ থকা বাবেই তেওঁলোকৰ প্ৰভাৱ আৰু সভ্যতা ভাৰতত ব্যাপ্ত হৈ পৰিছিল। মহাভাৰতৰ দিনত প্ৰায় সমস্ত ভাৰতবৰ্ষতে আৰ্য্যপ্ৰভাৱ বিস্তাৰ লাভ কৰিছিল। অসমতো মহাভাৰতীয় যুগৰ পৰাই আৰ্য্যসকলৰ শিক্ষা আৰু সভ্যতাই ধীৰে ধীৰে গা কৰি আহি মহাভূতি বৰ্ম্মা, ভাস্কৰ বৰ্ম্মা আদি মহাৰাজসকলৰ শাসনকালত পূৰ্ণপযোভৰেৰে বিকাশ লাভ কৰাৰ সাক্ষ্য আজিকালি উদ্ধাৰ হোৱা তাম্ৰশাসন-বিলাকে নিঃসন্দেহে ডাঙি ধৰিছে। আৰ্য্যসভ্যতাৰ বিস্তাৰৰ লগেলগে সংস্কৃত ভাষাৰ পঠন-পাঠনো কামৰূপত ব্যাপক ভাবে হৈছিল। তাম্ৰশাসনবিলাকৰ কবিত্বময় ৰচনাবোৰে এই কথা দৃঢ ভাবে প্ৰমাণ কৰে। কালিকাপুৰাণ আৰু পিছৰ কালত যোগিনীতন্ত্ৰও এই কামৰূপতে ৰচিত হৈছিল। ত্ৰয়োদশ শতিকাত বা চতুৰ্দ্দশ শতিকাৰ আগভাগত অসমত কেইবাজনো বিখ্যাত স্মৃতিকাৰ আৰু টীকাকাৰৰ উদ্ভৱ হৈছিল। সেই সকলৰ ভিতৰত নীলাম্বৰাচাৰ্য্য, বেদাচাৰ্য্য আদি স্মৃতিকাৰসকলৰ গ্ৰন্থ সংস্কৃত সঞ্জীৱনী সভাৰ হস্তলিখিত পুথিৰ সংগ্ৰাহলযত থকা বুলি আমি পণ্ডিত শ্ৰীযুক্ত মনোৰঞ্জন শাস্ত্ৰীৰ মুখে আৰু তেখেতৰ লিখিত কেইটা-মান প্ৰবন্ধৰ পৰা জানিব পাৰিছোঁ। এই সকল আচাৰ্য্যৰ কথা এৰিও দামোদৰ মিশ্ৰৰ 'গঙ্গাজলম্', পীতাম্বৰ সিদ্ধান্তবাগীশৰ 'কৌমুদীসমুচ্চয', পুৰুষোত্তম বিদ্যা-বাগীশৰ 'ৰত্নমালা ব্যাকৰণৰ' কথা শিক্ষিত অসমীয়া মাত্ৰেই জানে। ইয়াৰ উপৰি সৰু সৰু কাব্য নাটক আৰু বিখ্যাত সংস্কৃত কাব্যৰ আৰু অলঙ্কাৰ গ্ৰন্থৰ বহুতো টীকা প্ৰাচীন কামৰূপত ৰচিত হৈছিল। তাৰে কিছুমানৰ উদ্ধাৰ হলেও সি জীৰ্ণ আৰু অপ্ৰকাশিত হৈ পৰি আছে। কিছুদিন আগতে অসম চৰকাৰে এই পুথি-বোৰৰ বিৱৰণমূলক তালিকা গ্ৰন্থ এখন প্ৰস্তুত কৰাৰ কাৰণে পণ্ডিত শ্ৰীযুক্ত মনোৰঞ্জন শাস্ত্ৰীদেৱক এটা বৃত্তি দি নিযুক্ত কৰিছিল। কিন্তু দুখৰ কথা অলপ দিনৰ পিছতে সেই বৃত্তি চৰকাৰেই বন্ধ কৰি দিলে আৰু সেই কামো সম্পূৰ্ণ হবলৈ নেপালে। এই অতি আৱশ্যকীয় কাম যেনে উপায়েৰেই হওক সম্পূৰ্ণভাৱে সমাধা কৰোৱাৰ দিহা কৰা আমাৰ সকলোৰে উচিত হব। মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্যদেৱৰ ৰচিত 'বৃত্তমঞ্জৰী' নামৰ অতি মূল্যৱান গ্ৰন্থখনিও এতিয়া-লৈকে প্ৰকাশিত নহ'ল, অথচ অসম গভৰ্ণমেণ্টে এই কিতাপ প্ৰকাশ কৰিবলৈ বহুদিন আগতে আৱশ্যকীয় খৰচৰ টকা মঞ্জুৰী কৰি ৰখা বুলি জনা যায়।

অসমত সংস্কৃতৰ প্ৰচাৰ

পুৰণি অসমত সংস্কৃত চৰ্চ্চাৰ আন এটা ধাৰা হ'ল শঙ্কৰী আৰু তৎপূৰ্ব্ববৰ্ত্তী যুগৰ পদবন্ধে আৰু কথাবন্ধে যুগুত কৰা সংস্কৃতৰ অমূল্য গ্ৰন্থবিলাকৰ অনুবাদ-বিলাক। মাধৱ কন্দলিৰ ৰামায়ণ, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ ভাগৱত, ৰাম সৰস্বতীৰ

মহাভাৰত, ভট্টদেৱৰ কথাভাগৱত আৰু কথাগীতা আদিকে প্ৰমুখ্য কৰি অসংখ্য শাস্ত্ৰগ্ৰন্থৰ অনুবাদৰ দ্বাৰা অসমীয়া সাহিত্য সমৃদ্ধিশালী হৈ উঠিছিল। পদপুথিবোৰৰ পৰা সেই কালৰ অসমীয়া মানুহে অকল শাস্ত্ৰজ্ঞানকেহে লাভ কৰিছিল এনে নহয় পৰন্তু অসমীয়া সমাজৰো প্ৰভূত উন্নতি সাধিত হৈছে।

অসমৰ সমাজত সংস্কৃত গ্ৰন্থৰ প্ৰভাৱ

ইংৰাজ ৰাজত্ব আৰম্ভ হোৱাৰ পাছতো অসম দেশত বিদ্যাশিক্ষা দিয়াৰ ভাৰ প্ৰধানকৈ ব্ৰাহ্মণ পণ্ডিতসকলৰ ওপৰত ন্যস্ত আছিল। তেওঁলোকৰ ভিতৰত যি সকলে সংস্কৃত বিদ্যাশিক্ষা কৰি বিশেষ ব্যুৎপত্তি লাভ কৰিছিল তেওঁলোকে নিজে নিজে পঢাশালি স্থাপন কৰি কোনো পাৰিশ্ৰমিক নোলোৱাকৈ ছাত্ৰসকলক শিক্ষা দিছিল আৰু কিছুমান ছাত্ৰক খোৱা থকা দিও পঢাইছিল। এনেদৰে সংস্কৃত পঢাশালি স্থাপন কৰি বিদ্যা শিক্ষা দিব পৰা অতি গৌৰৱৰ বিষয় বুলি পণ্ডিত সকলে বিবেচনা কৰিছিল আৰু তেওঁলোকে সমাজৰ লোকৰ পৰাও যথেষ্ট সমাদৰ, দান-দক্ষিণা আৰু অন্য প্ৰকাৰৰ সহায়তা পাইছিল। মোৰ বাল্য-কালত দেখিছিলোঁ যে পণ্ডিতসকলে ব্যৱস্থাপত্ৰ দি বহুত ধন পাইছিল আৰু শ্ৰাদ্ধ স্বস্ত্যয়ন কৰ্ম্মৰ পৰাও তেওঁলোকৰ বহুত প্ৰাপ্তি হৈছিল। কিন্তু সমাজৰ ৰীতিনীতি আৰু ৰুচি পৰিবৰ্ত্তনৰ লগে লগে সংস্কৃত পণ্ডিতসকলৰ আদৰ আৰু সন্মান হ্ৰাস পালে, প্ৰাপ্তিও নিচেই কমি গ'ল।

পুৰণি ভাৰতৰ শিক্ষাদান প্ৰণালী

এতিয়া দেখা গৈছে যে পুৰণি ধৰণৰ পঢাশালিবিলাকত শিক্ষালাভ কৰিবলৈ ছাত্ৰৰ অভাৱ হৈছে। দেশৰ খ্যাতনামা সংস্কৃত পণ্ডিতসকলেও তেওঁলোকৰ ল'ৰা-ছোৱালীবিলাকক সংস্কৃত শিক্ষা দিবলৈ চেষ্টা নকৰি আধুনিক শিক্ষা লবলৈ স্কুল কলেজলৈ পঠায়। ইযাৰ কাৰণ কি সেই বিষয়ে ভালকৈ চিন্তা কৰা উচিত। প্ৰাচীন ধৰণৰ সংস্কৃত শিক্ষাৰ দ্বাৰা অৰ্থোপাৰ্জ্জনৰ পথ সুগম নোহোৱা কাৰণেই তাৰ প্ৰতি আজিকালি ছাত্ৰৰ আৰু অভি-ভাৱকৰ ধাউতি নাই বুলি বহুতে ইযাৰ কাৰণ দৰ্শায়। এই কথা আংশিক ভাবেহে সঁচা। আমাৰ দেশত এতিযাও ছোৱালীৰ উপাৰ্জ্জনৰ পথৰ কথা মানুহে সিমান নেভাবে। বিবাহৰ পিচত খুব কম সংখ্যক ছোৱালীয়েহে উপাৰ্জ্জনৰ কাৰণে চাকৰি আদি কৰে। তথাপি ছোৱালীকো আমি সংস্কৃত পাঠশালালৈ নপঠিয়াই আধুনিক ধৰণৰ ইংৰাজী বিদ্যালয়লৈহে পঠাওঁ। অৰ্থকৰিতাৰ অভাবেই অকল সংস্কৃত শিক্ষাৰ হেঙাৰ হোৱাহেঁতেন অৰ্থকৰী বিদ্যাৰ সিমান প্ৰয়োজন নথকা ছোৱালীবিলাকক বহুতে

প্ৰাচীন পদ্ধতিৰ শিক্ষাৰ প্ৰতি আগ্ৰহৰ অভাৱ

সংস্কৃত পাঠশালালৈ পঠালেহেঁতেন। আনকি ব্ৰাহ্মণসকলৰ ছোৱালীকো ইংৰাজী বিদ্যালযলৈহে যোৱা দেখা যায়। ইয়াৰ কাৰণ কি? মই ভাবোঁ, আজিকালি অভিভাৱকসকলে উপলব্ধি কৰিছে যে প্ৰাচীন ধৰণৰ সংস্কৃত শিক্ষাই আমাৰ ল'ৰাছোৱালীৰ শিক্ষাৰ সম্পূৰ্ণ প্ৰয়োজন সাধিব নোৱাৰে।

প্ৰাচীন কালত অসমত আৰু ভাৰতৰ আন আন প্ৰদেশতো সকলো শ্ৰেণীৰ লোকৰ ভিতৰতে লিখাপঢা শিক্ষাৰ ব্যাপক ব্যৱস্থা নাছিল। দেশৰ বেচি ভাগ মানুহেই কৃষিকৰ্ম্ম, আৱশ্যকীয বস্তুৰ উৎপাদন, বাণিজ্য আৰু যুদ্ধ-বিদ্যাৰ কামতে সময় কটাইছিল। সেইবিলাক শ্ৰেণীৰ মানুহে লিখাপঢাত কালক্ষেপ কৰাৰ প্ৰযোজন বোধ নকৰিছিল। বৰ্ত্তমান কালত উন্নত জাতিবিলাকে সমাজৰ প্ৰত্যেক ল'ৰাছোৱালীকে অল্প-বিস্তৰ লিখাপঢা শিকোৱাৰ আৱশ্যকতা স্বীকাৰ কৰে।

নতুন জ্ঞান আৰু বিদ্যাৰ প্ৰয়োজনীয়তা

গতিকে সমাজত অধিক সংখ্যক শিক্ষক শিক্ষযিত্ৰীৰ প্ৰয়োজন হৈছে। তাক এৰি যুদ্ধবিদ্যা, স্থপতি, শিল্প, কাৰু, যন্ত্ৰ-নিৰ্ম্মাণ, বিদ্যা, কৃষি, গো-পালন আদি বিদ্যাসকল উন্নত ধৰণে শিক্ষা দিযাৰ প্ৰয়োজন অনুভূত হৈছে। আমেৰিকা, ইউৰোপ, অষ্ট্ৰেলিযা প্ৰভৃতি দেশত যিমান পৰিমাণে গাখীৰ, মাখন আদি উৎপন্ন হয় আৰু প্ৰতি বিঘা ভূমিত যি পৰিমাণে শস্য উৎপাদন হয় আমাৰ দেশত সেই পৰিমাণে নহয়। আমাৰ দেশতো সেই নিৰিখে গাখীৰ, মাখন, ঘিঁউ, ধান, যব আদিৰ যাতে উৎপাদন হব পাৰে তাৰ চেষ্টা বিভিন্ন পৰিকল্পনাৰ যোগে চৰকাৰে কৰিবলৈ তৎপৰ হৈছে। আজিকালি কৃত্ৰিম উপায়েৰে বহুতো প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰা হৈছে আৰু নানাপ্ৰকাৰৰ যন্ত্ৰৰ আবিষ্কাৰ হৈছে। আমাৰ ভাৰতবৰ্ষতো উন্নতিশীল দেশবিলাকৰ আৰ্হিত যন্ত্ৰপাতি নিৰ্ম্মাণ, উন্নত প্ৰণালীৰ কৃষি, গো-পালন আৰু প্ৰয়োজনীয় আহিলাপাতিৰ উৎপাদন বৃদ্ধি কৰাৰ কাৰণে অসংখ্য শিক্ষাৰ্থীৰ প্ৰয়োজন হৈছে আৰু শ্ৰীনেহেৰুজী প্ৰভৃতি দেশনেতাসকলে এই বিষয়ে বিশেষ চেষ্টা কৰিব ধৰিছে। আমাৰ দেশৰ এনে পৰিস্থিতিত প্ৰাচীন প্ৰণালীৰ সংস্কৃত শিক্ষাৰ স্থান আৰু প্ৰয়োজনীয়তা কেনেভাবে নিৰূপিত হব পাৰে আৰু সাময়িক পৰিস্থিতি আৰু প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি এই শিক্ষাত কেনে পৰিবৰ্ত্তন হোৱা উচিত তাক আপোনালোকে ভাবি চাব।

ওপৰত কোৱা ৰাষ্ট্ৰীয় প্ৰয়োজনীয়তাৰ কথা এৰিও ব্যক্তিগত জ্ঞানস্পৃহা পূৰ্ণ কৰা বিষয়ত আৰু আধুনিক কালৰ সংসাৰযাত্ৰাৰ প্ৰয়োজনীয় সম্বলৰ আহৰণৰ কামত প্ৰাচীন প্ৰণালীৰ সংস্কৃত শিক্ষাই কিমানখিনি সহায় কৰে তাকো ভাবি চোৱা

উচিত। ভাৰতবৰ্ষত ইংৰাজ ৰাজত্ব প্ৰতিষ্ঠিত হোৱাৰ পিচত লৰ্ড মেকলে নামৰ উচ্চপদস্থ ইংৰাজ ৰাজবিষয়া এজনে ভাৰতত শিক্ষাবিস্তাৰৰ বাবে সেই সময়ত থকা সংস্কৃত পঢ়াশালিবিলাকক আৰু মুছলমান সমাজৰ শিক্ষা বিস্তাৰৰ বাবে প্ৰতিষ্ঠিত থকা 'মাদ্ৰাচা' আৰু 'মক্তব' বিলাকক চৰকাৰে সাহায্য দি শিক্ষা বিস্তাৰৰ চেষ্টা কৰা উচিত হব এই বিষয়ে দেশৰ চিন্তাশীল লোকসকলৰ মতামত বিচাৰিছিল। সেই সময়ত ৰাজা ৰামমোহন ৰায় প্ৰভৃতি ইংৰাজীশিক্ষিত ভাৰতীয় নেতৃবৃন্দই ইংৰাজী স্কুল আৰু কলেজ স্থাপন কৰি অঙ্ক, বিজ্ঞান, ভূগোল, ইতিহাস প্ৰভৃতি আধুনিক বিষয়ৰ জ্ঞান প্ৰচাৰৰ ব্যৱস্থা কৰা উচিত হব বুলি মত প্ৰকাশ কৰিছিল।

স্বাধীন ভাৰতত নানা বিষয়ৰ বিদ্যা আৰু জ্ঞানৰ প্ৰয়োজনীয়তা

ভাৰত স্বাধীন হোৱাৰ পিচত দেশত নানা বিষয়ত পাৰ্গত আৰু বিদ্বানলোকৰ প্ৰয়োজনীয়তা বাঢ়িছে। ৰুচ, ইংলণ্ড, ফ্ৰাঞ্চ প্ৰভৃতি বহুত দেশত আমাৰ দেশৰ ৰাষ্ট্ৰদূত আৰু বিভিন্ন প্ৰতিনিধিসকলক ৰাখিবলগীয়া হৈছে। এইবোৰ দেশলৈ দলে দলে বছৰি ভাৰতীয় ছাত্ৰ বিদ্যাশিক্ষাৰ কাৰণে যাবলগীয়া হৈছে। কিন্তু সংস্কৃত পঢ়াশালিৰ কোনো ছাত্ৰ এইৰূপে নতুন বিদ্যাত পাৰ্গত হবলৈ বোধহয় যোৱা নাই। এজনো বিচক্ষণ শাস্ত্ৰজ্ঞ পণ্ডিতক ৰাষ্ট্ৰদূত ৰূপে পঠোৱা নাই। ইয়াৰ কাৰণ কি? প্ৰাচীন পদ্ধতিৰ শিক্ষাৰ কোনোবাখিনিত কিবা কেৰোণ আছে নেকি?

প্ৰাচীন ভাৰতীয় শিক্ষা পদ্ধতি আৰু বৰ্ত্তমান চলিত সংস্কৃত পঢ়াশালিৰ পদ্ধতি।

সংস্কৃত শিক্ষাৰ পুৰণি প্ৰণালী বুলিলে আমি বৰ্ত্তমান কালৰ যাক সংস্কৃত পঢ়াশালি বা 'টোল' বোলে তাৰ প্ৰণালীকে বুজোঁ। এই শিক্ষা-পদ্ধতি কিমান পুৰণি তাক কব নোৱাৰোঁ কিন্তু অতি প্ৰাচীন শিক্ষাপদ্ধতি যে ঠিক ইযাৰে নিচিনা নাছিল সেই বিষয়ে সন্দেহ নাই। এই টোল পদ্ধতিত বিশেষজ্ঞ বা পাৰংগত পণ্ডিতৰ সৃষ্টি কৰাৰ প্ৰতি অধিক লক্ষ্য ৰখা হয়। এই পদ্ধতিৰে বিদ্যা অৰ্জ্জন কৰি অগাধ পণ্ডিত একোজনৰ আবিৰ্ভাৱ হোৱা আমি দেখিছোঁ। কিন্তু এই পদ্ধতিৰ এটা ডাঙৰ দোষ হৈছে সৰ্ব্বতোমুখী সাধাৰণ বিদ্যাৰ ভেটিত ই-প্ৰতিষ্ঠিত নহয়। মানুহৰ মন বহল আৰু বুদ্ধি কাৰ্য্যপটু হবলৈ হলে নিজৰ চাৰিওফালৰ সংসাৰখনৰ লগত পৰিচয় থাকিব লাগে, অতীত আৰু বৰ্ত্তমানৰ জ্ঞান লাগে, সংসাৰযাত্ৰাৰ কাৰণে লাগতিয়াল তথ্যপাতিৰ বিষয়ে আৱশ্যকীয় অভিজ্ঞতা থাকিব লাগে। এই ধৰণৰ বহল আৰু জ্ঞানৰ ভেটিতহে শিক্ষা কাৰ্য্যকৰী হয়। এনে জ্ঞান নেথাকিলে কেৱল এটা বিষয়ত পাৰদৰ্শী হৈয়ো কেতিয়াবা সমাজৰ লাগতিয়াল পুৰুষ নহব পাৰে। ন্যায়ৰ সূত্ৰ, টিকা-টিপ্পনী আৰু সূক্ষ্ম বিচাৰবোৰ কণ্ঠস্থ থাকিলেও বাৰ্লিন নগৰী

ক'ত তেওঁ যদি নেজানে তেনেহলে জাৰ্ম্মানিৰ ৰাষ্ট্ৰদূতৰূপে যাবৰ যোগ্যতা তেওঁৰ নেথাকিব। এনেস্থলত কুশাগ্ৰবুদ্ধি অনন্যসাধাৰণ মেধাও গুহাবদ্ধ ৰত্নৰ দৰে হয়। আমাৰ টোল পদ্ধতিৰ শিক্ষাত এই দোষ কেনেবাকৈ সোমাই পৰিল। কিন্তু

প্ৰাচীন ভাৰতত বিবিধ বিদ্যা শিক্ষাৰ ব্যৱস্থা

অতি প্ৰাচীন কালত এনে ব্যবস্থা আছিল বুলি বোধ নহয়। কিয়নো সেই শিক্ষাই চাণক্যৰ দৰে ৰাজনীতিজ্ঞ, চৰক শুশ্ৰুতৰ দৰে দেহবিদ্যাবিৎ, বাৎসায়নৰ দৰে মনস্তাত্বিক, গৌতম কণাদৰ দৰে দাৰ্শনিক, পালকাপ্য আৰু শালিহোত্ৰৰ দৰে হস্তীবিদ্যা, অশ্ববিদ্যাবিশাৰদ আৰু এনে কত নানা বিচক্ষণ লোকক জন্ম দিছিল। সাধাৰণতে আশ্ৰমবিলাক মানব সমাজৰ লগত যোগাযোগ থকা শিক্ষা প্ৰতিষ্ঠান আছিল। ৰঘুবংশত আমি পাওঁ যে মহাৰাজ দিলীপে গধূলি গৈ বশিষ্ঠৰ আশ্ৰম পাইছেগৈ আৰু আশ্ৰম পোৱাৰ আগতে গোপবৃদ্ধসকলক লগ পাইছে আৰু যাজ্ঞিক ব্ৰাহ্মণ গাওঁত যুপকাষ্ঠ দেখা পাইছে। ইযাৰ পৰাই আশ্ৰম চাৰিওকাষে গাঁৱেৰে পৰিবেষ্টিত আছিল বুলি অনুমান হয়। আশ্ৰমত শাৰীৰিক শ্ৰমক মৰ্য্যাদা দিযা হৈছিল। কৃষি, গো-ৰক্ষা আনকি যুদ্ধবিদ্যা পৰ্য্যন্ত শিক্ষাৰ ব্যৱস্থা আছিল , লগে লগে বেদৰ অধ্যযন আৰু অধ্যাপনাও চলিছিল।

পিচৰ কালৰ তক্ষশীলা, নালন্দা, বিক্ৰমশীলা আদি বুৰঞ্জীবিখ্যাত বিশ্ববিদ্যালয়বিলাকত সকলো বিদ্যা শিকোৱা হৈছিল। তক্ষশীলাত স্থপতিবিদ্যা, বাস্তুবিদ্যা, চিকিৎসাবিদ্যা আদি শিকোৱাৰ ব্যৱস্থা থকাৰ উল্লেখ বহুত ঠাইত পোৱা যায়। এনেস্থলত বৰ্ত্তমান কালত চলিত 'টোল' শিক্ষাকে প্ৰাচীন ভাৰতীয শিক্ষাপদ্ধতি বুলি ভবাটো মোৰ মনেৰে ভুল হব। প্ৰাচীন ভাৰতীয শিক্ষাপদ্ধতিত শাৰীৰিক শ্ৰমৰ মূল্য আছিল আৰু সমাজৰ লাগতিযাল সকলো বিদ্যাকে উচিত মূল্য দিয়া হৈছিল। সংস্কৃত বিদ্যাক ফলপ্ৰসূ আৰু জনপ্ৰিয কৰিবলৈ হলে বৰ্ত্তমান টোলৰ পদ্ধতিকে সাৱটি ধৰি নাথাকি ভাৰতৰ সুপ্ৰাচীন আদৰ্শ আৰু শিক্ষাৰ পদ্ধতিলৈ লক্ষ্য ৰাখি বৰ্ত্তমান প্ৰয়োজনৰ লগত খাপ খুৱাই লব লাগিব। তাকে কৰিবলৈ হলে সংস্কৃত পাঠশালাত পঢ়া ছাত্ৰৰ কাৰণে আধুনিক জ্ঞানবিজ্ঞানৰ দুৱাৰখন বন্ধ কৰি তেওঁলোকৰ এটা ফাল পূৰ্ণ অন্ধকাৰেৰে ব্যাপ্ত ৰাখি থলে সংস্কৃত শিক্ষা পঙ্গু হৈ থাকিব। সংস্কৃত শিক্ষকে যিমান দূৰ পৰা যায় সৰ্ব্বতোমুখী কৰিবলৈ চেষ্টা কৰাটো এটা বিশেষ প্ৰয়োজনীয় কাম। সংস্কৃত শিক্ষাৰ প্ৰতি বৰ আগ্ৰহশীল আৰু প্ৰাচীন পণ্ডিত সকলৰ প্ৰতি শ্ৰদ্ধাবান কিছুমান লোকে এই মত পোষণ কৰে যে সংস্কৃত শিক্ষাৰ প্ৰণালী সম্পূৰ্ণ অপৰিবৰ্ত্তিত ৰাখি সংস্কৃত শিক্ষাৰ বিস্তাৰ কৰাটোৱে আমাৰ কৰ্ত্তব্য। এই সকল ৰক্ষণশীল লোকৰ বিশ্বাস যে সংস্কৃত

টোলৰ প্ৰণালীৰ সংস্কাৰ সাধনৰ আৱশ্যকতা

পঢাশালিৰ শিক্ষাপদ্ধতিৰ আদৰ্শ অবিমিশ্ৰ ৰাখিলেহে সংস্কৃত শিক্ষা ৰক্ষা পৰিব। এই কথা ভুল বুলি মই ভাবোঁ। যি পদ্ধতিয়ে আপোনা-আপুনি ছাত্ৰ আৰু অভিভাৱকৰ আস্থা আৰু ধাউতি হেৰুৱাইছে তাক ৰক্ষণশীল উপায়েৰে অলপকাল জীয়াই ৰাখিব পাৰিলেও দীৰ্ঘজীৱী কৰিব নোৱাৰি।

ৰাষ্ট্ৰভাষা ৰূপে সংস্কৃত

সংস্কৃতক ৰাষ্ট্ৰভাষাৰূপে আমি গ্ৰহণ কৰিব পৰা হলে সংস্কৃত শিক্ষা ব্যাপক আৰু সৰ্ব্বতোমুখী কৰাত সুবিধা হ'লহেঁতেন আৰু তাৰ ফলত ভাৰতৰ প্ৰাদেশিক ভাষাবোৰৰো শীঘ্ৰে উন্নতি হ'লহেঁতেন। ভাৰতত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ সময়তো বিভিন্ন প্ৰদেশৰ বিদ্বানসকলে সংস্কৃত ভাষাৰ মাধ্যমেৰে ভাবৰ আদান প্ৰদান কৰিছিল। কামৰূপত কোঁচ আৰু আহোম ৰজাৰ দিনতো মঠ-মন্দিৰৰ লিপি আৰু তাম্ৰশাসন আদি সংস্কৃতত লিখা হৈছিল। ভাৰতীয় প্ৰাদেশিক ভাষাৰ সৰহভাগ সংস্কৃতৰ পৰা উদ্ভৱ হৈছে। দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কানাড়া আৰু মালয়ালম্ আদি ভাষা সংস্কৃতৰ পৰা উদ্ভৱ হোৱা নাই যদিও সেইবিলাক ভাষাত প্ৰাচীন কালৰে পৰা সংস্কৃত ভাষাৰ প্ৰভাৱ বৰ্ত্তিছে। শ্ৰীছৰ্দাৰ পানিক্কৰ, শ্ৰীকাটজু প্ৰভৃতি বহুতো বিদ্বান-লোকৰ মত এই যে ভাৰতৰ ৰাষ্ট্ৰভাষা স্বৰূপে সংস্কৃতক গ্ৰহণ কৰা হলে ভাৰতবৰ্ষৰ নানা প্ৰকাৰে মঙ্গল হ'লহেঁতেন। হিন্দী ভাষা দক্ষিণ ভাৰতৰ লোকসকলৰ সহজতে বোধগম্য নহয়। তাক এৰি মই ভাবোঁ যে হিন্দী ৰাষ্ট্ৰভাষা হোৱাত ফলত হিন্দী ভাষাভাষী লোকসকলে ভাৰত চৰকাৰৰ চাকৰি আদি পোৱাত বেচি সুবিধা হব বুলি আন প্ৰদেশৰ লোকৰ মনত আশঙ্কাই স্থান পাইছে। সংস্কৃতক ৰাষ্ট্ৰভাষাৰূপে গ্ৰহণ কৰিলে এই আশঙ্কাৰ কাৰণ নাথাকিলহেঁতেন। সংস্কৃতক ৰাষ্ট্ৰভাষাৰূপে গ্ৰহণ কৰিলে হিন্দীভাষী প্ৰদেশবিলাকক এৰি আন প্ৰদেশৰ ছাত্ৰবিলাকৰ অৱশ্য পাঠ্য বিষয়ৰূপে হিন্দী পঢিবৰ আৱশ্যক নহলহেঁতেন। হিন্দীৰ ঠাইত সকলোৱে সংস্কৃত পঢ়িব পাৰিলেহেঁতেন। কোমলমতি ছাত্ৰৰ ওপৰত অনাহক বহু ভাষাৰ গধুৰ বোজাও নপৰিলহেঁতেন। হিন্দী ভাষা জ্ঞানবিজ্ঞানতো বেচি চহকী নহয়। আনপক্ষে সংস্কৃতত নিহিত থকা প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ আদৰ্শ, দৰ্শন, কাব্য আদিৰ পৰা আমি বিচ্ছিন্ন হৈ থাকিব নোৱাৰোঁ। মোৰ মনেৰে ভাৰতৰ

উচ্চ শিক্ষাৰ মাধ্যম মাতৃভাষা হব লাগে

সৰ্ব্বসাধাৰণৰ মাজত জ্ঞানৰ বিস্তাৰৰ কাৰণ প্ৰত্যেক প্ৰদেশতে প্ৰাদেশিক ভাষাৰেই স্কুল-কলেজ আৰু বিশ্ববিদ্যালয়ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা নিতান্ত উচিত। সহজতে বুজিব পৰা সংস্কৃতক ৰাষ্ট্ৰভাষাৰূপে গ্ৰহণ কৰিলে আমাৰ বহুতো সুবিধা হব। ইয়াৰ দ্বাৰাই

ভাৰতীয় চিন্তাধাৰা আৰু আদৰ্শৰ লগত আমাৰ সংযোগ দৃঢ়তৰ হব আৰু প্ৰাদেশিক ভাষাবিলাকৰো গতি একমুখী হব। তাৰ ফলত ভাৰতবৰ্ষৰ একত্ব দৃঢ় আৰু বলীয়ান হব।

প্ৰাদেশিক-ভাষা স্কুল, কলেজ আৰু বিশ্ববিদ্যালযৰ শিক্ষাৰ মাধ্যম হলে সংস্কৃত পঢ়াশালিত পঢ়া ছাত্ৰৰ ইংৰাজী নজনাৰ কাৰণে আজি যি অসুবিধা হৈছে সেই অসুবিধা নাথাকিব আৰু দেশৰ সকলো ছাত্ৰই সহজতে সকলো প্ৰকাৰৰ বিদ্যালাভ কৰিব পাৰিব।

বৰ্ত্তমান স্কুল কলেজত ইংৰাজৰ মাধ্যমত শিক্ষাদানৰ ফলত ভাৰতত দুই শ্ৰেণীৰ লোকৰ সৃষ্টি হৈছে। ইংৰাজী শিক্ষিতৰ দল আৰু ইংৰাজী শিক্ষা লাভ নকৰাৰ দল। এই দুই দলৰ মাজত চিন্তাধাৰাৰ প্ৰভেদ বৰ বেছি। কেৱল মহাত্মা গান্ধী আৰু অৰবিন্দ ঘোষৰ বেলিকা এই কথা নেখাটে। তেওঁলোকে ইউৰোপীয় সভ্যতাৰ ভাল অংশ গ্ৰহণ কৰিছিল। তাক সত্ত্বেও তেওঁলোকে সৰ্ব্বপ্ৰকাৰে ভাৰতীয় আদৰ্শৰে জীৱন-যাপন কৰিছিল। মহাত্মা গান্ধী ভাৰতৰ সৰ্ব্বসাধাৰণ দৰিদ্ৰ আৰু অনুন্নত শ্ৰেণীৰ লোকসকলৰ প্ৰতি ইমান সহানুভূতিসম্পন্ন আছিল যে তেওঁ অতি দৰিদ্ৰ মানুহে যিভাৱে জীৱন যাপন কৰে সেই ভাবে জীৱন যাপন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ আমাৰ প্ৰাচীন উচ্চতম ভাৰতীয় সভ্যতাৰ প্ৰতীক আছিল বুলি মই ভাবোঁ। এই কাৰণেই মহাত্মা গান্ধীযে ভাৰতীয় জনতাৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিবলৈ পাৰিছিল। মহাত্মা গান্ধীযে সকলো মানুহেই শাৰীৰিক শ্ৰম কৰাটো প্ৰয়োজনীয় বুলি ভাবিছিল আৰু দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত জ্ঞানৰ প্ৰচাৰ হোৱাটো বাঞ্ছা কৰিছিল। কেৱল এক শ্ৰেণীৰ লোকেই জ্ঞানবিজ্ঞানৰ গৰাকী হব, দেশৰ বাকী অধিক অংশ অন্ধকাৰত থাকিব এইটো তেওঁৰ কল্পনাত স্থান নাপাইছিল।

(ইংৰাজী শিক্ষা আৰু ভাৰতীয় জনতা)

আজিকালি স্কুলত পঢ়া ল'ৰাছোৱালীয়ে ৭।৮ বছৰ ইংৰাজী পঢ়িও ইংৰাজী ভাষা ভালৰূপে আয়ত্ব কৰিব নোৱাৰে। বহুত বছৰ ইংৰাজী পঢ়াৰ পিচতহে ইংৰাজী ভাষাৰ গভীৰ জ্ঞানৰ কিতাপৰ লগত তেওঁলোকৰ কিছুমানৰ পৰিচয় ঘটে। দেশৰ অধিকাংশ লোকে ইংৰাজী ভাষাৰ কিতাপত থকা জ্ঞানবিজ্ঞানৰ লগত পৰিচয় নোহোৱাকৈ জীৱন কটাবলগীয়া হৈছে। এইটো পৰিস্থিতি জাতীয় উন্নতিৰ পৰিপন্থী বুলি মোৰ বিশ্বাস। নিজ ভাষাৰ মাধ্যমত উচ্চ জ্ঞান আৰু বিজ্ঞানৰ চৰ্চ্চা হোৱা হলে এনে দশা হবলৈ নেপালেহেঁতেন।

অতি বুদ্ধিমান আৰু শ্ৰদ্ধাভাজন নেতা শ্ৰীযুক্ত ৰাজা গোপালাচাৰী প্ৰভৃতি বহুত দেশহিতৈষী লোকেও ইংৰাজী ভাষাক ৰাষ্ট্ৰভাষাৰূপে ভাৰতত দীৰ্ঘকাললৈকে

ৰখা উচিত বুলি মত প্ৰকাশ কৰিছে। অসম আৰু বঙ্গদেশতো অধিক সংখ্যক শিক্ষিত লোকে স্কুলবিলাকত ইংৰাজী শিক্ষাৰ ব্যৱস্থা ৰখাৰ প্ৰয়োজনীয়তা আৰু কলেজবিলাকত ইংৰাজী মাধ্যমেৰে শিক্ষা দিয়াৰ নিয়ম ৰখা উচিত বুলি দৃঢ় মত পোষণ কৰে। তাৰ কাৰণ এয়ে যে ইংৰাজী ভাষাত বিভিন্ন প্ৰকাৰৰ বিজ্ঞান, ইতিহাস আদি নানা বিষয়ৰ বহুত মূল্যবান গ্ৰন্থ আছে আৰু ইংৰাজী ভাষাৰ সহায়েৰে নানা বিষয়ৰ জ্ঞানৰাশি অৰ্জ্জন কৰাটো সহজ হয়। এনেকি আমাৰ অসম দেশৰে গছ, গছনি, সাপ, হাতি, বাঘ, পহুৰ বিষয়ে জানিবলৈ হলেও ইংৰাজী কিতাপ পঢ়িবলগা হয়। আমাৰ দেশৰ খনিজ সম্পদ ক'ত কি পৰিমাণে আছে অসমৰ নগা, গাৰো, খাচীয়া, মিকিৰ আদিৰ সমাজৰ ৰীতি, ধৰ্ম্মবিশ্বাস প্ৰভৃতিৰ জ্ঞান লাভ কৰিবলৈ হলে ইংৰাজী কিতাপ নপঢ়িলে নচলে। কিন্তু আমাৰ কৰ্ত্তব্য হব লাগে যে এই অৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰা। আমাৰ দেশৰ সকলো মানুহকে ইংৰাজী ভাষাত শিক্ষিত কৰি তোলাটো সম্ভৱ নহয়। দেশৰ সৰ্ব্ব-সাধাৰণে যি ভাষা সহজতে বুজি পায় আৰু যি ভাষাৰে সমাজত কথোপকথন কৰে সেই ভাষাৰ উন্নতি সাধন নকৰিলে সমাজৰ উন্নতিসাধন নহয়। এই কাৰণেই মহাপুৰুষ শঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, অনন্ত কন্দলি প্ৰভৃতি মহাপুৰুষসকলে ভাগৱত, ৰামায়ণ আদি অসমীয়া ভাষাত ৰচনা কৰি অসমীয়া জাতিৰ অশেষ কল্যাণ সাধন কৰি গৈছে। ইংৰাজী, জাৰ্ম্মান, লেটিন, চীন, জাপান প্ৰভৃতি ভাষাৰ মূল্যবান গ্ৰন্থৰাশি আমাৰ দেশৰ মানুহে সহজতে বুজা ভাষাত প্ৰকাশিত নহলে দেশৰ উন্নতি হোৱাৰ আশা নাই। শিক্ষাৰ মাধ্যম মাতৃভাষা হলেহে এইবিলাক গ্ৰন্থ মাতৃভাষাত প্ৰকাশিত হোৱাৰ সম্ভাৱনা আছে। নহলে সদায় আমাৰ গোটেই জাতিটো ইংৰাজীৰ মুখাপেক্ষী হৈ কাল কটাব লাগিব। যিবিলাক ছাত্ৰছাত্ৰীয়ে বিদেশলৈ গৈ কোনো বিষয়ৰ উচ্চশিক্ষা লাভ কৰিবলৈ আকাঙ্ক্ষা কৰে, তেওঁলোকৰ বাবে ইংৰাজী, ৰুচিয়া, জাৰ্ম্মান, চীন আদি ভাষাৰ শিক্ষা কৰাৰ ব্যৱস্থা প্ৰত্যেক বিশ্ববিদ্যালয়ত ৰখা উচিত। হলেণ্ড, বেলজিয়াম, নৰৱে, চুইডেন, প্ৰভৃতি সৰু সৰু দেশতো সেই সেই ভাষাত স্কুল, কলেজ, বিশ্ববিদ্যালয়বিলাকত উচ্চ শিক্ষা দিয়া হয়। আন দেশৰ ভাষা শিক্ষাৰ ব্যৱস্থাও সেই দেশবোৰত আছে। সংস্কৃতচৰ্চ্চাও সেই দেশবোৰৰ বিশ্ববিদ্যালয়বিলাকত উচ্চ ধৰণে হয়। এই দেশবিলাকৰ মানুহে যদি নিজ নিজ ভাষাৰ সহায়েৰে উচ্চ শিক্ষাৰ প্ৰচলন কৰিব পাৰিছে, তেনেহলে ভাৰতৰ বিভিন্ন প্ৰদেশতো আঞ্চলিক ভাষাত উচ্চশিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব। চিৰিয়া দেশত ২০ বছৰে চেষ্টা কৰি আধুনিক বিজ্ঞানৰ নানা গ্ৰন্থ আৰবী ভাষাত অনুদিত কৰি অলপ আগতে চিৰিয়াৰ কলেজসমূহত আৰবী ভাষাৰ

মাধ্যমেৰে উচ্চতৰ জ্ঞানবিজ্ঞানৰ শিক্ষা দিয়া আৰম্ভ কৰিছে। এনেভাবে চেষ্টা কৰিলেহে দেশৰ উন্নতি হব।

ভাৰতবৰ্ষত প্ৰচলিত প্ৰাদেশিক ভাষাবোৰত বিজ্ঞান, দৰ্শন, ৰাজনীতি, ইতিহাস আদিৰ আৱশ্যকীয় কিতাপ নাই। বিশেষতঃ কিছুমান প্ৰাদেশিক ভাষা আনবিলাকতকৈ বেছি পিচ পৰা। গতিকে প্ৰত্যেক প্ৰাদেশিক ভাষাকেই উচ্চ শিক্ষাৰ মাধ্যম কৰিবলৈ দীৰ্ঘকাল আৱশ্যক হব। এনেস্থলত ভাৰত গভৰ্ণমেণ্টে হিন্দী ভাষাত বা সংস্কৃত ভাষাত জ্ঞানবিজ্ঞানৰ উচ্চ স্তৰৰ পুস্তকবিলাক অতি শীঘ্ৰে অনুবাদ কৰাবলৈ আৰু উপযুক্ত লোক নিযুক্ত কৰি জ্ঞানবিজ্ঞানৰ কিতাপ ৰচনা কৰিবলৈ অতি শীঘ্ৰে চেষ্টা কৰিব লাগে। আমাৰ ছাত্ৰছাত্ৰীসকলে হিন্দী বা সংস্কৃত ভাষাত লিখা কিতাপবোৰ অল্প পৰিশ্ৰমতে বুজিব পাৰিব। জ্ঞান-বিজ্ঞানৰ নতুন কিতাপ লিখোঁতে দুৰ্ব্বোধ্য সংস্কৃত বা হিন্দী শব্দৰ পৰিবৰ্ত্তে সহজতে বোধগম্য আৰু চলিত ভাষাৰ শব্দবোৰ আৰু আৱশ্যক অনুসাৰে ইংৰাজী, লেটিন, ফাচি আদি ভাষাৰ শব্দবিলাকো অবাধে গ্ৰহণ কৰিব লাগিব। মই ভাবোঁ যে এই উদ্দেশ্য সংস্কৃত ভাষাৰ সহায়ত সাধন কৰা সহজ হব, কাৰণ সংস্কৃতৰ সহায় নললে হিন্দী ভাষাতো এই প্ৰকাৰৰ কিতাপ লিখা টান হব। ইংৰাজীৰ বোজা কমি গলে ল'ৰাছোৱালীবিলাকে কম পৰিশ্ৰমতে নানা বিষয়ৰ জ্ঞান আৰু বিদ্যা উপাৰ্জ্জন কৰিব পাৰিব।

আমাৰ অধিকাংশ লোকৰে এইটো বিশ্বাস যে সংস্কৃত বৰ কঠিন ভাষা আৰু এই ভাষাত পাৰ্গতালি লাভ কৰা সহজ নহয়। সংস্কৃত শিক্ষা দিয়াৰ প্ৰচলিত প্ৰণালীৰ কাৰণেই সৰ্ব্বসাধাৰণৰ মাজত এনে বিশ্বাস হৈছে। সংস্কৃত ভাষাৰ সহজ সহজ শব্দ আৰু বাক্য ছাত্ৰসকলক নিশিকোৱাকৈ সংস্কৃত ব্যাকৰণৰ জটিল সূত্ৰ শিকাবলৈ যোৱাত ল'ৰাৰ মনত সংস্কৃত ভাষা শিক্ষা বৰ টান কাম যেন বোধ হোৱা হৈছে। জাৰ্ম্মান, আৰবী আদিৰ কিছুমান ভাষা সংস্কৃততকৈ সহজ নহয় বুলি শুনিছোঁ। জাৰ্ম্মানী বা আৰব দেশৰ ল'ৰাই সেইবোৰ ভাষা ব্যাকৰণ নপঢ়াকৈও ল'ৰাকালতে মনৰ ভাব প্ৰকাশ কৰিব পৰা হয়। ল'ৰা-ছোৱালীবিলাকে আই-বোপাই, বাই-ভণী আৰু আন লগৰীয়াবিলাকৰ লগত কথা পাতোঁতেই ভাষা শিকে। এই নিয়মে সংস্কৃত ভাষাৰ লগত সৰুৰে পৰা পৰিচয় ঘটিলে এই ভাষা সহজ হৈ পৰিব আৰু সংস্কৃতৰ প্ৰতি লৰাৰ মনত এতিয়াৰ নিচিনা বিভীষিকাও নাথাকিব। সংস্কৃতক ব্যাপক কৰিবলৈ হলে এই ভাষা সৰ্ব্ব-সাধাৰণৰো ভাষাৰূপে প্ৰচলিত কৰিবলৈ যত্ন কৰিব লাগিব। পণ্ডিত নেহৰুৱে অলপতে কৈছিল যে সংস্কৃত পণ্ডিতসকলে সংস্কৃত ভাষাক সমাস আৰু অলঙ্কাৰবহুল

২৭

ভাষা কৰাৰ কাৰণেই ই কেৱল বিদ্বানসকলৰ ভাষা হৈ ৰ'ল। তেওঁ কৈছিল যে সংস্কৃতত একোটা বাক্যই পুথিৰ একোপৃষ্ঠাকৈ স্থান জুৰি থাকে। সংস্কৃত ভাষা যেতিয়া কথিত ভাষা আছিল তেতিয়া গাৱঁলীয়া মানুহেও এই ভাষাৰে মনৰ ভাব প্ৰকাশ কৰিব পাৰিছিল। উপনিষদৰ ভাষা সহজ আৰু বাক্য চুটি চুটি, শুনিছোঁ পতঞ্জলীৰ মহাভাষ্য আদিৰ ভাষা পোণ আৰু সৰল। শঙ্কৰাচাৰ্য্যৰ ভাষাবিলাকৰ ভাষাও অতি পোণপটীয়া সৰল অথচ গম্ভীৰ বুলি পণ্ডিতসকলে প্ৰশংসা কৰা শুনিছোঁ। প্ৰাণৱন্ত আৰু সৰ্ব্বজনপ্ৰিয় ভাষাৰ সৰলতা এটা প্ৰধান গুণ।

মই ভাবোঁ যে হিন্দীৰ ঠাইত সংস্কৃতক ৰাষ্ট্ৰভাষাৰূপে আমি গ্ৰহণ কৰিলে হিন্দীভাষী প্ৰদেশকেখনক এৰি আন সমস্ত প্ৰদেশৰে বহুত সুবিধা হ'লহেঁতেন। আমাৰ অসমৰ গাঁৱলীয়া লোকেও হিন্দীতকৈ সৰল সংস্কৃত সহজতে বুজিব পাৰে। বঙ্গদেশ, মহাৰাষ্ট্ৰ আদি প্ৰদেশৰ মানুহৰ বেলিকাও এই কথা খাটে।

"ব্ৰহ্মপুত্ৰ মহাবাহো শান্তনোঃ কুলনন্দন।
অমঘাগৰ্ভসম্ভূত পাপং লৌহিত্য মে হৰ।"

"সত্যং ব্ৰূযাৎ প্ৰিযং ব্ৰূযাৎ ন ব্ৰূযাৎ সত্যমপ্ৰিযম্" ইত্যাদি সংস্কৃতত লিখা কথা আৰু সংস্কৃতত লিখা বহুত পুৰাণ, চণ্ডী আদি কিতাপৰ মৰ্ম্ম আমাৰ দেশৰ সাধাৰণ লোকেও সহজতে গ্ৰহণ কৰিব পাৰে কিন্তু হিন্দীত লিখা পুস্তক শিক্ষিত লোকেও বুজিবলৈ টান পাওঁ।

সংস্কৃত ৰাষ্ট্ৰভাষা হোৱা সম্ভৱ নহয় বুলি যিসকলে কব খোজে মই তেওঁ-বিলাকক ইজৰাইলত হিব্ৰুৰ প্ৰচলনৰ দৃষ্টান্তলৈ আঙুলিযাব খোজোঁ। ইহুদীবিলাকৰ ইজৰাইলত হিব্ৰুৰ মাজত অতি প্ৰাচীন কালত হিব্ৰু ভাষা চলিত আছিল কিন্তু প্ৰচলন বহুত শতাব্দীৰ পৰা হিব্ৰু প্ৰচলিত ভাষা নোহোৱা হৈ পৰিছিল। ইহুদীবিলাকে পৃথিবীৰ নানা দেশত বাস কৰি ব্যৱসায় বাণিজ্য কৰাৰ ফলত পুৰুষানুক্ৰমে তেওঁলোকৰ মাতৃভাষাও বিভিন্ন হৈ গৈছিল। ১৯১৪ চনৰ পৰা আৰম্ভ হোৱা মহাযুদ্ধৰ ফলত ইংলণ্ড, আমেৰিকা প্ৰভৃতি জাতিসকলে পেলেষ্টাইন বা ইজৰাইলত ইহুদীবিলাকৰ বাসস্থান যুগুত কৰি দিলে। তেতিয়া নানা দেশৰ বিভিন্ন ভাষাভাষী ইহুদী পৰিযাল আহি ইজৰাইলত বাস কৰা আৰম্ভ কৰিলে। এই নানা ভাষাভাষী ইহুদীসকলে একমত হৈ পুৰণি অপ্ৰচলিত ভাষা হিব্ৰুকে স্কুল, কলেজ আৰু ৰাষ্ট্ৰৰ ভাষাৰূপে গ্ৰহণ কৰিলে। ইযাৰ ফলত বহুত শতাব্দীৰ পিচত হিব্ৰু আকৌ প্ৰচলিত ভাষাত পৰিণত হ'ল। হিব্ৰুৰ তুলনাত সংস্কৃত আজিও বহু পৰিমাণে জীৱন্ত ভাষাৰূপে ভাৰতবৰ্ষত প্ৰচলিত হৈ আছে।

বৰ দুখৰ বিষয় এই যে অসমৰ বহুতো নেতৃস্থানীয় লোক সংস্কৃত শিক্ষা

বিস্তাৰৰ কাৰণে আগ্ৰহশীল নহয়। বঙ্গদেশত ইংৰাজী শিক্ষা প্ৰৱৰ্ত্তনৰ লগে লগে পুৰণি হিন্দু কলেজৰ অধিকাংশ ছাত্ৰই যেনেকৈ বিশ্বাস কৰিছিল যে আমাৰ দেশৰ প্ৰচলিত ৰীতিনীতি আৰু ধৰ্ম্মবিশ্বাসৰ কাৰণেই ভাৰতৰ অধঃপতন হৈছে সেই ৰকমৰ ভাব অসমত এতিযালৈকে শিক্ষিতলোকৰ বহুতৰ মাজত আছে আৰু আমাৰ আধুনিক শিক্ষিত সমাজৰ মাজত প্ৰাচীন ভাৰতৰ গৌৰৱময় যুগৰ প্ৰতি শ্ৰদ্ধা ব্যাপকভাবে প্ৰতিষ্ঠিত হোৱা নাই।

আকৌ আমাৰ দেশৰ বহুত শিক্ষিত লোকৰ বিশ্বাস যে সংস্কৃত শিক্ষাৰ পৰা অনুদাৰতাৰ ভাব সমাজত বিস্তাৰ লাভ কৰিব। এই কথা সম্পূৰ্ণ অমূলক। সংস্কৃত সাহিত্যত নিহিত হৈ থকা জ্ঞানৰাশিৰ তত্ব সম্যক্ উপলব্ধি হলে আব্ৰহ্মস্তম্বপৰ্য্যন্ত প্ৰসাৰী উদাৰতাই হৃদয় অধিকাৰ কৰিব। "সৰ্বে চ সুখিনঃ সন্তু, সৰ্বে সন্তু নিৰামযাঃ। সৰ্বে ভদ্ৰানি পশ্যন্তু মাভূৎ কস্যাপ্যমঙ্গলম্॥" এনেকুৱা জগতৰ সকলোৰে মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰাৰ ৰীতি অন্যদেশত বিৰল। চৰক ঋষিযে সেই প্ৰাচীন কালতে কৈছিল—"কৃৎস্নোহি সংসাৰঃ বুদ্ধিমতামাচাৰ্য্যঃ।" আজিকালিৰ বৈজ্ঞানিক পণ্ডিত সকলৰো এয়ে মত।

ৰামাযণৰ যুগত ভাৰতৰ আৰ্য্যজাতিৰ সমাজত ন্যাযনিষ্ঠা, পিতৃভক্তি, সাহস, উদ্যম, চৰিত্ৰবল আদি গুণবিলাকৰ পৰাকাষ্ঠা হৈছিল। এই সময়ত বিলাসিতা, আলস্য, স্বাৰ্থপৰতা আদি জাতিধ্বংসকাৰক দোষে সমাজ কলুষিত কৰা নাছিল। আদি কবি বাল্মীকিযে যিবিলাক মহৎ গুণ আৰু আদৰ্শ ৰামাযণত দাঙি ধৰি অঙ্কিত কৰিছে কোনো দেশত কোনো কালত মানব সমাজত সেই আদৰ্শবোৰক চেৰ পেলাব পৰা নাই। বৈদিক সংস্কৃত আৰু পৰবৰ্ত্তী সংস্কৃত ভাষাত অতি প্ৰাচীন কালত যিবিলাক শাস্ত্ৰ আৰু কাব্য ৰচিত হৈছিল তাত মানৱজীৱনৰ যি উচ্চ আদৰ্শ ডাঙি ধৰা হৈছে পৃথিবীৰ আন কোনো সাহিত্যত তাৰ তুলনা নাই। নকলেও হব এনে ভাষা আৰু সাহিত্যৰ চৰ্চ্চা আৰু অনুশীলনৰ ফলত আমাৰ ভাৰতীয় ছাত্ৰৰ চৰিত্ৰ আৰু আদৰ্শ উচ্চ হব। ভাৰতীয সংস্কৃতিৰ মহীয়ান আদৰ্শত উদ্বুদ্ধ হৈ চৰিত্ৰবান প্ৰকৃত ভাৰতীয় সজ্জন হবলৈ হলে সংস্কৃত শিক্ষা অপৰিহাৰ্য্য। সেইকাৰণে স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ত সংস্কৃতৰ স্থান অৱশ্য আৰু প্ৰধান হোৱা উচিত। প্ৰয়োজনীয় পৰিবৰ্ত্তন সাধিত হৈ সংস্কৃত পঢ়া-প্ৰণালীবো যিমান বৃদ্ধি হয় সিমান মঙ্গল। ইংলণ্ড প্ৰভৃতি দেশত অলপ দিনৰ আগলৈকে গ্ৰীক আৰু লেটিন ভাষাৰ চৰ্চ্চা বিস্তাৰিত ভাবে হৈছিল।

সংস্কৃত শিক্ষাৰ বিস্তাৰৰ কাৰণে কি কি উপায় অবলম্বন কৰা উচিত এতিয়া সংক্ষেপে সেই বিষয়ে আলোচনা কৰা যাওক—

১। বৰ্ত্তমানত আমাৰ দেশত থকা সংস্কৃত পঢ়াশালীবিলাকক ৰক্ষা কৰা উচিত। কোনো পণ্ডিতে যদি এজন দুজন ছাত্ৰকো বিদ্যাদান কৰিব খোজে সেইখিনিও সমাজৰ পক্ষে যথালাভ বুলি বিবেচনা কৰা উচিত। পণ্ডিতসকলৰ বৃত্তি দিওঁতে যি খৰচ হয় সি অতি সামান্যমাত্ৰ।

সংস্কৃত শিক্ষা বিস্তাৰৰ উপায়

২। সংস্কৃত পাঠশালাবিলাকত বৰ্ত্তমানত যি যি বিষয়ত শিক্ষা দিয়া হয় তাৰ লগত প্ৰয়োজনীয় আধুনিক বিষয়ৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগে।

৩। সংস্কৃত পাঠশালাত পঢ়ি উত্তীৰ্ণ হোৱা ছাত্ৰক বি, এ, এম্, এ, পৰীক্ষা দিবৰ সুযোগ বিশ্ববিদ্যালয়ে দিব লাগে আৰু তেওঁলোকক যথাযোগ্য চৰকাৰী চাকৰিত ভৰ্ত্তি হোৱাৰ সুযোগ দিব লাগে।

৪। আমাৰ দেশত অন্ততঃ এখন হলেও উচ্চ পৰ্য্যায়ৰ সংস্কৃত শিক্ষাৰ কলেজ স্থাপিত হব লাগে। তাত উচ্চ চৰ্চ্চা আৰু গবেষণাৰ সুবন্দোবস্ত থাকিব লাগে। যাতে বি, এ, এম্, এ, উপাধিধাৰী ছাত্ৰয়ো অধিক অধ্যয়নৰ আকাঙ্ক্ষা কৰিলে এই ধৰণৰ কলেজত বিদগ্ধ পণ্ডিতৰ সান্নিধ্য লাভ কৰিব পাৰে। এই কলেজত প্ৰত্নতত্ব আদি বিষয়ো শিক্ষাৰ অন্তৰ্ভুক্ত হব লাগে। আচাৰ্য্যৰূপে বিশেষজ্ঞ আৰু কৃতবিদ্য লোকসকলক বিচাৰি আনি হলেও নিযুক্ত কৰিব লাগে।

৫। ইয়াৰ উপৰিও প্ৰাথমিক পঢ়াশালিবিলাকত সৰু সৰু ল'ৰাছোৱালীৰ কাৰণে মুখে মুখে সহজ সংস্কৃত শিকোৱাৰ ব্যৱস্থা থকা উচিত। এই বিলাক বিদ্যালয়ত মুখস্থ কৰাৰ নিয়ম চলালে সৰল সংস্কৃত শ্লোক মুখস্থ কৰাৰ ফলত ল'ৰাছোৱালীবিলাকে সহজতে আৰু আগ্ৰহেৰে সংস্কৃত শিকিব বুলি মোৰ বিশ্বাস। এইবিলাক ল'ৰাছোৱালীক ৰামায়ণ আদি পঢ়িবলৈ দি তাৰ লগে লগে ব্যাকৰণৰ নিয়ম শিকাব পৰা যাব লক্ষ্য হব লাগে সংস্কৃত যেন সৰু ল'ৰাছোৱালীৰ ভাৰস্বৰূপ নহয়।

৬। বয়স্ক লোকৰ কাৰণেও সহজতে সংস্কৃত ভাষাৰ মোটামুটি জ্ঞান পাব পৰা দেওবৰীয়া বিদ্যালয় খোলাৰ চেষ্টা কৰিব লাগে।

পৰিশেষত মই বিনীত ভাবে নিবেদন কৰিব খোজোঁ যে বুদ্ধিৰ তীক্ষ্ণতা অথবা ধনসম্পত্তি আদি পাৰ্থিব বৈভৱৰ ওপৰত জাতীয় উন্নতি নিৰ্ভৰ নকৰে। কষ্টসহিষ্ণুতা, সাহ, উদ্যম, সত্যনিষ্ঠা, ন্যায়পৰায়ণতা আদি গুণৰ ওপৰত জাতীয় উন্নতি আৰু সামাজিক উন্নতি নিৰ্ভৰ কৰে। বিলাসিতাই মানুহৰ মনক দুৰ্ব্বল কৰে। ইতিহাস আলোচনা কৰিলে এই কথা সম্পূৰ্ণৰূপে বুজিব পৰা যায়। সুসভ্য আৰু সুবিস্তীৰ্ণ পাৰস্য ৰাজ্য অপেক্ষাকৃত দৰিদ্ৰ আৰববিলাকে জয় কৰিলে।

মুছলমানবিলাকে আহি ভাৰতবৰ্ষৰ অধিকাংশ স্থলতে শক্তিশালী ৰাজ্য স্থাপন কৰিলে। কিন্তু কালক্ৰমত মুছলমানসকলো বিলাসিতাপৰায়ণ হ'ল। তাৰ ফলত তেওঁলোকৰ ভিতৰত জাতিভেদ নথকাতো শিখ আৰু মহাৰাষ্ট্ৰীয়বিলাকে দিল্লীৰ মুছলমান সাম্ৰাজ্য পৰাভূত কৰিলে। পলাশীৰ যুদ্ধত অতি অল্প সংখ্যক সৈন্য লৈ ক্লাইভে মুছলমানক পৰাজিত কৰিলে। আমাৰ অসম দেশতো বিদেশৰ পৰা আহি আহোম জাতিয়ে ৰাজক্ষমতা লাভ কৰিলে। তেওঁলোক অতি অল্পসংখ্যক লোক আছিল কিন্তু তেওঁলোকৰ বীৰত্ব আছিল। কালক্ৰমত তেওঁলোকৰ সমাজত বিলাসিতা সোমাই তেওঁলোকক দুৰ্ব্বল কৰিলে। এই কাৰণেই আমাৰ প্ৰাচীন শাস্ত্ৰকাৰসকলে ব্ৰাহ্মণ বালকসকলক সৰুৰে পৰা বিলাসিতা ত্যাগ কৰি ব্ৰহ্মচৰ্য্য জীৱন যাপন কৰিব দিছিল। গাৰ্হস্থ্য-আশ্ৰমতো ব্ৰাহ্মণসকল সম্পত্তি-শালী হব নোৱাৰিছিল। তেওঁলোকে ৫০ বছৰ বয়সৰ পাছত সমাজৰ মঙ্গলৰ কাৰণে বানপ্ৰস্থ আশ্ৰম গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীয়েও সত্যনিষ্ঠা, কৰ্ত্তব্য-পৰায়ণতা, বিনয়, মনৰ দৃঢ়তা, বিলাস বৰ্জ্জন আদি গুণবিলাক লবলৈ আমাৰ দেশৰ মানুহক উপদেশ দিছিল। তেওঁ জগতৰে হিতচিন্তা কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতৰ পাৰ্থিব উন্নতি যথেষ্ট হৈছে আৰু শিক্ষাৰ বিস্তাৰো বহুত পৰিমাণে হৈছে। কিন্তু স্বাধীনতাৰ পাছত আমাৰ দেশৰ মানুহৰ চৰিত্ৰৰ উন্নতি হোৱা নাই।

আমাৰ প্ৰাচীনকালৰ জ্ঞান আৰু বিদ্যা বিষয়ে জানিবৰ আগ্ৰহো আমাৰ হোৱা নাই। ভাৰতৰ কিছুমান যোগীয়ে নিশ্বাস বন্ধ কৰি মাটিৰ তলত ১।২ সপ্তাহ থাকিবলৈ পাৰে, কোনো যোগীয়ে 'সলফিউৰিক এসিড' 'নাইট্ৰিক এসিড' প্ৰভৃতি সদ্যঃপ্ৰাণনাশক দ্ৰব্য খাব পাৰে। ইত্যাদি অত্যাশ্চৰ্য্য ঘটনা কেনেকৈ সম্ভৱপৰ হয় আমি তাক জানিবলৈ বিশেষ আগ্ৰহ নকৰোঁ। এই জগতত যে কেৱল এটা মাত্ৰ শক্তি বা বস্তু (Reality) আছে, ইয়াক এৰি দ্বিতীয় বস্তু বা সত্তা নাই, এই পৰম সত্যটো বহুত কাল পূৰ্ব্বে আমাৰ দেশতে আবিষ্কৃত হৈছিল। পাশ্চাত্য বৈজ্ঞানিকসকলে কেইবছৰমান আগতে এই সত্যটো জানিব পাৰিছে। মানুহৰ বোধশক্তি আৰু বিচাৰবুদ্ধি আদি এই শক্তিৰে প্ৰকাশ, এই সত্যটো আমি ভালকৈ হৃদয়ঙ্গম এতিয়ালৈকে কৰিব পৰা নাই। আমাৰ ইংৰাজী শিক্ষিতৰ অধিকাংশ লোক ভাৰতীয় জ্ঞানৰ লগত অপৰিচিত। আনহাতে আজিকালিৰ সংস্কৃত পণ্ডিতসকল আধুনিক জ্ঞানবিজ্ঞানৰ লগত অপৰিচিত। জাপান আদি দেশত এনে ৰকম পৰিস্থিতিৰ উদ্ভৱ হোৱা নাই। জাপানত আমাৰ দেশৰ নিচিনা ইংৰাজী স্কুল কলেজ নাই। তথাপি সৰ্ব্ব বিষয়ত জাপান দেশৰ মানুহে

আচৰিত উন্নতি কৰিছে। তাৰ কাৰণ এয়ে যে জাপানৰ মানুহৰ আত্মবিশ্বাস আৰু চৰিত্ৰবল আছে। মই আপোনালোকক প্ৰাৰ্থনা কৰোঁ আমাৰ দেশৰ উঠি অহা ল'ৰাছোৱালীবিলাক যাতে সত্যবাদী, পৰিশ্ৰমী, সাহসী, আত্মনিৰ্ভৰশীল আৰু চৰিত্ৰবান হয় তাৰ কাৰণে আপোনালোকে চেষ্টা কৰক। আমি ধৰ্ম্মপথত চলিলে পৰমেশ্বৰে নিশ্চয় আমাক সহায় কৰিব।

ইতি—

শ্ৰীকামাখ্যাৰাম শৰ্ম্মা বৰুৱা।

পঞ্চম খণ্ড

(১৯২৪-২৬ চনৰ কালছোৱাত দিয়া কাউন্সিল ভাষণাৱলী)

[স্বৰ্গীয় বৰুৱাদেৱ ১৯২৪, ২৫ আৰু ২৬ এই তিনিবছৰ কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে অসম লেজিচ্‌লেটিভ কাউন্সিলৰ সদস্য আছিল। সেই কেইবছৰত বৰুৱাদেৱে দিয়া ভাষণবিলাক বিভিন্ন দিশৰ পৰা মূল্যবান। এই ভাষণবিলাকৰ পৰা সেই সময়ৰ ৰাজনৈতিক চিন্তাধাৰাৰ গতিৰ উমান পোৱা যায় আৰু জাতীয় সমস্যাবিলাকৰ বিষয়েও জানিব পাৰি। তেতিয়া লেজিচ্‌লেটিভ কাউন্সিলৰ ভাষণ ইংৰাজীত হৈছিল। অসমীয়ালৈ অনুবাদ কৰাতকৈ মূলৰূপেই ৰাখিলে ভাল হব বুলি ভাবি কাউন্সিলৰ কাৰ্য্যবিবৰণিত যেনেকৈ ওলাইছিল সেইদৰেই দিয়া হ'ল। মাজৰ উত্তৰ কটা-কটিবোৰ স্থলে স্থলে বাদ দিয়া হৈছে। ভাষণবিলাক তাৰিখ অনুসাৰে কালানুক্ৰমিক-ভাবে সজোৱা হৈছে। বিধানসভা সচিবালয়ৰ উপ সচিব শ্ৰীৰত্নেশ্বৰ শৰ্ম্মাই বিধান-সভা গ্ৰন্থাগাৰত বিচাৰি-খোচাৰি এই সমুদায় ভাষণ টাইপ কৰাই আমাৰ হাতত দিয়াত সমিতিৰ হৈ তেখেতৰ শলাগ লৈছো।]

—সম্পাদক

Removal of disabilities of Political convicts in the matter of their eligibiltiy for election to the local bodies and the Legislative Council

26 3.1924 The resolutions that stand in my name are these—

(1) That this Council recommends to the Government that early steps be taken for the removal of the disabilities of political convicts in the matter of their eligibility for election to the Local Bodies

(2) That this Council recommends to the Government that early steps be taken for removal of the disabilities of political convicts in the matter of their eligibility for election to this Council

Now, Sir, at the outset I want to make it clear as to what I mean by the words "political convicts" in these two resolutions I mean, Sir, by this phrase those persons who suffered imprisonment or suffered other punishments on account of their convictions, went to jail for the sake of political issues and for asserting their rights as citizens, who were not actuated by any designs, evil motives or any unworthy motives What they did was that they transgressed the law in fighting for the freedom of speech and freedom of association, with the highest of ideals in their view By 'political convicts' I mean those persons who transgressed the law—and some of these have been called the lawless laws—and whose actions did not involve any moral terpitude Of course I have not thought it necessary to add a definition to my resolution to explain what I have meant by this phrase Now, Sir, I think it is known to the members of this House at least to many of them, that in the last few years in Assam a large number of persons were sent to Jail for their political convictions, men who are universally recognised as the leaders in the country , gentlemen belonging to the learned professions accepted imprisonment in assertion of the

rights of free speech and free association Hundreds of young men, particularly college students and school students (Mr Chaliha gives me the number that it was 996 on the 27th March, 1922) were sent to Jail And I do not think anybody in the House will assert that all these young men were actuated by criminal motives, by any heinous, unworthy motives in doing what they did I could give an idea to this House by referring to what happened in my little town of Gauhati In Gauhati Mr Tarunram Phookan, Bar-at-Law, was imprisoned for one year for not giving security under section 108 of the Criminal Procedure Code , Srijut Nabin Chandra Bordoloi served a term of 18 months' imprisonment under section 108 of the Criminal Procedure Code and section 17 of the Criminal Amendment Act Besides them 13 other legal practitioners and out of these, 11 are graduates of the Calcutta University—some of them are distinguished M Scs and M As—suffered various terms of imprisonment Then there were medical practitioners, respectable landholders, men of proved integrity, college and school students by hundreds and other young men who were sent to Jail for no other fault of theirs than that they acted for the love of their country and their countrymen Now the Assam Municipal Act which is in force provides in section 13 –

> No person shall be eligible for election as member of a Municipal Board if such person has during the three years immediately preceding the date of the election been convicted by a Criminal Court of an offence involving a sentence of transportation or imprisonment for a period of more than six months, or of an offence under Chapter IXA of the Indian Penal Code, or served any portion of a sentence on such conviction, or has been ordered by a Criminal Court to furnish security for good behaviour under the Code of Criminal Procedure unless such conviction or order has been set aside, or such offence pardoned by competent authority.

So the result is that all these public men, Mr Phookan, Mr Bordoloi, the distinguished lawyers,—all these people are debarred from seeking election to the local Municipality Mr Phukan is now sitting in the Imperial Legislative Assembly as one of its members While he is eligible for election as a member of the Assembly, he cannot stand for election as a member of the local Municipal Board (hear, hear) I may tell the House that Mr Phukan served for a large number of years as a Municipal Commissioner in Gauhati Municipality, served as a Vice-Chairman and was a very successful Chairman and yet because he declined to give security under section 108 of the Criminal Procedure Code he has been debarred under this law to seek election to that Municipality Now I want to draw the attention of the House to the old law—I mean, the provisions of the Bengal Municipal Act—on this subject Now under that Act there was no bar imposed against any convicts seeking election to a Municipal Board—not only political convicts could stand for election but even ordinary criminals who had committed offences of a heinous character Now while that Act was in force in Assam it was not our experience that Municipal Boards had suffered in any way by the want of that provision I do not think, Sir, that if men like Mr Phukan and Mr Bordoloi and the other gentlemen I have mentioned are allowed to enter the Municipalities, the Municipalities will suffer On the contrary it is my belief that the Municipalities will gain a great deal if these gentlemen are allowed to serve on them We ought not to deprive the Municipalities of the valued services of such public-spirited men who had the courage to suffer for the sake of their convictions, who did not grudge going to jail fighting for the people and fighting for the country Now, similar is the case with the Local Boards Before the present Act, I mean before the Assam Local Self-Govt Act came into force the Local Boards in Assam were constituted under some executive orders, and these orders were contained in the old Local Self Government Manual, and the old Local Self Govt Manual did not

contain any provision to exclude convicts from seeking election But the present Act lays down in section 4—there is a proviso to section 4 which says that no person shall be eligible for election if such person has during the 12 years immediately preceding the said election been convicted of any such offence or subjected by a criminal court to any such order as in the opinion of the Chief Commissioner unfits him to be a member Now this is in a way more stringent than the provisions of the Municipal Act It unfits a man for 12 years if he is convicted of any offence by a criminal court Sir, the House may easily appreciate the result that will now ensue to the constitution of our Local Boards as the effect of the present law because most of our public-spirited men were imprisoned in the Assam Valley It is known to almost every one that most of our public-spirited men in the Assam Valley were imprisoned Ultimately, the Assam Electoral Rules—Rule 5(2) of the Assam Electoral Rules—provides that a person against whom there is a conviction by a criminal court involving a sentence of transportation or imprisonment for a period of more than six months subsisting,, shall, unless the offence for which he was convicted has been pardoned, not be eligible for election for five years from the date of the expiration of the sentence So that it is clear this rule makes an invidious distinction between persons who have been convicted to six months and persons who have been convicted to more than six months' imprisonment Now we can easily imagine cases in which two persons who have been convicted of the same offence by two different courts, one being sentenced for six months and the other for seven months Both are guilty of the same offence, but as they were sentenced by different courts one for six months and the other for seven months, the one sentenced for six months can seek for election but the other is debarred I do not find in this line of demarcation any reason There is another aspect which is more surprising. Now a man who is convicted of theft and is known as a notorious thief in the real sense of the

term can seek for election if he is convicted and sentenced to imprisonment for less than six months, but a gentleman who has been sent to prison for more than six months for disobeying what is called the lawless law or the Seditious Meetings Act, or for giving a speech in contravention of executive orders cannot stand fot election So I do not find much sense in the provisions of this rule Now, all this in my opinion ought to be remedied Particularly in view of the circumstances that prevail in our province at the present time As I have already said most of the public men are debarred under the present law from seeking election to the Local and Municipal Boards In my opinion we owe it to our country, we owe it to our countrymen, that we should not deprive these public-spirited men, also to remove this disability which they have brought upon themselves by suffering imprisonment for the sake of their countrymen. With these few words I commend this resolution to the House

---

GENERAL DISCUSSION ON T 'E BUDGET

28 3 1924

It is not my intention to enter into a discussion of the budget from the standpoint of one who is a believer in diarchy Year in and year out much advice has been dinned into the ears of the Government as regards the further provincialization of the Services, separation of judicial and executive functions, expansion of primary education and host of other urgent reforms are being pressed on the attention of the Government But I find, Sir, that it has not been possible for us to influence the policy of the Government or to modify their policy in any material degree by our efforts The members of this Council may offer criticisms, may pass resolutions, but their criticisms and resolutions do not modify the policy of the Government to any appreciable extent, however reasonable and constructive their criticisms may be or how unanimous and practicable their resolutions may be Sir, I will simply refer to certain facts clearly brought out by the budget that has been presented before us in support of my contentions Sir, in the last year's Council I think there were not many members who had many occasions to differ from the Government, I think I can safely say that there were no members in the last Council whom the Govt members would be pleased to call refracfory Well, Sir, one of the questions on which that Council definitely pronounced their verdict was in the matter of resettlement operations that were to commence in the districts of Kamrup and Sibsagar The Council advised the Goverment to continue the present settlement in those areas and not to incur any expenditure on new settlements But what heed the Govt paid to the recommendation of the Council ? His Excellency has been pleased to certify an amount of 52 lakhs and odd rupees on the recommendation of the Hon Finance Minister, I think, for being spent in the resettlement operations of Kamrup and Sibsagar We can easily imagine what this large expenditure means—what the authorities have got in the back

of their mind It must increase the rate of assessment It cannot mean anything else It will lead to greater taxation. But the people have not been yet taken into the confidence of the Govt as regards the contemplated increase in the rate of their land revenue, I do not think that any hon members of this House, I mean any elected member, has yet been taken into the confidence of the Govt in this matter This is a state of affairs, Sir, in spite of the reforms—the much vaunted reforms

Another matter in which the country expressed itself in unmistakable terms is the grazing tax This is a tax on the food-stuffs of the people but the Govt has never paid much heed to the outcry of the people on the subject In this connection, Sir, I cannot resist the temptation of referring to a fact that beautifully illustrates the working of the diarchy The late Rai Bahadur Ghanasyam Barua as a popular leader and as the Secretary of the Assam Association was strong and persistent in his condemnation of the grazing tax, but no sooner he got himself installed in the ministerial gaddi he suddenly became a great admirer of this tax We have witnessed similar phenomena in the case of the present ministers also I think my hon friend Maulavi Saiyid Muhammad Saadulla will not have great difficulty in understanding why a gentleman who enjoyed public confidence before should lose it after the acceptance of the ministerial gaddi (laughter) I do not blame him, this is the fault of the system This is another reason, Sir, why this system should be ended Sir, our budget clearly indicates the fact that our Government has not departed one jot from their policy of 'pouring more oil on the oily heads' (laughter) and doing so at the expense of the poorer classes The hon Maulavi Abdul Hamid has put in a very strong plea for retrenchment But our Govt has proceeded with the business of retrenchment in a very special manner To effect retrenchment we find that the Government has proceeded to abolish the posts of petty clerks and menials and to cut down their salaries and to do away with the allowances of the subordinate services.

But the Government do not propose any cuts in respect of the highly paid officials. The hon Maulavi Abdul Hamid has referred to the case of the Commissioners and I will not give other instances The salaries and the allowances of the Imperial Services are said to be inadequate in view o the high cost of living that obtains at the present time, but if the cost of living has increased in their case, it has increased in the case of the poorly paid officers of Govt also But why don't we find the Government so anxious to improve their lot ? I want to draw the attention of the House to one or two instances to illustrate the attitude of the Govt in this respect

In the Forest Department for instance we find that provisions are made for paying deputation allowances and special allowances to the Conservators, Deputy and Assistant Conservators and Extra Assistant Conservators These officers enjoy the advantage of remaining in towns or comparatively healthier places for a considerable part of the year But the men of the subordinate services who have to work constantly in the jungles have to go without such allowances

Turning to the Transferred Department of Education we find that a resolution was passed in the last Council, I think in September, 1922 for giving relief to the men employed in the subordinate service Sir, you moved the resolution and it was adopted by the Council Now not only has this resolution not been given effect to but we find from the replies of the Hon Minister in charge of Education to the questions put by Maulavi Abual Mazid Ziaosshams on the subject that there is no hope that any action will be taken on it at least in the near future I want to remind the House that this resolution was in respect of one of the Transferred Departments

Now if such is the fate which a resolution of this Council meets in the Transferred Department then what is the efficacy of the Reforms ? The question is how can we remedy this state of things ? To me, Sir, there seems to be only one course open to us. It is to end the Diarchy.

SETTLEMENT OPERATION OF 1924

1 4 1924 I rise, to give my support to the motion of Srijut Tara Prasad Chaliha * The only important question that seems to be involved in this motion is whether there is to be an increase in the rates of land revenue or not Unless there is to be an increase in the rates of land revenue the expenditure is not justified For the Kamrup district alone ; I think, an expenditure of six lakhs of rupess will be necessary in the resettlement operations and unless the rates of revenue are increased to a considerable extent we shall not be justified in spending the amount, specially, when, in reality, we have got a deficit budget So clearly the resettlement operations can mean only an increase in the rates of assessment

Then as to an increase in the rates of assessment, the question arises whether there ought to be an increase or not. The last Council answered that question in the negative. When the Hon the Finance Member came forward with a demand for a grant for meeting the cost of resettlement operations the last Council in August refused that grant and decided that there should not be any resettlement operations, but that the present settlement should continue for some years longer, it might be for three years or five years, and then it will be time to consider whether we should go in for a fresh settlement and for an increase in the revenue So the grant was refused, and in spite of that the Govt. have started resettlement operations, and the question is what is the opinion of this House I for myself have no hesitation in saying that the motion of Mr Chaliha should be accepted by this House, and I have been led to this opinion by several considerations The first is that the present is not an opportune time for increasing the taxation of the people as

---

* Shrijut Tara Prasad Chaliha, opposing the proposed Settlement operation moved the following resolution —

That the provision of Rs 1,91,750 under Settlement operation at page 33 of the Budget be reduced to Rs. 1,41,000/-

has been pointed out by many Hon Members of this Council The people have to pay more taxes in other ways They have to pay more for their daily necessaries and more for their postcards and stamps, more for court-fees, etc and nobody can deny that the cost of living has increased considerably of late years, so it would not be just and desirable to increase the taxation of the people at this time and it would be better for us to wait for some years more before we start resettlement operations It also involves the question of the desirability of obtaining the consent of the people who are to be taxed This is one of the principles involved in a democratic institution Just now we have got a representative House in our province and the resettlement operations are being undertaken in spite of all the protests of the House and without consulting the representatives of the people as to the amount of the increase that is necessary Srijut Nilmoni Phukan in the last Council got a resolution passed about the desirability of having legislation passed as regards the land revenue system of the province and a land revenue Committee has been appointed and I think it is intended by the Government to undertake legislation in the matter Then why not wait till that legislation is completed What my friend Mr Tara Prasad Chaliha means when he deprecates hurry in the matter is, I think, that we should wait, not that he wanted the present resettlement to go at a slower pace That is how I understood him, and I think he was quite right in saying that There is nothing, that stands in the way of the Government in continuing the present settlement for a few years more

One gentleman has said that it is a long time since the last settlement was affected and that by this time the people have attained to a state of greater prosperity and that they can afford to pay more taxes

(The Hon'ble Mr W J Reid —Who said that ? I surely did not)

I did not mean the Hon Finance Member I meant some other member.

Is it with that idea in our mind that we are going to have greater taxation ? Is it need for the money or the prosperity of the people ? What is the motive in undertaking these resettlement operations ? If it is for money then we should turn our attention to the richer section of the community before taxing the poorer classes, and if it is the prosperity of the cultivators then I think there are other sections who are more prosperous who should have attracted the attention of the Government

Now, the Hon Finance Member spoke about the indirect results that will accrue from the resettlement operations—that certain facts will be brought to light which will give us data for undertaking legislation My suggestion is this that such a heavy expenditure is not justified for getting this.

(The Hon'ble Mr W J Reid —If I may make a personal explanation Sir, I said that I did not pretend for a moment that we had undertaken the resettlement operations merely in order to acquire information What I said was that one result would be the acquiring of information)

An indirect result would be the acquiring of information as has been said by the Hon Finance Member in his present speech and also in his speech in the last Council on the subject I think these are not worth our consideration when we are about to incur such heavy expenditure Then the Hon Finance Member also stated that the rates of revenue will be published in the Gazette but I do not think that the Council will be in a position to diminish or increase these rates. They will be published in the Gazette of course but the Government will be the sole authority to decide the question of the amount of the increase What I intend is that the legislature shall have the final voice in deciding this or any other proposal of taxation When we have a representative House we should not give the Government a blank card in the matter of taxation So with these few words I beg to support the resolution of Srijut Tara Prasad Chaliha and I hope the House will accept the motion by an overwhelming majority.

DEMAND FOR GRANTS

2 4. 1924 I rise to support the motion of the Hon Mr Dowerah * The Government have raised the question of one difficulty that the establishment of the Commissioners cannot be done away with immediately and the clerks cannot be dismissed from their offices and so this motion has been described as an irresponsible motion Mr Smiles has proposed that we should amend the motion by reducing the amount of the cut to Rs 1,000 only and some of the members have also suggested that probably His Excellency the Governor will certify the whole amount But to me, Sir, it appears there is a third alternative We may now refuse the grant, but if the Government will come forward with a scheme of abolition we may allow a supplementary grant later on Circumstanced, as we are, we cannot propose anything except what Mr Dowerah has proposed There has been a popular demand for some years past that the 'Commissioners' offices should not exist The Government have not been successful in giving effect to this popular demand The Hon'ble Finance Member says that our Government is in correspondence with the higher authorities on the subject, but he cannot disclose whether our Government has written in favour of the abolition or against it Judging by the result I should think our Government's views are against it, because it cannot be supposed that the *Imperial Government will insist to saddle our Government with establishments they do not want.* Now the only course left to us is to reduce the grant for their establishments because we cannot reduce their salaries, and thus to give effect to the popular will and if the Government

---

* Motion tabled by Mr. Dowerah :—"That provision of Rs 93,160 under "Commissioners" at page 57 of the budget be refused."

accedes to our wishes in this matter, in that case the Government may come forward in the near future for a supplementary grant to defray the expenses of the establishments for such time as may be necessary to abolish them totally

* * But I understand that expenses are incurred in anticipation of grants and supplementary demands for grants are presented to the Council for past expense also.

* * I think paying the salaries of Government officers is also an emergent measure However that may be, if the Hon'ble Finance Member thinks that this is not an emergent measure and they cannot incur expenditure, then it will be for them to see how they can pay their Government officers. It is no fault of ours. The Government have had ample notice of the popular demand on the subject and to all appearances, they have not done anything to give effect to the popular wishes The Hon'ble Finance Member says that they are having correspondence with the higher authorities But we do not know whether the provincial Government is in favour of the abolition of the Commissioners or against it. Judging by the results we must take it that they are against it, because we cannot take it to be the case that the Imperial Government will compel them to run establishments which they do not require.

SYSTEM OF GENERAL EDUCATION IN SCHOOLS AND COLLEGES

19 9 1924 I am not an educationist but the subject of public instruction is such a one that I think every citizen is interested in it, and I hope it will not be displeasing to the hon members if I make certain observations on the resolution before the House * Now, the resolution has been

---

* Resolution —(Tabled by Babu Brajendra Narayan Choudhury)

This council recommends to the Govt to appoint without delay a committee as composed below to enquire into the system of general education in High Schools and Colleges in Assam specially touching on the following points and to report by the month of January next —

(1) If it is based upon foreign culture to almost entire exclusion of indigenous culture.

(2) If it ignores the culture of the heart and the hand and confines itself simply to the head

(3) If real education is impossible through foreign medium

(4) To suggest remedies for defects found after examination of points 1, 2, 3

(5) If any European personnel in the education department is necessary , if so, to what extent

(6) Defects in syllabus, text-book, text-book committees

(7) Methods of teaching, specially direct system in teaching foreign language and the Dalton Method

(8) Discipline in schools and colleges

(9) Instilling patriotism by compulsory teaching of history and traditions of Assam (and Bengal for Surma valley) and by regular singing of national anthems in schools and colleges

(10) For physical and moral culture to have regular excercise in schools and colleges in lathi-play, sword-play and archery.

(11) If the Kutcha style of building is not most suitable to the economic condition of the country

(12) Board of Secondary Education

(13) University for Assam.

objected to by the Hon. Minister for Education on certain grounds. The first ground of objection is in the matter of personnel. He says that the persons named in the resolution do not include a sufficient number of teachers, but I find, Sir, that out of the 10 members proposed in the resolution 5 are educationists Besides the Hon Minister for Education there is the Director of Public Instruction, and there are other veteran educationists such as Srijut Nilmoni Phukan, Mahamahopadhyaya Pandit Padmanath Vidyabinode, and Maulavi Abdul Karim These are all educationists, and the other 5 members also are leaders of public opinion, and they are very public-spirited men. I think that it will be the duty of this committee to consult and to examine other experienced professional educationists and other thoughtful public men, and to give their own decisions on the points referred to them So I think it is not necessary to pack this committee with more professional educationists Of course, the opinions of persons who have spent long periods of their lives in the profession of teaching will carry great weight but their opinions can be ascertained by examining them I think such gentlemen who have worked under the present system have some sort of attachment for this system and their outlook will suffer from certain limitations

Then the next objection of the Education Minister is as regards the scope of the enquiry He says that the field of investigation has been made so vast that it staggers him The Director of Public Instruction thinks that the terms of reference would preclude the committee from enquiring into certain problems which require early solution I think the resolution does not mean that the enquiries will be limited to the points specifically mentioned by the hon mover The resolution requires the committee to enquire into the system of general education in high schools and colleges in Assam specially touching on the following points. I mean the points mentioned in the resolution. So it is quite apparent that they can consider any

other points that may be thought necessary to engage the committee's attention Now, if the field of enquiry is vast according to the Education Minister, it seems to me from his speech that he did not consider that any of the points mentioned by Brajendra Babu deserve enquiry by the committee It seems that none of these points appeal to him as deserving of serious consideration But I frankly differ from him in this respect Some of the points undoubtedly will require consideration before any education policy can be remodelled I am afraid there is some confusion of ideas regarding the points of reference named by Brajendra Babu Of course Brajendra Babu does not say that lathi play should be introduced or swordsmanship should be introduced, but simply throws out some suggestions, and it will be the duty of the committee to recommend the introduction of these exercises or not to do so So it is quite a waste of time to criticise the merits or demerits of lathi play or sword play, and I do not see why the committee should not enquire on these points

Now, if some of these matters are not thought to be important the committee need not waste much time over them The committee may direct its attention to more important subjects if they think that there are subjects more important than these Mr Nilmoni Phukan yesterday said that he would prefer a conference and that the Education Minister had promised a conference But if I followed the Hon Education Minister correctly I think he did not promise any such conference He simply said that a conference might be appointed in the place of the committee, and we have not been given the details and the plans of the Education Department There has been another objection on the ground that we do not possess a separate university and that the Calcutta University may accept or may not accept our recommendations. But even if these recommendations are not accepted by the Calcutta University even in that case I think we can enforce some of the recommendations of the committee in our schools.

And I do not see why the Calcutta University should be so perverse as to reject our recommendations if the recommendations are really fit for adoption Because the Bengal Government is going to enquire or may enquire at some future time that is no reason why we should not start our enquiry now There will be no harm if we try and steal a march over Bengal in this respect. So, I think Sir, that the House will be well advised in accepting this resolution.

———

SUPPLEMENTARY DEMAND FOR GRANTS FOR DISPENSARY AT SYLHET

22. 9. 1924 :

One does not like to object to grants which are meant for maintenance of hospitals But in spite of all that has been said by the previous speakers it has not been clear to me why this demand should be made by Government. Now, we do not know the facts with regard to the practice of Government in making grants for the maintenance of dispensaries. My experience with regard to the Government dispensary at Gauhati is that a part of the cost is borne by the Government and some part is borne by the municipality and some part by the local board and a part is subscribed by the public Now I do not understand why in the case of Sylhet hospital also that should not be the case I understand that the municipality has discontinued its grant and the North Sylhet Local Board cut down the grant by half last year and have not granted anything this year up till now Whether they will grant anything or not is not known The whole of the deficit is sought to be made up from the provincial revenues. The reason given for the municipality not making any grant from their funds is that the municipality maintains another dispensary. Now, if that is so, it should be presumed that the municipality does not feel the want of another dispensary If the municipality think that another dispensary is needed, I think it is quite proper that the municipality should contribute towards its maintenance. If the local bodies of that place do not think fit to contribute anything for the maintenance of the dispensary, I think the argument that the hospital has been a very useful institution loses much of its weight. Now, every hospital surely does a lot of good to the people, and there are places where there is no hospital at all and

where a hospital will be very much welcome, and the local people will willingly contribute if the Government will come forth with some promise of help. I do not know whether this Sylhet hospital gets any aid from Government over and above this amount which is proposed to be given to it by the supplementary grant. If the Government already gives aid, then I do not see why Government should pay more Of course, I am saying this on principle I do not mind this grant, which is a very small amount, but I object if the whole cost is thrown on the provincial revenues in the case of the Sylhet dispensary and not in the case of other dispensaries There should be equal distribution of the provincial funds. I should be glad if all the dispensaries are run by Government, but I do not like that an exception should be made in the case of the Sylhet dispensary *

---

* Mr. G. E. Soames moved the following resolution :—

"That an additional sum of Rs 3,500 be granted to the Governor and his minister to defray certain charges which will come in the cause of payment during the year ending on the 31st March, 1925 for the head "32-Medical."

ENQUIRY INTO EXCESSES IN SUPPRESSION OF THE NON-CO-OPERATIVE MOVEMENT*

25.9.1924

I am labouring under the disadvantage of not hearing the previous speakers I have heard Mr Bentinck's speech only in part At the outset let me say that Mr Bentinck was one of the most sympathetic officers we had in Kamrup And I quite believe that it was with great reluctance that Mr Bentinck had to launch some of the prosecutions and the acts of repression But all the same the fact remains that there were a great many illegalities and excesses committed by the Government officers in Kamrup I do not lay the whole blame upon the Deputy Commissioner who was there but there were other officials and it is admitted, it seems, even on the Government side that excesses and illegalities were committed by Government officials Now, it has been said that there were excesses and breaches of law on the other side, on the side of the non-co-operators also Now, Sir, there might have been excesses, such excesses, as I said on a past occasion, as snatching away of opium from the hands of opium-eaters and picketing of shops and begging the people not to go to hats Such things were done by the non-co-operators , they are done by impressionable young men Now, this non-co-operation movement was a great and a sudden movement I mean it brought a wave into the country and the people who generally do not take part in public matters took part in it and it is not surprising that some of the people were carried off their feet, All the same so far as my information

---

* That this Council recommends to the Governor in Council that a committee of enquiry be appointed with a non-official majority to enquire into the irregularities or excesses committed from November, 1921 to the end of 1922 by the Executive in Assam, in connection with the suppression of the non-co-operation movement."

The resolution was moved by Mr. Taraprasad Chaliha.

goes there were not very many cases of violence in the real sense of the term As a matter of fact I do not know of any conviction for violence that was committed in Kamrup or in any district of the Assam Valley Mr Bentinck has referred to cases of house burning by non-co-operators. This is the first occasion that I hear of such excesses. If there was any house burning I think the culprits could easily have been brought to book under the ordinary law—and there was not only the ordinary law but there was the extraordinary law in force during the non-co-operation period As a matter of fact the Criminal Law Amendment Act is still in force in Assam though it has been withdrawn from most of the provinces in India The Assam Government was not behind hand in having recourse to repressive laws though the non-co-operation movement, at least in the Assam Valley, was carried on with the greatest care on the part of the leaders and with as much non-violence as may be possible If there were breaches of law, if there were any cases of violence surely the culprits ought to have been punished and if they were not brought to book, if they could not find sufficient evidence or if they could not trace the culprits surely the Government officials have to thank themselves But as a matter of fact I do not know of such cases of house burning or of violence of a serious nature in Kamrup It has been already admitted by the late Deputy Commissioner of Kamrup that the leaders were quite sincere Some of their followers might have gone wrong, and supposing that some of the followers had committed breaches of the law or committed violence, was that a reason, I want to ask, was that a sufficient reason to justify excesses on the part of the Government officials ? So far as I understand Sir, this is the principle on which all civilized Governments act, that if there are breaches of law on the part of wrong-doers there should not be any breaches of law on the part of the Government officials. The law has laid down certain limits within which Government officials have to act in bringing to book offenders

against justice. If certain men commit dacoities or riots or commit murder the police have to go through a certain course prescribed by law in bringing to book those persons The police cannot go all at once and shoot those persons down without any trial or enquiry They have to go and investigate, they have to get evidence and send up these people for trial and after trial if it is found that they are really guilty then they are punished Why should not the same procedure be observed in the cases referred to by the Government officers Government officers were armed with the ordinary law, the Penal Code and other criminal laws and also with extraordinary powers at that time And still why had they recourse to breaches of law, that is what we want to know This resolution refers to excesses committed by Government officials Mr Bentinck in his speech said that this enquiry will be one-sided because it refers only to excesses committed by Government officials and not to excesses committed by the non-co-operators Sir, I welcome an enquiry into the excesses on both sides and if any of the Government officials would move an amendment to this effect that the committee of enquiry should enquire into the excesses on both sides I for myself would request the hon mover to accept such an amendment We do not fear justice or fairness If we have committed wrong let us be punished As a matter of fact every non-co-operator knew the risks they ran, the consequences of doing what he did Hundreds of young men, educated young men of good families smilingly went to jail and they surely knew that the consequences of their acts were They went to jail mostly under the Criminal Law Amendment Act, not for breaches of law but simply for being members of some association which was declared illegal by the Local Government. We maintain still that there was not sufficient ground for declaring those associations illegal All the same if these persons were punished through the courts of law so far as this resolution goes we have no quarrel But there are many cases which have not been brought within purview

of law, which have not been brought to the law courts and it is our intention that such cases should be enquired into. Now, it has been said that after such a lapse of time it will serve no purpose in raking up old quarrels. I fail to see the force of this argument Some time back illegalities, gross illegalities and excesses were committed by the Government servants. Those cases were published in the public press in Assam as well as in Bengal and in other provinces in India These generally gave the names of the culprits and a detailed account of the occurrences. Yet the Government did not think it fit to enquire into the conduct of their own officers Now, some of these non-co-operators are here in this Council and they think that an impartial enquiry should be made And I fail to see why Government should fear such an enquiry, and I do not see why if an enquiry is held now there will be bitterness again The same argument may be raised in other cases also, for instance, in the case of a riot Supposing there is a riot and after the riot is over the police sent up the rioters ; the same objections may be raised, why rake up old sores. There is no reason to suppose their bitterness will be engendered, but on the contrary if the Government tries to pass over the grievances and refuses an enquiry I think bitterness will continue in the hearts of those who had to suffer As a matter of fact it is my belief that the Government has suffered enormously in prestige for allowing their servants to do as they did. We for ourselves do not want this enquiry in a spirit of vindictiveness, but with the object of bringing to light the illegalities on the part of the Government servants so that the world may know how our Government behaved in those time and that in future such things may not happen again This is the real object and our object is not to rake up old quarrels. So, I submit, Sir, that this resolution ought to be accepted by the House and ought to be given effect to by the Government for the sake of its own good name and for the sake of justice.

THE ASSAM COURT FEES (AMENDMENT) BILL, 1925

7.3 1925

I shall be failing in my duty to my constituency if I do not raise my voice against this proposal of fresh taxation, rather a continuance of the temporary tax that was imposed three years ago Now, some of the hon Members have said that the masses are for this tax, but so far as I know their mind my opinion is quite the reverse of it If you go and ask them whether they want water, they will say yes They do want more schools, they do want more roads. But go and ask them if they want water with taxation, and they will say no Surely they do not want to pay more taxes That is my opinion and I think I know the mind of the masses as well as any gentleman in this hall, much more than Sir William Reid and some other members, such as Colonel Smiles The Reverend Nichols-Roy said—no I think it was Mr Dowerah who said—that we have to look to the interests of the masses The masses may not want more taxation, but it is we who should take their interests into consideration and we should not hesitate to impose more taxation when it is for their benefit Now, Sir, let us consider if that position is tenable What is the proposal ? This taxation is not necessary for carrying on the ordinary functions of the Government, but this taxation is necessary for providing more water to the rural areas. Now this is a concern, in fact the first concern, of the Local Boards, and the Local Boards were offered powers of taxation by the Government, but so far as my information goes most of the Local Boards refused the offer. They were averse to fresh taxation They did not want the power to impose taxation on the people That, Sir, is a fair indication of the mind of the masses. The proposal is that we should get the money out of the masses in order to give them more water. Mr. Chaliha has pointed out that

we cannot give more than one thousand tanks with the Rs. 10,00,000 that is promised to us, but it will appear that for these one thousand tanks we are going to impose this taxation on the whole population of the province Will that be fair ? Then another ground of objection is that the money that we already pay to the Government as revenue have not been well spent There is ample scope for retrenchment Have all the recommendations of the Retrenchment Committee been given effect to ? We find, Sir, that many of the recommendations have not been given effect to The posts of the two Commissioners still remain, and there is much more scope for retrenchment than we find in the recommendations of the Retrenchment Committee Now, shall we be justified as the representatives of the people to impose more taxation on them when we cannot compel the Govt to utilise, in a proper way, the funds that they have at their disposal ? The Reverend Mr. Nichols-Roy thought that this taxation would affect only the rich people, but my experience is not quite of that sort. It is not always the rich people that go to the law courts.

(Rev J J M NICHOLS-ROY :—On a point of explanation, Sir, I said not only the rich people but that a small proportion of the poor people also)

My experience, Sir, as a lawyer is that a great proportion of the poor people go to the law courts and only a very small number of the rich people do so. That is the Kamrup District the number of petty cases is much more than the number of major cases, and in the criminal courts it is generally the poor people who are the litigants. When there is an assault or when there is a theft or when there is any criminal offence it is the poor as much as the rich people who have to take recourse to law. There are very few rich people who go to the criminal courts—that is at any rate my experience—because they are strong enough to defend their own rights, and when rich people go to civil courts as plaintiffs they get all their dues realised from the defendants, all their expenses incurred in

courts, so that ultimately it is the poor people who have to pay this additional tax Now if we want more money for the transferred departments in my opinion we should try to find the money from some other source than tax the general masses. The other day the Reverend Mr Nichols-Roy suggested that there was the tea industry which could be taxed without much prejudice to its development At the present time, Sir, the tea industry is reaping large profits and there would be no harm if that industry is taxed a little more for the benefit of the people. I would have been glad if Colonel Smiles had expressed his willingness to give some of their plenty for the benefit of the poor to supply drinking water to the rural areas and to avoid deaths in the rural areas Then again, Sir, another objection is that at the present moment we are not so much in need of money as we were three years ago and in the near future we expect that there will be more income and more funds in the Government treasury than there are now The settlement operations are going on in the districts of Kamrup and Sibsagar and in spite of the uncertainty in which Sir William Reid appeared to be last year as regards the prospects of increased revenue, my idea is that the Govt will get no less than six or seven lakhs of rupees a year of additional revenue from the reclassification of lands in those districts. The people of Kamrup will have to pay several lakhs of rupees as additional taxation to the Govt. coffers after the resettlement operations It is quite unjust to force them to pay more money under the new taxation Bills If the used for water-supply is so great and so pressing why should not the Govt give out some money from the opening balance that they have got ? One hon. member said that we should follow the example of Bengal and make these taxations permanent I say, Sir, the analogy of Bengal does not hold good here. In Bengal they pay very little for revenue Bengal has got the permanent settlement and the Govt can not increase the revenue at their sweet will but here in Assam the case is quite

different The Govt is increasing their revenue after every settlement and so the ryots ought not to be taxed in different ways Some of the hon members admitted that we have been driven to this further taxation on account of our inability to compel the Govt to divert more money to the transferred deptts from their funds Now is this a good justification for imposing new burdens on the people ? Then as a matter of fact, Sir, these Bills have not been properly circulated among the masses These Bills were published in the Gazette and some copies were sent to the members and probably to some officials but the poor people in the streets do not know anything of these proposals and before we commit ourselves to the continuance of this additional taxation I think, Sir, that we should get mandates from our constituencies The Bills should be better circulated in vernacular and in the rural areas I find, therefore, myself quite unable to support the Bill and hope that the hon members of this Council will reject the measure.

CHARKA SPINNING*

19.3 1925 :

I find that the position taken up by the Government with regard to these resolutions is a position of benevolent neutrality Dr Thomson said that the Charka may have some educative value, and that the planting of the cotton tree and gathering cotton from the tree also may have an educational value But all the same he thought that the resolutions will not be beneficial for the country because it will divert a portion of the money that may be had for education to other purposes. It was also said that the children of very tender age could not be taught spinning

(Dr D. THOMSON I did not say 'couldn't' but 'shouldn't'.)

The main grounds urged against these resolutions as far as I have been able to understand them are these First, that the money, Rs 40,000, that is asked for to be devoted for the introduction of charka spinning can be better utilised in other ways This is one of the grounds Then the next ground is that children of tender years should not be taught spinning The third ground is, I suppose, that it will leave less time for the boys to learn the three R's Then there is another objection that however much we may try to introduce spinning into our homes it will never be successful because the non-co-operators tried their best to introduce spinning into our homes but they failed

(KHAN BAHADUR ALAUDDIN AHMED CHAUDHURI Not because the non-co-operators tried

---

* "This Council recommends to the Govt of Assam to include hand-spinning as a subject for the Lower Primary School Leaving Certificate Examination of the province as early as possible and to make provision accordingly in the next years' budget"

The resolution was moved by Sjt. Rohini Kanta Hatibarua,

to introduce charka spinning into our homes, but because it was not paying enough)

Yes, it could not compete with the mill yarn Now, Sir, I will try to give my reasons why I cannot persuade myself to agree with these critics My idea is this, that in our primary schools the education should not be confined only to books to reading, writing and arithmetic . .

(Dr D THOMSON It is not so-confined They have got drawing, handwork, gardening and a lot of other things)

I do not see any reason why an additional subject should not be introduced What harm will be done if clay-modelling is replaced, or a portion of the time devoted to gardening is utilised by charka spinning Now, I exactly agree with Dr Thomson that the whole of the time of the boys and the girls in the primary schools should not be devoted to reading, writing and arithmetic Sir, it is an unfortunate thing that there is good deal of dislike in our country for manual labour There is no denying that fact. It is my opinion that our downfall began with the time when we contracted this dislike and progressed with its growth This dislike for manual labour is one of the defects of the present system of education It has not been able to check this, but on the contrary the present system of education has confirmed this dislike and has encouraged the growth of this dislike There cannot be any doubt that under the present system of education our boys and girls are becoming more and more ease-loving, luxurious and spend-thrifts and they have got into the habit of extreme dislike for manual labour So there has been an all round cry for the remodelling of the present educational system. This necessity has been admitted by the Govt as well as by the people Now, one of the reasons why the non-co-operators failed to give a permanent place to the charka in our homes is this, that the people are adverse to any sort of manual labour They have got ample leisure hanging on

their hands, but all the same they would not devote a portion of the time to spinning The other day Mr Desenne was saying that we had to import coolies from Bihar to do the earthwork and although the Assamese raiyats have to spend several months of the year in idleness they would not take to earthwork Now, I think it should be the duty of our people and our Govt to combat this disease and a very good way of applying a corrective to this malady would be to introduce the charka This is one of the ways I do not pretend to say that this is the way, but this is one of the ways At the present moment there is some enthusiasm in Assam as well as in other provinces for hand-spinning As an economic measure also there is much to be said in favour of hand-spinning It is true that hand-spinning cannot compete with mill spinning and hand-weaving cannot compete with mill weaving All the same it is a good and profitable industry for our leisure hours and I think we cannot do better than take to hand-spinning in our leisure hours Our people have enough of leisure and if they utilize portions of their leisure they can get yarn made at their own homes , the only deterrents are that they can get cheaper yarn and they have got great disinclination towards manual labour In view of this I think it is quite meet and proper that we should introduce spinning in our primary schools so as to encourage the boys to cultivate a habit of doing manual labour for themselves

Now as regards the curtailment of the time of the children for literary work in the primary schools I can point out that even now there are such things as clay-modelling, making of all sorts of bamboo baskets, gardening and such other things that are taught to the children and I should like, Sir, that the introduction of charka spinning would be much better than clay-modelling, etc By practising clay-modelling they do not become potters or designers in their after-life , but if they learn spinning that would be of some use in their after-life

Then the Hon'ble Minister said that the Government was doing a great deal to encourage industry in our province, and for instance he cited the weaving school, peripatetic weaving teachers , and some other gentleman spoke of the School of Handicrafts at Sylhet I do not deny that they have done something to encourage industries. But what I want to say is that that is not enough

Now, there are others who think that however much we try we cannot make all the yarn we want But I should submit. Sir, that in former days we produced all the yarn that we wanted and in these days we had to do all such work that we do now We had to do the cultivation and we had to do all the household work , our women used to do all sorts of household work and besides they used to produce yarn In Manipur State there is so much hand-spinning even now that they can not only make cloths for their own use but they can also spare something for export. So there is not much in that argument There cannot be any doubt that if the Assamese people devoted their spare hours to spinning they could produce all the yarns that they wanted and this will be a great economic gain to our country.

So, I give my heartiest support to these resolutions

OPIUM PURCHASED FROM GOVERNMENT OF INDIA*

16. 7. 1925 I feel I shall be failing in my duty if I do not raise my voice in support of this resolution * Mr. Chaliha has rightly said that this can be called the only politics of the Assamese people At first when the Government took up the control of the opium consumption in Assam they said that they did it in the interests of the Assamese people as well as the opium eaters themselves but now it seems that they are maintaining the control for the sake of the revenue, and it is on account of this that they find it very difficult to reduce the consumption of opium Of course there are other pleas, such as, opium is necessary for medicinal purposes, and also that if the ration is stopped all at once the opium-eaters will die and suffer very much etc Well, it is admitted on all hands that the opium habit is an evil, an unmixed evil, and all civilised countries are trying their best to do away with this opium habit all over the world I think the hon. members here will feel that it is immoral on our part to take money from these miserable opium eaters by drugging them with this poison, and we are morally bound to pay from our own pockets any increased taxation that may be necessary to make up the deficit that would be caused in the Government coffers by the abolition of this

* Sjt. Kuladhar Chaliha moved the following resolution :—

"This Council recommends to the Govt. of Assam that the total quantity of opium purchased by the Govt. of Assam from the Govt. of India for the current year be reduced by a quantity amounting to three lakhs of rupees from the next financial year , and that in order to make up the loss of revenue to be caused by this reduction and the loss also expected from fix use generally tax of one pice per pound be levied on the tea manufactured in the province.

traffic For myself I feel that it is an immoral revenue that we are raising from the people by drugging them with this poison. As regards the plea that it is medicine, I do not believe that opium is a medicine However, as a matter of fact we do not want that the use of opium should be prohibited altogether We are quite willing to allow its use for medical purposes when the doctors prescribe it, but what we want is that it should not be taken for intoxicating purposes That is the position that we have taken up. I am convinced that nobody will die—even confirmed opium eaters will not die—if the supply of opium is at once stopped When opium eaters are sent to jail my information is that they are not given any opium, and during the non-co-operation days we found that many people gave up the habit altogether and they improved in their health considerably by giving up of this habit So there is no fear that any deaths will occur if the sale of opium is stopped at once There is no fear on that score Now, at one time the Government of Assam agreed to adopt a policy of gradual reduction of opium, but in spite of that they have not acted up to the undertaking quite strictly. Last year the reduction was not such as it should have been. His Excellency in his opening speech said "The ration figure for the current year is considerably less than that for last year, but the figures of consumption for 1924-25, which only recently became available, show that owing to a misunderstanding which only recently became the actual issues for the year, though well below the fixed ration, were in some districts in excess of the issues for 1923-24" Now this sort of misunderstanding I think, Sir, is inexcusable on the part of the Government This is a question on which we feel very much and the Government ought to have been very careful in carrying out its undertaking The careless manner in which Government is trying to act in this matter is really very discouraging to us Now, this resolution has been found to be defective by the Government Member who has replied to this resolution on the ground

that there is no proposal as to how the reduction should be effected—whether there should be proportionate reduction or whether some shops should be shut up altogether. I think there ought not to be any difficulty on that score Government can adopt any course that may seem reasonable to them I think the more reasonable method would be to reduce proportionately the issues in every shop. Mr. Chaliha has pointed out that if the Government had acted in strict conformity to the undertaking that the Government gave to Rev Nichols-Roy the reduction would have come to the figure to which we now want to reduce it, and it is quite right and natural that we should press on the Government that they should carry out the undertaking that they have given

SETTLEMENT OF LAND WITH THE NATIVE OF THE PROVINCE*

9 9 1925 In dealing with the original resolution proposed by my hon. friend Srijut Hati Barua yesterday the Hon'ble Finance Member did not confine himself to the terms of the resolution, but he proceeded to question the right of the hon. member to bring such a resolution before the Council. He at first thought that as the resolution was moved by a member of the Nationalist party, it must have been a party resolution, but when he was assured that this was not a party resolution, then the Hon'ble Finance Member thought that Srijut Hati Barua should have stated for whom he was moving that resolution, whom he represents, and whether he represents anybody at all, and further that as he did not give these particulars, he must have been actuated by personal motives in bringing forward this resolution That was a very interesting position for the Hon'ble Finance Member to take Now, my opinion is that any hon member of this House is entitled to move a resolution for the benefit of the public and for the good of the country What special reason was there with regard to this resolution to think otherwise, I fail to understand It seems that the proposal that natives of the soil or Indians should be given pre-

---

* This speech was in support of the following resolution moved by Sri Rohini Kanta Hati Barua

"This Council recommends to the Govt of Assam that under proper conditions all available waste land in the province should be settled with Indians only, with a certain amount of preference to the Assamese for the next 5 Years and that the ordinary practice of settlement of land for ordinary cultivation should be so modified as to encourage greater utilization of greater amount of land for ordinary cultivation on a big scale."

ference to Europeans in the settlement of land ruffled the calm temper of the Hon'ble Finance Member, and he not only delivered some attacks upon Srijut Hati Barua, but he thought it fit to refer to Srijut Hati Barua's speech on another occasion, that is, in the March Session of the Council, though that was not quite relevant to the resolution before us He said that he made certain statements which were not borne out by production of evidence, and that there were no cases brought to his notice even after the March Session of the Council The matter before us is to give preference to the natives of the Province and the immigrants In the March Session the dispute was about the House Now, Sir, in the March Session of the Council Mr. Hati Barua made a long statement, but the Hon'ble Finance Member has selected only two sentences from it, and he refers to them only. He referred to the statement that in the settlement of land preference is always given to Europeans and also to the statement—"when the applicant is a Tom, Jack or Brown, no such enquiry is being held" These are the two statements that have been selected out of his whole speech, and the Hon'ble Finance Member suggests that these statements are not proved, but the report of the debate on that occasion will show that Mr Hati Barua was not alone in making this assertion I also had the privilege of taking part in that debate and said that I also knew of some specific cases, although I did dot think it fit to mention the names—I did not want to drag in the names of the persons in public and mention them in the course of the debate The hon. leader of the nationalist party also said that he knew many cases of preference being shown to Europeans, and Srijut Kuladhar Chaliha also spoke in the same strain. Srijut Sadananda Dowerah, the leader of the independence party, also said "This policy is not always kept.

(Srijut SADANANDA DOWERAH : I never said that preference was given to Europeans I complained that the claims of the children of the soil were often ignored).

I did not impute to the Hon'ble Member anything not said by the hon, member

(Srijut SADANANDA DOWERAH : The hon. member cannot make a general statement of that kind On the contrary, I contradicted the leader of the other party when he said no such enquiry was made I said that in every case enquiry has been made, but that the claims of the children of the soil were often ignored by the district officers.

The Hon'ble the PRESIDENT That is what the hon member meant He was going to read what he said)

I was just proceeding to say exactly what my hon. friend had said in the course of his speech when he interrupted me He said—"But I cannot help saying that this policy is not always kept in view by the district officers" And then of course he contradicted Maulavi Faizdur Ali, as he has said That also shows that the claims of Indians are overlooked He cited one instance to show how the claims of Indians are not given due consideration .

(Srijut SADANANDA DOWERAH That has been allowed now)

However that may be, according to him also there were cases where the claims of the children of the soil were not given proper consideration So I say, Sir, that Srijut Rohini Kanta Hati Barua was not alone in thinking that the Government officers did not carry out the instructions and rules of settlement in a proper spirit Even the then Hon'ble Finance Member, Sir William Reid, had to admit "It is possible that instances of hardship and injustice occasionally happened When this is the case it must be due to the Deputy Commissioner going on insufficient information " So it cannot be doubted at this date that such cases have not happened and there have been no such cases. The Hon'ble Finance Member complains that these cases have not been brought to his notice Did he ever take the trouble of asking Maulavi Faizdur Ali or Srijut Kuladhar Chaliha about the cases to which they referred ? They

had mentioned publicly in this House that they knew such cases, but the Government did not take any notice of those statements. Probably they thought, the Hon'ble Finance Member and others of his way of thinking, that as these statements emanated from the members of the Nationalist Party they must have been absolutely false Was that the line of thought that was pursued by the Government members ? However that may be, Sir, I saw no relevancy in dealing with the previous debate in connection with this resolution The Hon'ble Finance Member as well as Mr Bentinck have asked for specific cases to be mentioned Now our idea was this that in the course of a debate it is not quite proper to mention specific cases because Govt may not be in a position to reply to these specific cases without looking into the records, but as a challenge has been thrown out I shall endeavour Sir, to mention one or two cases In the course of his speech Srijut Rohini Kanta Hati Barua said "I can cite instances where Europeans are given settlements of land by telegraphic communication " This is a thing that refers to specific cases and the Hon'ble Mr Barnes never alluded to this sentence of Srijut Rohini Kanta Hati Barua For myself I know of one case in which the Government took exceptional measures to settle land with a European firm It was in the days of Sir Archdale Earle that one Mr Glen applied for a large area of land in the northern part of Kamrup district and my information is that the Govt by telegram instructed the Deputy Commissioner to make a report on his application and Srijut Rukini Chakrabarti, the late Extra Assistant Commissioner, who was then at Gauhati had to adjourn his cases and run posthaste to make enquiries and report on that case and the land was settled within a very short time, and not only that, some indigenous people, Kacharis I think who happened to possess lands and homesteads within that area, were actually turned out of that place Mr. Bentinck in his speech expressed much sympathy for these aboriginal people who are the "children of the soil ?"

according to him But in order to settle land with a big capitalist these people were turned out of their homesteads. Their holdings probably were annual—I do not know about that That settlement with Mr Glen was not for tea cultivation , it was for jute cultivation Formerly jute and sugarcane were not considered special cultivations Some time before that Srijut Lakheswar Barthakur, an Assamese youth, had gone to Japan and specialised in agriculture with special reference to sugarcane He occoupied a piece of land in the Dibrugarh subdivision and he tried to get a settlement of that land He was financially helped by the Raja of Gauripur and also by other gentlemen and he proposed to start a sugarcane firm, but the Government refused to give settlement of any land to him Sir Archdale Earle is reported to have said—"If you want to follow my advice do not poke your head against the hornets' nest"—he meant I suppose the tea planters The tea planters did want a rival industry to be introduced in these districts That was the position Srijut Lakheswar Barthakur, who had gone to Japan and came back after learning the sugarcane industry, was not given settlement of land which he had under cultivation and on which he was growing sugarcane whereas in the case of Mr Glen he was given settlement of a vast area of land, posthaste Of course I cannot ralate all the cases of this nature just now I may refer to certain other cases as regards settlement of tea lands Some time ago I appeared in an appeal case regarding the settlement of waste lands and the salient facts of that appeal were such —An Assamese gentlemen, a brother of a renowned tea planter of Dibrugarh had applied for a piece of waste land for tea cultivation He had got that land surveyed and he hoped that settlement of that land would be given to him, as he was the first applicant Then a neighbouring firm of tea planters objected to the settlement and the ground was that originally they had applied for the land Now the fact was that when they had come to Dibrugarh to start tea cultivation they had applied for a certain area of land

within certain boundaries They had given the boundaries in their application and specified the area It happened that the boundaries contained much more land than the area for which they wanted settlement and they were given all the area that they wanted and they were quite satisfied with it and their application was disposed of That was several years previously , the remaining portion, that is the excess was lying as Govt waste land, when this Assamese young man wanted settlement of this land which was lying fallow and for which the European firm was not paying anything to the Government, and proceeded with his application to certain extent, then this European firm objected saying they had applied for this land long ago, and on that ground the application of that young man was refused That case was decided by a responsible officer of this Govt I do not want to name him in this Council Of course in every case when the claims of an Assamese or an Indian are refused some grounds are put forward, but whether those grounds are just and sufficient that has to be seen The Hon'ble Finance Member says that no such cases have been brought to his notice Now if cases had been brought to his notice probably he would have thought that the subordinate officers, the Deputy Commissioners, were right That may be his way of thinking But as to what the people think that is quite a different thing We challenge the attitude of Govt and the Govt officers with regard to this matter Then the Hon'ble Finance Member said that Mr Hati Barua might have some personal interest, but I can state for the benefit of the members that Mr Hati Barua has no application pending for settlement of waste land and has no intention of applying in the near future Then the Hon'ble Finance Member stated that Mr Hati Barua is taking advantage of this Council Chamber to make allegations against Govt and he challenged him to make those allegations outside the Council Now I may say, Sir, that Mr Hati Barua is not a person who is afraid of making such statements outside the Council Nor is he

afraid of prison, for he has been to prison already. I should think Sir, that it is Govt which is afraid of public enquiries When I moved a resolution for an enquiry committee about the illegalities committed by the Govt officers, it was the Govt who opposed that resolution, they were afraid of a public enquiry into those cases. When one gentleman from the opposite block moved an amendment ,saying that the scope of the enquiry committe should include the illegalities committed by the non-co-operators also, I accepted that amendment So the enquiry would have been quite fair to both sides

(Srijut SADANANDA DOWERAH—I rise to a point of order, Sir, Has that anything to do with the present resolution ?)

No, I merely referred to it with reference to the remark of the Hon'ble Finance Member as regards the advantage taken by Mr Hati Barua in this Council Chamber As I said just now, it was the Government officers who did not want public enquiry Then the Hon'ble Finance Member seemed to think that all grievances should first be addressed to him, and before doing that it is not proper for any Council member to move any resolution in this Council. He said that no case had been brought to his notice But I do not think that is a procedure that should be followed by the Council members Then the Hon'ble Finance Member proceeded to say that the Government had the right to settle land with anybody as they pleased Now that shows the irresponsible nature of the attitude taken by this Government. Surely the Government has got the right to settle their land with anybody they pleased, but they are also expected to settle them for the benefit of the people of this province and they are expected to go by the expressed wishes of the representatives of the people and to abide by the decisions of this Council They may flout the opinions expressed by this Council, but that will show that they rae acting against the wishes of the people. Then as regards the merits of the resolution that now stands before us. Sir,

I want to point out that this resolution is quite an innocent one We are grateful to the planting community for all that they have done for Assam Surely Assam has benefited a great deal from their adventures and from their enterprises, but that is no reason why for all time all land should be settled with Europeans We are grateful to the European community for the assistance we have received from them for all that they have done for our country They have also reaped the benefits of their actions If one proposes that because the Europeans have done so much for the country they should always be allowed to exploit the country to the detriment of the interest of the children of the soil, I should be no party to such a proposition Mr Hati Barua's proposal was that as enough land had been settled with people who are not residents of this country and who go away with all the wealth that they make in this country it is time to cry halt and keep the land that is still available for the children of the soil in the first place The present resolution as it stands is much better than the original resolution proposed by Srijut Hati Barua It simply says that ordinarily a land should be settled with the natives of the province, and that this should not exclude the claims of bonafide immigrants Now if Europeans want to settle in Assam and make Assam their home I surely think that they should be treated on the same level as the Assamese. If a Bengali or a Mymensingh immigrant want to come and make Assam his native country I have no objections to settling land with him on the same term as I would give to an Assamese man But I surely have got objections to settling land with a man who does not want to make Assam his home and who merely wants to exploit our country Of course without the European pioneers of the tea industry the tea industry would not have been what it is now. But as I have said that because they have shown us the way that is no reason why we should go on settling lands with them for all time to come. So, I beg to commend the amended resolution for the acceptance of the House.

ASSAM LOCAL SELF GOVERNMENT (AMENDMENT) BILL, 1926

28. 9. 1926 Sir, I am surprised that there has been so much opposition to the proposal of Mr Dam and that of Mr Chaudhuri for having all the members of the Local Boards elected I can quite understand the feeling of some gentlemen who have the good fortune of basking in the official sunshine—I mean, in the sunshine of official favour—who are more likely to enter the Local Boards by the back door than face an election But there have been objections to the principle of democracy, doubts expressed whether it is good or bad Even Cononel Smiles is not, it seems, a great admirer of the democratic form of Government It is very interesting to find that Englishmen in their country follow some principles but when they come over to India they follow quite contrary principles here. Yesterday we had the pleasure of hearing Colonel Garbett waxing eloquent on the efficacy of opium smoking I do not know if Colonel Garbett has taken to opium smoking.

(The Hon'ble Mr A W Botham : Sir, are we discussing opium smoking ?)

I know that, I am only commenting upon the attitude of some European members on questions in which we are vitally interested I do not know if any attempt is being made in England to introduce the habit of opium smoking there I do not know either of any serious attempt being made there for replacing democratic institutions by autocratic ones Sir, I would have had greater regard for Hon. Colonel Smiles if he had come forward with a proposal that the representatives of the tea industry in this House should in future be nominated (hear, hear) That would have been consistent with his views on the subject. I can quite understand when he says that he cannot have much confidence in the representatives of the people. The

Europeans who came here and spend a good part of their life—the best part of their life—in this country,—generally do not try to mix very much with the people So it is quite natural that they would not have much confidence in the people or in the elected representatives of the people And this is one of the reasons why they prefer generally to have official Chairmen on Local Board This is quite intelligible My experience is that non-official Chairmen have proved a great success in most places In my district the experiment has been an unqualified success Now, one of the principal arguments in favour of nomination has been that the practice of nomination is necessary in order to give representation to minorities and to important interests who cannot get their representatives elected Now, of course at the time of argument this principle is advanced but in practice what do you find ? We find that this principle is honoured more in the breach than in the observance We find very rarely that representatives of smaller communities are nominated, and it is only people who can be depended upon to back the official views in any institution who get nomination That is my experience at any rate In this assembly we do not know that any member of the Marwari community has been ever nominated. It cannot be denied that the Marwari is a very important community in Assam and no member of that community has ever been elected but we do not find that ever a member of that community has been nominated, or a member of the Gurkha community has ever been nominated. And I would request the hon members to think about their experience of past nominations, to think whether this principle is really observed

Then, the next objection to election is that the best men are not always elected But can it be said that the best men are always nominated ? I for one would rely more upon the people than upon the Deputy Commissioner —the nominations are generally made on the recommendation of the Deputy Commissioner and surely I would

prefer to rely on the judgment of the voters than upon the judgment of a single representative of the Bureaucracy

Then, another objection raised by the Hon Rai Bahadur Amarnath Ray is that at present the franchise is not wide enough I also think that it should be wider, but if we cannot get a wide enough franchise just now why should not we depend upon the present voters to return proper representatives to the Local Bodies ? At least a good section of the people interested in the affairs of the Local Boards have got a voice in the elections now, and I think they can speak with greater authority as regards the fitness of the candidates than the Deputy Commissioner. Then, if some of the best men fail in the election, that is no reason why election should be done away with In other countries also there are representative bodies and it is not always that the best men are elected—they get defeated sometimes—but that has not been made a reason for substituting nomination for election No system can be perfect, but it cannot be denied that election is far better than nomination

Another objection has been—the main objection of Maulavi Ziaosshams—that nomination should be retained because it is the present practice Because it is at present being resorted to, he wants to make it a standing law for all time Sir, I am not convinced by his arguments at all So I think that it is high time that we should have all our Local Bodies constituted with elected members

---

ষষ্ঠ খণ্ড

(পত্ৰাৱলী)

[স্বৰ্গীয় বকুলাদেৱৰ এজন উচ্চগুণসম্পন্ন পত্ৰকাৰ আছিল। বন্ধুবান্ধৱ আৰু ইষ্ট-কুটুম্বলৈ প্ৰতি সপ্তাহতে ব্যস্ত সময়ৰ মাজতো বহুত চিঠিপত্ৰ লিখিছিল। প্ৰায়বোৰ চিঠিত মানুহজনে প্ৰতি বিষয় বিভিন্ন আছিল। সেই সকলোবোৰ সংগ্ৰহ কৰিব পৰা হলে ভাল কথা হলহেঁতেন। চিঠিপত্ৰ সামৰি-সুতৰি থোৱা অভ্যাস আমাৰ বহুতৰে নাই, তথাপি বিচাৰিলে কিছুমান পত্ৰ পোৱা গলহেঁতেন। কাৰ হাতত কত কিমান চিঠি আছে নজনাত আৰু সময়ো হাতত কম থকাত সেইবোৰ সংগ্ৰহ কৰিব পৰা নগ'ল। হাততে পোৱা পত্ৰৰে কিছুমান ইয়াত তুলি দিয়া হ'ল। প্ৰবীণ সাহিত্যিক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ মুখবন্ধৰ পৰাই স্বৰ্গীয় বকুলাদেৱৰ পত্ৰাৱলীৰ বিশেষ গুণৰ আভাস পোৱা যাব।]

—সম্পাদক

কামাখ্যাৰাম বৰুৱাৰ পত্ৰাৱলী

অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা

এজন প্ৰকৃত ভাল মানুহ বুলি কলে যি বুজা যায় কৰ্ম্মযোগী কামাখ্যাৰাম বৰুৱা ডাঙৰীয়া আছিল তেনে এজন ভাল মানুহ। ঋষিতুল্য, মৰমিয়াল, অমায়িক সত্ত-পৰামৰ্শদাতা, পৰোপকাৰী আদি বহু গুণৰেই আধাৰ আছিল বৰুৱা ডাঙৰীয়া। মই নিচেই লৰাকালতে পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত 'অৰুণ' নামৰ এখনি মনোমোহা শিশু আলোচনী পঢ়িবলৈ সুযোগ পাইছিলোঁ, কাকতখন পঢ়ি বৰ আনন্দ পাইছিলোঁ। 'অৰুণ' আছিল নামে-কামে অৰুণ। অৰুমান ভাইটিৰ দৰে যেন এটি লাৰুৱা গোপালহে এনে মনত হৈছিল। সেই কাকতৰ সহকাৰী সম্পাদক আছিল কামাখ্যাৰাম বৰুৱা। সেই সূত্ৰেই বৰুৱাদেৱৰ নামটোৰ লগত মোৰ প্ৰথম চিনাকি হৈছিল আৰু তাৰ পিছত কোনোবা এখন সভাত নিলগৰপৰা মানুহজন চিনি লৈছিলোঁ, মিঠা মিঠা কথাৰ বক্তৃতা শুনি ভাল পাইছিলোঁ। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পৰি যে 'অৰুণ' আছিল দ্বিতীয় অসমীয়া শিশু আলোচনী। প্ৰথমখন আছিল কমলাভিৰাম বৰুৱা সম্পাদিত 'ল'ৰাবন্ধু'। সেই কমলাভিৰামো আছিল কামাখ্যাৰাম বৰুৱাৰ বংশৰে ভোলানাথ পুৰুষ জে, বৰুৱা চাহাবৰ ককায়েক। 'ল'ৰাবন্ধু'ৰ লগত বন্ধুত্ব কৰিবলৈ মোৰ সুযোগ নঘটিল আৰু আজিলৈকে কাকত-খনৰ গঢ়ঠগ কেনে আছিল একো কব নোৱাৰোঁ। পিছত আৰু এখন 'অৰুণ' ওলাইছিল ডঃ বিৰিঞ্চি বৰুৱাৰ সম্পাদনাত। যি নহওক তাৰ পিছত কামাখ্যাৰাম বৰুৱাক বহুবাৰ দেখা পাইছোঁ—ওচৰৰ পৰা, দূৰৰ পৰা। সেইবোৰ কথা আজিৰ এই আলোচ্য বিষয়বস্তুৰ ভিতৰত নপৰে তথাপি দুই এটা স্মৃতি চমুকৈ উন্মুকিয়াইছোঁ।

মোৰ ভ্ৰাতৃপ্ৰতিম বন্ধু জিতেন্দ্ৰনাথ বুজৰবৰুৱা কামাখ্যা বৰুৱাৰ মৰমৰ এজন ভাগিন। বুজৰবৰুৱাৰ মুখত মামাকৰ গুণ-গান সততে শুনো আৰু তেওঁৰ বিষয়ে অনেক কথাৰ বুজ পাওঁ। বুজৰবৰুৱাৰ যোগেদিয়ে 'মামা'ৰ অনুগ্ৰহত মই ছিলঙত তিনিভাগৰীয়াকৈ মাটি এচমকা আজি কেবাবছৰো আগতে লাভ কৰি-ছিলোঁ। এতিয়াও সেই মাটি নামত আছে, কামত নাই। পৰোপকাৰী, দূৰ-দৃষ্টিসম্পন্ন বৰুৱাদেৱে এনেদৰে আনক অযাচিতভাৱে উপকৃত কৰিবলৈ বিচৰাটো আছিল তেওঁৰ পক্ষে এটা সাধাৰণ গুণ।

আৰু এদিনৰ স্মৃতি। শ্ৰীজিতেন বুজৰবৰুৱাৰ মাক কামাখ্যা বৰুৱাৰ ভনীয়েক সেইদিনা সিপুৰীৰ যাত্ৰী। বুজৰবৰুৱাৰ 'লক্ষ্মী কুটিৰ' আৰু তুৱাৰমুখত অনেক মানুহ গোট খাইছিল। তাৰ মাজত কামাখ্যা বৰুৱাও আছিল। তেওঁৰ চকুত চকুপানী এটোপালো দেখা পোৱা নগৈছিল। মৰমৰ ভনীয়েকক শ্মশানলৈ নিবলৈ আয়োজন কৰা হৈছে। তালৈ বিশেষ মনোযোগ নিদি বৰুৱাদেৱে সেই সময়ত লগৰীয়াসকলৰ লগত দেশৰ সমস্যাৰ কথাকে আলোচনা কৰিছিল। মই কথাবোৰ শুনি তবধ মানিছিলোঁ। গীতাত বোধকৰোঁ এনেকুৱা মানুহকে স্থিত-প্ৰজ্ঞ আখ্যা দিয়া হৈছে।

এইজন কামাখ্যাৰাম বৰুৱাক বহল অৰ্থত সাহিত্যিক আখ্যা দিব পাৰিলেও সৰ্বাচলতে তেওঁক এজন অসমীয়া সাহিত্যৰ হিতাকাঙ্ক্ষী পুৰুষ বুলি কলেহে খেও খাব। বৰুৱাদেৱ যে এগৰাকী নিৰহনিপানী অসমীয়া সাহিত্যানুৰাগী লোক আছিল সেই বিষয়ে সন্দেহৰ থল নাই। তেওঁ যে কেৱল অসমীয়া সাহিত্যৰ লগতহে সম্পৰ্ক ৰাখিছিল এনেও নহয়। আন ভাষাৰ ভাল কিতাপৰ লগতো তেওঁ ৎৰে জীৱনে সম্পৰ্ক ৰাখি চলিছিল আৰু ভাল কিতাপৰ ভাল শিকনিবোৰ জীৱনত প্ৰতিফলিত কৰিবলৈ যত্ন কৰিছিল। এই কথাও সঁচা যে তেওঁ কিতাপ লিখিম বুলি হাতত কাপ লোৱা নাছিল, লোৱা হলে নিশ্চয় এজন ভাল গ্ৰন্থকাৰো হব পাৰিলেহেঁতেন। বৰুৱাদেৱে অৱশ্যে অনেকৰ অনুৰোধত গ্ৰন্থ ৰচনা কৰিবলৈ শেষ বয়সত কুৰুংকাৰাং কৰিছিল আৰু এখন পুথি আধৰুৱা অৱস্থাত লিখি থৈযো গৈছে। বুঢ়া শালিকাই মাত নলয়। এই সম্পৰ্কে তেওঁ তেওঁৰ চতুৰ্থ জোঁৱাই শ্ৰীতীৰ্থনাথ শৰ্মাদেৱলৈ লিখিছিল এইদৰে—

> "তুমি মোক কিবা গ্ৰন্থ ৰচনাৰ কামত লাগিবলৈ অনুৰোধ কৰি কেইবাবাৰো লিখিছা, আনেও কয়। আমাৰ জীৱনত উচিত বুলি ভবা বহুত কাম আন লেঠাৰ হেঁচাত কৰা হৈ নুঠে। তাতে সাহিত্য ৰচনা কৰাৰ অভ্যাসটো সৰুৰে পৰা নাথাকিলে পিছৰ বয়সত তাক অভ্যাস আৰু আয়ত্ত কৰা সহজ হৈ নুঠে। তথাপি তোমালোকৰ অনুৰোধ ৰক্ষা কৰিবলৈ যত্ন কৰিম।"

তথাপি কামাখ্যা বৰুৱাক আমি সাহিত্যিক ৰূপত তেওঁৰ পত্ৰাৱলীৰ মাজতে দেখা পাওঁ। তেওঁৰ পৰিয়ালৰ বিভিন্ন জনলৈ লিখা এই পত্ৰবোৰৰ বুজন সংখ্যা এটা বিলুপ্ত নোহোৱাকৈ থকাটো বৰ ভাল কথা হৈছে। এই পত্ৰাৱলীৰ মাজতে সাহিত্যৰ উপাদান যথেষ্ট আছে। কেৱল সিমানেই নহয় আমি আলচৰ আদিতে যে কামাখ্যা বৰুৱাক এজন ভাল মানুহ বুলি অভিহিত কৰিছিলোঁ তাৰ সাক্ষ্যও বহুত

কৰিছে এই পত্ৰাৱলীয়ে। এই পত্ৰাৱলীক নিঃসন্দেহে বৰুৱাদেৱৰ জীৱন-দাপোণ আখ্যা দিব পাৰি। ঈশ্বৰপৰায়ণতা, কৰ্ত্তব্যনিষ্ঠা, স্বজনপ্ৰীতি, নিয়মানুৱৰ্ত্তিতা উদাৰ ধৰ্ম্মভাৱ আদি বহু সদ্গুণ-বিশিষ্ট কামাখ্যাৰাম বৰুৱাক এই পত্ৰাৱলীৰ মাজেদিয়ে আজিও নিৰীক্ষণ কৰিবলৈ সহজ হৈ আছে।

পত্ৰবোৰ পুতেক-জোঁৱায়েক আদিলৈ লিখা হলেও ইয়াৰ ভাৱৰাশি সাৰ্ব্বজনীন। পত্ৰবোৰ নানাবিধৰ শিক্ষণীয় বিষয়েৰে সমৃদ্ধ। পণ্ডিত নেহৰুৱে তেওঁৰ জীয়েক ইন্দিৰা প্ৰিয়দৰ্শিনীলৈ লিখা পত্ৰবোৰেই এখন মনোৰম পুথি হোৱাৰ নিচিনাকৈ বৰুৱাদেৱৰ এই পত্ৰাৱলীতো একাধিক পুথিৰ উপাদান থুপ খাই আছে। খনচেৰেকৰ বাদে প্ৰায় প্ৰতিখন চিঠিৰ বিষয়বস্তুৱে একোখন ৰচনাৰ সমল বুকুত লৈ আছে। এইবোৰ পঢ়িলে চাণক্য-শ্লোক, স্মাইলছ্ চাহাবৰ ‘Character’, লম্বোদৰ বৰাৰ ‘জ্ঞানোদয’, সত্যনাথ বৰাৰ ‘সাৰথি’ আৰু বাগ্মীবৰ নীলমণি ফুকনৰ ‘চিন্তামণি’লৈ আপোনাআপুনি মনত পৰি যায়। পত্ৰাৱলীৰ বিষয়বস্তু অধিক ব্যাপক।

পত্ৰবোৰত কেৱল যে উপদেশ বা নীতি-বচনেৰে ভৰপূৰ এনে নহয়, ইয়াত আৰু বহুত কিবাকিবি আছে। জীৱনৰ কৃতকাৰ্য্যতাৰ চাবিকাঠীও ইয়াত আছে। বৰুৱাদেৱৰ নিজৰ পৰিয়ালৰ, বন্ধুবান্ধৱৰ, সমসাময়িক ঘটনা-প্ৰবাহৰ কথাও চেগা-চোৰোকাকৈ অ'ত ত'ত পোৱা যায়। প্ৰথম জাৰ্ম্মান যুদ্ধ, মহাত্মা গান্ধীৰ আন্দোলন, কেবিনেট মিছন, জিন্নাৰ পাকিস্তান পৰিকল্পনা আদিৰ উল্লেখ আৰু সেই বিষয়ে বৰুৱাৰ নিজা মতামতো এই পত্ৰাৱলী পঢ়ি আমি জানিবলৈ পাওঁ।

তদুপৰি বৰুৱাদেৱে তেওঁৰ বিভিন্নমুখী জীৱনত প্ৰচুৰ অভিজ্ঞতা আৰ্জ্জিছিল। বিভিন্ন শাস্ত্ৰৰ জ্ঞান আহৰণ কৰাৰ উপৰিও হোমিওপেথি, গো-পালন, খেতিবাতি, দেশ-ভ্ৰমণ আদিৰ কথাও ইয়াত আছে। আজিৰ যুগত একোটা মদৰ ঘাগৰিয়ে সুৰা নিবাৰণ নাইবা এগোহালি ল'ৰাছোৱালীৰ বাপেকীয়ে পৰিযাল পৰিকল্পনাৰ বিষয়ে এহালিচা বক্তৃতা দিয়া মানুহৰ বিৰল নহয়। কামাখ্যাৰাম বৰুৱা কিন্তু এনেবিধৰ বহুৰূপী পুৰুষ নাছিল। তেওঁ কথাই কামে একে আছিল। যি কৈছিল, তাক নিজৰ জীৱনত পালন কৰিছিল আৰু নিজৰ জীৱনৰ অভিজ্ঞতাবোৰকেই পত্ৰত পুতেক-জোঁৱায়েকহঁতলৈকো লিখিছিল। ইয়াত ভণ্ডামি নাই, আছে অন্তৰৰ উপলব্ধিৰ কথা, গভীৰ বিশ্বাসৰ কথা। বৰুৱাদেৱৰ নিজৰ জীৱনৰ লগত এই পত্ৰৰ কথাবোৰ হুবহু ৰজিতা খোৱা বিধৰ। এই গ্ৰন্থৰ আন আন আলচত তাৰ চিনাকি পোৱা যাব। মুঠতে পাঠকে নিজেই ব্যক্তিগত কথা বাদ দি এই গ্ৰন্থত সন্নিবিষ্ট পত্ৰাৱলী পাঠ কৰিলে ৰসাপ্লুত হব, উপকৃত হব। সেই কাৰণে সেইবোৰ ফঁহিয়াই

দেখুৱাব খোজা নাই, মাথোন পত্ৰাৱলীৰ পৰা বাছি বাছি আটৈকুৰি কামাখ্যা-প্ৰবচন অৰ্থাৎ কামাখ্যাৰাম বৰুৱাৰ তাৎপৰ্য্যপূৰ্ণ নীতি-বচন তলত তুলি দি মোৰ এই আলচৰ মোখনি মাৰিছোঁ।

কামাখ্যা প্ৰবচন

১। ভগবানক সদায় স্মৰণ কৰিবা।

২। ঈশ্বৰলৈ ভক্তি, নিজৰ ওপৰত বিশ্বাস আৰু সময়ৰ সদ্ব্যৱহাৰ এই তিনিটা হলে বাকী গুণবোৰ আপোনাআপুনি আহিব।

৩। নিজৰ কৰ্ত্তব্য কাম ভালকৈ কৰাটোৱেই হৈছে সকলোতকৈ ভাল ঈশ্বৰ উপাসনা।

৪। সংসাৰৰ বন্ধন গুচাবলৈ ঈশ্বৰচিন্তা কৰিব লাগে।

৫। আত্মাৰ উন্নতি কৰ্ত্তব্য পালনৰ পৰাহে হয়।

৬। ঈশ্বৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি চলিবা।

৭। অভ্যাসৰ ফলত মনৰ একাগ্ৰতা হয়।

৮। তোমাৰ নিজৰ উন্নতি নিজৰ হাতৰ মুঠিত।

৯। স্বাস্থ্য ভালকৈ ৰাখিব জনা সভ্যতাৰ এটা ঘাই লক্ষণ।

১০। সময় অনাহকত নকটাবা।

১১। প্ৰাৰ্থনাৰপৰা ভাল ফল হয়।

১২। সৎ চিন্তাৰপৰা মানুহৰ মনৰ আৰু চৰিত্ৰৰ উন্নতি হয়।

১৩। গীতা-ভাগৱত, ৰামায়ণ, কোৰান, বাইবেল আদি ভাল মনেৰে পাঠ কৰিলে অত্যন্ত উপকাৰ হয়।

১৪। যত্নৰ দ্বাৰা যে দৈৱৰ লিখন খণ্ডাব পাৰি এই কথা অতি সঁচা।

১৫। কাম কৰি মানুহে দৈৱক অতিক্ৰম কৰিব পাৰে।

১৬। যি মানুহে কপালৰ ওপৰত নিৰ্ভৰ কৰি থাকে সি মূৰ্খ আৰু তাৰ দুঃখ হয়।

১৭। এই মানৱী জীৱনটো সুখ ভোগৰ বাবে নহয়, ধৰ্ম্ম আৰ্জ্জনৰ বাবেহে।

১৮। কৰ্ত্তব্য পালনেই ধৰ্ম্ম।

১৯। ভাল কৰ্ম্ম কৰাটোৱেই সৰ্ব্বোত্তম প্ৰাৰ্থনা।

২০। আমাৰ জীৱনত সংযম আৰু ব্ৰহ্মচৰ্য্যৰ বিশেষ প্ৰয়োজন।

২১। লোভক জয় আৰু প্ৰতিৰোধ কৰিব পৰাটোহে বাহাদুৰি।

২২। এই জগতত ধৰ্ম্মই আচল বস্তু।

২৩। ধৰ্ম্ম মানে নৈতিকতা সজ চৰিত্ৰ আৰু পালনীয় সৎ কৰ্ম্ম।

২৪। মনৰ আৰু শৰীৰৰ স্বাস্থ্যৰক্ষাই ডাঙৰ কৰ্ত্তব্য আৰু আমাৰ শাস্ত্ৰমতে এয়ে পৰম ধৰ্ম্ম।

২৫। পেটুকৰ জীৱন বা বিলাসীৰ জীৱন আদৰ্শ হব নোৱাৰে।

২৬। বিপদত ধৈৰ্য্য, সাহস আৰু ঈশ্বৰ নিৰ্ভৰশীলতাই মানুহক শক্তিশালী কৰি ৰাখে।

২৭। স্বাস্থ্যৰক্ষা কৰাটো এটা ডাঙৰ ধৰ্ম্ম।

২৮। আশাবাদ থাকিলে ভয়ানক বিপদতো ৰক্ষা পোৱা যায়।

২৯। মনৰ ইচ্ছাশক্তি বঢ়োৱাটোকেই নৈতিক বল বুলি কব পৰা যায়।

৩০। জীৱনৰ উদ্দেশ্য বেছি ধন উপাৰ্জ্জন কৰি নিজে খাই-বৈ সুখেৰে থকাটোৱেই নহয়।

৩১। কামত পৰিপাটী, নিয়মানুৱৰ্ত্তী আৰু কঠোৰ পৰিশ্ৰমী (hard working) হলেহে মানুহে জীৱনত উন্নতি কৰিব পাৰে।

৩২। তোমাৰ পৰিশ্ৰম আৰু তোমাৰ ভাল স্বভাৱৰ (habits) ওপৰতেই তোমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

৩৩। নিয়মিত সময়ত আহাৰ কৰিব লাগে আৰু সহজে হজম কৰিব পৰা বস্তুহে খাব লাগে। অতিৰিক্ত আহাৰ আৰু মাদক-দ্ৰব্য বৰ্জ্জন কৰিবা।

৩৪। মানসিক পৰিশ্ৰমৰ লগত শাৰীৰিক পৰিশ্ৰমো কৰিব লাগে।

৩৫। যিবিলাক মানুহে বেয়া চিন্তা কৰে, অশ্লীল কিতাপ পঢ়ে বা পৰৰ হিংসা-কুৎসা আদি ভাব লৈ থাকে সিহঁতৰ স্বাস্থ্যও বেয়া হয়।

৩৬। যিবিলাক মানুহৰ আশাবাদ আৰু চৰিত্ৰবল নাই সেইবিলাক মানুহ সহজতে বিপদত পৰে।

৩৭। ভাল কিতাপ পঢ়িলে আৰু ভাল আলোচনা কৰিলে মানুহৰ চিন্তা-শক্তি বাঢ়ে।

৩৮। অত্যন্ত ধন-সম্পত্তি আহৰণৰপৰা বিলাসিতা, অলসতা, ভীৰুতা, ইন্দ্ৰিয়পৰায়ণতা, আত্মম্ভৰিতা আদি দোষ জন্মে।

৩৯। প্ৰকৃত বিপদতকৈয়ো আমি দুশ্চিন্তাৰ বাবেহে বেছি কষ্ট ভোগ কৰোঁ।

৪০। ঈশ্বৰে যিখিনি শক্তি দিছে তাৰ অলপো অপব্যৱহাৰ নকৰিবা।

৪১। কোনো মানুহকে অৱহেলা ঘৃণা বা তাচ্ছিল্য নকৰিবা।

৪২। সোপাটিলা স্বভাৱ এৰিবলৈ চেষ্টা কৰিবা।

৪৩। আমি যি সমাজত থাকোঁ, সেই সমাজক উচাটু কৰি কাম কৰা অন্যায়।

৪৪। পৰৰ ভাল গুণবোৰলৈ চকু দিয়া অভ্যাস নেথাকিলে বিদেশ ভ্ৰমণৰ পৰা সুফল পোৱা নেযায়।

৪৫। অস্থিৰতা, অসন্তোষ, নিৰাশা এইবোৰ সম্পূৰ্ণভাৱে পৰিত্যাগ কৰিবা।

৪৬। আমাৰ গুৰু, পুৰোহিত, পণ্ডিত আদি অলপ শিক্ষিত হোৱাৰ বাবে সমাজৰ অত্যন্ত অবনতি হৈছে।

৪৭। গৃহস্থালি কৰিও মানুহে আত্মাৰ উন্নতি সাধিব পাৰে।

৪৮। হিচাপ ৰখা অভ্যাসটো বৰ প্ৰয়োজন।

৪৯। সামান্য কামবোৰ কৰোঁতে বিবেচনা আৰু পৰিশ্ৰম খটাই কাম কৰিলে সংগঠন শক্তি (organising capacity) বাঢ়ে।

৫০। সংসাৰ-বন্ধনৰপৰা মনটোক মুক্ত কৰি ৰাখিবলৈ অভ্যাস কৰিব লাগে।

স্বৰ্গীয় বৰুৱা ডাঙৰীয়াই তেখেতৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীঅপূৰ্ব্বৰাম বৰুৱালৈ দিয়া পত্ৰ কেইখনমানৰ প্ৰয়োজনীয় অংশৰ উদ্ধৃতি—

২৩।২।৩৩

মই কালি সন্ধ্যা বেলিকাৰ গাড়ীত হাওড়া ষ্টেছনৰ পৰা আহি আজি পুৱা ৭টা বজাত পুৰী পালোহি। অহাৰ পিচতেই বসন্তকুমাৰী বিধবাশ্ৰমলৈ গৈ তোমালোকৰ ডাঙৰ মামীক দেখা কৰিলোঁ। ভালে আছে। কালিলৈ সন্ধ্যাবেলিকা তেওঁক লৈ কলিকতালৈ যাম বুলি ভাবিছোঁ, তেওঁ কিছুমান দিন কলিকতাত আৰ্য্য সমাজৰ পণ্ডিত ঋষিৰামৰ ঘৰত থাকিব। পণ্ডিত ঋষিৰাম বৰ ভাল মানুহ, তেওঁ গুৱাহাটীলৈ যাওঁতে তেওঁক বোধহয় দেখিছা।

ইয়ালৈ আহি মহাপ্ৰভু জগন্নাথদেৱৰ দৰ্শন পাই আৰু সাগৰ দেখি আৰু সাগৰৰ বতাহ পাই পৰম আনন্দ পাইছোঁ। মই থকা হ'টেলটো সাগৰৰ পাৰতে, সাগৰৰ পানীৰ পৰা ত্ৰিশ হাত মান দূৰৈত। ইয়াত বহি সাগৰ চাই থাকিবলৈ বৰ ভাল। অনবৰত বতাহ বৈ আছে আৰু সাগৰৰ ঢৌবিলাকে পাৰত (অৰ্থাৎ বালিত) বাগৰি বাগৰি পৰি মহাশব্দ কৰি আছে। আমাৰ তাৰ ব্ৰহ্মপুত্ৰ নদীত পাৰৰ ওচৰেৰে ডাঙৰ জাহাজ গলে যেনেকৈ বালিলৈ ঢৌ আহে তেনেকৈ সকলো সময়তে ইয়াত ঢৌ চলি থাকে, কেবল ইয়াৰ ঢৌবোৰ বৰ ডাঙৰ। অলপ বতাহ বেছি হলে ঢৌবোৰ আৰু ডাঙৰ হয়। মই সাগৰত আজি গা ধুলোঁ। ঢৌৱে খুন্দিয়াই পাৰৰ পিনে লৈ আহে। গা ধোওঁতে কোনো বিপদৰ ভয় নাই। পানীবোৰ লুণীয়া বাবে পিছত আকৌ ভাল পানীৰে গা ধুই পেলাব লাগে।

২৮।২।৩৮

তোমাৰ চিঠিখন পাই ভাল পালোঁ। তুমি শ্ৰীমতী কনুৰ বিয়ালৈ নোযোৱা ভালেই হৈছে। তুমি কুলবিলীয়া গোসাঁইৰ দোকানৰ পৰা লক্ষ্মীবিলাস খড়ী নি পুৱা সুদা পেটতে গাখীৰ আৰু মিশ্ৰিৰে খাব পাৰা বা দ্ৰাক্ষাসৱ এবোটল নি খাব পাৰা। যদি হোমিওপেথিক দৰৱ খাই আৰু তাৰ পৰা গুণ হৈছে তেন্তে তাকেই খাবা। তুমি কেদিনমানলৈ ইয়ালৈ আহিব পাৰা, পুৱাৰ ট্ৰেনত আহিলে ধুবুৰী সন্ধ্যাৰ পিচত পাবা, সন্ধ্যাৰ মেল গাড়ীত আহিলে গোলোকগঞ্জত ২টা মান বজা ৰাত্তি গাড়ী বদল কৰিব লাগে।

মিউনিচিপেলিটিৰ টেক্স্ যি দিবলগীয়া আছে দিবা। শ্ৰীযুত বাসুদেৱ গোসাঁইৰ খবৰ লেখিবা। নৰেনে কি কৰিছে লেখিবা। গৰুৰ বাবে কিছুমান খেৰ ৰখাব লাগে। শ্ৰীমতী লাবণ্যৰ বিয়াৰ বাবে যি পাৰা কাম কাজ কৰি দিবা। তোমাৰ সময়ৰ ভাগ কৰি লৈ কিছুমান সময় ভাল কিতাপ পঢ়াত, কিছু সময় ব্যায়াম বা শাৰীৰিক অন্য পৰিশ্ৰমত, কিছু সময় ঘৰৰ কাম কৰাত আৰু কিছু সময় ওচৰ চুবুৰীয়াৰ খবৰ লোৱা আৰু সহায় কৰাত খটাবা। Methodical হবলৈ চেষ্টা কৰা। নিজৰ Programme নকৰি যেতিয়াই যিটো মন যায় তাকে কৰাৰ অভ্যাসটোৰ পৰা আমাৰ বৰ অনিষ্ট হয়, তাৰ পৰা মনৰ দুৰ্ব্বলতা আহে আৰু বৃথা সময় নষ্ট হয়।

২০।৩।৩৮

আমাৰ গৰুৰ সংখ্যা কমাব লাগে। গাইৰ ভিতৰত ৩ বা ৪ জনীকে ৰাখি লালীৰ ছেউৰীজনী আৰু ৰাঙ্গীৰ ছেউৰীজনী ৰাখি বাকীবোৰ বিক্ৰি কৰিবা বা এনেয়ে খানাপাৰা ফাৰমত বা ভাল যত্নকৈ ৰাখিব জনা মানুহক দান দিব লাগে। ৪ বা ৫টাত কৈ বেছি গৰু ৰাখিব নালাগে। যি ৰখা যায় তাকে বৰ ভালকৈ ৰাখিব লাগে। লক্ষ্মীক আৰু আমি নৰখা পোৱালীবিলাক ভাল দামত বেচিব পাৰিলে বেচিব লাগে, নহলে কাৰবাক দিব লাগে।

৯।৪।৩৮

তুমি ছয়গাওঁলৈ যোৱাৰ আগতে দিয়া চিঠিখন মই পাইছিলোঁ।

শ্ৰীযুত চৌধুৰীয়ে মোক নিন্দা কৰা বাবে তোমালোকে মনত একো বেয়া নাপাবা। আনে আমূলক নিন্দা কৰিলে দুঃখিত হবৰ বেছি প্ৰযোজন নেথাকে কিন্তু নিজৰ দোষৰ বাবে নিন্দা হলেহে প্ৰকৃততে বেজাৰৰ কথা হয়। নিন্দাৰ পৰা নিজে সাবধান হবলৈ শিকিব লাগে।

৮।৫।৪০

তুমি শ্ৰীমতী সুবৰ্ণহঁতক লৈ যোৱাকালি যোৰহাটলৈ যাত্ৰা কৰাৰ কথা থকা বুলি প্ৰবীৰে লেখিছিল। আশা কৰোঁ নিৰ্ব্বিঘ্নে যোৰহাট পাইছাগৈ। তাত আমাৰ বন্ধু আৰু আত্মীয় মানুহসকলোকে দেখা কৰিবলৈ চেষ্টা কৰিবা আৰু বয়সীয়াল আৰু জ্ঞানী মানুহসকলৰ লগতো কথাবাৰ্ত্তা আৰু চিনাকি হবলৈ আৰু উপদেশ লবলৈ চেষ্টা কৰিবা। তোমাৰ শহুৰ-শাহু প্ৰভৃতি ভক্তিভাজন লোক-

সকলক সেৱা কৰিবলৈ নাপাহৰিবা। শ্ৰীযুত শঙ্খধৰ বৰুৱা, শ্ৰীযুত ৰাধানাথ ফুকন, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত দুৰ্গানাথ বৰুৱা মৌজাদাৰ, শ্ৰীমান প্ৰাণনাথ বুঢ়াবৰুৱা, শ্ৰীমান ত্ৰৈলোক্য গোঁসাই, শ্ৰীমান জয়কান্ত মিশ্ৰ, শ্ৰীমান শান্তপাল দাস, প্ৰসন্ন বাপাৰ ৰমাক, শ্ৰীযুত ৰত্ন ঠাকুৰ (শ্ৰীমান কামাখ্যা ঠাকুৰৰ দেউতাক) প্ৰভৃতি লোকক দেখা কৰিবা। নৰেন বা সুৰেন বা বাপাইক লগত লৈ এই সকলৰ তালৈ যাবা। তীৰ্থবাপাহঁতৰ ঘৰলৈ আৰু শ্ৰীযুত বিষ্ণু বৰুৱাৰ তালৈকো যাবা। শ্ৰীমান হেৰম্ব প্ৰসাদ বৰুৱাৰ তালৈকো যাবা। শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা এচেম্বলিৰ মেম্বাৰ আৰু শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা গবৰ্ণমেণ্ট উকীলৰ তালৈকো যাবা। ইযাক এৰিও আন আন ভদ্ৰলোকৰ লগত পৰিচয় হবলৈ চেষ্টা কৰিবা। শ্ৰীযুত শঙ্খধৰ বৰুৱা, শ্ৰীমান প্ৰাণনাথ, শ্ৰীমান জয়কান্ত, শ্ৰীমান ত্ৰৈলোক্য গোঁসাই, শ্ৰীযুত বিষ্ণু বৰুৱা আৰু শ্ৰীযুত ৰাধানাথ ফুকন এই কেইজনৰ তালৈ অৱশ্যে যাবা। শ্ৰীযুত ৰামেশ্বৰ শৰ্ম্মা, শ্ৰীযুত ফণী শৰ্ম্মা প্ৰভৃতিকো দেখা কৰিবা। যদি সুবিধা কৰিব পাৰা গোবিন্দপুৰ বাগিছালৈ গৈ তাত দুদিনমান থাকি বাগিছাখন পুংখানুপুংখৰূপে চাবা। সুবিধা পালে ডেৰগাওঁৰ মন্দিৰ চাবলৈ আৰু গোলাঘাটলৈ শ্ৰীযুত জগত খুৰাদেউ, শ্ৰীযুত গোলাপ খুৰাদেউৰ তালৈ যাবা। গোলাঘাটত ২।৪ দিন থাকিলেও ভাল হব। তোমাৰ হাতত টকা নাথাকিলে মোলৈ লেখিবা। শিক্ষালাভ কৰিবলৈহে এনেকৈ ফুৰিবা। যদি গা ভাল নোপোৱা বা ইচ্ছা নহয় তেনেহলে ইমানকৈ নুফুৰি সোনকালে ঘৰলৈ যাবা।

মই ৰবিবাৰে ডিব্ৰুগড়লৈ যাম। মোৰ গা ভালে আছে। মোৰ মৰম আৰু আশীৰ্ব্বাদ জানিবা।

* * * *

২৪।৫।৪০

তোমাৰ ১৮ মেই তাৰিখৰ চিঠিখন মই ডিব্ৰুগড়ত পালোঁ। মই পৰহি ৰাতি যোৰহাট পালোঁহি। ইয়াত বৰষুণ হৈ আছে। মোৰ গা ভালে আছে।

তুমি আৰু প্ৰবীৰে ভবিষ্যতলৈ কি কৰিবা সেই বিষয়ে নিজে নিজে ভাবি চাই আৰু আনৰ লগতো পৰামৰ্শ কৰি ঠিক কৰিবা। তোমালোকৰ এজন Lawyer আৰু আনজনে কিবা business কৰিলে ভাল পাও। Lawyer হলে আজিকালি উপাৰ্জ্জন বেশী হোৱাৰ আশা নাই। কিন্তু কিছু চেষ্টা কৰিলেই ২০০।৩০০ টকা পাবলৈ আশা কৰিব পাৰি। মোৰ Law books আৰু পুৰণি clients আদিৰ সুবিধা পোৱা যাব, গতিকে প্ৰথমৰ পৰাই কিছু কিছু টকা

উপাৰ্জ্জন হব। Lawyer হলে Political field-তো কাম কৰিব পাৰি। ভবিষ্যতে আমাৰ দেশত Politics-ৰ importance বাঢ়িব। Legal professionত ভাল নহলে Lawyer এজনে business কৰিবলৈকো একো অসুবিধা নহয়। আমাৰ young lawyers বিলাকে বেশী নাখাটে বাবে professionত উন্নতি কৰিব নোৱাৰে। Business কৰিবলগীয়া হলে আসামত কৰিব পৰা business হলে ভাল হয়। আজিকালি সকলো কামতে বৰ competition হৈছে। বেছি খাটিব পাৰা মানুহেহে টিকিব পাৰিব। Pleasure loving মানুহে শেহত কষ্টত পৰিব লাগিব। গতিকে মন ডাঠ কৰি বেছিকৈ পৰিশ্ৰম কৰিব পাৰা অভ্যাস ল'বাকালৰ পৰাই কৰা উচিত। জ্যোতিষ ডাক্তৰ, কন, হৰিশ, তুলাল বাপা, শৰত, প্ৰফুল্ল প্ৰভৃতিৰ লগত তুমি এই বিষয়ে কথা হৈ চাবা, প্ৰবীৰকো এওঁলোকৰ সৈতে পৰামৰ্শ কৰিবলৈ কবা।

তাৰ সকলো খবৰ বাতৰি দিবা। মোৰ স্নেহাশীৰ্ব্বাদ লবা।

পুঃ—

[জীৱনৰ উদ্দেশ্য কেবল বেছি টাকা উপাৰ্জ্জন কৰি সুখে খাই লৈ থাকিব পৰাটোৱে নহয়। বেছি টাকা উপাৰ্জ্জন কৰিব পাৰিলে ভাল কিন্তু সেই টাকা জনহিতকৰ কামত দান দিব পৰা ক্ষমতা থাকিব লাগিব। Luxuryত টাকা consume কৰাৰ পৰা দেশৰো অনিষ্ট হয় আৰু নিজৰো অনিষ্ট হয়। সাহ, জ্ঞান, কৰ্ত্তব্যপৰায়ণতা, অন্যৰ প্ৰতি মৰম ইত্যাদি গুণ বেচি আৱশ্যকীয়। ধনী কেঞাতকৈ জৱাহৰলাল নেহৰু, ৰাজেন্দ্ৰপ্ৰসাদ প্ৰভৃতি লোকে বেছি ভালৰূপে জীৱন যাপন কৰিছে বুলি মই ভাবো।]

ইতি
শ্ৰীকঃ

* * * *

২২।৬।৪০

তোমালৈ মই কেবাখনো চিঠি দিলোঁ। কিন্তু তোমাৰ পৰা কেবাদিনো চিঠি পোৱা নাই। প্ৰবীৰে কলেজত ভৰ্ত্তি হোৱাৰ কি হ'ল তাৰো একো খবৰ আজি পৰ্য্যন্ত পোৱা নাই। নিমু কলিকতালৈ যোৱা খবৰ কালি শ্ৰীমান কনৰ চিঠিৰ পৰাহে পাইছোঁ। ১লা জুনত আমি কাক কিমান টাকা দিবলগীয়া আছিল তাৰ হিচাপটো পঠাবলৈ কেবাবাৰো লেখা স্বত্বেও আজিলৈকে তুমি পঠোৱা

নাই। তুমি যে কি জৰুৰী কামত ব্যস্ত থকা বাবে চিঠি লিখিবলৈ সময় পোৱা নাই আৰু হিচাবটো উলিয়াবলৈ পাৰা নাই তাক মই বুজা নাই। মই কাচাৰীৰ কাম কৰিও যিমানবোৰ চিঠি লেখোঁ তোমালোকে তাৰ চাৰি ভাগৰ এভাগ চিঠিও লেখিবলৈ সময় নোপোৱা। তীৰ্থ বাপাই কেদিনমান আগতে লেখিছিল যে তোমাৰ আৰু প্ৰবীৰৰ পৰা চিঠি তেওঁ প্ৰায়ে নাপায়। বুলীয়েও কয় যে তোমালোকৰ পৰা চিঠি নাপায়। তোমালোকে মোতকৈ বেছি পৰিশ্ৰমী আৰু Punctual হবলৈ চেষ্টা নকৰি এলেহুৱা আৰু Unmethodical হবলৈ অভ্যাস কৰিব ধৰিছা। Methodical, Punctual আৰু hard working হলেহে মানুহে জীৱনত উন্নতি কৰিব পাৰে। এই কথাটো বোধহয় তোমালোকে বিশ্বাস নকৰা।

আশাকৰোঁ শীঘ্ৰে চিঠিৰ উত্তৰ দিবা।

* * *

২।৯।৪০

আজি পুৱা আমি ভালেৰে আহি এইখিনি পালোঁ। যোৱা ৰাতি ট্ৰেনত গৰম পোৱা নাছিলোঁ, কাৰণ প্ৰায়ে বৰষুণ দি আছিল। ইয়াতো বতৰ ভাৰৰ পাইছোঁ।

প্ৰবীৰৰ চাৰ্টিফিকেট কেখন শীঘ্ৰে দি পঠাবা। মোটৰ গাড়ীখন ভাল কৰাই লবা। ব্ৰেকবোৰ ঢিলা হৈ আছে, self starter টোৱেও কাম নকৰা হৈছে। নাৰিকল গছ কেজোপাৰ শুকান পাত, শুকান ফুল আদি গুচাই আৰু গছৰ ওপৰত হোৱা চৰাইৰ বাঁহ, পৰুৱাৰ বাঁহ প্ৰভৃতি ভাঙ্গি পেলাই পৰিষ্কাৰ কৰাব লাগে।

তুমি ল কলেজৰ কিতাপ নিয়মমতে পঢ়িবা। ক্লাচত যি পঢ়া হয় তাৰ ওপৰত নিৰ্ভৰ কৰিলে নহব। সকলো কিতাপ ঘৰতে পঢ়ি শীঘ্ৰে শেষ কৰিব লাগে। তিনিবাৰ মানকৈ পঢ়িব পাৰিলেহে কিছু আয়ত্ব হব। পূজাৰ আগত 1st yearৰ সমস্ত কিতাপ এবাৰ পঢ়ি শেষ কৰিব লাগে। এতিয়াৰ পৰা যত্ন কৰা। বেছি ভাগ ল'ৰাই ল পঢ়াত ভালৰূপে মনযোগ নিদিয়ে; সেই কাৰণে ল পৰীক্ষাত উচ্চস্থান অধিকাৰ কৰাটো বৰ কঠিন হয়। পৰিশ্ৰম কৰা ল'ৰাই 'ল'ৰ পৰীক্ষাত ভাল কৰিব পাৰে আৰু ব্যৱসায়তো উন্নতি কৰিব পাৰে। তোমাৰ পৰিশ্ৰম আৰু good habitsৰ ওপৰত তোমাৰ ভবিষ্যত নিৰ্ভৰ কৰিছে; এইটো সততে মনত ৰাখিবা।

১০।২।৪১

নীলাচলৰ পণ্ডিতজন আহিছিল নেকি আৰু আহিছিল যদি কি ঠিক হ'ল লেখিবা। আমাৰ মাটিখিনি পূব সীমাৰ ওচৰত বা পশ্চিম সীমাৰ ওচৰত হলেই ভাল হব হবলা। মাটিলৈ গৈ চাৰিওটা সীমা ঠিক কৰি লবা। মাটি ডোখৰৰ কিছুমান অংশত ভোট এৰাৰ গোজ দি বেৰা দিয়াব লাগে। কনে এহাল গৰু দিব খুজিছে। ভাল নেপালী এঘৰ বহাব লাগে। মাটি ডোখৰ পেলাই নথৈ যথাসম্ভৱ শীঘ্রে তাক কামত লগাবলৈ চেষ্টা কৰিবা। এই ৰূপেহে কামত পাৰ্গত হবা। Failureৰ কথা কেতিয়াও নাভাবিবাই। Failure হলেও ভয় নাই। Failure gives valuable experience and lead to success অদম্য উৎসাহ আৰু কাৰ্য্যতৎপৰতা লাগে। মানুহৰ জীৱন কেতিযাও plain sailing নহয়, হোৱাটোও বাঞ্ছনীয় নহয়। Difficulty overcome কৰিবলৈ যি চেষ্টা কৰা যায় তাৰ ফলতহে জীৱনে পূর্ণতা লাভ কৰে। মাটি ডোখৰ লোৱা হলে তাত মানুহ এঘৰ বহুৱাই হাল বোৱাব লাগে। মাটিৰ সমুখৰ পিনে অলপ উদঙ্গৈ ৰাখি বাকী মাটিত গৰুৰ ঘাঁহ আৰু গৰুক খুৱাবৰ উপযুক্ত অন্যান্য শস্য কৰ লাগে। লেচেৰা মাহ ঘনকৈ ৰুলে সোনকালে কাটিব পাৰি। জোৱাৰ কিছু কৰ লাগে। মাটি ডোখৰ খণ্ড খণ্ডকৈ ভাগ কৰিব লাগে। খণ্ডবিলাকৰ মাজত বাট ৰাখিব লাগে। ১০ টাঁৰে ১০ টাঁৰে বা ১০ টাঁৰে ২০ টাঁৰে বা ১৫ টাঁৰে ১৫ টাঁৰে একোটা plot কৰিব লাগে। এটা মাজত ডাঙ্গৰ বাট ৰাখি বাকী-বোৰ ঠেক বাট কৰিব লাগে। একোটা plotত একে ৰকম শস্য কৰিব লাগে। মাটিত যিমান পৰা যায় সাৰ দিয়াব লাগে। সকলোবোৰ plot লৈ সাৰ নেপালে কেইটামান plotত ভালকৈ সাৰ দি বাকী বিলাকত সাঁৰ নিদিযাকৈ ৰখাই ভাল। প্ৰত্যেক plotত কেইমোনকৈ সাৰ দিযা হ'ল তাৰ হিচাপ ৰাখিব লাগে। Most up-to-date method এৰে কাম কৰিবলৈ চেষ্টা কৰিব লাগে। সামান্য কামবোৰ কৰোঁতে বিবেচনা আৰু পৰিশ্ৰম খটাই কাম কৰিলে organizing capacity বাঢে। সামান্য কামবোৰ কৰি প্ৰথমে নিজৰ organizing power বঢাই লোৱা উচিত। মনলৈ দুৰ্ব্বলতা আহিব দিলেই মনটো soft and flabby হৈ যায়।

পুঃ—[ডাঙ্গৰ চৈঁউৰীজনীক গুড়ি মাটিমাহ, চাউলৰ মলি আৰু খলিহে নিয়মমতে খুৱাবা। গৰম হলে সিদ্ধি বাঁডৰ দ্বাৰাই cover কৰাবলৈ চেষ্টা কৰিবা। নহলে গো-শালাৰ অন্য ষাঁড়েৰে পাল খুৱাবা।]

ইতি

শ্ৰীকৃঃ

২৬।৩।৪১

স্বৰ্ণৰ অৱস্থা আগতকৈ ভালনৈ অহা শুনি বৰ সুখী হৈছোঁ। এতিয়াহে ধৈৰ্য্য ধৰি nursing কৰাৰ বেচি প্ৰয়োজন হৈছে। প্ৰথম উৎসাহতে সকলো আত্মীয় স্বজনে বিপদত সহায় কৰে। কিন্তু বেচি দিননৈ উৎসাহ নাথাকে। বিশেষতঃ অসমীয়া জাতিৰ মানুহৰ এতিয়া মনৰ determination কম। কোনো কামকে বেচি দিন'ল ধৈৰ্য্য ধৰি কৰিব নোৱাৰে। Tenacity, Patience আৰু Unflagging determination হলেহে মানুহে বা জাতিয়ে উন্নতি কৰিব পাৰে। ইংৰাজ, ইটালিয়ান, জাৰ্ম্মান, গ্ৰীক, জাপান প্ৰভৃতি জাতিৰ প্ৰতি মন কৰিলেই এইটো দেখা যায়। ইংৰাজবিলাকে কিমান ভীষণ বিপদ আৰু কষ্ট সহ্য কৰিও পূৰ্ণ উৎসাহেৰে যুদ্ধ চলাই আছে তাক ভাবিলেও আচৰিত হব লাগে। ইটালিয়ানবোৰে যুদ্ধত হাৰিও অদম্য উৎসাহেৰে যুদ্ধ চলাই আছে। জয়লাভ কৰিলে সকলো মানুহৰে মনত উৎসাহ বাঢ়ে কিন্তু পৰাজয়ৰ পিচত পৰাজয় সহ্য কৰি নিজৰ careful calculations বিলাক বিফল হোৱাৰ পিচতো মনৰ দৃঢ়তা ৰক্ষা কৰিব পাৰিলে পৰাজয়ৰ মাজতো জয়লাভ কৰিব পাৰি। ভাৰতবৰ্ষৰ বঙ্গালী, মাদ্ৰাজী প্ৰভৃতি মানুহ বুদ্ধিত ইংৰাজ প্ৰভৃতিতকৈ চোকা যেনহে লাগে, কিন্তু মনৰ দৃঢ়তাত তেনেই হীন, অলপতেই ধৈৰ্য্যচ্যুতি হয়। Intelligenceতকৈ moral qualities বেচি superior এটা জাতিৰ বা কোনো মানুহৰ memory, intelligence, moral qualities, bodily strength, health ইত্যাদি চেষ্টা কৰি বঢ়াব পাৰি। Discipline, military training আদিয়ে moral qualities বৃদ্ধি কৰে। স্কুল কলেজত পঢ়িলে intelligence বাঢ়ে। মহাত্মা গান্ধীয়ে আমাৰ দেশৰ মানুহৰ ভিতৰত (বিশেষকৈ নেতাসকলৰ মাজত) high discipline অনাৰ চেষ্টা কৰি আছে। তেওঁৰ চেষ্টাৰ ফলত Simple way of life, Sacrifice, Truthfulness প্ৰভৃতি বিষয়ত আমাৰ দেশৰ মানুহৰ আগ্ৰহ জন্মিছে। ভাৰতবৰ্ষৰ অৱস্থাৰ প্ৰতি লক্ষ্য কৰিলে এইবোৰ কথা স্পষ্টৰূপে বুজা যায়:—১। That a nation cannot thrive by intellectual culture alone nor by smartness or luxurious habits. ২। That a subject nation cannot achieve economic prosperity. ৩। That a subjugated nation has extreme difficulty in attaining unity and in regaining self confidence. ৪। That a dependent people imitate the luxurious habits, smartness etc. of the ruling classes but cannot acquire the courage, determination

etc. of their rulers বৰ্ত্তমানত Syam, Afghanistan, China প্ৰভৃতি দেশৰ মানুহৰ self confidence, courage আদি ভাৰতবৰ্ষৰ মানুহতকৈ বেছি। এইবোৰ কথা দকৈ ভাবি চাবা আৰু নিজৰ জীৱন উচিত মতে গঢ়ি তুলিবলৈ চেষ্টা কৰিবা।

স্বৰ্ণইঁতক এতিয়াহে বেছিকৈ সহায়ৰ আৱশ্যক হৈছে। যিমান পাৰা সহায় কৰিবা।

* * * *

২০।৪।৪১

কালি ভালেৰে আহি আমি যোৰহাট পালোঁ। প্ৰসন্ন বাপাই মৰিয়নীলৈ মোটৰগাড়ী পঠাইছিল। মই তাতে আহিলোঁ। শিব বাপা মৰিয়নীত থাকিল। নগেন বাপা শিৱসাগৰলৈ গ'ল ট্ৰেনেৰে, তাৰ পৰা মোটৰ বাচেৰে আজি সোণাৰীলৈ যাব। মোৰ কালিৰে পৰা অলপ মূৰৰ অসুখ হৈ আছে, কোষ্ঠবদ্ধৰ ভাব থকাৰ পৰা এইটো হৈছে, Stomachৰ Poison এ শৰীৰৰ বৰ অনিষ্ট কৰে, এইবাবে নিয়মিত সময়ত আহাৰ কৰিব লাগে আৰু সহজতে হজম কৰিব পৰা বস্তু খাব লাগে। গুৰুভোজন আৰু দুষ্পাচ্য বস্তু ভোজন কৰিলে শৰীৰৰ অত্যন্ত অনিষ্ট হয়, মনৰো অনিষ্ট হয, স্মৰণ শক্তি আৰু মনোযোগ দিবৰ ক্ষমতা হ্ৰাস কৰে। পুৱাতকৈ মই এতিয়া ভাল পাইছোঁ।

তুমি Calcium gluconate with Codliver oil or Halibut oil খাই চালে বেয়া নহয। হৰিশ বাপা আৰু এজন ডাক্তৰৰ লগত পৰামৰ্শ কৰি উক্ত দৰৱ বা অন্য দৰৱ খাবা। পৰীক্ষাৰ বাবে এতিয়াৰ পৰা দিনৌ ৪।৫ ঘণ্টা নিয়মমতে পঢ়া উচিত মানিমুনিৰ কেঁচা ৰস খালে Stomachৰ ক্ৰিয়া ভাল হব, কিন্তু Calcium dificiencyৰ বাবে অন্য দৰৱ খোৱাৰ প্ৰয়োজন হব। Biochemic Calphos খালেও উপকাৰ হবৰ সম্ভৱ।

* * * *

৪।৫।৪১

তোমালোকৰ ২ মেই তাৰিখৰ চিঠি কালি পাই বৰ ভাল পালোঁ।

যোৰহাটত কেদিনমান মোৰ কোষ্ঠবদ্ধ হৈ গাটো বেয়া হৈছিল। ইয়ালৈ আহি ভাল পাইছোঁ। ইয়াৰ পৰা মই ৮ তাৰিখে ধুবুড়ীলৈ যাম। যদু বাপু যদি আহিছে তেন্তে তেওঁক ৮ তাৰিখে বাতিপুৱাৰ ট্ৰেনত ধুবুড়ীলৈ পঠাই দিবা।

তেওঁ ৮ তাৰিখে যদি অহা ঠিক হয় তেন্তে মই হৰকান্তক ৰঙ্গিয়াৰ পৰা গুৱাহাটীলৈ পঠাই দিম। ধুবুৰীলৈ হৰকান্তক মই লৈ গলেও মোৰ একো অসুবিধা নহয়। কিন্তু এজন বেচি মানুহ ৰাখিবৰ একো প্ৰয়োজন নাই। যদি যদু বাপুক দৰকাৰী কামত তাত নিযুক্ত ৰাখিব পাৰা তেন্তে নপঠালেও হব।

আশাকৰোঁ তোমাৰ পঢ়া ভালদৰে চলিছে। এতিয়া বেছি পৰিশ্ৰম কৰি পৰীক্ষাৰ আগত কম পৰিশ্ৰম কৰিব লাগে, বেছি পৰিশ্ৰম কৰিব নোৱাৰিলে জগতত উন্নতি কৰিব নোৱাৰি। বেছি পৰিশ্ৰম কৰিবলৈ হলে স্বাস্থ্য ভালে ৰাখিব লাগে। মানসিক পৰিশ্ৰমৰ লগত শাৰীৰিক পৰিশ্ৰম নকৰিলে অতি শীঘ্ৰে শৰীৰ নষ্ট হয়। স্বাস্থ্য ভালে ৰাখিবলৈ এই কেইটা কথাত অত্যন্ত মনোযোগ দিব লাগে:— ১। সময়মতে নিয়মীয়া আহাৰ। খাদ্যবস্তু ভাল পুষ্টিকৰ আৰু সহজতে হজম কৰিব পৰা লাগে। অতিৰিক্ত ভোজন কৰিলে বা ভেজাল বা পচা বস্তু খালে শৰীৰত বিষাক্ত বস্তু (toxion) উৎপন্ন হৈ মনত ফুৰ্ত্তি নোহোৱা, গা-গধুৰ, মূৰ গধুৰ এনেবোৰ অবস্থা জন্মায়। তেনেহলে পঢ়িবলৈ বা কাম কৰিবলৈ ইচ্ছা নোহোৱা হয আৰু পঢ়িবলৈও মনত নবয়। ২। নিয়মীয়া শাৰীৰিক পৰিশ্ৰম। শাৰীৰিক পৰিশ্ৰম নকৰা বাবে স্বাস্থ্য বেয়া হয় আৰু স্বভাবো বেয়া হয়। ৩। সৎচিন্তা। যি বিলাক মানুহে বেয়া চিন্তা কৰে, অশ্লীল কিতাপ পঢ়ে বা পৰৰ কুৎসা, হিংসা আদি ভাবলৈ থাকে সিহঁতৰ স্বাস্থ্যও বেয়া হয়। ওপৰত লিখা কথাবিলাক মানি চলা আৰু ধৰ্ম্মাচৰণ কৰা একে কথা। ঈশ্বৰ ভক্তিও সৎ চিন্তাৰ ভিতৰত পৰে।

*   *   *   *

২৫।৭।৪১

ইয়াৰ লগত ৫০৲ টাকাৰ চেক এখন পঠালোঁ। তোমাৰ হাতত টাকা আছেনে নাই, কি খৰচ হৈছে আৰু টাকা লাগিলে কেতিয়া কিমান টাকা লাগিব এই সম্বন্ধে তোমাৰ পৰা মই একো খবৰ পোৱা নাই। প্ৰবীৰৰ পৰা প্ৰায় তিনি সপ্তাহমান কোনো চিঠিপত্ৰ পোৱা নাই। প্ৰবীৰৰ আৱশ্যকীয় খৰচ পত্ৰৰ বাবে টাকা পাইছেনে নাই তাকো কব পৰা নাই। আৱশ্যকীয় কথাবোৰ নাজানিলে মনৰ উদ্বেগ হয় আৰু উচিত কাৰ্য্য কৰাত বাধা পৰে। মই তোমাক মাহে মাহে জমাখৰচৰ হিচাবৰ মুঠ বিবৰণ (abstract statement) দিবলৈ কেবাবাৰো অনুৰোধ কৰিছিলোঁ, কিন্তু তুমি নিয়মমতে দিয়া নাই। তাৰ পৰা বৰ অসুবিধা হয়; কাৰণ প্ৰকৃত financial positionটো বুজিব নোৱাৰি। হিচাপ

ৰাখা অভ্যাসটো মানুহৰ বৰ দৰকাৰ। বেহিচাপী মানুহে জগতত উন্নতি কৰা বৰ টান; আৰু বেহিচাপী মানুহৰ জীৱনত বহুত ত্রুটি বৈ যায; দিবলগীয়া ধন সময়মতে দিব নোৱাৰে, পাবলগীয়া ধন আদায় কৰিব নোৱাৰে, উচিত সময়ত কাম কৰা নহয। বেহিচাপী হোৱা বাবেই আমি জীৱনত বহুতো কষ্ট, লাঞ্ছনা, অপমান সহ্য কৰিবলগীয়া হৈছে। তোমালোকে হিচাপ ৰখা অভ্যাস আৰু হিচাপমতে কাম কৰা অভ্যাস কৰা উচিত। মোৰ ঘৰুৱা financial positionৰ কোনো সময়তে মোৰ পৰিষ্কাৰ ধাৰণা (clear idea) এটা নহয়। Blindly খৰচ কৰি যোৱা হয। Without plan কাম কৰিলে যি কষ্ট ভোগ কৰিব লাগে সেই কষ্ট আমি সদায় ভোগ কৰিব লগা হৈছে। ইয়াৰ প্রতিকাৰ কৰিবলৈ চেষ্টা কৰা উচিত। সেই উদ্দেশ্যেৰেই প্রত্যেক মাহৰ খৰচৰ আৰু existing liabilityৰ সংক্ষেপ বিবৰণ একোটা মোক জনাবলৈ তোমাক কৈছিলোঁ। তাৰ পৰা মোৰো বৰ সুবিধা হ'লহেঁতেন। তোমাৰো এটা ভাল অভ্যাস হ'লহেঁতেন। অহামাহত নিতান্ত প্রযোজনীয খৰচ কি কি কৰিব লাগিব, এই বিলাক সম্বন্ধে মই সম্পূর্ণ অন্ধকাৰত আছোঁ। Fool's Paradiseত থকাটো বাঞ্ছনীয নহয়, সুখজনকো নহয়। বুদ্ধিহীন আৰু দায়িত্ববোধহীন মানুহে নিজৰ দোষ, ভবিষ্যতৰ বেয়া ইত্যাদিলৈ চকু নিদি ক্ষণিক শান্তি পাবলৈ আঁশা কৰে। বুদ্ধি থকা আৰু সাহসী মানুহে সকলো বিপদৰ কথা, সকলো বেয়া জানি তাৰ প্রতিকাৰৰ বাবে চেষ্টা কৰে (They want to know the worse and prepare to meet it.)

* * * * *

৫।৮।৪১

অমলাক স্কুলত ভর্ত্তি কৰি দিয়া শুনি ভাল পাইছোঁ। কিন্তু তাইৰ পঢ়াৰ বহুতো ক্ষতি হৈছে। তাই স্কুললৈ নোযোৱা সময়ত যিবোৰ পঢ়া হৈ গ'ল সেইবোৰ তাইক তুমি ঘৰতে পঢ়াবা। তাই যাতে স্কুলত ভালদৰে পঢ়া দিব পাৰে তাৰ বাবে আৱশ্যকীয় যত্ন কৰিবা।

দুর্গাৰ জ্বৰ হোৱা শুনি দুঃখিত হৈছোঁ। আশাকৰোঁ এতিয়া জ্বৰ এৰিছে।

তুমি আইনৰ কিতাপ দিনে অন্ততঃ ৪।৫ ঘণ্টা পঢ়া উচিত। Preliminary আৰু Intermediate এই দুয়োটাৰ বাবে সমানে পঢ়িবলগীয়া হোৱাত বৰ অসুবিধা হৈছে। বিশেষ hard work কৰি এই অসুবিধাটো গুচাব লাগিব। পৰীক্ষাত ফেল কৰাৰ কোনো আশঙ্কা যেন নেথাকে, তাৰ বাবে এতিয়াৰ

পৰা বৰকৈ পৰিশ্ৰম কৰিবা। কিন্তু অকল মানসিক পৰিশ্ৰম কৰিলে স্বাস্থ্য বেয়া হয় আৰু স্মৰণ শক্তিও কমে। টেনিচ খেলা বা আন কোনো খেলা সদায় কৰা উচিত। আমাৰ দেশীয় মানুহতকৈ ইংৰাজ বিলাকেযে বেছি কাম কৰিব পাৰে আৰু ইংৰাজবিলাকৰ মনৰ প্ৰফুল্লতা বেছি তাৰ প্ৰধান কাৰণ হৈছে— ১। তেওঁলোকে নিয়মমতে শাৰীৰিক পৰিশ্ৰম কৰে। ২। ভাল খাদ্য খায় আৰু সকলো কাম সময়মতে কৰে। এই তিনিটা বিষয়লৈ সদায় মনোযোগ দিবা। সময়মতে কৰিবলগীয়া কাম কৰিলে মনৰ আনন্দ বাঢ়ে, moral courage বাঢ়ে, কাৰণ diffidenceৰ ভাব নাথাকে, গতিকে শাৰীৰিক স্বাস্থ্য আৰু মানসিক স্বাস্থ্যৰ উন্নতি হয়। বুদ্ধিৰ অভাবত মানুহৰ জীৱন Unsuccesful নহয়। Failureৰ বাবেহে জীৱন Unsuccesful হয়। Failure কপালৰ গুণেও হয় আৰু নিজৰ দোষৰ বাবেও হয়। Failureৰ প্ৰধান কাৰণ সময়ত কৰিবলগীয়া কাম নকৰা, এলাহ দুৰ্ব্বলচিত্ততা। Failureৰ পৰা দুৰ্ব্বলচিত্ততা বাঢ়ে আৰু চেষ্টা কৰিব পৰা ক্ষমতাটো কমি যায়। Therefore one failure leads to another On the other hand one success makes it easier to achieve another. তেতিয়া মানুহে কপালৰ প্ৰশংসা কৰে বা কপালক দোষ দিয়ে। আমাৰ জীৱনটোৱেই Struggle, বেয়া অভ্যাসবোৰ গুচাই ভাল অভ্যাসবোৰ আৰ্জ্জি লবলৈ নমৰালৈকে struggle কৰি থাকিব লাগে। মনৰ will power বঢ়োৱাকেই moral strength বঢ়োৱা বুলি কয়। মনৰ দুৰ্ব্বলতা, উৎসাহ-হীনতা, উচিত কাম কৰিব নোৱাৰাটোৱে moral weakness বা পাপ।

[কনিষ্ঠ পুত্ৰ শ্ৰীপ্ৰবাৰ ৰাম বৰুৱালৈ দিয়া চিঠি কেইখনমানৰ প্ৰযোজনীয় অংশৰ উদ্ধৃতি। এই চিঠিবোৰ কলিকতা আৰু বোম্বাইত ছাত্ৰ থাকোঁতে প্ৰবীৰ বৰুৱাই পাইছিল।]

যোৰহাট
১৬।৬।৪০

ভগবানক সদাই স্মৰণ কৰিবা। নিজৰ কৰ্ত্তব্য কাম ভালকৈ কৰাটোৱেই হৈছে সকলোতকৈ ভাল ঈশ্বৰৰ উপাসনা। কিন্তু কৰ্ম্মত আবদ্ধ হৈ থাকিলে সংসাৰত বেছিকৈ লিপ্ত হোৱা স্বভাবটো আছে। সেইবাবে যাতে মনৰপৰা উচ্চ আদৰ্শ (large vision) নুগুচে তাৰবাবে দিনৌ পৰমেশ্বৰক চিন্তা কৰা উচিত।

এই কাৰণেই গীতাত কৈছে যে সংসাৰত নির্লিপ্ত হৈ কর্ম্ম কৰিব লাগে। সংসাৰৰ বন্ধন গুচাবলৈ পৰমেশ্বৰক চিন্তা কৰিব লাগে। সংসাৰৰ বন্ধন কথাই বুজায়, সৰু কথাত মনটো আৱদ্ধ ৰখা স্বভাৱ। কোনো মানুহৰ এনে স্বভাৱ যে চাৰিটা পইচা লোকচান হলেই মনত ঘোৰ অশান্তি ভোগ কৰে, কোনোৱে সামান্য লাভৰ বাবে নৰহত্যা কৰিছে, কোনোৱে সামান্য অশান্তিৰ বাবে আত্মহত্যা কৰিছে। সম্পত্তিৰ ভাগ লৈ কাৰো ভিতৰত ভায়েকে ভায়েকে কাজিয়া লাগিছে। এইবিলাক হৈছে সংসাৰ আসক্তিৰ ফল। ঈশ্বৰ চিন্তা, উচ্চ চিন্তা প্ৰভৃতিৰ দ্বাৰাই এই ৰকম প্ৰকৃতিৰ হাত সাৰিবলৈ চেষ্টা কৰিব লাগে। কিন্তু উচ্চ ভাৱ লৈ থাকিলেই নহয়। সজকৰ্ম্ম কৰিলেহে নিজৰ জীৱনৰ দেশৰ আৰু মানৱ সমাজৰ কল্যাণ সাধিত হয়। Work আৰু inspiration এই দুয়োটা সমানে আৱশ্যক। এই দুটাৰ সাধনৰ বাবেই স্বাস্থ্য ভালকৈ ৰাখিব লাগে, অতিৰিক্ত আহাৰ আৰু মাদক দ্ৰব্য বৰ্জ্জন কৰিব লাগে আৰু অন্যান্য ভাল নিয়মবোৰ পালন কৰিব লাগে। বহুত মানুহ আছে যি বিলাকে মদ ভাং খাযো অত্যন্ত কৰ্ম্মী হয়, সংসাৰত আসক্ত হৈয়ো ডাঙৰ কাম কৰিব পাৰে। সেইবিলাক মানুহৰ বেযা কামত কিছু শক্তি অপব্যয কৰিলেও ভাল কামত খটাবলৈ তেওঁলোকৰ বহুত শক্তি ৰৈ যায়। কিন্তু এইবিলাক লোক আমাৰ আদৰ্শ হব নালাগে। ঈশ্বৰে যিখিনি শক্তি দিছে তাৰ যেন অলপো অপব্যৱহাৰ নহয় তাৰবাবে চেষ্টা কৰিবা। সদায দিনত এবাৰ বা দুবাৰ অলপ বেলিলৈ হলেও ঈশ্বৰ চিন্তা কৰিবা আৰু মনটো শুদ্ধ আৰু শান্ত কৰি লবলৈ চেষ্টা কৰিবা।

সদায় Dictionary এখন ওচৰত ৰাখিবা। Dictionary consult কৰা habitটো কৰিবা। Chambers's Twentyeth Century Dictionary খনেই ভাল। ইংৰাজী, হিন্দী, বঙ্গলা আদি ভাষাৰ উচ্চাৰণ, accent আৰু idiom শিকিবলৈ চেষ্টা কৰিবা। আনে কথা কওঁতে উচ্চাৰণলৈ কাণ কৰিবা। ভাল ইংলিছ গ্ৰামাৰ এখন, হিন্দী গাইড বা 'হিন্দী চেলফ টট্' ধৰণৰ কিতাপ এখন বা দুখন কিনিবা আৰু মাজে মাজে পঢ়িবা। সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ যত্ন কৰিবা। কিতাপ বহী লাগে তাক কিনিবলৈ পলম নকৰিবা। প্ৰত্যেক বিষয়তে এনেভাবে প্ৰস্তুত হবা যে সেই বিষয়ত যিমানখিনি ক্লাছত পঢ়া হয় তিমানখিনি আনক তুমি ভালকৈ অতি পৰিষ্কাৰকৈ বুজাই দিব পাৰা। Clear grasp নহলে ভাল পঢ়া নহয়। তুমি ইংলিছ পেটাৰ্নৰ কোট, হেট্ আৰু সদায় পিন্ধিবলৈ হাফপেণ্ট, হাফচাৰ্ট, হেট্ লোৱা ভাল হব। কটন কাপোৰেৰে ভাল কোট আৰু ফিট্ হোৱাকৈ পোছাক কৰাই লবা। White Drillৰ আৰু Khaki

Drillৰ বা Cotton Suiting আৰু Shirtingৰ পোছাক কৰালে সুবিধা হ'ব। English Patternৰ পোছাক Necktie সহিতে পিন্ধাই ভাল হব, কাৰণ এতিয়া পৃথিবীৰ বেছি ঠাইতে এইৰকম পোছাক চলে। তিনটা বা দুটা কোট আৰু long pantaloonৰ suit আৰু চাৰিযোৰমান Half Shirt আৰু Half Pant কৰাই ললে চলিব। তাৰ বেছিভাগ ল'ৰাই কি পিন্ধে ?

প্ৰথমে পঢ়াত বেছি মনোযোগ দিবা। এই কথাত হেলা নকৰিবা। ভগবানক দিনৌ স্মৰণ কৰিবা। মোৰ মৰম আৰু আশীৰ্ব্বাদ লবা।

তোমাৰ পোছাক কৰিবলৈ আৰু কিতাপ আদি কিনিবলৈ কিমান টকা লাগিব মোক জনাবা।

গুৱাহাটী

৯।৭।৪০ ইং

তুমি ইংৰাজীত আৰু অসমীয়াত economics, commerce, বোম্বাইৰ cultural and commercial activities আৰু অন্যান্য বিষয়ত প্ৰবন্ধ লিখিবলৈ অভ্যাস কৰা উচিত। তাৰপৰা লেখাৰ অভ্যাস হয়, চিন্তাশীলতা বাঢ়ে আৰু আন বহুতো উপকাৰ হয়। দুটা ডাঙৰ বহী কিনি লৈ তাতে প্ৰবন্ধ লিখিবলৈ লব লাগে। ইয়াৰ পৰা পৰীক্ষাত উত্তৰ লিখা সুবিধা হ'ব। এইবিলাক কাম কৰাটোক আৱশ্যকীয় বুলি ভাবিব লাগে।

গুৱাহাটী

১৫।৭।৪০

কিন্তু তাৰ পিছত তোমাৰ ১২ তাৰিখৰ চিঠিখন আজি পাই অসুখবোৰ কমা শুনি আনন্দ পাইছো। কিন্তু দিনে ৬ টকা দিব লগা হলেও হস্পিটালত আৰু ২।৩ দিনমান থকা হলে ভাল আছিল। গাত নৰিয়া বৈ গলে পঢ়াৰ লোকচান তো হবই তাক এৰি পইচাৰ খৰচো বহুত বেচি হব। প্ৰথমতে ৰোগ নিৰ্ম্মূল কৰা উচিত। তাৰ দ্বাৰাই খৰচ কমহে হয় আৰু জীৱনত সাফল্য লাভ কৰিব পাৰি। যদি এই চিঠি পোৱাৰ সময়তো তোমাৰ কিবা অসুখ থাকে তেন্তে ভাল ডাক্তৰৰ দ্বাৰাই চিকিৎসা কৰাবলৈ হেলা নকৰিবা। আৱশ্যকীয় টকাৰ বাবে টেলিগ্ৰাম কৰিবা। আমাৰ ইয়াত ভাল। মই ইয়াত জুলাইৰ শেষ পৰ্য্যন্ত থাকিম। মোৰ মৰম আৰু আশীৰ্ব্বাদ লবা।

গুৱাহাটী
৪।৮।৪০

তুমি এটা ষ্টভ কিনি লৈ মাজে সময়ে তুমি থকা কোঠালিতে ভাত ৰান্ধি মাখনেৰে খাব পাৰা; ৰুটি মাখন জেলিও খাব পাৰা, মাজে সময়ে গৈ 'বেঙ্গল ল'জ'ত গৈও খাব পাৰা। খোৱাত কষ্ট নকৰিবা।

পঢ়া কেনে হৈছে লেখিবা। সমস্ত কিতাপ কিনা হ'ল নে লেখিবা। পৰিশ্ৰম কৰি পঢ়া। সমস্ত বছৰটোত পৰিশ্ৰম কৰিলেহে ভাল ফল হব। পৰীক্ষাৰ সময়-লৈকে পঢ়া বাকী নাৰাখিবা। জীৱনটো Successful কৰিব লাগিব। এইটো সকলো সময়তে মনত ৰাখিবা।

আন আন প্ৰদেশৰ ল'ৰাবিলাকৰ লগত যিমান পাৰা চিনাজনা হবলৈ চেষ্টা কৰিবা। আনৰ ভাল habit বোৰলৈ লক্ষ্য কৰিবা। কোনো মানুহকে অৱহেলা ঘৃণা বা তাচ্ছিল্য নকৰিবা। নিজে খুউব cheerful, energetic আৰু hard working হবলৈ চেষ্টা কৰিবা। Cheerful আৰু efficient হলে সকলোৱে ভাল পায়। Bodily health আৰু good character এই কেইটা থাকিলেহে cheerful আৰু efficient হব পাৰিব। মানুহৰ সমস্ত জীৱনটোৱেই তপস্যা বা যোগসাধনা বা Struggle for existence বা race of life বুলি কব পাৰি। কিন্তু সংসাৰত অতি আসক্ত হোৱা মানুহে কষ্ট পায়। Higher ideal আৰু cheerfulness সদায় ৰাখিব লাগে।

তোমালোকৰ কলেজত কোন ঠাইৰ ল'ৰা বেছি? কোন প্ৰদেশৰ ল'ৰা-বিলাকে পঢ়াত বেচি ভাল? তাৰ বেচি ভাগ লৰাই নিৰামিষ খায় নেকি? তোমালোকৰ বন্ধ কোন তাৰিখৰ পৰা হব? তুমি French ভালকৈ পঢ়িব পাৰিছানে? Hindi বা Hindustani শিকিছানে? পঢ়াত যথেষ্ট সময় দিব পাৰিছানে? এইবিলাক সকলো কথা লেখিবা।

গুৱাহাটী
১৭।৮।৪০

দিনৌ এবাৰ দুবাৰ গায়ত্ৰী জপ আৰু প্ৰাণায়াম কৰাৰ চেষ্টা কৰিবা। Commercial Arithmetic বেছিকৈ পঢ়িবা। সদায় শুৱৰ সময়ত আৰু উঠিবৰ সময়ত পৰমেশ্বৰক একান্ত মনে স্মৰণ কৰিবা আৰু তোমাৰ মাক স্মৰণ কৰিবা।

ধুবুড়ী
১৮।৮।৪১

আমাৰ মানুহে hard work কৰিব নোৱাৰে যে তাৰ কাৰণ এইবোৰ :— (১) hard work লৈ প্ৰথমৰ পৰা মনত এটা ভয় থাকে, defeatist mind লৈ কাম আৰম্ভ কৰিলে কামত সফলতা নহয়। (২) hard work কৰিলে স্বাস্থ্যলৈ অৱহেলা কৰে। নাখাই নবৈ মনৰ আনন্দ, খেলা আদি সকলোকে পৰিত্যাগ কৰি কেৱল পৰিশ্ৰম কৰে, তাৰফলত শৰীৰৰ স্বাস্থ্য নষ্ট হয়, শৰীৰ আৰু মনৰ দুৰ্ব্বলতা আহে। জাৰ্ম্মানীৰ সৈন্যবিলাকে ইমান কষ্ট কৰি যুদ্ধ কৰিছে, কিন্তু সিহঁতৰ ফটোগ্ৰাফবিলাকৰ পৰা দেখা যায় যে সিহঁতৰ চেহেৰা ভাল হৈয়ে আছে। সিহঁতৰ চকুবিলাক কোটৰগত নহয়; গাল আৰু মুখবিলাক পূৰ, শৰীৰৰ ক্ষীণতা নাই। আমাৰ দেশৰ ডেকাবিলাকৰ শৰীৰ ক্ষীণ, চকু গাতত সোমোৱা, মনত আনন্দ নাই। এই ৰকম শৰীৰ লৈ টান কাম কৰি বেছিদিন ভাল কাম (efficient work) কৰিব নোৱাৰে। গতিকে আমাৰ দেশৰ প্ৰত্যেক ডেকা-লৰাই আৰু ছোৱালীয়ে স্বাস্থ্যৰ উন্নতি কৰিবলৈ চেষ্টা কৰা উচিত। হজমী শক্তি ভাল ৰাখিবলৈ, মনৰ আনন্দ ভাব ৰাখিবলৈ আৰু সদায় কিছু খেল বা ব্যায়াম কৰিবলৈ চেষ্টা কৰিব লাগে। ভেজাল বস্তু খোৱা বা অতিৰিক্ত খোৱা পৰিত্যাগ কৰিব লাগে, অথবা পুষ্টিকৰ বস্তু আৱশ্যক অনুসাৰে খাব লাগে আৰু হজম কৰিব পাৰিব লাগে।

ধুবুড়ী
৪।৯।৪০

জগতত যি সকল লোকে উন্নতি কৰে সেই সকলে সকলো বিষয়ত নহলেও কিছুমান কথাত নিয়মানুবৰ্তিতা বিশেষভাবে পালন কৰে। তেওঁলোকে যদি খোৱা শোৱা চিন্তা আদিৰো নিয়মানুবৰ্তিতা ৰক্ষা কৰি চলিব পাৰে তেন্তে আদৰ্শস্থানীয় লোক হব পাৰে। আদৰ্শস্থানীয় লোক হবলৈ এতিয়াৰ পৰা চেষ্টা কৰা। বোম্বাইৰ পিনে material prosperityৰ বাবে অশেষ পৰিশ্ৰম কৰা লোক আমাৰ দেশতকৈ বহুত বেছি আছে। তাৰ লগে লগে অন্যান্য বিষয়তো উচ্চ আদৰ্শ লৈ চলা মানুহো যথেষ্ট আছে বোধহয়।

তুমি Physical Exercise কি কৰা? লগৰ লৰাবোৰে ইংৰাজীত আলাপ কৰেনে হিন্দীত কৰে? হিন্দী কিতাপ কিনিছা নেকি? এইবিলাক কথাৰ

উত্তৰ দিবা। English Dictionary আৰু ভাল Grammar এখন সদায় ব্যৱহাৰ কৰিবা। হিন্দী খবৰৰ কাগজ মাজে মাজে পঢ়িবা।

গুৱাহাটী
১৬।১০।৪০

মোৰ আগৰ চিঠিত লিখা প্ৰশ্নবোৰৰ তুমি উত্তৰ দিয়া নাই। চিঠিৰ উত্তৰ লিখোঁতে চিঠিখন আগত লৈ উত্তৰ লিখা উচিত। বুলীৰ শহুৰেকলৈ লিখা চিঠিৰ সকলো কথাৰ উত্তৰ তেওঁৰ পৰা পোৱা যায়। এয়ে businessmanৰ নিয়ম। সোপাটিলা স্বভাব এৰিবলৈ চেষ্টা কৰিবা। Always try to be precise, ভাবিচাবাচোন বৰ্ত্তমান যুদ্ধত যুদ্ধ চলাওঁতে প্ৰত্যেক Pilot, প্ৰত্যেক Officer, প্ৰত্যেক Soldier কিমান precise ভাবে কাম কৰিব লগা হৈছে। অতি সামান্য ক্ৰটিৰ ফলত কত মানুহৰ প্ৰাণ নাশ হব পাৰে ভাবি চাবা। এই সকল জাতিৰ গুণ বিলাকলৈ সদায় মন কৰিবা।

ধুবুড়ী
২৬।১১।৪০

* * নিজৰ ওপৰত বিশ্বাস ৰাখি আৰু মনত সন্তোষৰ ভাব ৰাখি কঠিন পৰিশ্ৰম কৰিলেই কাৰ্য্যসিদ্ধি হয় আৰু উন্নতি হয়। অস্থিৰতা ভাব, অসন্তোষৰ ভাব, উদ্বেগ, নিৰাশা এইবোৰ সম্পুৰ্ণৰূপে পৰিত্যাগ কৰিবলৈ চেষ্টা কৰা উচিত। খেলা কৰোঁতে, ফুৰোঁতে, শোৱা সময়ত, উঠা সময়ত ঈশ্বৰক ভাবিবলৈ চেষ্টা কৰা উচিত। দিনৌ ছুৱাৰমান প্ৰাণাযাম কৰিবলৈ চেষ্টা কৰিবা। প্ৰাণায়াম কৰাৰ পৰা আৰু ঈশ্বৰ চিন্তাৰ পৰা মনলৈ পৱিত্ৰ ভাব আহে। তুমি ব্যাযাম কি কৰা? টেনিচ খেলাৰ সুবিধা আছে নেকি? তোমাৰ কোঠাত কোন কোন থাকে? ওচৰৰ কোঠাত কোন কোন থাকে? তোমালোকৰ ৰান্ধনি, লগুৱা আদিয়ে কি ভাষাত কথা কয়? ইত্যাদি সকলো খবৰ লিখিবা।

নগাওঁ
১৪।১২।৪০

* * তুমি পৰীক্ষাত সকলো বিষয়তে শতকৰা ৫০তকৈ বেচি নম্বৰ পোৱা শুনি সুখী হৈছো। নিয়মিত ভাবে পঢ়িলে আৰু নিজৰ ওপৰত সম্পুৰ্ণ বিশ্বাস ৰাখি পঢ়িলে ইয়াতকৈও ভাল ফল হব। Don't under-rate your

abilities। আমাৰ বুদ্ধিৰ উচিত ব্যৱহাৰ নকৰো আৰু শৰীৰৰ ক্ষমতাৰ সৎ-প্ৰয়োগ নকৰো, সেইবাবে আমি বেছি উন্নতি কৰিব নোৱাৰো। যেতিয়া যিটো কাম কৰা যায় তাতে সম্পূৰ্ণ মন দিব পৰা ক্ষমতাটো অভ্যাস কৰিব লাগে। এটা কাম কৰাৰ সময়তো মনটো আন আন চিন্তালৈ গলে কামটো ভাল হব নোৱাৰে। এই কাৰণেই কথা মনত নেথাকে। মনটো সংযত কৰাটো প্ৰধান কথা। খেলাৰ সময়ত পঢ়াৰ চিন্তা আহিব নেলাগে, পঢ়াৰ সময়ত আন চিন্তা আহিব নেলাগে। অভ্যাসৰ বলত মনৰ একাগ্ৰতা হয়। মোৰ মৰম আৰু আশীৰ্ব্বাদ লবা।

ধুবুড়ী
৩।১।৪১

* * সকলো কামতে নিয়মিতাচাৰী হবলৈ চেষ্টা কৰিবা। জীৱনত উন্নতি কৰাৰ এয়ে উপায়। Hard work, regular habits, good health, cheerful temperament and reliance on God এই কেইটা অভ্যাস কৰিবলৈ চেষ্টা কৰা। সদায় এই কেইটা কথা স্মৰণ কৰিবা। এটা বহীৰ পাতত লেখি দিনৌ পঢ়ি এই কেইটাৰ বিষয়ে চিন্তা কৰিবা। তোমাৰ নিজৰ উন্নতি নিজৰ হাতত। ইচ্ছা কৰিলে জীৱন ক্ৰমশঃ ভালেকৈ নিব পাৰা। তোমাৰ কাৰ্য্যৰ দ্বাৰায়ে তোমাৰ জীৱন বেযালৈ নিব পাৰা। মনৰ দুৰ্ব্বলতাই আৰু Pleasure seekingএ অৱনতি ঘটায, শেহত তাৰপৰা কষ্টহে পোৱা যায়। Higher আৰু more permanent pleasure মনৰ বলবৃদ্ধি কৰাৰ পৰা আৰু সৎচিন্তা আৰু hard workৰ পৰাহে পোৱা যায। মন আৰু শৰীৰৰ স্বাস্থ্য বঢ়াবলৈ সদায যত্ন কৰিবা। মোৰ আশীৰ্ব্বাদ লবা।

যোৰহাট
৭।৭।৪১

* * যিমানলৈকে পৰা যায় আমাৰ সমাজৰ নিয়ম মানি চলিব লাগে। ৺দেউতায়ো এই নিযমত চলিছিল। আৰু এইটো যুক্তিসঙ্গত কথা। আমাৰ সগা ভগা, আত্মীয কুটুম, গুৰু, পুৰোহিত, বন্ধু বান্ধৱে যিবিলাক আচাৰ ব্যৱহাৰ বেয়া পায় সেইবোৰ আচাৰ ব্যৱহাৰ নকৰি থাকিবলৈ চেষ্টা কৰা নিতান্ত আৱশ্যক। সেইবিলাক আচাৰ ব্যৱহাৰ ন্যায়সঙ্গত বুলি বিশ্বাস কৰিলেও সেই-বিলাক নকৰি থকাটোৱে ভাল। আমি যি সমাজত থাকিব লাগিব সেই সমাজক উচাটু কৰি কাম কৰা অন্যায়।

গিৰিয়েকে ঘৈণীয়েকৰ মনত সন্তোষ দি চলা উচিত, ঘৈণীয়েকেও গিৰিয়েকৰ মনত আঘাত নিদি চলিব লাগে। সেইদৰে সমাজৰ মানুহেও পৰস্পৰৰ Sentiment, religious ideas আদিত আঘাত নিদিয়াকৈ যথা সম্ভৱ ৰূপে চলা উচিত। ইয়াৰ অন্যায় কৰিলে সমাজত অনাদৃত আৰু হেয় হব লাগে। সমাজক নিজৰ মতলৈ আনিবলৈ চেষ্টা কৰিব লাগে, অবজ্ঞা কৰিব নালাগে। পৰৰ ভাল গুণবিলাকলৈ চকু দিয়া অভ্যাস নাথাকিলে বিদেশভ্ৰমণৰ পৰা একো ফল নহয়। মোৰ মৰম আৰু আশীৰ্ব্বাদ লবা।

যোৰহাট

৬।৮।৪১

* * ৰাতি ভাত খাই বেছি সময় নপঢ়ি শেহৰাতি উঠি পঢ়াৰ অভ্যাস কৰি'ল সৰ্ব্বপ্ৰকাৰে ভাল। এই অভ্যাসটো লাহে লাহে কৰিবলৈ চেষ্টা কৰিবা। এমাহ মানলৈ ১৫ মিনিট মানি আগেয়ে উঠি ১৫ মিনিট আগেয়ে শোৱা, তাৰ পিচত ২০ মিনিট আগেয়ে উঠিবা আৰু ২০ মিনিট আগেয়ে শুবা। এইৰূপে লাহে লাহে ৫ বা ১০ মিনিটকৈ উঠা সময় আৰু শোৱা সময় আগুৱাই নিবা। পেট বেছি ভৰ্ত্তি কৰিলেই অসুখ হব, খোৱা বিষয়ত অতি নিয়মীয়া হবা। বেয়া বস্তু নাখাবা আৰু ভোকত নাথাকিবা। জেপত টেমা এটাত, সন্দেশ এটা বা ছানা অলপো বা খেজুৰ ৪টা বা আন ভাল বস্তু অলপ লৈ ফুৰিলে ভোকৰ সময়ত যতে ততে খাব পাৰিবা।

ধুবুড়ী

২০।১।৪২

* * তুমি ৰাতি ভাত খোৱাৰ পিচত বেছি ৰাতিলৈ সাৰে থকাতকৈ শেহ নিশা উঠি পঢ়াটোহে ভাল। দিনৰ দিনটো পৰিশ্ৰম কৰি ৰাতি ভাত খোৱাৰ পাছত মানসিক পৰিশ্ৰম কৰা ভাল নহয়। ৰাতিৰ সাজত heavy meal নাখালে শেহৰাতি উঠিবলৈ কষ্ট নহয়, heavy meal খালে পুৱাতে টান হয়। Heavy meal নাখাই nutritious food খোৱা স্বাস্থ্যৰ পক্ষে ভাল। মাখন (বিশুদ্ধ মাখন) খোৱাটো Brain workৰ পক্ষে ভাল। টনচিল ৰোগীৰ পক্ষে মাখন, কডলিভাৰ অইল আদি খাদ্য ভাল। শেহৰাতি সাৰ পোৱা অভ্যাসটো ভাল। সেই সময়ত পঢ়িলে পঢ়া মনত থাকে। মনটো যাতে wander নকৰে অৰ্থাৎ

এটা কথা কৰি থাকোঁতে মনটোৱে অন্য কথা নাভাবে তেনে অভ্যাস কৰা উচিত। মনটোৰ habits বোৰ ভাল কৰি লব পৰাৰ ওপৰতে জীৱনৰ উন্নতি নিৰ্ভৰ কৰে।

তোমাৰ টনচিল আৰু যকৃতৰ (liver) যাতে অসুখ নহয় তাৰ বাবে সদায় যত্নশীল হবা। কি কি বস্তু খালে তোমাৰ যকৃত ভালে থাকে তাক মন কৰিবা। কোনো মানুহৰ তিতাই শুজে, কাকো মিঠা বস্তুই শুজে, কাকো ফলমূল শাক আদিয়ে শুজে।

নগাওঁ

১০।৩।৪২

* * তুমি কড্‌লিভাৰ অইল খাই ভাল পোৱা শুনি বৰ সুখী হৈছোঁ। তাৰ লগে লগে কবিৰাজী চ্যৱনপ্ৰাশ খালে বৰ উপকাৰ পাবা। শক্তি ঔষধালয়ৰ চ্যৱনপ্ৰাশ সস্তা অথচ ভাল। চ্যৱনপ্ৰাশ এতিয়া নেখাই Biochemic Cal phos 6x আৰু Kali phos 6x খাব পাৰা। Messrs Mahesh Chandra Bhattacharjee and Coৰ পৰা Biochemic দৰব কিনিলে ভাল পাব পাৰা। One grain tablet formত কিনিলে ব্যৱহাৰ কৰিবলৈ সুবিধা পাবা। Cal phos দুই গ্ৰেইন আৰু Kali phos ৩ গ্ৰেইন মুঠতে ৫ গ্ৰেইন এক ডোজত খাব পাৰা। Cal phos small doseত বেছি উপকাৰী। Cal phos calcium dificiencyত ভাল আৰু পুষ্টিকাৰক। Kali phos মস্তিস্কৰ বলবৰ্দ্ধক, mental exerciseৰ বাবে ভাল। চ্যৱনপ্ৰাশো calcium dificiencyত ভাল, মস্তিষ্কৰ বাবে উপকাৰী, কোষ্ঠ পৰিষ্কাৰক আৰু বলবৰ্দ্ধক। ভাল ঔষধালয়ৰ চ্যৱনপ্ৰাশহে ব্যৱহাৰ কৰা উচিত। ভালৰূপে প্ৰস্তুত কৰা নহলে চ্যৱনপ্ৰাশেও অপকাৰ কৰাৰ ভয় আছে। মৌ বা গৰুৰ ঘিঁউ বা গাখীৰৰ লগত মিহলাই খালে বেছি ভাল।

গুৱাহাটী

৪।৪।৪২

* * স্বাস্থ্য বৰ ভালকৈ ৰাখিব জনাটো সভ্যতাৰ এটা প্ৰধান লক্ষণ। পৰিষ্কাৰ কাপোৰ পিন্ধা, পৰিষ্কাৰ ভাবে থকা, ঘৰ খোটালি বস্তু বাব চাফ আৰু চিক্কিল কৈ ৰখা সভ্যতাৰ এটা চিন। সকলো ধৰ্ম্মেয়ো ইয়াক কিছু কিছু পৰিমাণে শিক্ষা দিয়ে। আমাৰ হিন্দু ধৰ্ম্ম মতে সদায় অন্ততঃ এবাৰ গা ধুব লাগে, দাঁত

ভালকৈ মাজিব লাগে, থুই পেচাব আদি গাত লাগিলে ভালকৈ ধুই পেলাব লাগে। ধোৱা কাপোৰ পিন্ধি খাব লাগে, যাৰে-তাৰে হাতে খাব নেলাগে, গুৰুভোজন কৰিব নেলাগে, ইত্যাদি প্ৰায় সকলো নিয়ম স্বাস্থ্যৰ বাবে আৰু পৰিষ্কাৰ থকাৰ বাবে কৰা দেখা যায়। এই বিষযে আজিকালি বহুত শিক্ষিত ডেকাই কাম নকৰে, লেতেৰা ভাবে বহুতে থাকে, স্বাস্থ্যৰ পিনে চকু নিদিযে, সেইবাবে আনৰ আগত হেয় হয়। শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা, শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ, ৺পৰশুৰাম খাউণ্ড, শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, ৺জগন্নাথ বৰুৱা আদি আমাৰ দেশৰ মানুহৰ আহিঁ এই বিষয়ত লব লাগে। জৱহৰলাল নেহেৰু, ৰাজেন্দ্ৰপ্ৰসাদ প্ৰভৃতিৰ আদৰ্শও সদায় মনত ৰাখিব লাগে।

যোৰহাট
১৪।৫।৪২

* * মানুহৰ জীৱন বৰ মূল্যবান কিন্তু তাতকৈ বেছি আবশ্যকীয় হৈছে কৰ্ত্তব্য পালন অৰ্থাৎ ধৰ্ম্মাৰ্জ্জন। আত্মাৰ উন্নতি কৰ্ত্তব্য পালনৰ পৰাহে হয। আমাৰ পুৰণিকলীয়া ভাষাত তাকে ধৰ্ম্মাৰ্জ্জন বোলে। দেহ নষ্ট হয কিন্তু আত্মা চিৰকাল স্থায়ী। সেইবাবে দেহক কষ্ট দি বা দেহ নাশ কৰিও ভাল মানুহে সদায কৰ্ত্তব্য পালন কৰি আহিছে। আত্মাৰ উন্নতি বা মনুষ্যত্বৰ বিকাশ (self realisation বা evolution of the self) ধন-সম্পত্তি, মান, শৰীৰ, সুখ, সম্পদ এই সকলো বিলাকতকৈ বৰ প্ৰয়োজনীয় বস্তু। তুমি সদায় পবিত্ৰ, সৎ হৈ থাকিবলৈ চেষ্টা কৰিবা। আদৰ্শ সদায় ডাঙৰকৈ আৰু ভালকৈ ৰাখিবা। তুমি যি বাট বাছি লৈছা সেই বাটতে আনন্দ আৰু উন্নতি তুমি লাভ কৰা আৰু কৰ্ত্তব্য পালন কৰি ধৰ্ম্ম আৰ্জ্জিবলৈ সমৰ্থ হোৱা ইয়াকে মই প্ৰাৰ্থনা কৰিছোঁ। তোমাৰ স্বৰ্গগতা মাতৃদেৱীৰ আৰু আমাৰ পূৰ্ব্বপুৰুষৰ আৰু ভগবানৰ আশীৰ্ব্বাদ সদায় পুৰা সাৰ পায়ে আৰু শুবৰ সময়ত ভক্তিৰে প্ৰাৰ্থনা কৰিবা। তাৰ পৰা কল্যাণ হব।

যোৰহাট
১৭।৮।৪২

* * আমি ইংৰাজৰ বেয়া গুণবোৰ অনুকৰণ কৰোঁ, ভাল গুণবোৰ অনুকৰণ নকৰোঁ। আমি সাধনা নকৰি সিদ্ধিলাভ বাঞ্ছা কৰো। কাম পেলাই থোৱা দোষৰ বাবেই আমাৰ লৰাবিলাক পৰীক্ষাত ফেল হয়। চাকৰিয়াল-

বিলাকে চাকৰিত ভালদৰে উন্নতি কৰিব নোৱাৰে আৰু ব্যৱসায়ীসকলে কাৰ-খাৰত সিদ্ধিলাভ কৰিব নোৱাৰে। তোমালোকৰ এই বয়সত কুঅভ্যাস ত্যাগ কৰি সদ অভ্যাসবোৰ নিজৰ স্বভাৱৰ অংশ কৰি লবলৈ চেষ্টা কৰিব লাগে। মই জ্ঞানী হম, মানী হম, আনৰ উপকাৰ কৰিম, পৰীক্ষা ভাল দৰে পাছ কৰিম এইবোৰ আশা কৰিলে একো লাভ নহয় যদি নিজৰ কৰ্ত্তব্যনিষ্ঠা, সময়নিষ্ঠা, কাম কৰিবৰ শক্তি ইত্যাদি বঢাবলৈ যত্ন কৰা নহয়। আগলৈ উচ্চ আশা কৰি একো লাভ নাই যদি বৰ্ত্তমানত আমাৰ কৰ্ত্তব্য পালন অমি কৰিব নোৱাৰো। The future is shaped by our present actions, we should try to do our duties perfectly

---

ভাগিনিয়েক শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱালৈ দিয়া কেইখনমান চিঠিৰ অংশবিশেষ।

ইমফল

১৬।১২।৪৫

* * খিযলখিযালিৰ ভাব আৰু অপৰৰ কিবা ক্ৰুটি বা দোষ অলপ পালেই তাৰ বাবে ভীষণ শাস্তি দিবলৈ বা প্ৰতিশোধ লবলৈ নিতান্ত আগ্ৰহ থকা বাবেই আমি পৰাধীন হৈ আছোঁ আৰু সমাজত আমি সুখ শান্তিত থাকিব নোৱাৰোঁ। খৃষ্টধৰ্ম্মই মানুহৰ প্ৰতি স্নেহভাব (love) আৰু পাপীৰ প্ৰতি ক্ষমাৰ ভাব শিক্ষা দিযে। এই ভাব আমাৰ সমাজত বৰ্ত্তমানত নিতান্ত কম। আমাৰ বৰ্ত্তমান কালৰ ধৰ্ম্ম হৈছে—পাপীক ঘৃণা কৰা, দোষীক দাৰুণ দণ্ডবিধান, কাৰ্য্যৰ অন্বেষণ, নিজৰ সম্পদ-বৃদ্ধি আৰু বিপদ-মুক্তিৰ বাবে পূজা-অৰ্চ্চনা আৰু শান্তিকৰ্ম্ম আদি কৰা। কিন্তু পাপীৰ পৰিত্ৰাণৰ বাবে চেষ্টা কৰা, ৰোগী আৰু আতুৰৰ কষ্ট নিবাৰণৰ চেষ্টা কৰা, দুৰ্ব্বলক সহায় কৰা, লোকসেৱা কৰা, অন্যৰ উপকাৰৰ অৰ্থে অৰ্থ বা সম্পত্তিদান, অন্যৰ দোষ ক্ষমা কৰা এইবোৰক আমি ধৰ্ম্ম বুলি কাৰ্য্যতঃ নামানো। তাৰ ফলতেই আমাৰ সমাজ আজিকালি দুখ, খিয়লা-খিয়লি, হিংসা প্ৰভৃতি ভাবেৰে পৰিপূৰ্ণ। বঙ্গালী-অসমীয়াৰ দ্বন্দ্ব, হিন্দু-মুছলমানৰ বিৰোধ, উচ্চজাতি নীচজাতিৰ কলহ, ব্ৰাহ্মণ-অব্ৰাহ্মণৰ কাজিয়া, উজনীয়া কাম-ৰূপীয়াৰ প্ৰতিদ্বন্দ্বিতা, ভাযী বংশৰ ভিতৰত কন্দল ইত্যাদিৰ প্ৰধান কাৰণ, প্ৰেমৰ

অভাব, ক্ৰূৰতাৰ প্ৰাবল্য। আমি পাপক নিঘিনাওঁ, পাপীকহে ঘিণাওঁ। অৰ্থাৎ নিজে পাপ কৰিবলৈ বেয়া নাপাওঁ, আনে সামান্য দোষ কৰিলেও তাক ভীষণ শাস্তি দিবলৈ আমাৰ বৰ আগ্ৰহ। এইবিলাকৰ বাবেই আমাৰ বৰ্ত্তমান দুঃখ দুৰ্গতি আৰু পৰাধীনতাৰ কষ্টভোগ হৈছে। মহাত্মা গান্ধীয়ে আমাৰ এই পাপৰ প্ৰতিকাৰৰ বাবে প্ৰাণপণে চেষ্টা কৰি আমাৰ পাপৰ ভাৰ কমাবলৈ চেষ্টা কৰিছে। ভগবানে তেওঁৰ চেষ্টা সফল কৰক ইয়াকে সকলোৱে প্ৰাৰ্থনা কৰা উচিত।

Block 4B
P35/B, Chittaranjan
Avenue
Calcutta—5
8-5-48

* * সকলো কাম ভগবানৰ ইচ্ছাতহে হয়। কিন্তু সেই বুলি হাত সাবটি বহি থকা উচিত নহয়। "God helps those who helps themselves এই কথাষাৰ বৰ ঠিক। প্ৰত্যেক মানুহেই সাধ্য অনুসৰি কৰ্ত্তব্য পালন কৰক ইয়াক পৰমেশ্বৰে ইচ্ছা কৰে। মানৱ সমাজতো এজন বাপেকে তেওঁৰ পুতেকবোৰ কৰ্ম্মী আৰু কৰ্ত্তব্যপৰায়ণ হওক ইয়াকে আকাঙ্ক্ষা কৰে। আমাৰ স্বৰ্গীয় পিতা (heavenly Father) ৰো তেনেই অভিপ্ৰায় বুলি ভাবিব লাগে। কিন্তু আমাৰ চেষ্টা সফল নহলে বা আকাঙ্ক্ষা পূৰণ নহলে তাৰ বাবে বেচি দুঃখিত হব নালাগে। ফল পামেই এনে দৃঢ় আকাঙ্ক্ষা কৰি কৰ্ম্ম কৰিব নালাগে।

"কৰ্ম্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন"
(কৰ্ম্ম কৰাটোহে তোমাৰ অধিকাৰত, ফলত
তোমাৰ কেতিয়াও অধিকাৰ নাই।)

এই গীতাৰ বচন সদায় মনত ৰাখি চলিবলৈ চেষ্টা কৰিব লাগে। তাৰ পৰা মনলৈ শান্তি আৰু দৃঢ়তা আহে।

ইম্ফল
১৩।১।৪৬

* * মই অলপতে বিলাতৰ পৰা M. Valentine Brooke চাহাবৰ পৰা চিঠি আৰু Christmas Card পাইছোঁ। তেওঁ ইয়াত major আৰু

Admin. Commandant আছিল। তেওঁ মোক papa বুলি মাতে। তেওঁ পঠোৱা Christmas Cardৰ ছপোৱা কথাখিনি বৰ ভাল লগাবাবে তলত লেখিলো, তুমি পঢ়িবৰ বাবে ঃ—

"O Divine master,
Grant that I may not seek
To be consoled as to console ,
To be understood, as to understand ,
To be loved, as to love,
For it is in Giving that we Receive ,
It is in Pardoning that
we are Pardoned
It is Dying that we
are born to Eternal
Life (St Fancis)"

মোৰ মনেৰে এই উপদেশখিনি সত্য।

"Hate sin but not the sinner"

এই উপদেশটো কেৱল যীশু, বুদ্ধ আৰু মহাত্মা গান্ধীয়ে হে পালিবলৈ পাৰিছে, আন কোনো মানুহে পাৰা নাই বুলিয়ে তুমি লেখিছা, সেইটো সঁচা নহয়। সহস্ৰ সহস্ৰ লোকে এই উপদেশ পালন কৰিছে। Christian Saints সকলৰ জীৱন চৰিত বা বুদ্ধ যুগৰ বহুত ধাৰ্ম্মিক লোকৰ জীৱনকাহিনী পঢ়ি চাবা। তাক এৰি বহুত মানুহেই এই উপদেশ যথাসাধ্য মতে পালিবলৈ চেষ্টা কৰিছে আৰু সফলতাও লাভ কৰিছে। প্ৰত্যেক মানুহৰেই দোষ আছে। ঈশ্বৰক এৰি আন কোনোৱে নিৰ্দ্দোষ বা সম্পূৰ্ণ ভাল হব নোৱাৰে। কোনো মানুহৰ দোষৰ পৰিমাণ কম , কাৰো বেছি। গতিকে ৰামচন্দ্ৰ বা কৃষ্ণৰ দোষ আছে আমি দোষযুক্ত হৈ থাকিবলৈ ইচ্ছা কৰিব নেলাগে। দোষ গুচাবলৈ চেষ্টা কৰিও সফল কাম নহলে বেলেগ কথা। গতিকে "Hate sin but not the sinner" এই সৎ উপদেশ মতে কাম কৰিবলৈ আমাৰ সদায় চেষ্টা থাকিব লাগিব। সৎ চেষ্টা সত্তেও যদি আমি সেই উপদেশ পালন কৰিবলৈ সমৰ্থ নহওঁ তেন্তে তাৰ বাবে দুঃখিত আৰু লজ্জিত হোৱা উচিত।

জজ বা বিচাৰকে দণ্ড দিয়ে সমাজৰ অপৰ লোকক ৰক্ষা কৰাৰ বাবে। ধৰ্ম্ম-প্ৰচাৰকে দুষ্ট লোকক উপদেশ দি, ভাল ব্যৱহাৰ কৰি , ভালকৈ নিবলৈ চেষ্টা

কৰে। পিতা মাতা প্ৰভৃতি গুৰুজনে বা শিক্ষকে দণ্ড দিয়ে ভবিষ্যত উন্নতিৰ বাবে অৰ্থাৎ বদ্ স্বভাব পৰিবৰ্ত্তনৰ উদ্দেশে। বিচাৰকক বা অভিভাবকক বা শিক্ষকে শত্ৰুভাব লৈ দণ্ড দিয়া অতি গৰ্হিত কাম। দণ্ড দিয়া আৰু শত্ৰুভাব পোষণ কৰা এই দুটা একে নহয়। লৰা এটাৰ যদি চুৰি কৰা স্বভাব থাকে তেন্তে তাক বুজাই বৰাই ভাল কৰাটো সৰ্ব্বোত্তম। তাক নকৰি তাক বেতৰ কোব এটা দুটা মাৰিও সেই স্বভাবৰ পৰা মুক্ত কৰাটো তাৰ পক্ষে হিতজনক। কিন্তু তাক শত্ৰু বুলি ভবাটো অৰ্থাৎ তাৰ প্ৰতি হিংসা কৰা বা আন কথাতো নিৰ্ম্মম বা বেয়া ব্যৱহাৰ কৰাটো অন্যায়।

শত্ৰুতা ভাব বা হিংসা ভাব বা hatred সৰ্ব্বদায় বেয়া। ক্ৰোধান্ধ হৈ শাস্তি দিয়া তাতকৈ কিছু কম বেয়া। Bad habit বা sin বা দোষ গুচাবলৈ দণ্ড দিয়া বহুত সময়ত প্ৰযোজনীয়। এইটো হৈছে দোষীৰ মঙ্গলৰ বাবে দণ্ড দিয়া। তাক এৰি সমাজৰ অপৰ লোকৰ ৰক্ষাৰ বাবে দণ্ড দিয়াও বহুত সময়ত প্ৰয়োজনীয়, শাসনকৰ্ত্তাৰ পক্ষে এইটো কৰ্ত্তব্যই। সেই বাবেই বিচাৰকে উচিত দণ্ড দিযাটো কৰ্ত্তব্যৰ ভিতৰত।

কৃষ্ণই কুৰুক্ষেত্ৰত অৰ্জ্জুনক দিয়া উপদেশ, বদন বৰফুকনক মৰোৱা আদি যিবিলাক কথা লেখিছা সেইসকল বিষযে বহুত কবলগীয়া কথা থাকিলেও সময়াভাৱত লেখিব নোৱাৰিলোঁ।

ইস্ফল
৭।৭।৪৭

* * মই আজিকালি ৰাতি চিঠি নিলিখোঁ, খবৰ কাগজ পঢ়াক এৰি ৰাতি আন কাম নকৰোঁ। পুৱা বেলিকাতে মোৰ নিজা কাম কৰিব লাগে। প্ৰায়ে বহুত মানুহ আহে বাবে সময় বেচি পোৱা নাযায। আমাৰ কাম কৰিবৰ শক্তি কম বাবেই জীৱনত ভাল কাম নিতান্ত কম পৰিমাণে কৰা পৰে। আমাৰ অসমীয়া সমাজত বিশেষকৈ, সকৰে পৰা কাম কৰাৰ অভ্যাস শিকোৱা নহয়। মই দেখিছোঁ বহুত অসমীয়া ভদ্ৰলোকে চিঠিৰ উত্তৰ নিদিযে। মই নিজেই বহুত সমযত বহুত চিঠিৰ উত্তৰ দিব পৰা নাই। এই স্বভাৱৰ বাবেই অসমীয়াৰ কাৰবাৰত অসুবিধা হয়। ভাস্কৰ ইনচিওৰেন্স কোম্পানীৰ এজেণ্ট ইয়ালৈ আহি ইয়াত বহুত মানুহৰ পৰা কাম পাইছিল। কিন্তু গুৱাহাটীৰ অফিচৰ দোষত ইয়াত বহুতে বৰ বেজাৰ পাইছে। ইয়াৰ চাব-এজেণ্ট কেজনে কৈছে যে ইয়াত আৰু কাম পোৱাৰ আশা নাই। অসমীয়া মানুহৰ কাৰ্য্যকুশলতা নবঢ়ালে বিদেশীৰ প্ৰতি হিংসাভাব পোষণ

কৰি উন্নতি কৰিব নোৱাৰি, বৰং মনটোহে বেয়া হয়। এই কথাটো বহুত অসমীয়া দেশহিতৈষীয়ে নুবুজে। অসমৰ উন্নতি অসমীয়া মানুহৰ উদ্যম, সততা আৰু সদ্ভাবৰ ওপৰত নিৰ্ভৰ কৰিব। অসমীয়া জাতি ধনী নহলেও তিমান দুখৰ কথা নহয়, কিন্তু স্বাৰ্থপৰ, সহানুভূতিবিহীন, এলেহুৱা আৰু অসৎ হলে যি কোনো জাতি বা মানুহ প্ৰকৃততে ঘৃণনীয় হয়। এনে জাতি নথকাই ভাল। আমাৰ বহুত দেশহিতৈষীয়ে অসমীয়াৰ মন বিদ্বেষ পৰিপূৰ্ণ কাৰবলৈ হে বেছি চেষ্টা কৰা দেখা যায়—যেনে বিদেশীবিদ্বেষ, মুছলমানবিদ্বেষ, নীচজাতিবিদ্বেষ, উচ্চজাতি বিদ্বেষ, শাক্তবিদ্বেষ, মহাপুৰুষীয়াবিদ্বেষ ইত্যাদি। ইয়াৰ কাৰণ হৈছে অপৰৰ দোষবোৰ বেছিকৈ দেখা। অপৰৰ দোষ গুচাই অপৰক ভাল কৰিবলৈ চেষ্টা কৰা উচিত, কিন্তু শত্ৰুভাবে নহয় বন্ধুভাবে এই কাম কৰিব লাগিব, real missionary spiritএৰে কৰিব লাগিব। আৰু আনক ভাল কৰাৰ আগেয়ে নিজক ভাল কৰিব লাগিব। আমাৰ পতনৰ যুগত আনক সমাজচ্যুত কৰি'লৈ আমি বৰ উৎসাহী হৈছিলো। কিন্তু পৰৰ সেৱা কৰিবলৈ হলে আমাৰ মানুহ নোলায়। এই বাবেই বহুত হিন্দু সমাজ ত্যাগ কৰিবলৈ বাধ্য হৈছিল। এইবাবেই Gandhian attitude and methods, Hindumahasobha methods, Communist methods প্ৰভৃতিতকৈ শ্ৰেষ্ঠ আৰু more effective বুলি মই ভাবোঁ। গীতা ভাগৱতৰ মনোৰম ব্যাখ্যা কৰা পণ্ডিত আমাৰ সমাজত বহুতো আছে, সঙ্কীৰ্ত্তন কৰি হৃদয়ৰ আবেগত ক্ৰন্দন কৰা লোক বৰ বেছি আছে। কিন্তু পাপীক পাপৰ পৰা উদ্ধাৰ কৰি সৎ কৰিলে, ৰোগীৰ সেৱা কৰিবলৈ, নীচ শ্ৰেণীৰ লোকক ভাল কৰিবলৈ কৰ্ম্মত ব্যাপৃত থকা লোক আমাৰ মাজত বৰ বিৰল।

ইম্ফল

২৮।৪।৪৬

* * তোমাৰ এটা ভুল ধাৰণা আছে—অন্ততঃ মই তেনে বিশ্বাস কৰোঁ। —আন মানুহৰ সঁচাই মিছাই অভিযোগ শুনি মোৰ বিচাৰ, ধাৰণা আৰু সিদ্ধান্তবোৰ পক্ষপাতযুক্ত হয়। অৱশ্যে মই এইটোও বিশ্বাস নকৰোঁ যে মোৰ বিচাৰ ধাৰণা আৰু সিদ্ধান্ত সদায় নিৰ্ভুল হয়, বৰং এইটোৰেই স্বাভাৱিক বুলি ভাবোঁ যে আমি যেতিয়া অন্তৰ্যামী আৰু সৰ্ব্বজ্ঞ নহওঁ তেনেস্থলত আমাৰ বহুত স্থলত ভুল হোৱাটোৰেই স্বাভাবিক। কিন্তু অসত্য প্ৰমাণৰ পৰা বা লগনীয়া কথাৰ পৰা

সত্যকথা বাচিব পৰাটোৰেই বিচাৰকৰ প্ৰধান কৰ্ত্তব্য আৰু এই কৰ্ত্তব্য পালন কৰিবলৈ মই যথাসাধ্যমতে চেষ্টা কৰোঁ। মানুহৰ দোষগুণ বিষয়েও মই এটা সত্য ধাৰণা কৰিবলৈ চেষ্টা কৰোঁ। মই দেখিছোঁ যে মোৰ ধাৰণা কেতিয়াবা কেতিয়াবা ভুল হলেও প্ৰায়ে সত্য হয়। এইবাবেই মোৰ জীৱনত বন্ধু-বিচ্ছেদ প্ৰায়ে হোৱা নাই।

শ্ৰীযুত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় মহাশয় গুৱাহাটীলৈ উভতি অহা শুনি মই বৰ আনন্দিত হলোঁ। তেখেত যতে থাকে তাত সদালোচনাৰ তৰঙ্গ তেওঁ সৃষ্টি কৰে। তাৰ পৰা সেই ঠাইৰ মানুহৰ বিশেষ উপকাৰ হয়।

তেওঁ যি ইউৰোপৰ আদৰ্শ “die in harness” অপেক্ষা ভাৰতবৰ্ষৰ আদৰ্শ “die in peace”টো ভাল বুলি কৈছে সেই বিষয়টোত তেওঁৰ লগত সম্পূৰ্ণ একমত মই হব নোৱাৰোঁ। তেওঁৰ কথাষাৰত আংশিক সত্য আছে মাত্ৰ কিন্তু কথাষাৰ বৰ misleading ইউৰোপৰ সভ্যতা নতুন, উঠি-অহা, ইউৰোপৰ জাতিবোৰ অত্যন্ত উদ্যমশীল; এইবাবেই তেওঁলোকৰ ভিতৰত কৰ্ম্মবীৰ বেছি। কিন্তু তেওঁলোকৰ ভিতৰত প্ৰকৃত ঈশ্বৰ ভক্ত লোক কম নহয় আৰু মনৰ বল থকা মানুহৰ সংখ্যা আমাৰ দেশতকৈ বেচি যেনহে বোধ হয়। কৰ্ত্তব্যপালন কৰি শান্তি-লাভ কৰাটোৰেই মানুহৰ আদৰ্শ হব লাগে। সংসাৰৰ সমস্ত কাম কাজৰ মাজতো যি মানুহে পৰমেশ্বৰত ভক্তি ৰাখি মনত শান্তি (peace) লাভ কৰিব পাৰে সেইজন মানুহেই আমাৰ অনুকৰণীয় হব লাগে। যিজন মানুহে সংসাৰৰ কাম কৰোঁতে সংসাৰত ইমান লিপ্ত হৈ পৰে যে কেৱল অশান্তিহে ভোগ কৰে আৰু নিজৰ মনৰ দুৰ্ব্বলতাৰ বাবে সংসাৰক নিন্দা কৰি কৰ্ম্মৰ পৰা বিৰত হৈ মনৰ শান্তি বিচাৰে, সেইজন লোক আমাৰ আদৰ্শ হব নোৱাৰে। মহাত্মা গান্ধীয়ে এই বৃদ্ধ বয়সতো অনবৰত কৰ্ম্ম কৰিছে, তাৰ লগে লগে তেওঁৰ মনত যিমান শান্তি আৰু আনন্দ আছে কেৱলীয়া ভকত সকলৰ বহুতৰে তাৰ দহ ভাগৰ এভাগ শান্তি বা আনন্দ নাই। কৰ্ম্মবিমুখ হৈ শান্তি লাভ কৰাৰ পৰা বেছি লাভ নহয় বুলি মই ভাবোঁ। “বৃদ্ধা বেশ্যা তপস্বিনী” হোৱাৰ নিচিনা অল্প মাত্ৰ লাভ আছে। সাংসাৰিক কৰ্ত্তব্যলৈ পিঠি দি হাতত একতাৰা যন্ত্ৰ লৈ ঘৰে ঘৰে হৰিনাম গান কৰি ভিক্ষাৰ দ্বাৰাই জীৱিকা অৰ্জ্জন কৰা লোকৰ ভিতৰত কিছুমান সৎ আৰু শান্ত মনৰ মানুহ আছে, কিছুমানে এনে অৱস্থাতো মনৰ অশান্তি ভোগ কৰে। এই সকল লোক কৰ্ম্মবিমুখ কাৰণে তিমান প্ৰশংসনীয় নহয়। যিসকল লোকে গাৰ্হস্থ্য ধৰ্ম্ম পালন কৰিও মন ঠিক ৰাখিব পাৰিছে, মনক দ্বেষ-হিংসাশূন্য কৰি ৰাখিছে আৰু শান্তি আৰু আনন্দ ভোগ কৰিছে সেই সকলেই প্ৰশংসনীয়। কোনে মনক

কিমান বশ কৰিছে সেইটো বুজা বৰ টান। কোনোৱে অতি সামান্য কথাতে বিচলিত হৈ অশান্তি ভোগ কৰে। কোনোৱে ডাঙৰ বিপদ বা দুৰ্ঘটনাতো অবিচলিত হৈ থাকে। এই বাবেই দুৰ্ব্বলমনা সাধুতকৈ দৃঢ়মনা অসুৰ প্ৰকৃতিৰ লোকে সহজতে মুক্তিলাভ কৰাটো সম্ভৱপৰ হয়। এই বাবেই "Cowards have have no religion" এই কথা চলিত হৈছে। সংসাৰৰ ঘাত প্ৰতিঘাত সহ্য কৰিও যিজনে মনক ভাল অৱস্থাত ৰাখিব পাৰে সেইজনেই মহৎ লোক। এইৰূপ গুণ স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য্যৰ আছিল; ৺তৰুণদাদাৰো বহুত পৰিমাণে আছিল। পৰৰ সামান্য ত্ৰুটিত বা নিজৰ আশামতে কাম নোহোৱা বাবে যিজনৰ মনৰ সমতা নষ্ট হয় সেইজনে নিজেও কষ্ট ভোগ কৰে, সমাজতো অশান্তিৰ সৃষ্টি কৰে।

নিজৰ মনটোক গঢ়ি তুলিব পৰাটোৱেই ডাঙৰ কথা। সেইটো বিদ্যা অৰ্জ্জন বা তৰ্কৰ দ্বাৰাই নহয়, সদিচ্ছা আৰু সাধনাৰ দ্বাৰাই হে হয়।

৺পদ্মনাথ গোঁহাই দেৱৰ মৃত্যুৰ সম্বাদ শুনি বৰ দুঃখিত হৈছোঁ। তেওঁ এজন কৰ্ম্মী লোক আছিল। অসমীয়া জাতি তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব।

[কলিকতা, এডিনবৰা, আদি ঠাইত পঢ়ি থকা অৱস্থাত সৰুজোঁৱাযেক ডাঃ সুৰেন্দ্ৰনাথ শৰ্ম্মালৈ ৺কামাখ্যাৰাম বৰুৱাই চিঠিত লিখা উপদেশাৱলীৰ কেইখন মানৰ উদ্ধৃতাংশ।]

ধুবুড়ী
২৯ পুহ, ১৩৪৬ সন
মাঘবিহু

"ৰায় বাহাদুৰ কনকলাল বৰুৱাৰ মৃত্যুত অসমৰ আৰু অসমীয়াৰ বিশেষ ক্ষতি হ'ল। তেওঁ উচ্চ পদ লাভ কৰা বাবে আমাৰ উপকাৰ হৈছিল বুলি মই এই কথা কোৱা নাই। তেওঁ অসমৰ পুৰণি ইতিহাস বিষয়ে অনুসন্ধান কৰি অসমবাসীক চিৰকৃতজ্ঞতাৰ পাশেৰে বন্ধন কৰি থৈ গ'ল। এতিয়া তেওঁৰ নিচিনা পুৰাতত্ত্ববিশাৰদ পণ্ডিত অসমীয়াৰ ভিতৰত আৰু নাই। তুমি "The Early History of Kamarupa" খন পঢ়িছানে কব নোৱাৰো; নাই পঢ়া যদি অৱশ্যে পঢ়িবা।

কামৰূপৰ পুৰণিকালত যে কি গৌৰৱৰ যুগ গৈছে তেনেহলে জানিব পাৰিবা। তেওঁ লিখা কথাবোৰৰ প্ৰায় অধিকাংশই সুদৃঢ় প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত”।

“আমাৰ দেশৰ আগৰ শিক্ষিত লোকসকলে দেশ আৰু সমাজৰ উন্নতিৰ বাবে যিমান চিন্তা আৰু চেষ্টা কৰিছিল বৰ্ত্তমানৰ শিক্ষিতসকলে তেনে কৰা দেখা নেযায়। এতিয়াৰ শিক্ষিত লোকসকলে অৰ্থোপাৰ্জ্জন আৰু নিজৰ বিলাস ও সুখ ভোগতে ব্যাপৃত থাকে। ৺কনকলাল বৰুৱাৰ সমসাময়িক লোক ৺হেমচন্দ্ৰ গোস্বামী, ৺লক্ষ্মীনাথ বেজবৰুৱা, শ্ৰীযুক্ত পদ্মনাথ গোহাঞি বৰুৱা, শ্ৰীযুক্ত ৰজনীকান্ত বৰদলৈ, ৺আনন্দচন্দ্ৰ আগৰৱালা, ৺চন্দ্ৰকুমাৰ আগৰৱালা প্ৰভৃতি লোকে ধন উপাৰ্জ্জনৰ লগে লগে অসমীযা সাহিত্য প্ৰভৃতিৰ বাবেও বহুত পৰিশ্ৰম আৰু অৰ্থব্যয় কৰি গৈছে। আজিকালি অতি কম মানুহেহে তেওঁলোকৰ দৰে সাহিত্য, প্ৰত্নতত্ত্ব আদিৰ চৰ্চ্চা কৰে।”

যোৰহাট
৫।৬।৪০

“তোমালোকৰ অতি উৎকৃষ্ট মখনা হাতীটো মৰাত আৰু কিছুমান অন্য দুৰ্ঘটনা ঘটাত বৰ বেজাৰ পাইছো। কিন্তু এই বিলাকৰ বাবে বিশেষ বেজাৰ কৰা উচিত নহয়। ভগবানৰ ওপৰত অটল বিশ্বাস ৰাখি আৰু ধৰ্ম্মত মতি ৰাখি চলিলেই সকলো বিপদ দূৰীভূত হব। তোমাৰ ঘৰৰ সকলোকে তুমি উৎসাহিত কৰিবা। তোমালোকৰ ঘৰৰ মানুহ-কেজনৰ স্বাস্থ্য আৰু মনৰ দৃঢ়তা আৰু উৎসাহ, এইবিলাক সকলোতকৈ মূল্যৱান। Optimism থাকিলে ভযানক বিপদতো ৰক্ষা পোৱা যায়। ইংৰাজ বিলাকৰ মনৰ দৃঢ়তালৈ মন কৰিলেই ইযাক বুজিব পাৰি। বৰ্ত্তমান যুদ্ধত সাংঘাতিক বিপদতো ইংৰাজবিলাকে যেনেকৈ নিজৰ spirit আৰু courage ৰাখিছে তাক দেখিলে আচৰিত হব লাগে। এই strength of characterৰ বাবেই সম্ভৱতঃ তেওঁলোক শেহত জযী হব। যি মানুহ বা জাতিৰ এই strength আৰু optimism নাই, তেওঁলোকে সহজ বিপদত পৰে।

গুৱাহাটী
১৬।৭।৪০

“তুমি এতিয়াৰ পৰা ভালকৈ পঢ়িলে খুব ভালৰূপে পাচ কৰিব পাৰিবা বুলি মোৰ বিশ্বাস। যত্ন আৰু পৰিশ্ৰমৰ সুফল নিশ্চয়ে পোৱা যায়। সকলো

সময়ত চেষ্টা আৰু আশা ফলৱতী নহব পাৰে। কিন্তু তথাপি চেষ্টাৰ ফল বৈ যায়। অদৃষ্ট বা দৈব থকা যেন বোধ হয়। কিন্তু দৈবৰ বা অদৃষ্টৰ লিখনকো কটাব পাৰি, কৰ্ম্ম আৰু ঈশ্বৰৰ ভক্তিৰ দ্বাৰাই। মানুহৰ Existenceটো (সত্বাটো) নিৰ্ভৰ কৰে inheritance আৰু environmentৰ ওপৰত। পিতৃ-মাতৃৰ পৰা যিসকল Genes আৰু chromosomes পোৱা গ'ল তাৰ ওপৰত আৰু গৰ্ভাবস্থাৰ পৰা বৰ্ত্তমান কাল পৰ্য্যন্ত কিৰূপ অৱস্থাত বৃদ্ধিপ্ৰাপ্ত হোৱা গ'ল, কি শিক্ষা পোৱা হ'ল, কি habit form কৰা হ'ল, কেনে মানুহৰ সাহচৰ্য্য (company) পোৱা হ'ল, কি কিতাপ পঢ়া হ'ল, কি idea লৈ মন গঠিত হ'ল ইত্যাদি কাৰণৰ ওপৰত আমাৰ শুভাশুভ আৰু ভৱিষ্যতৰ উন্নতি নিৰ্ভৰ কৰে। ইয়াৰ কিছুমান কাৰণ আমাৰ ইচ্ছাকৃত, বাকীবিলাক ইচ্ছাকৃত নহয়। যিবিলাক কাৰণ আমাৰ ইচ্ছাকৃত নহয়, সেইবিলাক হয় accident বা blind chanceৰ ওপৰত নিৰ্ভৰ কৰে, অথবা কোনো ঐশ্বৰিক বা নৈসৰ্গিক (natural) নিয়মৰ ওপৰত নিৰ্ভৰ কৰে। বহুত জ্ঞানীলোকৰ মত এই যে আমি কাৰণ বুজিব নোৱাৰিলেই accident বুলি কওঁ। কিন্তু জগতৰ প্ৰত্যেক ঘটনাৰে উচিত কাৰণ আছে; Universal laws মতেহে সকলো ঘটনা ঘটে। আমি কিছুমান মোটামুটি laws বুজিব পৰা হৈছো যেনে Laws of Gravitation and chemical action, Laws of Physical Sciences ইত্যাদি। বেচিভাগ laws আমি এতিয়াও নেজানো। ঈশ্বৰৰ ইচ্ছা বা accident বুলি সেইবিলাকৰ ফলবিলাকক আমি কওঁ। যদি জগতখনৰ সমস্ত ঘটনা laws মতে হয়, তেন্তে এজন ঈশ্বৰ থকা বুলি (অৰ্থাৎ Existence of a rational being) স্বীকাৰ কৰিব লাগিব। জগতৰ নিয়মবিলাক পালি চলিলেই সুফল পোৱা যায়। We must try to put ourselves in tune with the Infinite i e God, who is the embodiment of the Universal laws সংক্ষেপত কবলৈ হ'লে, জীৱনত সাফল্য লাভ কৰিব লাগিলে আমাৰ জ্ঞান অনুসাৰে নিয়ম মানি চলিব লাগিব, উন্নতিৰ বাবে যথাসাধ্যে চেষ্টা কৰিব লাগিব আৰু মনত উচ্চভাব বা পৰমেশ্বৰত ভক্তি ৰাখিব লাগিব—Laws of Confidence। নিৰুৎসাহৰ ভাব, ভয়, নিৰানন্দ এইবিলাকে আমাৰ উন্নতিত বাধা জন্মায়। বিপদত ধৈৰ্য্য, সাহস, ঈশ্বৰত নিৰ্ভৰ ইত্যাদিয়ে মানুহক শক্তিশালী কৰি ৰাখে। বৰ্ত্তমান যুদ্ধতে তাৰ প্ৰমাণ পোৱা যায়। যিবিলাক মানুহৰ বিপদত ধৈৰ্য্যচ্যুতি নহয়, সেইবিলাক মানুহ morally superior, সেইবাবে মনলৈ নিৰাশা-নিৰানন্দ, উৎসাহহীনতা আদি ভাব নানিবা।

ধুবুড়ী
৪।৯।৪০

"আশাকৰো তোমাৰ পঢ়াশুনা ভালদৰে চলিছে। নিজৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্য খুব ভালদৰে ৰাখিবলৈ চেষ্টা কৰিবা। এই স্বাস্থ্যৰক্ষা কৰাটোৱেই ডাঙৰ ধৰ্ম্ম। ব্ৰত, উপবাস, প্ৰাণায়াম, যোগাভ্যাস ইত্যাদি কৰ্ম্মৰ প্ৰধান উদ্দেশ্য হৈছে শাৰীৰিক আৰু মানসিক স্বাস্থ্য ৰক্ষা। আজিকালি আমাৰ দেশৰ মানুহৰ ইমান পতন হৈছে যে আমাৰ পূৰ্ব্বপুৰুষসকলে কি উদ্দেশ্যে এইবিলাক কৰ্ম্ম কৰাৰ ব্যৱস্থা কৰি গৈছে, তাক নুবুজি এই কৰ্ম্মবিলাক এনেভাবে কৰে যে উদ্দেশ্য সাধনতো নহয়েই বৰঞ্চ ব্ৰত উপবাস কৰি স্বাস্থ্যৰ হানি কৰে। ধৰ্ম্ম আৰু উপাসনা এই দুটা যে পৃথক বস্তু, এই কথা আমাৰ দেশৰ প্ৰায়বিলাক মানুহেই নাজানে। আমাৰ দেশৰ বহুত সংস্কৃত পণ্ডিতেও আজিকালি সংস্কৃত শব্দৰ প্ৰকৃত অৰ্থ নেজানে। অল্প বিদ্যাই ইয়াৰ কাৰণ। 'অল্প বিদ্যা ভয়ঙ্কৰী' এই কথাষাৰ সম্পূৰ্ণ সঁচা। Quacks are more dangerous than ordinary men who do not know anything of medicine and treatment. আমাৰ দেশত বহু শতাব্দীৰ পৰা ধৰ্ম্ম, শিক্ষা, চিকিৎসা ইত্যাদি সকলো বিষয়তে quackeryৰ প্ৰচলন বৰ বেছি পৰিমাণে চলিছে। তাৰ ফলত সমাজৰ মানুহৰ পৰম ক্ষতি হৈছে। আমাৰ গুৰু, পুৰোহিত, পণ্ডিত আদি অল্পশিক্ষিত কাৰণে সমাজৰ অত্যন্ত অবনতি হৈছে"।

"তুমি পৰীক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছে। সেইবাবে স্বাস্থ্য সম্বন্ধে অত্যন্ত যত্ন লোৱা প্ৰয়োজন হৈছে। জীৱনত discipline আনিবলৈ সদায় যথাসাধ্যে চেষ্টা কৰিব লাগে। খোৱা-লোৱা আদিত discipline যিমান দৰকাৰ disciplined thought, disciplined feeling আদিও সেইৰকমে দৰকাৰ। তাৰ বাবে মনস্বী লোকৰ কিতাপ পঢ়িব লাগে"।

তেজপুৰ
২১।৯।৪০

"তুমি শৰীৰৰ স্বাস্থ্য ঠিক ৰাখি এইকেইমাহ পৰীক্ষালৈ যথাসাধ্য পৰিশ্ৰম কৰা। মনৰ আৰু শৰীৰৰ স্বাস্থ্য ৰক্ষাই ডাঙৰ কৰ্ত্তব্য। আমাৰ শাস্ত্ৰমতে এয়ে পৰম ধৰ্ম্ম। ধৰ্ম্ম শব্দটো নানা অৰ্থত ব্যৱহৃত হয়। Narrow senseত religion বুজাবলৈ ব্যৱহৃত হয়। প্ৰকৃত religion বুজোৱা সংস্কৃত শব্দ হৈছে

উপাসনা-পদ্ধতি। ক্ষাত্র ধৰ্ম্ম, স্ত্রী ধৰ্ম্ম ইত্যাদি কথাত ধৰ্ম্ম শব্দে কৰ্ত্তব্য কৰ্ম্ম বুজায়। সীতা, সাবিত্রী আমাৰ পূজনীয়া, তেওঁলোকৰ উচ্চ আদর্শ আৰু কৰ্ত্তব্য পালনৰ বাবে—for the high ideals of their lives and the intense devotion to their ideals এইৰূপে Hitler আৰু Kamal Pashaও আমাৰ পূজ্য। আমাৰ সমাজে চিৰকাল high characterক পূজা কৰি আহিছে। উপাসনা পদ্ধতিক বেছি মূল্য আমি নিদিওঁ, কোন শাক্ত, কোন গাণপত্য তাক আমি বেচি খবৰ নকৰো। কিন্তু মানুহজনৰ চৰিত্র কেনে, শুদ্ধাচাৰী হয়নে নহয় তাকহে আমি বিচাৰ কৰোঁ। অশিক্ষিত বা অল্পশিক্ষিত লোকসকলে আমাৰ সামাজিক ৰীতিমতে খোৱালোৱা কৰাটোৰেই শুদ্ধাচাৰীৰ চিন বুলি ধৰি লয়। সেইটো ভুল। কিন্তু এইটো সঁচা যে যি মানুহে অলপতে নিজৰ সমাজৰ ৰীতিনীতি পৰিত্যাগ কৰি আনৰ সমাজৰ ৰীতিনীতি গ্ৰহণ কৰে তাৰ চৰিত্রবল প্ৰায়ে কম। আমাৰ সমাজৰ ভদ্ৰতা বা আমাৰ সমাজত প্ৰচলিত ৰীতিনীতি (যেনে মদ নোখোৱা, সদায় স্নান কৰি আহাৰ কৰা, গুৰুজনক প্ৰণাম কৰা ইত্যাদি Conventions) এৰি অন্য সমাজৰ ভদ্ৰতা বা ৰীতিনীতি (যেনে মদ খোৱা, ball dance কৰা বা বাপেকমাকক বয়সিয়াল পুতেক জীয়েকে চুমা খাই আদৰ দেখুৱা) গ্ৰহণ কৰিলে নিজৰ সমাজত নিন্দনীয় হোৱাটো স্বাভাৱিক। Conventions are man made but yet they have their value কৰ্ত্তব্যৰ প্ৰেৰণাত Convention ভঙ্গ কৰা উচিত, কিন্তু individual idiosyncrasyৰ বাবে Convention ভঙ্গ কৰিবলৈ দিলে সমাজত বিশৃঙ্খলতা আহে। আজিকালি ইংৰাজী শিক্ষিত লোকসকলে অনাৱশ্যক খুঁটিনাটিতো ইংৰাজৰ অনুকৰণ কৰি হাস্যাস্পদ হয়, অথচ ইংৰাজৰ সদ্‌গুণবিলাক অনুকৰণ কৰিব নোৱাৰে”।

গুৱাহাটী
৪।১২।৪০

তুমি যে জীৱনৰ লক্ষ্য বিষয়ে তোমাৰ মত লেখিছা তাক পঢ়ি বৰ ভাল পাইছোঁ, কাৰণ এই ৰকমৰ আলোচনাৰ পৰা চিন্তাশক্তি বাঢ়ে। মোৰ মনেৰে তোমাৰ ভাববোৰ আৰু ভালকৈ analyse কৰিবলৈ তুমি চেষ্টা কৰিলে দেখিবা যে মানুহৰ জীৱনত material prosperityৰ যদিও প্ৰয়োজন আছে, কিন্তু সেই প্ৰয়োজনটো সাধাৰণতঃ আমি যিমান দূৰ আৱশ্যকীয় বুলি ভাবোঁ, প্ৰকৃততে তিমানদূৰ আৱশ্যকীয় নহয়। আমি শৰীৰ ৰক্ষা কৰিব লাগিব, সেইবাবে ভাল খাদ্য

আমাক লাগে , শীত ৰৌদ্ৰ প্ৰভৃতিৰ পৰা ৰক্ষা পৰিবলৈ বস্ত্ৰ, ঘৰ আদি লাগে। তাক এৰি আজিকালি ঘড়ী, চাইকেল, ট্ৰাম, জাহাজ, উৰাকল, নানা প্ৰকাৰ machinery, scientific instruments আদি বিবিধ বস্তু লাগে। কিন্তু এই বস্তুবিলাকৰ বা ধনৰ এনেয়ে একো মূল্য নাই , সেইবোৰৰ ব্যৱহাৰ হে অকল প্ৰয়োজন। অৰ্থাৎ আমাৰ কামত সেইবিলাকক খটাই আমাৰ জীৱনটো পূৰ্ণতাযুক্ত কৰিবলৈ হে সকলো প্ৰকাৰ material prosperityৰ প্ৰয়োজন। এটা উদাহৰণ দিওঁ—ভাল খাদ্য বহু পৰিমাণে খাই প্ৰায়শঃ আমি অনিষ্টহে কৰোঁ, যিমানখিনি ভাল বস্তু আমাৰ পাকস্থলীয়ে সুন্দৰৰূপে পৰিপাক কৰিব পাৰে, তিমান হে জ্ঞানী-লোকে খোৱা উচিত। কিন্তু মিতাহাৰী লোক বিৰল। তেনেকৈ নিদ্ৰা, খেলা, ইন্দ্ৰিয় সেৱা, পঢ়া আদি সকলো কথাতে উচিত পৰিমাণে কাৰ্য্য কৰিলে পুণ্য হয়, জীৱনৰ উন্নতি হয়, আত্মাৰ বিকাশ হয় , অনিয়মিতৰূপে কৰিলে পাপ হয়, তাৰ কুফল এসময়ত অৱশ্যে ভুগিব লাগে। গতিকে দেখা যায় যে আমাক material prosperity লাগে আমাৰ জীৱনৰ বিকাশৰ বাবে যিমানখিনিৰ আৱশ্যক তিমান-খিনিহে, তাৰ অতিৰিক্ত material বস্তু গোটাবৰ চেষ্টাটো পাপজনক , তাৰ দ্বাৰাই আমাৰ সমাজৰ আন মানুহক প্ৰযোজনীয় বস্তুৰ পৰা বঞ্চিত কৰা হয় আৰু আমাৰ জীৱন অতিৰিক্ত ভোজন আদিৰ পৰা বিষময় হয়। গতিকে অতিৰিক্ত ধন সঞ্চয় বা খাদ্য সঞ্চয় বা অতিৰিক্ত সম্পত্তি সঞ্চয় সমাজৰ পক্ষেও হিতজনক নহয়, কোনো এজন মানুহৰ পক্ষেও হিতজনক নহয, যদি সঞ্চিত ধন বা সম্পত্তি দুঃখীজনৰ হিতৰ বাবে ব্যৱহাৰ নকৰে। সংক্ষেপত কবলৈ হলে Capitalism is an evil unless the capitalist be a humane, charitable individual অত্যন্ত ধন আৰু সম্পত্তি সঞ্চয়ৰ পৰা বিলাসিতা, অলসতা, ভীৰুতা, ইন্দ্ৰিয়পৰায়ণতা, আত্মম্ভৰিতা আদি দোষ জন্মে। সেই কাৰণে ভাৰতবৰ্ষত যেতিয়া ধনসমৃদ্ধি বৰ বেছি হৈছিল, সেই সময়ত বৈৰাগ্য ভাৱ প্ৰচাৰ কৰাৰো বৰ প্ৰযোজন হৈছিল , ধন কেৱল দুখীযাৰ কষ্ট মোচনৰ বাবে দান কৰিবৰ বাবেহে, কামিনী কাঞ্চনৰ পৰা আত্মাৰ উন্নতি বন্ধ হয় , এই সকল শিক্ষাৰ বিস্তাৰ হৈছিল। এই সকল শিক্ষাই Capitalismৰ evil consequenceৰ পৰা সমাজক ৰক্ষা কৰিছিল। মই কব খোজোঁ যে বহুত টকা জমা কৰা বা সম্পত্তি গোটোৱাটো জীৱনৰ লক্ষ্য হোৱা উচিত নহয। মানুহে সুখে খাই লৈ থাকিবলৈ বৰ বেছি খাদ্য বা সম্পত্তি নালাগে। পেটুকৰ জীৱন বা বিলাসীৰ জীৱন আদৰ্শ হব নোৱাৰে। তেন্তে আমাৰ জীৱনৰ লক্ষ্য কি, আদৰ্শ কি হোৱা উচিত ? এই প্ৰশ্নটোৰ উত্তৰ অতি সংক্ষেপে দিয়া টান। গতিকে মই কবলৈ খুজিছিলোঁ যে উচ্চ আদৰ্শ (higher ideals)

আমাৰ জীৱনৰ লক্ষ্য হোৱা উচিত। তুমি এক প্ৰকাৰে কথাটো স্বীকাৰ কৰিছা, কিন্তু তাৰ লগে লগে কৈছা যে উচ্চ আদৰ্শ material prosperity বাদ দি হব নোৱাৰে। মই কওঁ যে আমাৰ physical necessitiesবোৰ meet কৰাৰ জোখাৰে আমাক material objects লাগে। তাৰ অতিৰিক্ত হলে আমাৰ উপকাৰ নহৈ অপকাৰ হে হয়, যেনে পেটুকৰ ভোজনৰ পৰা বল বা স্বাস্থ্য বৃদ্ধি নহয়। কোনো এজন মানুহৰ ১০খন মোটৰকাৰ থকাৰ পৰা মানুহটো Swell headed হোৱাৰ সম্ভাৱনা অত্যন্ত বেছি হয়। কিন্তু তেওঁৰ প্ৰকৃত মনুষ্যত্বৰ বিকাশ নহয়। বহুত ধনকুবেৰতকৈ বহুত সন্ন্যাসী ভাল। বহুত millionaire তকৈ মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, আবুল কালাম আজাদ, ৰাজেন্দ্ৰ প্ৰসাদ, মুচোলিনী, হিটলাৰ প্ৰভৃতি লোক ধনী নহলেও উচ্চ শ্ৰেণীৰ মানৱ বুলি মই ভাবো। কি গুণৰ দ্বাৰা তেওঁলোক উন্নত হৈছে? Material Prosperityৰ বাবে তেওঁলোকক জগতে উচ্চ আসন দিয়া নাই। কিহৰ বাবে তেওঁলোকে উচ্চ আসন পাইছে? প্ৰখৰ বুদ্ধিৰ বাবেও তেওঁলোক তিমান বিখ্যাত নহয়। সংক্ষেপত কবলৈ হলে তেওঁলোকে উচ্চ আদৰ্শ সমাজত চলাবলৈ চেষ্টা কৰিছে আৰু তেওঁলোকৰ চৰিত্ৰবল আছে। মহাত্মা, যীশু, বুদ্ধদেৱ, ৰামকৃষ্ণ পৰমহংস প্ৰভৃতি লোকো এই কাৰণেই পূজনীয় হৈছে বুলি মই ভাবোঁ। কাকো Perfect man বুলি মই নাভাবোঁ। ঈশ্বৰক এৰি কোনো Perfect হব নোৱাৰে। এই ঈশ্বৰজন material object ৰূপে সীমাবদ্ধ অৱস্থাত ক'তো নাই। He is the ideal, towards which we strive Not only He is the ideal, but He really exists He is the sum-total of all that exists in the world He is the source of all our energy, all our mental qualities, as well as all physical forces, such as electricity, magnetism, attraction, motion etc. The laws of nature with which science deals are immanent in Him I have got intelligence, I have got affection for others ; I want to do good to others , I have got some will-power I feel that I have got these mental capacities What is the source of these mental manifestations ? Probably they are the reactions of the nerve-cells. But this does not lead us to the ultimate root. Nerve cells consist of atoms The atoms are nothing but electric energy This energy has got the qualities to affection, thinking, reasoning, willing inherent in them The sum-total of the energy which is endowed with the mental qualities, is

"Brahman" ঈশ্বৰৰ অস্তিত্বৰ theoryত বিশ্বাস নকৰিলে higher ideals of life আৰু moral lawsৰ existence explain কৰিব নোৱাৰি। আমাৰ জীৱনটো theoryৰ ওপৰত নির্ভৰ কৰি চলাওঁ। Medical Science, Physics, Chemistry সকলোৱে শেহত গৈ theoryৰ ওপৰত নির্ভৰ কৰে। তেনেকৈ Moral Science (Ethical Science), Religion প্রভৃতিও Theoryৰ ওপৰত নির্ভৰ কৰে।

তুমি যে লেখিছা Suffering humanityক serve কৰাটোৰ পৰা আনন্দ পোৱা যায়, ইয়াৰ কাৰণ কি বুলি ভাবা? আৰু Lower pleasure আৰু higher forms of pleasureৰ কথা লেখিছা তাৰ প্রভেদ কি, কিহৰ ওপৰত এই প্রভেদ নির্ভৰ কৰে?

বহুতবোৰ কথা লেখা হ'ল। আশাকৰোঁ প্রত্যেক বিষয়ে অৱসৰ সময়ত দকৈ ভাবি চাবা আৰু নিজৰ ideaবোৰ analyse কৰিবলৈ চেষ্টা কৰিবা।"

তেজপুৰ
২৬।১।৪৯

"মই তোমালৈ অনুগ্রহকৈ বুলি লিখাত formal হোৱাৰ অভিপ্রায় মোৰ নাছিল। মোৰ আন জোঁৱাই সকলোকো মই সমযত তেনেকৈ লিখা অভ্যাস মোৰ আছে। লেখাৰ আৰু কথাকোৱাৰ গঢ় প্রত্যেক মানুহৰ আৰু বেলেগ বেলেগ সমাজত বেলেগ বেলেগ। ইংৰাজ সমাজত ল'ৰাছোৱালী, ঘৈণী, চাকৰ-বাকৰকো অনুৰোধ কৰোঁতে—"অনুগ্রহকৈ" (kindly) লেখাটোৱে সুৰুচিসঙ্গত। আমি ইংৰাজী পঢ়ি কোনো কোনো কথাত আৰু ভাবত, ইচ্ছা কৰি বা অনিচ্ছা সত্ত্বেও, ইংৰাজৰ অনুকৰণ কৰা অভ্যাসটো আমাৰ সকলোৰে কিছু কিছু হৈছে। আমি প্রত্যেকে পুৰণি ৰীতিনীতিৰ কিছু ৰাখিবলৈ ভাল পাওঁ, কিছুমান ইংৰাজী বা বঙ্গলা বা আনদেশৰ ৰীতি লবলৈ ভাল পাওঁ, খোৱা, পিন্ধা মনৰ ভাবৰ গতি ইত্যাদিতো সেইৰূপ মিহলি নিয়ম আমাৰ ভিতৰত চলিছে। কোনোৱে বঙ্গালীৰ নিচিনা কাপোৰ পিন্ধে, বঙ্গালীৰ দৰে খাবলৈ ভাল পায়, দেখা-সাক্ষাত হলেও বঙ্গালীৰ দৰে নমস্কাৰ কৰা বা গুৰুজনৰ ভৰিৰ পদধূলা লোৱা নিয়ম মানি চলে। কোনোৱে আকৌ Coat, Pant, Hat আদি প্রায়শঃ ব্যৱহাৰ কৰিবলৈ ভাল পায়; টেবিলত খাবলৈ ভাল পায়, Good morning, Good evening আদি

বুলিবলৈ ভাল পায়। আমি বহুতেই মনৰ কথা প্ৰকাশ কৰিবলৈ ইংৰাজীৰ সহায় সততে লবলৈ ভাল পাওঁ। বাপেক-পুতেক ককায়েক-ভায়েকৰ ভিতৰতো ইংৰাজীত চিঠি লিখাৰ ৰীতি বহুতো চলিছে। এনে অৱস্থাত তোমাৰ standard টোৱেই right, মোৰ standardটো বেয়া বা মোৰ standardটো right, তোমাৰটো ভুল বুলি ভাবাটো ঠিক নহয় বুলি মই ভাবোঁ। মই তোমালৈ "অনুগ্ৰহ" কৈ লিখা বাবেই the fact of your not being able to occupy the right place in my heart is to be inferred এই reasoningটো justified বুলি মোৰ মনেৰে বোধ নহয়। সমাজত পৰস্পৰ idiosyncrasies respect কৰি নচলিলে মনোকষ্ট, misunderstanding আদিৰ হে সৃষ্টি হয়। আপোন মানুহৰ ভুল বা ভ্ৰান্তি হলেও তাক সহ্য কৰিব লাগিব আৰু আপোন মানুহৰ যিখিনি দোষ আছে তাক লাহে লাহে শুধৰাই দিবলৈ চেষ্টা কৰিব লাগিব।"

স্বামী আৰু ভাৰ্য্যাৰ পৰস্পৰৰ ত্ৰুটিবিলাকক importance নিদিয়াটো বৰ ভাল বুলি তুমি নাভাবা। কিন্তু ত্ৰুটিবিলাকক importance দিয়াৰ পৰা কি ভাল ফল আশা কৰিব পাৰি? ইজনে সিজনৰ দোষ শুধৰাবলৈ চেষ্টা কৰাটো নিতান্ত উচিত বুলি মইও ভাবোঁ। কিন্তু দোষবিলাকক importance দিলে শুধৰোৱাটোও টান হে হয় বুলি আজিকালিৰ Psychological authority সকলেও কয় বুলি মোৰ ধাৰণা। মই পঢ়িছিলো যে আমেৰিকাৰ স্কুলবিলাকত students বিলাকৰ short comings বিলাক আমাৰ দেশৰ ৰীতিমতে point out কৰি দিয়া নিয়ম উঠাই দিছে। Students বিলাকৰ যাতে individuality নষ্ট নহয়, আত্মসন্মান যাতে ক্ষুণ্ণ নহয়, Self Confidence যাতে বাঢ়ে তালৈ বিশেষ লক্ষ্য ৰাখিহে আজিকালি উন্নত দেশ বিলাকত শিক্ষকে শিক্ষা দিয়ে। No two individuals are alike There are good and bad traits in every individual. The good traits in one differ from the good traits of another Similar is the case with the bad traits. Formerly the teacher thought it to be his important duty to punish a child for its bad traits and try to eradicate the bad traits by punishment and by ridiculing the child in public It is now recognised that this is a wrong method The better and more successful method is to encourage the growth of the good traits in the individuals and to encourage the growth of his self-confidence and self-respect and thus enable him to shake off his bad traits.

If you give importance to an individual's bad traits he loses self-confidence and self-respect and finds it more difficult to overcome his weakness এই ল'ৰাটোৱে অঙ্ক নেজানে, এই ল'ৰাটোৰ অলপো স্মৰণ শক্তি নাই, এই ল'ৰাটো বৰ ভীৰু ইত্যাদি কথা ল'ৰাক কোৱাটো অত্যন্ত অন্যায, তাৰ দ্বাৰাই ল'ৰাৰ ভৱিষ্যত অন্ধকাৰময় কৰি দিয়া হয়। এই কথা আজিকালিৰ সভ্যসমাজৰ Psychologist সকলে একে বাক্যে স্বীকাৰ কৰে। আমাৰ দেশৰ বৰ্ত্তমান দুৰ্দ্দশাৰ প্ৰধান কাৰণ আমি ল'ৰাছোৱালী বিলাকক অত্যন্ত শাসন কৰোঁ, এই স্বভাৱটো আমাৰ মজ্জাগত হৈছে, সেই বাবে সিহঁতে grow কৰাৰ chance নাপায়"।

ডিব্ৰুগড়
৫।৩।৪১

তোমাৰ স্বাস্থ্যৰ পিনে বিশেষ লক্ষ্য ৰাখিবা ইযাকে আশা কৰিলোঁ। পৰীক্ষা পাচ কৰিবলৈ পাৰ্য্যমানে যত্ন কৰা উচিত। কিন্তু পৰীক্ষা পাচ কৰাতকৈও স্বাস্থ্যৰক্ষা কৰা বেছি প্ৰয়োজনীয় কথা। তুমি সকলো কথা বুজা। কৰ্ত্তব্য মনত পেলাই দিবলৈহে লেখিলোঁ Clash of duties উপস্থিত হলে সামঞ্জস্য ৰাখি চলিব পৰাটোৱেই প্ৰধান শিক্ষাৰ বিষয়। এই ৰকমেই মানুহৰ higher selfৰ বিকাশ হয়। clash of ideals, clash of duties, necessities to overcome obstacles, to face dangers and difficulties এইবিলাকেহে মনুষ্যত্বৰ বিকাশ কৰে। Uneventful and plain-sailing life বাঞ্ছনীয় বুলি কব নোৱাৰি"।

তুমি পৰীক্ষাৰ বাবে যিমান সম্ভৱ চেষ্টা কৰা। ফলাফল ভগবানৰ ওপৰত থৈ দিয়া। তাৰ বাবে চিন্তা কৰাৰ পৰা লাভ একো নাই, বৰং ক্ষতিহে হয়। বেছি চিন্তা হলে মানুহ unnerved হয়। Always be bold, always be sportsmanlike and jolly ইংৰাজীত এটা কথা আছে—"Never say die till you are dead" এইটো বৰ সাৰুৱা উপদেশ। এই উপদেশ মানি চলা লোক সকলেই Parachutist আৰু Airplaneৰ যুঁজাৰু হব পাৰে। Be always prepared to meet the worst situation, to suffer the worst disappointments and yet not to lose heart or temper অৱশ্যে মুখেৰে বা কাগজত লেখি উপদেশ দিয়া অতি সহজ, কামত কৰা অতি টান। তথাপি ideal মনত ৰখা ভাল।"

যোৰহাট
২৬।৩।৪১

"তোমাৰ গা ভালে থকা শুনি আৰু পঢ়া নিয়মমতে কৰিব পাৰিছা শুনি বৰ আনন্দিত হৈছোঁ। তুমি এতিয়া পৰাপক্ষত অন্য কামত সময় ব্যয় নকৰিবা। ভগবানক খাটিছোঁ, তেওঁ যেন তোমাৰ চেষ্টা ফলৱতী কৰে। মই বিশ্বাস কৰোঁ যে ঈশ্বৰক প্ৰাৰ্থনা কৰাৰ পৰা সুফল পোৱা যায়। অৱশ্যে এইটোও মোৰ মত যে ভাল কৰ্ম্ম কৰাটোৱেই সৰ্ব্বোত্তম প্ৰাৰ্থনা। (Good actions are the best form of prayer) কৰ্ত্তব্য নকৰি কেৱল তোষামোদ কৰি থকা কৰ্ম্ম-চাৰীক বুদ্ধিমান প্ৰভুৱে ভাল পাব নোৱাৰে। তেনেকৈ কৰ্ত্তব্য কাম নকৰি কেবল ভকতিত গদ্‌গদ্ হৈ থকা মানুহো ঈশ্বৰৰ প্ৰিয় হব নোৱাৰে। পৰমেশ্বৰক ভাবিলে আৰু প্ৰকৃত প্ৰাৰ্থনা কৰিলে আমাৰ মনটো অন্ততঃ দিনৌ কিছু সময় সৎভাবৰ দ্বাৰাই ব্যাপৃত থাকে, ক্ষুদ্ৰচিন্তাৰ বেয়া ফলবিলাক দূৰীভূত হয়, ইয়াত সন্দেহ নাই"।

যোৰহাট
১৬।৭।৪১

ভগবানৰ ওপৰত নিৰ্ভৰ কৰি, নিজে কৰ্ত্তব্য কাম কৰি যাব লাগে, কোনো কথাতে নিৰাশ বা নিৰুৎসাহ হব নালাগে, জীৱনত অসংখ্য disappointment, অসংখ্য failures, bereavements, cruel treatments ইত্যাদি সহ্য কৰিবলৈ সদায় সাজু হৈ থাকিব লাগে, এইবিলাক সত্তেও optimism, equable temper, cheerfulness, readiness to help others ইত্যাদি গুণবিলাক ৰাখিবলৈ চেষ্টা কৰিব লাগিব। এয়ে জীৱন। "I slept and dream that life was beauty, I woke and found that life is duty" এই মানবী জনমটো সুখভোগৰ বাবে নহয়, ধৰ্ম্ম অৰ্জ্জনৰ বাবেহে, কৰ্ত্তব্য কৰাই ধৰ্ম্ম অৰ্জ্জন। জাৰ্মানীৰ, বৃটেনৰ যিবিলাক উঠি অহা ডেকা মানুহে জীৱন বলিদান দিব লাগিছে, তেওঁলোকে কিয় মৃত্যুবৰণ কৰিছে ? Higher ideal-ৰ বাবে। যি জাতিৰ Higher ideal নাই সেই জাতি ধৰ্ম্মৰ পৰা চ্যুত হৈছে, সেই জাতি দাস হবৰ উপযুক্ত।

ধুবুড়ী
২৫।৮।৪১

শনিবাৰে কচাৰী আছিল, আবেলি Rai Bahadur R N Handique Girls' College-ৰ Managing Committee-ৰ সভা বহিছিল। ৰায় বাহাদুৰ

সন্দিকেয়ে ইতিপূৰ্ব্বে ২৫,০০০ হাজাৰতকৈও বেছি টকা কলেজটোৰ বাবে দিছে ; এতিয়া আকৌ অন্ততঃ ২৫,০০০।৩০,০০০ মান দিবলৈ গাত লৈছে, জীয়াই থাকিলে আগলৈ আৰু দিয়াৰ আশা আছে। তেওঁৰ সমস্ত সম্পত্তি trustee-ৰ হাতত আগেয়ে দিলে, সেইবাবে একেলগে বেছি টকা তেওঁ দিব নোৱাৰে। মই মন কৰিছো আসামত আন জাতিতকৈ আহোমবিলাকৰ ভিতৰত এতিয়াও স্বাৰ্থত্যাগ কৰিব পৰা মানুহ (bold spirited men) বেছি আছে। ব্ৰাহ্মণ, কায়স্থ আদি জাতিৰ মানুহ বিলাকৰ subtlety of intellect আছে, কিন্তু boldness আৰু readiness to sacrifice কম। বুদ্ধিমান অথচ calculating nature মানুহতকৈ strong-minded, fearless and ready to make sacrifices এনে মানুহৰ পৰাহে জাতীয় উন্নতি হয়। প্ৰথম প্ৰকাৰৰ লোক হৈছে the Baniyas, money-lenders ইত্যাদি, দ্বিতীয় প্ৰকাৰৰ লোক হৈছে—the Waziries, the Afridies, the Nepalies। দ্বিতীয় প্ৰকাৰৰ মানুহে স্বাধীনতা ৰক্ষা কৰিব পাৰে, প্ৰথম প্ৰকাৰৰ মানুহে ধন ঘটিব আৰু ধন ৰক্ষা কৰিব পাৰে, প্ৰথম প্ৰকাৰৰ মানুহ প্ৰায়েই বিলাসী আৰু ভীৰু হয়। দ্বিতীয় প্ৰকাৰ মানুহ কষ্টসহিষ্ণু আৰু মৰিবলৈকো ভয় নকৰে। প্ৰথম শ্ৰেণীৰ মানুহ বণিক শ্ৰেণীৰ বা বৈশ্যজাতীয়, দ্বিতীয় শ্ৰেণীৰ মানুহ ক্ষত্ৰিয় ভাবাপন্ন। আজিকালি আসামত ক্ষত্ৰিয় প্ৰকৃতিৰ বা প্ৰকৃত ব্ৰাহ্মণ প্ৰকৃতিৰ মানুহ নিচেই কম। সেইবাবে আমাৰ মানুহৰ ধনলৈ বেচি আগ্ৰহ, বিলাসিতালৈ আগ্ৰহ, ধনীক উচ্চস্থান দিয়ে, দাৰিদ্ৰ্যক ভয় কৰে, গুণৰ আদৰ, স্বাৰ্থবলি দিওঁতাজনৰ আদৰ কৰিব নাজানে।”

তুমি জীৱনৰ disappointment বিলাকৰ সন্মুখীন হবলৈ নিজক প্ৰস্তুত কৰি লবলৈ যত্ন কৰা। অগণন বাধা বিপদ অতিক্ৰম কৰি জীৱনৰ ব্ৰত সাধিব লাগিব, উদ্দেশ্য সুপ্ৰতিষ্ঠিত কৰি তাক সাধন কৰিবলৈ চিৰজীৱন যুদ্ধ কৰিব লাগিব। যি disappointment আৰু difficulty overcome কৰিব নোৱাৰে তাৰ পক্ষে উদ্দেশ্য সাধন কপালৰ ওপৰত নিৰ্ভৰ কৰে। Hitlerএ কপালতকৈ নিজৰ আৰু জাৰ্ম্মান জাতিৰ বীৰত্ব, সাহ আৰু কৰ্ত্তব্যপৰায়ণতাৰ বাবে success achieve কৰিছে। প্ৰথম অসুবিধাতে নিৰুৎসাহ হোৱা হলে Hitler-ৰ নাম কোনেও শুনিবলৈ নাপালেহেঁতেন। Hitler ধনেৰে ডাঙৰ নহয়, মনৰ বলৰ বাবে ডাঙৰ মানুহ। এই মনৰ বলৰ চৰ্চ্চা কৰা, আনে কৰিব নোৱাৰা কাম কৰিবলৈ সমৰ্থ হবা ; এইটো নিশ্চয়।

ইম্ফল
১৭।১১।৪৫

"শ্ৰীযুত ৰোহিণী চৌধুৰী আৰু শ্ৰীযুত জ্যোতিষ ডাক্তৰে কংগ্ৰেছৰ যোগ দিয়া কথা বোধহয় জানা। চৌধুৰী কংগ্ৰেছৰ নিৰ্ব্বাচিত সভ্য ৰূপে বিনা প্ৰতিদ্বন্দ্বীতাতে Central Assembly-ৰ member হ'ল। General Constituency-ৰ বেছিভাগ member কংগ্ৰেছৰ ফালৰ হব, তাত কোনো সন্দেহ নাই। Muslim Seatৰ বেছিভাগ Muslim League এই পাব যেন বোধ হয়। Indian National Army-ৰ অৰ্থাৎ মালয় আৰু ব্ৰহ্মদেশত সুভাষ বসুৰ নেতৃত্বত যি army গঠিত হৈ মণিপুৰলৈকো যুদ্ধ কৰিবলৈ আহিছিল, সেই army-ৰ মুখ্য-মুখ্য লোকসকলৰ বিচাৰ আৰম্ভ হৈছে। এই কথালৈ আৰু Indonasia আৰু Indo-china-ত ভাৰতীয় সৈন্য ব্যৱহাৰ কৰা কথালৈ ভাৰতত বৰ হুলস্থুল আন্দোলন চলিছে।"

"তুমি সেইদেশৰ মানুহৰ সদ্‌গুণবোৰলৈ বিশেষকৈ লক্ষ্য কৰিবা। পাশ্চাত্য সভ্যতাৰ দোষ বিলাকলৈকো চকু ৰাখিবা। আমাৰ বৰ্ত্তমান জাতিৰ অৱনতি আৰু দেশৰ দুৰৱস্থাৰ কথা সদায় মনত ৰাখিবা। তুমি এজন Subject-race-ৰ মানুহ আৰু দেশৰ দৈন্য গুচাবলৈ তুমিও চেষ্টা কৰিব লাগিব, এই চিন্তা সদায় মনত ৰাখিবা। যিদৰে নিজৰ humility-ৰ কথা আৰু নিজৰ দেশৰ প্ৰতি তোমাৰ কৰ্ত্তব্যৰ কথা সততে মনত ৰাখিবা তেনেকৈ ভাৰতৰ পুৰণি সভ্যতাৰ আৰু উচ্চ আদৰ্শৰ কথা ভাবি এই পৰাধীনতাৰ সময়তো আমাৰ বহুত সদ্‌গুণ আছে ইয়াকো মনত ৰাখিবা। Liquor আৰু Sexual laxity-ৰ পৰা নিজক ৰক্ষা কৰিবলৈ সদায় সাৱধান আৰু দৃঢ়চিত্ত হৈ থাকিবা। Temptation-ত yield কৰাটোত কোনো বাহাদুৰি নাই। Temptation resist আৰু overcome কৰিব পাৰাটোৱেই বাহাদুৰি। আত্ম-প্ৰত্যয আৰু নিজৰ বিশেষত্ব ৰক্ষা কৰিবলৈ সদায় যত্নশীল হবা, আৰু তাৰ বাবে সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিবা। তাৰ religiously minded priest দুইচাৰিজনৰ লগত ঘনিষ্ঠতা কৰিবলৈ চেষ্টা কৰিবা। Christianity ভালৰূপে study কৰাৰ সুবিধা তাত পাবা। যি সকল জাতিয়ে উন্নতি কৰে, সেইবিলাকৰ discipline, courage, industry, deep study, fellow feeling, ability to face trouble and danger, মনৰ দৃঢ়তা, এই সকলৰ গুণৰ বাবেহে উন্নতি কৰে। Western nations বিলাকৰ এতিয়া ধনবৈভৱ বৰকৈ হৈছে, সেইবাবে তেওঁলোকৰ ভিতৰত luxury সোমাইছে, তথাপি তেওঁলোক আমাৰ নিচিনা দুৰ্ব্বলমনা বিলাসী হোৱা নাই।

তেওঁলোক শীত প্ৰধান আৰু স্বাস্থ্যকৰ ঠাইত বাস কৰে বাবে drinking habit, sexual laxity প্ৰভৃতিয়ে তেওঁলোকৰ তিমান অনিষ্ট সাধন নকৰে। কিন্তু আমাৰ দেশত মদে আৰু ব্যাভিচাৰে অতি শীঘ্ৰে মনুষ্যত্ব নষ্ট কৰে। আমাৰ দেশত সংযম আৰু ব্ৰহ্মচৰ্য্যৰ বিশেষ প্ৰয়োজনীয়তা আছে। আমাৰ দেশৰ বহুত ডাঙৰ মানুহৰ জীৱনৰ পৰা এইটো স্পষ্টৰূপে প্ৰমাণিত হয়। মহাত্মা গান্ধীয়ে তেওঁৰ দুৰ্ব্বল শৰীৰলৈ এই বয়সতো ইমান মনোবলশালী আৰু কৰ্ম্মক্ষম হৈ আছে। তাৰ লগত ৺তৰুণদাদা, ৺জ্ঞানদাদা প্ৰভৃতি ভাল স্বাস্থ্য থকা লোক সকলৰ পৰিণাম ভাবিলেই এই কথাৰ সত্যতা স্পষ্টৰূপে বোধ হয়।”

ইম্ফল

২।১২।৪৫

Mr (Major) Brooke-এ Dublinলৈ যোৱাটোহে বেছি ভাল বুলি কৈছিল। Dublin-ত ভাৰতীয় ছাত্ৰই বোধ হয় Great Britainতকৈ বেছি ভাল ব্যৱহাৰ আৰু সুবিধা পায়। যাতে British People-ৰ গুণবোৰ লৈ আহিব পাৰা তাৰ বাবেহে বিশেষ চেষ্টা কৰিবা। তেওঁলোকৰ বহুত দোষ আছে, তাৰ কোনো সন্দেহ নাই, কিন্তু দোষতকৈ গুণ বহুত বেছি আছে। গুণবিলাকলৈহে বেছি দৃষ্টি দিব লাগে। তেওঁবিলাকৰ দোষ থকাৰ পৰা আমাৰ তিমান হানি নহয়। আমাৰ দোষৰ কাৰণেহে আমি আজি পৰপদানত আৰু হেয়। আমাৰ দুৰৱস্থাৰ বাবে আমিহে প্ৰকৃতপক্ষত দায়ী, এইকথা স্বীকাৰ কৰিবই লাগিব। আমাৰ দুৰৱস্থা গুচাবলৈ হলে আমি সদ্‌গুণশালী (যেনে—Fair minded, courageous, friendly to our people and even unto others, hard working, cheerful, loveable, helpful ইত্যাদি গুণবিশিষ্ট) হব লাগিব। Try to mix freely and with a friendly spirit with the Britishers and try to win their appreciation It is no use to grouse or grumble for the hardships you have to suffer. সদায় optimistic and cheerful হৈ থাকিব পৰাটো ডাঙৰ গুণ। ধৈৰ্য্য আৰু মনৰ দৃঢ়তা বৰ মূল্যবান গুণ। নিজৰ দেশৰ উন্নতি কৰিব লাগিব, বংশৰ উন্নতি কৰিব লাগিব, এইটো সদায় মনত ৰাখিবা।

ইম্ফল

১৬।১২।৪৫

আমাৰ দেশৰ মানুহৰ চৰিত্ৰৰ দোষৰ বাবেই আমাৰ বৰ্ত্তমান দুৰ্দ্দশা হৈছে তাৰ কোনো সন্দেহ নাই। আমাৰ দুখদুৰ্গতিৰ বাবে পৰক দোষ দি একো লাভ

নাই। আমাৰ উন্নতি আমি নিজে কৰিব লাগিব। আমাৰ প্ৰধান দোষ আমি ক্ষুদ্ৰ স্বাৰ্থৰ বাবে আমাৰ মুখ্য কৰ্ত্তব্যৰ কথা পাহৰি যাওঁ। মনৰ দুৰ্ব্বলতাই ইয়াৰ প্ৰধান কাৰণ। গতিকে আমাৰ character বা moral fibre সবল নকৰিলে আমাৰ উন্নতিৰ আশা নাই। এই কথা মহাত্মা গান্ধীয়ে ভালকৈ হৃদয়ঙ্গম কৰিছে বাবেই তেওঁ আমাৰ moral upliftৰ বাবে বিশেষ চেষ্টা কৰিছে। বঙ্গদেশ আৰু মহাৰাষ্ট্ৰৰ বহুতো Political leaderএ এই কথাটো তিমান ভালৰূপে হৃদয়ঙ্গম কৰা যেন বুজা নাযায়। এওঁলোকে Politicsৰ লগত moralityৰ সম্বন্ধ থকাটো স্বীকাৰ কৰিব নোখোজে। কিন্তু মানুহৰ মনটো indivisible এটাৰ লগত এটাৰ সম্বন্ধ আছে। Strong moral fibre নথকা জাতীয়ে স্বাধীন হৈ থাকিব নোৱাৰে। Intellectual Subtility or advancementৰ লগত স্বাধীনতাৰ সম্পৰ্ক বেছি নাই। Indomitable spirit-ৰ লগতহে সাধনতাৰ সম্বন্ধ বেছি। ক্ষুদ্ৰমনা মানুহৰো তীক্ষ্ণবুদ্ধি থাকিব পাৰে। কিন্তু বীৰৰ মন ক্ষুদ্ৰ হব নোৱাৰে। বীৰৰ বুদ্ধিৰ তীক্ষ্ণতা নাথাকিবও পাৰে।

"ব্ৰিটিচ বিলাকৰ ভিতৰত বহুত দোষ আছে তাত সন্দেহ নাই। বিশেষত: ৫০ বছৰ মানৰ পৰা তেওঁলোকৰ ভিতৰত luxury বঢ়াৰ লগে লগে আৰু ধৰ্ম্মভাব কমাৰ লগে লগে নানা সামাজিক দুৰ্নীতি বাঢ়িছে। কিন্তু এতিয়াও তেওঁলোকৰ কৰ্ত্তব্যজ্ঞান, discipline, পৰিশ্ৰম কৰিবৰ শক্তি, মনৰ দৃঢ়তা, স্বদেশ-প্ৰেম আদি বহুত সৎগুণ আছে। সেই বাবে এতিয়াও তেওঁলোকৰ supremacy ৰাখিব পাৰিছে। ইটালী, স্পেন, পৰ্টুগাল প্ৰভৃতি দেশ এসময়ত ব্ৰিটেনতকৈ বেছি adventurous আৰু advanced আছিল। কিন্তু কেবা শতাব্দীৰ পৰা সেইবোৰ জাতি ব্ৰিটিচৰ পিছ পৰিল। ব্ৰিটিচ জাতি এতিয়াও পৃথিবীৰ এটি শক্তিশালী জাতি হৈ আছে। ব্ৰিটিচতকৈ আমি বেছি শক্তিশালী হবলৈ চেষ্টা কৰিব লাগিব! প্ৰত্যেক ভাৰতীয় ডেকাই এই কথাটো ভালৰূপে হৃদয়ঙ্গম যেতিয়া কৰিব তেতিয়াৰ পৰা আমাৰ উন্নতি অতি শীঘ্ৰে হব। তুমি লেখাৰ দৰে আমাৰ দেশৰ বহুতো ধনীৰ ল'ৰাই আৰু আন আন কিছুমানে নিজৰ personal comfort আৰু enjoyment-ক হে বেছি মূল্য দিয়ে। কিন্তু ভগবানৰ কৃপাত আমাৰ দেশৰ সোঁত ভালৰ পিনে বৈছে যেন বুজা যায়। কলিকতাৰ ছাত্ৰসকলে বৰ সাহ আৰু discipline দেখুৱাইছে বুলি নবেনে লেখিছে। বাজে মানুহেহে তাত মিলিটেৰী লৰী আদি জুই লগোৱা আদি কিছুমান অন্যায় কাম কৰিলে। এই সাহ, non-violence আৰু discipline মহাত্মাৰ শিক্ষাৰ ফল।"

ব্ৰিটিচৰ Family life বুলিবলৈ একোৱেই নাই বুলি তুমি যে ভাবিছা

সেইটো সম্পূৰ্ণ সত্য ধাৰণা নহয় বুলি মই ভাবোঁ। নতুন দেশলৈ গলে তাৰ বাহিৰৰ আবৰ্জ্জনাবোৰহে প্ৰথমতে চকুত পৰে। ইংৰাজ এজন কলিকতালৈ আহিলে তাত Prostituteৰ সংখ্যা দেখি আচৰিত হব। আৰু ইংৰাজজনে প্ৰথমতে চাকৰী বিচৰা বা আন প্ৰকাৰে লাভ বিচৰা কিছুমান ভাৰতীয় মানুহহে লগ পাব। ভাল, ভদ্ৰ, মধ্যবিত্ত বঙ্গালী ভদ্ৰলোকৰ পৰিয়ালৰ লগত ঘনিষ্ঠ ভাবে পৰিচিত হবলৈ ইংৰাজ এজনে কদাচিতহে সুবিধা পায়। বিশেষকৈ ইংৰাজ-জনৰ যদি vice কিছু থাকে, তেন্তে তেওঁ বেয়া শ্ৰেণীৰ মানুহৰ লগহে বেছি পাব। সমাজৰ স্বাৰ্থান্বেষী মানুহবিলাকেই প্ৰথমে নকৈ অহা বিদেশীক লগ ধৰে। যি বিলাকে আত্মমৰ্য্যদা ৰাখি চলে, সি সহজতে অচিনাকী মানুহৰ ওচৰ নাচাপে। ৺কামাখ্যা দৰ্শন কৰিবলৈ অহা কুচৰিত্ৰ বঙ্গালী ভদ্ৰলোকবোৰে কামাখ্যাৰ বেয়া মানুহকহে লগ পোৱাৰ সম্ভাৱনা বেছি। স্থানীয় সজ চৰিত্ৰৰ লোকসকলে নতুন মানুহক লগ ধৰিবলৈ নাযায। সজ চৰিত্ৰৰ যাত্ৰী হলেও তেওঁৰ ওচৰলৈ প্ৰথমতে বেয়া কিছুমান মানুহহে যাব। সৎ মানুহ বিচাৰি উলিযাবলৈ চেষ্টা কৰিব লাগে। ৺কালীঘাটলৈ গ'লে ফাঁকিবাজ সন্ন্যাসী ভিখাৰী বিলাকৰ উৎপাতত অসহ্য বোধ হয। ৺কালীঘাটত প্ৰকৃত ধাৰ্ম্মিক সন্ন্যাসীক বিচাৰি উলিওৱা টান।

ইম্ফল

২৩।১২।৪৫

জীৱনৰ উন্নতি বহু পৰিমাণে এই জীৱনৰ কৰ্ম্মৰ ওপৰত নিৰ্ভৰ কৰে। কিছু পৰিমাণে নিযতি বা অদৃষ্টৰ ওপৰতো নিৰ্ভৰ কৰে। আমাৰ দেশৰ অধিকাংশ দাৰ্শনিক পণ্ডিতৰ মতে এই অদৃষ্টও পূৰ্ব্বজন্মৰ সঞ্চিত কৰ্ম্মফল। ইহজীৱনৰ চেষ্টা অৰ্থাৎ কৰ্ম্মৰ দ্বাৰাই পূৰ্ব্বৰ সঞ্চিত কৰ্ম্মফলবো অৰ্থাৎ দৈৱবো লৰচৰ কৰিব পাৰি। আমাৰ কিছুমান কৰ্ম্ম বাহ্যিক বা কায়িক (physical), কিছুমান মানসিক। এই কৰ্ম্মৰ পৰাই আমাৰ ক্ৰমবিৱৰ্ত্তন বা evolution অৰ্থাৎ advance towards higher life বা march towards perfection হয়। যি সকল চিন্তা আৰু কৰ্ম্মৰ দ্বাৰাই বিশেষৰূপে আমাৰ আত্মাৰ উন্নতি হয় অৰ্থাৎ evolutionৰ সহায় হয় সেই বিলাকক spiritual কৰ্ম্ম বুলিব পাৰি। মানুহে সততে যি চিন্তা কৰে তাৰ স্বভাৱ বা প্ৰকৃতি (inner nature বা tendency) ও তাৰ দ্বাৰাই প্ৰভাবান্বিত হয। যেনে এটা ল'ৰাই বা ডেকাই যদি সদায় কামভাৱ বিষয়ক চিন্তা কৰে তেন্তে তাৰ প্ৰকৃতিও ক্ৰমশঃ কামভাৱ প্ৰধান হব। দেশৰ

উন্নতিৰ কথা আৰু দেশৰ কাৰণে আত্মবলিদানৰ কথা ভাবিলে ল'ৰাটি হয়তো শেহত কংগ্ৰেছৰ ভলণ্টিয়াৰ হব। চোৰৰ লগত থাকিলে চোৰ হোৱাৰ সম্ভাৱনা থাকে। কৰ্ম্মী মানুহৰ লগত থাকিলে দেখাক দেখি নিজৰো এলাহ কমে। এই বাবেই ৰাম, সীতা, লক্ষ্মণ, যুধিষ্ঠিৰ, ভীষ্ম, বুদ্ধদেৱ, যীশুখ্ৰীষ্ট আদি মহৎ চৰিত্ৰৰ লোকসকলৰ কথা সদায় ভাবিলে নিজৰ আত্মাৰ উন্নতি হোৱাটোৱেই স্বাভাবিক। ইয়াকে spiritual culture বা ধৰ্ম্মচৰ্চ্চা বোলে। ইয়াক দিনৌ দিনৌ অলপ কৰা উচিত। নহলে আমাৰ মন সংসাৰৰ সৰুসুৰা কথাত বৰ বেছি লিপ্ত হয়। ইঁহে চোতালৰ ধান খালে, ল'ৰাটোৱে বাটিটো পেলাই ভাঙিলে, অমুকে এনেকৈ কলে, আজি খোৱাটো ভাল নহল, ইত্যাদি ঘটনাই আমাৰ জীৱন অশান্তিময় কৰে। আমাৰ আত্মা যে অমৰ, আমি জগতৰ বহুত ডাঙৰ কাম কৰিব লাগিব, ইত্যাদি ডাঙৰ ভাববোৰক সংসাৰৰ নানা চিন্তাই নষ্ট কৰি পেলায। দিনৌ ৫ বা ১০ মিনিটৰ বাবে হলেও মহিমাময় পৰমেশ্বৰক চিন্তা কৰি তেওঁৰ মহৎ উদ্দেশ্য সাধনত যাতে আমি সহায় হব পাৰো তাৰ বাবে মনটো ঠিক কৰি লবলৈ চেষ্টা কৰিব লাগে—ইয়ে প্ৰাৰ্থনা"।

ইম্ফল
৬।১।৪৬

তুমি যে পৰীক্ষা পাচ কৰিবলৈ যথাসাধ্য চেষ্টা কৰি পঢ়িবলৈ ধৰিছা, ঠাই চোৱা আৰু সাধাৰণ অভিজ্ঞতা লাভ কৰাৰ কথা পাছলৈ থৈ দিছা, এইটো বৰ বুদ্ধিমানৰ কাম কৰিছা। উদ্দেশ্য সাধন কৰাটোৱে জীৱনৰ ব্ৰত হব লাগে। তেনে-হলেহে জীৱনত সফলতা লাভ কৰিব পাৰি। দুৰ্ব্বল মনৰ লোকসকলে অন্যান্য অদৰকাৰী কামত সময়ৰ অপব্যৱহাৰ কৰে। সেইবাবে প্ৰধান কাম বহুত সময়ত পণ্ড হয়"।

"ইয়াত চাউল প্ৰভৃতি বস্তু সস্তা হৈছে। গুৱাহাটীতো মাছ আদি সস্তা হৈছে। কাপোৰৰ দাম কমা নাই, নাটনিও গুচা নাই। চেনীৰ নাটনি আগৰ দৰেই গুৱাহাটীত আছে"।

মুছলমান সমস্যা সমাধানৰ বাবে আমি বিশেষ ধৈৰ্য্য ধৰিব লাগিব আৰু আমি তেওঁলোকৰ প্ৰতি উচিত মতে সদ্ব্যৱহাৰ কৰিব লাগিব। অথচ দুৰ্ব্বলতা দেখুৱাব নালাগে। তেওঁলোকৰ সমাজত সৎচিন্তা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিব লাগিব; এই বিষয়ে আমি যুগ-যুগান্ত ধৰি একো যত্নই কৰা নাই।

Surgery, throat, nose and ear specialist, ইত্যাদি বিষয়ত practice মফচলতকৈ কলিকতাতহে বেছি পোৱা যায়। আমাৰ দেশৰ মানুহে বিশেষতঃ বঙ্গদেশৰ মানুহে ডাক্তৰী পঢে টকা ঘটিবলৈহে। Higher ideal আৰু Researchৰ বাবে উৎসাহ বেছি ডাক্তৰৰ নাই। Higher ideal আৰু Religious fervour থকা উচিত। সেযেহে উন্নতিৰ বাটত আগুৱাই নিযে। Service of the poor খ্রীষ্টান ধৰ্ম্মই বিশেষকৈ শিকাইছে।

ইম্ফল

৩।২।৪৬

"তুমি নিজৰ উদ্দেশ্য সাধনৰ বাবে পৰা মানে যত্ন কৰি চোৱা। একান্ত-ভাৱে যত্ন কৰিলে ঈশ্বৰেও অনুগ্ৰহ কৰিব। God helps those who help themselves যত্ন কৰাৰ লগতে পৰমেশ্বৰৰ কৃপাও লাগে। জাৰ্ম্মান জাতিয়ে আৰু জাপানী জাতিয়ে চেষ্টাৰ ক্ৰুটি কৰা নাছিল, কিন্তু ভগবানে তেওঁলোকক জয়যুক্ত নকৰিলে। মই ভাবোঁ তেওঁলোকৰ দাম্ভিকতাৰ বাবেই তেওঁলোকে ভগবানৰ কৃপাৰ পৰা বঞ্চিত হ'ল। জাৰ্ম্মান আৰু জাপানী দুযোটা জাতি অত্যন্ত imperialist ভাৱযুক্ত আছিল। Britishও বৰ imperialist, কিন্তু আমেৰিকা আৰু ৰুচিয়া তিমান imperialist নহয। মোৰ বিশ্বাস ৰুচিয়া পৰাজিত হোৱা হলে পৃথিবীৰ অকল্যাণ হ'লহেঁতেন। দূৰদৃষ্টিৰে বিবেচনা কৰিলে যুদ্ধৰ ফল জগতৰ হিতজনক হৈছে যেন বোধহয। পৰাধীন জাতিবিলাকৰ পৰাধীনতাৰ বাবে আমিও বহুত পৰিমাণে দাযী। আমি স্বাৰ্থজড়িত হৈ নিজৰ ব্যক্তিগত স্বাৰ্থৰ কথাহে বেছি ভাবোঁ"।

"তুমি যে লেখিছা যে আমাৰ দেশৰ ডাক্তৰসকলে লগলাগি আলোচনা নকৰে, বেছি জ্ঞান লাভৰ (অৰ্থাৎ research কৰাৰ) চেষ্টা নকৰে ইয়াৰ মূলতো ক্ষুদ্ৰ স্বাৰ্থ আৰু ব্যক্তিগত গৰ্ব্ব থকাই বোধ হয। উচ্চ আদৰ্শ (যেনে জ্ঞান বঢোৱা, সমাজ কল্যাণ সাধন) কম , নিজে টকা ঘটি high style-ত থাকি দেশৰ বাকী মানুহক তুচ্ছ আৰু বৰ্ব্বৰ যেন বোধ কৰিবৰ ইচ্ছাই আমাৰ মনত প্ৰবল।"

"Christianityযে ইউৰোপৰ মানুহক কল্যাণ সাধন কৰিবলৈ উদগনি দিছে আৰু humility শিক্ষা দিছে। European Civilizationৰ দুটা ভাগ দেখা যায় :—Materialism and the Christian influence. Materialismএ

তেওঁলোকক luxurious capitalists and imperialists কৰিছে, Christianityয়ে জনসেৱা, দৰিদ্ৰ আৰু আতুৰৰ সেৱা, সত্যবাদিতা প্ৰভৃতি গুণ শিকাইছে। Materialism আৰু Christianity এই দুয়োটাই তেওঁলোকক dutiful আৰু কৰ্ম্মপটু কৰিছে। আমাৰ দেশত বহুত শতাব্দীৰ পৰা ধৰ্ম্মাচৰণ অৰ্থে সংসাৰৰ কৰ্ত্তব্যলৈ পিঠি দি গুহা-গহ্বৰত সোমাই ধ্যান কৰা বা সঙ্কীৰ্ত্তন কৰি বিহ্বলতা আনা বা আনন্দাশ্ৰুবৰ্ষণ কৰা, বা খোৱা গাধোৱা আদিত কিছুমান নিয়ম মানি চলা ইযাকে বুজাইছে। কিন্তু গীতাই অতি স্পষ্টৰূপে কৈছে যে কৰ্ত্তব্য পালনেই ধৰ্ম্ম। আমি Christianityৰ সৎশিক্ষা বিলাক অতি সাদৰেৰে গ্ৰহণ কৰিব লাগে। মুছলমান ধৰ্ম্মৰ ভাল শিক্ষাবিলাক লব লাগে। হিন্দুৱে সকলো ধৰ্ম্মকে শ্ৰদ্ধাৰ ভাবেৰে চাব লাগে। এয়ে হিন্দু ধৰ্ম্মৰ speciality আৰু উদাৰতা। Our religion does not prevent us from taking what is really good in other religions or systems."

আমাৰ বহুত শিক্ষিত ডেকাই European আৰু American সকলৰ বৰ্ত্তমান উন্নতিৰ কাৰণ ভুলকৈ তেওঁলোকৰ বাহ্যিক ৰীতিনীতিয়েই বুলি ভাবে। যেনে আগেয়ে কিছুমান ইংৰাজী শিক্ষিত ভাৰতীয় ডেকাই প্ৰচাৰ কৰিছিল যে চাহেবসকলে মাংস, মদ খায় বাবে, তেওঁলোক energetic, healthy আৰু কাৰ্য্যদক্ষ হয় ইত্যাদি। এই সকল কথাত সামান্য মাত্ৰ সত্য আছে। Good dietৰ মূল্য আছে সঁচা, কিন্তু মদ খোৱাৰ পৰা উপকাৰতকৈ অপকাৰৰ মাত্ৰাই বৰ বেছি। মোৰ দৃঢ় বিশ্বাস যে ইউৰোপীয় সকলৰ উন্নতিৰ মূলত Christian teachingৰ বিশেষ প্ৰভাৱ আছে। সমাজৰ কল্যাণৰ কাৰণে যথাসাধ্য চেষ্টা কৰিব লাগিব। এইটো Christianityৰ প্ৰধান শিক্ষা। ইংৰাজৰ সামাজিক জীৱনত আগেয়ে যি purity, austerity আৰু discipline আছিল Christianityৰ প্ৰভাৱত সেই ৰকম শিক্ষা হৈছিল। এতিযা তেওঁলোকৰ সামাজিক জীৱনত বহুত বিশৃঙ্খলা সোমাব ধৰিছে। আমাৰ বহুত ডেকাই এই বিশৃঙ্খলাবোৰকে তেওঁলোকৰ (ইংৰাজৰ) সৎগুণ বুলি ভাবে।

১৫।৪।৪৬

মোৰ বেদনাটো গুচা নাই। ৪ এপ্ৰিলৰ পৰা এজন naturopathৰ চিকিৎসাত আছোঁ। তেওঁ দৰৱ খাবলৈ নিদিয়ে। Fasting, diet control,

Hydropathy, Sun-bath প্রভৃতি প্রক্রিয়াৰ দ্বাৰাই চিকিৎসা কৰে। T B., Diabetes, Paralysis প্রভৃতি ৰোগৰ ৰোগীও বোলে বহুতে তেওঁৰ চিকিৎসাত আৰোগ্যলাভ কৰিছে। মানুহজনে কাৰো পৰা পয়চা নলয় অথচ দুখীয়া মানুহ, I A. plucked, ডেকা মানুহ। Culture Centre নামে আশ্রম এখন পাতি তাত H E School, Physical Culture Institute আৰু নৃত্যগীতৰ স্কুল আৰম্ভ কৰিছে। ভাল মাটি আৰু ঘৰ মিলিটেৰীৰ পৰা অতি কম দামত লৈছে। মানুহৰ earnestness থাকিলে কিমান কাম কৰিব পাৰে এই ডেকাজন তাৰ নিদর্শন। তেওঁৰ চিকিৎসাত মোৰ বেদনাটো বহুত পৰিমাণে কমিছে। তেওঁ মোক কৈছে যে tonsilitis adenoids প্রভৃতি অতি শীঘ্রে সম্পূর্ণৰূপে তেওঁ ভাল কৰিব পাৰে। কিছুমান ডেকাই অনাথ আশ্রম এখন স্থাপন কৰিছে, তাতো এওঁৰ যোগ আছে।”

“ইংৰাজবিলাকৰ formality বেছি আৰু নিজৰ ঘৰখন আনক দেখুৱাবলৈ তেওঁলোকে ভাল নাপায়। আমি দাৰিদ্র্যক তিমান ভয় নকৰোঁ।”

“তুমি পৰীক্ষাৰ বাবে দুশ্চিন্তা নকৰিবা। Hard work with cheerfulness বেছি প্রয়োজনীয়। Leave the consequences to God. এয়ে গীতাৰ শিক্ষা। “Fear God Do your duty. Fear no man.” এইটো এজন জ্ঞানী মানুহৰ উপদেশ।”

ইম্ফল
২৫।১।৪৭

সদায় ঈশ্বৰক স্মৰণ কৰা সময়ত তোমালোকৰ প্রত্যেকৰ বাবে ভগবানক প্রার্থনা কৰোঁ। মই প্রার্থনাৰ পৰা ফল হয় বুলি বিশ্বাস কৰোঁ। প্রার্থনাৰ পৰা প্রার্থনা কৰাজনৰ উপকাৰ হয় এইটো বিশ্বাস কৰা সহজ। কাৰণ সৎচিন্তাৰ পৰা মানুহৰ মনৰ আৰু চৰিত্রৰ উন্নতি হয় এইটো প্রায় লোকেই বিশ্বাস কৰে। নিজৰ চিন্তাৰ লগত নিজৰ কর্ম্মৰ বহুত পৰিমাণে সম্বন্ধ আছে এই কথাত সন্দেহ নাই। যিজনে দেশৰ কথা বেছিকৈ ভাৱে তেওঁৰ কর্ম্মতো সেই ভাব কিছু পৰিমাণে প্রকাশিত হোৱাৰ সম্ভাবনা। হিটলাৰৰ যি সকল ভাব আছিল সেই ভাব অনুসাৰে তেওঁ আৰু অনুচৰবর্গই কাম কৰিবলৈ চেষ্টা কৰিছিল। বলছেভিক-বিলাকৰ ভাব অনুসাৰে কাম কৰিবলৈ চেষ্টা কৰে, নাৎসীবিলাকে তেওঁলোকৰ ভাব মতে কাম কৰিবলৈ বিচাৰে। এইৰূপে দেখা যায় যে মানুহৰ চিন্তা

আৰু ভাবৰ প্ৰভাবত যুদ্ধ-বিগ্ৰহ, মিত্ৰতা আদি ঘটে। প্ৰাৰ্থনা (prayer) হৈছে নিজে যিটো ভাল বুলি ভাবা, সেইটো কাৰ্য্যত পৰিণত কৰিবলৈ ঈশ্বৰক শক্তিৰ সহায় খোজা। ঈশ্বৰ নাথাকিলেও আৰু ঐশ্বৰিক শক্তিয়ে সহায় নকৰিলেও প্ৰাৰ্থনা কৰোঁতাজনে দিনৌ ভাল ভাববোৰ মনলৈ আনি একান্তভাবে তেওঁৰ আকাঙ্ক্ষাবোৰ কাৰ্য্যত পৰিণত কৰাৰ ইচ্ছা কৰাৰ পৰা তেওঁৰ মনৰ গতি আৰু চৰিত্ৰৰ গঠন প্ৰভাবান্বিত হয়। এইটো বুজা সহজ। ভাল কিতাপ পঢ়া, সাধুজনৰ সংসৰ্গত থকা, ৰাম সীতা, ভীষ্ম, যুধিষ্ঠিৰ, যীশু, বুদ্ধদেৱ, মহম্মদ, ৰামকৃষ্ণ পৰমহংস, গান্ধী প্ৰভৃতিৰ আদৰ্শ বিষযে দিনৌ চিন্তা কৰা আৰু তেওঁলোকৰ সৎকাম বিষয়ে আলোচনা কৰাৰপৰা আমাৰ মন আৰু চৰিত্ৰৰ যে বহুত উন্নতি হব পাৰে তাৰ সন্দেহ নাই। এইবাবেই গীতা, ভাগৱত, বাইবেল, ৰামায়ণ আদি গ্ৰন্থ ভাল মনেৰে পাঠ কৰাৰপৰা অত্যন্ত উপকাৰ হয। কিন্তু পঢ়োঁতাজনে কেনে মন লৈ পঢ়ে তাৰ ওপৰত ফল নিৰ্ভৰ কৰে। মহাত্মা গান্ধীক বহুতে গালি পাৰে, বাইবেল, কোৰাণ প্ৰভৃতি শাস্ত্ৰক তীব্ৰ ভাবে নিন্দা কৰা লোকো বহুত আছে। এওঁলোকে এইবোৰ শাস্ত্ৰ অত্যন্ত critically আৰু বিৰুদ্ধ ভাব ৰাখি পঢ়িবলৈ আৰম্ভ কৰাৰ ফলত তেওঁলোকৰ চকুত এইবোৰ শাস্ত্ৰৰ দোষবিলাকহে বেছি ধৰা পৰে। Reverential attitude লৈ পঢ়া আৰু fault finding attitude লৈ পঢ়া এই দুটাৰ ফল বেলেগ বেলেগ হয। তোমাৰ পিতাৰ কিছুমান সদ্‌গুণ আছে, তেওঁৰ আপোন মানুহ, বন্ধুবান্ধৱসকলে সেই সদ্‌গুণৰ বাবে মুগ্ধ। তেওঁৰ বেয়া গুণো কিছু নিশ্চয়ে আছে। তেওঁৰ শত্ৰুসকলে সেইবিলাককহে খুচৰি খুচৰি আলোচনা কৰিব আৰু প্ৰকাশ কৰিবলৈ চেষ্টা কৰিব। কিন্তু তাৰপৰা সমাজৰ অপকাৰহে বেছি হয। আমাৰ সমাজত যে পিতৃ-মাতৃ আদি পূৰ্ব্বপুৰুষৰ শ্ৰাদ্ধ আৰু তৰ্পণ কৰাৰ ৰীতি আছে তাৰো মূল উপকাৰিতা এই যে তেওঁলোকৰ স্নেহ, প্ৰেম আদি স্মৰণ কৰি আমি ভাল হোৱা। এই সকল হ'ল Subjective effects of prayer and good thoughts (অৰ্থাৎ প্ৰাৰ্থনা কৰোঁতা বা সৎচিন্তা কৰোঁতাজনৰ নিজৰ উপকাৰ)। দ্বিতীয়তঃ চাব লাগে যে prayerৰ বা good wishesৰ objective effect আছে নে নাই অৰ্থাৎ তাৰপৰা অপৰৰ উপকাৰ সাধিত হযনে নহয়। মোৰ মনৰ ভাববোৰ অপৰে জানিব পাৰিলে অপৰে তাৰ পৰা ভাল বা বেয়া ফল পাব তাৰ সন্দেহ নাই। Karl Marxৰ কিতাপ আদি পঢ়ি বলছেভিকবাদীসকলৰ সৃষ্টি হৈছে। যীশুখৃষ্টৰ বাণী পঢ়ি কত লোকে পৰৰ উপকাৰৰ বাবে জীৱন দিছে। যীশুখৃষ্টতকৈ তেওঁৰ শিষ্য যিসকল Saint শ্ৰেণীত গণ্য হৈছে তেওঁলোক কম পূজ্য নহয়। মহাত্মাৰ প্ৰভাৱত কত লোকে

প্ৰাণ পৰ্যন্ত বিসৰ্জ্জন দিছে। কিন্তু মোৰ প্ৰাৰ্থনাৰ বিষয়ে অপৰে একো গম নাপায়, তেনেস্থলত মোৰ প্ৰাৰ্থনাই অপৰৰ উপকাৰ অলপো কৰিব পাৰেনে? আশীৰ্ব্বাদৰ বা good wishesৰ ফল বা শাও দিয়াৰ ফল আছেনে নাই? এই সকলৰ প্ৰকাশত ফল আছে কিন্তু অপ্ৰকাশিত থাকিলে objective effect আছেনে নাই? Soul force বা will forceৰ efficacy বা action যদি আছে তেন্তে প্ৰাৰ্থনা, আশীৰ্ব্বাদ আৰু শাওৰ objective effect নিশ্চয় আছে। Soul force বা will forceত মই বিশ্বাস কৰোঁ। Personalityও প্ৰায় মানুহে বিশ্বাস কৰে। এই Personalityটো মোৰ মনেৰে Soul forceৰ বিকাশ মাত্ৰ। মই যদি একান্তভাবে 'তোমাৰ হিত হওক' এই প্ৰাৰ্থনা কৰোঁ তেন্তে তাৰ ফলত তোমাৰ কিছু হিত হব এইটো মই বিশ্বাস কৰোঁ। মানুহৰ চিন্তাশক্তিৰ বিষয়ে এতিয়াও ভাল study হোৱা নাই। কিন্তু ইয়াৰ যে অস্তিত্ব আছে তাৰ কোনো সন্দেহ নাই। Ethereal wave যেনেকৈ যায় মনৰ চিন্তাৰ ঢৌও তেনেৰূপে কিবা প্ৰকাৰে চলে বুলি মই ভাবোঁ। কিছুমান কাৰ্য্যৰ ফল আমি হাতে হাতে পাওঁ। যেনে Surgical operationৰ ফল বা Castor Oil বা virulent poison খোৱাৰ ফল অতিশীঘ্ৰে দেখা যায়। Vitamin A, B, C, D, E প্ৰভৃতিৰ ফল ইমান শীঘ্ৰে সাধাৰণ লোকে বুজিব নোৱাৰে। তেনেকৈ Fresh airৰ উপকাৰিতা Sunshineৰ action, genus বিলাকৰ action সাধাৰণ লোকে ধৰিবলৈ সহজতে নোৱাৰে। Tobaccoৰ evil effect ভালকৈ জানিলে ধঁপাত খোৱা মানুহৰ সংখ্যা বহুত কমিলহেঁতেন। সৎ-আলোচনা, সত্যবাদিতা প্ৰভৃতি mental operationৰ efficacy বুজা মানুহৰ সংখ্যা বহুত কম। ঈশ্বৰৰ বিশ্বাস, প্ৰাৰ্থনাৰ উপকাৰিতা ইত্যাদি বিষযে প্ৰকৃত মৰ্ম্ম অৱগত থকা মানুহ অত্যন্ত কম। কিন্তু এইবিলাক ভ্ৰান্তি মাত্ৰ বুলি মই নাভাবোঁ। নাভাবাৰ কাৰণ বহুতো আছে। Moral lawsৰ efficacy সম্বন্ধে আজিকালি প্ৰায় চিন্তাশীল লোকেই একমত। Why moral laws are efficacious? এই কথাটো তুমি দকৈ ভাবি চাবাচোন।"

ইম্ফল

২৯।৬।৪৭

"কালি গবৰ্ণৰ চাৰ আকবৰ হাইদাৰী ইয়ালৈ আহিছে। পৰহিলৈ যাব। মণিপুৰৰ শাসনপদ্ধতিৰ বৰ পৰিবৰ্ত্তন হব। ইয়াত কিছু অশান্তিও হব পাৰে।

চিলেট জিলা আসামতে থাকে নে পূৰ্ব্ববঙ্গত ভুক্ত হয় এই কথা অলপতে স্থিৰ হব। কি হব কোনেও ঠিককৈ কব নোৱাৰে। মই আগেযে চিলেট গলে বৰ ভাল পোৱা আছিলোঁ। কিন্তু এতিয়া পাকিস্তানৰ ৰাজ্য বঢ়োৱাৰ সপক্ষে মই নহয়। যদিও বহুত কাৰণত চিলটীয়া সকলৰ লগত আমাৰ নানা অমিল আছে তথাপি তেওঁলোকে আৰু আমি ভাৰতীয় আৰু members of the same nation মি: জিন্নাৰ two nation theoryত মোৰ বিশ্বাস নাই। মুছলমান সকলৰ ধৰ্ম্মান্ধতাৰ সহাযত জিন্নাই আৰু ব্রিটিছে যি প্রবল হিন্দু বিদ্বেষৰ সৃষ্টি কৰিলে আৰু হিন্দুসকলৰ মনতো মুছলমানৰ প্রতি বিদ্বেষ ভাবৰ সৃষ্টি হ'ল, ইযাৰ দ্বাৰাই হিন্দুৰ অথবা মুছলমানৰ হিত হব বুলি মই নাভাবোঁ। এই বিদ্বেষ সৃষ্টি হোৱাৰ ফলত কলিকতাত আৰু পঞ্জাবত এতিযাও দুয়োপক্ষৰ জীৱন আৰু সম্পত্তি নষ্ট হব লাগিছে। এই বিদ্বেষ ভাবটো fireৰ নিচিনা হৈ থকাটোৱে সৰ্ব্বাপেক্ষা বেযা। এইসকল দুৰ্গতিৰ মূল ক'ত? মূল হৈছে আমাৰ মনৰ অনুদাৰতা যাৰ ফলত নিম্ন শ্রেণীৰ হিন্দু মুছলমান হয। গৃহবিবাদ হৈ পৰক আপোন ভাব কৰোঁ, অথচ নিজৰ মানুহক হত্যা কৰিবলৈ উৎসাহ বোধ কৰো। প্রেমৰ অভাবেই এই সকল দুৰ্গতিৰ মূল কাৰণ। Muslim Leagueৰ মনোভাবৰ সৃষ্টি হৈছে মুছলমান সকলৰ মুছলমানৰ প্রতি অন্যায স্নেহ বা ভাতৃভাব, যাৰ ফলত মুছলমানে অতি অসৎ কাম কৰিলেও তেওঁলোকে তাক বেযা নোবোলে, অমুছলমানৰ প্রতি স্নেহৰ অভাৱ আৰু ইংৰাজৰ স্বাৰ্থপৰতা এই কেইটাৰ পৰা। আমি হিন্দু-সকলে এইবিলাক copy কৰা উচিত নহয। হিন্দুসকল weak হব নালাগে, কিন্তু তেওঁলোক বিদ্বেষভাবযুক্তও হব নেলাগে।"

"ভাৰতৰ ভৱিষ্যত আশাজনক বুলি মই ভাবোঁ। আমাৰ বহুত দোষ আছে, কিন্তু শীঘ্রে এইবিলাক যাব বুলি ভাবিব পৰা হৈছোঁ"।

সৰু বোৱাৰীয়েক শ্রীঅনুপমা দেবীলৈ লিখা কেইখনমান চিঠি।

নগাওঁ

২৬ আঘোণ ১৮৬৫ শক

আমাৰ মানুহে ভাবে কাম নকৰি বহি থকাটোৱেই সুখ। এইটো অতি মূৰ্খ মানুহৰ কথা। সংসাৰত বেছি ভাল কাম কৰিব পৰাটোৱেই আচল ভাগ্যৰ কথা। যিসকল মানুহে বা তিৰোতাই আনে কৰিব নোৱাৰা কাম কৰি গৈছে তেওঁ-

লোকৰ নাম চিৰস্মৰণীয় হৈ আছে, যেনে—ৰামচন্দ্ৰ, যুধিষ্ঠিৰ, ভীষ্ম, অৰ্জ্জুন, ৰাণা প্ৰতাপ, আকবৰ, বুদ্ধদেৱ, নেপোলিয়ন, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, ভাস্কৰবৰ্ম্মা, নৰনাৰায়ণ ৰজা, চিলাৰায, অহল্যাবাঈ, মীৰাবাই, জয়মতী, সীতা, সাবিত্ৰী ইত্যাদি। এওঁলোকে জীৱনত বহুত কষ্ট পাইছিল, তথাপি আমি এওঁলোকক শ্ৰেষ্ঠ মানৱ বুলি মানো। এই সকলৰ জীৱন জানিবলৈ চেষ্টা কৰিবা।

ইম্ফল

১লা মাঘ ১৮৬৬ শক

* * পূৰ্ব্বজন্মৰ কৰ্ম্মফল আৰু এই জীৱনৰ কৰ্ম্মফল মানুহে ভোগ কৰে। আগৰ জন্মবিলাকৰ কৰ্ম্মফলকে মানুহৰ দৈৱ বা কপালৰ লেখন বুলি কয়। এই জন্মৰ কৰ্ম্মদ্বাৰাই আগৰ জন্মৰ কৰ্ম্মফল খণ্ডন নিযাব পাৰি। যেনে, সাবিত্ৰীয়ে নিজৰ পুণ্যৰ দ্বাৰাই তেওঁৰ কপালত লিখা বৈধব্যদোষ গুচাবলৈ পাৰিছিল। দৈবৰ লিখন গুচাবলৈ বৰ সাধনাৰ অৰ্থাৎ চেষ্টাৰ প্ৰযোজন হয। সকলোবিলাক দৈবৰ লিখন গুচাবলৈ নোৱাৰি। দৈবত যিয়েই থাকক মানুহে ঈশ্বৰত ভক্তি ৰাখি সৎভাৱে নিজৰ কৰ্ত্তব্য কৰি যাব লাগে। ফলদিওঁতা ঈশ্বৰ। বিপদতো ধৈৰ্য্য হেৰুৱাব নালাগে। সদায মনত সাহ আৰু আনন্দ ভাব ৰাখিব লাগে।

ডিব্ৰুগড

৯।১।৪৪

* * তোমালোকৰ পৰীক্ষা কেতিযাকৈ হব? পৰীক্ষাৰ বাবে বিশেষ চেষ্টাকৈ পঢ়িবা। যেতিযা যিহকে কৰা তাকে ভালকৈ আৰু সুন্দৰকৈ কৰিবলৈ চেষ্টা কৰিবা। এইদৰেই কাম কৰিলেই সকলো কামতে কৃতকাৰ্য্য হব পাৰিবা। কামত পাৰ্গতালি লাভ কৰাটো চেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে। ভালৰূপে চেষ্টা কৰিলে বুদ্ধি নথকা মানুহেও পণ্ডিত হব পাৰে। বুদ্ধি থকা মানুহেও যদি বিদ্যা আৰ্জ্জিবলৈ চেষ্টা নকৰে তেনেহলে মূৰ্খ হৈ থাকে। গতিকে বুদ্ধিতকৈ চেষ্টাৰ মূল্য বেছি। চেষ্টা কৰিব পৰা শক্তিটো বাঢে সদায চেষ্টা কৰি থকাৰ ফলত। মনৰ বল থাকিলেও বেছিকৈ চেষ্টা কৰিব পাৰি। বুদ্ধিতকৈ মনৰ বল বেছি মূল্যবান। প্ৰত্যেক মানুহে শৰীৰলৈ বল বচাবৰ আৰু মনৰ বল বঢ়াবলৈ চেষ্টা কৰিব

লাগে। চেষ্টা কৰোঁতে কৰোঁতে নিজৰ উন্নতি হয়। চেষ্টাৰ বলত বুদ্ধি নথকা মানুহেও বিদ্যা আৰ্জ্জিব পাৰে, দুখীয়া মানুহো ধনী হব পাৰে আৰু দুৰ্ব্বল মানুহো বলী হব পাৰে। ডাঠ মনৰ মানুহে একেৰাহে বেছি চেষ্টা কৰিব পাৰে। দুৰ্ব্বল মনৰ মানুহে বেছি বেলি এটা কামত লাগি থাকিব নোৱাৰে। গতিকে মনটো ডাঠ কৰিবলৈ চেষ্টা কৰিবা।

ধুবুড়ী
৪।১।৪৪

* * আমি উন্নতি কৰিবলৈ সদায় চেষ্টা কৰিব লাগে। আমাৰ নিজৰ উন্নতিৰ বাবে, আমাৰ আপোন মানুহৰ উন্নতিৰ বাবে আৰু আমাৰ দোষবোৰ যাতে গুচে তাৰ বাবে সদায় যত্ন কৰা উচিত। নিজৰ উন্নতিৰ বাবে আৰু আপোন মানুহৰ উন্নতিৰ বাবে সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিব লাগে। যি মানুহে চেষ্টা নকৰে তাৰ কাম প্ৰায় সিদ্ধ নহয। কিন্তু নিজৰ চেষ্টাৰেই সকলো কাম কৰিব নোৱাৰি, পৰমেশ্বৰৰ কৃপাও লাগে। ভাগ্য, নিজৰ চেষ্টা আৰু পৰিশ্ৰম আৰু পৰমেশ্বৰৰ দয়া এই তিনিওটা লাগে। ভাগ্যৰ ফলকো চেষ্টা দ্বাৰা কিছু লৰচৰ (অৰ্থাৎ কম-বেছি) কৰিব পাৰি। পৰমেশ্বৰক ভক্তি কৰি একান্ত মনে সদাই প্ৰাৰ্থনা কৰিব লাগিব। "God helps those who help themselves" অৰ্থাৎ যিবিলাক মানুহে নিজৰ উন্নতিৰ বাবে যত্ন কৰে ঈশ্বৰেও তেওঁলোকক সহায় কৰে। এলেহুৱা মানুহক ঈশ্বৰেও ভাল নাপায়। সৎ মানুহক আৰু কামিলা মানুহক মানুহেও ভাল পায়, ঈশ্বৰেও ভাল পায়।

ধুবুড়ী
১৮।৯।৪৪

* * যিবিলাক কাম কৰিবলৈ মন নেযায অথচ কৰিবলগীয়া কাম সেইবিলাককে প্ৰথমতে কৰিব লাগে। তেনেহলে মনটোক শাসন কৰিবৰ শক্তি বাঢে, আনন্দ পোৱা যায়। আমমি লগা কামকে আগেয়ে কৰি ললে আন কামবোৰ কৰিবলৈ সহজ হয়। যিখন কিতাপ পঢ়িবলৈ টান পোৱা সেইখনকে আগেয়ে পঢ়িবলৈ আৰম্ভ কৰিব লাগে আৰু ঘূৰাই ঘূৰাই কেইবাবাৰো পঢ়িব লাগে। তেনেহলে টান কিতাপখনো সহজ হৈ যায়। এইদৰে টান কাম কৰিবলৈ অভ্যাস কৰিব লাগে। ইয়াৰ দ্বাৰা মন ডাঠ হয় আৰু সাহ বাঢ়ে। দুৰ্ব্বল মনৰ

মানুহৰ জীৱনত বহুত কষ্ট ভোগ আৰু লাঞ্ছনা ভোগ ঘটে। ভাঠ মনৰ মানুহক মানুহে সম্মান কৰে।

বুদ্ধি চোকা হোৱাতকৈও আৰু বেছি লেখাপঢ়া শিকাতকৈও ভাঠ মন থকাটো বেছি ভাল। শিক্ষিত মানুহৰো যদি মনটো পাতল হয় তেন্তে তেওঁ ধৰ্ম্ম পথত থাকিব নোৱাৰে। হিন্দুস্থানীত এজন জ্ঞানী মানুহে লেখি থৈ গৈছে :—

"ৰাজা কৰে ৰাজ্য বশ্, বীৰ কৰে ৰণ জয়,
আপন্ মনকো বশ্ কৰে যো সবসে সেৰা ৱোই।"

"সেৰা" মানে প্ৰধান। পদটোৰ অৰ্থ এই যে ৰজাই ৰাজ্য শাসন কৰে; বীৰ মানুহে যুদ্ধত জয়লাভ কৰে। কিন্তু যিজনে নিজৰ মনক শাসন বা জয় কৰিব পাৰে সকলোতকৈ তেওঁহে ডাঙ্গৰ।

ইম্ফল
১৮।২।৪৫

* * ইয়াৰ মণিপুৰৰ মানুহৰ ভাষা তেনেই বেলেগ। "মই ভাত খাওঁ" ইয়াৰ মণিপুৰী হৈছে :—ঐ চাক্চাৰি। "এইটো কি নদী?" ইয়াৰ মণিপুৰী :— "মাসি অসি তুৰেল্লো?" "চ" আৰু "ম"ৰ উচ্চাৰণ বঙ্গালীত যেনে, তেনে ৰকমৰ। নাচ, গান, যাত্ৰা, থিয়েটাৰ প্ৰভৃতিৰ চলন বৰ বেছি। সকলো ঘৰৰ তিৰুতা মানুহে বাজত ওলাই সোমাই ফুৰে। বজাৰৰ বেছিৰ ভাগ দোকান পোহাৰ তিৰোতাই দিয়ে। হিন্দুমানুহবোৰ চৈতন্য পন্থৰ্ বৈষ্ণৱ। সংকীৰ্ত্তন আৰু ৰামলীলা, গোষ্ঠলীলা আদি অভিনয় মন্দিৰবিলাকত আৰু মানুহৰ ঘৰে ঘৰে প্ৰায় হৈ থাকে। গান প্ৰায় বঙ্গালী ভাষাৰ আৰু হিন্দুস্থানী ভাষাৰ। যাত্ৰা বঙ্গালী ভাষাত বা ব্ৰজবুলী ভাষাত বা মণিপুৰীত কৰে। ঘোড়াদৌৰ আৰু পলো খেলো মাজে মাজে হয়। তোমালোকক মোৰ স্নেহাশীৰ্ব্বাদ দিলোঁ।

ইম্ফল
৪।১১।৪৫

* * আমাৰ দেশৰ জ্ঞানী লোক সকলে শিক্ষা দিয়ে যে আনে তেওঁলোকৰ কৰ্ত্তব্য পালন নকৰিলেও আমি সেইবাবে আমাৰ কৰ্ত্তব্য নকৰা উচিত নহয়। আনে যিহকে নকৰক আমি নিজৰ কৰ্ত্তব্য কৰি থব লাগে—এই উপদেশটো মূল্যবান। আমাৰ শাস্ত্ৰই শিক্ষা দিয়ে যে বাপেক মাকে যদি তেওঁলোকৰ

লৰাছোৱালীৰ প্ৰতি ভাল ব্যৱহাৰ নকৰেও তথাপি লৰাছোৱালীয়ে বাপেকমাকৰ প্ৰতি উপযুক্ত ব্যৱহাৰ কৰিব লাগে। গিৰিয়েকে ঘৈণীয়েকৰ প্ৰতি বেয়া ব্যৱহাৰ কৰিলেও ঘৈণীয়েকে গিৰিযেকক নিয়মমতে সেৱা ভক্তি কৰিব লাগে আৰু ভাল পাব লাগে, আৰু ঘৈণীয়েক বেয়া হলেও গিৰিযেকে ঘৈণীয়েকৰ প্ৰতি সদয় ব্যৱহাৰ কৰিব লাগে আৰু ধৈৰ্য্য ধৰি সৎপথলৈ আনিবলৈ চেষ্টা কৰিব লাগে। তেনেকৈ আমাৰ ওচৰ চুবুৰীয়া যদি বেযা হয় আৰু তেওঁলোকে যদি আমাৰ প্ৰতি যদি বেয়া ব্যৱহাৰ কৰে তেন্তে আমি ওভোতাই তেওঁলোকৰ প্ৰতি বেয়া ব্যৱহাৰ কৰিব নালাগে, আমি তেওঁলোকৰ প্ৰতি উচিত ব্যৱহাৰ কৰিব লাগে। ল'ৰাছোৱালীয়ে দুষ্টালি কৰিলে বাপেকমাকে সিহঁতক শাসন কৰে আৰু সিহঁতক কেতিয়াবা শাস্তিও দিয়ে সিহঁতক ভাল কৰাৰ উদ্দেশ্য। লৰাছোৱালীৰ প্ৰতিহিংসা ভাব কৰি বা সিহঁতৰ দোষৰ বাবে ক্ৰোধান্ধ হৈ সিহঁতক শাস্তি দিযা বৰ অনুচিত। ওচৰ চুবুৰীয়াৰ বেলিকাও সেই একে নিয়মকে খটাব লাগে। গুৰুৱে শিষ্যক প্ৰহাৰো কৰিব পাৰে, কিন্তু শিষ্যৰ উপকাৰৰ বাবে হে শিষ্যক শাস্তি দিয়া উচিত, ক্ৰোধান্ধ হৈ শাস্তি দিয়া বৰ গৰ্হিত কাম।

ইহুদীজাতিৰ মাজত মোজেজ (Moses) নামেৰে এজন জ্ঞানী পুৰুষ জন্মিছিল। তেওঁ মানুহক ৰীতিনীতি সম্বন্ধে উপদেশ দিছিল। তেওঁ উপদেশ দিছিল :—"Eye for eye and tooth to tooth" অৰ্থাৎ চকুৰ পৰিবৰ্ত্তে চকু আৰু দাঁতৰ বাবে দাঁত। ইযাৰ অৰ্থ এই যে এজনে যদি আন এজনৰ চকু নষ্ট কৰে বা দাঁত এটা ভাঙ্গি পেলায় তেন্তে দোষীজনৰো চকু নষ্ট কৰা বা দাঁত এটা ভাঙ্গি পেলোৱা ন্যায়সঙ্গত। যীশুখ্ৰীষ্টই বহুত কাল পাছত ইহুদী বংশতে জন্ম-গ্ৰহণ কৰিছিল। তেওঁ উপদেশ দিলে যে যদি এজনে তোমাৰ এখন গালত এটা চৰ মাৰে তেন্তে তাক ইখন গালো পাতি দিবা। ইয়াৰ অৰ্থ এই যে আনে তোমাৰ অনিষ্ট কৰিলে তুমিও তাৰ দৰে বেয়া কাম নকৰিবা, তাৰ সুখৰ বাবে হে যত্ন কৰিবা। যীশুখ্ৰীষ্টই আৰু উপদেশ দিছিল যে পাপক ঘিণাবা কিন্তু পাপীক নিঘিণাবা। ইয়াৰ অৰ্থ এই যে তুমি নিজে কদাপি পাপ নকৰিবা কিন্তু আন এজনে পাপ কৰিছে বুলি সেই মানুহজনক নিঘিণাবা, সেই মানুহজনক পুতৌ কৰিবা আৰু তাক ভাল কৰিবলৈ চেষ্টা কৰিবা। যেনে কুষ্ঠৰোগ বৰ বেয়া তাক আমি ভয় কৰোঁ; কিন্তু কুষ্ঠৰোগীক ভাল কৰিবলৈ চেষ্টা কৰিব লাগে। আনক কষ্ট দিয়াতো পাপ, আনক আনন্দ দিয়াটো পুণ্য, এই উপদেশ বুদ্ধদেৱে আৰু যীশুখ্ৰীষ্টই বিশেষৰূপে শিকাইছে। "পৰোপকাৰো; পুণ্যায়"।

গতিকে অন্যে তোমাৰ অনিষ্ট কৰিলেও তুমি তাৰ উপকাৰৰ বাবেহে যত্ন

কৰা উচিত এই কথা সদায় মনত ৰাখিবলৈ চেষ্টা কৰিবা। মোৰ স্নেহ আশীৰ্ব্বাদ লবা।

ইম্ফল

৩০।১১।৪৫

* * মই তোমালৈ চিঠিত মাজে মাজে যি উপদেশৰ কথা লেখোঁ তুমি নিজে ভাবি চাই সেই উপদেশ ভাল বুলি ভাবিলে সেইমতে কাম কৰিবলৈ চেষ্টা কৰিবা। নিজে সকলো কথা দকৈ ভাবিবলৈ অভ্যাস কৰা উচিত। সুবুজাকৈয়ে গুৰুজনৰ কথা মানি লোৱাও ভাল, কিন্তু গুৰুজনৰ কথা ভালৰূপে বুজিবলৈ চেষ্টা কৰাটো বেছি ভাল। সেই কাৰণে সুবুজা কথা অৰ্থ সুধি লব লাগে। এনেকৈহে জ্ঞান লাভ কৰিব পাৰি। যি মানুহে ভয় বা লাজ কৰি সুবুজা কথাটোৰ অৰ্থ সুধিবলৈ বেয়া পায় সেই মানুহে নজনা অৱস্থাতে থাকে। নিজৰ দোষবিলাক শুধৰাই লবলৈ যিজনে চেষ্টা কৰে সেইজনৰ লাহে লাহে দোষ নোহোৱা হয়। এই কাৰণেই ৰোমান কেথলিক খ্ৰীষ্টান বিলাকৰ ভিতৰত পুৰোহিত বা গুৰুৰ ওচৰত নিজৰ পাপবোৰ প্ৰকাশ কৰি কোৱাৰ নিয়ম আছে। ইয়াক confession বোলে। নিজৰ দোষ বা ত্ৰুটি থাকিলেই তাৰ বাবে অতিৰিক্ত দুখ বা লাজ কৰা উচিত নহয়। সেই দোষ আৰু ত্ৰুটিবোৰ গুচাবলৈ হে একান্ত মনে চেষ্টা কৰিব লাগে। মানুহমাত্ৰৰে কিছুমান দোষ আৰু কিছুমান গুণ থাকে। নিজৰ গুণৰ বাবে মনত অহঙ্কাৰৰ ভাব ৰাখিব নালাগে আৰু আনৰ দোষৰ বাবে আনক ঘৃণা কৰিব নালাগে। লাহে লাহে বহুত চেষ্টাৰ ফলত মানুহৰ ক্ৰমশঃ উন্নতি হয়। উপদেশ দিয়াটো সহজ কিন্তু উপদেশ মতে চলাটো বৰ টান। আমি সকলোৱে জানো যে সময়ৰ কাম সময়ত কৰিব লাগে, কাম পিছুলৈ পেলাই থব নালাগে, আমি জানো যে একান্তভাবে ঈশ্বৰক ভক্তি কৰিব লাগে, এইদৰে আমি বহুতো কথা ভাল বুলি জানো আৰু বহুত বেয়া বুলি জানো। কিন্তু সেইমতে সকলো সময়ত কৰিব নোৱাৰোঁ। চেষ্টা কৰোঁতে কৰোঁতে ভাল অভ্যাসবোৰ হয়। যি মানুহৰ মনৰ বল বেছি সি সোনকালে ভাল হব পাৰে। যদি ভাল হবলৈ চেষ্টা কৰে চেষ্টা কৰোঁতে কৰোঁতে মনৰ বল বাঢ়ে। নিজকে সামান্য বুলি ভাবিব নালাগে। চেষ্টা কৰিলে ময়ো লেখৰ ভিতৰত পৰা মানুহ হব পাৰিম এই আশা মনত সদায় ৰাখিব লাগে আৰু নিজৰ উন্নতিৰ বাবে দিনৌ ভগবানক প্ৰাৰ্থনা কৰিব লাগে। একান্তমনে যিটো প্ৰাৰ্থনা কৰা যায় সেইটো, প্ৰায় তাকে পোৱা যায়।

ইম্ফল

১৩।১।৪৬

* * মাঘ বিহুৰ বাবে তোমালোকক মোৰ মৰম আৰু আশীৰ্ব্বাদ দিলোঁ। মহামায়াই তোমালোকৰ ধৰ্ম্মত মতি আৰু তেওঁৰ চৰণত ভক্তি ৰাখক। কৰ্ত্তব্য-পালনেই সকলোতকৈ ডাঙৰ ধৰ্ম্ম। স্ত্ৰীৰ প্ৰধান কৰ্ত্তব্য স্বামীসেৱা, ঘৰৰ পৰিজন-বৰ্গৰ ভালৰূপে তত্বাৱধান কৰা আৰু লৰাছোৱালীক সুশিক্ষা দি ডাঙৰ দীঘল কৰা। সাবিত্ৰীয়ে সতীত্বৰ বলেৰে বিধিৰ লেখনো খণ্ডাইছিল, এয়ে আমাৰ শাস্ত্ৰৰ শিক্ষা। কৰ্ত্তব্য কাম কৰাটোৱেই সৰ্ব্বপেক্ষা ডাঙৰ ধৰ্ম্ম বুলি গীতাই বিশেষৰূপে কৈছে। যি ধৰ্ম্ম আচৰণ কৰে তাক পৰমেশ্বৰৰ দয়া কৰে, সমাজতো সেইজনে আদৰ পায় আৰু সেইজনৰ মনো থাকে। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে পূজা অৰ্চ্চনা কৰাটো ভাল ধৰ্ম্ম বুলি কব নোৱাৰি। যিজনে দিনৌ পূজা সেৱা কৰে কিন্তু সত্যবাদী নহয় আৰু পৰোপকাৰ নকৰে সেইজনো আচল ধাৰ্ম্মিক নহয়। ঈশ্বৰে খোচামুদ ভাল নাপায়, সাধু প্ৰকৃতিৰ লোকহে ঈশ্বৰে ভাল পায়, এলেহুৱা-জনক ঈশ্বৰে ভাল নাপায়, মানুহেও ভাল নাপায়। ভাল কথা জানিলেও নহয়; সেইমতে কাম কৰিব লাগিব। এইকথাবোৰ দকৈ ভাবি চাবা আৰু নিজৰ প্ৰকৃত উন্নতিৰ বাবে যত্নশীল হবা। সমাজৰ আন মানুহতকৈ ভাল হবলৈ ইচ্ছা কৰিবা আৰু চেষ্টা কৰিবা, কিন্তু সমাজৰ কোনো মানুহেই তোমাতকৈ নিকৃষ্ট বুলি নাভাবিবা। কোনো মানুহৰ কোনো কোনো দোষ থাকিলেও তেওঁলোকৰ আকৌ এনে গুণ কিছুমান হয়তো আছে যিবিলাক গুণ তোমাৰ নাই। ভাব খবৰ লেখি চিঠি দিবা।

ইম্ফল

১।৬।৪৬

* * তোমালোকৰ বহুদিন খবৰ পোৱা নাই। তোমালোকৰ স্কুল বন্ধ হলনে? সময় পালে ধৰ্ম্মৰ কিতাপ পঢ়িবা। জীৱন চৰিত, ভ্ৰমণ বৃত্তান্ত, ইতিহাস, স্বাস্থ্য, বিজ্ঞান প্ৰভৃতি বিষয়ৰ কিতাপ পঢ়িব লাগে। সময়ৰ সংব্যৱহাৰ কৰিবলৈ সৰুৰে পৰা অভ্যাস কৰিব লাগে। ভগবানে মানুহক জন্ম দিছে কাম কৰিবলৈ। নিজৰ উন্নতি অপৰৰ উন্নতিৰ বাবে সদায় কাম কৰিব লাগে। আমাৰ অসমীয়া মানুহৰ কিছু মানে ভাবে ভালকৈ খাই শুই কাম নকৰি খাই থকাটোৱেই সৌভাগ্যৰ কথা। এনেভাৱ থকাৰ পৰা দেশৰ আৰু সমাজৰ দুৰ্দ্দশা হয়। যি দেশৰ মানুহে বহি থাকিবলৈহে ভাল পায় সেই দেশৰ উন্নতি হব নোৱাৰে। সদায় চেষ্টা কৰি

থাকিলেহে জ্ঞান, ধন-সম্পত্তি, নিজৰ ক্ষমতা আদি বাঢে। যি কৰ্ম্মৰপৰা নিজৰ আৰু অপৰৰ হিত হয় সেয়ে সৎকৰ্ম্ম। যি কামৰপৰা নিজৰ অথবা অন্যৰ অপকাৰ হয় সেযে বেয়া কৰ্ম্ম। লোভ, কুচিন্তা, হিংসা, আদিৰ পৰা শৰীৰ আৰু মনৰ বৰ অনিষ্ট হয়। আনে নজনাকৈ কুচিন্তা কৰিলে অপকাৰ হয়। গতিকে মনত সদায় ভাল ভাব ৰাখিবলৈ আৰু মনলৈ যাতে বেয়া ভাব নাহে তালৈ চেষ্টা কৰিব লাগে।

ইম্ফল

১৫।৯।৪৬

* * সদায় মনত উৎসাহ আৰু দৃঢতাৰ ভাব ৰাখিবা। যি লৰাছোৱালীয়ে কোনো এটা কাম কৰিব পাৰিম বুলি ভাবে আৰু কৰিবলৈ আগবাঢে সিহঁতে প্ৰায়েই সেই কাম সাধিব পাৰে। মনটোক শিকাই লোৱাটোহে প্ৰধান কথা। নিজৰ ওপৰত বিশ্বাস অৰ্থাৎ মই এই কামটো কৰিব পাৰিম এইটো বিশ্বাস নহলে, কাম প্ৰায় সফল নহয়। দুঃখ, বিপদ, অসুবিধা, কষ্ট এইবিলাক সহ্য কৰিব পৰা ক্ষমতা, অসুবিধা থকা সত্তেও মনত উৎসাহ ৰাখিব পৰা ক্ষমতা, পৰে অন্যায় কৰিলেও তাক সব পৰা ক্ষমতা আৰু পৰৰ অহিত কেতিয়াও নকৰোঁ এনেভাব যিবিলাক মানুহৰ আছে সেইবিলাকেই প্ৰকৃত সজ্জন। ইংৰাজীত এই-বিলাকক moral qualities বুলি কয়, আমাৰ শাস্ত্ৰত এইবিলাকক সৎৰীতি বা সদ্ধৰ্ম্ম বুলি কয়। মানুহে ধন-সম্পত্তিক বাঞ্ছা কৰিব লাগে, বিদ্যা আৰু কাম কৰাৰ নিপুণতা আৰ্জ্জিবলৈকো চেষ্টা কৰিব লাগে, কিন্তু সজ ধৰ্ম্ম আচৰণ কৰাটো শেষত বেছি আৱশ্যকীয়। গাধোৱা, পূজা কৰা, ফোঁট নিৰ্ম্মালি লোৱা এনেবিলাকক “আনুষ্ঠানিক ধৰ্ম্ম” বোলে। সদাই সঁচা কথা কোৱা, অন্যৰ উপকাৰ কৰা, অন্যৰ দোষ ক্ষমা কৰিব পৰা ক্ষমতা, লোভ দমন কৰা ইত্যাদি গুণবিলাকে আমাৰ মন আৰু আত্মাৰ উন্নতি কৰে। এইবিলাকক ইংৰাজীত moral qualities (নৈতিক ধৰ্ম্ম) বুলি কয়। বিদ্যাতকৈয়ো এইবিলাক গুণ শ্ৰেষ্ঠ। এইবিলাক গুণ বঢাবলৈ সদায় যত্ন কৰিবা।

ইম্ফল

১০।১।৪৭

* * ইয়াৰ পৰা মই যে গুৱাহাটীলৈ “চয়াবীন” (মণিপুৰী কথাত “হুংহাৱাই” বোলামাহ) নিছিলোঁ সেই মাহ এতিয়াও থাকিব পায়। তলত লেখামতে তাক খাবলৈ ভাল:—

(১) মাহবোৰ ধুই ৰদত দি শুকাই চৰুত বা কেৰাহীত বালি দি আখে ভজাৰ দৰে ভাজিব লাগে। বালি নিদিয়া শুকান খোলাত ভাজিব পাৰি। এই ভজা মাহ চোৱাই খাবলৈ বেয়া নেলাগে।

(২) তেনেকৈ ভজামাহ গুড়ি কৰিলৈ তাৰে মোহনভোগ কৰিব লাগে। ঘিঁউ বেচি নিদিলেও হয়। এই মোহনভোগ খাবলৈ বৰ ভাল আৰু উপকাৰীও। মই আজিকালি সদায় অলপ খাওঁ। বেচিকৈ খাব নালাগে, কাৰণ "চয়ামাহ" বৰ পোষ্টাই বস্তু।

(৩) মাহ গুটিবোৰ ৩½ বা ৪ ঘণ্টা পানীত তিয়াই থৈ ঘিউত বা তেলত ভাজি লব লাগে, লোন আৰু জলা দিব লাগে, এই ভজা মাহ খাবলৈ বেয়া নহয়। ৪ ঘণ্টাতকৈ বেচি তিয়াব নালাগে।

(৪) সন্ধ্যাবেলিকাতে "চয়া" মাহ তিয়াই থৈ পিচদিনা মিহিকৈ বাটি সেই বটা মাহেৰে বৰ ভাজি খাব পাৰি।

ইম্ফল

৮।২।৪৭

* * গুৱাহাটীৰ পৰা ১২ দিনমান চিঠি পোৱা নাই। আমাৰ বৰ ভাল সিন্ধি গাইজনী মৰিল। ইযাত আমাৰ ঘৰতে এতিয়া ৩ সেৰ ৩৷৷ সেৰ গাখীৰ ওলায়। আগৰ বগী গাইজনী অলপতে জগি। ঘৰত গাখীৰৰ বন্দবস্ত ৰখা উচিত। গো-পালন প্ৰত্যেক গৃহস্থই মন দি শিকা উচিত। লৰাছোৱালীবিলাকে বাঢনৰ সময়ত গৰুৰ গাখীৰ যথেষ্ট পৰিমাণে খাবলৈ পালে সিহঁতৰ পুষ্টি ভালৰূপে হয আৰু জীৱনীশক্তি বাঢে, এই কথা আমাৰ শাস্ত্ৰত আছে আৰু এতিয়া ডাক্তৰ বিলাকেও পৰীক্ষা কৰি এই কথাৰ সত্যতা জানিব পাৰিছে। কাজেই গো-পালনৰ ওপৰত বংশৰ উন্নতি আৰু দেশৰ উন্নতি বহু পৰিমাণে নিৰ্ভৰ কৰে। আমাৰ মানুহৰ এতিযা স্বাস্থ্যলৈ বেছি মনোযোগ নাই; ধনঘটা বাবুৱালি কৰা ফিতাহি দেখুৱাবলৈহে বেছি মন।

সপ্তম খণ্ড

(প্ৰকাশিত আৰু অসম্পূৰ্ণ-ৰচনাৰ অংশবিশেষ)

[স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ এহাগুধীয়া সাহিত্যসেৱক নাছিল যদিও কেতিয়াবা দুই এটা প্ৰবন্ধ লিখিছিল—তাৰে এটাৰ নমুনা (ভদ্ৰতা) ইয়াত তুলি দিয়া হ'ল। শেষ জীৱনত এখন ডাঙৰ আৰু গভীৰ বিষয়ৰ গ্ৰন্থ লিখিবলৈ আৰম্ভ কৰিছিলহে তেনেতে অসুস্থ হৈ পৰিল। গ্ৰন্থৰ কথাবোৰ মুখেৰে কৈ গৈছিল, নাতি নাতিনীইতে লিখিছিল। অলপ দূৰ আগুৱাতেই বিঘিনি লাগিল। অসম্পূৰ্ণ হাতেলিখাখিনিৰ পৰা গ্ৰন্থৰ ঘাই বিষয়বস্তু আৰু মুখ্য উদ্দেশ্য কি আছিল বুজা নাযায়। ইয়াত নমুনা অলপ তুলি দিয়া হ'ল। শিতান কেইটাৰ নাম আমি নিজে দিয়া।]

—সম্পাদক

ভদ্ৰতা

মানুহৰ ধন-সম্পত্তি বহুত থাকিলেও মনৰ সুখ নাথাকিব পাৰে। পুত্ৰ, কন্যা, ভাৰ্য্যা, ভাইভতিজা, ওচৰচুবুৰীয়া আদি লোকৰ পৰা মৰম আৰু ভাল ব্যৱহাৰ পালে দুখীয়া মানুহৰ জীৱনো সুখময় হয়। ধনী মানুহ এজনক যদি কোনোৱে নিদাৰুণ অপমান কৰে বা তেওঁক পুত্ৰ-কন্যাই কুব্যৱহাৰ কৰে তেন্তে তেওঁৰ মনত সুখশান্তি নাথাকে।

সমাজত থকা লোকসকলে পৰস্পৰৰ প্ৰতি সজ ব্যৱহাৰ কৰিলে সমাজত সুখশান্তি বিৰাজ কৰে। সজ ব্যৱহাৰকে সৌজন্য বা ভদ্ৰতা বোলে। দেশৰ উন্নতিৰ বাবে দেশৰ মানুহ যেনেকৈ বিদ্যাৱন্ত, পৰিশ্ৰমী, সাহসী আৰু সৎ হোৱা নিতান্ত আৱশ্যক, তেনেকৈ সমাজত সুখশান্তি আৰু আনন্দ বঢাবলৈ সমাজৰ মানুহ উদাৰ মনৰ আৰু তেওঁলোকৰ ব্যৱহাৰ ভদ্ৰ হোৱা নিতান্ত আৱশ্যক।

মোৰ পৰা সমাজৰ অপৰ মানুহে যেন অনাহকত কষ্ট নাপায়, বৰং মই কিছু অসুবিধা আৰু কষ্টভোগ কৰিও আনক যেন সুখ দিব পাৰোঁ এনে ভাব লৈ আমি চলিব লাগে। আনে তোমাৰ প্ৰতি যেনে ব্যৱহাৰ কৰিলে তুমি ভাল পোৱা আনকো তুমি তেনে ব্যৱহাৰ কৰা উচিত। এই কথাষাৰেই ভদ্ৰতাৰ মূলমন্ত্ৰ বুলি কব পাৰি। কিন্তু আমাৰ দেশৰ বেচিভাগ মানুহেই আনৰ অন্যায় কৰি বা আনক দুখ দি নিজৰ সুবিধা কৰিবলৈ বিচাৰে। এনে অধৰ্ম্ম স্বাৰ্থপৰতাৰ পৰা সমাজত অশান্তিৰ আৰু কষ্টৰ সৃষ্টি হয়। আমাৰ দেশৰ বহুত ৰেলযাত্ৰীয়েই আন যাত্ৰীক বহিবলৈ নিদি বহা বেঞ্চিত নিজে শুই যাবলৈ বিচাৰে আৰু বহুতে আন যাত্ৰীক গাড়ীত উঠাত বাধা দিয়ে। ৰেলৰ টিকট কিনিবলৈ বা ডাকঘৰত মনিঅৰ্ডাৰ কৰিবলৈ যিবিলাক মানুহ আগেয়ে গৈ অপেক্ষা কৰি থাকে, তেওঁলোকক হেঁচি ঠেলি পিচ পেলাই পলমে অহা মানুহে আগবাঢি গৈ আগেয়ে নিজৰ কাম কৰি লবলৈ বিচাৰে। এনেবিলাক আচৰণৰ পৰা এইটো স্পষ্টৰূপে দেখা যায় যে আমাৰ দেশত বেছিভাগ মানুহৰ ন্যায়পৰতাৰ ভাব নিচেই কম আৰু স্বাৰ্থপৰতাৰ ভাবটো বেচি। দেশত এনেবিধ মানুহৰ সংখ্যা যিমান বেচি থাকে দেশত তিমান অশান্তি আৰু কষ্টৰ বৃদ্ধি হয়। আৰু এনেবিধৰ মানুহো আছে যিবিলাকে নিজৰ লাভ নহলেও আনক কষ্ট দি ভাল পায়। অপৰক সন্তোষ আৰু সুখ দিয়াতকৈ অপৰক অপমান কৰা বা দুখ-দুৰ্গতিত পেলোৱাটো বহুতে পুৰুষালিৰ কাম বুলি ভাবে। বাটত হেঙাৰ দি দৰাঘৰীয়াক বহুত বেলি অন্যায়ৰূপে ৰখাই থোৱা,

দোল উৎসৱৰ সময়ত উৎসৱত যোগ নিদিয়া মানুহৰ গাত আৰু কাপোৰত ৰং বা মাটি গোবৰ আদি দিয়া, মাঘ বিহুৰ সময়ত আন মানুহৰ কাঠৰ বস্তুবাহানি পোৰা আচৰণে অসভ্যালি আৰু কুৰুচিৰহে পৰিচয় দিয়ে। সীমা লঙ্ঘন কৰিলে সজ কামো গৰ্হিত হয়।

বিনা টিকটে ৰেলগাড়ীত ভ্ৰমণ কৰা আৰু তলৰ শ্ৰেণীৰ টিকট লৈ ওপৰৰ শ্ৰেণীৰ গাড়ীত ভ্ৰমণ কৰা লোকৰ সংখ্যা আজিকালি বৰকৈ বাঢ়িছে। এই সকল ঘটনাৰ পৰা আমাৰ জাতীয় চৰিত্ৰৰ হীনতা বুজিব পাৰি। আমাৰ দেশৰ মানুহৰ চৰিত্ৰ সজ কৰিব নোৱাৰিলে আমি স্বাধীন হলেও আমাৰ সমাজত কষ্ট আৰু দুৰ্গতি বেচিকৈ থাকিবই।

গাঁৱৰ ওচৰৰ আলিবাটেৰে মোটৰ গাড়ীৰে যাওঁতে গাঁৱৰ লৰা-ছোৱালী-বিলাকে গাড়ীলৈ শিলগুটি দলিয়াই গাড়ীৰ কাচ ভাঙি আনন্দ পায়। বহুত সময়ত যাত্ৰীবিলাকৰ প্ৰতি কুৎসিৎ অঙ্গিভঙ্গিও কৰে। অচিনাকি মানুহৰ প্ৰতি সৎব্যৱহাৰ কৰা আমাৰ সমাজত বৰ কম। আমাৰ এই দোষবোৰ গুচাব লাগে।

ভগবান বুদ্ধদেৱে শিক্ষা দি গ'ল যে প্ৰাণীমাত্ৰকে দয়া কৰিব লাগে। সজ চিন্তা, সজ বাক্য আৰু আচৰণেই ধৰ্ম্মৰ মুখ্য অংশ বুলি তেওঁ শিক্ষা দিছিল। যিশুখৃষ্টই মানৱসেৱাক ধৰ্ম্মৰ প্ৰধান অঙ্গ বুলি প্ৰচাৰ কৰি গ'ল। জগতৰ মানুহ মাত্ৰকেই ভাল পাব লাগে কাৰণ সকলো মানুহেই পৰমেশ্বৰৰ প্ৰিয়। অপৰৰ হিত কৰিলেহে পৰমেশ্বৰে প্ৰীতি লাভ কৰে। এই কথা যিশুখৃষ্টই দঢ়াই কৈ গৈছে। তিকতা, লৰা-ছোৱালী, বয়সিয়াল লোক, অসহায় আৰু দুৰ্ব্বল লোকক সহায় কৰাটো ভদ্ৰলোকৰ কৰ্ত্তব্য। দুৰ্ব্বলক অত্যাচাৰ কৰাটো কাপুৰুষৰ লক্ষণ। যি লোকৰ মনত বীৰত্বৰ ভাব আছে তেনে মানুহে তিকতা, লৰা-ছোৱালীক বা দুৰ্ব্বলক অন্যায় ব্যৱহাৰ কৰিব নোৱাৰে।

বীৰত্বৰ ভাব আৰু শৃঙ্খলাৰ ভাব সমাজত বৃদ্ধি হলেই সমাজৰ মানুহৰ আচৰণ ভাল হব। আমি স্বাধীনতা পোৱাৰ ফলত আমাৰ দেশত বীৰত্ব আৰু শৃঙ্খলাৰ প্ৰতি শ্ৰদ্ধা বাঢ়িব বুলি আশা কৰিব পাৰি। এই বাবে সকলো লোকে চেষ্টা কৰিব লাগে।

বিশ্বজগৎ আৰু তাৰ মূলাধাৰ শক্তি

বৰ্ত্তমান কালৰ গণিত আৰু জ্যোতিষ শাস্ত্ৰত পাৰ্গত পণ্ডিতসকলৰ মত এই যে, আমাৰ পৃথিবীখনৰ আকৃতি ঘূৰণীয়া কিন্তু এটা ৰবাৰ টেঙ্গাৰ নিচিনা। পৃথিবীৰ দুই মূৰ অলপ চেপেটা। এমূৰৰ চেপেটা ঠাইৰ মধ্যস্থলক উত্তৰ মেৰু বোলে। ৰাতি হলে উত্তৰৰ পিনে এটা তৰা দেখা যায়; এই তৰাটোকে ধ্ৰুৱ নক্ষত্ৰ বোলে। এই নক্ষত্ৰটো লৰচৰ নকৰাকৈ সদায় একে ঠাইতে থকা দেখা যায়। উত্তৰ মেৰুৰ ওভোটা পিনে থকা ঠাইক দক্ষিণ মেৰু বোলে। পৃথিবীৰ চাৰিওপিনে বায়ুমণ্ডলে পৃথিবীখনক বেৰি আছে। বায়ুমণ্ডলো পৃথিবীৰে অংশ, আৰু বায়ুমণ্ডলে সৈতে পৃথিবীখনে সূৰ্য্যৰ চাৰিওপিনে অতি বেগেৰে ঘূৰি আছে। পৃথিবীয়ে সূৰ্য্যৰ চাৰিওপিনে এবাৰ প্ৰদক্ষিণ কৰোঁতে ৩৬৫ দিন ৬ ঘণ্টা সময় লাগে অৰ্থাৎ পুৰা এবছৰ লাগে। পৃথিবীখনে আকৌ গাড়ীৰ চকা ঘূৰাৰ নিচিনাকৈ ঘূৰে। তাৰ ফলত দিন আৰু ৰাতি হয়। পৃথিবীখনে গাড়ীৰ চকা ঘূৰাৰ নিচিনা ঘূৰাক পৃথিবীৰ আহ্নিক গতি বোলে।

আমি জানো যে সূৰ্য্যৰ পৰা আমি পোহৰ আৰু তাপ পাওঁ। একুৰা জুই জ্বলি থাকিলে তাৰ পোহৰ আৰু তাপ চাৰিওপিনে ব্যাপি যায় আৰু তাৰ ওচৰত থকা মানুহে আৰু বস্তুবোৰে তাৰ তাপ পায়। সূৰ্য্যৰ তাপ পালে টিনপাত, বালি প্ৰভৃতি বস্তু যিমান শীঘ্ৰে তপত হয় খেৰ, কাঠ, পানী প্ৰভৃতি বস্তু ইমান সোনকালে তপত নহয়। গছ, লতা, বনবিলাকে মাটিৰপৰা ৰস চুহি লয় আৰু সিহঁতৰ পাতবোৰ ৰদত বেচি গৰম নহয়। সূৰ্য্যৰ ৰশ্মি কিছু অংশ গছ, বন প্ৰভৃতিৰ সেউজীয়া পাতৰ ভিতৰত সোমায় আৰু গছ আৰু অন্যান্য উদ্ভিদৰ পুষ্টি-বৰ্দ্ধনত সহায় কৰে। পৃথিবীত সূৰ্য্যৰ পোহৰ একেবাৰে নপৰাহেঁতেন পৃথিবীত গছ-গছনি, জীৱজন্তু নাথাকিলেহেঁতেন। সূৰ্য্যৰ ৰশ্মিৰ প্ৰভাৱতে পৃথিবীৰ সকলো জন্তু আৰু উদ্ভিদ্ আদি জীৱৰ উৎপত্তি হৈছে আৰু উদ্ভিদ আদি জীৱৰ উৎপত্তি হৈছে আৰু সেইসকলে প্ৰাণধাৰণ কৰি আছে। মাটিৰ তলৰ পৰা মানুহে উলিওৱা তেল আৰু খনিজ কয়লা অতি আদিম যুগৰ গছ-গছনি আৰু জীৱজন্তুৰ শৰীৰৰ পৰা উৎপন্ন হোৱা বস্তু বুলি ভূতত্ত্ববিদ্ পণ্ডিতসকলে কয়।

অতি প্ৰাচীন কালত মানুহে ভাবিছিল যে চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰবিলাকে পৃথিবীৰ চাৰিওপিনে ঘূৰি থাকে আৰু সূৰ্য্য এটা গ্ৰহ। কিন্তু বৰ্ত্তমান কালত জ্যোতিষীসকলে স্থিৰ কৰিছে যে পৃথিবীখনে আৰু মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ,

শনি প্ৰভৃতি গ্ৰহই সূৰ্য্যৰ চাৰিওপিনে ঘূৰে অৰ্থাৎ প্ৰদক্ষিণ কৰে আৰু গ্ৰহবিলাকৰ নিজা জ্যোতি বা পোহৰ নাই, গ্ৰহবিলাকত সূৰ্য্যৰ পোহৰ পৰিলেহে সেইবিলাকক জ্যোতি থকা পদাৰ্থ যেন দেখো।

ৰাতি হলে আমি চন্দ্ৰৰ যি পোহৰ পাওঁ সেই পোহৰো চন্দ্ৰত সূৰ্য্যৰ ৰশ্মি পৰাৰ কাৰণে আমি দেখা পাওঁ। এটা খোটালিৰ ভিতৰত চাকি জ্বলি থাকিলে খোটালিৰ বেৰবিলাকতো পোহৰ পৰে; চাকিটো বেৰৰ আৰত থাকিলেও দুৱাৰ খোলা থাকিলে আমি খোটালিৰ বেৰত পৰা পোহৰ দেখা পাওঁ। তেনেকৈ সন্ধ্যাৰ পাচত পৃথিবীৰ এফালত সূৰ্য্যৰ পোহৰ নপৰা হয় কিন্তু পৃথিবীৰ আন ফালত দিন হয়। পৃথিবীৰ সিফালত ৰাতি হয়, সেইফালৰ মানুহে সূৰ্য্যক দেখা নাপায়, কিন্তু চন্দ্ৰত পৰা সূৰ্য্যৰ পোহৰ দেখা পায়।

চন্দ্ৰই পৃথিবীৰ চাৰিওফালে ঘূৰে, এই কাৰণে চন্দ্ৰক পৃথিবীৰ উপগ্ৰহ বুলি কয়। পৃথিবী সূৰ্য্যৰ চাৰিওপিনে প্ৰদক্ষিণ কৰোঁতে চন্দ্ৰও পৃথিবীৰ লগে লগে যায়। দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত উৰেনাচ, নেপচুন আৰু প্লুটো নামৰ তিনটা ডাঙৰ গ্ৰহে আমাৰ সূৰ্য্যৰ চাৰিওপিনে প্ৰদক্ষিণ কৰি আছে বুলি প্ৰমাণিত হৈছে। সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰোঁতে নেপচুন গ্ৰহৰ ১৬৫ বছৰ লাগে। প্লুট নামৰ গ্ৰহটোৱে সূৰ্য্যৰ চাৰিওপিনে এবাৰ ঘূৰিবলৈ ২৪৮ বছৰ লাগে। এইবিলাক গ্ৰহ সূৰ্য্যৰ পৰা অতি দূৰত আছে গতিকে সেইবিলাকৰ বাটৰ বেৰ (অৰ্থাৎ বৃত্ত) বহুতো বেছি। চন্দ্ৰ পৃথিবীৰপৰা প্ৰায় দুই লক্ষ মাইল দূৰৈত আছে। পৃথিবীখন সূৰ্য্যৰপৰা প্ৰায় ন কোটি ত্ৰিশ মাইল দূৰৈত পৰিভ্ৰমণ কৰে। প্লুটো গ্ৰহ সূৰ্য্যৰপৰা প্ৰায় ৩৬৭ কোটি মাইল দূৰৈত থাকি সূৰ্য্যক প্ৰদক্ষিণ কৰে। আমাৰ সূৰ্য্যৰ চাৰিওপিনে ঘূৰি থকা ডাঙৰ গ্ৰহবিলাকক এৰি আৰু কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰহ (asteroids), ধূমকেতু আৰু আন পদাৰ্থ বহুতো সূৰ্য্যৰ চাৰিওপিনে ঘূৰি আছে। এই ক্ষুদ্ৰ পদাৰ্থবিলাক যেতিয়া পৃথিবীৰ ওচৰলৈ আহে সেইবোৰ পৃথিবীৰ আকৰ্ষণত কক্ষচ্যুত হৈ পৃথিবীত আহি পৰে। সেইবিলাকক উল্কা আৰু পপীয়া তৰা বোলে।

ওপৰত কৈ অহা হৈছে যে সূৰ্য্যৰ চাৰিওপিনে বুধ, শুক্ৰ, পৃথিবী, মঙ্গল, বৃহস্পতি, শনি, উৰেনীচ, নেপচুন আৰু প্লুটো নামৰ গ্ৰহবিলাক, গ্ৰহবিলাকক আকৌ চন্দ্ৰৰ নিচিনা উপগ্ৰহ কিছুমানে প্ৰদক্ষিণ কৰি আছে। সেই গ্ৰহ উপগ্ৰহ-বোৰৰ নিজৰ ৰশ্মি বা পোহৰ নাই। সেইবিলাকে সূৰ্য্যৰপৰা কোটি কোটি বছৰৰ পৰা তাপ আৰু পোহৰ পাই আছে। ৰাতি হলে আমি আকাশত যি অগণন তৰা দেখো সেই তৰাবোৰৰ নিজৰ পোহৰ আছে। এই তৰাবোৰক নক্ষত্ৰও

বোলা হয়। এই তৰাবোৰ অতি দূৰৈত থকা বাবে সেইবোৰক সৰু যেন দেখা পাওঁ। আজিকালি বৰ ডাঙৰ দূৰবীক্ষণ যন্ত্রৰ সহায়ত যিমান দূৰলৈকে দেখা গৈছে তিমানলৈকে কোটি কোটি তৰা দেখা যায়। এই তৰাবোৰো একোটা সূৰ্য্য। কিছুমান তৰা আমাৰ সূৰ্য্যতকৈও বহুত ডাঙৰ, কিছুমান আমাৰ সূৰ্য্যৰ সমান কিছুমান সৰুও আছে। সূৰ্য্যৰ পৰা ৯ কোটি ৩০ লক্ষ মাইল দূৰৈত থকা পৃথিবীলৈ পোহৰ আহিবলৈ প্রায় ৮ মিনিট সময় লাগে। সূৰ্য্যৰ ৰশ্মিৰ বেগ এক চেকেণ্ড সময়ত ১৮৬২৮৪ হেজাৰ মাইল। আমি ৰঞ্জন ৰশ্মি আৰু ৰেডিঅ'ৰ ৰশ্মি চকুৰে দেখা নাপাওঁ। জগতত আমি নেদেখা আৰু বহুত ৰশ্মি আছে। এই সকলো ৰশ্মি ঢৌৰ নিচিনাকৈ এঠাইৰ পৰা চাৰিওপিনে ব্যাপ্ত হৈ যায়। এই সকলো ৰশ্মিৰ গতিবেগ এক চেকেণ্ডত ১৮৬'২৮৪ হেজাৰ মাইল। এজন মানুহে কলিকতাত কথা কলে কথা কোৱাৰ লগে লগে ৰেডিঅ' যন্ত্রৰ সহাযত বিভিন্ন ঠাইত শুনিবলৈ পোৱা যায এই কাৰণতে। সূৰ্য্যৰ আলোকৰ গতি এক চেকেণ্ডত ১৮৬২৮৪ হেজাৰ হলে এক মিনিট, এঘণ্টা, এদিন আৰু এবছৰত কিমান কোটি কোটি মাইল যাব তাক পূৰণ অঙ্ক কৰিলে ওলাই যাব। এবছৰত আলোক যিমান দূৰলৈকে যাব পাৰে সেই দূৰত্বৰ নাম ৰখা হৈছে আলোক-বছৰ। আমাৰ সূৰ্য্যটোৰ সৰ্ব্বাপেক্ষা ওচৰৰ তৰাটোৰ পৰা আমাৰ পৃথিবীলৈ পোহৰ আহোঁতে আলোক-বছৰেৰে ৪ বছৰ ৩ মাহ সময লাগে।

সূৰ্য্যৰ গতি আছে আৰু আন আন তৰাবিলাকেও ভ্রমণ কৰিব লাগিছে। পিছে তৰাবিলাক স্থিৰ হৈ থকা যেন আমাৰ বোধ হয। বিশ্বজগতত যে কিমান তৰা আছে তাক কোনেও কব নোৱাৰে। একো একোটা তৰামণ্ডলত (Galaxy) কোটি কোটি তৰা আছে। এই একোটা তৰামণ্ডলকে ব্রহ্মাণ্ড বুলিব পাৰি। এনে অনন্ত কোটি ব্রহ্মাণ্ড বিশ্বজগতত থকা বুলি আধুনিক জ্যোতিষ শাস্ত্র চৰ্চ্চা কৰা বৈজ্ঞানিক পণ্ডিতসকলে জানিব পাৰিছে। এই বিশ্বজগতত প্রকৃততে শূন্য স্থান বা আকাশ বুলি একো নাই। আমি যিহক শূন্য বা আকাশ বুলি কওঁ সেই ঠাইতো আমি দেখা নোপোৱা ৰশ্মি, ৰেডিঅ'শক্তি, চুম্বকৰ নিচিনা আকৰ্ষণৰ শক্তি (Cosmic rays, electro-magnetic wave) ইত্যাদি ভৰি আছে।

আৰু এটা বৰ আৱশ্যকীয় কথা হৈছে এইটো যে এই বিশ্বজগত পৰিবৰ্ত্তন-শীল। পৃথিবী, সূৰ্য্য, গ্রহ, তৰা প্রভৃতিযেও অনবৰতে ভ্রমণ কৰিব লাগিছে। জগতত এক মুহূৰ্ত্তও কোনো বস্তু একে অৱস্থাত নাথাকে। আমি ভাবো যে টান শিল এডোখৰ পৰিবৰ্ত্তন নোহোৱাকৈ যুগমীয়াকৈ থাকিব, কিন্তু এইটো কথা মিছা

নহয়। আমি গম নোপোৱাকৈ তাপ, শীত, বতাহ আদিৰ প্ৰভাবত শিলবোৰো সততে পৰিবৰ্ত্তন হৈ আছে। কোনো বস্তু এক মুহূৰ্ত্তও স্থিৰ হৈ নাথাকে। এই কাৰণেই আমাৰ প্ৰাচীন পণ্ডিতসকলে এই বিশ্বখনক জগৎ নাম দিছিল। সংসাৰ শব্দৰো একেই অৰ্থ।

চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, তৰাবিলাকে ভ্ৰমণ কৰিবলৈ কেনেকৈ শক্তি পাইছে ? এইটো এটা ডাঙৰ প্ৰশ্ন। এটা বস্তুৰ পৰিবৰ্ত্তন কৰিবলৈ শক্তিৰ আৱশ্যক। এই শক্তিৰ মূল ক'ত ? অৰ্থাৎ এই শক্তি প্ৰথমে কেনেকৈ উদ্ভৱ হ'ল ? এই প্ৰশ্নৰ শেষ মীমাংসা বৈজ্ঞানিকসকলো দিবলৈ অক্ষম। এই প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰাৰ ফলতে মানব সমাজত নানা প্ৰকাৰৰ ধৰ্ম্মমত আৰু বিভিন্ন দৰ্শন শাস্ত্ৰৰ সৃষ্টি হৈছে।

মানুহৰ শ্ৰেষ্ঠতা

*   *   *   *

এই অচেতন পদাৰ্থক এৰিও এই পৃথিৱীত কিছুমান জীৱ বা চেতন পদাৰ্থ আছে। আধুনিক বৈজ্ঞানিক পণ্ডিতসকলে জীৱ বা চেতন পদাৰ্থ এই পৃথিৱীত কেনেকৈ আৰু কেতিয়া উৎপন্ন হ'ল সেই কথাৰ স্থিৰ সিদ্ধান্তত এতিযাও উপনীত হ'ব পৰা নাই। ওপৰত কৈ অহা হৈছে যে পৃথিৱীখন যি সূৰ্য্যৰ চাৰিওফালে প্ৰবল বেগে গতি কৰিছে সেই সূৰ্য্যও এটা তেজোময় আৰু উত্তপ্ত বাষ্পৰ গোলক মাত্ৰ। এই সূৰ্য্যও শূন্যমণ্ডলত অতি বেগে ঘূৰি আছে। কোটি কোটি বছৰ আগেয়ে অন্য নক্ষত্ৰৰ আকৰ্ষণৰ ফলত তেজোময় আৰু উত্তপ্ত কিছুমান বাষ্প আমাৰ সূৰ্য্যৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু সূৰ্য্যৰ চাৰিওফালে প্ৰবল বেগে ঘূৰিবলৈ ধৰে। কালক্ৰমত এই বাষ্পপিণ্ড প্ৰবল বেগে সূৰ্য্যৰ চাৰিওফালে ঘূৰোতে ই তাপ বিকীৰণৰ ফলত পৃথিৱীৰ উপৰিভাগ ক্ৰমশঃ শীতল হবলৈ ধৰে আৰু পৃথিৱীৰ চাৰিওফালে এটা শিলাময় কঠিন আবৰণৰ সৃষ্টি হয়। এই আবৰণৰ উপৰিভাগ ওখ চাপৰ আছিল। উপৰিভাগত থকা জলৰাশি অতি উত্তপ্ত আছিল। পৃথিৱীৰ গৰ্ভত থকা উত্তপ্ত বাষ্পৰ ঠেলাত বেলেগ বেলেগ যুগত পৰ্ব্বতবিলাকৰ সৃষ্টি হয়।

আমি জানো যে ০° চেন্টিগ্ৰেডত বৰফ পানী হৈ থাকিব নোৱাৰে আৰু ১০০° ওপৰত পানী সাধাৰণতে জলীয় আকাৰে থাকিব নোৱাৰে। সেই বাবে ১০০° ডিগ্ৰীৰ কমত জলীয় বাষ্পবোৰ পানী হৈ পৃথিৱীত সাগৰৰ সৃষ্টি কৰিলে। তাৰ পিছত পৃথিৱীৰ চাৰিওকাষে থকা জলীযবিলাকে চেচা হৈ জলৰ আকাৰ ধাৰণ কৰি পৃথিৱীৰ উপৰিভাগত পৰ্ব্বতসমূহৰ মাজত সাগৰৰ সৃষ্টি কৰিলে। সেই সাগৰৰ পানীবোৰ আদিতে অত্যন্ত তপত আছিল আৰু তেতিয়া তাত কোনো জীৱজন্তু থকা সম্ভবপৰ নাছিল। পিছত পানীৰ উত্তাপ কমাত সাগৰত বিজলুৱা ফেনৰ নিচিনা এবিধ ফেনৰ সৃষ্টি হ'ল। তাকে প্লটোপ্লেজম বোলে। প্লটোপ্লেজামেই প্ৰথম প্ৰাণযুক্ত পদাৰ্থ। এই প্লটোপ্লেজামৰ পৰাই ক্ৰমশঃ বিভিন্ন প্ৰাণী বা জীৱ-সমূহৰ সৃষ্টি হৈছে। ক্ৰমবিকাশ বা বিবৰ্ত্তনৰ ফলত উচ্চশ্ৰেণীৰ গছগছনি আৰু নানাশ্ৰেণীৰ জন্তুৰ সৃষ্টি হৈছে বুলি বৈজ্ঞানিকসকলে বিশ্বাস কৰে। জীৱাণুবিলাক বা অন্য প্ৰাণীবিলাক বাচি থাকিবলৈ পৰিমিত উত্তাপ, বতাহ আৰু খাদ্যৰ আৱশ্যক। বেলেগ বেলেগ গছ বা বেলেগ জন্তুৰ খাদ্যও বেলেগ বেলেগ প্ৰকাৰৰ

হলেহে সেই জন্তু বা গছে বিকাশ লাভ কৰে। পানী, বতাহ, চূণ, লোহা ইত্যাদি নিৰ্জ্জীব পদাৰ্থৰ বাহিৰেও অন্য উদ্ভিদ বা জন্তুৰ শৰীৰৰ পৰা উদ্ভৱ হোৱা খাদ্য খাইহে প্ৰাণীবিলাক বাচি থাকিব পাৰে। পানীত থকা কীট, পতঙ্গ, মাছ প্ৰভৃতিয়ে একমাত্ৰ পানী, বতাহ বা খনিজ পদাৰ্থ খাই বাচি থাকিব নোৱাৰে। পৰীক্ষা কৰি দেখা গৈছে যে, মাটিৰ লগত মিহলি হৈ থকা জীবাণু নহলে কিছুমান তৃণ আৰু শস্যই পুষ্টিলাভ কৰিব নোৱাৰে। কিছুমান জীবাণুৱে বতাহৰ পৰা নাই-ট্ৰোজেন (যবক্ষাৰজন) সংগ্ৰহ কৰি গছগছনিৰ শিপাৰে খাদ্য যোগায়।

পৃথিবীত থকা জীবৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ জীৱ বুলি পৰিগণিত হৈছে। আমি জানো যে কুকুৰৰ ঘ্ৰাণশক্তি অত্যন্ত প্ৰবল। শগুণ আদি কিছুমান চৰাইৰ দৃষ্টি-শক্তি আৰু ঘ্ৰাণশক্তি মানুহতকৈ বৰ বেছি। আৰু এইদৰে কিছুমান জীৱৰ শ্ৰৱণ-শক্তি আৰু স্পৰ্শশক্তি মানুহতকৈ বেছি বুলি জনা যায়। যথা—জোকৰ দৃষ্টিশক্তি নাই তথাপি ঘ্ৰাণশক্তিৰ সহায়েৰে জন্তু আক্ৰমণ কৰিব পাৰে। কুকুৰৰ প্ৰভুভক্তি মানুহতকৈ কম নহয়। গৰু আঁদি পশু, মাছ আদি জলজ প্ৰাণীযে ওপজাৰ পাছতে প্ৰকৃতিদত্ত শক্তিৰে বিচৰণ কৰিব পাৰে। জন্তুবিলাকে শব্দ কৰি বা অন্যপ্ৰকাৰে সিহঁতৰ দুঃখ সুখৰ ভাব প্ৰকাশ কৰে। মানুহৰ শিশুবিলাকক বাপেক মাকে প্ৰতিপাল কৰিবলৈ যিমান কষ্ট সহ্য কৰিব লাগে অন্য জীৱজন্তুৰ বাপেক মাকে তিমান পৰিশ্ৰম কৰিব নালাগে। বাপেক মাকে তেওঁলোকৰ অভিজ্ঞতা ভাষাৰে তেওঁলোকৰ লৰাছোৱালীক শিকাব পাৰে আৰু মানুহৰ জ্ঞান আৰু বিদ্যাৰ উন্নতি হোৱাৰ লগে লগে তেওঁলোকৰ পূৰ্ব্বপুৰুষৰ অভিজ্ঞতা লিপিবদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হৈছে যদিও কিছুমান জন্তুৰ সামান্যভাবে বিবেচনা বা বিচাৰশক্তি থকা বুলি জনা যায় সেই শক্তি মানুহতকৈ অত্যন্ত কম। আহাৰ, নিদ্ৰা, ভয় আৰু ক্ৰোধ আৰু নিজক ৰক্ষা কৰাৰ প্ৰবৃত্তি গছ-গছনি আদি সকলে জীৱ মাত্ৰৰেই আছে। কিছুমান গছ-গছনিৰ ডাল বা পাতৰ পৰাও বংশবৃদ্ধি হয়। উচ্চ শ্ৰেণীৰ গছ-গছনিৰ বীজ বা গুটিৰপৰা সহজতে আৰু ব্যাপকভাবে দূৰৈৰ ঠাইতো বংশ বিস্তাৰ কৰা সম্ভবপৰ হৈছে। উচ্চ শ্ৰেণীৰ জন্তুৰ মতা আৰু মাইকীৰ সংযোগত সন্তান উৎপন্ন হয়, এই সন্তান উৎপন্ন আৰু পালন কৰা প্ৰকৃতিদত্ত।

মানুহ আন জীৱজন্তুতকৈ শ্ৰেষ্ঠ কিয় ?

সতত, ন্যায়পৰায়ণতা, সৌন্দৰ্য্যবোধ, দয়া, প্ৰেম এইবোৰ গুণে মানুহক শ্ৰেষ্ঠ কৰিছে। এইবোৰক মানবধৰ্ম্ম বোলে।

আহাৰনিদ্ৰাভয়মৈথুনঞ্চ
সামান্যমেতৎ পশুভিৰ্ণৰাণাম্

ধৰ্ম্মো হি তেষামধিকো বিশেষঃ
ধৰ্ম্মেণ হীনাঃ পশুভিঃ সমানাঃ।

[আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন এই কেইটা মানুহৰো, পশুৰে সমানে আছে। মানুহৰ অধিকাকৈ ধৰ্ম্ম আছে সেই ধৰ্ম্মই মানুহৰ বিশেষ গুণ। ধৰ্ম্ম যদি নাথাকে তেনেহলে মানুহ পশুৰে একে।]

ভগবান বুদ্ধয়ো যিবিলাক গুণৰ দ্বাৰা মানব সমাজৰ মঙ্গল হয় তাকে সদ্ধৰ্ম্ম বুলিছিল। দক্ষিণাত্যত থকা অৰুণাচলৰ মহৰ্ষি ৰমনে কৈছিল যে তুমি ক'ৰ পৰা আহিছা কেনেকৈ হলা সেই কথা দকৈ ভাবি চোৱা (know thyself)। কেৰেলা প্ৰদেশৰ এজন সাধুপুৰুষে মত প্ৰচাৰ কৰিছিল বোলে man will grow, whatever be his religion। দক্ষিণেশ্বৰৰ মহাসাধক ৰামকৃষ্ণ পৰমহংসয়ো কৈছিল যে 'যত মত তত পথ' অৰ্থাৎ বেলেগ বেলেগ উপাসনা পদ্ধতি মানুহৰ কল্যাণৰ বাবেহে। বৈষ্ণৱ কবি চণ্ডীদাসেও কৈছিল—'শুনহ মানুষ ভাই, সবাৰ উপৰে মানুষ সত্য তাহাৰ উপৰে নাই। এতেকে মানব কল্যাণৰ উপযোগী গুণবোৰেই ধৰ্ম্ম আৰু সেয়ে থকা বাবে মানুহ শ্ৰেষ্ঠ]।

বুদ্ধদেৱৰ ধৰ্ম্ম

মহাভাৰতত লিখিত আছে ধৰ্ম্মৰাজ যমে বকপক্ষীৰূপে আকাৰ ধৰি সত্য-নিষ্ঠ যুধিষ্ঠিৰক কেইটামান প্ৰশ্ন কৰিছিল। যমৰ এটা প্ৰশ্ন হৈছে এই—

বেদা বিভিন্নাঃ স্মৃতয়ো বিভিন্নাঃ।
নাসৌ মুনির্যস্য মতং ন ভিন্নম্॥
ধৰ্ম্মস্য তত্ত্বং নিহিতং গুহায়াম্।
মহাজনো যেন গতঃ সঃ পন্থা॥

ধৃ ধাতুৰ পৰা ধৰ্ম্ম শব্দৰ উৎপত্তি হৈছে। ধৰ্ম্ম শব্দৰ মূলগত অৰ্থ যি ধাৰণ কৰে, অৰ্থাৎ তললৈ পৰিব নিদিয়াকৈ ধৰি থাকে।

আমি জানো যে বুদ্ধদেৱে মানব সমাজৰ অমঙ্গল গুচাবলৈ যি ধৰ্ম্ম প্ৰচাৰ কৰিছিল তেওঁ সেই ধৰ্ম্মক সৎ-ধৰ্ম্ম বুলি অভিহিত কৰিছিল। বেদৰ সময়ত অগ্নি, বায়ু, সূৰ্য্য, উষা, ৰুদ্ৰ, বিষ্ণু, ইন্দ্ৰ প্ৰভৃতি দেৱতাসকলক স্তুতি কৰি ঋষিসকলে মন্ত্ৰ ৰচনা কৰিছিল। তাক এৰিও মানব সমাজৰ আৱশ্যকীয় জ্ঞান আৰু বিদ্যাৰ কথাও বেদসকলত উক্ত আছে। ব্যৱহাৰিক বিদ্যা যেনে যুদ্ধবিদ্যা (ধনুৰ্ব্বেদ) চিকিৎসাবিদ্যা (আয়ুৰ্ব্বেদ) প্ৰভৃতিৰ কথা থকা বেদৰ মন্ত্ৰও বেলেগ বেলেগ যুগত ৰচিত হৈছিল। সেইকালত বৈদিক ঋষিসকলে মূৰ্ত্তিৰ পূজা নকৰিছিল। তেওঁবিলাকে হোম কৰি অগ্নিত আহুতি দি বাঞ্ছা-সিদ্ধিৰ বাবে প্ৰাৰ্থনা কৰিছিল। মহেঞ্জোদাৰো, হাৰাপ্পা প্ৰভৃতি নগৰত যিসকল মানুহে বাস কৰিছিল সেইসকলেও শিৱ, দুৰ্গা প্ৰভৃতি মূৰ্ত্তিৰ পূজা কৰিছিল। এইবিলাক নগৰৰ অধিবাসীবিলাক বৰ সভ্য আছিল। তেওঁলোকে ডাঙৰ ডাঙৰ ঘৰ সাজিছিল, পুখুৰী খান্দি তাৰ পাৰত বহুত স্নানাগাৰ স্থাপন কৰিছিল। তেওঁলোকে সোণৰূপ আদিৰ অলঙ্কাৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে শিলেৰে নিৰ্ম্মাণ কৰা শিৱলিঙ্গ আৰু দেবী মূৰ্ত্তিৰ পূজা কৰিছিল। বৈদিক ঋষিসকলৰ পৰবৰ্ত্তী ভাৰতীয় আৰ্য্যসকলে এইবোৰ নগৰৰ সুসভ্য মূৰ্ত্তিপূজক লোকসকলৰ সংস্পৰ্শত আহিছিল। তাৰ পাছত মূৰ্ত্তি নিৰ্ম্মাণ কৰি তেওঁলোকেও পূজা কৰিবলৈ ধৰে। ভাৰতৰ খাচিয়া, নগা, চাওতাল প্ৰভৃতি জাতিবিলাকেও অতি প্ৰাচীনকালৰে পৰা গছ, শিল প্ৰভৃতি আৰু ভূত, পিশাচ প্ৰভৃতি কাল্পনিক দেৱতাক পূজা কৰিছিল। পাছৰ কালত মুছলমান-

সকলেও পীৰ অৰ্থাৎ ঈশ্বৰক আৰাধনা কৰি সিদ্ধি লাভ কৰা ফকিৰসকলৰ কবৰৰ আগত চাকি লগোৱা, ভোগ দিয়া নিয়ম গ্ৰহণ কৰে। ঈশ্বৰ, দেৱদেৱী, ভূত, প্ৰেতৰ অস্তিত্বত বিশ্বাস নাথাকিলেও যে মানুহ ধাৰ্ম্মিক হব পাৰে এই মত ভগৱান বুদ্ধদেৱেই পোন প্ৰথমে প্ৰচাৰ কৰে। উপাসনাতকৈও আচৰণতহে যে ধৰ্ম্মৰ আচল ৰূপ (সৎ-ধৰ্ম্ম) আছে তাকো তেওঁ উপদেশ দিছিল।

বুদ্ধদেৱে দীৰ্ঘকাল গভীৰভাৱে চিন্তা কৰি বুজিব পাৰিলে যে সৃষ্টিকৰ্ত্তা আৰু নিয়মিতভাৱে প্ৰাকৃতিক কাৰ্য্যক্ৰমৰ বিধানকৰ্ত্তা আৰু তেওঁৰ শক্তি আৰু উদ্দেশ্যৰ বিষয়ে নানা সম্প্ৰদায়ৰ নানা মত পূৰ্ব্বৰে পৰা চলি আছে। মূৰ্ত্তিপূজা, দেৱদেৱী, ভূত-প্ৰেত, ডাকিনী-যোগিনীৰ অস্তিত্ব আৰু ক্ষমতাত বিশ্বাস কৰি অনুগ্ৰহ লাভ কৰিবলৈ পূজা-সেৱা কৰাৰ নানা প্ৰণালী তেওঁ সমাজত দেখা পাইছিল। এই সকলক পূজা বা প্ৰাৰ্থনা কৰা উচিত নে অনুচিত সেই সম্বন্ধে তৰ্ক কৰিলে মানৱ সমাজৰ কল্যাণ নহয়। তেওঁ সিদ্ধান্ত কৰিলে যে সত্যনিষ্ঠা, সকলোৰে প্ৰতি দয়া, প্ৰেমৰ ভাব, সহনশীলতা, পৰৰ বস্তুৰ প্ৰতি লোভ নকৰা, পৰৰ স্ত্ৰীৰ প্ৰতি কুভাৱে নোচোৱা আৰু কুপ্ৰবৃত্তিবোৰ দমন কৰাৰ ওপৰতেই মানব সমাজৰ মঙ্গল হব আৰু সমাজত আনন্দ আৰু সুখৰ বৃদ্ধি হব। অইন জীৱ অপেক্ষা মানুহৰ শ্ৰেষ্ঠতা এই-বিলাক গুণৰ ওপৰতেই নিৰ্ভৰ কৰে। ঈশ্বৰ, দেৱদেৱী, ভূত-প্ৰেত আদিৰ ক্ষমতা আৰু তেওঁলোকৰ পূজা কৰা পদ্ধতিৰ বিষয়ে তৰ্ক কৰি বিবাদ কৰাৰ কোনো প্ৰয়োজন নাই। তাক কৰিলে মানব সমাজৰ অমঙ্গলহে হব। বুদ্ধদেৱে প্ৰচাৰ কৰিছিল যে ব্ৰাহ্মণ আৰু চণ্ডাল, ৰজা আৰু ভিখাৰী, ব্যাধ আৰু সাধু, ৰাজ-নৰ্ত্তকী আৰু কুলবধূৰ ভিতৰত সকলোৱেই সমান। তেওঁ মানৱৰ কল্যাণৰ বাবে গাৱেঁ গাৱেঁ নগৰে নগৰে উপদেশ দি ফুৰিছিল। তেওঁ যি ধৰ্ম্ম প্ৰচাৰ কৰিছিল তাক তেওঁ সদ্ধৰ্ম্ম বুলি অভিহিত কৰিছিল।

বুদ্ধদেৱে মানুহৰ ভিতৰত উচ্চ-নীচ ভেদাভেদ স্বীকাৰ নকৰিছিল আৰু তেওঁৰ ভ্ৰমণকালত চণ্ডাল বেশ্যা প্ৰভৃতিৰ ঘৰতো নিমন্ত্ৰণ গ্ৰহণ কৰি ভোজন কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সৎ উপদেশ দি বেয়া মানুহকো সৎ কৰিব পাৰি আৰু মানুহৰ হিংসা-প্ৰবৃত্তি গুচাব পাৰি। দাৰ্শনিকসকলে বুদ্ধৰ প্ৰচাৰিত ধৰ্ম্মক নিৰীশ্বৰ ধৰ্ম্ম বোলে, কাৰণ মানুহে ঈশ্বৰ বা দেৱদেৱীৰ উপাসনা নকৰিও মানৱকল্যাণ সাধন কৰিব পাৰে। বুদ্ধদেৱে পুনৰ্জ্জন্ম আৰু কৰ্ম্মফল বিশ্বাস কৰিছিল। মানুহে নিজ চেষ্টাৰে নিজৰ আত্মাৰ উন্নতি সাধন কৰিব পাৰে। এই উন্নতিৰ ফল সমাজতো বৰ্ত্তে আৰু পৰবৰ্ত্তী বংশধৰসকলক উন্নততৰ কৰি কল্যাণ সাধন কৰে। বুদ্ধদেৱে তেওঁৰ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ভিক্ষুসকলৰ সংঘ স্থাপন কৰিছিল। তেওঁ-

লোকে বৈৰাগ্য ব্ৰত গ্ৰহণ কৰি মানব সমাজৰ কল্যাণৰ কাৰণে তেওঁলোকৰ জীৱন উৎসৰ্গ কৰিছিল।

বুদ্ধদেৱে প্ৰচাৰ কৰিছিল মৃত্যুৰ পাছতো আত্মাৰ বিনাশ নহয়। মানুহৰ বাসনা বা তৃষ্ণাক্ষয় হলেহে পুনৰ্জ্জন্ম নহয়। এইসকলো মানুহে সংসাৰৰ আসক্তি ত্যাগ কৰি তৃষ্ণাক জয় কৰিব লাগে। তৃষ্ণা নোহোৱা হলে একো নাথাকে। এই অৱস্থাক বুদ্ধদেৱে নিৰ্বাণ বুলি অভিহিত কৰিছিল। চাকি এটাৰ তেল পুৰি শেষ হলে যেনেকৈ চাকিৰ শিখাডাল নুমাই যায় তেনেকৈ তৃষ্ণাৰূপী তেল পুৰি জ্বলি থকা আত্মাৰূপ পোহৰটোও নুমাই যায়। নিৰ্ব্বাণ শব্দৰ অৰ্থ হল নুমাই যোৱা।

অষ্টম খণ্ড

(শোকবাণী আৰু শোকপ্ৰস্তাৱ)

[স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ দেহাৱসানৰ পাছত দ্বিশতাধিক শোকবাণী আৰু বাজহুৱা শোকপ্ৰস্তাৱ পোৱা গৈছিল। কিছুমান শোক প্ৰস্তাৱ খবৰৰ কাগজতো ওলাইছিল। তাৰে কিছুমানৰ উদ্ধৃতি এই খণ্ডত দিয়া হল। ইংৰাজীত লিখা পত্ৰ বা প্ৰস্তাৱসমূহ ইংৰাজীত ৰখা ভাল হব বুলি ভাবি তাকে কৰা হল।]

—সম্পাদক

শোকবাণীসমূহ

* * তেখেতৰ মৃত্যুত এটা বৰ অভাব অনুভব কৰিছোঁ। তেখেতৰ নিচিনা এজন বিদ্বান, সকলো বিষয়তে পাৰ্গত, বহুদৰ্শী ও বিশাল হৃদযৰ পুৰুষ আৰু দ্বিতীয এজন মই পোৱা নাই আৰু যে পাম তাৰ আশা নাই। কিমান মানুহ যে তেখেতৰপৰা উপকৃত হল তাৰ হিচাপ নাই। মোৰ ব্যক্তিগত জীৱনতো তেখেতৰ নিচিনা হিতাকাঙ্ক্ষী লোক কমেই পাইছো। তেখেতৰপৰা পোৱা সাহায্য, সজ উপদেশ ও মৰম জীৱনত পাহৰিব নোৱাৰিম।

—শ্ৰীভোলানাথ শৰ্ম্মা,
জিলা আৰু চেচন ন্যাযাধীশ, যোৰহাট,
বৰ্ত্তমান উচ্চ ন্যায়ালযৰ ন্যাযাধীশ।

* * দেউতাক (কামাখ্যাৰাম বৰুৱা) এজন উচ্চমনৰ মৰমিযাল অন্তৰৰ ধীৰ আৰু সাধুপুৰুষ আছিল। ১৯৫৮ চনৰ পৰা তেখেতৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ, যদিও আগৰেপৰাই তেখেতৰ বিষযে সকলো জানিছিলোঁ। দু-আষাৰ কথাৰেই তেখেতে মোক ততালিকে বৰ আপোন কৰি লৈছিল। তেখেতৰ সজগুণ কেতিযাও পাহৰিব নেৱোৰিম।

অসমৰ শ্ৰেষ্ঠ গুণী লোকসকলৰ তেখেত এজন অন্যতম আছিল। তেখেতৰ পাছত সেইশ্ৰেণীৰ অমায়িক, গুণী লোক আৰু দুই এক ওলাব নে নোলায সন্দেহ। এই শ্ৰেণী লোকৰ অভাবত আজি আমি দুখীযা হৈছো। সমগ্ৰ অসমে তেখেতৰ অভাব অনুভব কৰিব।

—শ্ৰীনকুলচন্দ্ৰ ভূঞা, যোৰহাট।
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা।

* * তেখেতৰ গৌৰৱময আৰু আদৰ্শপূৰ্ণ জীৱনে চিৰকাল দেশবাসীক আদৰ্শ দেখুৱাই থাকিব আৰু দেশবাসীয়ে তেখেতক সুঁৱৰিব। তেখেতৰ বিযোগত হোৱা শূন্য অপূৰণ হৈ ৰ'ব।

—শ্ৰীগণেশচন্দ্ৰ ফুকন, আই এ এচ

* * তেখেতৰ বাসভবনৰ নিৰ্জন কক্ষত কিমান লোকৰ লগত তেখেত নিবিড়ভাবে জড়িত আছিল সেইটো দৰ্শনপ্ৰাৰ্থীৰ বাহিৰে আন কোনোৱে

নেজানিছিল। মানুহে সহজে অনুশীলন কৰিবপৰা সজ উপদেশ আৰু নির্দেশহে তেখেতে দিছিল। ..ঁবৰুৱাদের সচাকৈয়ে এগৰাকী দীপ্তিমান নীৰৱ সাহিত্যিক।

—শ্রীপ্রমোদ দাস, সম্পাদক,
জন নিৰাপত্তা সংস্থা, গুৱাহাটী।

* * তেখেতৰ লগতে গোটেই জাতিটোৱে এজন গুৱিধৰোঁতা লোক হেৰুৱালে। আপোনালোকৰ লগতে যে গোটেই জাতিৰ ক্ষতি হ'ল সেযেই আপোনালোকক সান্ত্বনা দিব।

—শ্রীআনন্দ বেজবৰুৱা, শিৱসাগৰ।
(অধিবক্তা)

* * তেখেত এজন অমায়িক, সৰল আৰু সাধুপুৰুষ আছিল। সদাযেই লোকক সজ উপদেশেৰে উদগনি দি জনহিতকৰ কার্যত তেখেতে সেৱা কৰিছিল। তেখেতৰ বিয়োগত অকল আপোনালোকৰেই নহয়, সমগ্র গুৱাহাটী তথা সমগ্র অসমৰেই বিস্তৰ ক্ষতি হ'ল। তেখেতৰ দেহাৰ অৱসান ঘটিছে যদিও মানুহৰ মনত তেখেত চিৰস্মৰণীয় হৈ থাকিব।

—শ্রীমানিকচন্দ্র বৰুৱা, অধিবক্তা, যোৰহাট।

* * তেখেত যে এগৰাকী নিঃসন্দেহে পণ্ডিত পুৰুষ, বিবেচক আৰু ন্যায়নিষ্ঠ লোক আছিল তাত সন্দেহ নাই। আশা কৰো তেখেতৰ স্মৃতি নানা কামৰ আৰু অনুষ্ঠানৰ মাজেদি জড়িত হৈ থকাৰ লগে লগে জাতিৰ মনতো বহুদিনলৈ জাগৰুক থাকিব।

—শ্রীচন্দ্রপ্রভা সইকীয়াণী।

* * সকলোৰে প্রতি তেখেতৰ মৰম আছিল আৰু সেইবাবে সকলোৱে তেখেতক বৰ ভাল পাইছিল আৰু ভক্তি কৰিছিল। ঁদেউতাৰা মানুহৰ বিপদৰ বন্ধু আছিল। তেখেতৰ ঠাই পূৰাব পৰা মানুহ আৰু বেগেতে নোলায়।

—শ্রীখেতেক বৰুৱা,
মেনেজাৰ, বাহাদুৰ চাহবাগিছা।

* * বাস্তৱিকাকত যোগে আপোনালোকৰ পিতা মহৰ্ষি কামাখ্যাৰাম বৰুৱা ডাঙৰীয়াৰ দেহান্তৰ হোৱাৰ খবৰ পালোঁ। তেখেত আমাৰ সকলোৰে গুৰু আৰু পথনিৰ্দ্দেশক আছিল। আজি এই দেশত তেখেতৰ দৰে সাধু চৰিত্ৰৰ মানুহ নাই বুলিলেও চলে। ...তেখেত চিৰদিন আৰণ্যক উপনিষদৰ আদৰ্শত গঢ়ি উঠা মানুহ,—আজি তেখেতৰ দেহান্তৰ প্ৰাপ্তি—তেখেতৰ পক্ষে নিৰ্ব্বাণ প্ৰাপ্তি হৈছে বুলি মোৰ মনে দৃঢ় বিশ্বাস কৰে।

—শ্ৰীশ্যামাপ্ৰসাদ চক্ৰবৰ্ত্তী,
অধিবক্তা, ধুবুৰী।

* * মই ১৯০৭ চনত কলিকতাত পঢ়িবলৈ যাওঁতে তেখেতৰ লগত বিশেষ পৰিচিত হওঁ। আমি প্ৰথম কলিকতাত থাৰ্ড ইযাৰত পঢ়োঁ আৰু তেখেতে বোধকৰো বি এল ক্লাচত পঢ়িছে কি পৰীক্ষা দিছে। আমাৰ সকলোৰে অভিভাবকস্বৰূপ সৎপৰামৰ্শদাতা তেখেত আছিল। সেইদিন ধৰি আজিপৰ্য্যন্ত তেখেতক ভাল নোবোলা মানুহ এজন লগ পোৱা নাই। তেখেতৰ সন্তানসকলো বিশেষ সৌভাগ্যশালী, কিয়নো এনেজন পুৰুষ তেওঁলোকৰ পিতৃ আছিল। যদিও তেখেতৰ নশ্বৰ দেহ এই সংসাৰত নেথাকে, তেখেতৰ নাম ও আদৰ্শ অসমীয়া জাতিৰ মাজত স্থায়ী হব।

—শ্ৰীবিষ্ণুচন্দ্ৰ বৰুৱা, অধিবক্তা, যোৰহাট।

* * শিক্ষাৰ ক্ষেত্ৰত, সমাজ উন্নয়ন কাৰ্য্যত, বিভিন্ন জনহিতকৰ কাৰ্য্যত ভিনদেউৰ বৰঙণি আছিল অতুলনীয়। কালিৰাম বৰুৱা হাই স্কুল তেখেতৰ মহৎ দানৰ কীৰ্ত্তিস্তম্ভ। লোকক মৰম কৰি, সহায় কৰি, আশ্ৰয় দি ভিনদেৱে পৰম তৃপ্তি পাইছিল। এই আদৰ্শপুৰুষৰ জন্ম বোধকৰো হেজাৰত এজনহে ওলাব পাৰে।

—শ্ৰীৰাম গোস্বামী, মুখ্য গ্ৰন্থপাল, শ্বিলং।

* * মণিপুৰত থাকোতে তেখেত মণিপুৰীবিলাকৰ কিমান শ্ৰদ্ধাৰ পাত্ৰ আছিল সেইবিলাক কথা তেখেত মণিপুৰ এৰি অহাৰ পাছত মোৰ অবিদিত নহয়। তেখেতৰ গুণ বৰ্ণাব নোৱাৰোঁ। তেখেতৰ আচাৰ-ব্যৱহাৰ, কাৰ্য্যকলাপ আদি দেখি মণিপুৰীবিলাকে তেখেতক মহাত্মা গান্ধীৰ লগত তুলনা কৰিছিল। এনে

এজন লোকক কেবল তোমালোকৰ পৰিয়ালেই হেৰুওৱা নহয়—দুখুনী অসম মাতৃৰো এজন সুযোগ্য কৰ্ম্মী পুত্ৰ হেৰাল।

—মাণিকচন্দ্ৰ হাজৰিকা, নগাওঁ।
অৱসৰপ্ৰাপ্ত।

* * শ্ৰীযুতৰ বিয়োগত অকল তোমালোকৰে নহয়, সমস্ত অসমৰে ক্ষতি হ'ল। বোধকৰো এনে সৰল, উদাৰ আৰু আনৰ বেযা নেদেখি ভাল দেখা লোক অসমত আৰু আছেনে নাই, কব নোৱাৰো। এনে লোকৰ বিয়োগে ভয়ানক ক্ষতি কৰিলে। সন্তান-সন্ততিৰ কথাই নাই—কাৰণ অপাৰগ হৈ থাকিলেও ডাঙৰ চকুৰ দৰে ঢাকনি—যি নহলে গোটেই সৰ্ব্বনাশ, অথচ স্বতন্ত্ৰকৈ ঢাকনি মূল্যহীন।

—শ্ৰীগোপালচন্দ্ৰ গোস্বামী, যোৰহাট
অৱসৰপ্ৰাপ্ত শিক্ষক

* * তেখেতৰ অবিহনে ঠিক তেখেতৰ দৰে অসমীযা সমাজৰ এজন কৃতী সন্তান সতকাই পোৱা যাব বুলি আমি আশা কৰিব নোৱাৰো। তেখেত আছিল এজন সুদৰ্শন, ধীৰ, স্থিৰ, তীক্ষ্ণবুদ্ধিসম্পন্ন সৰবৰহী পুৰুষ। আইনজ্ঞ হিচাপে, চৰকাৰী দায়িত্বশীল বিষযববীয়া হিচাপে, দেশ আৰু জাতিৰ আশাশুধীয়া সেৱক হিচাপে তেখেতৰ লগত তুলনা কৰিবপৰা লোক বিৰল। আধ্যাত্মিক ভাবত গম্ভীৰ, ভাৰতীয় আদৰ্শৰ প্ৰতি আস্থাবান হৈও আধুনিক পৃথিবীৰ সকলো ৰকম সংস্কৃতিৰ প্ৰতি সজাগ থকা তেখেতৰ দৰে লোক অসমীযা সমাজত বহুত কম। সকলোৰে ওপৰত তেখেত এজন অমায়িক, সত্যনিষ্ঠ আৰু কৰ্ম্মী পুৰুষ আছিল। তেখেতৰ আদৰ্শই অসমীযা সমাজ শান্তি আৰু প্ৰগতিৰ পথত আগুৱাই লৈ যাব।

—শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, টীয়ক,
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা

* * তেখেতৰ মৃত্যুত অৱশ্যে দুখ পাবলগীয়া একো নাই। বয়স যথেষ্ট হৈছিল আৰু সমাজৰ এজন মানুহ হিচাপে জীৱনত কৃতকাৰ্য্যতা লাভ কৰিলে বুলিও কব লাগিব। জীৱনৰ নানা ঘাত-প্ৰতিঘাত নীৰৱে সহ্য কৰিব পৰা শক্তি তেখেতৰ আছিল আৰু নিজৰ জীৱনৰ মাজেদি সেইটো দেখুৱাবলৈকো সমৰ্থ হৈছিল।

—শ্ৰীৰাধিকামোহন গোস্বামী, অধিবক্তা, নগাওঁ।

* * তোমালোকৰ পিতৃদেৱ অসমী আইৰ ৰত্নবিশেষ, আমাৰ সকলোৰে ভক্তি, শ্ৰদ্ধা, আদৰ্শৰ মূল আছিল।

—শ্ৰীকমলেশ্বৰ বৰুৱা, মুখ্য অভিযন্তা, ছিলং

* * ভাগ্যবান লোক তেখেত, ভৰপূৰ সংসাৰ এৰি স্বৰ্গী হ'ল। অতি উদাৰ, অতি মহৎ অন্তঃকৰণৰ লোক এজন অসমে হেৰুৱালে। এনে ঋষিতুল্য লোক বিৰল। সকলো ক্ষেত্ৰতে তেখেতৰ পাৰদৰ্শিতা—তেখেতৰ গুণত মানুহ মুগ্ধ নহৈ নোৱাৰিছিল। পৰোপকাৰ আছিল তেখেতৰ ব্ৰত। কিমান মানুহক তেখেতে কিভাবে সহায় কৰিছিল ভাবিলে আচৰিত হব লাগে। 'উদাৰচৰিতানাং তু বসুধৈৱ কুটুম্বকম' এই কথাষাৰ তেখেতৰ জীৱনত সম্পূৰ্ণৰূপে বিকশিত হৈছিল। মানুহ বেয়া হব পাৰে—এই কথা তেখেতে ভাবিব নোৱাৰি সকলোকে বিশ্বাস কৰিছিল, তাৰ বাবে ক্ষতিগ্ৰস্তও হৈছিল। আজি তেখেত গ'ল, কিন্তু তেখেতৰ কীৰ্ত্তি থৈ গ'ল। 'কীৰ্ত্তিৰ্যস্য স জীৱতি'—তেখেতৰ অমৰ আত্মা সদায় স্মৰণযোগ্য। তোমালোক ধন্য তোমালোকে এন মহান পিতৃৰ সন্তান।

—শ্ৰীচন্দ্ৰনাথ শৰ্ম্মা, চৰকাৰী অধিবক্তা
তেজপুৰ।

* * দেউতার মৃত্যুতে অত্যন্ত মৰ্ম্মাহত হইলাম। আজ কতবড় আমাদেব একজনকে হাবাইলাম বুঝিতেছি। এক বাবা ছাডা আর আমাদেৰ এমন আপনজন আর কেহ নাই। তিনি এতদিন শুইয়াছিলেন তবুও তিনি আছেন ভাবিয়াছি। এবার বৈশাখ মাসে তাঁহাকে শেষ দেখা দেখিয়া আসিলাম। সব সময়ই তাঁহার কথা মনে হইতেছে। তিনি আমাদেব সুখে দুঃখে সব সময়ই কাছে আসিয়াছেন। আব কেহ এভাবে আসিবে না। শেষজীৱনে বাবা কত বড আঘাত পাইলেন বুঝিতে পাব। বাবার জন্য বড কষ্ট হইতেছে তাঁহার আর কেহ থাকিল না। ভগবানেব কাছে এই প্ৰাৰ্থনা দেউতার আত্মা যেন শান্তি পান।

উষা সেনগুপ্ত
(৺নৰেন্দ্ৰনাথ সেনৰ বৰজীয়ৰী)

* * তেখেত তোমালোকৰ অকল পিতৃয়েই নাছিল ; মাতৃ, গুৰু আদি সকলো হৈ তোমালোকক সকলোফালৰেপৰা আবৰি ৰাখিছিল। এনেকুৱা পিতৃৰ সন্তান হোৱাতো সঁচকৈয়ে বৰ সৌভাগ্য। তেখেতে নিজৰ জীৱনক আদৰ্শস্বৰূপে

দেখুৱাই থৈ গৈছে। একেলগে সকলোফালৰেপৰা গুণসম্পন্ন মানুহ বিচাৰি পোৱাতো অতি বিৰল। তেখেতৰ মনৰ দৃঢ়তা, ধৈৰ্য্য আৰু অধ্যবসায়ৰ তুলনা নাই। যিয়েই এবাৰ তেখেতৰ ওচৰ চাপিছে, তেখেতৰ গুণত মুগ্ধ নহৈ নোৱাৰিছিল।

—শ্ৰীহেম শৰ্ম্মা, আয়কৰ আয়ুক্ত, কলিকতা

* * তেখেত আছিল এগৰাকী স্থিতপ্ৰজ্ঞ মুনি। তেখেতৰ দেশপ্ৰেম, ধৰ্ম্মনিষ্ঠা, উদাৰতা আৰু পৰোপকাৰিতা গুণে অসমৰ সকলোকে আৰু অসমৰ বাহিৰৰ বহুত শ্ৰেষ্ঠ লোকক মুগ্ধ কৰিছিল। তেখেতৰ অসাধাৰণ গুণৰাজীয়ে মোক বিশেষকৈ মুগ্ধ কৰিছিল আৰু তেখেতৰ পৰা মই বহুত উপকাৰ পাইছিলোঁ। তেখেতৰ বিয়োগত অসমৰ যি ক্ষতি হ'ল, সেই ক্ষতি পূৰাব পৰা লোক সোনকালে নোলাব।

—শ্ৰীশশীকান্ত শৰ্ম্মা, নগাওঁ
অৱসৰপ্ৰাপ্ত বিদ্যালয় পৰিদৰ্শক

* * পুৰণিকলীয়া বুৰঞ্জীবিখ্যাত গৌৰবোজ্জ্বল বৰুৱা বংশৰ আজি স্তম্ভ এটা খহি পৰা যেন অনুভৱ হৈছে। এনেহেন মিষ্টভাষী, পৱিত্ৰাশয় আৰু পুণ্যাত্মা লোক এজন যে আজিৰ উৎকট আৰু অসহিষ্ণু সমাজত বিচাৰি পোৱা যাব, সেই-বিষয়ে সন্দেহ। আমাৰ ককাদেউতা আৰু পিতাৰপৰা সৰুকালতেই গুৱাহাটীৰ বৰুৱা বংশৰ মহান 'ট্ৰেডিচনৰ' বিষযে নানা কথা শুনিছিলোঁ আৰু সেই হেতুকেই নেকি এই বংশৰ প্ৰতি আমাৰ এটি বিশেষ শ্ৰদ্ধা আজিলৈও আছে। আমাৰ সমাজৰ কিছুমান বযোবৃদ্ধ লোকে কব খোজে যে আপোনালোকৰ পিতৃদের ইমান পুণ্যবান আছিল যে সেই পুণ্যৰ ফল আপোনালোকৰ বংশধৰসকলে বহুবছৰলৈ ভোগ কৰিব।

—শ্ৰীহৰেশ্বৰ দেব চৌধুৰী
শ্ৰীহোমেশ্বৰ দেব চৌধুৰী, পাটাচাৰকুছী

* * ৺দেউতাৰাৰ ফটো এখন পাৰিলে পঠাবা। ১৯৩৩ কি ৩৪ চনত মই এদিন আবেলিবেলিকা যোৰহাট টাউনৰ ৰাস্তাত ৺ৰায়বাহাদুৰ কে কে বৰুৱা দদাইদেউক হঠাৎ লগ পালোঁ। তেখেতে সন্ধ্যা লগাৰ আগতে খোজকাঢ়ি ফুৰাৰ অভ্যাস আছিল। মোক লগ পাই তেখেতে কলে,—"তোৰ কথা বৰুৱাই বৰ ভালকৈ কৈছে। তেখেতৰ নিচিনা ভাল মানুহ নাই। তেখেত আসামৰ এজন Jewel." তোমাৰ দেউতাৰাৰ কথাকেই মোক কৈছিল।

—শ্ৰীখেতেকধৰ বৰুৱা
মেনেজাৰ, বাহাদুৰ চাহবাগিছা

* * তেখেতৰ কৰ্ম্মবহুল জীৱনৰ আদৰ্শই আমাক সকলোকে সৎপথে চলিবলৈ চিৰকাল উদগণি দি থাকিব।

—শ্ৰীউপেন্দ্ৰনাথ কটকী,
শিৱসাগৰ।

** পূজনীয় শ্ৰীযুত দেউতাৰ স্বৰ্গগমনৰ বাতৰি পাই আমি সকলোটি অত্যন্ত দুঃখিত। তেখেতে সাংসাৰিক সকলো কাম শেষ কৰিলে আৰু কৰ্ত্তব্য শেষ হোৱাত স্বৰ্গ লৈ গ'ল। তেখেত অতি পবিত্ৰ, অতি মহান আছিল আৰু সঁচাকৈ কবলৈ গলে তেখেত আছিল এজন অতিমানব।

—শ্ৰীজনাৰ্দ্দন আচাৰ্য্য, ভিক্ষু,
প্ৰধান শিক্ষক, চৰকাৰী হাই স্কুল।

** কাউন্সিলৰ সতীৰ্থ থকা কালত দেউতাৰাৰ লগত মোৰ ঘনিষ্ঠতা বহুত বাঢ়িছিল। এনেকি আমি শ্বিলঙত কাৰ্যবশতঃ থকা কালত একেটা কোঠাতে আছিলোঁ। তেখেতৰ আদৰ্শনীয় গুণবোৰ এতিয়াও মোৰ চকুত পৰে আৰু তেখেতৰ প্ৰতি মোৰ শ্ৰদ্ধা ক্ৰমে বৃদ্ধি পায়।

—শ্ৰীমহাদেব শৰ্মা, তেজপুৰ,
স্বাধীনতা যুজাৰু, সাহিত্যিক, সমাজকৰ্ম্মী

CHIEF MINISTER,
ASSAM

Shillong
Dated 30th Nov 1965

My dear Sri Barua,

I received the news of the demise of your beloved father only this evening on my return from tour. I was in North Cachar Hills. Although disappearance of a person from this world, so much respected and loved by all, is unbearable, your father lived a full life of activity. I

convey my sincere condolences to you and the other members of the family.

May his soul rest in peace
With best wishes

Yours sincerely
Sd (B P Chaliha)

Sri Prabir Ram Barua
Bheralumukh, P O Gauhati

* * I am very much shocked at the sudden demise of your reverend and honourable father

I am still more sorry that I could not join the Shradh ceremony personally.

I am sure that his soul is in or near the Almighty father

—Lairenmayum Iboongohel Singh
Rtd. Dist & Session Judge, Imphal

* * Assam is poorer to-day in his demise.

—Bhabani Kumar Bhuyan
Acting Chief Secretary, Assam

* * Your revered father attained the height of his career and did his part well He has left behind worthy sons Your loss is shared by us all as in his passing away one of the stalwarts of an age has been called to his rest.

—Secretary, Assam Legislative Assembly.

* * He will always live in our memory as a scholar, an educationist, educational organiser and as a great patriot

—B C. Lalkar, Principal, Gauhati Commerce College.

* * To us also his loving care was always a great support and solace. Now that has gone and we are left disconsolate.

How can I carry consolation to your heart in this great bereavement with my own heart sore with grief and

with but little competence to give solace to you all is the question troubling me presently I, therefore, pray to the Merciful Divine Mother to bless all and give all members of the family fortitude and strength to bear the loss.

May his memory be ever alive in our hearts and guide us in spreading love and affection amongst all our people

—M. S. Golwalkar,
Rastriya Swayangsevak Sangha,
New Delhi.

* * It is not an exaggeration when I say that personalities like your father are rare—always sympathetic and helping to people.

—K. N. Choudhury, Advocate,
Dibrugarh

* * Men like your father cannot die ..On hearing the news father has very much broken down. He has been contemplating for sometime past to go to Gauhati to visit him He is, however, reaching Gauhati on 6th to pay his last homage.

—Anil Sengupta, Calcutta.

* * We have never seen any other person who considers every human being as a part of 'Narayana', as done by him irrespective of the status held by the person

—Bahadur Tea Co.

* * Your illustrious father was the epitome of all good qualities generally rare amongst men. His moral courage, ever truthful attitude, handsome treatment to one and all irrespective of caste, creed, poor or rich attracted the notice of the people whom he ever came across His beautiful look evinced the milky white character in him. He was self-made truthful, and of high character.

With him Assam, and for that matter India lost a soul that was a class by itself in all respects and in all avenues of life

Some ideas passed in me all on a sudden about this great man, which I jotted down in form of a few couplets.

—N K. Hazarika, Gauhati

* * Your revered father brought into Manipur a firmer foundation of the judiciary system. I had appealed to him to desist from leaving us at the end of his term of his engagement We had benefitted from his advice in legal and other matters, which he always gave. It was a time of change and we had great difficulties. We have lost our guide.

—Rajkumar P B Singh, Imphal.

* * I was shocked to receive the telephone message yesterday conveying the news of the passing away of your father and my friend, Mr Kamakhya Barua Please accept my most sincere and heartfelt condolences on this bereavement and your grief is shared by me as well, and I consider the death of your father as a personal loss to me

—C Sanjeeva Row Nayudu,
Judge, High Court of Assam & Nagaland

* * I was distressed to learn from the newspaper about the death of your illustrious father and my esteemed friend and well-wisher Sri Kamakhya Ram Barooah In him we have lost a legal luminary, patriot and one who suffered in the struggle for freedom I also look upon his death as a personal loss as he was one of the first persons I came into contact on my arrival in Assam after finishing my studies in England and he was a great well-wisher of mine I also know what this loss means to you and other members of the family but in these matters we have to bow down the will of God May God give you and other members of the family strength to bear the loss with courage and patience and may the soul of the deceased rest in peace Please accept and convey to other members of the family my deepest condolence in this bereavement of the family.

—Fakhruddin Ali Ahmed,
Union Minister for Agriculture,
(President, Republic of India)

ৰাজহুৱা শোকপ্ৰস্তাববিলাকৰ একাংশ

* * এই সভাত নগৰৰ বিশিষ্ট নাগৰিক, উদাৰ অন্তৰ স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ মৃত্যুত শোক প্ৰকাশ কৰে। তেখেতে "সংঘমিত্ৰাই" স্থাপন কৰা ভৰলু-মুখ মণ্টেচৰী স্কুলৰ প্ৰতি যি সহায় আৰু সহানুভূতি দেখুৱাইছিল, তাক কৃতজ্ঞতাৰে স্মৰণ কৰে।

—সংঘমিত্ৰা
গুৱাহাটী

* * ৺বৰুৱাদেৱ গুৱাহাটী নগৰৰ এজন বিশিষ্ট নাগৰিক আৰু সৰ্ববৰহী লোক আছিল। উচ্চপদস্থ চৰকাৰী বিষয়াৰ বাহিৰেও তেখেত এজন ডাঙৰ সমাজসেৱী লোক আছিল। আনকি তেখেতৰ পিতৃ ৺কালিৰাম বৰুৱাও এগৰাকী অন্যতম গুণগ্ৰাহী দেশকৰ্মী লোক আছিল যে এই কথা ইং ১৮৭১ চনৰ ১৩ নবেম্বৰ তাৰিখৰ মাছখোৱা মজলীয়া স্কুলৰ কাৰ্য্যবিৱৰণীত পোৱা হয়।

—মাছখোৱা মজলীয়া স্কুল,
গুৱাহাটী

* * যিখন বাগিছাৰ আলম লৈ আমি প্ৰবৰ্ত্তন হৈছো, তাৰ যে স্বৰ্গীয় বৰুৱাদেৱ একনিষ্ঠ পৃষ্ঠপোষক আছিল আৰু তেখেতৰ আশাশুধীয়া যত্ন আৰু পৰিশ্ৰমৰ ফলতেই আজি আমাৰ বাগিছাই ইমানখিনি উন্নতি কৰিব পাৰিছে তাক শ্ৰীযুত গোস্বামীদেৱে (শ্ৰীদিলীপকুমাৰ গোস্বামী) ফহিয়াই দেখুৱায়। বৰুৱাদেৱে নৰীযাপাটিত পৰি থাকি, জীৱনৰ আসন্ন অপৰাহ্ণ বেলিকা, প্ৰৌঢ়ত্বৰ শেষ সীমাত থাকিও, এই বাগিছাৰ উন্নতিকল্পে যি অৰিহনা আমাক যোগাই আছিল, সেইকথা ব্যক্ত কৰিবলৈ গৈ শ্ৰীযুত গোস্বামীদেৱৰ একপ্ৰকাৰ বাকৃৰুদ্ধ হৈছিল আৰু লগে লগে নীৰব শ্ৰোতাসকলৰ চকু সেমেকি উঠিছিল।

—গোবিন্দপুৰ চাহবাগিছাৰ কৰ্ম্মচাৰী আৰু
মজদুৰসকলৰ শোকসভাৰ কাৰ্য্যবিৱৰণী

* * সভাই বৰুৱাদেৱৰ মৃত্যুত দেশৰ এগৰাকী ধৰ্ম্মপ্ৰাণ, জ্ঞানী আৰু সজ্জ বিদ্বান পণ্ডিত পুৰুষ হেৰুৱালে . ।

—অসম ৰাজ্যিক মহিলা সম্মিলন

** তেখেতৰ অতি মৰমৰ কলাইগাঁও সেৱাশ্ৰমবাসীৰ হৈ আপোনা-সকললৈ আমাৰ সমবেদনা জ্ঞাপন কৰিলো। ···আপোনালোকৰ ওচৰত আমাৰ বিনীত অনুৰোধ-আমাৰ আশ্ৰমত ৰাখিবৰ কাৰণে তেখেতৰ এখন পূৰ্ণাবয়ৱ ভাল ছবি ডাঙৰকৈ কৰাই আমাক অনুগ্ৰহপূৰ্ব্বক দি কৃতাৰ্থ কৰে যেন। সমুদায খৰচ আমি বহন কৰিম। আপুনি জানে তেখেতে আমাৰ আশ্ৰমখনক অতি চেনেহৰ চকুৰে চাইছিল-প্ৰাণভৰি আশীৰ্ব্বাদ দিছিল। আৰু আপোনা-লোকক নোকোৱাকৈ ১০।১২।৬১ তাৰিখৰ আশ্ৰমৰ উৎসৱত উপস্থিত হৈ অশেষ কষ্ট খাইছিল।

—সম্পাদক, কলাইগাঁও সেৱাশ্ৰম

** অসমৰ ৰাজনৈতিক আৰু সামাজিক নেতা, ধৰ্ম্মপ্ৰাণ, ভাৰতীয় ধৰ্ম্ম-সংস্কৃতিৰ প্ৰতি পৰম শ্ৰদ্ধাবান, প্ৰবীণ আইনজ্ঞ, নীতিপৰায়ণ কামাখ্যাৰাম বৰুৱাদেৱৰ পৰলোকপ্ৰাপ্তি নলবাৰী সংস্কৃত কলেজৰ সাৰস্বত সমিতিৰ সদস্যসকলে গভীৰ শোকপ্ৰকাশ কৰে আৰু স্বৰ্গত আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদনপূৰ্ব্বক ভগৱানৰ ওচৰত আত্মাৰ সদ্‌গতি প্ৰাৰ্থনা কৰে তথা শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

—সাৰস্বত সভা, নলবাৰী সংস্কৃত কলেজ

** ঋষি কামাখ্যাৰাম বৰুৱাই যথাসময়ত এই নশ্বৰ দেহা এৰি দিব্যধামলৈ যোৱাত আমি সদৌ অসমবাসীয়ে হঠাতে অমূল্যৰত্নহাৰা হৈ মৰ্মাহত হৈছো। সেয়ে পৰমব্ৰহ্মৰ ওচৰত তেখেতৰ আত্মাৰ সদ্‌গতিৰ উদ্দেশ্যে—

"আত্মা কামাখ্যাৰামস্য
পৰাত্মাৰামসঙ্গভাক্।
শাশ্বতীং শান্তিমাপ্নোতু
পুত্ৰাশীৰ্ব্বাদতৎপৰঃ॥"

এযা দেৱবাণীৰে চিৰশান্তি কামনা কৰি শোকসন্তপ্ত আপোনালোকলৈ আমাৰ সমবেদনা জ্ঞাপন কৰিলো। আমিও অহাকালি আত্মশ্ৰাদ্ধৰ দিনাখন ইয়াতে তেখেতৰ পৰলোকস্থ আত্মাৰ সদ্‌গতিৰ উদ্দেশ্যে 'শ্ৰীগীতা পাঠাদিৰ আয়োজন কৰিছো।

—শ্ৰীবৈকুণ্ঠনাথ চক্ৰবৰ্ত্তী,
হৰিসভা চতুষ্পাঠী, ধুবুৰী।

* * আজি অসম শিশু কল্যাণ সদনৰ সমূহ শিশু, পৰিচালিকা আৰু শিক্ষকদ্বয় মিলি ৺কামাখ্যাৰাম বৰুৱাদেৱৰ মৃত্যু উপলক্ষে অসম শিশু কল্যাণ স্কুলৰে শিক্ষক শ্ৰীহংসনাথ শৰ্মাৰ সভাপতিত্বত এখন শোকসভা পতা হয়। সভাত তেখেতৰ জীৱনৰ কাৰ্য্যাৱলী আলোচনা কৰা হয়। তেখেতৰ নিচিনা এজন দুখীয়াৰ বন্ধু আজি আমাৰ মাজৰপৰা চিৰবিদায় লোৱাত সঁচাকৈয়ে আমাৰ তথা অসমৰ অপূৰণীয় ক্ষতি হৈছে। তেখেতৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ কাৰণে সভাৰ সকলোৱে ভগবানৰ ওচৰত একমিনিট সময় প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

—অসম শিশু কল্যাণ স্কুল,
গুৱাহাটী।

* * Sri Kamakhya Ram Barooah who had been associating himself with various social activities for ameliorating the conditions of the destitute women and children and also for general education Sri Barooah devoted his life in the perpetuation of Indian culture and harmonious existence among the different sections of the public

In his death the state of Assam has lost a link between the old and the modern generations

(Nowgong Bar Association)

* * Your illustrious father associated himself with the Assam Sanskrit Association as one of its honorary life members He has also adorned the chair of the President of the Twentyfifth session of the Sanskrit Convocation in the year 1960. He has left a legacy of profound scholarship He took keen interest for the spread of Sanskrit Education in this state His place can hardly ever be filled up

(Assam Sanskrit Board)

* * a noble-hearted and eminent citizen of Assam who played considerable role for various political, social and educational advancement of Assam

(Resolution in a meeting of the friends and admirers)

* * records its sense of profound grief at the death of Sri K R Barooah, a leading Tea Planter and citizen of Assam, and the President of the inaugural meeting of the Assam Tea Planters Association, then known as Assam Valley Indian Tea Planters' Association

(Assam Tea Planters' Association)

* * His death has created a void in various spheres of the state of Assam He was the first Assamese to get the distinction of becoming the Chief Justice of Manipur His honesty, integrity and sincerity will be remembered for all time to come

(Staff & Students, University Law College, Gauhati)

* * As a member of the Bar he fearlessly defended the rights of the citizens and as a member of the judiciary he dispensed justice without any frown and favour and he left an indeliable mark as a distinguished judge in history of judiciary of Assam His contribution to the development of legal profession is immense and noteworthy and it will be ever remembered by posterity

(All Assam Lawyers' Association)

* Those of us who knew him as a well-known Tea Planter in India and a leading citizen of Assam looked up much to him for his valuable guidance. I feel, his death is a great loss to Assam How great then must be your sense of loss !

(Assam Tea Planters' Association)

Shri Barua was a distinguished and eminent nobleman of Assam. He was not only a great lawyer but also combined in him a sharp business acumen He distinguished himself in various fields of activities in the public life of Assam. He was a gentleman of sterling character, honesty and integrity He was a member of the Assam Judiciary for sometime and then elevated to the high office of the First Chief Judge of Manipur State. He endeared himself to all by his sobriety, sauve manners and courteous disposition

Shri Barua was not only a great lawyer, but also an ardent patriot, a nationalist and a politician. He was elected to the Assam Legislative Council and was a member for sometime He was a highly learned man and was a source of help and inspiration to all who sought his wise councel He combined a large heart with a scholarly intellect. He was almost a versatile scholar. There was scarcely any subject which he could not deal with He was a noble man of philanthropic disposition and on his munifisence, the present K R Barooah Girl's Govt Aided High School and Haripriya L. P School were established to commemorate the sacred memory of his distinguished father Late Kaliram Barooah and his mother Late Haripriya Debi respectively. Besides this, he had given innumerable donations to various charitable institutions and individuals On his death a void has been created in Assam which is almost irrepairable

—Reference made in the Court of the District & Sessions Judge by the members of the Jorhat Bar Association.

* * The East India Planters' Co-operative Ltd. places on record its deep sense of sorrow and loss at the demise of Sri Kamakhya Ram Barooah, a promoter and the first Chairman of this Society, a leading member of the

legal profession, a great humanitarian and a devoted social worker.

(East India Planters' Co-operative Ltd.)

* * A meeting was held in the State Home, Jalukbari, Gauhati on 29th Nov. 1965 to condole the death of Kamakhya Ram Barooah The meeting recalled his great donation to the State Home, prayed for eternal peace of the departed soul and extended its heartfelt sympathy to the bereaved family

(State Home for Women, Gauhati)

ASSAM LEGISLATIVE ASSEMBLY SECRETARIATE

No 167/LA

From : Shri N C. Handique, B A
Under Secretary, Legislative Assembly
Assam, Shillong.

To Shri Apurba Ram Barua
Bharalumukh, Gauhati -8

Dated Shillong the 8th January, 1966.

Subject : Obituary reference on the death of
Shri Kamakhya Ram Barooah, Gauhati.

Sir,

I am directed to say that at the meeting of the Assam Legislative Assembly held on 9 12 65, the Chief Minister, Assam made a reference on the sudden demise of Sri K R Barooah

The whole house associated with the observations and expressed its profound sorrow and condolence to the members of the bereaved family The Speaker, Assam Legislative Assembly also associated himself with the sentiments expressed to the House.

Yours faithfully
Sd—
Under Secretary, Legislative Assembly. Assam.

পৰিশিষ্ট

(ক) ৺কামাখ্যাৰাম বৰুৱাৰ হস্তাক্ষৰৰ নমুনা (ব্লক)।

(খ) কামাখ্যাৰাম বৰুৱাৰ অভিন্নহৃদয় বন্ধু ৺নবেন্দ্ৰনাথ সেনৰ চমু জীৱন-পৰিচয়।

(গ) স্মৃতিগ্ৰন্থত সম্ভাৰ যোগোৱা লিখকসকলৰ চমু পৰিচয় (বৰ্ণানুক্ৰমে)।

কামাখ্যাৰাম বৰুৱাৰ হস্তাক্ষৰৰ নমুনা

শ্ৰীশ্ৰীদুৰ্গা ।

বুৰকী ।
৮।১২।৪২।

পৰমস্নেহাশীষৰে-

মৰমৰ হৰিশবাপা, আমি তোমালোকে-
অৰ্থাৎ লেখামতে হে বুৰকী পালোঁ। ৰবিবাৰে
ৰাতি গোৱালন্দত থাকিব লগীয়া হল। ৰাতি
৯।৪৫ মিনিটত গোৱালন্দৰ পৰা এখন ট্ৰেইন
বুৰকীলৈ পৰা লৈ-গল। সেই ট্ৰেইনখনত আমি
শুই থাকিলোঁ। ইয়াৰ ৪টা বজাত সেই ট্ৰেইন খন
গোৱালন্দৰ পৰা ৫ টা বজাত বুৰকী পাইছ:

পুনৰ আৰু অৱস্থা খবৰ লিখিবা।
অপৰাধ ক্ষমিবা অনুমান সম্পূৰ্ণতালৈ হৰণাৰ।
খোকাৰ গাভী-গোৰ্হ্যা গৰ কে ?

মোৰ স্নেহাশীৰ্বাদ জানিবা। ইতি

তোমাৰ মৰমৰ
শ্ৰীকামাখ্যাৰাম বৰুৱা।

নৰেন্দ্ৰনাথ সেন
(১৮৮৫-১৯৭২)

মূল লেখিকা—শ্ৰীসুব্ৰতা সেন

অনুবাদিকা—শ্ৰীনিৰ্ম্মলা দেৱী

[কামাখ্যাৰাম বৰুৱাৰ বন্ধুবাৎসল্য সম্পৰ্কে কিবা কওঁতে কেবাজনেও তেখেতৰ অন্তৰঙ্গতম বন্ধু নৰেন্দ্ৰনাথ সেনৰ নাম উল্লেখ কৰিছে। প্ৰগাঢ় আৰু চিৰস্থায়ী বন্ধুত্বই গঢ় লয় সমান হৃদয়তা আৰু সমান জীৱনাদৰ্শৰ আকৰ্ষণত। উচ্চ জীৱনবোধ বন্ধুত্বৰ মোহিনীপাশ। এনেভাবে গঢ় লোৱা বন্ধুত্বই ভাষা, সম্প্ৰদায়, স্থানিক দূৰত্বৰ ব্যৱধানকো ওফৰাই দিয়ে। কামাখ্যাৰাম বৰুৱা আৰু নৰেন্দ্ৰনাথ সেনৰ বন্ধুত্বৰ মূলতে হ'ল দুয়োজনৰ সমান জীৱনাদৰ্শ। সেই কাৰণে নৰেন্দ্ৰনাথ সেনৰ চমু জীৱনী অলপ দিয়া হ'ল। এই জীৱনীখন তেখেতৰ জী-নাতিনী অধ্যাপকা সুব্ৰতা সেনে লিখা।]

নৰেন্দ্ৰনাথ সেনে ১৮৮৫ খৃষ্টাব্দত ফৰিদপুৰ জিলাৰ পালং গাওঁত তেখেতৰ মোমায়েকৰ ঘৰত জন্মগ্ৰহণ কৰে। তেখেতৰ দেউতাকৰ নাম ৺মথুৰানাথ সেন আৰু মাকৰ নাম ৺কামাখ্যা প্ৰিয়া দেৱী। মথুৰানাথ সুপণ্ডিত আছিল কিন্তু সেই পাণ্ডিত্য অৰ্থকৰী কৰিব পৰা নাছিল। মাকে অভাৱৰ সংসাৰত তেখেতৰ পাঁচজন পুত্ৰকন্যাক অসীম ধৈৰ্য্য আৰু মৰমেৰে মানুহ কৰিছিল। নৰেন্দ্ৰনাথৰ শিক্ষা আৰু চৰিত্ৰৰ ভেটিটো মাকৰ প্ৰভাৱতে সুদৃঢ় হৈছিল।

১১ বছৰ বয়সত নৰেন্দ্ৰনাথ গুৱাহাটীত থকা তেখেতৰ মোমায়েক ৰায়বাহাদুৰ কালীচৰণ সেনৰ ঘৰলৈ পঢ়াশুনাৰ কাৰণে আহে। গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলৰপৰা তেখেতে এণ্ট্ৰেন্স পাচ কৰে। পাছৰখিনি পঢ়াশুনা কৰিছিল গুৱাহাটীৰ কটন কলেজ আৰু কলিকতাৰ চেণ্ট জেভিয়াৰ্চ আৰু প্ৰেচিডেন্সি কলেজত। গুৱাহাটীত উচ্চ ইংৰাজী স্কুলত পঢ়া দিনত তেখেত সোনাৰাম হাইস্কুলৰ প্ৰধান শিক্ষক ৺বিপিন বিহাৰী চক্ৰবৰ্ত্তীৰ সংস্পৰ্শলৈ আহে। মৰমিয়াল আৰু সবল চৰিত্ৰৰ এই শিক্ষকজনে নৰেন্দ্ৰনাথৰ স্বাভাৱিক চৰিত্ৰবিকাশৰ পথ ভালেমানখিনি সুগম কৰিছিল। গুৱাহাটীত থাকোঁতেই তেখেতে কেবাজনো প্ৰিয়বন্ধু লাভ কৰিছিল। তাৰ ভিতৰত মহাপ্ৰাণ কামাখ্যাৰাম বৰুৱা আছিল অন্তৰঙ্গতম। ১৯৬৫ চনত কামাখ্যাৰাম বৰুৱাৰ মৃত্যু পৰ্য্যন্ত এই অনুপম বন্ধুতা প্ৰাণ-সৌৰভেৰে ভৰপুৰ আছিল।

নৰেন্দ্ৰনাথ সেনৰ কৰ্ম্মজীৱনৰ পূৰ্ণাঙ্গ পৰিচয় দিয়া এই ক্ষুদ্ৰ প্ৰবন্ধত সম্ভৱ নহয়। বিধাতাই তেখেতক নীৰোগী দেহত দীৰ্ঘজীৱন দিছিল। সেই জীৱন তেখেতে সাৰ্থকৰূপে কামত লগাইছিল—এজন অনলস কৰ্মীৰূপে আৰু এজন আদৰ্শ মানুহৰূপে।

ছাত্ৰাৱস্থাতে অনুশীলন সমিতিৰ লগত তেখেতৰ ঘনিষ্ঠ সম্পৰ্ক ঘটে। কৰ্মজীৱনৰ আৰম্ভণীতে ভোলাৰ জাতীয় স্কুলত তেখেতে অসামান্য কৃতিত্বৰে সৈতে কিছুদিন শিক্ষকতাও কৰিছিল। তাৰ পাছত ক্ৰমান্বয়ে কৃষ্ণনগৰ কলেজ, ময়মনসিংহৰ আনন্দমোহন কলেজৰ পদাৰ্থবিদ্যাৰ অধ্যাপকৰ পদ অলংকৃত কৰে। আনন্দমোহন কলেজত অধ্যাপনাৰ কালছোৱাতে তেখেতে আচাৰ্য্য জগদীশচন্দ্ৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাইছিল। ১৯১১ খৃঃত মৈমনসিংহত বঙ্গসাহিত্য সন্মিলনত আচাৰ্য্য জগদীশচন্দ্ৰ অন্যতম বক্তা আছিল। সেই সভাত বিশেষ কৃতিত্বৰ সৈতে প্ৰয়োজনীয় বিদ্যুত যোগোৱাৰ সুব্যৱস্থা কৰি তৰুণ নৰেন্দ্ৰনাথে জগদীশচন্দ্ৰৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ তিনিমাহৰ পাছতে প্ৰেচিডেন্সী কলেজত আচাৰ্য্য বসুৰ অধীনত তেখেতে 'ৰিসাৰ্চ্চ স্কলাৰ' ৰূপে যোগ দিয়ে। ১৯১০ খৃষ্টাব্দত বসুবিজ্ঞান মন্দিৰ প্ৰতিষ্ঠিত হয। প্ৰতিষ্ঠাৰ দিনাৰ পৰাই, সুৰেশ সৰ্ব্বাধিকাৰী, নৰেন নিয়োগী, নগেন্দ্ৰচন্দ্ৰ নাগ আৰু বশীশ্বৰ সেন আদিৰ লগত নৰেন্দ্ৰনাথো 'বসুবিজ্ঞান' মন্দিৰৰ ফাউণ্ডেচন স্কলাৰ আছিল। এখেতসকলেই জগদীশচন্দ্ৰৰ প্ৰথম আৰু প্ৰধান শিষ্যৰূপে জনাজাত। ১৯২১ চনত নৰেন্দ্ৰনাথ প্ৰেসিডেন্সি কলেজত অধ্যাপকৰূপে যোগ দিযে আৰু ১৯৪৩ চনত সেই কলেজৰপৰা অৱসৰ গ্ৰহণ কৰে।

অৱসৰ লোৱাৰ পিছত তেখেতে প্ৰশান্ত চন্দ্ৰ মহলানবীছৰ আহ্বানত নব-গঠিত 'ইণ্ডিয়ান ষ্টেটিছটিকেল ইনষ্টিটিউটৰ ৱৰ্কছপৰ দাযিত্ব লয আৰু 'কেলকুলেটৰ' যন্ত্ৰ এটা নিৰ্মাণ কৰিবলৈ চেষ্টা কৰে। দুৰ্ভাগ্যক্ৰমে নিতান্ত অৰ্থাভাবৰ কাৰণে এই চেষ্টা পাচত এৰি দিব লগা হয। ইয়াৰ প্ৰায় দহবছৰ পিছত আকৌ প্ৰশান্তচন্দ্ৰৰ পৰা আমন্ত্ৰণ আহে আৰু তেখেতে কনছালটিং ইঞ্জিনীযাৰ পদত যোগ দিয়ে। ১৯৫৯ খৃঃত তেখেতে ইনষ্টিটিউটৰ পৰা অৱসৰ গ্ৰহণ কৰে। নৰেন্দ্ৰনাথৰ উদ্ভাৱিত আৰু নিৰ্মিত যন্ত্ৰবিলাকৰ ভিতৰত বিশেষভাবে উল্লেখ কৰিব পৰা জগদীশচন্দ্ৰৰ গবেষণাত ব্যৱহৃত মাগ্নেটিক ক্ৰেস্কোগ্ৰাফ, ৰেনোন্যাণ্ট ৰেকৰ্ডাৰ প্ৰভৃতি। প্ৰশান্ত চন্দ্ৰ মহলানবীছৰ নৃমিতিৰ গবেষণাৰ কাৰণে সকলো স্কোপ আৰু I C Iৰ কাৰণে Crop Cutting Instrument, দিল্লী বিদ্যালয় আৰু প্ৰেসিডেন্সী কলেজৰ গবেষণাৰ কাৰণে প্ৰস্তুত কৰা Cloud Chamber (মেঘ

কক্ষ) সম্পৰ্কীয় অধ্যাপক হেৰিচন আৰু তেখেতৰ যুটীয়া গবেষণা প্ৰবন্ধৰ এই ক্ষেত্ৰত উল্লেখ কৰিব পৰা যায়।

কৰ্ম্মী নৰেন্দ্ৰনাথৰ নিচিনাকৈ মানুহ নৰেন্দ্ৰনাথ মানুহজনো সমানভাবে বিস্ময়কৰ। বিধাতা পুৰুষে তেখেতক বলিষ্ঠ সুন্দৰ দেহ দিছিল আৰু এখম প্ৰেমপূৰ্ণ বিশাল হৃদয় দিছিল। তেখেতৰ মানৱপ্ৰীতি, কৰ্ম্মপ্ৰীতি, স্বদেশপ্ৰীতি অইন কি পশুপক্ষীৰ প্ৰতিও যে অসামান্য সহানুভূতি দেখা গৈছিল তাৰ মূলতে এই প্ৰেমময় হৃদয়।

গোটেই জীৱন একেভাৱে তেখেতক দেখা গৈছিল। অপাৰিবৰ্ত্তিত তেখেতৰ পিন্ধন উৰণ তেনেই সাধাৰণ ধৰণৰ কিন্তু বৈশিষ্ট্যপূৰ্ণ আছিল। তেখেতৰ বাংলা মিলৰ ৪৪ ইঞ্চি ধুতি, বগা টুইলৰ কামিজ, গলাবন্ধ এৰিযা কোট আৰু এৰী চাদৰ এয়ে আছিল তেখেতৰ পোছাক আৰু সদায লগত আছিল বিশ্বস্ত বাহন চাইকেলখন। মমতাময় এই আপোনভোলা মানুহজন তেখেতৰ অগণিত প্ৰিয়জনৰ স্মৃতিত চিৰকাল একে বেশত একেভাবেই অঙ্কিত হৈ আছে।

গোটেই জীৱনত কোনেও তেখেতৰ খং উঠা দেখা নাছিল। অৰ্থৰ কাৰণে, যশস্যাৰ কাৰণে এফেৰিমানো হেঁপাহ কৰা তেখেতক কোনেও দেখা নায। তেখেতে ব্যক্তিগত মান অপমানলৈ অকণো ভ্ৰূক্ষেপ কৰা বা অন্যাযৰ লগত মীমাংসা কৰাৰ কথাও কোনোৱে নাজানে। তেখেতৰ শত্ৰু নাছিল। আপোন কি পৰ সকলোৱেই তেখেতক আত্মীযৰ নিচিনা ভাবিছিল—তেখেতৰ ব্যৱহাৰত। গৰীবদুঃখী, অনাথ, আতুৰ, যাৰ কোনো নাই এনে বিলাকৰ কাৰণে তেখেত আছিল সদাজাগ্ৰত অভিভাবক। মৃত্যুৰ কাৰণ স্বৰূপ যি ঠেলাগাড়ীৰ দুৰ্ঘটনা হৈছিল, সেই গাড়ীৰ চালকক সামান্য কটুকথা শুনাওঁতেও তেখেতে বৰ আপত্তি কৰিছিল। পিছত তাক কোনোবাই নিৰ্য্যাতন কৰে এই আশঙ্কাত বাৰে বাৰে সোধা সত্তেও তেখেত সম্পূৰ্ণভাবে নীৰৱে আছিল। এনেকুৱা করুণাময উদাৰচেতা নিৰহঙ্কাৰ ঋজু চৰিত্ৰৰ আৰু সুঠাম দেহত সুন্দৰ মনৰ মানুহজন আজিৰ অসমতল সমাজৰ বুকুত সুউচ্চ শৈলশিখৰ যেন। এই উচ্চতা জোখ কৰা আমাৰ পক্ষে সম্ভৱ নহয়। জীৱিত থকা দীৰ্ঘ কালছোৱাত নৰেন্দ্ৰনাথৰ চৰিত্ৰৰ বিশালতাত আমি অভ্যস্ত হৈ গৈছিলো, আজি তেখেত নাই দেখি তাৰ মহত্ব বেছিকৈ উপলব্ধি কৰিছোঁ।

৮৭ বছৰ বয়সতো ঘৰত সোমাই শুই বহি কটাবলৈ হলে কৰ্মপ্ৰাণ নৰেন সেনে শান্তি যেন পাইছিল। পুতেক বোৱাৰীয়েকৰ অনুৰোধ উপৰোধ উপেক্ষা কৰিও অলপীয়া কাম লৈ ওলাই যায়। কেতিয়াবা পুতেক বোৱাৰীয়েকে গমকে নাপায়। এনেকৈ যোৱা মাহত এদিন ওলাই যাওতে বাটত এখন ট্ৰাকৰ কাৰণে

একলীয়া হৃবলৈ যাওঁতে এখন ঠেলাগাড়ীৰ এটা অসাৱধানী চালকে তেখেতক বেয়াকৈ খুন্দিয়ালে। সেই আঘাতৰ চিকিৎসা চলি থাকোতেই প্ৰয়োজনীয় নিষেধক লোৱা সত্তেও ধনুষ্টঙ্কাৰে আক্ৰমণ কৰিলে। তেখেতৰ ডাক্তৰ জোঁৱায়েকক ধৰি ভালেমান উচ্চ পৰ্য্যায়ৰ স্বজন ডাক্তৰে দিনানিশাই কৰা চেষ্টাও বিফলে গ'ল। ·····তাৰিখে কলিকতাৰ মেডিকেল কলেজ হাস্পতালত তেখেতৰ দেহান্ত ঘটে। “পৰোপকাৰায় সতাং হি জীৱনম্”—বৰ্ত্তমান কালত বিৰল, এনে মহৎ আদৰ্শৰ চানেকি জীৱন এটাৰ অৱসান ঘটিল।

স্মৃতিগ্ৰন্থত সম্ভাৰ যোগোৱা লিখকসকলৰ চমু পৰিচয় (বৰ্ণানুক্ৰমে)

অতুল হাজৰিকা—অসমৰ সুপ্ৰসিদ্ধ কবি, নাট্যকাৰ আৰু মঞ্চৰ বুৰঞ্জীকাৰ। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। শ্ৰেষ্ঠ অসমীয়া গ্ৰন্থৰ বাবে ১৯৭২ চনত সাহিত্য আকাডেমিৰ পুৰস্কাৰ পাওঁতা। কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতিৰ অন্যতম সদস্য।

আৰতি দেবী—৺কামাখ্যাৰাম বৰুৱাৰ নাতিনী, শ্ৰীঅপূৰ্ব্বৰাম বৰুৱাৰ জ্যেষ্ঠা কন্যা। অতিৰিক্ত জিলাধীশ শ্ৰীজিতেন্দ্ৰনাথ শৰ্ম্মাৰ সহধৰ্ম্মিণী।

খনীন্দ্ৰ চন্দ্ৰ বৰুৱা—অৱসৰপ্ৰাপ্ত আই এ এচ্ বিষয়া। অসমীয়া ভাষা আৰু স্বাৰ্থৰ কাৰণে আজীৱন যুজাৰু। অসমীয়া পুৰণি পুথিও সম্পাদনা কৰি প্ৰকাশ কৰিছে। বৰ্ত্তমান উদ্যোগ, বাণিজ্য আৰু সমাজকৰ্ম্মত আত্ম-নিয়োগ কৰিছে।

খেটেক ধৰ বৰুৱা—তিনিচুকীয়াৰ ওচৰৰ বাহাদুৰ নামৰ চাহবাগিছাৰ ভূতপূৰ্ব্ব পৰিচালক। এতিয়া অৱসৰ লৈ যোৰহাটত আছে। এখেত চাহবাগিছাৰ এজন নিষ্ঠাযুক্ত আৰু যোগ্যতাসম্পন্ন পৰিচালক আছিল।

জয়চন্দ্ৰ চৌধুৰী—গুৱাহাটীৰ এজন প্ৰবীণ আৰু প্ৰখ্যাত অধিবক্তা। স্বৰ্গীয় বৰুৱাদেৱৰ ওকালতিৰ জয়জয় ময়ময় দিনত এখেতে এজন উদীয়মান আৰু পৰিশ্ৰমী আইনজীৱীৰূপে নিজকে প্ৰতিষ্ঠা কৰিছিল। ঘৰ কামৰূপৰ কৈঠালকুচি অঞ্চলত, বৰ্ত্তমান গুৱাহাটীত।

জিতেন্দ্ৰনাথ বুজৰবৰুৱা—কামৰূপ জিলাৰ দতৰা গাঁৱৰ বুজৰবৰুৱা পৰিয়ালৰ জগন্নাথ বুজৰবৰুৱাৰ একমাত্ৰ পুত্ৰ। ৺কামাখ্যাৰাম বৰুৱাদেৱৰ ভাগিন। এজন সুসাহিত্যিক আৰু সৰল গদ্যলিখক। জীৱনী হ'ল এখেতৰ সাহিত্যচৰ্চ্চাৰ প্ৰধান ক্ষেত্ৰ। শিক্ষকতাৰ পৰা অৱসৰ লৈ বৰ্ত্তমান নিজা বাসভৱনত গুৱাহাটীত আছে।

তাৰক চন্দ্ৰ গোস্বামী—গোলাঘাট মহকুমাৰ মহুৰা উচ্চ ইংৰাজী বিদ্যালয়ৰ ভূতপূৰ্ব্ব প্ৰধান শিক্ষক। বৰ্ত্তমান গোমোঠা মাহৰা সত্ৰৰ অধিকাৰ। সম্বন্ধত স্বৰ্গীয় বৰুৱাদেৱৰ শালপতি।

তীৰ্থনাথ শৰ্ম্মা—কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ ভূতপূৰ্ব্ব অধ্যাপক, প্ৰাগজ্যোতিষ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। ১৯৫৬ৰ পৰা ১৯৫৯ লৈ

অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। বিশ্ব হিন্দু পৰিষদৰ অসম শাখাৰ সভাপতি, সমালোচক, প্ৰবন্ধকাৰ আৰু গান্ধীসাহিত্য আৰু অন্যান্য বিষযৰ পুথি প্ৰণেতা।

দিবাকৰ গোস্বামী—অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ। একালত কটন কলেজৰ অসমীয়া আৰু সংস্কৃতৰ অধ্যাপক। ভাৰতীয় সাহিত্য আৰু সংস্কৃতিত সুপণ্ডিত। ঘৰ গোলাঘাটৰ গৌৰাং সত্ৰত, বৰ্ত্তমান গুৱাহাটীত।

নিৰ্ম্মলা দেৱী—৺কামাখ্যাৰাম বৰুৱাৰ চতুৰ্থ কন্যা। শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ সহধৰ্ম্মিণী।

পদ্মেশ্বৰ গোস্বামী—উত্তৰ গুৱাহাটীৰ ন-গোসাঁই পৰিয়ালত জন্ম। স্বৰ্গীয় বৰুৱা-দেৱৰ ভগ্নীপতি ৺দুৰ্গেশ্বৰ গোস্বামীৰ ভায়েক। পলাশবাৰীত চিকিৎসা ব্যৱসায় কৰিছিল। বৰুৱাদেৱৰ লগত সকৰে পৰা স্নেহ-শ্ৰদ্ধাৰ সম্বন্ধ আছিল। দুখৰ বিষয় ইয়াৰ প্ৰবন্ধটো লিখি দিয়াৰ পাছতে তেখেত কঠিন ৰোগত আক্ৰান্ত হয়। অলপতে দেহান্ত ঘটে।

প্ৰফুল্লচন্দ্ৰ বৰুৱা—কামৰূপৰ কুমাৰকুচীয়া বৰুৱাৰ পৰিয়ালত জন্ম। বৰ্ত্তমান গুৱাহাটীত থাকে। কেইখাখনো গ্ৰন্থৰ প্ৰসিদ্ধ লিখক আৰু পিতৃ-দেৱেক ৺উত্তমচন্দ্ৰ বৰুৱাৰ আত্মজীৱনীৰ প্ৰকাশক। এই গ্ৰন্থৰ অন্যতম প্ৰবন্ধ লিখক খগীন্দ্ৰ চন্দ্ৰ বৰুৱা এখেতৰ ভায়েক।

প্ৰিয়ব্ৰত সিংহ—মণিপুৰ ৰাজপৰিয়ালৰ এজন সুযোগ্য ব্যক্তি। পোনতে উচ্চ সামৰিক বিষয়া আছিল। পাছত ৰাজনীতিলৈ আহে। মণিপুৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰূপে কিছুদিন ৰাজকাৰ্য্য চলাইছিল। এওঁ মুখ্যমন্ত্ৰী থকা কালতে ৺কামাখ্যাৰাম বৰুৱা মণিপুৰৰ মুখ্য ন্যায়াধীশ আছিল।

বিমলচন্দ্ৰ বৰুৱা—সাধাৰণতে ধ্বনিকবি আখ্যাৰে সাহিত্য সমাজত প্ৰথিত-যশা। বিবিধ প্ৰবন্ধৰ লিখক। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। জাঁজী উচ্চ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষকৰূপে বহুত দিন কাম কৰাৰ পাছত অৱসৰ লৈ এতিয়া টীয়কৰ নিজা ঘৰত আছে।

বেণুধৰ শৰ্ম্মা—অসমৰ প্ৰসিদ্ধ বুৰঞ্জীবিদ্, জীৱনীকাৰ আৰু এটা বিশিষ্ট ভঙ্গিমাৰে সমৃদ্ধ গদ্য-লিখক। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। পূৰ্ব্বতে শিৱসাগৰৰ চাৰিঙৰ, বৰ্ত্তমান গুৱাহাটীত থাকে। ৮০ বছৰ পূৰ্ণ হল, কিন্তু সাহিত্য-চৰ্চ্চা একেগতিৰে চলি আছে।

মনোৰঞ্জন শাস্ত্ৰী—অসমৰ বিখ্যাত সংস্কৃত পণ্ডিত। নলবাৰী সংস্কৃত কলেজৰ ভূতপূৰ্ব্ব অধ্যক্ষ। বৰ্ত্তমান গুৱাহাটীৰ চৰকাৰী সংস্কৃত কলেজৰ

অধ্যাপক। অসমীয়া আৰু সংস্কৃত দুয়ো ভাষাতে বিভিন্ন গ্ৰন্থৰ প্ৰণেতা। বহুতো গৱেষণামূলক প্ৰবন্ধৰ ৰচয়িতা। কামৰূপ সঞ্জীৱনী সভাৰ ভূতপূৰ্ব্ব সম্পাদক আৰু বহুত সংস্কৃত-পুথিৰ সংগ্ৰাহক। জন্ম মঙ্গলদৈ মহকুমাৰ ভেকেৰা গাৱঁত, এতিয়া কাৰ্য্যোপলক্ষ্যে গুৱাহাটীত থাকে।

মাণিকচন্দ্ৰ হাজৰিকা—অৱসৰ প্ৰাপ্ত চৰকাৰী বিষয়া। অসম চৰকাৰৰ কামৰ পৰা অৱসৰ লোৱাৰ পাছত মণিপুৰ ৰাজ্য চৰকাৰে সমবায় সংগঠনৰ কাৰণে বিষয়া নিযুক্ত কৰে। ৺কামাখ্যাৰাম বৰুৱাৰ এজন বিশিষ্ট বন্ধু। বৰ্ত্তমান নবতিপৰ বৃদ্ধ। পুতেক বোৱাৰীয়েকৰ লগত গুৱাহাটীত থাকে।

যাদৱদেব শৰ্ম্মা—ঘৰ কামৰূপৰ টিহুত। এজন স্ববলেৰে প্ৰতিষ্ঠিত লোক। ক্ষুদ্ৰ উদ্যোগৰ বিষয়ত একালত অসমীয়া ডেকাৰ ভিতৰত আগৰণুৱা আছিল। এজন সুসাহিত্যিক। ৫।৬ খন গ্ৰন্থৰ লিখক।

ৰমেশ কলিতা—গুৱাহাটী পৌৰ নিগমৰ বিষয়া। নাট্যকাৰ আৰু বুৰঞ্জীমূলক প্ৰবন্ধকাৰ। ১৯৭২-৭৩ চনত কামৰূপ সাহিত্য পৰিষদৰ প্ৰধান সম্পাদক।

ৰাজবালা দাস—সন্দিকৈ ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষা। ৰামায়ণ মহাভাৰতৰ কাহিনী, গীতাৰ সাৰাংশ আৰু নিজৰ জীৱন-কাহিনীৰ যোগেদি পুৰণি কালৰ স্ত্ৰীশিক্ষাৰ আভাস দি সাহিত্যক্ষেত্ৰতো মূল্যবান অৰিহণা যোগাইছে। এখেতৰ স্বামী ৺ডাঃ জ্যোতিষচন্দ্ৰ দাস ৺কামাখ্যাৰাম বৰুৱাৰ এজন পৰম বন্ধু আছিল।

ৰাধানাথ হাজৰিকা—অৱসৰপ্ৰাপ্ত জিলা ন্যায়াধীশ। বৰ্ত্তমান যোৰহাট ন্যায়ালয়ৰ অধিবক্তা। অসম সাহিত্য সভা আৰু অন্যান্য সংস্কৃতিমূলক কৰ্ম্ম আৰু অনুষ্ঠানৰ লগত ঘনিষ্ঠভাবে জড়িত।

ৰাধামোহন সিং—মণিপুৰ ৰাজ্যৰ নব-গঠিত ন্যায়পালিকাৰ প্ৰথম চাৰিজন ন্যায়াধীশৰ এজন। কামাখ্যাৰাম বৰুৱা মুখ্য ন্যায়াধীশ থাকোঁতে এখেত অন্যতম ন্যায়াধীশ আছিল। বৰ্ত্তমান ইম্ফালত থাকে।

ৰাধিকামোহন গোস্বামী—ঔপন্যাসিক, চুটিগল্পকাৰ আৰু বিবিধ প্ৰবন্ধৰ লিখক। সাপ্তাহিক কাকত আলোকৰ সম্পাদক। সাহিত্যিক পেঞ্চন পাওঁতা নগাওঁ ন্যায়ালয়ৰ অধিবক্তা। ঘৰ নগাওঁত।

ৰাণাৰাম অযোধ্যা সিং—ঘৰ বিহাৰত। অসমৰ পশুৰ প্ৰতি নিষ্ঠুৰতা নিবাৰক সমাজৰ (S.P C.A.) বহুত দিন ধৰি সম্পাদক। অসম গোশালা সংঘৰো কিছুদিন সম্পাদক আছিল।

ৰাম গোস্বামী—৺পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ভ্ৰাতৃ ৺জগৎচন্দ্ৰ গোস্বামীৰ পুত্ৰ। অসম বাণিজ্যিক গ্ৰন্থালয়ৰ মুখ্য গ্ৰন্থপাল। সাহিত্য সভাৰ মুখিয়াল সদস্য আৰু বিবিধ বিষয়ৰ প্ৰবন্ধলিখক।

সতীশ ভট্টাচাৰ্য্য—গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ ইংৰাজীৰ অধ্যাপক। নাট্যকাৰ আৰু প্ৰবন্ধলিখক। কামাখ্যাৰাম বৰুৱা স্মৃতিগ্ৰন্থ সমিতিৰ সম্পাদক।

হৰেন্দ্ৰনাথ কলিতা—কামৰূপ জিলাৰ আৰংমুৰ নামৰ গাৱঁত জন্ম। শিক্ষা, গুৱাহাটী আৰু কলিকতাত। বিজ্ঞানৰ সাধু, চন্দ্ৰলৈ অভিযান আদি গ্ৰন্থৰ প্ৰণেতা হিচাপে প্ৰধানকৈ শিশু-সাহিত্যিকৰূপেই স্বৰ্গীয় কলিতা জনাজাত আছিল। আবাহন কাকতত বহুত জনপ্ৰিয় ছুটি গল্পও লিখিছিল। তেখেতৰ অকাল বিয়োগে অসমীয়া শিশুসাহিত্যৰ ডাঙৰ ক্ষতি কৰিলে। এই গ্ৰন্থৰ প্ৰবন্ধটোৱেই তেখেতৰ শেষ সাহিত্য-কৰ্ম্ম।

————

Printed by D. P. Mitra at the Elm Press, 63 Beadon Street, Calcutta-6.



কামাখ্যাৰাম বৰুৱাৰ (পিতৃদেব)

কালীৰাম বৰুৱা



কামাখ্যাৰাম বৰুৱাৰ আদহীয়া কালৰ অৰ্দ্ধাবয়ব প্ৰতিকৃতি

গুৱাহাটীৰ আৰ্ল ল কলেজৰ অধ্যাপকৰূপে কামাখ্যাৰাম বৰুৱা—বহি (সোঁফালৰ পৰা) কামাখ্যাৰাম বৰুৱা, জে বৰুৱা, জে বৰুৱাৰ সহধৰ্ম্মিণী, অবনীন্দ্ৰনাথ ঠাকুৰ, শেহত সত্যনাথ বৰুৱা, লগত ১৯২০ চনৰ ল কলেজৰ ছাত্ৰসকল।

১৯৪১ চনৰ কলিকতাত থকা অসমীয়া ছাত্ৰ আৰু আনসকলৰ মাজত বাওঁফালৰ পৰা সপ্তমজন কামাখ্যাৰাম বৰুৱা, কাষত ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰী। বৰুৱাদেবৰ কাষত চতুৰ্থা কন্যা নিৰ্ম্মলা। ৺নগেন চৌধুৰীৰ কাষত হৰেন্দ্ৰনাথ কলিতা।



বৰুদাদেৱৰ কনিষ্ঠ পুত্ৰ প্ৰবীৰ ৰাম বৰুৱাৰ দানত প্ৰতিষ্ঠিত
কমাখ্যাৰাম বৰুৱা গাৰ্লছ কলেজৰ একাংশ

১৯২২ চনত পৰিয়ালবৰ্গ সহিত কামাখ্যাৰাম বৰুৱা। বাওঁফালৰ পৰা মাটিত—দ্বিতীয় প্ৰবীৰৰাম (কনিষ্ঠ পুত্ৰ) জিতেন্দ্ৰনাথ বুজৰবৰুৱা, প্ৰমীলা দেবী, (২য় কন্যা) ৰত্নাবলী দেবী (১মা কন্যা) চকিত—৺অম্বিকা দেবী (ভনী) ভুবনেশ্বৰী দেবী (ভনী)। ৺মুক্তাবালা দেবী (পত্নী)। বামত থিয় হৈ বৰলৰা অপূৰ্ব্বৰাম, কামাখ্যাৰাম বৰুৱা কোলাত তৃতীয় জীয়ৰী উৰ্ম্মিলা দেবী, ঘৰৰ অন্যান্য লোকসকল।

বৰুৱাদেৱৰ অৰ্থদানত প্ৰতিষ্ঠিত কালীৰাম বৰুৱা গাৰ্লছ হাই স্কুল

বৰুৱাদেৱৰ ভূমিদানত প্ৰতিষ্ঠিত হৰিপ্ৰিয়া বিদ্যাপীঠ

বিয়াৰ পাছত ওকালতি আৰম্ভ কৰাৰ সময়ত কামাখ্যাৰাম বৰুৱা (বাওঁফালে থিয় হৈ), বন্ধু নৰেন সেন বহি সোঁফালে একেবাৰে শেহত বৰুৱাদেৱৰ পত্নী ৺মুক্তাবালা দেৱী, মাজত নৰেন্দ্ৰ সেনৰ পত্নী।



পণ্ডিত মদনমোহন মালবীয় আৰু আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ লগত কামাখ্যাৰাম বৰুৱা—লগত কংগ্ৰেছকৰ্ম্মী কিছুমান।

গুৱাহাটীৰ পুৰণি উকীলসকলৰ মাজত কামাখ্যাৰাম বৰুৱা (চকীত বহা বাঁওফালৰ পৰা দশমজন)।
কাষতে কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ।

কামাখ্যাৰাম বৰুৱা আৰু তেখেতৰ বন্ধু আৰু বৈবাহিক
৺চন্দ্ৰনাথ শৰ্ম্মা

কলেজীয়া জীৱনত কামাখ্যাৰাম বৰুৱা। বহি বাওঁহাতৰ পৰা প্ৰথমৰ জন, বহি দ্বিতীয় জন ৺শৰৎ চন্দ্ৰ গোস্বামী আৰু থিয় হৈ বাওঁহাতৰ পৰা দ্বিতীয় জন ৺ডাঃ জ্যোতিষ চন্দ্ৰ দাস।

কামাখ্যাৰাম বৰুৱা আৰু তেখেতৰ বন্ধু ৺নৰেন্দ্ৰ নাথ সেন